বিশ্ববিদ্যালয়, ভাষা, ভাষণ আৰু ভ্ৰমণ

গুৱাহাটী বিশ্ববিদ্যালয় উৎপত্তিৰ বুৰঞ্জী, ১৯৭২ চনৰ আন্দোলনৰ
পৰিপ্ৰেক্ষিতত অসমৰ উচ্চশিক্ষাৰ মাধ্যম-বিষয়ক আলোচনা,
বিভিন্ন সমাজৰ অধিৱেশনৰ অভিভাষণ আৰু
পূব ইউৰোপত ভ্ৰমণৰ বৃত্তান্তৰ সংগ্ৰহ

ডক্টৰ মহেশ্বৰ নেওগ,
জৱাহৰলাল নেহৰু অধ্যাপক,
গুৱাহাটী বিশ্ববিদ্যালয়

১৯৭৪
লয়াৰ্ছ বুক-ষ্টল
গুৱাহাটী-১, অসম

VISVAVIDYĀLAYA, BHĀSĀ, BHĀSAN ĀRU BHRAMAN, an anthology of essays on the initial history of Gauhati University and on the question of the medium of University education of Assam, Presidential addressess of various conferences and travelogues and reports of lecture and contact making tour in East Europe, by Dr Maheswar Neog, Jawaharlal Nehru Professor, Gauhati University, published by Gopal Goswami, Service Book-Sellers, Gauhati University, Gauhati 14, January 1974

প্ৰকাশক :
শ্ৰীগোপাল গোস্বামী
ছাৰ্ভিচ বুক-ছেলাৰ্ছ
গুৱাহাটী-১৪

প্ৰথম তাঙৰণ : ১৯৭৪

মূল্য ৮'০০ টকা

মুদ্ৰক :
শ্ৰীকালীচৰণ পাল
নবজীৱন প্ৰেছ
৬৬ গ্ৰে ষ্ট্ৰীট, কলিকতা-৬

প্ৰকাশকৰ নিবেদন

ডক্টৰ মহেশ্বৰ নেওগৰ অনেকখিনি বিভিন্ন বিষয়ৰ গদ্য প্ৰবন্ধ খবৰ-কাগজ আৰু আলোচনীৰ পাততে সিঁচৰতি হৈ পৰি আছে। সাহিত্যৰ ছাত্ৰসকলে আৰু আনসকলেও সেইবিলাক আৱশ্যকত বিচাৰি নাপায়। অধ্যাপক নেওগৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ জন্মৰ আগৰ বুৰঞ্জী, উচ্চশিক্ষাৰ মাধ্যম-বিষয়ক বহল আলোচনাৰ প্ৰবন্ধকেইটা, তেখেতৰ বিভিন্ন সন্মিলনৰ সৰু সৰু অভিভাষণকেইখনি আৰু ভাৰত চৰকাৰৰ প্ৰতিনিধি হিচাপে পূব ইউৰোপত ভ্ৰমণ-বৃত্তান্ত কেইটিয়ে পাঠকসকলৰ মাজত নানা অনুভৱ আৰু চিন্তাৰ উদ্ৰেক কৰিছিল। সেইদেখি সেই মূল্যবান লেখাকেইটি একে থুপতে পাব পৰাকৈ আমাক সংকলন কৰি দিয়াত আমি অতি আগ্ৰহেৰে তাৰ প্ৰকাশৰ ভাৰ ল'লো। আশাকৰোঁ পাঠকসকলে এই প্ৰবন্ধকেইটিৰ দ্বাৰা নানাভাৱে উপকৃত হ'ব আৰু আমাৰ প্ৰকাশন উদ্যোগক উৎসাহ দিব।

প্ৰবন্ধখিনি সংগ্ৰহ কৰা আৰু পুথিৰ কেঁচা ছপা চোৱাই গ্ৰন্থকাৰক সহায় কৰা বাবে গ্ৰন্থকাৰৰ হৈ আমি অধ্যাপক জয়প্ৰসাদ চলিহা, শ্ৰীভৱানীপ্ৰসাদ অধিকাৰী, কুমাৰী আফিয়া চুলতানা আৰু তেখেতৰ আন ছাত্ৰ-ছাত্ৰীসকলক ধন্যবাদ জ্ঞাপন কৰিছোঁ। পুথিখন সৰাসৰিকৈ ছপাই উলিয়াই দিয়াৰ বাবে নৱজীৱন প্ৰেছক ধন্যবাদ।

গুৱাহাটী বিশ্ববিদ্যালয়
গুৱাহাটী-১৪, অসম
২৩ জানুৱাৰী, ১৯৭৪

[illegible] গোস্বামী

সূচীপত্ৰ

বিশ্ববিদ্যালয় :

এটা বিশ্ববিদ্যালয়ৰ স্বপ্ন .. ১

ভাষা :

অসমৰ উচ্চশিক্ষাৰ মাধ্যম অসমীয়া ৪৪

কাৰখানা পণ্ডিতৰ তালিম ৬১

ভাষণ :

গ্ৰন্থাগাৰ আৰু গ্ৰন্থাগাৰ-আন্দোলন ৭০

ৰাজ্যিক গ্ৰন্থাগাৰ বিধি-ৰচনা ... ৮২

ভগৱান বুদ্ধৰ বাণী আৰু অসম ৮৮

ভাৰতীয় সাংস্কৃতিক ঐতিহ্য আৰু অসম ৯৯

একাঙ্কিকা আৰু তাৰ কাৰিকৰি ১১৮

মোৱামৰীয়াৰ যুদ্ধৰ শোণিতেৰে ৰঙোৱা বুৰঞ্জীৰ পাত ১২৭

চাহ-মজদুৰ যুৱকসকললৈ আহ্বান ... ১৪৩

শতাব্দীৰ অৰ্ঘ্য ১৫৩

কনক-স্তম্ভ ১৭৬

শতাব্দীৰ আলাপ ... ১৮০

ভ্ৰমণ :

দ প’এট্ লিভ্ লাভ্ হোৱাইল্ হি লিভ্ড্ ... ১৯৩

ভট্ট মোক্ষমূলাৰ আৰু নেহেৰুৰ ঘৰত ... ২০২

মুছাফিৰ : শাহজাহাৰ সোণালী দেশত ... ২১৪

মাথাইয়া ৭০ : ক'লা-নাগৰপৰীয়া ক'লীয়াইত ২৩২

STATE CENTRAL LIBRARY
GAUHATI
ASSAM

এটা বিশ্ববিদ্যালয়ৰ স্বপ্ন

১

১৯৪৫-৪৬ চনত শিলপুখুৰী অঞ্চলৰ ডঙ্গুৰা-দাংবৰলাৰ এটা মেছত (লোকৰ ভাৰা-ঘৰ হ'লেও তাকে ৰামগিৰি নামকৰণ কৰা হৈছিল) খৰলি খাই পুৱা গধূলি গুৱাহাটী বিশ্ববিদ্যালয় স্থাসৰক্ষা সমিতিৰ অফিচ কৰোঁ, আৰু মাজে মাজে গুৱাহাটী এৰি ডিব্ৰু গোলাঘাট তেজপুৰ যোৰহাট ভ্ৰমণ কৰি ভৱিষ্যতৰ গুৱাহাটী বিশ্ব-বিদ্যালয়ৰ হকে ক'ত কি টকাৰ টুপলি গোট খাইছে, চাই আহোঁগৈ। মাজে মাজে মেছৰ সহবাসী হেম বৰুৱাই কৈ উঠে, 'বুঢ়া বয়স হ'লে আমাৰ নেওগে টুক্ টুক্ কৰি লাঠি হাতত লৈ আগলৈ বিশ্ববিদ্যালয়ৰ বিষয়ে পতা সভাত লেকচাৰ দিবগৈ: বোপাটিহঁত, এই বুঢ়ায়ে ডাহানি বৰদলৈ, ফখৰুদ্দিন চাহাব আদিৰ লগত থাকি তোমালোকে পঢ়া এই ভাওৰ পঢ়াশালিখন কৰিলো, এই বুঢ়ায়ে ইত্যাদি, ইত্যাদি।' এতিয়াও লাখুটি এডাল সংগ্ৰহ কৰিব পৰা নাই। কিন্তু এতিয়াও পঁচিশ বছৰৰ আগৰ সেই দিনবোৰৰ কথা মনত পৰিলে গা ৰণজিক্ ৰণজিক্ কৰি উঠে। চাৰিওকালে কি উত্তম, কি উছাহ!! আমি কুকুৰীয়া কালতে দেখা ১৯২১ বা কেৰেছৰা বয়সত দেখা ১৯৩০ৰ জাতীয় আন্দোলনবহে যেন সেয়া অসমীয়া ভাওৰণ। সকলোৰে মুখত একেটা কথা—"গুৱাহাটী বিশ্ববিদ্যালয় লাগেই, এতিয়াই লাগে, আজিয়েই লাগে।"

উচ্চ শিক্ষাৰ লাহে লাহে বুৰঞ্জী:

অসমত উচ্চ শিক্ষাৰ বুৰঞ্জী লাহে লাহেৰ বুৰঞ্জী। ব্ৰিটিশ প্ৰভুসকলৰ আগমনৰ লগে লগে কোম্পানি বাহাদুৰৰ গোন প্ৰথম

এজেণ্ট ডেভিড ইস্কাট চাহাবে নেটিভসকলৰ শিক্ষালৈ মন দি ঠায়ে ঠায়ে বঙলা ইস্কুল কৰিলে। তেওঁ আকৌ জিলায় জিলায় একোখন ইংৰাজী হাই স্কুল কৰাৰো প্ৰস্তাৱ দাখিল ধৰিলে। কিন্তু কোম্পানি চৰকাৰে এখনহে মঞ্জুৰ কৰিলে। ১৮৩৫ ছনত গুৱাহাটী হাই স্কুল হ'ল। ইংৰাজে দেশ লোৱাৰ সাত বছৰতে এনে এটা অনুষ্ঠান হোৱাটো অৱশ্যে আশাৰে কথা। কিন্তু আকৌ শামুকৰ গতি। তাৰ ছবছৰৰ মূৰত হ'ল শিৱসাগৰৰ হাই স্কুল। সেই গতিত অসমে ডি.পি আই এজন পোৱা ১৮৭৪ ছনলৈকে অসমত মাথোন ছখন হাই স্কুল হয়। ইতিমধ্যে নেটিভসকলে এখন কলেজৰো দাবী কৰি বহিছিল। তাৰ ফলত ১৮৬৬ ছনত গুৱাহাটী হাই স্কুলত এফ্ এ শ্ৰেণী আৰু ১৮৭৫ ছনত এবিধ আইন শ্ৰেণীৰ ছুটা ডবা লগাই দিয়া হৈছিল। কিন্তু ১৮৭৬ ছনত গুৱাহাটী হাই স্কুল পুনৰ্মূষিক হ'ল। এতিয়া কোৱা হ'ল যে গুৱাহাটীত কলেজৰ শিক্ষা ভাল নহ'ব, গতিকে অসমৰ উচ্চশিক্ষাৰ্থীসকলক কুৰিটকীয়া জলপানি দি কলিকতালৈ চালান দিয়া হ'ব। সেই ছেগতে এণ্ট্ৰেন্স পৰীক্ষা পাছ কৰা আৰু কলিকতালৈ ডাকজাহাজত উঠা ল'ৰাৰ সংখ্যা বাঢ়িবলৈ ধৰিলে। গতিকে পুনৰ কলেজৰ দাবীৰ ঢ'ক উঠিল। এই আন্দোলনৰ গুৰি ধৰিবলৈ ওলাই আহিল গুৱাহাটী স্কুলত কলেজীয়া শিক্ষা পোৱা মাণিকচন্দ্ৰ বৰুৱা। ১৮৯৯ ছনত তেওঁ চৰকাৰৰ ওচৰত এখন আবেদন দাখিল কৰিলে, গুৱাহাটীত এখন কলেজ স্থাপন কৰিব লাগে, যদিও তেওঁ লগতে ইয়াকো ক'লে, যদি ইয়াত কলেজ কৰিব পৰা নহয়, তেতিয়া হ'লে কলিকতালৈ যোৱা ল'ৰাৰ জলপানিৰ সংখ্যা আৰু পৰিমাণ বৃদ্ধি কৰি দিব লাগিব। পিছত অৱশ্যে তেওঁ দ্বিতীয়টো কথা এৰি প্ৰথমটো দাবীতে হাতী-পুঁৰ দি ধৰিলে। ভাগ্যে তেতিয়া অসমৰ চিফ কমিছনাৰ আছিল মহামতি হাৰ হেনৰি কটন। তেওঁ বাইজৰ ইচ্ছাতে মূৰ দোৱালে। গুৱাহটীয়া ৰাইজে সভা পাতি

খিবাং কৰিলে, হ'ব লগা কলেজখনৰ নাম কমিছনাৰ বাহাদুৰৰ উদাৰ নামেই হ'ব লাগে। সেইমতে ১৯০১ চনৰ মেই মাহত কটন কলেজ উপজিল। জুন মাহত প্ৰথম বাৰ্ষিকত ৩৭ আৰু দ্বিতীয় বাৰ্ষিকত দুজন ছাত্ৰৰ নাম ভৰ্তি কৰা হ'ল। পোনতে কলেজৰ ভাল বাজিছিল টিমা-তেতালা। তেনে অৱস্থাত কলেজৰ দুৱাৰত বাদুলিসঁচাৰ লগোৱা হ'ব পাৰে বুলিও ওপৰৱপৰা ভয় খুউৱা হৈছিল। কিন্তু সোনকালেই কলেজ দপ্দপ্কৈ উঠি আহিল। এফ্ এ ৰ ঠাইত আই এ, আৰু আই এছ্-চি, বি, এ, বি এছ্-চি, অনাৰ্ছ, আৰু ১৯১৪ত ইংৰাজীৰ এম্.এ হ'ল। কলেজ গজ্গজীয়া হৈ উঠিল।

প্ৰথম মন্ত্ৰ :

১৯১৭ চন। অসমৰ বিশ্ববিদ্যালয়—এই শব্দটো প্ৰথম উচ্চাৰিত হ'ল। সেই মন্ত্ৰ যাৰ উদাত্ত কণ্ঠত ধ্বনিত হ'ল তেওঁলোক অসমীয়া নহয়। তেওঁলোক ইংৰাজ, বঙালী, । ১৯১৭ চনত কলিকতা বিশ্ববিদ্যালয় আয়োগ বা ছেডলাৰ আয়োগ আহিল কটন কলেজ চাবলৈ। সেউজী অসম আৰু ৰূপহী কটন কলেজ দেখা পাই আয়োগ প্ৰেমৰ একেবাৰেই দ খালত পৰিল। গুৱাহাটীৰ কথাযে তেওঁলোকৰ কৈ অন্ত নপৰা হ'ল। 'গুৱাহাটী আচল অসমৰ স্বাভাৱিক কেন্দ্ৰভূমি। নদী-পথ আৰু ৰেল-পথৰ দ্বাৰা সি অসমৰ সকলো অংশৰ লগত সংলগ্ন। সি যাৰ দ্বাই আলিবাটবোৰো আহি ইয়াত লগ লাগিছে, সেই খাছিয়া-জয়ন্তীয়া পৰ্বতবো সেৱা কৰিব লাগিব। (ব্ৰহ্মদেশৰবোৰ বাদ দি) কলিকতা বিশ্ববিদ্যালয়ৰ অন্তৰ্ভুক্ত সকলো কলেজৰ ভিতৰত কটন কলেজৰ দৰে এটা পৰিস্ফুটভাবে সংজ্ঞাবিত ভূমিভাগৰ সেৱা কৰা কোনো কলেজ নাই, আৰু আন কোনো কলেজৰ ভাষাগত, সাহিত্যিক, ঐতিহাসিক, পুৰাতাত্ত্বিক, নৃতাত্ত্বিক, অৰ্থনৈতিক, ভূতাত্ত্বিক আদি বহুতবোৰ ক্ষেত্ৰ অধ্যয়ন কৰাৰ ইমান সম্ভাৱনাও নাই।...যাৰ সেৱাত এই কলেজখন

লাগি আছে, সেই বিশেষত্বপূর্ণ জাতিটোৰ দেশ-প্ৰেমৰ অনুভূতিয়ে তাক আৱৰি আছে আৰু অধিকভাৱে আৱৰি থকা উচিত। কিন্তু কলিকতাই নিয়ন্ত্ৰণ কৰা পৰীক্ষাই যেতিয়ালৈকে ইয়াৰ অধ্যয়ন নিয়ন্ত্ৰণ কৰিব, তেতিয়ালৈ নিজ জাতিৰ চৰিত্ৰ আৰু আৱশ্যক অনুসৰি গুৱাহাটীয়ে পঠন-পাঠনৰ গঢ় দি ল'ব নোৱাৰে। নিঃসন্দেহে ক'ব পাৰি, গুৱাহাটীয়ে এখন বিশ্ববিদ্যালয়ৰ স্থান হ'বলৈ ন্যায়তঃ কামনা কৰিব পাৰে।' আয়োগে দেখি তবধ মানে যে কটন কলেজ ইতিমধ্যেই বিশ্ববিদ্যালয়ৰ ক্ষুদ্ৰ তাণ্ডৰণৰ ৰূপ লৈছে। তেওঁলোক এইটো বুজিবলৈহে অপাৰগ হয়, কটন কলেজৰ দৰে শিক্ষা-কেন্দ্ৰ থাকোঁতেও ১৯১৭ চনতো কিয় ৫৬৪জন ছাত্ৰই তাক নেওচা দি কলিকতা আৰু বঙ্গদেশৰ অন্যান্য ঠাইত পঢ়িবলৈ লৰ ধৰে।

বাস্তৱিকতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ বুৰঞ্জীৰ শ্ৰীকৃষ্ণায় নমঃ এইটিয়েই, আৰু তাক অসমীয়াৰ প্ৰাণৰ সাঁচিপাতত লেখি দিলে মাইকেল ছেদলাৰ, আশুতোষ মুখোপাধ্যায়, ডক্টৰ জিয়াউদ্দিন প্ৰভৃতি এই আয়োগৰ সদস্যসকলে। সেই ধ্বনি বুঢ়া লুইতৰ ওখ পৰাত ঠেকা খাই খাই পুৰা তিনিটা দশক প্ৰতিধ্বনিত হৈ হৈ বাজি থাকিল। তেতিয়াহে সি অশৰীৰী গুচি অঙ্গ ধাৰণ কৰিব পৰা হ'ল।

১৯১৭ চনত অসম বিধান পৰিষদৰ এপ্ৰিল অধিৱেশনত বিশ্ব-বিদ্যালয় স্থাপনৰ বিষয়টো প্ৰবলভাৱে উত্থাপিত হ'ল। সেই বছৰেই ডিচেম্বৰত শিৱসাগৰত বহা আসাম এছোচিয়েচনৰ সভাত আসাম প্ৰদেশত এক স্বকীয়া বিশ্ববিদ্যালয় স্থাপিত হ'ব লাগে বুলি দাবী কৰা হ'ল। ১৯১৮ চনত এছোচিয়েচনৰ গোৱালপাৰা অধিৱেশনত সেই প্ৰস্তাব পুনৰ্গৃহীত হ'ল। ১৯২০ আৰু ১৯২২ত বিধান পৰিষদত সেই সম্পৰ্কে কেইবাটাও প্ৰশ্ন উঠিছিল আৰু বাৰে বাৰে প্ৰস্তাৱো উত্থাপিত হৈছিল। পিছৰটো বছৰত এজন সদস্যই চৰকাৰক পৰামৰ্শ দিছিল যে বিশ্ববিদ্যালয়-প্ৰতিষ্ঠাৰ প্ৰশ্নটো বিচাৰ কৰিবলৈ এখন সমিতি নিয়োগ কৰিব লাগে। কলিকতা বিশ্ববিদ্যালয় আয়োগৰ প্ৰতিবেদনৰ

ফল-স্বৰূপে কটন কলেজো বঙ্গ চৰকাৰৰ অধীনলৈ যাব লগা হ'ল। তাৰ ফল-স্বৰূপে বঙ্গ প্ৰদেশে আসাম প্ৰদেশৰ শিক্ষা বিষয়ত সকলো কথাতে আদেশ দিব পৰা ক্ষমতা পালে। এই কাৰণত অসম চৰকাৰ যি বিপাঙত পৰিছিল, তাক চিফ কমিছনাৰ ছাৰ বিট্ছন্ বেল্, শিক্ষাধিকাৰ কানিংহাম আৰু কটন কলেজৰ অস্থায়ী অধ্যক্ষ ৰবার্টছ আদিয়ে বেচ চোকা ভাষাৰেই বৰ্ণনা কৰিছিল। কলিকতা বিশ্ববিদ্যালয় পৰিষদত অসমৰ নামত এটি প্ৰাণীও নাই, ছিনেটত যিবা দুই বা এজন আছিল, তেওঁলোকৰ মাত কলিকতীয়া কোলাহলত বাহিৰত শুনাই নাযায়। তেতিয়া বহুতে কৈছিল যে অসমত বিশ্ববিদ্যালয় হ'বলৈ সময়ৰ পক ধৰা নাই। কানিংহামে তাৰ উত্তৰত ক'লে, যদি একে কাৰণত জন্ম হোৱা কাশী, বৰ্মা আৰু মহীশূৰ বিশ্ববিদ্যালয়ৰ কাৰণে সময় হৈছে, অসমৰ ক্ষেত্ৰতো সি হ'ব লাগিব। And if, as it would seem, we are between the devil and the deep sea, if may be the wiser courage to prefer the sea, we shall at least moor out on our own course with the spirit and resolution of those who are dealing themselves with their own destinies এয়া ১৯২০ চনৰ কথা। অসমৰ নিজৰ শিক্ষাৰ সমস্যাৰ বিষয়ে ভাবিবলৈ দিব লাগে বুলি চিফ কমিছনাৰেও একলম মাৰিলে মহামান্য ভাৰত চৰকাৰলৈ। কিন্তু দুৰ্ভগীয়া অসম আগৰ যে তিমিৰে সে তিমিৰেই ৰ'ল।

অধিকন্তু, অসমে নিজৰ মলা যেন মুখত আৰু এটা খুলা সহিব লগীয়া হ'ল ১৯২৩ চনত। ১৯২১ চনৰ কলিকতা বিশ্ববিদ্যালয়ৰ অধিনিয়ম অনুসৰি বিশ্ববিদ্যালয়ৰ শাসন ভাৰত চৰকাৰৰ হাতৰপৰা নি বঙ্গ চৰকাৰৰ (প্ৰকৃতপক্ষে বঙ্গৰ শিক্ষামন্ত্ৰীৰ) হাতত অৰ্পণ কৰা হ'ল। অসম আৰু বিপাঙত পৰিল। আকৌ বিশ্ববিদ্যালয়ৰ দাবী গা কৰি উঠিল। চৰকাৰে মুখ ভকুৱাই দেখুৱালে, আৰু উপায় নদি লীয়ন্তে দৰিদ্ৰাণাং মনোৰথাঃ!

মুনাওৱাৰ, কানিংহাম, ডক্টৰ ভুঞাৰ নষ্ট যোৱা যত্ন :

নোযোৱা-সুপুওৱা দিনবোৰ গৈয়ে থাকে। ১৯৩১ত বিধান পৰিষদত পুনৰ বিশ্ববিদ্যালয়ৰ প্ৰশ্ন উঠে। ১৯৩৪-৩৫তো পৰিৱেশ বেছ গৰম হৈ উঠে। ১৯৩৪ত সুনামগঞ্জৰপৰা নিৰ্বাচিত বিধান পৰিষদৰ সদস্য মুনাওৱাৰ আলিয়ে এখন বিশ্ববিদ্যালয়ৰ বিলৰ খচৰা কৰি বিধান পৰিষদত উত্থাপন কৰিবলৈ আৱশ্যকীয় অনুমতি বিচাৰে। এই লৈ চাৰিওফালে কোচাল উঠিল। ব্ৰহ্মপুত্ৰ উপত্যকা আৰু পাৰ্বত্য জিলাকেইখনে ক'লে, বিশ্ববিদ্যালয় লাগে। সুৰমা উপত্যকাই সিয়ঁৰি দিলে, না, না, না, লাগে না। শ্ৰীহট্টত এক বিৰাট সভা হ'ল ১৯৩৫ৰ ২৫ এপ্ৰিলত। সকলো মতবাদৰ লোক গোট খোৱা ভেনে সভা বোলে তাৰ মাজুহে দেখাই নাছিল। সভাত প্ৰস্তাৱ গৃহীত হ'ল—শ্ৰীহট্ট বিশ্ববিদ্যালয়-প্ৰতিষ্ঠাৰ বিৰোধী, মুনাওৱাৰ আলিয়ে যেন তেওঁৰ বিল উত্থাপন নকৰে। আনফালে অসম উপত্যকা আৰু পৰ্বতীয়া জিলাৰ নগৰবোৰত মহা সমাৰোহেৰে ২২ মেইৰ দিনা বিশ্ববিদ্যালয় দিৱস উদ্‌যাপিত হ'ল। বাইজে ক'লে, সুৰমা উপত্যকাক যেতিয়া বিশ্ববিদ্যালয় নালাগেই, সেইটি আমাৰ গুৱাহাটীতে হওক, তেওঁলোকৰ লগত আপোচ কৰিবলৈ গৈ শিলঙত এটা অফিচ নবহালেও হ'ব। কলিকতাত থকা অসমীয়া ছাত্ৰসকলে এছামিজ ষ্টুডেণ্ট্‌ছ ৱেলফেয়াৰ লীগ গঠন কৰি চি ভি ৰামন, দেৱপ্ৰসাদ সৰ্বাধিকাৰী, বেজবৰুৱা, কৃষ্ণকান্ত সন্দিকৈ আদিৰ মত গোটাই পুস্তিকা প্ৰকাশ কৰে। লিগৰ সম্পাদক জীৱনৰাম বৰুৱাই মনীষীসকলৰ অভিমত আনি বাতৰি-কাকতত প্ৰচাৰ কৰাৰো দিহা কৰে। ২৭ মেই তাৰিখে যেতিয়া ৰাজ্যপাল ছাৰ মাইকেল কিনে বিধান পৰিষদৰ উদ্বোধনী ভাষণ দিয়ে, তেওঁ ঘোষণা কৰে যে যি সময়ত প্ৰদেশখনৰ দেশীয়া অৱস্থা, সেই সময়ত এখন প্ৰাইভেট মেম্বাৰ বিলৰ যোগে বিশ্ব-

বিদ্যালয়-প্ৰতিষ্ঠাৰ দৰে জটিল কথাৰ উদ্ভাৱনৰ দ্বাৰা পুঁজি উদি কৰিবলৈ দিব নোৱাৰি। গতিকে মুনাওৱাৰ আলিৰ বিল উত্থাপন কৰিবলৈ তেওঁ সম্মতি নিদিলে। গবৰ্ণৰে কিন্তু লগতে কৈ থ'লে যে বিশ্ববিদ্যালৰ আন্দোলনৰ প্ৰতি তেওঁৰ সহানুভূতি আছে, তেওঁৰ শিক্ষামন্ত্ৰীয়ে সোনকালে বিষয়টো বিচাৰ কৰিবলৈ এজন অভিজ্ঞ বিষয়া নিয়োগ কৰিব আৰু তাৰ পিছত এখন বলিষ্ঠ সমিতিও পাতি দিব। বিশ্ববিদ্যালয় আন্দোলনক হতাশাই আগুৰি ধৰি মৰিমূৰ কৰি পেলালে, যদিও সেই বছৰেই অৱসৰপ্ৰাপ্ত শিক্ষাধিকাৰ কানিংহামক বিশ্ববিদ্যালয়ৰ আঁচনি কৰিবলৈ নিয়োগ কৰা হয় আৰু প্ৰশ্নাৱলী যোগে মত সংগ্ৰহ কৰি কানিংহাম চাহাবে পিছৰ বছৰ তেওঁৰ প্ৰতিবেদন দাখিল কৰে। ১৯৩৮ চনত শিক্ষামন্ত্ৰীৰূপে মুনাওৱাৰ আলিয়ে এখন খচৰা বিল তৈয়াৰ কৰিছিল, কিন্তু সেইখন সদনত তুলিবলৈ নৌ পাওঁতেই মন্ত্ৰিসভায়ে পদত্যাগ কৰিব লগীয়া হয়। ১৯৩৯ চনৰ আৰম্ভণিতে বাতৰি কাগজত ওলাইছিল, 'গুৱাহাটী ষ্টুডেণ্টচ্ ফেডাৰেচন আৰু অসম উপত্যকা স্কুলসমূহৰ ইন্সপেক্টৰ শ্ৰীযুত শৰৎচন্দ্ৰ গোস্বামী ডাঙৰীয়াই বেলেগ বেলেগ হিচাবে পাইছীয়া বিশ্ববিদ্যালয়ৰ কণ এটা খুলিবলৈ গা লৰাইছে।' এই আঁচনিৰ মূল কথা, প্ৰতি মানুহৰপৰা এপইছাকৈহে লোৱা হ'ব। সেই বছৰৰে নৱেম্বৰত ছাদুল্লা মন্ত্ৰিসভাই কাৰ্যভাৰ গ্ৰহণ কৰি বিশ্ববিদ্যালয় বিষয়টোলৈ চকু-কাণ দিয়ে। ছাদুল্লা চাহাবে ইতিমধ্যেই উক্তি কৰি থৈছিল, অসমক এটা স্বকীয়া বিশ্ববিদ্যালয় লাগে আৰু দুখীৰ দুখী অৱস্থাৰে প্ৰদেশখনে অন্ততঃ কামটো আৰম্ভ কৰিব পাৰে। যদি বিশ্ববিদ্যালয়ৰ নাম শিৱপ্ৰসাদ বৰুৱা বিশ্ববিদ্যালয় দিবলৈ বৰুৱা-ৰাইজ ৰাজি হয়, তেন্তিয়া বৰুৱাৰ পৰিয়ালে তিনি লাখ টকাৰ দান এটা দিব বুলিও এনে সময়ত ওলাইছিল। প্ৰথম অসম বিধান-সভাৰ ১৯৪০ চনত বাজেট অধিবেশনত প্ৰধান মন্ত্ৰী-ৰূপে ছাদুল্লাই সদনক জনায় যে তেওঁৰ চৰকাৰে বিষয়টো হাতত লৈছেই।

ইতিমধ্যেই ৰায়বাহাদুৰ ডক্টৰ সূৰ্যকুমাৰ ভূঞাক বিশেষ বিষয়া নিয়োগ কৰি এখন বিল আৰু আঁচনি তৈয়াৰ কৰোৱা হৈছিল। ১৯৪১ চনৰ ৪ মাৰ্চ তাৰিখে শিক্ষামন্ত্ৰী ৰোহিণীকুমাৰ চৌধুৰীয়ে সদনত বিলখন গবৰ্নৰৰ অনুমতিৰে উত্থাপন কৰে। সেই প্ৰসঙ্গত তেওঁ কয় যে অসমক বিশ্ববিদ্যালয় লগা কথাটোৱেই পুৰণি হৈ গৈছে: উপৰন্তু বঙ্গ চৰকাৰে মাধ্যমিক শিক্ষা আইন প্ৰণয়ন কৰি স্কুলীয়া শিক্ষা কলিকতা বিশ্ববিদ্যালয়ৰ হাতৰপৰা আঁতৰাই পেলোৱাৰ উপক্ৰম কৰাত অসমৰ শিক্ষাৰ প্ৰশ্নটোৱেই গুৰুতৰ ৰূপ ধাৰণ কৰিছে।

বিলখন সদনত উত্থাপিত হোৱাৰ লগে লগে সদনৰ বাহিৰে-ভিতৰে অত্যন্ত কোঢাল উঠিল। চিলটীয়াসকলকতো বিশ্ববিদ্যালয় নালাগেই, কলিকতাই তেওঁলোকৰ হ'ব, যদি অসমত হ'ব লাগে দুটা বিশ্ববিদ্যালয় হওক, এটা হ'ব সুৰমাৰ বাবে একচেটিয়া। ৰহস্যৰ বিষয়—বিলখনত বিশ্ববিদ্যালয়ৰ স্থানৰ উল্লেখ নাছিল। গতিকে সকলোৰে আশঙ্কা হ'ল শ্বিলঙতে সি হ'বগৈ, তাৰ মানে শ্বিলঙৰ ছেক্ৰেটেৰিয়াটৰ জানিৰী আৰু এটা শাখাৰ জন্ম হ'ল। তেনেটো বস্তুনো কাৰ কাক লাগিছে? তদুপৰি, বিশ্ববিদ্যালয়টো এফিলিয়েটিং আৰু একজামিনিংহে, টিচিং নহয়, যদিও শিক্ষামন্ত্ৰীয়ে টিপ্পনী দিছিল, টিচিং কৰাই চৰকাৰৰ দীঘল-লেজুৱা উদ্দেশ্য। ইফালে দেখা গ'ল বিশ্ববিদ্যালয়ৰ গঠনটো সম্পূৰ্ণৰূপে চৰকাৰৰ হাতৰ মুঠিৰ ভিতৰত লুকুওৱা বিধৰ। ছিনেটত চেন্সেলাৰৰ মনোনীত সদস্যই হ'ল ছকুৰি। চৰকাৰৰ দলগত ৰাজনীতিৰ প্ৰভাৱো স্পষ্টকৈয়ে সমালোচকসকলে দেখা পালে। আসাম এছোচিয়েচনৰ সভ্যৰূপে বিশ্ববিদ্যালয় আন্দোলনৰ লগত জড়িত, ডেৰ বছৰমান অসমৰ প্ৰধানমন্ত্ৰী থকা গোপীনাথ বৰদলৈয়ে জেলৰপৰাই হিন্দুস্থান ষ্টেণ্ডাৰ্ড কাগজত এলানি প্ৰবন্ধ লেখি মত দিলে, বিলখন সদনৰপৰা হুটাই দিয়ক। বিলখন ছিলেক্ট কমিটিৰ হাতত্তো অৰ্পণ কৰা হৈছিল। শেহত কিন্তু সি অধিনিয়মত পৰিণতি লাভ নকৰিলে।

এই বেলি বানেহে বান ঃ

অসম বিশ্ববিদ্যালয়ৰ লতাকটা ৰণৰ এয়ে সামৰণি বুলি ক'ব পাৰি। তাৰ পিছত আহিল ১৯৪২ আন্দোলনৰ প্লাৱন মহাসমৰৰ বিভীষিকাৰ লগ ধৰি। গতিকে বিশ্ববিদ্যালয়ৰ ফ্ৰন্টতো ব্লেক-আউটৰ নিষ্প্ৰদীপতা! ১৯৪৪ চনৰ মাজভাগত জোনাকী আৰু অ. ভা উ সা সভা উদ্ভৱ হোৱা কলিকতাতে ৰণাঙ্গণৰ শেষ আহ্বান প্ৰথম ধ্বনিত হ'ল। এইবাৰ বীৰ হ'ল সাহিত্যৰথী বেজবৰুৱাৰ ঘৰৰে ল'ৰা মাধৱচন্দ্ৰ বেজবৰুৱা। ২ জুলাই তাৰিখে অম্বিকানাথ বৰাৰ গৃহত কলিকতা-প্ৰবাসী আৰু কলিকতালৈ অহা অসমীয়া কেইজনমান গোট খাই সভা পাতি ঠিক কৰিলে: (১) প্ৰস্তাৱিত বিশ্ববিদ্যালয়ৰ নাম হ'ব গুৱাহাটী বিশ্ববিদ্যালয়। (২) তাৰ বাবে এটা পুঁজি সংগ্ৰহ আৰু সংৰক্ষণ কৰিবলৈ সাত-জনীয়া এক গুৱাহাটী বিশ্ববিদ্যালয় ট্ৰাস্ট বোৰ্ড গঠিত আৰু ৰেজিষ্টাৰীকৃত হ'ব। (৩) পুঁজি-সংগ্ৰহৰ অৰ্থে এদল পাৰিতোষিকধাৰী কৰ্মচাৰী নিয়োগ কৰা হ'ব। (৪) 'বাঁহী'ৰ সম্পাদক মাধৱচন্দ্ৰ বেজবৰুৱাই সম্প্ৰতিকে কলিকতাৰপৰা প্ৰচাৰৰ কাম কৰিব, ইত্যাদি। বিশ্ববিদ্যালয়ৰ আঁচনি আৰু ন্যাসৰক্ষাৰ দলিল তৈয়াৰ কৰিবলৈও জনে জনে কাম দিয়া হয় আৰু সম্প্ৰতিকে ট্ৰাস্ট বোৰ্ডৰ কাম চলাবলৈ শৰৎচন্দ্ৰ গোস্বামীক ভাৰ দিয়া হয়। এয়ে গুৱাহাটী বিশ্ববিদ্যালয় আন্দোলনৰ শুভাৰম্ভ হ'ল। আঁচনি আৰু দলিলৰ খচৰা প্ৰস্তুত হোৱাত ৭ ছেপ্টেম্বৰ তাৰিখে 'বাঁহী' কাৰ্যালয়ত দুই বিষয়ৰ সমিতিৰ বৈঠক বহি ঠিক কৰে যে বোৰ্ড গঠন নোহোৱা পৰ্যন্ত সেই দুটা স্থগিত থাকিব, তেতিয়া বহিব লগীয়া হৈ থকা অসম সাহিত্য সভাৰ শিৱসাগৰ অধিবেশনৰ লগতে ১ অক্টোবৰত ট্ৰাস্ট বোৰ্ড গঠন কৰিবলৈ ৰাজহুৱা সভা এখন বহিব। সাহিত্য সভাৰ সভাপতি নীলমণি ফুকন আৰু মাধৱচন্দ্ৰ বেজবৰুৱাৰ উদ্যোগত প্ৰস্তাৱিত এই সভাখন বেণুধৰ ৰাজখোৱাক সভাপতি লৈ বহিল কালিপ্ৰসাদ চলিহা

ভৱনত। সভাই এইসকলেৰে সাত-জনীয়া ন্যাসৰক্ষা সমিতি গঠন কৰে: গোপীনাথ বৰদলৈ—সভাপতি, শৰৎচন্দ্ৰ গোস্বামী—সম্পাদক, ছাৰ চৈয়দ মহম্মদ ছাদুল্লা, চৈয়দুৰ ৰহমান, কৃষ্ণকান্ত সন্দিকৈ, হেৰম্বপ্ৰসাদ বৰুৱা, শৈলেন্দ্ৰপ্ৰসাদ বৰুৱা। সভাই চৰকাৰক অনুৰোধ কৰে যেন ন্যাস সমিতিৰ আঁচনি যুগুত নোহোৱালৈকে কোনো বিল উত্থাপন নকৰে, আৰু যেন গোপীনাথ বৰদলৈৰ ওপৰত তেতিয়া বৰ্তি থকা অন্তৰীণ আজ্ঞা ৰহিত কৰা হয়। সভাই অসম উপত্যকাৰ প্ৰতি মহকুমাৰপৰা অন্ততঃ দুজন প্ৰতিনিধি লৈ এখন কনভেন্চন পতাৰো সিদ্ধান্ত কৰে। ইতিমধ্যে ঢিং, ডিমৌ, ভুৰগাঁও আদি আওহতীয়া অঞ্চলত ২১ জুলাই তাৰিখে বিশ্ববিদ্যালয় দিৱস পালন কৰা হৈছিল, আৰু টাইমছ অব্ আসাম, সাদিনীয়া অসমীয়া আৰু বাঁহী কাকতে বিশ্ববিদ্যালয়-সংখ্যা প্ৰকাশ কৰিছিল। বেজবৰুৱাৰ বিশ্ববিদ্যালয় প্ৰচাৰ বিভাগে বুলেটিন ছপা কৰি জনমত প্ৰবল কৰিবৰ প্ৰচেষ্টা কৰে। তদুপৰি এতিয়া তেওঁ নিজ খৰচত অসমত টাকুৰি ঘূৰাদি ঘূৰি কনভেন্চনৰ পৰিৱেশ গঢ়ি তোলে। ছাদুল্লা আৰু চৈয়দুৰ ৰহমান মন্ত্ৰী দুজনে ন্যাস সমিতিৰ সদস্য হোৱাত অসুবিধা দেখুৱায়, যদিও আন্দোলনটোৰ প্ৰতি দুয়োজনেই সমৰ্থন জ্ঞাপন কৰে। চাৰিওফালে অভূতপূৰ্ব আলোড়নে দেখা দিয়ে। কনভেন্চন বহিবলৈ নৌ পাওঁতেই ডিব্ৰুগড়, শিৱসাগৰ, যোৰহাট, গোলাঘাট, নগাঁও, তেজপুৰ আৰু ধুবুৰীত ধন-সংগ্ৰহৰ অৰ্থে মহকুমা সমিতি গঠিত হয়। দুই-এক ইতিমধ্যেই দানৰ প্ৰতিশ্ৰুতি দিয়ে।

চাৰিওফালৰ উৎসাহ-উদ্দীপনাৰ মাজত ২৯ আৰু ৩০ ডিচেম্বৰ তাৰিখে গুৱাহাটীত গুৱাহাটী বিশ্ববিদ্যালয় কন্ভেন্চন বহিল। ইতিমধ্যেই কলিকতাত হঠাতে শৰৎচন্দ্ৰ গোস্বামীৰ মৃত্যু ঘটে। ৰোহিণীকুমাৰ চৌধুৰীক সভাপতি আৰু বিৰিঞ্চিকুমাৰ বৰুৱাক সম্পাদক লৈ গঠিত অভ্যৰ্থনা সমিতিয়ে প্ৰতিনিধিসকলক শোধ-

পোচ্ কৰাৰ আৰু সভাৰ সকলো দিহা কৰিছিল। দুই দিনৰ সভাত বক্তাসকলে বিশ্ববিদ্যালয়ৰ বিষয়ে নিজৰ নানা ধৰণৰ অভিমত দাঙি ধৰে। বিশ্ববিদ্যালয়টোৱে ৰেছিডেন্সিয়েল বা আবাসিক ধৰণৰ হ'ব লাগে—সভাৰ সভাপতি গোপীনাথ বৰদলৈ প্ৰমুখ্যে অনেকজনে দাঙি কয়। সিদ্ধান্ত কৰা হয় যে অনুষ্ঠানটো গুৱাহাটীতে হ'ব আৰু তাৰ নাম হ'ব গুৱাহাটী বিশ্ববিদ্যালয়। শিবসাগৰত বহা ১ অক্টোবৰৰ সম্মিলনৰ সিদ্ধান্তসমূহ গ্ৰহণ কৰি লৈ কনভেনচনে সাতজনীয়া ন্যাস সমিতিৰ খালি ঠাইত ভুবনেশ্বৰ বৰুৱা, ৰোহিণীকুমাৰ চৌধুৰী আৰু ফৈজনুৰ আলিক সদস্য-ৰূপে লয় আৰু সমিতিখনকে এবাৰজনীয়া কৰে। পিছত জি এ. স্মল, হৰিপ্ৰসাদ বৰুৱা আদিক সমিতিত ভৰ্তি কৰি লোৱা হয় আৰু কথকদ্দিন আলি আহমদক ন্যাস-সমিতিৰ সচিব-ৰূপে নিয়োগ কৰা হয়। বিশ্ববিদ্যালয়ৰ বাবে অৰ্থ সংগ্ৰহ কৰা, আঁচনি তৈয়াৰ কৰা আদি যাৱতীয় কামৰ ভাৰ ন্যাসৰক্ষা সমিতিত অৰ্পণ কৰি প্ৰতিনিধিসকল ঘৰা-ঘৰি যায়। এতিয়া সকলো জনৰে আস্থা উপজিল যে এইবাৰ বিশ্ববিদ্যালয় হ'বই হ'ব। তাৰ সাৰণ নাই। এই পৰম আস্থাৰ ন্যাসটি ন্যাস-সমিতিয়ে কেনেভাবে ৰক্ষা কৰিছে পিছৰ খণ্ডত ক'ম।

২

১৯৪৪ চনৰ ২৯ আৰু ৩০ ডিচেম্বৰ তাৰিখে বহুত আশা-ভাৰসা লৈ ব্ৰহ্মপুত্ৰ উপত্যকা আৰু পৰ্বতীয়া জিলাৰ প্ৰতিনিধিসকলে ভৱিষ্যতৰ বিশ্ববিদ্যালয়ৰ কথা আলচি-জুলচি তাৰ নাম আৰু ধাম ঠিক কৰিলে আৰু নতুন এটা বিশ্বাস লৈ ঘৰলৈ গ'ল। প্ৰচাৰ-বিভাগৰ প্ৰধান মাধৱচন্দ্ৰ বেজবৰুৱাই মোক ভাৰ দিছিল কনভেনচনৰ এই আলচ-জুলচৰপৰা এখন প্ৰতিবেদন তৈয়াৰ কৰিবলৈ। সেইমতে সভাৰ লগে লগেই মই কাম কৰি গৈছিলো আৰু ৩০ তাৰিখে

বাতি মোৰ বন্ধু সত্যপ্ৰসাদ বৰুৱাৰ ঘৰত থাকি ৰিপোৰ্টখন সম্পূৰ্ণ কৰি দিছিলোঁ। বেজবৰুৱাৰে বস্তুটো পঠাই ঘৰমুৱা হৈছিলো। প্ৰচাৰ-বিভাগৰ ষষ্ঠ বুলেটিনৰূপে সি প্ৰকাশিত হয়। মোৰ লেখাখন পাই গোপীনাথ বৰদলৈদেৱে বৰ বং পাই বেজবৰুৱাৰ যোগে মোলৈ সুধি পঠিয়ালে, মই আহি ন্যাস সমিতিৰ কাৰ্যালয় সচিবৰূপে যোগ দিব পাৰিমনেকি? মই অকণিকে সময় নেহেকৰুৱাই সম্মতি জনাই পঠিয়ালো। বৰদলৈ ডাঙৰীয়াই পিছত ন্যাসৰক্ষা সমিতিক জনায়, 'আমাৰ সমুখত ধন-সংগ্ৰহৰ যি ডাঙৰ দায়িত্ব আছে, তালৈ চাই শ্ৰীযুত মহেশ্বৰ নেওগক আহি কাৰ্যালয় আৰু টকা-কড়িৰ হিছাপৰ ভাৰ ল'বলৈ অনুৰোধ কৰা হয়। ১৯৪৫-ৰ ২ ফেব্ৰুয়াৰীত তেওঁ কাৰ্যালয়ৰ দায়িত্ব লয়হি।' জানুয়াৰীৰ ৬ তাৰিখৰপৰা এই কাৰ্যালয় আৰম্ভ কৰা হৈছিল আৰু ৰমেশচন্দ্ৰ চৌধুৰীক (অধিবক্তা) বৰদলৈয়ে লগে লগে সহকাৰী সচিব-ৰূপে মনোনীত কৰি লৈছিল। চৌধুৰীৰ লগতে বিৰিঞ্চিকুমাৰ বৰুৱাই সমানে কাম কৰিছিল আৰু সোনকালেই তেওঁকো সহকাৰী সচিব নিয়োগ কৰা হৈছিল। এই দুজনৰ উপৰিও কাৰ্যালয়টো থিয় কৰাত দেৱকান্ত বৰুৱা, ৰোহিণীকান্ত বৰুৱা, হিৰণ্যচন্দ্ৰ ভূঞা আৰু হেম বৰুৱাই সহায় যোগাইছিল। পোনতেই বিবিধ ধৰণৰ গোহাৰি-পত্ৰ প্ৰস্তুত কৰা হৈছিল আৰু ১, ৫, ১০, ২৫, ৫০, ১০০, ৫০০, ১০০০, ৫০০০, ১০০০০, ২৫০০০, ৫০০০০ আৰু ১০০০০০ টকা মূল্যৰ যথেষ্ট-সংখ্যক টিকট ছপাই লোৱা হৈছিল কলিকতাত। ইতিমধ্যে গঠিত মহকুমা সংগ্ৰহ-সমিতিবোৰ পুনৰ্গঠন কৰি লোৱা হ'ল। সহ-সচিব দুজন আৰু বেজবৰুৱা বৰদলৈৰ দূত-ৰূপে উজনি অসমত এটা পাক মাৰি আহিল। এতিয়াও সচিব এজন প্ৰকৃততে নিযুক্ত হোৱা নাছিল, কিন্তু শ্বল ছাহাবে প্ৰাথমিক সংগঠনত সহায় কৰিছিল। তেতিয়াৰ ছাত্ৰ্ৰা চৰকাৰকো সংগ্ৰহৰ কামত হাত-উজনি দিবলৈ ধৰা হৈছিল।

এটা পইছা এটোপা চকুলো :

এইখিনি প্ৰাৰম্ভিক প্ৰস্তুতিৰ পিছত ৪ এপ্ৰিল তাৰিখে প্ৰকৃত সংগ্ৰহকাৰ্য আৰম্ভ কৰা হ'ল। সেইদিনা ৰবদলৈ আৰু ৰোহিণীকুমাৰ চৌধুৰীয়ে গুৱাহাটীৰ মাৰোৱাৰী সম্প্ৰদায়ক লগ ধৰি তেওঁলোকৰ-পৰা ডেৰ লাখ টকা বিচাৰে। সেইমতে পিছদিনাখনেই লুনকৰণ সোহনলালৰ ফাৰ্মে ২৫,০৬০ টকাৰ এটি দান ন্যাস সমিতিৰ ভিক্ষা-পাত্ৰত অৰ্পণ কৰে। সেইদিনাখনেই ৰবদলৈ আৰু চৌধুৰীয়ে লগত আন কৰ্মীসকলক লৈ নগাঁৱলৈ যাত্ৰা কৰে আৰু দুদিনৰ ভিতৰত নগদ আৰু প্ৰতিশ্ৰুতি ধৰি ত্ৰিছ হেজাৰ টকাৰ দান সংগ্ৰহ কৰে। ইয়াৰ পিছত গোলাঘাট, যোৰহাট, শিৱসাগৰ আৰু তিনিচুকীয়াকে ধৰি ডিব্ৰুগড় মহকুমাত সভাপতিয়ে ভ্ৰমণ কৰে। এইসময়তে এই অঞ্চলবোৰত বিশ্ববিদ্যালয় পবেক নামে এক উৎসৱ উদযাপিত হয়। কেয়োফালে উৎসাহ-উদ্দীপনা, কেয়োফালে দান-বৰঙণি তোলাৰ উজান। এই উদ্যমে তেতিয়া কেনেকৈ সকলোকে অনুপ্ৰাণিত কৰিছিল, তাৰ দুটা উদাহৰণ দিওঁ। এঠাইত এজনী মগনিয়াৰ বুঢ়ীয়ে দিনটো ঘৰে ঘৰে মাগি ফুৰি বিকেইটা পইছা পাইছিল, সেই সকলোখিনি আমাৰ সংগ্ৰাহকৰ হাতত এটোপা আনন্দৰ চকুলোৰে সৈতে অৰ্পণ কৰিছিল। ৰবদলৈৰ উজনি অসমৰ ভ্ৰমণৰ সময়ত যিজন শিখ ড্ৰাইভাৰে গাড়ী চলাইছিল, ভ্ৰমণৰ অন্তত তেওঁক যেতিয়া তেওঁৰ বানচ যচা হৈছিল, তেওঁ সেয়া ল'বলৈ অস্বীকাৰ কৰি ক'লে, "আপোনালোকে দেখোন মোতকৈও বেছি কষ্ট কৰিছে। আপোনালোকে জানো টকা লৈছে? মোৰ পৰম ভাগ্য যে আপোনালোকৰ এই মহৎ কামত সহায় কৰিব পাৰিলো। সেয়ে মোৰ বানচ।" এই ভিক্ষা-অভিযানৰপৰা যিটো গুৱাহাটী বিশ্ববিদ্যালয়ৰ হ'ল, সি সেই মগনিয়াৰ বুঢ়ী আৰু শিখ ড্ৰাইভাৰৰ ত্যাগকো সামৰি থিয় হৈ আছে। কিন্তু সহস্ৰ মগনিয়াৰ আৰু ড্ৰাইভাৰে বিশ্ববিদ্যালয়ৰপৰা পঁচিশ বছৰে কি পালে, কি থালে,

তাৰ খতিয়ান কোনে লয়? ই জনসাধাৰণৰ বিশ্ববিদ্যালয় হ'লনে, তাকেবা কোনে ক'ব? ৰূপালী জয়ন্তীত মাইকৰ মুখেদি ওলোৱা হিন্দী গান আৰু 'নালাগে আনিব কলহ ভৰাই ভৰাই পানী মোৰে পানীমলা ঐ' শুনিবলৈ পোৱা হ'লে হয়তো সেই শিখ আৰু মাগনী বুঢ়ীয়ে তেওঁলোকৰ দানৰ পৰিশোধ পালেহেঁতেন।

কিন্তু সেই মুহূৰ্তৰ আমাৰ ৰোমাঞ্চৰ মাজত সকলোৰে আত্মাৰ বিমুক্তি অনুভৱ কৰিছিল। দেশত জ্ঞান আৰু ঐশ্বৰ্যৰ বিস্তাৰৰ স্বপ্নত সকলোৰে টকাৰ থুপুপাকৰ মুখখন মেলি দিছিল। এপ্ৰিল মেই এই দুমাহৰ ভিতৰতে উপৰ্যুক্ত মহকুমা পাঁচটাত ৫,৮০,৯৫২ টকাৰ দানৰ প্ৰতিশ্ৰুতি আৰু নগদ ১,৫৭,৭০১ টকা গোট খালে। জুনৰ ৫ তাৰিখে সভাপতি পুনৰ ডিব্ৰুগড়লৈ ওলাল। সেইবাৰ অকল নাহৰকটীয়াতে ১৬,৫০০ টকা প্ৰতিশ্ৰুতি আৰু নগদ ৰূপে পোৱা গ'ল। ডিব্ৰুগড়ৰ মাৰোৱাৰী সম্প্ৰদায়ে ডেৰ লাখ টকা সংগ্ৰহ কৰিবলৈ গাত ল'লে। আউনীআটি, দক্ষিণপাট আদি চহকী সত্ৰৰ সত্ৰাধিকাৰে ডাঙৰ দান দিব বুলি জনালে। মঙলদৈৰ একেখন সভাতে কুৰি হেজাৰ টকাৰ প্ৰতিশ্ৰুতি লাভ কৰা হয়। ন্যাস-সমিতিয়ে আশা কৰিছিল, ১৯৪৫-ৰ ৩০ ডিচেম্বৰৰ পূৰ্বেই নগদ ত্ৰিছ লাখ টকা সংগৃহীত হ'ব। এইটো অবাস্তৱ আশা নাছিল। ৩১ জুলাইলৈকে বিভিন্ন মহকুমা সমিতিৰ নামত ৩,৪৩,৪২১।।/০ অনা ন্যাস-সমিতিৰ হাতত পৰিছিলহি। তেতিয়াও দুখন জিলাত ন্যাস-সমিতিৰ সংগঠন কৰিবলৈ বাকী।

মেন্ নে মেনিকিন?

কলিকতাৰ প্ৰভুদয়াল হিমৎসিংকাৰ হতুৱাই ন্যাস-দলিল প্ৰস্তুত কৰাই সেইখন ৰেজিস্টাৰী কৰাই ধন-সংগ্ৰহৰ বাবে ন্যাস-সমিতি সাজু হ'ল আৰু ৩১ জুলাইৰ দিনা ৰৰদলৈয়ে 'অসমৰ চহকী-দুখীয়া-সকলো লোক' আৰু 'অসমৰ বাহিৰৰ অসমৰ বন্ধুসকল'লৈ দান-

ৰবগুণিৰ বাবে এখনি পুস্তিকা (বুলেটিন ৭) যোগে আবেদন জনালে। কিন্তু তেতিয়া বাৰিষা। বৌদ্ধ ভিক্ষুসকলৰ দৰে সমিতিৰ বৰ্ষাবাস পৰিল। ভাবিলে খৰালি হ'লেই কামত পূৰ্ণ উদ্যমে ধৰা যাব। কিন্তু এটাৰ পিছত এটাকৈ কামত নধৰাৰ কাৰণ ওলাই আছিল, যদিও মহকুমা সমিতিবোৰ নিজৰ শক্তি অনুসৰি কামত লাগি থাকিল। ফখৰুদ্দিন আলি আহমদক সচিব নিযুক্ত কৰা হ'ল আৰু বিৰিঞ্চিকুমাৰ বৰুৱা বিলাতলৈ গৱেষণালৈ যোৱাত তেওঁৰ ঠাইত সুৰেশচন্দ্ৰ ৰাজখোৱাক সহকাৰী সম্পাদক লোৱা হ'ল। এই সময়তে, খৰালিৰ লগে লগে আহিল প্ৰাদেশিক নিৰ্বাচন। বৰদলৈ নিৰ্বাচিত হৈ অসমৰ প্ৰধান মন্ত্ৰী হ'ল। ফখৰুদ্দিন চাহাব ভোটত হাৰিল। তেওঁ অসমৰ এডভোকেট জেনেৰেল হ'ল। দুয়োৰে নিবাস হ'ল এতিয়া বিশ্ববিদ্যালয় আন্দোলনৰ কেন্দ্ৰ গুৱাহাটীৰপৰা তিনি কুৰি মাইল আঁতৰৰ শিলঙত, গতিকে কাণ্ডাৰী নোহোৱা নাওখন কাছাৰী-ঘাটৰ পানীত টলং-ভলং। এনেতে এক প্ৰবল আতঙ্কই অসমক গ্ৰাস কৰিবলৈ মুখ-ব্যাদান কৰিলে। সেই বিষ্টটো হ'ল ক্ৰিপ্‌ছ্‌ দৌত্য আৰু তাৰ সহচৰ গ্ৰুপিং প্ৰস্তাৱ। নেহৰু পেটেল আদি আমাৰ বিধাতাসকলে ক'লে, অসম যায় যাওক গ্ৰুপিঙলৈ বা বসাতললৈ বলিৰ বাজ্যলৈ, ভাৰতৰ বাবে এই ত্যাগ ডাঙৰ নহয়। যেতিয়া গান্ধী বাপুৱে আমাৰ কান্দোন শুনি ক'লে, 'অসমত তইঁতবোৰ মানুহ আছ নে মানুহ নামৰ কিবা ক্ষুদ্ৰ বস্তু (মেনিকিন্‌) আছ ?' তেতিয়া অসমত সিংহ-গৰ্জন আৰম্ভ হ'ল। গ্ৰুপিং দৈত্য ক্ৰিপ্‌ছ্‌ দৌত্যৰ পাছে পাছে পলাল। এই বিষ্টখণ্ডনৰ পিছতো জানো আমাৰ কাম আৰম্ভ হ'ল ? নহ'ল। লোকৰ গালৈ কাম ঠেলিওৱাৰ অভ্যাসত সকলোৱে ক'লে, বৰদলৈ মন্ত্ৰীসভা যেতিয়া হ'লেই, চৰকাৰেই এতিয়া বিশ্ববিদ্যালয়টো পাতি দিয়ক। ইয়াৰ ওপৰত যেতিয়া বাইজে শুনিলে, বৰদলৈ আৰু ফখৰুদ্দিন চাহাবে বিশ্ববিদ্যালয় অনুদান সমিতি, কেন্দ্ৰীয় শিক্ষা

উপদেষ্টা সমিতি, ভাৰত চৰকাৰ আৰু ছাৰ জন ছাৰ্জেণ্টৰ লগত পত্ৰ-বিনিময় কৰিছে, তাৰ লগে লগেই বাইজে দুইখন হাতেৰে নিজৰ বুকু সাবটি ধৰিলে। আৰু কি পৰোৱা। কিন্তু দিল্লীৰপৰা বিশেষজ্ঞ আহিব বুলি ভাবি থাকোঁতেই আমাৰ বাতি পুৱাল। দিল্লীৰ কোনো সঁহাৰিকে পোৱা নগ'ল।

লুইতপৰীয়া ভেটি :

ইতিমধ্যেই মই সমিতিৰ কাৰ্যালয়ৰ পোনা-পোৱালিটি লৈ ভৈয়ামৰ উমাল বুকুৰপৰা সেঙেতা লগা শ্বিলঙলৈ প্ৰব্ৰজন কৰিলো। মাজে মাজে অৱশ্যে ভৈয়ামলৈ আহোঁ বিশেষকৈ মহকুমা সমিতিবোৰৰ লগত সংস্পৰ্শ ৰাখিবৰ কাৰণে। ১৯৪৫-ৰ জুলাই মাহত ন্যাস-সমিতিৰ হৈ ৰবদলৈ, চৌধুৰী আৰু মলে গুৱাহাটী পলাশবাৰী পথৰ দুয়োকাষে থকা উত্তৰ জালুকবাৰী, মাজ জালুকবাৰী, সদিলাপুৰ, কছাৰীগাৰি গাঁও, দেহানগাৰি গাওঁ—এই পাঁচখন গাঁৱৰপৰা মুঠ দুহেজাৰ বিঘাৰ অলপ বেছি মাটি (২০৩৩ বিঘা) বিশ্ববিদ্যালয়ৰ থান-ৰূপে নিৰ্ণয় কৰিছিল। (বিশ্ববিদ্যালয় হোৱাৰ পিছত ব্ৰহ্মপুত্ৰৰ সংলগ্ন বহুতো কালি-পৰিমাণৰ জমি বিশ্ববিদ্যালয়ৰ প্ৰস্তাৱিত জমিৰপৰা এৰি দিয়া হয়।) এই মাটিৰ খবৰ ল'বলৈ মাজে মাজে গুৱাহাটীলৈ আহিব লগীয়া হৈছিল। ৰবদলৈদেৱে ধুতিৰ মালকোঁচা মাৰি হাতত লাখুটি লৈ আমাৰ লগত এই অঞ্চলটোত খোজ কাটি ঘূৰি ফুৰা এতিয়াও মনত আছে। মাটিৰ একুইজিচন প্লেন কৰা, দখল লোৱা আদি কামত চৰকাৰৰ বিকুইজিচন অফিচাৰ যামিনীকান্ত চক্ৰবৰ্ত্তীয়ে বিশেষ সহায় কৰিছিল। পোনতে জমিৰ ভালেটি অংশ সামৰিক বিভাগৰ হাতত আছিল। সেইখিনিয়েই উৎকৃষ্ট মাটি আৰু তাতে বৰ্ত্তমান ডাঙৰ ডাঙৰ ঘৰবোৰ বহিছে। এই মাটিখিনি সামৰিক বিভাগৰ হাতৰপৰা সকওৱা পোনতে টান হৈছিল যদিও মলৰ মধ্যস্থতাত সেই বিভাগে হাত ঢিলাই দিয়ে। আনফালে চৰকাৰে

একুইজিচন প্লেনখন গেজেটত উলিওৱাৰ লগে লগে তাৰ বাসিন্দা-সকলে আপত্তি কৰিবলৈ আৰম্ভ কৰে। এই লৈ ৰাজহমন্ত্ৰী বিষ্ণুৰাম মেধি আৰু কথকদিন চাহাব গুৱাহাটীলৈ হুৱাৰমান আহিব লগা হয় ৰাইজক বুজাবলৈ। দেশনেতা দেৱেশ্বৰ শৰ্মাই এদিন মোক শিলঙৰ বাৰ্ড লেকৰ দলঙৰ ওপৰতে লগ পাই আমাৰ কামৰ খবৰ লওঁতে মাটি লোৱা আঁচনিৰ কথা ক'লো। শৰ্মাদেৱে সেই মাটি লুইতে খহাই নাইকিয়া কৰিব বুলি খবৰ কাগজত এটা বাদ-প্ৰতিবাদ আৰম্ভ কৰি দিয়ে। বহুতে আকৌ প্ৰশ্ন কৰে, বিশ্ববিদ্যালয়টোক ইমান মাটি কিয় লগা হ'ল। পিছৰটো কথাৰ উত্তৰত সিংহলৰ উপাচাৰ্য ডক্টৰ আইভৰ জেনিংছে মোলৈ লেখা এখন দীঘল চিঠি কাগজত প্ৰকাশ কৰা হয় আৰু প্ৰথমটো খৰিয়াল অন্ত পৰে যেতিয়াই ৰবদলৈয়ে দৃঢ়স্বৰে সংবাদদাতাক জনায়, বিশ্ববিদ্যালয়ৰ বাবে বাছি লোৱা জমিকে তাৰ বাবে দখল কৰা হ'ব আৰু যোৱা এশ বছৰে লুইতে তাৰ এনল মাটিও লুইতে খানি নিয়াৰ বুৰঞ্জী কাৰো হাতত নাই। শেহান্তৰত ১৯৪৭ চনৰ ২৭ ছেপ্টেম্বৰ তাৰিখে ন্যাস-সমিতিৰ হৈ মই প্লেনৰ ভিতৰৰ প্ৰায় এশ একৰ মাটিৰ দখল লওঁ। এইখিনি মাটি মিলিটেৰিৰ দখলৰপৰা পোনে পোনে আমাক গতাই দিয়া হয়।

ভেজাল ডেকা-বেজ ঃ

১৯৪৬ চনৰ ২১ এপ্ৰিলত যোৰহাট জগন্নাথ বৰুৱা কলেজত দ্বিতীয় কন্‌ভেন্‌চন্ বহে। সেই সন্মিলনত এটা আক্ষেপে দেখা দিয়ে যে বিশ্ববিদ্যালয় আন্দোলন চেৰেমা পৰি গ'ল। আৰু এটি আক্ষেপ যে সেই আন্দোলনক প্ৰচাৰ-কাৰ্যৰে তাপ দি ৰখা মাধৱচন্দ্ৰ বেজবৰুৱা আৰোগ্যহৰমৰ ৰোগশয্যাত শয়ান। আগৰ বছৰ প্ৰায় একে সময়তে তেওঁৰ লগত ভ্ৰমণ কৰাৰ ভাগ্য মোৰ হৈছিল। কি প্ৰচণ্ড উত্তম মানুহজনৰ! মাজুলীৰ চাপৰিৰ বিবিপাৰ মুচ্চাৰ

ওপৰেদিও যেন চেভ্ৰলেটৰ বেগত চাইকেল চলাব—কাৰণ ধীৰেৰে চলালেযে বিশ্ববিদ্যালয় হোৱাত পলম হৈ যাব! ৰোগশয্যাৰপৰা খনে খনে চিঠি লেখে—জীৱনৰ শেহ সম্বল বাঁহী প্ৰেছটোও যেন বিশ্ববিদ্যালয় ছপাশাল কৰি দি যাব। সেইজনেই মাধৱ বেজবৰুৱা। সম্মিলনত ৰবদলৈয়ে সেমেকা চকুৰে কয়, বিশ্ববিদ্যালয়ৰ হকে দিন-ৰাতি পৰিশ্ৰম কৰাই মাধৱৰ কাল হৈছে। সঁচা কথা। আমাৰ মাজুলী-ভ্ৰমণৰ পিছত কলিকতালৈ ঘূৰি যোৱাৰ পিছতে ডাক্তৰে ঘোষণা কৰিলে, তেওঁৰ যক্ষ্মা। সভাত সচিৱে দাখিল কৰা হিচাপমতে ৩১ মাৰ্চলৈকে ৪,৭৮,৮৮৩৵ অনা দান-ৰূপে সংগৃহীত হৈছিল। সকলোৱে একবাক্যে কৈ উঠিল যে সংগ্ৰহ-অভিযান পুনৰ চলিব লাগে। কিন্তু সম্মিলনৰ পিছত দানৰ বাবে যি গোহাৰি দিয়া হৈছিল, তাৰ বিশেষ ফল নধৰিলে। একে বছৰৰ নবেম্বৰত খবৰ-কাগজ ওলাইছিল যে ন্যাস-সমিতিয়ে গৃহ-নিৰ্মাণ আঁচনি তৈয়াৰ কৰিবলৈ এজন আৰ্কিটেক্ট নিয়োগ কৰিছে। বাতৰিটোৰ উহ কি, জনা নগ'ল। সকলোৱে তেতিয়া চাই আছিল চৰকাৰৰ হাতলৈ-মুখলৈ বিশ্ববিদ্যালয়ৰ আশাত।

বিশ্ববিদ্যালয় বিধান: লক্ষ্য আৰু হেতু:

১৯৪৭ৰ ৬ ফেব্ৰুৱাৰী তাৰিখে কলিকতাৰ এখন কাগজত ওলায় যে ৰবদলৈয়ে সংবাদদাতাৰ আগত হেনো কয়, সেই বছৰটোৰ ভিতৰতে বিশ্ববিদ্যালয়ৰ কথাটোৱে এটা নিৰ্দিষ্ট গঢ় ল'ব। লগতে ইও প্ৰকাশ পায় যে অতি সোনকালে অসম চৰকাৰে এখন বিশ্ববিদ্যালয় বিল তৈয়াৰ কৰিব। প্ৰকৃততে ন্যাস সমিতিৰ ২১ ফেব্ৰুৱাৰীৰ অধিৱেশনতহে বিল-ৰচনা আৰু আৰ্কিটেক্ট-নিয়োগৰ বিষয়ে আলোচনা হৈছিল। তাতে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাখিল কৰিব লগীয়া বিশ্ববিদ্যালয়-স্থাপনৰ খৰচৰ আঁচনি তৈয়াৰ কৰিবলৈও থিৰাং কৰা হয়। দান-সংগ্ৰহৰ বিষয়েও আলোচনা হৈছিল, কিন্তু

ইয়াৰ পিছতো কাৰ্যকৰী একো কথা নহ'ল। ফখৰুদ্দিন চাহাবে কেন্দ্ৰীয় চৰকাৰলৈ এটা বিশদ টোকাৰে এক কোটি টকাৰ এখন আঁচনি পঠিয়ালে। তেওঁ আৰু বৰদলৈয়ে কেন্দ্ৰীয় শিক্ষা উপদেষ্টা ডক্টৰ ছাৰ জন ছাৰ্জেণ্ট আৰু অস্থায়ী শিক্ষামন্ত্ৰী মৌলানা আজাদ আদিৰ লগত আলোচনাও চলালে। ২৪ এপ্ৰিল তাৰিখে 'দৈনিক অসমীয়া'ৰ শিলং প্ৰতিনিধিয়ে মোৰ লগত এটি সাক্ষাতকাৰ কৰি সমস্ত পৰিস্থিতি সম্পৰ্কে এক দীঘলীয়া সম্বাদ প্ৰকাশ কৰে। ২৯ তাৰিখে সম্পাদকে (দেৱকান্ত বৰুৱা) 'বিশ্ববিদ্যালয় এতিয়াই লাগে' শীৰ্ষেৰে এক সম্পাদকীয় প্ৰকাশ কৰে। মই কৈছিলো যে 'বিশ্ববিদ্যালয়ৰ কামত যথেষ্ট আগবঢ়া হৈছে আৰু সোনকালেই "বিশ্ববিদ্যালয়ৰ আঁচনি কাৰ্যত প্ৰতিফলিত কৰিব পৰা হ'ব। অসম ব্যৱস্থা পৰিষদৰ অহা অধিবেশনত বিশ্ববিদ্যালয় বিল ডাঙি ধৰা হ'ব আৰু বৰ্তমানে মিঃ ফখৰুদ্দিন আলি আহমদ আৰু চৰকাৰৰ বুনিয়াদী শিক্ষা বিভাগৰ উপদেষ্টা মিঃ স্মল সেই বিল ৰচনাত ব্যস্ত আছে।"' সম্পাদকদেৱে 'অহা দহ মাহৰ ভিতৰতে ভাৰতৰ শাসনতান্ত্ৰিক ইতিহাসত বিৰাট পৰিবৰ্তন অহাৰ কথা' বুলি কৈ 'বিশ্ববিদ্যালয়ৰ দৰে এটি জাতীয় অভাৱ' পূৰণ কৰি ল'বলৈ অসমীয়া ৰাইজক সজাগ কৰি দিয়ে।

স্পাস সমিতিৰপৰা বিলখন তৈয়াৰ কৰিব লগীয়া হোৱাত তাৰ বাবে সমল গোটাব লগীয়া হ'ল। ভাৰতৰ সকলো বিশ্ববিদ্যালয়লৈকে লেখাত সিসকলে নিজৰ নিজৰ অধিনিয়ম আমালৈ পঠিয়াই দিলে। শিক্ষা-সম্পৰ্কীয় পুথিৰ এটি সৰু ভঁৰাল তৈয়াৰ কৰা হ'ল। কলিকতাৰ ইম্পিৰিয়েল লাইব্ৰেৰিৰপৰাও বিশ্ববিদ্যালয় বিষয়ৰ কিতাপ ধাৰ কৰি পঢ়া-শুনাত লাগিলো। ফখৰুদ্দিন চাহাবে কিন্তু হেৰ্দলাৰ আয়োগৰ প্ৰতিবেদনৰ আদৰ্শত গঠিত ঢাকা আৰু দিল্লী বিশ্ববিদ্যালয়ৰ আইন দুখন বিশেষ সাৱধি কৰি লৈছিল। খচৰাটো তৈয়াৰ কৰোঁতে তেওঁ প্ৰায় এডভোকেট জেনেৰেলৰ কাৰ্যালয়তে

স্টেনোগ্ৰাফাৰক শ্ৰুতলিপি দি কামটো কৰিছিল। সমস্ত বিলৰ খচৰা হ'লত মই স্টেন্সিল কাটি ঈশ্বৰপ্ৰসাদ চৌধুৰীৰ সৌজন্যত প্ৰচাৰ বিভাগত চাইক্লোস্টাইল কৰাই ন্যাসৰক্ষীসকললৈ পঠিয়াইছিলো।

বিশ্ববিদ্যালয় প্ৰতিষ্ঠাৰ অৰ্থে 'এক বৃহৎ পদক্ষেপ' পৰিল যেতিয়া ১৫ জুন তাৰিখে ফখৰুদ্দিন চাহাবৰ ঘৰত আবেলিৰ জলপান খাই ন্যাস সমিতিৰ কাৰ্যপালিকাই সামান্য পৰিৱৰ্তন কৰি তেওঁৰ খচৰাটো গ্ৰহণ কৰি অসম চৰকাৰক গতাই দিবৰ সিদ্ধান্ত কৰে। আগষ্টৰ মাজভাগত বিলখন আসাম গেজেটৰ বিশেষ এটা সংখ্যাত প্ৰকাশ পালে। ১৮ তাৰিখে স্থানীয় কাগজত সেই সম্পৰ্কে বাতৰি ওলাল এইদৰে: 'বিলৰ লক্ষ্য আৰু কাৰণ সম্বন্ধীয় বিবৃতিত কোৱা হৈছে যে এই বিল অনুসৰি যিটো বিশ্ববিদ্যালয় পাতিবলৈ ব্যৱস্থা কৰা হৈছে, তাৰ উদ্দেশ্য কেৱল প্ৰদেশৰ জনসাধাৰণৰ বহুদিনীয়া অভাৱ পূৰণ কৰাই নহয়, প্ৰদেশৰ বাহিৰৰ শিক্ষাবিদ আৰু ছাত্ৰসকলক সুবিধা দিয়াও এই বিশ্ববিদ্যালয়ৰ উদ্দেশ্য, কাৰণ অসমত ভাষা, ইতিহাস, জাতিতত্ত্ব, পুৰাতত্ত্ব, ভূতত্ত্ব, বিজ্ঞান আৰু কৃষি সম্পৰ্কে অধ্যয়নৰ ভালেমান সুবিধা আছে। কলিকতা বিশ্ববিদ্যালয়ৰ নিয়ন্ত্ৰণত অসমত যি শিক্ষা ব্যৱস্থা চলি আহিছে, সি প্ৰদেশখনৰ আৱশ্যকতা পূৰাব পৰা নাই। এখন বিশ্ববিদ্যালয়ৰ অভাৱত এই প্ৰদেশৰ শিক্ষানুষ্ঠানবোৰ ঐতিহ্যৰ প্ৰেৰণাহীন হৈ পৰিছে। আজি দেশত এদল স্বাৰ্থত্যাগী চোকাবুধীয়া কৰ্মীৰ আৱশ্যক হৈছে। সেই কাৰণে আশা কৰা হৈছে যে প্ৰস্তাৱিত বিশ্ববিদ্যালয়ে এহাতে যিমান সম্ভৱ শিক্ষাদান-সম্পৰ্কীয় কাম কৰি বেছিডেন্সিয়েল প্ৰণালী সম্পূৰ্ণৰূপে গঢ়ি তুলিব আৰু আনহাতে প্ৰদেশৰ চলিত শিক্ষানুষ্ঠানসমূহ অন্তৰ্ভুক্ত কৰি পথ-নিৰ্দেশক অনুষ্ঠান হিচাপে কাৰ্য্যনিৰ্বাহ কৰিব। অসমীয়া জীৱন আৰু সংস্কৃতি-সম্বন্ধীয় শিক্ষাত বেছি গুৰুত্ব আৰোপ কৰি ভাৰতীয় আৰু পছিমীয়া নতুন সভ্যতাৰ লগত তাৰ আৱশ্যকীয় সমন্বয় ঘটোৱাটোও প্ৰস্তাৱিত

গুৱাহাটী বিশ্ববিদ্যালয়ৰ উদ্দেশ্য হ'ব। অসমৰ পৰ্বতীয়া জনজাতি-সকলৰ ভাষা আৰু সমস্যা সম্পৰ্কে অধ্যয়ন কৰাটো গুৱাহাটী বিশ্ববিদ্যালয়ৰ এটি বিশেষ বিষয় হ'ব। মানৱৰ জ্ঞানৰ সীমা বহলাবলৈ অনুপ্ৰেৰণাৰ সৃষ্টি কৰা এই বিশ্ববিদ্যালয়ৰ লক্ষ্য। এই জ্ঞানেই সাহসিক সমালোচনা আৰু বৈজ্ঞানিক অনুসন্ধিৎসাৰ শক্তি বঢ়াব আৰু সম্যক জ্ঞান আহৰণ কৰিবলৈ মানুহক সমৰ্থ কৰিব। অসম প্ৰদেশৰ ৰাজহুৱা আৱশ্যকতা আৰু সমস্যাৰ প্ৰতি চকু দিব পৰাকৈ এখন স্বকীয়া বিশ্ববিদ্যালয় প্ৰতিষ্ঠা কৰিলে এইবোৰ আদৰ্শ আৰু উদ্দেশ্য সাধন কৰিব পৰা হ'ব।' পঁচিছ বছৰৰ মূৰত নিজকে সুধি চাওঁ, এই আদৰ্শ আৰু উদ্দেশ্য আমাৰ মাজত আছেনে? নে এইবোৰ প্ৰতিশ্ৰুতি মাথোন সাধাৰণ নিৰ্বাচনত ভোটাৰক দিয়া বুজকবি?

সদনত বিলখন উত্থাপন কৰিলে মুখ্যমন্ত্ৰী আৰু শিক্ষামন্ত্ৰী বৰদলৈয়ে। সেইখন এক ছিলেক্ট কমিটিৰ হাতত দিয়া হ'ল। কমিটিয়ে দুটামান পৰিবৰ্ত্তনৰ পৰামৰ্শ দিয়ে আৰু বৰদলৈদেৱে সেইভাবে তাক ১২ ছেপ্টেম্বৰ তাৰিখে সদনত পুনৰুত্থাপন কৰে। পিছ দিনাখনেই সদনে সৰ্বসম্মতিক্ৰমে বিলখন (গুৱাহাটী বিশ্ববিদ্যালয় বিল, ১৯৪৭) গ্ৰহণ কৰে। আলোচনা-প্ৰসঙ্গত মুখ্যমন্ত্ৰীয়ে কয় যে বিলখন গ্ৰহণ কৰিলেই সেই বিষয়ত সকলো কাম শেষ হৈ নাযায়, বিশ্ববিদ্যালয়ৰ প্ৰকৃত ৰূপ দিয়াৰ বিৰাট দায়িত্ব বাবে সকলো সাজু হ'ব লাগিব। তেওঁৰ সেই বাণী বুজিলোনে বা স্বীকাৰ কৰি ল'লোনে, সেই বিষয়ে আজি সন্দেহৰ অৱকাশ নোহোৱা নহয়।

১৫ অক্টোবৰৰ দিনা গৱৰ্নৰে বিলখনত সম্মতি জনোৱাত সি অধিনিয়মত (গুৱাহাটী বিশ্ববিদ্যালয় অধিনিয়ম, ১৯৪৭) পৰিণত হ'ল। ১৯৪৮ চনৰ ১ জানুৱাৰীৰপৰা গুৱাহাটী বিশ্ববিদ্যালয়ে কাম আৰম্ভ কৰিলে। ২৫ জানুৱাৰীৰ দিনা তৃতীয় আৰু শেষ কনভোকেচন

বহিল গুৱাহাটীত। পিছদিনা ছুডমাৰ্ছেন হলত বহিল বিশ্ববিদ্যালয়ৰ কোৰ্টৰ প্ৰথম সভা। বিশ্ববিদ্যালয় প্ৰতিষ্ঠিত হ'ল।

প্ৰতিশ্ৰুতি-ভঙ্গৰ ইতিহাস:

২৫ জানুৱাৰী তাৰিখে বিশ্ববিদ্যালয়ৰ কোষাধ্যক্ষ শৈলধৰ ৰাজখোৱাই ন্যাস সমিতিৰ দলিল, সম্পত্তি আৰু দায়িত্ব সমিতিৰ সচিব আৰু কাৰ্যালয়াধ্যক্ষৰপৰা চমজি লয়। সমিতিয়ে ৫,০৭,৩৭৮।১ সংগ্ৰহ কৰিছিল আৰু ৩৬,৩৮১৷৷/৬ পাই বেঙ্কৰ সুদ হিছাপে পাইছিল। খৰচ বাদ দি বেঙ্ক বেলেঞ্চ, সাজ-সৰঞ্জাম, কিতাপ আদি ৰূপে মুঠ ৫,৮২,১০৭৸৶/৪ পাই নৱজাত বিশ্ববিদ্যালয়ক দিয়া হয়। ইয়াৰ উপৰি দহ লাখ টকা দানৰ প্ৰতিশ্ৰুতি আছিল। কিন্তু বিশ্ববিদ্যালয় কৰ্তৃপক্ষই ইয়াৰ এটা পায়ো সংগ্ৰহ নকৰিলে বা সংগ্ৰহৰ যত্ন নকৰিলে। তাৰ ভিতৰত বিভিন্ন ভৱনৰ বাবে প্ৰতিশ্ৰুতিও আছিল। দ্বিতীয়তে, যি ধন বিশ্ববিদ্যালয়ে ন্যাস-সমিতিৰপৰা পায়, তাৰ ভিতৰত ৫৫,০০০ টকা বিশেষ উদ্দেশ্যে পোৱা দান। বিশ্ববিদ্যালয়ে তাক ন্যায়তঃ আন কামত খৰচ কৰিব নোৱাৰে। কিন্তু এই বিশেষ দানৰ উদ্দেশ্যৰ (ছাত্ৰ-নিৱাস, আন ভৱন, বৃত্তি) বিষয়ে বিশ্ববিদ্যালয়ে কোনো দিনে ক'তো এটা শব্দকে উচ্চাৰণ কৰা নাই। গতিকে ন্যাস সমিতিয়ে দাতাসকলক যি প্ৰতিশ্ৰুতি দিছিল, তাক সমিতিৰ উত্তৰাধিকাৰী বিশ্ববিদ্যালয় কৰ্তৃপক্ষই ভঙ্গ কৰিছে। তৃতীয়তে, সমিতিয়ে আৰু এটি প্ৰতিশ্ৰুতি দাতাসকলক দিছিল যে পাঁচ হেজাৰ বা তাৰ অধিক দান দিয়া দাতাসকলৰ নাম ছিনেট হাউছৰ গাত মৰ্মৰত লেখা হ'ব। ক'ত সেই ছিনেট হাউছ? ক'ত মৰ্মৰ-পট্ট! ক'ত দাতাৰ নামবোৰ? বিশ্ববিদ্যালয়ে এটা অঙ্গীকাৰ-ভঙ্গৰ দায়গ্ৰস্ত হ'ব লগীয়া চৰম দুখৰ কথা নহয় জানো? ৰূপালী জয়ন্তীৰ উখল-মাখলত এই উদাৰ দাতাসকলক কৰ্তৃপক্ষই এআৰাৰ শলাগকেৰা নৈছে বা নিমন্ত্ৰণৰ

চিঠি এখনকে দিছে? এটা কথা শুনিলে বোধ কৰোঁ কোনোৱেই বিশ্বাস নকৰিব যে গ্যাস সমিতিৰ এটা সক আলমাৰি ভৰা ৰেকৰ্ড বোলে নিশ্চিহ্ন হৈ গৈছে। এয়া কি এক বিশ্ববিদ্যালয়ৰ সুকৰ্ম? ই বিশ্বাসযোগ্যই নহয়!!!

বিশ্ববিদ্যালয়ৰ বৃহত্তৰ ক্ষেত্ৰত গুৱাহাটী বিশ্ববিদ্যালয়ে জন্মতে যি অঙ্গীকাৰ কৰিছিল, তাকৰা সি কিমান পূৰ্ণ কৰিলে, সেইটো আক এটা প্ৰবন্ধৰ বিষয়-বস্তু হ'ব। 'নীলাচল'ৰ সম্পাদকে এই ক্ষেত্ৰত বিফলতাই মাথোন দেখা পাইছে। যিসকলে এই মহৎ অনুষ্ঠান গঢ়িলে, যিসকলে এসাজ লঘোন দিও তুপইছা দিলে, তেওঁলোকৰ আত্মা, বিশ্ববিদ্যালয়ৰ হকে চৰম আত্মত্যাগ কৰা মাধৱ বেজবৰুৱাৰ বক্ত এই বিষয়ত এটা সমিধান বিচাৰি হয়তো ক'ৰবাত বৈ আছে।

৩

বহুত কল্পনা বহুত প্ৰতিশ্ৰুতি:

গুৱাহাটী বিশ্ববিদ্যালয় এটা স্বপ্নৰ উপলব্ধি। সেই স্বপ্ন এজনৰ নহয়। সি এটা জাতিৰ, এটা সংস্কৃতিৰ স্বপ্ন। সি কিবা নোপোৱা-জনৰ সেয়া পোৱাৰ স্বপ্ন। সপোন কেতিয়াবা দিঠক হয়, বেছিৰ ভাগটি নহয়। 'সপোন দেখাতে সিজিৰ কৰ্ম' বুলি এটা জাতি ছায়াবাদী হৈ বহি থাকিব নোৱাৰে। গতিকে জাতিৰ স্বপ্ন অবাস্তৱৰ স্বপ্ন হ'ব নোৱাৰে। বিশ্ববিদ্যালয় এটা বাস্তৱ বস্তু। কিন্তু কি বাস্তৱ?—দুখীয়াৰ বাস্তৱ নে প্ৰাচুৰ্যৰ বাস্তৱ? ১৯৪৮ৰ আগতে অসমে বিশ্ববিদ্যালয় পোৱা নাছিল। যোগ্যতা নাছিল বুলি নহয়। পৰাধীনতা তাৰ এটা ডাঙৰ অন্তৰায় আছিল; বিদেশী শিক্ষাবিদ যিমানেই গুণী-জ্ঞানী হওক, বৰবীয়া বোম্বাই পহু মাৰি দুখুৱায়। পৰাধীনতাৰ অন্তৰায়টোৱে আনবোৰ অন্তৰায়ক নিয়ন্ত্ৰণ কৰি আনিছিল। আমাৰ শাসকসকলে মুখ তথুৱাই দেখুৱায়, ৰাজকোষত ধন নাই,

বৰ-সৰাহনৈ মন কৰিলে কি হ'ব? আমাৰ শাসকসকলে কয়, অসমৰ দুই উপত্যকা দুই বাই-ভনী, দুয়ো মিলি-জুলি ল'লেহে বিশ্ববিদ্যালয়খন হয়, এজনীয়ে লাগে, এজনীয়ে নেলাগে বুলি চুলিয়া-চুলি কৰা ভাল নেদেখি। কিন্তু অসমীয়াৰ কথা হ'ল আত্মৰক্ষা, আত্মবিকাশৰ বাবেহে বিশ্ববিদ্যালয় লাগে, জনজাতীয়সকলৰ উন্নয়নৰ বাবেহে তাক লাগে। ছাহুল্লা চৰকাৰৰ বিলৰ সমালোচনাৰ সময়ত বৰদলৈয়েও কৈছিল, সুৰমা উপত্যকাক যদি অসমৰ বিশ্ববিদ্যালয় নেলাগে, তেওঁলোক কলিকতা বিশ্ববিদ্যালয়ৰ লগতে থাকক। সেইটাও অৱশ্যে সহজ কথা নাছিল। গতিকে বিশ্ব-বিদ্যালয় এটাৰ জন্ম হোৱাটোৱেই অসম্ভৱ হৈ পৰিছিল। যদি সি ব্ৰহ্মপুত্ৰৰ পাৰত হয়, সিটো উপত্যকাক তেনেটো বিশ্ববিদ্যালয় নেলাগে। যদি সি চিলটত হ'বলৈ হ'ল বা চৰকাৰৰ ছত্ৰ-ছায়াত শ্বিলঙতে হ'ল, আমাকনো কেলেই লাগিছে সেইপাত। আৰু দেখা গ'ল, বিদেশী চৰকাৰেই যদি তাৰ জন্মদাতা হ'ব লাগিল, এই দ্বন্দ্ব সমাধান কৰিবৰ কোনো সম্ভাৱনাই নাই। চৰকাৰ অন্ততঃ দেখাত এতিয়া সীতালৈ চালেও মৰে আৰু ৰামলৈ চালেও ডৰে। এই সমস্ত পৰিস্থিতিৰপৰা এটা যুক্তিয়েই মাথোন ওলাই আছে— প্ৰজাৰ মাজৰপৰা বিশ্ববিদ্যালয়ৰ উদ্যোগটো আহি চৰকাৰক এটা বাধ্যবাধকতাৰ চেপাত পেলাব লাগিব। এয়ে হ'ল ১৯৪৪ৰ মানসিক পৰিৱেশ। সেই পৰিৱেশত বিশ্ববিদ্যালয়ৰ স্বপ্নটোও কিছু পৰিমাণে কৃপণ হ'বলৈ বাধ্য। তাৰ উপলব্ধিতো তাতোকৈ সঙ্কুচিত হোৱাই স্বাভাৱিক।

অসমীয়াৰ অসম:

১৯৪৪ ডিচেম্বৰৰ শেহত গুৱাহাটীত বহা প্ৰথম কনভেন্‌চনৰ সমবেত সদস্যসকলৰ মনত এটা কথাই সকলোতকৈ ওখত বিৰাজ কৰিছিল। সি হ'ল অসমৰ বিকাশ। সেইখন অসম অৱশ্যেই

অসমীয়াৰ অসম। বিশ্ববিদ্যালয় আন্দোলনৰ বৰেণ্য নেতা বৰদলৈয়ে ভৱিষ্যত অনুষ্ঠানটোৰ বিষয়ে তেওঁৰ নিজৰ ধাৰণা দাঙি ধৰিলে। সি যাতে জনসাধাৰণৰ অভাৱ পূৰণ কৰিব পাৰে, সেই বাবে তাৰ গঠনটো হ'ব লাগিব সৰ্বসাধাৰণমুখী (পপুলাৰ)। কিন্তু তাৰ আঁচনি তৈয়াৰ কৰাটো বিশেষজ্ঞৰহে কাম হ'ব। তথাপি বিশ্ববিদ্যালয়টোৱে আমাৰ জাতীয় আকাঙ্ক্ষা পূৰণ কৰিব পৰা হ'বলৈ হ'লে সকলোৱে তাৰ বুজি ল'ব লাগিব। 'মই অসমৰ গ্ৰামবাসীৰ প্ৰতিনিধি। যদি মই এই আন্দোলনত যোগ দিছো, এই আন্দোলনৰ যোগেদি সেই শ্ৰেণীটোৰ দুঃখমোচন হ'ব, এই আশাতহে যোগ দিছো। ধী-শক্তিৰ বিকাশ আমাৰ বিশ্ববিদ্যালয়ৰ প্ৰথম উদ্দেশ্য হোৱা উচিত, কিন্তু তাৰ ওপৰকি আৰু অধিক গুৰুত্বপূৰ্ণ লক্ষ্য হ'ব লাগিব অগণিত নিঃস্বসকলৰ উন্নয়ন। নিঃস্বসকলৰ হকে, দেশৰ হকে প্ৰাণ বলি দিবলৈ আগ বাঢ়ি অহা সুশিক্ষিত ডেকা-দল যদি উৎপাদন কৰিব নোৱাৰে, তেন্তিয়া হ'লে বিশ্ববিদ্যালয়টো মোৰ বাবে নিৰৰ্থক হ'ব।' কলিকতা বিশ্ববিদ্যালয়ে অনেক ধীমান্ উৎপাদন কৰিছে, কিন্তু এনে ডেকা-দল সৃষ্টি কৰিছে বুলি ক'ব নোৱাৰি। আমাৰ বিশ্ববিদ্যালয়টো আৱাসিক হ'লে তাৰ ছাত্ৰসকলে দেশ আৰু শিক্ষাৰ হকে জীৱন উছৰ্গা কৰা শিক্ষকসকলৰ ত্যাগৰ আদৰ্শৰ সংস্পৰ্শত থাকিব পাৰিব। বিশ্ববিদ্যালয়ে অসমীয়াক প্ৰকৃত জাতিৰূপে গঢ়ি তুলিব লাগিব। অনুপ্ৰেৰণাশীল ত্যাগৰ পৰিৱেশতহে ব্যক্তিত্বৰ বিকাশ সম্ভৱ হয়। অসমীয়া জাতি, অসমৰ জনজাতি আৰু আন অসমবাসীৰ আশা-আকাঙ্ক্ষালৈ বিশ্ববিদ্যালয়ে কাণ দিব লাগিব। অসমৰ বনে-পৰ্বতে সিঁচৰতি হৈ থকা প্ৰাকৃতিক সম্পদবোৰ উদ্ধাৰ কৰাৰ পথ বিশ্ববিদ্যালয়ে দিব লাগিব। গাৱঁত থকা লোকসকলৰ মাজত কাৰ্যপ্ৰসূ জ্ঞান বিতৰণ কৰাটো বিশ্ববিদ্যালয়ৰ এটা লক্ষ্য হ'ব লাগিব।

নীলমণি ফুকন, অম্বিকাগিৰী ৰায়চৌধুৰী আদি নেতাসকলেও

দঢ়াই দঢ়াই ক'লে, অসমীয়া জাতি, ভাষা, সাহিত্য আৰু সংস্কৃতিক বিশ্ববিদ্যালয়টোৱে বিকশিত কৰি তুলিব লাগিব। এজন প্ৰতিনিধিয়ে কয় যে ভাৰতীয় বিশ্ববিদ্যালয়বিলাকৰ আৰ্থিক অৱস্থা কাহিল; সেই বুলিও তৃতীয় শ্ৰেণীৰ ছাত্ৰেৰে আমাৰ বিশ্ববিদ্যালয় ঠাহ খুৱাই শিক্ষণকাৰ্যকে আহুকলীয়া কৰি নেপেলাওঁ যেন। এগৰাকী প্ৰতিনিধিয়ে কয় যে বিশ্ববিদ্যালয়টোৰ শিক্ষাৰ মাধ্যম মাতৃভাষা হোৱা বাঞ্ছনীয়। ৰায়চৌধুৰীয়ে কয় যে অসমীয়াইহে একমাত্ৰ ইয়াৰ মাধ্যম হ'ব পাৰিব। এজন প্ৰতিনিধিয়ে লগে লগে তাৰ প্ৰতিবাদ কৰে। স্মল চাহাবে কয়, নগৰৰ কোলাহলৰপৰা আঁতৰত বিশ্ব-বিদ্যালয়টো নিজৰ খানৰ পথাৰ, খেল-পথাৰ, মঞ্চ আৰু চিনেমা-ঘৰেৰে স্বয়ংসম্পূৰ্ণ কৰিব পাৰি। এয়ে তেতিয়াৰ মনোভাব।

মন কৰিব লগীয়া যে যদিও কনভেনচ্যন চৈধ্যটা প্ৰস্তাব গ্ৰহণ কৰে, বিশ্ববিদ্যালয়ৰ ৰূপ, শিক্ষণীয় বিষয়, ক্ষমতাৰ পৰিসৰ আদি সম্পৰ্কে কোনো সিদ্ধান্ত কৰা নহ'ল, আৰু সেইবোৰৰ বিচাৰ স্থাস-সমিতিলৈ থৈ দিয়া হ'ল। স্থাস-সমিতিয়ে বিশেষকৈ কনভেনচনৰ প্ৰকাশিত মতবোৰৰ ওপৰত নিৰ্ভৰ কৰি জুলাই ১৯৪৫ৰ ছমহীয়া বিৱৰণত বিশ্ববিদ্যালয় আন্দোলনৰ সংজ্ঞা এইদৰে নিৰূপণ কৰে, "অসমৰ (উপত্যকা আৰু পাৰ্বত্য জিলাসমূহৰ) জনসাধাৰণৰ সাংস্কৃতিক প্ৰয়োজন-সাধনৰ উপৰিও প্ৰদেশখনৰ বিশেষ বৈশিষ্ট্যপূৰ্ণ অৱস্থাই যিবোৰ যিবোৰ বিষয়ত পঠন আৰু গৱেষণাৰ সুবিধা দিয়ে, সেইবোৰৰ পঠন-গৱেষণাৰ ব্যৱস্থা কৰাও ইয়াৰ উদ্দেশ্য।" আৰু কোৱা হয়, "এটা সুকীয়া বিশ্ববিদ্যালয়ৰ কাৰণে এই একান্তিক দাবিৰ মূলত হ'ল অসমীয়া সাহিত্য আৰু সংস্কৃতিৰ প্ৰতি জনসাধাৰণৰ থকা আসক্তি আৰু সেই সাহিত্যিক আৰু সাংস্কৃতিক ঐতিহ্যৰ সংৰক্ষণ, বিকাশ আৰু ঐশ্বৰ্যপ্ৰদানৰ অৰ্থে সিসকলৰ হেঁপাহ। অসমৰ মানুহৰ নিজৰ কিছুমান বিশেষ বিশেষ সমস্যা আছে, সেইবোৰৰ প্ৰতি বিশেষ দৃষ্টি ৰাখিব লাগিব। অসমৰ এটা

সুকীয়া বিশ্ববিদ্যালয় নাথাকিলে অসমৰ সাংস্কৃতিক অগ্ৰগতিৰ কথাই কোনেও নোতোলে। এইবোৰ দিশত আৰোপ কৰিব লগীয়া বিশেষ গুৰুত্বৰ বাহিৰে প্ৰস্তাৱিত বিশ্ববিদ্যালয়টো যেই কোনো বিশ্ববিদ্যালয়ৰ দৰেই হ'ব "

ডাইং কাল্‌চাৰ :

মোৰ এইবোৰ কথা কোনোবাই বিশ্বাস কৰিছেনে নাই, ক'ব নোৱাৰোঁ। আজি বহুতৰে মনত সি স্বপ্ন যেনেই লাগিব। স্বপ্ন হয়। কিন্তু ভগা স্বপ্ন। পাহৰি যোৱা সপোন। মই এইখিনি কথা স্নাস সমিতিৰ ছপা সপ্তম বুলেটিনৰপৰা লিখিছো। সেইখন দাতাসকলৰ কাৰণে, সুকীয়া বিশ্ববিদ্যালয় আন্দোলন কৰ্মীসকলৰ এখন দলিল। বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰ বাবেও সি এখন দলিল। কিন্তু কৰ্তৃপক্ষই দলিলখন সম্ভৱতঃ ইচ্ছা কৰিয়ে পাহৰি পেলালে। সুবিধাজনক বিস্মৰণ। স্নাস সমিতিয়ে দান সংগ্ৰহ কৰিবৰ কাৰণে প্ৰস্তাৱিত বিশ্ববিদ্যালয়ৰ বিভিন্ন বিভাগ আৰু আৱশ্যকীয় ভৱনৰ এখন বিস্তৃত আঁচনি তৈয়াৰ কৰিছিল আৰু সেই আঁচনিৰ ভিত্তিত বদান্যসকলৰপৰা দানৰ নগদ ধন আৰু প্ৰতিশ্ৰুতি পাইছিল। তেনে এক আঁচনি আছিল ইনষ্টিটিউট্ অব্ ফাইন্ আৰ্টছৰ, কাৰণ ললিত কলাৰ বিকাশ নোহোৱাকৈ এটা সভ্য জাতি হ'ব নোৱাৰে। এই অনুষ্ঠানৰ শিতানত ত্ৰিছ হেজাৰৰ প্ৰাথমিক খৰচ ধৰা হৈছিল। সেই অৰ্থে চন্দ্ৰকমল বেজবৰুৱাৰ পুত্ৰসকলৰ বলমা চাহ কোম্পানিয়ে পঁচিছ হেজাৰ টকাৰ দান আগ বঢ়াইছিল আৰু তাৰে বুকৰ দহ হেজাৰ টকা আদায় দিছিল। এই দহ হেজাৰ টকা বিশ্ববিদ্যালয়ৰ হিচাপ বহিত আছেনে নাই, ক'ব নোৱাৰোঁ। নাথাকিলে ক'লৈ যাব? এনে টকা কোনোবাই দিয়ক নিদিয়ক, থাকক নাথাকক, সুকুমাৰ কলা বিভাগ এটা খোলাৰ পৰিকল্পনা এটাতো পুৰণিয়েই হওক বা নতুনেই হওক, হ'ব লাগিছিল।

অসমৰ সংস্কৃতিৰ প্ৰতিশ্ৰুত আন অধ্যয়নৰ ক্ষালেৰা আমি কিমান গতি কৰিছো, সেই প্ৰশ্ন 'নীলাচল'ৰ সম্পাদকে তুলিছে। গুৱাহাটী বিশ্ববিদ্যালয়ে 'যেই কোনো বিশ্ববিদ্যালয়ৰ দৰে' নহৈ বিশেষ হ'ব খুজিছিল। কিন্তু তাক বাওনা কৰি ৰখা হ'ল কিয়? সি কৰিব খোজাবোৰ কৰিবলৈ দিয়া নহ'ল কিয়? 'নীলাচলে' আক্ষেপ কৰিছে, "এখন বিশ্ববিদ্যালয়ৰ নিম্নতম প্ৰাথমিক দায়িত্বখিনি পালন কৰাৰ বাহিৰে গুৱাহাটী বিশ্ববিদ্যালয়ে সামাজিক দায়বদ্ধতাৰ কোনো উল্লেখযোগ্য পৰিচয় আৰু বৌদ্ধিক উৎকৰ্ষৰ নতুন মানদণ্ড প্ৰতিষ্ঠা কৰিব পৰা নাই। গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা অসমৰ জনসাধাৰণৰ প্ৰধান প্ৰত্যাশা আছিল এয়েই যে ই অসমৰ ভাষা-সংস্কৃতিৰ চৰ্চা আৰু বিকাশত সক্ৰিয় আৰু সৃষ্টিশীল ভূমিকা গ্ৰহণ কৰিব। কিন্তু সেই আশা এতিয়াও পূৰণ হোৱা নাই।" পঁচিছ বছৰতে সকলোখিনি পূৰণ হোৱা সম্ভৱ নহয়, কিন্তু তাৰ আগন্তকটো দেখিলেও 'অসমৰ জনসাধাৰণে' আশ্বাস পাব পাৰে। বিশ্ববিদ্যালয়ৰ পিতাসকলে অসমীয়া ভাষা-সংস্কৃতিৰ চৰ্চাৰ যি আশ্বাস দিছিল জনসাধাৰণক, বিশ্ববিদ্যালয়ৰ বিধতাসকলে (সকলোৱে নহ'লেও দুই-এজনে) সেই প্ৰতিশ্ৰুতিৰ লগত বাগটি খেলিবৰ প্ৰয়াস পাইছে। মই যদি The days of culture are gone, and those of sophisters, economists and calculators have arrived বুলি কওঁ, মোক বাৰ্কৰ নকল প্লেটফৰ্ম বক্তা বুলি লোকে ক'ব। কিন্তু সেয়ে মোৰ অনুভৱ আৰু অভিজ্ঞতা। মোৰ বিশ্বাস, এটা জাতিৰ যিটো জিনিয়াছ, কালিকা, সেই অনুসৰি সি বৃদ্ধি লাভ কৰিব লাগিব, আৰু তাকেই গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা পিতৃসকলে আশা কৰিছিল। নহ'লেনো কলিকতা বিশ্ববিদ্যালয়পৰা আঁতৰি অহাৰ কি প্ৰয়োজন আছিল? সেই প্ৰয়োজন পাহৰি যোৱাৰ কাৰণেই বিশ্ববিদ্যালয় ঠিহিবা লাগি আছে আৰু বৌদ্ধিক উৎকৰ্ষৰ মানদণ্ডৰ তু নোপোৱা হৈ আছে বুলি অভিযোগ উঠিছে আৰু

জনসাধাৰণৰ প্ৰত্যাশা পূৰণ কৰাৰ প্ৰয়োজন নকৰা গজদন্তৰ গম্বুজ হোৱাৰ উপক্ৰম কৰিছে। মাজে মাজে দেখা দিয়া সংকটৰ বোধ হয় সেয়েহে মূল কাৰণ। অসমীয়া ভাষা-সাহিত্য-সংস্কৃতি 'যেই কোনো বিশ্ববিদ্যালয়ৰ দৰে' এটা বিশ্ববিদ্যালয় কৰিব খোজাসকলৰ (তেনেকুৱা খোজাটোযে তেওঁলোকৰ বাবে কিমান সুবিধাজনক!) কাৰণে কি এটা অদৰ্কাৰী বস্তু, চাওক। বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ পৰম সৌভাগ্য যে ডক্টৰ বাণীকান্ত কাকতি, ডক্টৰ বিৰিঞ্চিকুমাৰ বৰুৱাৰ দৰে কাণ্ডাৰী প্ৰথম ভাগত পাইছিল, আৰু সিসকলৰ বাহিৰে কৃষ্ণকান্ত সন্দিকৈ আদি মনীষীসকল গোটখাই উদাৰ আৰু ভবিষ্যত-মুখী দৃষ্টিৰে বিভাগৰ পাঠ্যক্ৰমত ভাষা, সাহিত্য আৰু সাধাৰণ সংস্কৃতি সামৰি লৈছিল। আন ভাৰতীয় বিশ্ববিদ্যালয়ে তুলনামূলক সাহিত্য বোলা এটা বিষয় উলিওৱাৰ আগতে তেনে বিষয়ৰ মৰ্ম সেই পাঠ্যক্ৰমৰ ধৰ্ম কৰা হৈছিল। সৰ্বভাৰতীয় ক্ষেত্ৰত এই বিভাগৰ অস্তিত্ব এতিয়াও অনুভূত হয়—অন্ততঃ মাজে মাজে।

গবেষণাৰ ক্ষেত্ৰত বিভাগটোৰ পতাকা আগৰেপৰা জিলিকি আছে। কিন্তু বিশ্ববিদ্যালয় অনুদান আয়োগৰ নিৰ্দেশক্ৰমে যেতিয়া বিশ্ববিদ্যালয়ে এখন গবেষণা পৰিষদ কৰিলে, তাৰপৰা এই বিভাগক আঁতৰাই ৰখা হ'ল। অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ প্ৰেমত পৰিষদ গঢ়োঁতাজনে এই কৰ্মফেৰা কৰিলে বুলি ক'লে কোনে বিশ্বাস কৰে, কৰি থাকিব। কিন্তু এই সুকৰ্মৰ উদ্দেশ্য কি আছিল? তাৰ বিচাৰ কৰিব লগীয়া হ'লে এটা বাতৰি মই সংস্কৃতি-প্ৰেমীসকলক দিব লাগিব। বিশেষ এটা পশ্চিম অঞ্চলৰ ভাষাৰ গৱেষণাৰ অৰ্থে বিভাগৰ এখন আঁচনি আছিল, তাৰ হকে বিশ্ববিদ্যালয় গৱেষণা আয়োগে অনুদান দিছিল। কিন্তু পৰিষদ-গঠনৰ লগে লগে আঁচনিখন ধানৰ খেৰৰ জুমুৰিৰ মাজৰ বেজী হ'ল, অনুদান হ'ল উধাও। অসমীয়া সাহিত্য-সংস্কৃতিৰ প্ৰতি বিধতাসকলৰ এয়ে প্ৰেমৰ নিদৰ্শন। তথাপি যদি সেই বিশ্ববিদ্যালয়ৰ যোগে সেই

সংস্কৃতিৰ বিকাশ বিচৰা হয়, পৰ্বততো কাছকণি পোৱা যাব পাৰে। কিন্তু অসমীয়া বিভাগৰ আনুগত্য বিশ্ববিদ্যালয়ৰ আদৰ্শৰ প্ৰতি, অসমীয়া জাতিৰ প্ৰতি সদায় আছে আৰু থাকিব। গৱেষণা পৰিষদে যি কৰক বা নকৰক, বিভাগে নিজৰ কাম পাহৰি নাযায়। সকলো গৱেষণাই অতীত-মুখী, কাৰণ অন্ততঃ বুৰঞ্জী অতীতকৈ লৈছে। ডক্টৰ কাকতিয়ে ক'বৰ দৰে, আগৰপৰা পৰি থকা জাবৰ আৰু বাখৰৰ ওপৰত ছাৰ্চলাইট্ বা জোৰৰ পোহৰ পেলোৱাই বিছাৰ্চ্ বা গৱেষণা, কিন্তু সাৰ্থকতাপূৰ্ণ সকলো গৱেষণাই ভৱিষ্যত-মুখী, কাৰণ কালি আৰু আজিৰ মূল্যায়ন নহ'লে ভৱিষ্যত গঢ়াত দিশৰ আউল লগাৰ সম্ভাৱনা। আমাৰ বিভাগত অন্ততঃ সাম্প্ৰতিকতম সাহিত্য নিষিদ্ধক্ষেত্ৰ নহয়, গৱেষণাৰ এজন ছাত্ৰই আধুনিক অসমীয়া কবিতাত পাশ্চাত্য প্ৰভাব বিশ্লেষণ কৰি কাম সামৰা অৱস্থা পাইছেহি। তাৰ বাবে অৱশ্যে কোনেও পিঠিত চপৰিওৱা নাই। চপৰিয়াৰ নেলাগেও। নিজৰ সংস্কৃতিক ভাল পালে অকাম ভৃত্যৰ সেয়া বনেই।

শিক্ষা আৰু মানৱ মূল্যৰ প্ৰতীক :

"শিক্ষাৰ হকে জীৱন উছৰ্গা কৰা শিক্ষকসকলৰ ত্যাগৰ আদৰ্শৰ সংস্পৰ্শ"ৰ যি প্ৰতিশ্ৰুতি ১৯৪৫ চনত বিশ্ববিদ্যালয়ৰ পিতৃসকলে ভৱিষ্যতৰ বিদ্যাৰ্থীসকলক দিছিল, তাৰো সম্পূৰণৰ বোধ হয় এতিয়া এটা বিচাৰ হ'ব পাৰে। এই বিচাৰ কৰিব বিদ্যাৰ্থীসকলে আৰু বিশ্ববিদ্যালয় যাৰ সম্পত্তি হ'বৰ কথা আছিল, সেই জনসাধাৰণে। 'নীলাচল'ৰ সম্পাদকে আমাৰ ল'ৰা-ছোৱালীইতক ইয়াৰ অনুৰূপ এটা প্ৰশ্ন কৰিছে। জনসাধাৰণকো কৰক'। শিক্ষকসকলকো সুধিব পাৰে, কিবা প্ৰতিশ্ৰুতিৰ কথা সিসকলৰ মনত পৰেনেকি? আনকালে কি সামগ্ৰী লৈ ভেওঁলোকে কাম কৰিব লগীয়া হয়, তাৰো খবৰ ৰাখিব। বিশেষকৈ মানৱিকী বিষয়ত এইটো তাতৰ

প্ৰশ্ন হৈ উঠিছে। প্ৰথম কনভেনচনতে আৰ্থিক দুৰৱস্থাৰ বাবে চাই "তৃতীয় শ্ৰেণীৰ ছাত্ৰবে আমাৰ বিশ্ববিদ্যালয় ঠাহ খুৰাই শিক্ষণ-কাৰ্যকে আহুকলীয়া কৰি পেলাব নেলাগে", এনে এটা মত পোষাইছিল সি ক'লৈ গ'ল? প্ৰতিবাৰ ছাত্ৰ-ভৰ্তি কৰা সময়ত বিশ্ববিদ্যালয়ে আৰ্থিক দুৰৱস্থাৰ কথা উঠে, গণতন্ত্ৰৰ আদৰ্শ প্ৰবল হয় আৰু বাতৰিকাকতেও ভৰ্তি বিচৰা ল'ৰাবোৰ ক'লৈ যাব বুলি বেজাৰ কৰে। কিন্তু তেওঁলোকক জীৱনৰ বাবে উপযোগী কৰা সেইটো জানো উপায়? তেওঁলোকৰ জীৱনৰ মূল্যবান আৰু দুটা বছৰ অপচয় কৰিবলৈ দি তাৰ আগতে পাৰ পৰা সুযোগৰ বাবেও কেতিয়াবা অপাত্ৰ কৰি পেলোৱা হয়। মই শিক্ষকহে, শিক্ষাবিদ নহওঁ। গতিকে শিক্ষাক্ষেত্ৰত আমাৰ প্লেন কেতিয়া হ'ব, তাৰ ভৱিষ্যদ্বাণী কৰা মোৰ সম্ভৱ নহয়। কিন্তু এই প্লেনৰ অভাৱে আমাৰ শিক্ষাক অধিকতৰৈ অধিকতৰ সঙ্কটাপন্ন কৰি আনিছে। তাৰ মাজে সংস্কৃতিৰ বিকাশ-সাধন আৰু জনসাধাৰণৰ জীৱনৰ মানৰ উন্নতি সাধন আমাৰপৰা বৰকৈ আশা কৰিব নাপায়।

বিশ্ববিদ্যালয়-প্ৰতিষ্ঠাৰ দিনটোৰ আগদিনা ক্লাস-সমিতিৰ সচিব আৰু বিশ্ববিদ্যালয়ৰ অধিনিয়ম-ৰচক ফখৰুদ্দিন আলি আহমদ চাহাবে তৃতীয়খন বিশ্ববিদ্যালয় কনভেনচনক কৈছিল, "অধিনিয়ম-খনৰ বিষয়ে সৰহ কথা কোৱাৰ ঠাই এয়া নহয়। তেও বুলি, এই কথা আঙুলিয়াই দিবই লাগিব যে যিখন বিশ্ববিদ্যালয় সৃষ্টি কৰা হৈছে, সি চৰকাৰৰ নিয়ন্ত্ৰণ আৰু নিৰ্দেশৰপৰা সম্পূৰ্ণভাৱে মুক্ত। যিসকলৰ শিক্ষাৰ প্ৰতি আসক্তি আছে আৰু সেই উদ্দেশ্যে উৎসৰ্গ আছে, ইয়াক সিসকলৰ মাথোন তত্ত্বাৱধানৰ বিষয় কৰাটো আমাৰ প্ৰযত্ন আছিল। বিশ্ববিদ্যালয়ে কি গঢ় ল'ব, সি শিক্ষাব্ৰতী-সকলৰ হাতত। চমুকৈ ক'ব লাগিলে, তেওঁলোকেই বিশ্ববিদ্যালয়ৰ আশা-ভৰসা পিঠা-গুৰিৰ চৈকেলিটো বাখিলে বাখিব পাৰে, ভাঙিলে ভাঙিব পাৰে। আমি তেওঁলোকৰ কৃতকাৰ্যতা কামনা কৰিলো

আৰু বিশ্বাস কৰিলো, তেওঁলোক মহত্তম আদৰ্শৰ দ্বাৰা পৰিচালিত হ'ব আৰু বিশ্ববিদ্যালয়খনক কেৱল শিক্ষাৰে নহয় মানবতাবাদৰ মূল্যবো এক প্ৰতীক কৰি গঢ়াত তেওঁলোকে আত্মনিয়োগ কৰিব।"

একাডেমিচিয়ানসকলত ন্যস্ত এই ন্যাস পিসকলে ৰাখিলেনে নাই, সেইটো বিচাৰ কৰিবলৈ সময় দিওঁতে নিদিওঁতেই চৰকাৰ বিশ্ববিদ্যালয়ৰ ভবিষ্যত সম্পৰ্কে সন্দিহান হৈ উঠিল। এবছৰৰ ভিতৰতে বিধায়কসকলৰ নিয়াবিত সংশোধনী বিলৰ এচটা কেঁচা লো পেলাই দিয়া হ'ল। এই ব্যৱস্থাই কেনেকৈ ১৯৬২-ৰ প্ৰলয় মাতি আনিলে আৰু কেনেকৈ সমস্ত অধিনিয়মখন তাৰ লগে লগে সংশোধন কৰিব লগীয়া হ'ল, সেয়া আজি বুৰঞ্জীৰ কথা হৈছে, ইয়াত আৰু তাৰ কথা প্ৰবৰ্তন নকৰোঁ। কিন্তু তাৰপৰা এইটো অন্ততঃ বুজিব পাৰি, বিশ্ববিদ্যালয়ৰ আদৰ্শ আমাৰ অন্তৰত সুথিৰ হৈ সদায় থকা নাই আৰু তাৰ ফলত বিশ্ববিদ্যালয়ৰ পঁচিছটা বছৰৰ বহুত বছৰ দিপৰ বিলত পৰিছেগৈ। অনুষ্ঠানটোৱেও সেই দেখি অপৰিণত যৌবনৰ অস্থিৰতাত ভুগি আছে।

দি কাস্ট´ চাৰ্কোল:

'অতীত মৰিল গ'ল, তাৰ কথা অন্ত হ'ল, মনৰপৰাই তাক কৰা বিসৰ্জন।' স্টেলিন যিদিনা ধাতৰিল বা মৰিল, সেইদিনা সকলোৱে মুখত আ-বা আ-বা। সৌৱৰে যদি শুঁৱৰিব আলেকজেণ্ডাৰ ছল্‌জেনিট্‌ছিনৰ দি কাস্ট´ চাৰ্কোলে। কিন্তু সকলোৱে কাৰণেতো আৰু ছুৱৰা কৰিব পাহৰণি নৈখনি নাই, তেওঁৰ কাৰণেও যেনেকৈ নাছিল। পাহৰণি-ধানৰ জয়খামডাং খাওখন আছে ক'ত? গুৱাহাটী বিশ্ববিদ্যালয়ৰো বহুতে হেনো গুৱাহাটী বিশ্ববিদ্যালয় ন্যাস-সমিতিৰ কথা নাজানে। তেওঁলোকৰ কাৰণেইতো এইবোৰ লেখিব লগীয়া হৈছে। জনাসকলকতো লাগেই ইয়াৰ হিচাপ। কিন্তু বিশ্ববিদ্যালয়

কৰ্তৃপক্ষই পাঁচিছ বছৰে কথাবোৰ নাজানি আছিছে, লিহে তাজ্জুবৰ বুৰঞ্জী। এই তাজ্জুবটো আৰু গভীৰ হ'লহেঁতেন যদি বিশ্ববিদ্যালয়ৰ প্ৰথম বিলখন ছিলেক্ট কমিটিৰ হাতত থকা অৱস্থাত এই ছেদটো লগাই দিয়া নহ'লহেঁতেন : 1 (3) The Gauhati University Trust Board shall be dissolved and all properties and rights now vested in the said Trust Board shall be transferred to and vest in the said University on such date as this Act may come into force. বিলখনৰ প্ৰিএম্বোলৰ ভিতৰতো ১৮৮২ চনৰ ভাৰতীয় ন্যাস অধিনিয়ম অনুসৰি পঞ্জীকৃত ন্যাস সমিতিখন ভঙ্গ কৰি তাৰ সম্পত্তি আৰু স্বত্ব নৱ-প্ৰতিষ্ঠিত বিশ্ববিদ্যালয়ত বৰ্তাবৰ অৱসৰ হৈছে বুলি কোৱা হৈছে। কোনো বিচক্ষণ অধিবক্তাই হয়তো ক'ব, ইয়াত সম্পত্তি আৰু স্বত্বৰ কথাহে কোৱা হৈছে, দায় আৰু কৰ্তব্যৰ কথা কোৱা হোৱা নাই, গতিকে ন্যাস সমিতিয়ে যিহকে কওক লাগিলে, বিশ্ববিদ্যালয় তাত বান্ধ নাখায় আৰু ন্যাস সমিতিয়ে বিশেষ কামৰ বাবে দিয়া ধন বিশ্ববিদ্যালয়ে সেই কামৰ কথা পাহৰি য'তে ত'তে খৰচ কৰিব পাৰে। এনে যুক্তি বৰ্তিলে অৱশ্যে ন্যাস সমিতিয়ে সুন্দৰী গঢ়াৰ প্ৰতিশ্ৰুতি দিয়াৰ ঠাইত বিশ্ববিদ্যালয়ে বান্দৰী এজনী থিয় কৰিলে নগৰত একো জগৰ নেলাগে। কিন্তু জাতিৰ বিবেক বুলিওযে এটা কথা আছে, তাক ক'ত থোৱা যাব? গতিকে ন্যাস সমিতিৰ হাতত থকা জাতিৰ আশা আৰু বিশ্বাসৰ ভাৰটো বিশ্ববিদ্যালয়ে পুহি-পালি থাব লাগিব। ৰূপালী জয়ন্তীৰ আনন্দ-কোলাহলৰ মাজতে বিশ্ববিদ্যালয়ৰ আয়-ব্যয়কৰ ঘাটিৰ হুমুনিয়াহটো মাইক ফালি ওলাই আহিছিল। দুটা কথা মনত পৰিল—ত'তো নাহিলো পাই, এখেতো পাবলৈ নাই। নকৈ নাৰ্জো, পুৰণি খাওঁ, ভিক্ষা দিয়া যাও, ঘৰলৈ যাওঁ। ধনৰ দুখীয়া হ'লেও মনৰ দুখীয়া কিয় হ'ব লাগে?

৪

স্বপ্ন, অসমীয়া স্বপ্ন ঃ

যোৱা বছৰ বিশ্ববিদ্যালয়ৰ শিক্ষাৰ মাধ্যম লৈ হোৱা আলোড়নৰ সময়ত এটা প্ৰশ্ন উঠিছিল, যেনেকৈ শিলচৰৰ গুৰুচৰণ কলেজ সংখ্যালঘু বঙলাভাষীসকলৰ কাৰণে প্ৰতিষ্ঠিত হোৱা বুলি দাবী কৰিছিল (চূড়ান্ত ন্যায়ালয়ত ই অসত্য বুলি প্ৰমাণিত হ'ল), তেনেকৈ অসমীয়া ভাষা, সাহিত্য আৰু সংস্কৃতিৰ সংৰক্ষণ-সংবৰ্ধনৰ বাবে প্ৰতিষ্ঠিত হোৱা বুলি গুৱাহাটী বিশ্ববিদ্যালয়ে দাবী কৰিব নোৱাৰে জানো ? কথা জনা মানুহেই এই কথা কৈছিল, কাৰণ, গুৱাহাটী বিশ্ববিদ্যালয় আন্দোলনৰ গুৰি-কথা সেয়ে, তাৰ পূৰ্বৰ অসমৰ বাবে সুকীয়া বিশ্ববিদ্যালয় বিচৰা আন্দোলনৰো মূল কথা আছিল সেয়ে।

ছেদলাৰ আয়োগেই পোনতে আমাৰ চিন্তাধাৰাৰ সেই ফালে মু' কৰাই দিয়ে : 'কলিকতাই নিয়ন্ত্ৰণ কৰা পৰীক্ষাই যেতিয়ালৈকে ইয়াৰ (কটন কলেজৰ) অধ্যয়ন নিয়ন্ত্ৰণ কৰিব, তেতিয়ালৈকে নিজ জাতিৰ চৰিত্ৰ আৰু আৱশ্যক অনুসৰি গুৱাহাটীয়ে পঠন-পাঠনৰ গঢ় দি ল'ব নোৱাৰে।' ১৯২০ চনত ভাৰত চৰকাৰলৈ অসম চৰকাৰৰ হৈ চিফ কমিছনাৰ ছাৰ নিকলছ বিট্‌ছন বেলে লেখা চিঠিতো কোৱা হৈছিল, 'অসমৰ শিক্ষাৰ সমস্যাবোৰ তাৰ বাহিৰৰ আকৃতিতে নহয়, ভিতৰৰ প্ৰকৃতিতো বঙ্গৰ শিক্ষাৰ সমস্যাৰপৰা সুকীয়া।' তেওঁ কয় যে বঙ্গৰ সহায়-সহানুভূতি একো নেথাকিলেও অসমে নিজৰ সমস্যা নিজে সমাধান কৰি ল'ব লাগিব। আজিৰ বঙালী কাছাৰে যেনেকৈ অসমৰপৰা সুকীয়া ধৰণে চিন্তা কৰিবৰ যত্ন কৰিছে, তেনেকৈ তেতিয়াও অন্ততঃ লাহে লাহে বঙালী সুৰমা উপত্যকাই অসমৰ আশা-আকাঙ্ক্ষাবোৰক পোনতে অৱহেলাৰে আৰু তাৰ পিছত সন্দেহৰ চকুৰে চাবলৈ

আৰম্ভ কৰিছিল, আৰু আন বিষয়ৰ দৰে এই বিষয়তো 'ডেভি বিকাবিডে'ই অসমৰ উপলব্ধিৰ, এটা বিশ্ববিদ্যালয় কৰৰ প্ৰতিবন্ধক ৰূপে থিয় হৈছিল। দেশ স্বাধীন হোৱাৰ লগে লগে যেতিয়া চিলট পূব পাকিস্থানলৈ গ'ল, তেতিয়াহে খণ্ডিত সুৰমা উপত্যকাৰ এই অৱহেলা, সন্দেহ আৰু প্ৰতিবন্ধক পমি গৈ 'বেক্তনিত ঐ পৰিল বাসুদেৱায় নমঃ' অৱস্থা এটাৰ সৃষ্টি হ'ল। সেই দেখিয়েই ১৯৪৭ চনত বিশ্ববিদ্যালয় বিল বিধান সভাইদি সহজে সৰকি আহিল।

সুকীয়া বিশ্ববিদ্যালয়ৰ স্বপ্নটো গুৱিৰপৰাই বঙালীৰ স্বপ্ন নাছিল, সেই স্বপ্নৰ জাত আছিল অসমীয়া। ১৯৩৫ চনৰ বিশ্ববিদ্যালয় আন্দোলনৰ সময়ত ছাৰ চি ভি ৰামনে কোৱা এআষাৰ কথা এয়া: 'The natural desire of the Assamese people to have a University of their own will, I am sure, receive universal support' কিন্তু সিটো উপত্যকাৰপৰাই অসমীয়াৰ বিশ্ববিদ্যালয়ৰ বিৰুদ্ধে প্ৰতিবাদ, ঘোৰ প্ৰতিবাদ উঠিছিল। অধ্যক্ষ কৃষ্ণকান্ত সন্দিকৈদেৱে সেই দেখি বক্তৃতা কথা বক্তৃতাত কৈছিল, "যদি অসমৰ সুকীয়া বিশ্ববিদ্যালয়ৰ স্থান অসম উপত্যকাতে হয় আৰু যদি তাত অসমীয়া ভাষাৰ দাবী স্বীকাৰ কৰি লোৱাৰ যথেষ্ট ব্যৱস্থা কৰা হয়, তেতিয়া হ'লেহে মই অসমৰ বাবে সুকীয়া বিশ্ববিদ্যালয়ৰ ভাবটো সমৰ্থন কৰিম। আঞ্চলিক বিশ্ববিদ্যালয় প্ৰতিষ্ঠাপন আমাৰ বৰ্তমান সময়ৰ এটা স্পষ্ট শিক্ষাবিষয়ক বৈশিষ্ট্য হৈ উঠিছে আৰু কেৱল বিশ্ববিদ্যালয় আৰু মহাৰাষ্ট্ৰ বিশ্ববিদ্যালয় স্থাপন কৰাৰ সিদ্ধিনাৰ প্ৰস্তাৱে সেই মনোভাৱকে সমৰ্থন কৰে।" এয়া ভাৰতৰ দুমুখৰ দুজন শিৰকুটা শিক্ষাবিদ আৰু শিক্ষকৰ সাক্ষ্য।

কলিকতাৰ আসাম ষ্টুডেণ্টছ ৰেলকেয়াৰ লিগৰ আহ্বানত সমস্ত অসম জুৰি ১৯৩৫ চনৰ ২২ মেই তাৰিখে অসম বিশ্ববিদ্যালয় দিৱস পালন কৰা হয়। বিশেষকৈ সেইদিনা খাছি, জুহাই, নগাকে ধৰি অসমীয়া ছাত্ৰৰ বিপুল সমাবেশেৰে আসাম ক্লাবত এখন সভা হয়।

অধ্যক্ষ সতীশচন্দ্ৰ ৰায়, অধ্যক্ষ সুৰেন্দ্ৰনাথ সেন, মিছ মেভিছ ডান, অধ্যাপক ছৰফুদ্দিন আহমদ চৌধুৰী আদি সেই সভাত উপস্থিত আছিল আৰু সুকীয়া বিশ্ববিদ্যালয়ৰ ধাৰণাৰ পৃষ্ঠপোষণ কৰিছিল। তাতে এটা প্ৰস্তাৱ গ্ৰহণ কৰি কোৱা হয় যে সুৰমা উপত্যকাৰ কোনো কোনো মানুহে যেতিয়া অসমৰ বাবে সুকীয়া বিশ্ববিদ্যালয় হোৱাৰ বিৰুদ্ধে থিয় দিছে, সভাই সিদ্ধান্ত কৰে যে বিশ্ববিদ্যালয়খন উপযুক্ত অসমীয়া (পাৰ্বত্য জিলাবোৰ ধৰি) লোকৰ পৰিচালনাত গুৱাহাটীত প্ৰতিষ্ঠিত হ'ব লাগে, কাৰণ অসমীয়াক বিশ্ববিদ্যালয় লাগেই। মন কৰিব লগীয়া যে চৰকাৰী চাকৰিয়াল কাৰণে কটনৰ অধ্যক্ষ ৰায়, মুৰাৰিচান্দৰ অধ্যাপক সেন আৰু স্কুল পৰিদৰ্শক শৰৎচন্দ্ৰ গোস্বামীয়ে প্ৰস্তাৱৰ সপক্ষে ভোট নিদিলে। গোস্বামীদেৱে কিন্তু ক'লে, অসমীয়া সংস্কৃতিৰ উৎকৰ্ষৰ অৰ্থেই যদি বিশ্ববিদ্যালয় লাগে, সি গুৱাহাটীতে হ'ব লাগিব।

পেট-কামোৰণি আৰু কানিৰ বাগি :

শিকালে সুৰমা উপত্যকাত তোলপাৰ। ২৫ এপ্ৰিল তাৰিখে শ্ৰীহট্টৰ টাউন হলৰ থাঁহনিত বহা বিয়াগোম প্ৰতিবাদ সভাৰ কথা আগতে কৈ আহিছো। সেই সভাৰ সভাপতি মৌলবী মহম্মদ আব্দুল্লাই অসমৰ সুকীয়া বিশ্ববিদ্যালয় এটাযে কি ভয়ঙ্কৰ বিপদৰ বস্তু হ'ব, বাইজক ভালকৈ বুজাই দিয়ে (তাৰ বাইজতো বুজাৰ ঘৰৰ ল'ৰাই সকলো !)। তেওঁ বাইজক স্মৰণ কৰাই দিয়ে যে পিয়ৰ্ছনৰ অধ্যক্ষ মুলান ছাহাবে কৈ গৈছে, অসমখন হ'ল ভাষাতাত্বিকৰ স্বৰ্গ আৰু মত প্ৰকাশ কৰে যে অসম হ'ল ১৫০টা ভাৰ্নেকুলাৰৰ এটা বেবেল। সেই ডেৰ শৰ ভিতৰৰ এটা ভাষা লৈ তাক প্ৰভাৱিত বিশ্ববিদ্যালয়ৰ মাধ্যম কৰাযে কি ভয়ঙ্কৰ এটা কথা হ'ব ! সেইদৰে অসমীয়া ভাষা প্ৰয়োগ কৰাটোৱেই এক অপুৰ্দাত কথা, কাৰণ অসমৰ প্ৰজাৰ শতকৰা ২০হে অসমীয়া আৰু

আনকালে শতকৰা ৪৫ হ'ল বঙলা-ভাষী। অসমীয়া মানুহবোৰে কিয় বাৰু এই আন্দোলন কৰে? তাৰ কাৰণ হ'ল মুলান ছাহাবে তেওঁৰ পিয়লৰ প্ৰতিবেদনত তন্ন-তন্নকৈ দেখুৱাই দিছে, আজিৰপৰা শত বৰ্ষৰ ভিতৰতে শিৱসাগৰ জিলাৰ বাহিৰে সমস্ত অসম সাংস্কৃতিক-ভাৱে নিৰ্বংশ হৈ যাব আৰু বঙলা ভাষা আৰু সংস্কৃতি সমস্ত প্ৰদেশখনত বিৰাজমান হ'ব। আন্দোলনটোৰ আৰু এটা কাৰণ হ'ল, অসমে চিলটখন লৈ বৰ আমনি পাইছে আৰু তাক 'ঘাটি জিলা' বুলি বদনাম দিছে। ইফালে আকৌ বোলে তেওঁলোকে এই 'বগা হাতী'টোৰপৰা ৰক্ষাও পাব নোৱৰা হৈছে। অসমীয়া ভাষাক মাধ্যম কৰি এটা বিশ্ববিদ্যালয় কৰাটো এটা সিয়ান বুদ্ধি হ'ব, যিটোৰ ভিতৰেদি চিলটৰ সাংস্কৃতিক পৰাজয় এতেও চুতেও লোটা নিবৰ ছেও কৰি সিদ্ধ কৰি পেলোৱা যাব।

সম্প্ৰতি বিশ্ববিদ্যালয় আন্দোলনক নানাভাৱে ইতিকিং কৰাও হৈছিল। বঙলা ভাষা-সংস্কৃতিৰ তুলনাত অসমীয়া ভাষা-সংস্কৃতিক ফুঁতে উৰুৱাই দিয়া হৈছিল। যিখন প্ৰদেশত ছাৰ তাৰকনাথ বা ছাৰ ৰাসবিহাৰীৰ দৰে এজন দাতা ওলোৱাৰ সম্ভাৱনা নাই, তাত আকৌ বিশ্ববিদ্যালয়! অসম্ভৱ কথা। এটা মেডিকেল বা ইঞ্জিনিয়াৰিং কলেজ পাব নোৱৰা প্ৰদেশখনে আকৌ কি বিশ্ববিদ্যালয় কৰে! বিশ্ববিদ্যালয় এটা যদি ইয়াত দৈৱ-দুৰ্বিপাকত হয়েই, সি হ'ব এটা পিগ্‌মি। এইদৰে যুক্তিৰ ওপৰত যুক্তি আনি এটা ৰবমেজি সভা হৈ গ'ল। কোনো বঙালীয়ে শালীনতাবোধো এৰাই থৈ ক'লে, অসমত কিজানি কানি-প্ৰচলনৰ বাধা-নিষেধটো গুচাই পেলোৱা হৈছে, নহ'লে অসমৰ কাৰণে বিশ্ববিদ্যালয়-স্থাপনৰ নিচিনা এটা হাস্যকৰৰূপে অসম্ভৱ প্ৰস্তাৱ কাৰোবাৰ মগজত খেলায়নে! সেইজনা বঙালী অসম উপত্যকাত বঙালী ল'ৰাই অসমীয়া পঢ়িব লগীয়া হোৱা চৰম দুৰ্গতিৰ কথা লৈৰবাই দি কয়, যি মুহূৰ্ত্তেই অসমৰ বিশ্ববিদ্যালয় প্ৰতিষ্ঠা হ'ব, সেই মুহূৰ্ত্ততে বঙালী ল'ৰাবোৰক অসমীয়া সংস্কৃতিৰ

বানপানীয়ে উটুৱাই লৈ যাব। অসমৰ যদি এটা বিশ্ববিদ্যালয় হ'বলৈ হ'ল, সুৰমা উপত্যকাতো অসমীয়া ভাষাৰ টিৱিলৃথিলনি চলিব। গতিকে, বিশ্ববিদ্যালয়টো হ'লেই বঙলা সংস্কৃতি আৰু ঐতিহ্যৰ অসমত মৃত্যু ঘটিব, আৰু গতিকে, সেই বিশ্ববিদ্যালয় হোৱাত আমি সৰ্বপ্ৰকাৰে সম্ভৱ বাধা দিবই লাগিব। বহুত হাত-চাপৰি।

জাহ্নবী-যমুনা-বিগলিত-কৰুণা:

অসম উপত্যকাত চিলটীয়াসকলৰ সকলো যুক্তিৰ প্ৰতিযুক্তি দিয়া হৈছিল, তেওঁলোকৰ কটু কথাৰ প্ৰতিবাদ কৰা হৈছিল। যি সময়ত বঙ্গীয় সভ্যতাৰে উৎফুল্ল চিলটীয়াই অসমীয়া জাতি আৰু তাৰ আশা-আকাঙ্ক্ষাক নিন্দা-তিৰস্কাৰ কৰিছিল, সেই সময়ত আসাম এছোচিয়েচনৰ হৈ প্ৰধান সম্পাদক যোগেন্দ্ৰনাথ বৰুৱা আৰু এছোচিয়েচনৰ বিশ্ববিদ্যালয় সমিতিৰ সম্পাদক গোপীনাথ বৰদলৈয়ে অসমত বিশ্ববিদ্যালয়-স্থাপনৰ যিখন আঁচনি তৈয়াৰ কৰিছিল, তাত অসমীয়াৰ লগতে বঙলা আৰু হিন্দীৰো শিক্ষণৰ ব্যৱস্থাক সামৰি লৈছিল, কাৰণ 'ডক্টৰ টেগোৰ, বঙ্কিম চেটাৰ্জি, ডি এল্ ৰায় আৰু আনসকলৰ লেখনীৰ দ্বাৰা সমৃদ্ধ হোৱা সাহিত্যৰপৰা আমি আঁতৰি থাকিব নোৱাৰোঁ।'

এয়া দুখন ছবি। এখন চিলটৰ। আনখন গুৱাহাটীৰ। মন্তব্য নিষ্প্ৰয়োজন।

আত্মৰক্ষা: অসম বিশ্ববিদ্যালয় অসমীয়া বিশ্ববিদ্যালয়:

অসমৰ বিশ্ববিদ্যালয়ক যদি অসমীয়া বিশ্ববিদ্যালয় কৰিবৰ যত্ন কৰা হৈছিল, সি আমাৰ আত্মৰক্ষাৰ কাৰণেহে। বৰ্তমান শতিকাৰ পঞ্চম দশকৰ আগ ভাগতে বঙ্গদেশৰ মন্ত্ৰিসভাৰ উত্থাপিত মাধ্যমিক শিক্ষা বিল লৈ হৈ-চৈ লাগি পৰিছিল আৰু অসমত সিয়ে গুৱাহাটী বিশ্ববিদ্যালয় আন্দোলনৰ কাৰণ হৈ পৰিছিল। 'বাঁহী'ৰ সম্পাদক মাধৱচন্দ্ৰ বেজবৰুৱাই লেখিলে (মেই ১৯৪৪), "এতিয়া অসমীয়াৰ

কৰ্ত্তব্য কি ? অসমীয়াৰ কৰ্ত্তব্য এটাৰ বাহিৰে দুটা নাই। বৰ্ত্তমান অসমীয়াৰ কৰ্ত্তব্য হৈছে লোকৰ নেতৃত্ব ধৰি বল দিবলৈ নগৈ নিজে নিজে নিজাকৈ বিশ্ববিদ্যালয়টো পাতি লোৱা।" শিক্ষা বিলখনত সাম্প্রদায়িকতাৰ উৎকট গোন্ধ এটা সকলোৱে পাইছিল। "অসম দেশখন যাতে বঙ্গদেশৰ এই কলুষিত ছাঁয়াত পৰিবলৈ নাপায়, তাৰ ব্যৱস্থা ল'বলৈ সাজু হৈ অসম বিশ্ববিদ্যালয় আন্দোলন পুনৰ আৰম্ভ কৰিম।"

সাদিনীয়া 'অসমীয়া'ৰ সম্পাদক-ৰূপে জ্যোতিপ্ৰসাদ আগৰৱালাই যেতিয়া আহ্বানত সঁহাৰি দি লেখিলে, "আজিৰ দিনত সভ্য জগতত উপযুক্ত স্থান বিচৰা এটা জাতিৰ কাৰণে এটা নিজৰ বিশ্ববিদ্যালয়যে অপৰিহাৰ্য, এই কথাটো প্ৰতিক্ৰিয়াশীল গৱৰ্ণমেণ্টে বুজিলে বুলিয়েইবে অসমীয়া বাইজেও উপলব্ধি নকৰাকৈ আছে, এনে নহয়। অসমীয়া চহৰীয়াৰপৰা গাঁৱলীয়ালৈকে, পণ্ডিতৰপৰা ছাত্ৰলৈকে সকলোৱেই বুজিব পাৰিছে যে আজি আমাৰ এটা বিশ্ববিদ্যালয় পাতি যদি অসমীয়াৰ চিন্তাশক্তি কেন্দ্ৰীভূত কৰিব নোৱাৰি, তেন্তে আমাৰ জাতীয় সংস্কৃতি বিপন্ন হ'ব।"

ত্ৰিটিশৰ কবলত অসমীয়া ভাষাৰ দুৰ্গতি, তাৰ পুনঃপ্ৰতিষ্ঠাৰ দাবী, অ. ভা উ সা সভাবোৰৰ ভূমিকা আদি স্মৰণ কৰি বিশ্ব-বিদ্যালয়-সংখ্যা 'অসমীয়া' কাকতত দেশনেতা কুলধৰ চলিহাই ক'লে, "এইবাৰ নতুন শাসনতন্ত্ৰ গঠন হ'লে আমি কেতিয়াও বঙ্গ-ভাষা-ভাষী শ্ৰীহট্ট আৰু কাছাৰৰ লগত সাঙোৰ খাই নাথাকোঁ। আৰু আৱশ্যক হ'লে তাৰ বাবে তীব্ৰ আন্দোলন কৰি আমাৰ প্ৰদেশৰ বাবে নতুন সীমা ধাৰ্য কৰিব লাগিব। বৰ্ত্তমান ব্যৱস্থাই জাতীয় জীৱনৰ পূৰ্ণ বিকাশত বাধা দি আছিছে। নতুন জাগৰণক বহুমুখী কৰিবলৈ হ'লে আমাৰ বিশ্ববিদ্যালয় এটা এতিয়াই স্থাপন কৰা নিতান্ত দৰকাৰ হৈ পৰিছে।"

অসমীয়া বিশ্ববিদ্যালয় বিচৰা অসমীয়াবোৰ কোনবোৰ, তাৰ এটা

সংজ্ঞাৰ আৱশ্যক হৈছিল। মাধৱ বেজবৰুৱাৰ 'বাঁহী'ত শৰৎচন্দ্ৰ গোস্বামীয়ে সেই সংজ্ঞা দিলে: "যি লোকে অসমীয়া ভাষাক নিজৰ ভাষা বুলি স্বীকাৰ কৰিছে, আৰু অসমীয়াৰ কৃষ্টিক নিজা কৰি লৈ তাৰ প্ৰতি আদৰ কৰিব পাৰিছে, তেৱেঁই অসমীয়া। অসম উপত্যকাৰ আৰু দাঁতিকাষৰীয়া পৰ্বতীয়া আৰু সীমান্ত জিলা-সমূহৰ অধিবাসীসকল অসমীয়া। এইসকল মানুহৰ কাৰণে এখন বিশ্ববিদ্যালয় লাগে। সত্তৰ লক্ষ অসমীয়া মানুহৰ কাৰণে এখন বিশ্ববিদ্যালয়ৰ নিতান্ত আৱশ্যক।"

সংস্কৃতিয়ে মুৰটো গোঁজা টোকোৰা-বাহ:

অসমীয়া বিশ্ববিদ্যালয় হ'বলৈ হ'লে অসম উপত্যকাত, গুৱাহাটীত হ'ব লাগিব। এয়ে হ'ল গুৱাহাটী বিশ্ববিদ্যালয় আন্দোলনৰ তাৎপৰ্য। এই আন্দোলনে ৰূপ ল'লে শিৱসাগৰত যেতিয়া স্থাস সমিতি এখন পতা হ'ল আৰু কনভেনচন (এই শব্দটো আৰু ধাৰণাটো মোৰ মনত থকামতে জীৱনৰাম ফুকনৰ আছিল) এখন পতাৰো ঠিক হ'ল। তালৈ অসম উপত্যকা আৰু পাৰ্বত্য জিলা-সমূহৰ প্ৰতিনিধি নিমন্ত্ৰণ কৰা হ'ল। কাছাৰ আৰু শ্ৰীহট্টক মতা হোৱা নাছিল। মতা হ'লেও তেওঁলোকে কি অৱাইচ মাতিলে-হেঁতেন সকলোৰে জনা আছিল। কিন্তু নামাতিলেও তেওঁলোকে যে মাত নমতাকৈ থাকিব, তেনেটি নহয়। চিলটীয়া 'যুগের আলো' কাগজে কি অবাঞ্ছনীয় মন্তব্য এই প্ৰসঙ্গত কৰিছিল, তাক কনভেনচনতে পঞ্চধৰ চলিহাই উল্লেখ কৰিছিল। কনভেনচন বহি যোৱাৰ পিছত (১৪ জানুৱাৰী ১৯৪৫) সেইখন কাকতে সম্পাদকীয়-ভাৱে লেখিলে, "স্থির হইয়াছে যে উক্ত বিশ্ববিদ্যালয়ের নাম গৌহাটী বিশ্ববিদ্যালয় হইবে এবং তাহা গৌহাটীতেই থাকিবে। উক্ত সভায় সুরমা উপত্যকার কোন নেতাকে নিমন্ত্রণ করা হয় নাই। সুতরাং দেখা যাইতেছে যে প্রস্তাবিত গৌহাটী বিশ্ববিদ্যালয়ে শুধু

অসমীয়াদেরই স্থান থাকিবে।" দেখা গ'ল, ঔষধপালি কঁপিলে। কিন্তু মবিও মবকামোব নেবি সম্পাদকে যোগ দিলে, "সুরমা উপত্যকাকে কলিকাতা বিশ্ববিদ্যালয়ের অধীন রাখার ব্যবস্থা এখনকার মতই থাকিবে। তাহার ফলে বিশ্ববিদ্যালয় শিলংয়ে বা শ্রীহট্টে করার প্রস্তাব ফাসিয়া গেল।" একিল খাই এবুধি চপাব দবে আফ কোবা হ'ল: "বিশ্ববিদ্যালয় আসামে একটি হওয়া আবশ্যক—তাহাতে আমাদের আপত্তি নাই। বিশ্ববিদ্যালয় কেন, আসাম হাইকোর্টও প্রতিষ্ঠিত হউক, ইহাই আমরা চাই। কিন্তু শুধু চাহিলেই ত হয় না। আসামের আয় বুঝিয়া ত চলিতে হইবে। আয় যেরূপ তাহাতে বিশ্ববিদ্যালয় পরিচালনা করা খুব সহজ হইবে না। তাহা ছাড়া বিশ্ববিদ্যালয় যদি গৌহাটীতেই হয় তবে গোয়ালপাড়া ও নওগাঁ জেলার বঙ্গ-ভাষা-ভাষীরা কোন্ বিশ্ব-বিদ্যালয়ের অন্তর্ভুক্ত হইবে? তাহাদের শিক্ষার বাহন বাংলা থাকিবে না কি? এবং সুরমা উপত্যকাবাসীদের দেয় রাজস্ব গৌহাটী বিশ্ববিদ্যালয়ের জন্য ব্যয়িত হইবে কি না এই সমস্ত প্রশ্নের মীমাংসা হওয়া বাঞ্ছনীয়।" এই মীমাংসালৈ অহাব আগতে বঙালীসকলব নিজব সাম্প্রদায়িক ঘৃণাব জুয়ে পোবা ভাবতবর্ষত ফাট মেলিলে। বঙ্গ চুকাল হ'ল। শ্রীহট্টও চুকাল হ'ল। গুৱাহাটী বিশ্ববিদ্যালয় যিটো অসম চবকাবে গঠন কবিলে, তাত শ্রীহট্ট নাথাকিল বাজনত নিজব ভাগ বিচাবিবলৈ। সময়ে বোধ কবোঁ নিবিচাবিছিল যে গুৱাহাটী বিশ্ববিদ্যালয় জন্ম ল'ব নালাগে।

এই বিশ্ববিদ্যালয় হোবাব মাথোন একেটাই যুক্তি আছিল। 'হিন্দুস্থান ষ্টেণ্ডার্ড' কাগজত ওলোৱা প্রবন্ধত ববদলৈয়ে তাকেই লেখিছিল, "If the University is at all wanted it is for the people of Assam proper. In modern India Assam is the only province and the Assamese are the only people without a cultural centre for higher education."

'বিশ্ববিদ্যালয় লাগে—এতিয়াই' এই শিতানত ১৯ এপ্ৰিল ১৯৪৬ তাৰিখে 'দৈনিক অসমীয়া'ৰ সম্পাদক-ৰূপে দেৱকান্ত বৰুৱাই ন্যাস সমিতিৰ 'দুৰন্ত তিনি মাহ'ৰ কামৰ খতিয়ান লৈ এটি প্ৰবন্ধ লেখে। "ঘোৰ দুৰ্দিন, ৰণুৱাৰ দপদপনি, সামৰিক যান-বাহনৰ হুলস্থূল, ভাত-কাপোৰৰ চিন্তা, এই সকলোবোৰে অসমবাসীক অতিষ্ঠ কৰি তোলা" অৱস্থাত আৰম্ভ হোৱা বিশ্ববিদ্যালয় অভিযানৰ কথা লৈ তেওঁ কৈছিল, "ইয়াৰ আগেয়ে কোনো ৰাজহুৱা কামৰ বাবে ইমান সৰহ ধন উঠা নাছিল। ধন তোলাৰ বাহিৰেও বিশ্ব-বিদ্যালয়ৰ আঁচনি-ৰচনা, ঠাই-নিৰ্ণয় প্ৰভৃতি কামো বহুখিনি আগ বাঢ়িছে। এই কম সময়ৰ ভিতৰতে ইমানখিনি কাম হৈ উঠা সঁচাকৈয়ে বিশ্ববিদ্যালয়ৰ কৰ্মীসকলৰ কৃতিত্বৰ পৰিচায়ক আৰু তাৰ কাৰণে তেওঁলোক আমাৰ শলাগৰ পাত্ৰ। সাধাৰণ অৱস্থাত বিশ্ববিদ্যালয় স্থাপনৰ কাম ধীৰে-সুস্থিৰে হোৱাটো স্বাভাৱিক আৰু বাঞ্ছনীয়ও। কিন্তু দিন-কালৰ গঢ়-গতি আৰু কামৰ সুকীয়া অৱস্থালৈ চাই অসমত বিশ্ববিদ্যালয়-প্ৰতিষ্ঠা পলম হৈছে।

গুৱাহাটী বিশ্ববিদ্যালয় আমাৰ কাৰণে কেৱল এখন উচ্চশিক্ষাৰ ব্যৱস্থা থকা অনুষ্ঠানেই নহয়—ই যুব সুমাৱৰ ঠাই এডোখৰৰ অভাৱত উটি বুৰি ফুৰা অসমীয়া সংস্কৃতি আৰু সাহিত্যৰ আশ্ৰয়স্থল হ'ব লাগিব। এই আশা আৰু বিশ্বাসৰ কাৰণেই আজি লিখা-পঢ়া নজনা চহা অসমীয়ায়ো বিশ্ববিদ্যালয়ৰ কাৰণে ইমানকৈ আগ্ৰহ দেখুৱাইছে। বৰ্তমান ভাৰতীয় ৰাজনৈতিক পৰিস্থিতিৰ এটা প্ৰধান লক্ষণ হৈছে সৰ্বভাৰতীয় জাতীয়তাৰ উপৰিও প্ৰাদেশিক ভাষা আৰু সংস্কৃতিসমূহৰ আত্ম-প্ৰতিষ্ঠাৰ কাৰণে তীব্ৰ হেপাহ। ভাৰতবৰ্ষৰ ৰাজনৈতিক ভৱিষ্যতে কি গঢ় ল'ব, তাৰ ভৱিষ্যবাণী কৰা টান হ'লেও এইটো ন দি ক'ব পাৰি যে এই দেশৰ ভৱিষ্যত শাসনতন্ত্ৰৰ ক্ষমতাৰ ভাৰকেন্দ্ৰ হ'ব ভাষা আৰু সংস্কৃতিৰ ভেটিত গঠিত প্ৰদেশবিলাক। গতিকে বিবিলাক প্ৰদেশৰ ভাষা আৰু সংস্কৃতিয়ে

ইতিমধ্যেই উন্নতিৰ বাটত আগ বাঢ়িছে, আগলৈ ভাৰতবৰ্ষৰ ৰবচ'ৰাত সেইবোৰ প্ৰদেশেই আগশাৰী পুৰাবৰ সুযোগ পাব।

কলিকতা বিশ্ববিদ্যালয়ে বঙলা সাহিত্যৰ, কাশী হিন্দু বিশ্ববিদ্যালয়ে হিন্দী ভাষাৰ আৰু ওছমানিয়া বিশ্ববিদ্যালয়ে উৰ্দুৰ কাৰণে কৰা যত্নই এই ভাষাবোৰৰ উন্নতিত কমখিনি দান দিয়া নাই। নিজা বিশ্ববিদ্যালয়ৰ অভাৱত অসমীয়া ভাষাই আজিও গা কৰিব পৰা নাই আৰু কাইলৈ ইংৰাজ ৰাজত্বৰ অৱসানৰ লগে লগে ইংৰাজী ভাষাৰ আধিপত্য লোপ পালে অসমীয়া ভাষাই সৰ্বোচ্চ শিক্ষাৰ বাহন হ'বলৈ সমৰ্থ হ'বনে নাই, সেইটো সন্দেহৰ কথা হৈ আছে। সেই দেখি স্বাধীন ভাৰতবৰ্ষত স্বতন্ত্ৰ অসমে সম্মানজনক ঠাই ল'বলৈ হ'লে আমাৰ ভাষা আৰু সংস্কৃতি ওখ খাপৰ হ'ব লাগিব। তাৰ কাৰণে আমাক নিজা বিশ্ববিদ্যালয় লাগে আৰু এতিয়াই লাগে।" আজিৰ পৰিপ্ৰেক্ষিতত বিশ্ববিদ্যালয়ত ভাষা-সংস্কৃতিৰ ভূমিকা আৰু ভাষা-সংস্কৃতিত বিশ্ববিদ্যালয়ৰ ভূমিকা সম্পৰ্কে ইয়াতকৈ পানীকৈ আৰু লেখিব নালাগে। চাৰ মিনাৰেই হওক বা টোকোবা-বাহেই হওক, এই বিশ্ববিদ্যালয়েই আমাৰ সংস্কৃতিৰ মূৰটো গুজিবৰ ঠাই। সিয়ে আমাৰ জাতীয় ঘৰ।

অসমৰ উচ্চশিক্ষাৰ মাধ্যম অসমীয়া ঃ
ই সৰ্বভাৰতীয় নীতিৰ অন্তৰঙ্গ নীতি

১

অসমত আজি সমগ্ৰ ছাত্ৰশক্তি জাগ্ৰত হৈ উঠিছে, দৃঢ় গণতান্ত্ৰিক আৰু শান্তিপূৰ্ণ পথেদি তেওঁলোকৰ আন্দোলন তেওঁলোকে চলাই লৈ গৈছে। ই এক অভূতপূৰ্ব কথা। তেওঁলোকৰ শৃঙ্খলা, ঐক্য আৰু দেশপ্ৰাণতা দেখি দেশবাসীয়ে মূৰ দোঁৱাইছে।

গোলাপ ফুলৰ কলিটিৰ দৰে মুজাম্মিল আৰু পলাশৰ পাহিৰ দৰে অনিল ভাষা জননীৰ বেদীত বলি গ'ল শান্তিপূৰ্ণ এটা আন্দোলনত সমুখত বাধাৰ প্ৰাচীৰ তুলিবলৈ যোৱা দুৰ্বৃত্তই বলিৰ দা তুলি লোৱাত। দেশবাসীয়ে চকুলো টুকিলে।

কিন্তু কিয় এই আন্দোলন? কিয় এই আত্মদান?

আমি পাৰ নোহোৱা, পাৰ নলগা কিবা এটা বিচাৰিছোনেকি? গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয় অসমীয়া ভাষাক শিক্ষাৰ মাধ্যম ঘোষণা কৰি কোনে কোনখন মহাভাৰত অশুদ্ধ কৰিলে? বা কোনটি দেশদ্ৰোহী পাপ আচৰণ কৰিলে? কিছু দিনলৈ অসমীয়াৰ লগতে ইংৰাজীকো ৰখাৰ ব্যৱস্থা কৰিলতো সংখ্যালঘুসকলক ভাৰতীয় সংবিধানে যি ৰক্ষণাবেক্ষণ দিছে, তাক ব্যাহত কৰা বুলি কিয় গোচৰ তৰা-তৰি হ'ব লাগে?

সমস্ত অসম জুৰি দুৰ্বৃত্তসকলৰ কল্যাণত যি অশান্তিৰ সৃষ্টি হৈছিল, সি শাম কাটিছে। এটা আন্দোলনে যি আবেগ আৰু উদ্বেগৰ উথলনি তোলে, তাক কন্তেকৰ বাবে জঁতুৱাই থৈ

আমি নৈর্ব্যক্তিকভাৱে, নিৰপেক্ষভাৱে এবাৰ সমস্ত প্রশ্নটো এতিয়া চাব নোৱাৰোঁনে? আমাৰ বিশ্ববিদ্যালয়ৰ নীতি দুটা সর্বভাৰতীয় নীতিৰ ওপৰত প্রতিষ্ঠিত—ভাষাভিত্তিক ৰাজ্যৰ ধাৰণা আৰু শিক্ষাৰ মাধ্যম-ৰূপে আঞ্চলিক ভাষাক স্বীকাৰ কৰা নীতি। এই দুটা অসমৰ চৈচুকনিত গজা ভেঁকুৰিকা নহয়। সিহঁত দুয়োটা সকলোৰে উমৈহতীয়া ভাৰত-আকাশৰ তৰাহে।

ভাষাভিত্তিক ৰাজ্য:

১৯০৫ চনত যেতিয়া বঙ্গদেশৰ বিভাজনৰ পিছত বঙ্গভঙ্গ আন্দোলন হয় তেতিয়া তাৰ প্রতি সমর্থন জনাই ভাৰতীয় জাতীয় কংগ্রেছে পোন প্রথমবাৰৰ কাৰণে ৰাজ্য-গঠন বিষয়ত ভাষা-ভিত্তিক নীতিক পৰোক্ষ সমর্থন জনায়। ১৯২০ চনত নাগপুৰ কংগ্রেছে এই নীতি স্পষ্টভাৱে গ্রহণ কৰে, আৰু তাৰ পিছৰ বছৰৰপৰাই কংগ্রেছৰ সংগঠনত সেই নীতি গ্রহণ কৰা হয়। ১৯২৭ চনত কংগ্রেছে স্পষ্ট ঘোষণা কৰে যে ভাষাৰ ভেটিত প্রদেশবোৰ পুনর্নির্মাণ কৰাৰ সময় আহিল আৰু অন্ধ্র, উৎকল, সিন্ধু আৰু কর্ণাটকক স্বতন্ত্র প্রদেশ কৰি সেই নীতি প্রয়োগ আৰম্ভ কৰি দিব লাগে। ১৯২৮ চনত সর্বদলীয় সন্মিলনৰ নেহৰু সমিতিয়ে ভাষাভিত্তিক প্রদেশৰ নীতিক শক্তিমান সমর্থন দি কয়: Language as a rule corresponds with a special variety of culture of traditions and literature In a linguistic area all these factors will help in the general progress of the province. এই সময়ৰেপৰা স্বাধীনতা-লাভৰ সময়লৈকে কংগ্রেছ মহাসভাই একেটা নীতিকে মাজে মাজে ঘোষণা কৰি থাকে আৰু সেইমতে বিভিন্ন প্রান্তৰ লোকক আশ্বাস দি থাকে যে কংগ্রেছে চৰকাৰ গঠন কৰিলেই প্রদেশবোৰ ভাষাৰ ভেটিত পুনৰ ভগোৱাৰ কাম হাতত লোৱা

হ'ব। স্বাধীনতা-লাভৰ পিছত সংবিধান সভাই ভাষাভিত্তিক প্ৰদেশ আয়োগ (দাৰ আয়োগ) গঠন কৰি দিয়ে আৰু সেই আয়োগে ভৌগোলিক সংলগ্নতা, আৰ্থিক আত্মনিৰ্ভৰ, প্ৰশাসনীয় সুকৰতা, ভৱিষ্যত বিকাশৰ সম্ভাৱনা আৰু অঞ্চলটোৰ লোকৰ সম্মতিৰ বিচাৰৰ লগতে ভাষাৰ ঐক্যক প্ৰদেশ-গঠনৰ সময়ত বিচাৰ কৰাৰ পৰামৰ্শ দিয়ে। ১৯৪৮ চনৰ জয়পুৰ কংগ্ৰেছে পাতি দিয়া জৱাহৰলাল-বল্লভভাই-পট্টভি সমিতিয়ে ভাষা-ভিত্তিক প্ৰদেশ গঠনৰ বিষয়ত কিছু সাৱধান-বাণী শুনায় কিন্তু ১৯৪৭-উত্তৰ কালত অন্ধ্ৰপ্ৰদেশ গঠন কৰাৰ পৰামৰ্শ এই সমিতিয়েই আগ বঢ়ালে। ছোচিয়েলিস্ট পাৰ্টি, হিন্দু মহাসভা আদি দলেও ভাষা-ভিত্তিক প্ৰদেশৰ নীতি কম-বেছি পৰিমাণে সমৰ্থন কৰি আছিল। এনেতে ১৯৫৩ চনত ৰাজ্য পুনৰ্গঠন আয়োগ গঠিত হয়। সেই আয়োগে ভাষাভিত্তিক ৰাজ্যৰ সপক্ষে-বিপক্ষে সকলো বক্তব্য জুখি জুখি চাই ভাষাৰ ঐক্যৰ কথাটো প্ৰশাসনীয় সুবিধা আৰু পাৰ-দৰ্শিতা-বৰ্ধক হ'ব বুলি স্বীকাৰ কৰে। আয়োগে কয়, "যোৱা এশ বছৰ ধৰি ভাৰতৰ ৰাজনৈতিক বিকাশৰ এটা প্ৰধান উপাদান হৈছে আমাৰ আঞ্চলিক ভাষাবোৰৰ উন্নতি। সেই ভাষাবিলাক এই সময়ছোৱাৰ ভিতৰত ঐশ্বৰ্যময় আৰু শক্তিশালী প্ৰকাশৰ বাহন হৈ উঠিছে আৰু সেই ভাষা-ভাষী লোকৰ মাজত এটি ঐক্যৰ সুৰ জগাই তুলিছে। অনেক সময়ত এক ঐতিহাসিক পটভূমিৰে নিৰ্দিষ্ট কিছুমান অঞ্চলত এই ভাষাবোৰ প্ৰচলিত হোৱা কাৰণে তেনে অঞ্চলবোৰক স্বতন্ত্ৰ ৰাজ্য-ৰূপে গঢ়ি তুলি ঐক্যসাধন কৰাৰ দাবী প্ৰবল হৈ উঠিছে, কেতিয়াবা কেতিয়াবা তেনে দাবীয়ে জৰুৰী ৰাজনৈতিক কাৰ্যপন্থাৰ ৰূপ পৰিগ্ৰহ কৰিছে।" পশ্চিম বঙ্গ, উৰিষ্যা, বিহাৰ, যুক্তপ্ৰদেশ, ৰাজস্থান, মধ্যভাৰত, সৌৰাষ্ট্ৰ, মহীশূৰ আৰু ত্ৰিবাঙ্কুৰ-কোচিন তেতিয়াই একোখনকৈ কম-বেছি একভাষী ৰাজ্য। পোট্টি শ্ৰীৰামুলুৰ মৃত্যুৰ একপ্ৰকাৰ কলযৰূপে অন্ধ্ৰ-

প্ৰদেশ সৃষ্টি হৈ যোৱাত মাদ্ৰাজ প্ৰদেশৰ বাকী অংশ এখন তামিল ৰাজ্য হৈ বৈ যায় আৰু পিছৰ সময়ত সিয়ে তামিলনাড়ু ৰূপ লয়। ভাৰতৰ স্বাধীনতা-আন্দোলনৰ এটি অঙ্গহিচাপে ভাষা-ভিত্তিক ৰাজ্যৰ নীতি, এই কথা আয়োগক সকীয়াই দিয়া হৈছিল। ছোভিয়েট ৰুছিয়া আৰু যুগোস্লাভিয়াৰ অন্তৰ্গত গোটবোৰ ভাষাৰ ভেটিত গঢ়া হৈছিল, সেই কথা আয়োগেই আঙুলিয়াই দিছিল। শেহান্তৰত আয়োগে যদিও এক মাত্ৰ ভাষাৰ ভেটিতে ৰাজ্য গঢ়া কথাটো সমৰ্থন কৰা নাই, ৰাষ্ট্ৰৰ নিৰাপত্তা, ৰাষ্ট্ৰীয় ঐক্য আদিৰ বিচাৰৰ লগতে ভাষাৰ বিচাৰো নীতিৰূপে লৈ ভাৰতৰ ৰাজ্য পুনৰ্গঠনৰ পৰামৰ্শবোৰ দিয়ে। কেৱল আদি নাম-ৰূপ ভেটিয়াই স্থিৰ হয়। অসমৰ ক্ষেত্ৰত আয়োগে বৰ সদয় দৃষ্টি লৈছিল বুলি ক'ব নোৱাৰি, কাৰণ, সংবিধানৰ মূল বিধান অনুসৰি উত্তৰ-পূব সীমান্ত অঞ্চলক ক্ৰমাগতভাৱে অসমৰ ভিতৰুৱা কৰি তোলাৰ কালে বৰ একো কোৱা নহ'ল, ইফালে ত্ৰিপুৰাকো অসমৰ ভিতৰত ধৰিবলৈ কোৱা হ'ল আৰু অসমতে বহুভাষী, তাকে বাৰে বাৰে দোহৰা হ'ল। ভাৰত চৰকাৰে ত্ৰিপুৰাক অসমৰ লগ নকৰিলে আৰু এখোজ দুখোজকৈ নগাভূমি, মেঘালয়, অৰুণাচল আদি সৃষ্টি কৰি অসমক খণ্ড-বিখণ্ড কৰি পেলোৱা হ'ল। আগৰ অসমৰ চিলট জিলাৰ প্ৰায় সকলোখিনিয়েই পূব পাকিস্থানলৈ গুচি যোৱাত অসমত থকা কিন্তু মনে-প্ৰাণে বঙ্গকহে নিজ ঠাই বুলি ভবা বঙালীসকলে নিৰাশ্ৰয় অনুভৱ কৰি কাছাৰ, ত্ৰিপুৰা, মিজোৰাম, নগাপৰ্বত, মণিপুৰ আৰু উত্তৰ-পূব সীমান্ত অঞ্চলক চপাই-কোঁচাই এখন পূৰ্বাচল ৰাজ্যৰ দাবী ৰাজ্য-পুনৰ্গঠন আয়োগৰ সমুখত পেছ কৰিছিল। সেই দাবী নামঞ্জুৰ হ'ল, সেই সপোন থান-বান হ'ল। কিন্তু মন কৰিব লগীয়া কথা এটা থাকি গ'ল যে পূৰ্বাচলৰ আঁচনিতো উত্তৰ কাছাৰ বা অসম উপত্যকাৰ কোনো অংশ নাছিল। ৰাজ্য-পুনৰ্গঠন আয়োগৰ প্ৰতিবেদনৰ পিছতো

ভাষা-ভিত্তিক ৰাজ্যৰ ধাৰণা জাগ্ৰত হৈ আছে। বোম্বাইক কাটি গুজৰাট আৰু মহাৰাষ্ট্ৰ হ'ল, হিন্দী-ভাষী হাৰিয়ানা হ'ল পঞ্জাবী-ভাষী পঞ্জাবৰপৰা ফাট খাই। অসমৰপৰা নগাভূমি, মেঘালয়, মিজোৰাম আঁতৰি যোৱাত আৰু আনফালে অৰুণাচল আৰু ৰাজ্য পুনৰ্গঠন আয়োগৰ পৰামৰ্শমতে মণিপুৰো অসমত চামিল নোহোৱাত বাদ-বাকী থকা অসমখন অসমীয়া-ভাষী বুলি স্বীকাৰ কৰিবলৈ কাৰো কুণ্ঠা নাথাকিব, যদিও অন্য ভাষাৰ লোকো ইয়াত আছে। পূৰ্বাচলৰ সপোন দেখা কাছাৰ বঙ্গ-ভাষীসকলৰ এটা 'পকেট' বা ঘাটি। তাৰপৰাই ১৯৬০ আৰু ১৯৬১-ৰ আৰু বৰ্তমানৰো ভাষা-সংঘাত আহিছে। ১৯৬১ চনৰ পিয়ল অনুসৰি অসমৰ মুঠ বঙলা-ভাষী ২০,৮৯,২৪৮-ৰ ভিতৰৰ ১০,৮৫,৮৫৭ জনেই (অৰ্থাৎ আধাৰো অধিক) এই জিলাতে আছে। জিলাখনত সেই পিয়লতে হিন্দী-ভাষীৰ সংখ্যা হ'ল ১,৪২,৮৫৭। আনফালে জিলাখনত অসমীয়া-ভাষীৰ সংখ্যা দেখুওৱা হৈছে মাথোন ৪,৫৪২। সি ওড়িয়া (১১,১৭১) আৰু মণিপুৰী-বিষ্ণুপ্ৰিয়াতকৈও (?) কম। অসমৰ এই বঙালী 'পকেট'টোৱে (য'ত কাছাৰৰ থলুৱাসকলৰ ওপৰত চিলট আৰু পিছৰ পূৱ পাকিস্থানৰপৰা অহা লোক চামনি বান্ধি আছে) উদাৰভাৱে অসমৰ ৰাজ্যিক প্ৰশাসনীয় ভাষা আৰু উচ্চশিক্ষাৰ ভাষা অসমীয়া গ্ৰহণ কৰিব লাগিব, নহ'লে অসমত ১৯৬০, ১৯৬১, ১৯৭২-ৰ পুনৰাবৃত্তি হৈ থাকিব, কাৰণ তাত বঙলা ভাষাৰ হৈ ধ্বনি উঠিলেই (১৯৬১-ৰ হিচাপৰ) অসমৰ ২০,৮৯,২৪৮ আৰু সমস্ত ভাৰতৰ ৩,৩৮,৮৮,৯৩৯-জন বঙালীৰ বুকত সহজতে তাৰ প্ৰতিধ্বনি বাজি থাকিব। আমি এইটো ক'বলৈ যোৱা নাই যে আমাৰ কলেজ আৰু বিশ্ববিদ্যালয়ত বঙলা ভাষা-সাহিত্যৰ পঠন-পাঠন আজি বা কাইলৈকে বন্ধ হৈ যাব লাগে। কিন্তু অসমীয়া অসম ৰাজ্য এখন পৰিষ্কাৰভাৱে হোৱাত পৃথিৱীৰ কোনো যেন আমাৰ অভ্যাস নহয়। আজিৰ দুখ

লগাভাৱে সঙ্কুচিত হৈ পৰা অসমৰ কাৰণে ১৯৬০ চনৰ অসম শাসকীয় ভাষা অধিনিয়ম উপযোগী নহয়, সকলো পৰ্য্যায়তে অসমীয়া ভাষা কৰি এই আইনখন (১৯৬১ আৰু ১৯৬৪ চনৰ সংশোধন ধৰি) অতি সোনকালে দৃঢ়ভাৱে সংশোধিত হ'ব লাগে।

বিশ্ববিদ্যালয়ৰ মাধ্যম আঞ্চলিক ভাষা :

১৯৪৮ চনত ডক্টৰ সৰ্বপল্লী ৰাধাকৃষ্ণনক সভাপতি কৰি বিশ্ব-বিদ্যালয় শিক্ষা আয়োগ গঠিত হয়। এই আয়োগে ভাৰতৰ বিশ্ববিদ্যালয়ৰ শিক্ষাৰ প্ৰণালী সম্পৰ্কে স্পষ্ট আৰু উদাৰ নীতি কিছু ৰচনা কৰে। আয়োগে ভাষাৰ মাধ্যম বিষয়টো বিশেষভাৱে খৰচি মাৰি আলোচনা কৰি সুন্দৰ অভিমত প্ৰকাশ কৰে। বিশ্ববিদ্যালয় পৰ্য্যায়ৰপৰাওঁৰে ইংৰাজী মাধ্যম (ইংৰাজী ভাষা বা বিষয়টো নহয়) ক্ৰমে আঁতৰি যাব লাগে, এই কথা প্ৰতিবেদনত স্পষ্টকৈ ব্যক্ত কৰা হয়। কিন্তু নতুনকৈ কি মাধ্যম হ'ব ? প্ৰশ্নটো বিবেচনা কৰি আয়োগে কৈছে, ৰাষ্ট্ৰভাষাই (federal language) সেই ঠাই ল'ব নোৱাৰে। আনফালে মাতৃভাষাবোৰো বিশ্ববিদ্যালয়-শিক্ষাৰ মাধ্যম হোৱাটো সম্ভৱ নহয়। সেই ঠাই ল'ব পাৰে আঞ্চলিক ভাষাইহে। আয়োগে সিদ্ধান্ত কৰিছে, প্ৰতিজন ল'ৰা-ছোৱালীয়ে আঞ্চলিক ভাষা নিশ্চয় জানিব লাগিব, লগে লগে তেওঁ ৰাষ্ট্ৰীয় ভাষাৰ লগতো পৰিচিত হ'ব লাগিব আৰু ইংৰাজীত কিতাপ পঢ়াৰ শক্তিও আয়ত্ত কৰিব লাগিব। এনেকৈ বহুত ভাষা শিকাটো যে শক্তিৰ অপচয় নহয় তাক বুজাবলৈ পৈ সিসকলে কৈছে, হলেণ্ডৰ স্কুলবোৰত ল'ৰাই চাৰিটা ভাষা শিকে—ওলন্দাজ, জাৰ্মান, ফৰাচী আৰু ইংৰাজী, ছুইজাৰলেণ্ডৰ ল'ৰাই শিকে তিনিটা ভাষা। আয়োগৰ স্পষ্ট মত : Education in the regional language will not only be necessary for their (মুদ্ৰ-

যুৱতীৰ) literature and to develop culture Educated *naturally in the regional language, they ought to achieve higher standards of learning and of thought,* and should be able to give a powerful stimulus to research and extension of boundaries of knowledge

এইদৰে আঞ্চলিক ভাষা বিশ্ববিদ্যালয়ৰ মাধ্যম কৰাতযে কিছু আহুকাল আছে, সেইটো জানিহে ৰাধাকৃষ্ণন আয়োগে এই ব্যৱস্থা দিছে। আজি কাছাৰক লৈ আমি যিটো বিপদৰ সম্মুখীন হৈছো, তেনে বিপদ সেই জ্ঞানী শিক্ষাবিদসকলে তেতিয়াই দেখা পাইছিল। ভাৰতৰ সকলো ৰাজ্যতে তেনেকুৱা ভাষাৰ 'পকেট' আছে, য'ত আঞ্চলিক ভাষাৰ বাহিৰে আন এটা ভাষা বুজন সংখ্যাৰ লোকে সচৰাচৰ ব্যৱহাৰ কৰে। এনে ক্ষেত্ৰত আয়োগে এটি স্পষ্ট আৰু অতি উত্তম পন্থা দেখুৱাই দিছিল। ক্ষমা কৰিব, মূল উক্তিৰ শক্তি হ্ৰাস নকৰিবৰ বাবে মই পুনৰ ইংৰাজীতে কথাটোৰ উদ্ধৃতি দিছো: In such cases the right policy is to allow unreservedly the use of the mother tongue for basic education and if the numbers are adequate, for secondary education also, introducing the regional language gradually in the upper grades at the school as the child grows older, and making it the medium of education at the university stage দেশত ভাষাৰ কেৰিমেৰি ভাঙিবলৈ ইয়াতকৈ আৰু কিবা সুন্দৰ কাৰ্যকৰী পলিচি বা নীতি হ'ব পাৰে বুলি নাভাবোঁ। কিন্তু পণ্ডিতৰ কথা ৰাজনৈতিক আৰু শাসকসকলে পানীয়ে মৰা বাও যেনেই দেখে। আয়োগৰ প্ৰতিবেদন ওলোৱাৰ পিছত লুইত-গঙ্গা-কাবেৰীৰ বুকেদি কিমান পানী বৈ গ'ল। তাৰ লগে লগে প্ৰতিবেদনৰ ওপৰত প্ৰতিবেদন পৰিল, ৰাধাকৃষ্ণনৰ কাগজৰ ওপৰত অযুত ফাইল স্তূপাকাৰ হৈ থিয় দিলে। এই নীতিমতে কাম হোৱা হ'লে গুৱাহাটী, পঞ্জাব, গুজৰাট বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়াই ভুগিব

কোৰ্টত আচামী কৰি তুলিবলৈ নাপালেইহেঁতেন। ‘তাঁতীৰ জগত-জোৰা ৰবকাপোৰখন’ ফাটিলে তেতিয়া এঠাইতহে ফাটিলহেঁতেন, এতিয়া কিন্তু সি ন ঠাইত কাহি-ফিচিকি গৈছে। এতিয়া কিমান টাপলি মাৰিব?

অধ্যাপক ডি এছ কোঠাৰীৰ নেতৃত্বত ১৯৬৪-৬৬ চনৰ শিক্ষা আয়োগ আহিল। ইতিমধ্যেই ইমোচনেল ইন্টিগ্রেচন কমিটিয়ে শিক্ষাৰ নিম্নতম পৰ্যায়ৰেপৰা উচ্চতমলৈকে আঞ্চলিক ভাষাক মাধ্যম কৰাটো যে ৰাষ্ট্ৰীয় সংহতি-সাধনৰ বাবে চৰম গুৰুত্বপূৰ্ণ কথা (a matter of ‘profound importance for national integration’) অতি স্পষ্ট ভাষাত ব্যক্ত কৰিছিল। সেই কথা সুঁৱৰি কোঠাৰী আয়োগে দৃঢ় মত প্ৰকাশ কৰিলে, “আঞ্চলিক ভাষাৰ যোগেদি শিক্ষা-প্ৰদানৰ উপযোগিতাত আমি নিঃসন্দেহ। আঞ্চলিক ভাষাৰ বিকাশক দেশখনৰ সৰ্বাঙ্গীন উন্নতিৰ বাবে অপৰিহাৰ্য বুলি আৰু শিক্ষাৰ গুণ-বৃদ্ধিৰ উপায়-স্বৰূপ বুলি আমি জ্ঞান কৰোঁ।” আয়োগে বিশ্ববিদ্যালয়বোৰক আঞ্চলিক ভাষা মাধ্যম-ৰূপে গ্ৰহণ কৰিবৰ পৰামৰ্শ দিয়ে আৰু পৰিভাষা-প্ৰণয়ন, পাঠ্য-পুথি-প্ৰণয়নত দৃঢ়সংকল্প হৈ লাগিবলৈ চৰকাৰ আৰু বিশ্ববিদ্যালয়ক সঁকীয়াই দিয়ে। বিশ্ববিদ্যালয়ৰ শিক্ষাৰ ক্ষেত্ৰত আয়োগৰ নিজৰ ভাষাত We have to move energetically in the direction of adopting the regional languages as media of education at the university stage, that careful preparation should be made for the purpose, that both the manner and the time of transition would have to be left for decision to the university system.

বৰ্তমানে চলিত আন্দোলনৰ প্ৰসঙ্গত এই কথাকেইটা অতি প্ৰণিধানযোগ্য। বিশ্ববিদ্যালয়ত আঞ্চলিক ভাষাক শিক্ষাৰ মাধ্যম কৰাৰ সম্পৰ্কে আমি দৃঢ় পদক্ষেপে আগ বাঢ়িব লাগে। তাৰ বাবে পৰিভাষা, পাঠ্যপুথি-প্ৰণয়ন আদি কাম অতি সাৱধানে কৰিব

লাগে। আৰু কেনেকৈ ইংৰাজীৰপৰা আঞ্চলিক ভাষালৈ প্ৰব্ৰজন কৰা হ'ব আৰু কোন সময়ত সেইটি কৰা হ'ব, সেই কথা বিশ্ববিদ্যালয়ে নিজে থিৰাং কৰি ল'ব।

যদিও আঞ্চলিক ভাষাকে বিশ্ববিদ্যালয়ী শিক্ষাৰ মাধ্যম কৰাই আমাৰ লক্ষ্য, আয়োগে কিন্তু দঢ়াই দঢ়াই কৈছে, সেই প্ৰক্ৰিয়াৰপৰা ইংৰাজী ভাষা নিৰ্মূল কৰাটো তাৰ অন্তৰঙ্গ নহয়। এক গুৰুত্বপূৰ্ণ 'গ্ৰন্থাগাৰ ভাষা' (library language) হিচাপে আমাৰ উচ্চশিক্ষাত ইংৰাজীৰ (বা কছু বা তেনে এটা বিদেশী ভাষা) ভূমিকা আয়োগে স্বীকাৰ কৰি লৈছে আৰু বৰ বৰ বিশ্ববিদ্যালয়বোৰত (major universities) ইংৰাজী মাধ্যমৰ আৱশ্যকতা অনুভৱ কৰিছে। কিন্তু আমাৰ জাতীয় বিকাশৰ মূল উপায়ৰূপে বিশ্ববিদ্যালয়ত আঞ্চলিক ভাষাৰ মাধ্যমৰ প্ৰচলনত এই আয়োগে যাৰ-পৰ-নাই গুৰুত্ব আৰোপ কৰিছে আৰু অতি সোনকালে সেই পৰিবৰ্তন হ'ব লাগে, সেই কথাও কৈছে।

২

আঞ্চলিক ভাষাক মাধ্যম কৰাৰ নীতি ৰাষ্ট্ৰীয় নীতি হ'ল :

১৯৬৬ চনৰ ২৯ জুন তাৰিখে ডক্টৰ কোঠাৰীয়ে শিক্ষা-আয়োগৰ ৬৯২-পিঠীয়া প্ৰতিবেদনখন ভাৰতৰ শিক্ষামন্ত্ৰী শ্ৰীচাগলাৰ ওচৰত দাখিল কৰে। প্ৰতিবেদনখন প্ৰকাশ কৰাৰ লগে লগে আঞ্চলিক ভাষাক মাধ্যম কৰা নীতিৰ প্ৰতি চৰকাৰ তথা শিক্ষাক্ষেত্ৰৰ বিশেষ দৃষ্টি আৰোপিত হয় আৰু মুঠতাৰে তাৰ প্ৰতি সমৰ্থন আগ বাঢ়ি আহে। তাৰপৰাই ভাৰত চৰকাৰৰ ভাষা-নীতিও নিৰ্দিষ্ট ৰূপত গঢ় লৈ উঠে। কিন্তু ইতিমধ্যেই শিক্ষা-জগতে সেই নীতিৰ কালে গতি কৰিছিল। যাদৱপুৰ বিশ্ববিদ্যালয়ৰ কুলপতি-ৰূপে শিক্ষা-আয়োগৰ সদস্য থকা ডক্টৰ ত্ৰিগুণা সেন ইতিমধ্যে ভাৰতৰ শিক্ষামন্ত্ৰী হ'ল।

১৯৬৭ চনৰ বিশ্ববিদ্যালয়ৰ কুলপতিসকলৰ সন্মিলন উদ্বোধন কৰোঁতে ডক্টৰ সেনে কৈছিল, "যোন ধৰণে এই বিষয়টো লৈ আলোচনা চলোৱা হৈছে, কোনোৱে হয়তো প্ৰায় এনে ধাৰণা এটা কৰিব পাৰে যে সকলো বিশ্ববিদ্যালয়েই ইংৰাজীত শিক্ষা দি আছে আৰু শিক্ষা মন্ত্ৰণালয়েহে আঞ্চলিক ভাষাৰ মাধ্যমলৈ উখা-মুখাকৈ বিশ্ব-বিদ্যালয়বোৰক বগৰাই পেলাব খুজিছে। সি সত্য নহয়। মই ক'ব খোজোঁ, সেই পৰিবৰ্তনৰ প্ৰক্ৰিয়া ইতিমধ্যে আৰম্ভ হৈ গৈছে। আজিৰ এই দিনটোতে দেশৰ ৩৫খন বিশ্ববিদ্যালয়ে একোটা আঞ্চলিক ভাষাক শিক্ষাৰ মাধ্যম কৰিবলৈ অনুমতি দিছে।·· মোৰ দৃঢ় বিশ্বাস, উচিত দিশতে এই পৰিৱৰ্তন হৈছে আৰু তাক আমি আদৰি লোৱা উচিত। আঞ্চলিক ভাষাক শিক্ষাৰ মাধ্যম কৰাৰ সপক্ষে সৰ্বজ্ঞাত আৰু শৈক্ষিক দিশৰপৰা অকাট্য যুক্তি আছে। এই সংস্কাৰ-সাধনে উচ্চশিক্ষাৰ মান উন্নীত কৰিব, জাতিটোৰ সৃজনী শক্তি মুক্ত কৰি তুলিব, আধুনিকীকৰণৰ প্ৰক্ৰিয়াক ক্ষিপ্ৰ কৰিব, সৰ্বসাধাৰণৰ মাজত জ্ঞান বিস্তাৰ কৰিব আৰু বুদ্ধিজীৱী আৰু সৰ্বসাধাৰণৰ মাজৰ প্ৰভেদ কমাই পেলাব। ৰবীন্দ্ৰনাথ, গান্ধীজী, ৰাজাজীৰ দৰে আমাৰ জাতীয় নেতা আৰু ৰাধাকৃষ্ণন আয়োগ, ইমোচনেল ইন্টিগ্ৰেচন কমিটি, ১৯৬২ চনৰ কুলপতি সন্মিলন আৰু শেষ-স্বৰূপে শিক্ষা-আয়োগে এই নীতিক সমৰ্থন কৰিছে। চৰকাৰৰ নীতি-ৰূপে তাকৈ পাৰ্লিয়ামেণ্টত ডক্টৰ কে এল্. শ্ৰীমালীয়ে ঘোষণা কৰিছিল।"

ডক্টৰ সেনে আৰু কয়, আঞ্চলিক ভাষালৈ শিক্ষাৰ মাধ্যম পৰিৱৰ্তন কৰাৰ কাৰ্যক্ৰম বিশ্ববিদ্যালয়ে বিশ্ববিদ্যালয়ে সুকীয়া হ'ব। প্ৰত্যেক ক্ষেত্ৰতে বিচাৰৰ মানদণ্ড এয়ে হ'ব যে প্ৰতি স্তৰতে পৰিৱৰ্তনে শিক্ষাৰ মান বঢ়াব। কুলপতিসকলৰ সন্মিলনে আলোচনাৰ শেষত এটা বিবৃতি গ্ৰহণ কৰে। তাত কোৱা হয় যে উচ্চশিক্ষাৰ আৰু ৰাষ্ট্ৰীয় সংস্কৃতিৰ উন্নয়নৰ অৰ্থে উচ্চশিক্ষাত আঞ্চলিক ভাষাৰ বিকাশ

অত্যন্ত আৱশ্যকীয়। *দেশৰ সৰ্বপ্ৰকাৰ বিকাশৰ কথা দৃষ্টিত ৰাখি দেশৰ সৰ্বাত্মক এক নীতিৰ অংগ-স্বৰূপেহে* উচ্চশিক্ষাত আঞ্চলিক ভাষাৰ মাধ্যমৰ প্ৰয়োগৰ কথা বিবেচনা কৰিব লগীয়া। এই পৰিবৰ্তন সম্পৰ্কে শিক্ষা-আয়োগৰ পৰামৰ্শ সম্মিলনে থূলমূলভাৱে গ্ৰহণ কৰি লয়। কিন্তু উচ্চশিক্ষা বহুত বিভাগ থকা এটা ডাঙৰ বস্তু, গতিকে মাধ্যমৰ পৰিবৰ্তনে সেই গোটেই বস্তুটোকে স্পৰ্শ কৰিব। আনকালে মাধ্যম পৰিবৰ্তন ঠিকমতে কৰিব পাৰিলে উচ্চশিক্ষাৰ উন্নয়নৰ অৰ্থে আৰু তাক দেশৰ মাটিত শকত শিপা মেলিবলৈ দিয়াৰ কালে এক শক্তিশালী পদক্ষেপ হ'ব। বাহু লগাই কিছু দিন ধৰি কাম কৰি সেই পৰিবৰ্তন আনিব লাগিব। সম্মিলনে শিক্ষা-মন্ত্ৰীৰ বিশ্ববিদ্যালয়ে বিশ্ববিদ্যালয়ে পৰিবৰ্তনৰ কাৰ্যপন্থা সুকীয়া হ'ব লাগে বোলা উক্তি সমৰ্থন কৰে।

সম্মিলনে বিবৃতিত কয়, আণ্ডাৰগ্ৰেজুৱেট পৰ্যায়ত ইতিমধ্যে কি প্ৰস্তুতি হৈছে-নহৈছে, সেই অনুসৰি প্ৰায় পাঁচ-দহ বছৰৰ ভিতৰত সেই পৰিবৰ্তন আনিব লাগিব—শিক্ষাক্ৰমত ইংৰাজীৰ আৱশ্যকতা স্বীকাৰ কৰি লৈ।

স্নাতকোত্তৰ পৰ্যায়ত শিক্ষাৰ মাধ্যমৰ প্ৰশ্নটোৱেই অৰ্থ নাই, কাৰণ বিজ্ঞান, কাৰিকৰি-বিদ্যা আদিত ছাত্ৰসকলে ইংৰাজী আৰু আন আন্তৰ্জাতিক ভাষাৰ পুথিৰ ওপৰত নিৰ্ভৰ কৰিব লাগিব। সৰ্ব-ভাৰতীয় শিক্ষানুষ্ঠানৰ ক্ষেত্ৰত মাধ্যম বিষয়ত বৰ্তমান ব্যৱস্থা চলি থাকিব শিক্ষা আয়োগৰ পৰামৰ্শ-ক্ৰমে। তদুপৰি, বহুভাষী বৃহৎ মহানগৰবোৰত আঞ্চলিক ভাষাৰ লগতে ইংৰাজীও থাকিব।

কুলপতিসকলে এনে বিবৃতি দিয়াৰ পিছত একে ১৯৬৮ বছৰটোতে ৰাষ্ট্ৰীয় শিক্ষানীতি ঘোষণা কৰা হ'ল যে বিশ্ববিদ্যালয় পৰ্যায়ত আঞ্চলিক ভাষাক শিক্ষাৰ মাধ্যম কৰিবলৈ জৰুৰীভাৱে ব্যৱস্থা কৰিব লাগে (Urgent steps should now be taken to adopt them as media of education at the university stage.)।

ত্ৰিভাষা-সূত্ৰ অনুসৰি ৰাজ্যবোৰক কোৱা হ'ল যে মাধ্যমিক শিক্ষা পৰ্যায়তো আঞ্চলিক ভাষা শিকাব লাগে। কিন্তু আমাৰ ৰাজ্যত এই পৰ্যায়ত কোনোবাই কিবা ফুকং-ফাবাং কৰাৰ কথা আমি নাজানো।

শিক্ষা আৰু ভাষাৰ ক্ষেত্ৰত ১৯৬৮ এটা গুৰুত্বপূৰ্ণ বছৰ হ'ল। সেই বছৰতে ২৮ জানুৱাৰীত ভাৰতীয় পাৰ্লিয়ামেণ্টে (লোকসভা, ৰাজ্যসভা) ভাষা-নীতি লৈ এটা সুসিদ্ধান্ত গ্ৰহণ কৰিলে। সেই সিদ্ধান্তৰ দ্বিতীয় ছেদত কোৱা হ'ল "যেহেতু সংবিধানৰ আইন অনুসূচীয়ে হিন্দীৰ বাহিৰেও চৈধ্যটা প্ৰধান ভাৰতীয় ভাষা নিৰ্দেশ কৰিছে, আৰু এই ভাষাবোৰৰ পূৰ্ণাংগ বিকাশ সাধন কৰাৰ উদ্দেশ্যে সুশৃংখল ব্যৱস্থা হাতত লোৱাটো দেশৰ শৈক্ষিক আৰু সাংস্কৃতিক অগ্ৰগতিৰ হকে আৱশ্যকীয় হৈ পৰিছে,

> "এই মহাসভাই সিদ্ধান্ত কৰে যে এই সকলোবোৰ ভাষা হিন্দীৰ লগতে সুব্যৱস্থিতভাৱে উন্নত কৰিবৰ বাবে ৰাজ্য চৰকাৰবোৰৰ সহযোগত ভাৰত চৰকাৰে এক কাৰ্যসূচী ৰচনা কৰক যাতে সিহঁতৰ ঐশ্বৰ্য উত্তৰোত্তৰভাৱে বৃদ্ধি পায় আৰু সিহঁত আধুনিক জ্ঞান-প্ৰকাশৰ শক্তিশালী উপায়-স্বৰূপ হৈ উঠে।"

সিদ্ধান্তটোৰ চতুৰ্থ ছেদত সৰ্বভাৰতীয় সেৱা-সমূহৰ কামৰ মকৰলিৰ ক্ষেত্ৰতো বাছনি-পৰীক্ষাত অষ্টম অনুসূচীৰ ভাষাবোৰ মাধ্যম হ'ব বুলি কোৱা হৈছে।

মাতৃভাষা নহৈ আঞ্চলিক ভাষাহে কিয়?

যোৱা জুন মাহৰপৰা আজিলৈকে বহুতজন দেশ-নেতা আৰু ৰাজনৈতিক দলৰ নেতা লগ পাইছো যিসকল বিৰোধত পৰি আছে, ল'ৰা-ছোৱালীয়ে নিজৰ মাতৃভাষা পৰিহাৰ কৰি আঞ্চলিক ভাষাক উচ্চশিক্ষাৰ মাধ্যম লোৱাৰ অৰ্থ কি? বঙলা, হিন্দী আদি

অসমীয়াতকৈও শক্তিশালী ভাষা থাকোঁতে আৰু অসমৰ ভিতৰতে সৰু সৰু গোষ্ঠীৰ ভাষা থাকোঁতে সেই ভাষা-ভাষীসকলে কিয় অসমীয়া মাধ্যম গ্ৰহণ কৰিব লাগে, এনেবোৰ এইসকলৰ প্ৰশ্ন আৰু প্ৰশ্ন। দুটা শিক্ষা-আয়োগ, কুলপতি সন্মিলন, ৰাষ্ট্ৰীয় শিক্ষা-নীতি, পাৰ্লিয়ামেণ্ট মহাসভাৰ ঘোষণা আৰু তাৰ অৰ্থ সিসকলে জানিবলৈ নিবিচাৰে। এক যেন কিবা জাতীয় বিদ্বেষৰপৰা পেটত কাবাবাৰ প্ৰতি গৰল লৈ সংকীৰ্ণ অসমীয়া জাতীয়তাৰ দ্বাৰা প্ৰণোদিত হৈ অসমীয়া ভাষাৰ হকে স্লোগান দিয়া হৈছে—এয়ে অসমৰ ভিতৰৰ বহুতৰ ভাব। সেই ভাবৰ ভগা ঢোলৰ কোৰ বাহিৰৰ এটা অঞ্চলৰ লোকৰ খবৰ কাগজৰ ঢুলীয়াসকলে ধুনি ধুনি মাৰিব লাগিছে। সেই সকলোবে দুৰ্ভোগ ভুগিব লগীয়া হৈছে অসমবাসীয়ে। এইটো এটা নিৰ্লজ্জ পৰিস্থিতি। যিমান সোন-কালে ইয়াৰ উপশম হয়, সি সিমানে সমগ্ৰ ভাৰতৰ কাৰণে কল্যাণকৰ।

যি নীতি সমস্ত ভাৰতৰ বাবে প্ৰযোজ্য, মোৰ অসমৰ ক্ষেত্ৰত সি প্ৰযোজ্য নহ'ব—পৃথিৱীৰ কোন শক্তিয়ে সেই কথা ক'ব পাৰে? এই প্ৰশ্ন আৰু বিশ্বাসৰ দৃঢ় দৃষ্টিৰপৰা চালে গোটেই প্ৰশ্নটো জটিল নহৈ তেনেই সহজ হৈ পৰিব, সি পানী-মিঠৈ নহৈ পানী হৈ পৰিব। কথাটো মোৰ অসমীয়া ফটা মুখেৰে নকৈ ভাৰত চৰকাৰৰ সোণ-ৰূপৰ মুখেদি কি ওলাইছে, তাকে দিকক্তি কৰোঁ। ভাৰত চৰকাৰৰ হৈ শিক্ষাৰ বিষয়টো সঞ্চালন কৰে শিক্ষা আৰু যুৱক-সেৱা মন্ত্ৰালয়ে। সেই মন্ত্ৰালয়ৰপৰা প্ৰকাশিত (১৯৭০) *Language Policy and Programmes* নামৰ পুথিত আছে:

"ভাৰতবৰ্ষ এখন বহুভাষী দেশ। সেই দেশৰ পোন্ধৰটা প্ৰধান ভাষা আছে; সিবোৰৰ প্ৰতিটোৰ অন্ততঃ এহেজাৰ বছৰ জোৰা এক ইতিহাস আৰু সাহিত্য আছে। যদিও একোটা অঞ্চলৰ মুখ্যতম ভাষাৰ ভিত্তিত ৰাজ্যবোৰ গঠন কৰা হৈছে কাৰণে প্ৰতিখন

দেশৰ সীমাৰ ভিতৰত একপ্ৰকাৰ ঐক্য স্থাপিত হৈছে, তথাপি ৰাজ্যবোৰৰ প্ৰত্যেকতে ভাষাগত সংখ্যালঘু গোট একোটাকৈ আছে, এই সংখ্যালঘুৰ মাত্ৰা শতকৰা ২২৭(কেৰল)-ৰপৰা শতকৰা ৬৩৫৩ (বিহাৰ) আৰু ৬৯৪৪ (নগাভূমি) পৰ্যন্ত হ'ব। আনধৰণে কথাটো ক'বলৈ হ'লে, ভাৰতৰ ভূমা-ৰূপত যিটো ঐক্যৰ মাজত বৈচিত্ৰ্য আছে, সি ক্ষুদ্ৰ ৰূপত প্ৰতিখন ৰাজ্যতেই আছে। এই বৈচিত্ৰ্য হ'ল এক বহু-মুখ-বিশিষ্ট বিষয়। ভাৰতবৰ্ষই অংশীদাৰী গণতন্ত্ৰ (participatory democracy) নিজৰ লক্ষ্য-স্বৰূপে গ্ৰহণ কৰিছে। আৰু লক্ষ্য-ৰূপে লৈছে গণতান্ত্ৰিক গঠনৰ ভিতৰত এক সমাজতান্ত্ৰিক অৰ্থব্যৱস্থাৰ নিৰ্মাণক। এই দুইটাৰে সাধন-সিদ্ধি নিৰ্ভৰ কৰিছে দেশ-শাসনত জন-সাধাৰণৰ সক্ৰিয় আৰু সচেতন অংশ-গ্ৰহণৰ ওপৰত। যিমান সম্ভৱপৰ কম সময়ত আৰু জাতীয় শক্তি-সামৰ্থ্যৰ কম খৰচতে এই সিদ্ধিলাভ কৰিবলৈ হ'লে আঞ্চলিক ভাষাবোৰক প্ৰশাসনৰ মাধ্যম-ৰূপে ক্ৰমবৰ্ধমানভাৱে প্ৰয়োগ কৰিব লাগিব। দেশৰ নিৰক্ষৰতাৰ আশু নিৰ্মূলন কৰাবো একমাত্ৰ উপায় হ'ল আঞ্চলিক ভাষাৰ ব্যৱহাৰ। শিক্ষিত আৰু জনসাধাৰণৰ মাজৰ খালৰ ওপৰত সাঁকো এডাল সজাবো সিয়েই একমাত্ৰ উপায়।

শিক্ষাৰ ক্ষেত্ৰতো এটা অঞ্চলৰ সংখ্যাগৰিষ্ঠসকলৰ মাতৃভাষা-স্বৰূপ আঞ্চলিক ভাষাৰ প্ৰয়োগে এতিয়াও কামত নলগা শক্তিৰ এক অভিনৱ উৎসক মুক্ত কৰি দিবই দিব আৰু সেই শক্তিয়েই তেতিয়া সৃষ্টিশীলতা, যোগ্যতা আৰু নৱীকৰণ শক্তিক বৰ্ধিত কৰিব।"

ইয়াৰ পিছত পুথিখন ভাৰত চৰকাৰৰ শিক্ষা-আয়োগৰ কথালৈ আহিছে আৰু চৰকাৰে কেনেকৈ বিশ্ববিদ্যালয়বোৰত আঞ্চলিক ভাষা-মাধ্যম প্ৰয়োগৰ আঁচনি হাতত লৈছে, ভাৰতীয় ভাষাৰ কেন্দ্ৰীয় সংস্থা প্ৰতিষ্ঠা কৰিছে, ইত্যাদি আমাৰ আগত দাঙি ধৰিছে।

এইখিনিতে ক'ব পাৰি যে শাসকীয় ভাষা আৰু শিক্ষাৰ ভাষাৰ সোনপটীয়া সম্বন্ধ নহ'লেও পৰোক্ষে কিন্তু অতি আৱশ্যকীয় সম্পৰ্ক

আছে। এই বিষয়ে কোঠাৰী আয়োগে শৈক্ষিক ভাষাৰ কথা কৈ লেখিছে, Simultaneousy, it is necessary to make the regional languages the official languages of the regions concerned as early as possible so that higher services are not *de facto* barred to those who study in the regional medium The acceptance of the regional languages as media at the university is much more likely when good employment which now depends on a knowledge of English and is more easily open to students who have studied through English, becomes available to those who have studied through the regional medium. এই মূল্যবান মন্তব্য চকুৰ আগত ৰাখি ১৯৬১ আৰু ১৯৬৪ চনত সংশোধিত হোৱা অসম শাসকীয় ভাষা অধিনিয়ম ১৯৬০-খন পুনঃসংশোধন কৰি অসমৰ সৰ্বত্ৰ আৰু সৰ্ব পৰ্যায়ত অসমীয়াক প্ৰশাসনৰ ভাষা কৰিব লগীয়া হৈ আছে।

আঞ্চলিক ভাষা-মাধ্যমৰ ৰাষ্ট্ৰীয় নীতিৰ প্ৰয়োগ :

পাৰ্লিয়ামেণ্টৰ ১৮ জানুৱাৰী ১৯৬৮-ৰ সিদ্ধান্ত আৰু শিক্ষা-আয়োগৰ প্ৰতিবেদনৰ পথেদি গৈ ভাৰত চৰকাৰে ১৯৬৮ চনত ঘোষণা কৰা ৰাষ্ট্ৰীয় শিক্ষা-নীতিক সাৰোগত কৰি চৰকাৰৰ শিক্ষা আৰু যুৱ-সেৱা মন্ত্ৰণালয়ে বিশ্ববিদ্যালয়ত আঞ্চলিক ভাষা-মাধ্যম-প্ৰয়োগক সহায় কৰাৰ উদ্দেশ্যে আঞ্চলিক ভাষাত পাঠ্যপুথি প্ৰণয়ন কৰাৰ এক বহল আঁচনি তৰে। বিশ্ববিদ্যালয় পৰ্যায়ৰ কিতাপ তৈয়াৰ কৰিবৰ কাৰণে নগাভূমি, জম্মু-কাশ্মীৰ আৰু কেন্দ্ৰীয়-শাসিত অঞ্চল এৰি ভাৰতৰ প্ৰতিখন ৰাজ্যকে বছৰে জোখাকৈ এক কোটিকৈ টকা দিবলৈ থিৰাং কৰা হয়। প্ৰথম বছৰ অৰ্থাৎ ১৯৬৮-৬৯ চনত ৩৪·৪৮ লাখ, ১৯৬৯-৭০-ত ৫৯·৮৪ লাখ টকা ক্ৰমে ১১ আৰু ১২ খন ৰাজ্যক দিয়া হৈছিল। পিছত সেই অনুদান আৰু বৰ্দ্ধিত কৰা হৈছে। ৰাজ্যিক পৰ্যায়ত এই পুথি-প্ৰণয়নৰ কামৰ বাবে এখন সমন্বয়

সমিতি কৰা হৈছে কেন্দ্ৰীয় শিক্ষামন্ত্ৰীক সভাপতি, প্লেনিং কমিছনৰ সদস্য (শিক্ষা), বিশ্ববিদ্যালয় অনুদান আয়োগৰ সভাপতি, বিজ্ঞান আৰু কাৰিকৰি পৰিভাষা আয়োগৰ প্ৰধান অধীক্ষকক সদস্য-ৰূপে লৈ। শিক্ষামন্ত্ৰালয়ে ৰাজ্যসমূহ কামত আগ বাঢ়িবৰ কাৰণে কিছুমান নিয়মৰ নিৰ্দেশ দিছে আৰু সেইমতে ৰাজ্যসমূহে আঞ্চলিক ভাষাত মৌলিকভাৱে হওক বা তৰ্জমা কৰি হওক, বিশ্ববিদ্যালয়ৰ উপযোগী গ্ৰন্থ প্ৰস্তুত কৰিছে, আৱশ্যকীয় পৰিভাষা তৈয়াৰ কৰিছে আৰু আঞ্চলিক ভাষাৰ যোগেদি পঢ়ুৱাব লগীয়া হোৱা শিক্ষকৰ প্ৰশিক্ষণ আদিৰ ব্যৱস্থা কৰিছে।

এইদৰে দেখা যাব, সমস্ত ভাৰত ৰাষ্ট্ৰৰ কল্যাণৰ উদ্দেশ্যে আৰু ৰাষ্ট্ৰীয় উদাৰ নীতিৰ অনুগতভাৱে আঞ্চলিক ভাষাত বিশ্ববিদ্যালয়ৰ শিক্ষা পৰিচালনা কৰা আৰু তাৰ বাবে পাঠ্যপুথি প্ৰস্তুত কৰাটো এখন বিৰাটকায় আঁচনি আজি সমস্ত দেশ জুৰি আগ বাঢ়িব লাগিছে। তাক বোধ কৰিবলৈ যোৱাটোহে ৰাষ্ট্ৰীয় কল্যাণৰ পৰিপন্থী কাৰ্য হ'ব।

ই বিৰোধ নহয় : নেতিবাচক নহয় :

কোনো কোনো মহলত এটা ধাৰণা হৈছে বা তাক সৃষ্টি কৰিবৰ কাৰণে যত্ন কৰা হৈছে যে এটা আঞ্চলিক ভাষা বিশ্ববিদ্যালয়ত মাধ্যম গ্ৰহণ কৰা মানে আন আঞ্চলিক ভাষা, হিন্দী, ইংৰাজী আদিৰ কাষে বাহুলিসঁচাৰ লগাই দুৱাৰ বন্ধ কৰি দিয়া। উচ্চশিক্ষাৰ্থে আঞ্চলিক ভাষাৰ নীতি কিন্তু এনে নেতিবাচক নহয়, সেই নীতি বিৰোধৰপৰা উদ্ভূত নহয়। ৰাধাকৃষ্ণন আয়োগ বা কোঠাৰী আয়োগে আঞ্চলিকেতৰ ভাষাবোৰ পৰিহাৰ কৰাৰ কথাতো কোৱাই নাই, বৰঞ্চ বেলেগ বেলেগ ক্ষেত্ৰত সিবোৰৰ প্ৰয়োজনীয়তাৰ কথাহে কৈছে। সেই কথা আমি আমাৰ আলোচনাৰ মাজে মাজে কৈ আহিছো। ১৯৬৭ চনৰ কুলপতি সন্মিলনৰ গৃহীত বিবৃতিতো ইংৰাজীক কেনেকৈ স্বীকাৰ কৰি লোৱা হৈছে, তাকো উল্লেখ কৰা হৈছে। ১৯৬৮

ছুনৰ ৰাষ্ট্ৰীয় শিক্ষানীতি ঘোষণা কৰোঁতেও পাঁচটা ছেদত আঞ্চলিক ভাষা, ত্ৰি-ভাষা সূত্ৰ, হিন্দী, সংস্কৃত আৰু আন্তৰ্জাতিক ভাষাসমূহ সম্পৰ্কে স্পষ্ট নীতি ঘোষণা কৰা হৈছিল: (১) বিশ্ববিদ্যালয় পৰ্যায়ত আঞ্চলিক ভাষা মাধ্যম হ'ব লাগে, (২) মাধ্যমিক স্তৰত এটা আধুনিক ভাৰতীয় ভাষা, হিন্দী-ভাষী অঞ্চলত হিন্দী আৰু ইংৰাজী, অহিন্দী ভাষী অঞ্চলত আঞ্চলিক ভাষাৰ আৰু ইংৰাজীৰ লগতে হিন্দী পঢ়োৱাৰ ব্যৱস্থা ৰাজ্য চৰকাৰে কৰিব লাগে, (৩) বিভিন্ন অঞ্চলৰ সম্পৰ্ক-ৰক্ষী ভাষাৰূপে সংবিধানৰ ৩৫১ ছেদ অনুযায়ী হিন্দীৰ উৎকৰ্ষ সাধন কৰা উচিত, (৪) বৰ্তমানতকৈ মুকলিভাৱে ভাৰতীয় সাহিত্য-সংস্কৃতিৰ মূল সংস্কৃত ভাষা স্কুল-কলেজত পঠন-পাঠনৰ দিহা হ'ব লাগে, আৰু (৫) ইংৰাজী আৰু আন আন্তৰ্জাতিক ভাষাৰ শিক্ষণতো গুৰুত্ব দিয়া আৱশ্যকীয় (Special emphasis needs be laid on the study of English and other international languages World knowledge is growing at a tremendous pace, especially in science and technology India must not only keep up the growth but should also make her own significant contribution to it For this purpose, study of English deserves to be specially strengthened) সিদ্ধান্তবো মূল কথা ৰাষ্ট্ৰীয় শিক্ষানীতিৰ অনুৰূপ, ইয়াত তাৰ উদ্ধৃতি দিয়া বাহুল্য মাথোন হ'ব। ভাৰতৰ মহাজাতীয় বিকাশৰ উদ্দেশ্যেই ভাৰতৰ শিক্ষানীতি ৰচিত হৈছে, শিক্ষিতসকলক এটা মাথোন ভাষাৰ জ্ঞান দি বন্ধ ঘৰত বন্দী কৰি ৰখা সেই উদ্দেশ্যৰ ভিতৰত নপৰে। দেশৰ ভিতৰৰ বা পৃথিৱীৰ সকলো ভাষা শিকিব, পঢ়িব আৰু লেখিব পাৰিলে ক্ষতি নহয়, লাভহে হ'ব। অসমৰ জনজাতীয় ভাষা, ভাৰতৰ ৰাষ্ট্ৰভাষা, সংস্কৃতিৰ ভাষা সংস্কৃত, আন্তৰ্জাতিক জ্ঞানৰ ভাষা ইংৰাজী, সকলো আমাক লাগে। কিন্তু আঞ্চলিক ভাষা বিশ্ববিদ্যালয়ৰ শিক্ষাৰ মাধ্যম হোৱাটো সৰ্বোপৰি বাঞ্ছনীয় আৰু অপৰিহাৰ্য।

কাৰখানা পদ্ধতিৰ তালিম আৰু তৰ্জমাৰ কাৰিকৰি

১৯৭৩ৰ মাৰ্চ মাহৰ ন তাৰিখৰপৰা ১৩ তাৰিখলৈ দিল্লীৰ বুক ট্ৰাস্ট অব ইণ্ডিয়াই গুৱাহাটী চহৰত এটা কাৰখানা পাতিছিল। সেই কাৰখানাত অসমীয়া ভাষালৈ আৰু অসমীয়া ভাষাৰপৰা অন্য ভাষালৈ তৰ্জমা কৰোঁতে কি আলৈ-আহুকাল হয়, কি ধাৰ লাগে, তাৰ বিষয়ে তহকিত কৰা হ'ব, তেনে বিচাৰৰ কিছু মীমাংসা হ'ব, সেই মীমাংসা অনুসৰি গোট খোৱা কাৰিকৰসকলে কাৰখানাতে কিছু কাম কৰি দেখুৱাব, আৰু শেহান্তৰত সেইখিনি কামৰ ভাল-বেয়া বছা হ'ব—এয়ে হ'ল কাৰখানাটোৰ প্ৰতিশ্ৰুত কাম। সেই কাৰখানালৈ মোক টেক্‌নিকেল ডাইৰেক্টৰ, প্ৰয়োগী সঞ্চালক কৰি নিমন্ত্ৰণ কৰা হৈছিল। কাৰখানাৰ দৰ্কাৰী কাগজ-কলমবোৰ মই এটা ব্ৰিফ-কেছত ভৰাই তাকেই কোৰয়েনৰ হাতিয়াৰৰ জোলোঙা কৰি লৈ গৈছিলো। সেই কেছটো মই পূৰ্ব জাৰ্মানীৰ বাৰ্লিনৰ খোনফেল্ড এয়াৰপোৰ্টৰপৰা কিনি অনা বস্তু। গতিকে কাৰখানাৰ দুৱাৰ মুকলি কৰা (এনে কাৰ্যক আমি এতেদিনে 'উদ্বোধন' বা 'দ্বাৰ-উদ্‌ঘাটন' বুলিয়ে জানি আহিছো, কিন্তু এইবাৰ দেখিলো অসম সাহিত্য সভাৰ সম্পাদকজনে নিভাজ (?) অসমীয়া হ'বলৈ গৈ অসমীয়া ব্যাকৰণৰ মূৰাকলিটো খাই 'দুৱাৰ মুকলি' বুলি লেখিছে, 'মুকলি' শব্দটোৱে বিশেষণহে, বিশেষ্য নহয়, তাৰ উমান হেৰুৱাই পেলাইছে।) উৎসৱলৈ যাওঁতে মোৰ ব্ৰিফ-কেছটোৱে বিশেষ এক তাৎপৰ্য লাভ কৰিছিল; কাৰণ এক মহান জাৰ্মান ব্যক্তিয়েই পোনতে ৱৰ্কশপ শব্দটো সাহিত্যিক কৃতিৰ প্ৰক্ৰিয়া-প্ৰসংগত ব্যৱহাৰ

কৰিছিল—মেক্স্ মুএলাৰে প্ৰাচ্যতত্ত্বসম্পৰ্কীয় তেওঁৰ এখন গ্ৰন্থৰ নাম দিছিল 'চিপ্‌ছ ফ্ৰম্ এ জাৰ্মান ৱৰ্কশপ্'।

প্ৰসংগতঃ পূৰ্ব জাৰ্মানীৰ আৰু দুটা কথা মনত পৰিছে। মই বাৰ্লিন পোৱাৰ এঘণ্টামানৰ ভিতৰতে ত'ৰ ৰাষ্ট্ৰৰ আন্তৰ্জাতিক আতিথ্য মন্ত্ৰালয়ৰ গুৰিয়ালসকলৰ লগত এক ভোজৰ পাতত বহিব লগীয়া হ'ল। নিমন্ত্ৰিতসকলৰ ভিতৰৰ এজন হ'ল লাইপ্‌জিগৰ ইন্‌স্টিটিউট ফিয়ৰ্ লিটাৰেটুৰৰ অধ্যাপক মেক্স্ ভাল্টাৰ শুল্‌জ। এই অনুষ্ঠানটোতে বোলে কবি, ঔপন্যাসিক, গাল্পিক আদিসকলক প্ৰশিক্ষণ দি বৰ বৰ লেখক কৰা হয়। কথাটো বৰ আজব যেন লাগিল। কিন্তু আমি ভোজৰপৰা উঠোঁতে নৌ উঠোঁতেই অধ্যাপক শুল্‌জ খৰখেদাকৈ লাইপ্‌জিগলৈ বুলি ৰেলগাড়ীত উঠিবলৈ গুচি গ'ল। মোৰ মনত বৰ খুদুৱনি এটা তেওঁ এৰি থৈ গ'ল। তাৰ দুদিনমানৰ পিছত এদিনা পুৱা লাইপ্‌জিগৰ এখন হাটখোলাৰ গ্যেটেৰ শিলামূৰ্তিৰ ওচৰত থিয় হৈ ফটোগ্ৰাফ তোলাই (তাৰ কাষতেই বিশ্ববিশ্ৰুত সংগীতকাৰ বাখে য'ত কোৱায়াৰৰ কাম কৰিছিল, সেই পুৰণি গিৰ্জাটো) ইন্‌স্টিটিউট চাবলৈ গ'লো। সেইদিনা অধ্যাপক শুল্‌জ অহা নাছিল। উপসঞ্চালিকা ডক্টৰ লুইজা স্মিড্‌টে ইন্‌স্টিটিউটৰ কাৰ্যপন্থা বুজাই দিলে। তাৰ বিশ্ববিদ্যালয়ৰ লগত পোনপটীয়া সম্পৰ্ক নাই। সি এক সাহিত্যসভাও নহয়। তাৰ লগত তুলনীয় অনুষ্ঠান হ'ল মস্কোৰ গৰ্কি ইন্‌স্টিটিউট। প্ৰকৃততে, গৰ্কি ইন্‌স্টিটিউটৰ আদৰ্শতে ওঠৰ বছৰ পূৰ্বে এই অনুষ্ঠানটি দেশৰ সমাজবাদী আন্দোলনৰ অংশৰূপে গঢ় লৈ উঠে। ই লেখক-সাহিত্যিকসকলক বিবিধ সাহিত্য-ৰচনা-কলাৰ প্ৰশিক্ষণ দি কবিতা, উপন্যাস, গল্প লেখাৰ নব নব আদৰ্শ আৰু কৌশল প্ৰদান কৰে। সাহিত্যৰ ৰাষ্ট্ৰীয় পুৰস্কাৰ পাওঁতাসকলৰপৰা সাহিত্য-প্ৰচেষ্টা-কাৰী মটৰগাড়ী-চালকলৈকে সকলো পৰ্য্যায়ৰ লোকক ই প্ৰশিক্ষণ দি আহিছে। নতুন চিন্তাধাৰাৰ বাবে নতুন কৌশল-প্ৰয়োগৰ

সম্পৰীক্ষাও ইনষ্টিটিউটে কৰি আছিছে। আজিৰ জাৰ্মান ডেমোক্রেটিক বিপাব্লিকৰ অনেক আগ শাৰীৰ কবি-সাহিত্যিক এই য়োহানেছ আৰ্. বেখেৰ ইনষ্টিটিউট ফিয়ৰ লিটাৰেটুৰৰ একালৰ ছাত্ৰ।

কেইদিনমান পাছত ভেৰ্লাগ ফৰ্ উণ্ড্ ভেল্ট্ (জনতা আৰু জগত প্ৰকাশন) নামৰ অনুষ্ঠানলৈ যাওঁতে ইনষ্টিটিউট ফিয়ৰ্ লিটাৰেটুৰত কৌশল শিকা সাহিত্যিকৰ গ্ৰন্থ দেখা পালো। কথা-প্ৰসংগত নৱ সমাজবাদী পূৰ্ব জাৰ্মানীৰ অভিনৱ এক উদ্ভাৱন বিট্টেৰফেল্ড্ প্ৰক্ৰিয়াৰ বিষয়েও আলোচনা হ'ল। ১৯৫৯ চনত বিট্টেৰফেল্ড্ নামৰ ঠাইত হোৱা সাহিত্যকাৰ আৰু কলাকাৰসকলৰ এক সন্মিলনত এক নতুন আহ্বান-ধ্বনি সৃষ্টি হৈছিল: "লগৰীয়া, কলমত ধৰা, সমাজবাদী জাতীয় সংস্কৃতিয়ে তোমাক বিচাৰিছে।" সংগীত, নৃত্য, চিত্ৰকলা, সাহিত্যকলা, সকলো কলাতে ই এক নৱ-জাগৃতি জগাই তুলিলে। ১৯৬৯ চনত পুনৰ বিট্টেৰফেল্ড্ সন্মিলন বহিল। বিট্টেৰফেল্ড্ পদ্ধতিয়েই হ'ল পূৰ্ব জাৰ্মানীৰ সাংস্কৃতিক নীতিৰ মূল সূত্ৰ: সাংস্কৃতিক জীৱনত শ্ৰমিক জনতাৰ সৃষ্টিশীল অংশগ্ৰহণ, জনতাৰ লগত লেখক-কলাকাৰসকলৰ ঘন সম্পৰ্ক, আৰু সাধাৰণ আমোদ-প্ৰমোদকে ধৰি সৰ্বপ্ৰকাৰ কলাৰ উচ্চ মান-ৰক্ষা। এই পদ্ধতি অনুসৰি সাহিত্যকাৰসকলক কাৰখানাৰ বনুৱাৰ মাজত থাকি বনুৱাৰ জীৱনৰ বিষয়ে উপন্যাস আদি ৰচনা কৰাৰ সময়-সুবিধা দিয়া হয়, লগতে বনুৱাসকলেও নিজৰ জীৱনৰ প্ৰকাশ সাহিত্য বা আন কলাৰ মাজেদি দিয়াৰ প্ৰয়াস কৰিব পাৰে। এই নীতি প্ৰয়োগ কৰি কাৰখানাৰ বনুৱাৰ জীৱনৰ উপলব্ধি লাভ কৰি ৰচনা কৰা এখনি বিখ্যাত উপন্যাস হ'ল "ডাহ্ ভেটাভেন্"।

সিদিনা আমাৰ উৰ্বৰাৰ কাৰখানাৰ চুৰাৰ মেলা উদ্দেশ্যত এই অভিনৱ কৌশল আহৰণৰ পদ্ধতিবোৰৰ বিষয়ে কৈছিলো। কাৰখানাৰ চুৰাৰ জলোৱাৰ দিনা এগৰাকী উত্তোলাই যোক ভাবিব কৰি

ক'লে যে মই দেশ-বিদেশত দেখি অহা কৌশল প্ৰয়োগ কৰি কাৰখানা চলালো। ৰামায়ণ পঢ়ি অঁতাই সীতাৰ বৈণীয়েক কোন, সেই প্ৰসংগ উত্থাপন কৰাৰ নিচিনা কথা। সি যি হওক, মোৰ বক্তব্য এই যে শিক্ষাক্ষেত্ৰত ৱৰ্কশ্বপ্ প্ৰণালী লৈ নানা পৰীক্ষা-নিৰীক্ষা চলি আছে এমেৰিকাৰ যুক্তৰাষ্ট্ৰত। এই প্ৰণালী শিক্ষাবিদৰ গ্ৰন্থ আদিও প্ৰকাশ পাইছে ঘাইকৈ তʼতে। ৱৰ্কশ্বপ্ হʼল শিক্ষাৰ এক পদ্ধতি—স্কুল বা কলেজ যেনেকৈ এক পদ্ধতি, শ্ৰেণী বা ছেমিনাৰ বা ট্ৰেইনিং কোৰ্চ যেনেকৈ একোটা পদ্ধতি। বিশ্ব-বিদ্যালয়ৰ অধ্যাপকৰপৰা স্কুলৰ ছাত্ৰলৈকে সকলোৱে বৰ্তমান আমাৰ শিক্ষাপদ্ধতিৰ নিন্দা কৰে, কিন্তু সেই ভুল পথৰপৰা আঁতৰি সঁচাসঁচি পোহৰৰ বাট কেনি পাম, কোনেও কʼব নোৱাৰে। বৰ্তমানৰ শ্ৰেণীত শিক্ষকে বক্তৃতা কৰা আৰু ছাত্ৰই মুখস্থ কৰা পদ্ধতি বোলে শিক্ষাৰ ভুল পদ্ধতি। তেনে পৰিত্ৰাণ কʼত? ৱৰ্কশ্বপ তেনে একে অদ্ভুলাৰ লাখুটি। ইয়াৰ মূল নীতি হʼল ছাত্ৰৰ গাত শিক্ষাৰ দায়িত্ব জাপি দিয়া আৰু সামূহিক অংশগ্ৰহণৰ যোগেদি ছাত্ৰৰ মনত আত্ম-নিৰ্ভৰশীলতাৰ প্ৰবৃত্তিৰ উন্মেষ আৰু উৎকৰ্ষ সাধন কৰা। আজি নীতি, পদ্ধতি, নীতিবিজ্ঞান বা মেথডলজিৰ যুগ। ৱৰ্কশ্বপো এক পদ্ধতি। ৱৰ্কশ্বপ্ মানে কাৰখানা। কাৰখানা হʼল কামৰ ঠাই। গতিকেই সহজে সকলোৱে বুজা উচিত, চাইকেল-মিস্ত্ৰীৰ কাৰখানাই হওক বা সাহিত্যৰ কাৰখানাই হওক, কাম ওলাবই লাগিব, কাম হʼবই লাগিব—লাগিলে কামবোৰ উত্তম নহৈ অধমেই হওক। শিক্ষাৰ কাৰখানাৰ কামক সেই দেখি তিনিটা স্পষ্ট ক্ৰমত ভাগ কৰি লোৱা হয়। প্ৰথমতে, শিক্ষণীয় বিষয়ৰ সমস্যাবোৰ খুঁচৰি-খুঁচৰি উলিওৱা, সিবোৰৰ বিষয়ে আলোচনা কৰা আৰু সিবোৰ অতিক্ৰম কৰাৰ উপায়ৰ প্ৰশিক্ষণ দিয়া আৰু লোৱা। এই স্তৰতে সমস্যাবোৰৰ লগত জড়িত কাৰখানাৰ বাহিৰৰ লোককো নিমন্ত্ৰণ কৰা হয় সমস্যা-বিশ্লেষণ আৰু উপায়-উদ্ভাৱনত সহায়ৰ

অৰ্থে। দ্বিতীয় পৰ্যায়ত শিক্ষাৰ্থীসকলে উদ্ভাৱিত উপায় অৱলম্বন কৰি উপস্থিত সমস্যাৰ লগত যুঁজি আৱশ্যকীয় একোটা কাম কৰি উলিয়াৰ -লাগিব—কিতাপেই হওক বা প্ৰবন্ধই হওক। তৃতীয় পৰ্যায় হ'ল মূল্যায়নৰ। এই পৰ্যায়ত দ্বিতীয় পৰ্যায়ত সম্পন্ন কাম সংশ্লিষ্ট ক্ষেত্ৰলৈ নি পৰীক্ষা কৰি চোৱা হয় আৰু সেই পৰীক্ষাৰ পিছত তাক পাৰিলে চূড়ান্ত ৰূপলৈ নিয়া হয়। অনেক সময়ত হয়তো সমস্যাবোৰ সমস্যা হৈয়ে ৰৈ যায়। তাৰ বাবে বেজাৰ কৰিব লগীয়াও নাই, কাৰণ, শিক্ষা হৈছে এক প্ৰবহমান পদ্ধতি, তাৰ শেষ নাই। ৱৰ্কশ্বপত তিনিওটা পৰ্যায়তে শিক্ষক বা সঞ্চালক আৰু প্ৰশিক্ষাৰ্থীসকল স্বকীয়া দলত বিভক্ত হৈ কাম কৰিব পাৰে। সেই প্ৰক্ৰিয়াত শিক্ষক আৰু শিক্ষাৰ্থীৰ মাজৰ বেৰ-বন্ধন সকলো যিমান পৰা যায় টুটাই ল'ব লাগিব। তদুপৰি, সকলো সংকোচ পৰিহাৰ কৰি আলোচ্য সমস্যা-খণ্ডনৰ একোটা সৰ্ব-স্বীকৃত উপযোগী উপায় উলিয়াবলৈ সকলোৱে যত্ন কৰিব লাগিব। এয়ে থূলমূলভাৱে ৱৰ্কশ্বপ্ পদ্ধতিৰ ঘাই কথা। কেতিয়াবা শব্দটোৰ অৱশ্যে অপ-প্ৰয়োগো হয়। এই বিষয়ে যুক্তৰাষ্ট্ৰৰ ৱেইন বিশ্ববিদ্যালয়ৰ অধ্যাপক আৰ্ল্ চি কেল্লিয়ে লেখিছে তেওঁৰ পুথিত :

There are so-called workshops, in all lines of endeavor. Usually this is a misuse of the name, in our opinion These gatherings are often completely planned in advance, and may consist largely of speeches ··· ···Of course we have no copyright on the word, but we would not call these gatherings workshops They are meetings ··· ·There are some essentials that we believe a workshop should have in order to have the title carry a different meaning from "meeting", "gathering", or "class". We think that there must be a *planning session* where *all are involved at the beginning.* There must be

a considerable time for *work sessions* where all have an opportunity to work with others on the problems most significant to them There must be a *summarizing and evaluating session* at the close (Earl C Kelley, *The Workshop Way of Learning* Harper & Brothers, New York, 1951, pp 136-f)

দুদিনৰপৰা সাতদিনৰ ভিতৰতো এখন সৰু ৱৰ্কশ্বপ কৰিব পাৰি, কিন্তু তাতো এই তিনিটা পৰ্যায়ৰ কোনোটো হেৰাই যাব নালাগিব। আমাৰ দেশতো ৱৰ্কশ্বপ্ পতাৰ ধুম পৰিছে, কিন্তু অনেক উদ্যোক্তাই তাৰ এই প্ৰাথমিক আৱশ্যকৰ কথা নাজানে বা জানিলেও পাহৰি যায়। অথচ আমাৰ জীৱন্ত সমস্যাবোৰৰ সমূখীন হোৱাৰ ই এটা অতি ভাল পদ্ধতি। ৱৰ্কশ্বপ শব্দটো কাৰখানা বুলি তৰ্জমা কৰিব পাৰি, তেতিয়া সি তাৰ প্ৰাথমিক অৰ্থ হেৰুৱাই নেপেলাব। অসমীয়া ভাষাত কাৰখানা শব্দটো শঙ্কৰদেৱৰ সমানেই পুৰণি, সেইদিনত বাৰভূঞাৰ দোপদৰ বা দফ্তৰক কাৰখানা বা কাৰ্যনা বোলা হৈছিল। সাহিত্যৰ কাৰখানা হ'লেও কামৰ পদ্ধতিৰ ফালৰপৰা সি সম্পূৰ্ণৰূপে কাৰখানাই হ'ব লাগিব। পুনা আদিত ছেমিনাৰ শব্দৰ পৰিৱৰ্তে আলোচনা-সত্ৰ শব্দ প্ৰয়োগ কৰা হৈ আহিছে। ইয়াত 'সত্ৰ' ('সত্ৰ' ভুল প্ৰয়োগ বুলি 'হেমকোষে' ঘোষণা কৰিছে) শব্দটো অসমত ব্যৱহাৰ হোৱা অৰ্থত নহৈ মৌলিক অৰ্থত প্ৰয়োগ কৰা হৈছে। মৌলিক অৰ্থটো হ'ল, বৈঠক 'ছেছন্' (সংস্কৃতৰ সদ্ ধাতুৰ পৰা)। বৈদিক সাহিত্যৰ ভিতৰত 'শতপথ-ব্ৰাহ্মণ'ত যজ্ঞৰ দীঘলীয়া পৰ্বৰ অৰ্থত তাক প্ৰয়োগ কৰা হৈছিল আৰু পিছৰ যুগত যজ্ঞানুষ্ঠান অৰ্থত তাৰ ব্যৱহাৰ হৈ আহিছে। 'ভাগৱত-পুৰাণ'ত কৰ্ম বা যজ্ঞ অৰ্থত আৰু সমাজ অৰ্থত শব্দটো কামত লগোৱা হৈছে। এঠাইত ব্ৰহ্ম-সত্ৰ কথাটো আছে, তাৰ ব্যাখ্যা কৰি শ্ৰীধৰস্বামীয়ে লেখিছে : যথা যজমানা ঋত্বিগাদিৰূপেণ যত্ৰ কৰ্ম কুৰ্বন্তি, তৎ কৰ্ম-সত্ৰং

প্ৰসিদ্ধং, তথা যথা সমানা এব বক্তৃ-শ্ৰোতৃ-ভাৱেন ব্ৰহ্ম মীমাংসতে তদ্ ব্ৰহ্ম-সত্ৰম্। আমাৰ কৰ্মশালাতো বক্তা আৰু শ্ৰোতা সমান আসনত বহি সাহিত্য-কৌশল-তত্ত্ব মীমাংসা কৰিম। ইও ভাল অৰ্থতে তেনে এক সত্ৰ।

ভাৰতবৰ্ষত পোন প্ৰথম কৰ্মশালা অনুষ্ঠিত হয় ১৯৫৩-৫৪ চনত। তেতিয়া ভাৰত চৰকাৰৰ শিক্ষা মন্ত্ৰালয়ে এমেৰিকাৰ ফোৰ্ড ফাউণ্ডেচনৰ সহযোগিতাত আঞ্চলিক ভিত্তিত চাৰিটা কৰ্মশালাৰ দিহা কৰে। সিহঁতক বোলা হৈছিল লিটাৰেৰি কৰ্মশালা। কেয়োটাৰ কাম আছিল নৱসাক্ষৰসকলৰ কাৰণে উপযুক্ত পুথি-প্ৰণয়নৰ কৌশলৰ বিষয়ত লেখকসকলক প্ৰশিক্ষণ দিয়া। ভাৰতৰ পূৰ্বাঞ্চলৰ কৰ্মশালাটো শান্তিনিকেতনত এমাহ জোৰাকৈ চলিছিল। তাৰ সহকাৰী সঞ্চালকৰ কাম কৰাৰ ভাগ্য মোৰ হৈছিল। সঞ্চালক আছিল অধ্যাপক প্ৰিয়ৰঞ্জন সেন আৰু আন এজন সহকাৰী সঞ্চালক হৈছিল শ্ৰীনিকেতনৰ শ্ৰীপ্ৰভাতমোহন বেনাৰ্জি। প্ৰশিক্ষণাৰ্থীৰ সংখ্যা আছিল ২১। তাৰ দুজন অসমীয়া (শ্ৰীপ্ৰফুল্লচন্দ্ৰ দত্ত, শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰী), বঙালী ১৫ জন, মণিপুৰী দুজন আৰু ওড়িয়া ৪ জন। বিশ্বভাৰতীৰ বিদ্যাভৱনতে আমাৰ প্ৰায়বিলাক কাম হৈছিল আৰু প্ৰশিক্ষণাৰ্থীৰ বঙলা পুথিবোৰ ৰায়পুৰ, বল্লভপুৰ আদি ঠাইলৈ নি তাৰ নৱসাক্ষৰসকলৰ সমুখত পঢ়ি শুনাই মূল্যায়ন কাৰ্য সম্পন্ন কৰা হৈছিল। ইয়াৰ পিছত অসমৰ প্ৰথম কৰ্মশালা হ'ল ১৯৫৭ চনৰ মাৰ্চ-এপ্ৰিলত ৪২-দিনীয়া লিটাৰেৰি কৰ্মশালা, ভাৰতৰ ধনেৰে অসমৰ শিক্ষাধিকাৰৰ অধীনে অনুষ্ঠিত। সঞ্চালকৰূপে সেই কাৰখানাও মযে চলাইছিলো। প্ৰকৃততে, ভালকৈ বুজি-বাজি ল'লে, কৰ্মশালা পদ্ধতিৰে বহুতোবিলাক সমস্যা সমাধান কৰাৰ উপায়ৰ অৱগতি লাভ কৰিব পাৰি। ইয়াত "মই কওঁ, তুমি শিকা" আৰু "তুমি লিখা, মই পৰীক্ষা কৰোঁ", এনে নীতিত কাম নকৰি, "আহাঁচোন, কি কৰিব পাৰি চাওঁ", এনে

আনন্দদায়ক নীতি প্ৰয়োগ কৰিব পৰা যায়। কিন্তু আমাৰ মানুহৰ এতিয়াও বক্তৃতা দিয়া আৰু বক্তৃতা শুনাৰ হেপাহ বৰ প্ৰবল। এই হেঁপাহে ৱৰ্কশ্বপ পদ্ধতিকে বিফল কৰি দিব পাৰে। সেই মুৰে সাৱধান হ'ব লাগিব। সভা, বক্তৃতা, ছেমিনাৰ, ৱৰ্কশ্বপ— এইবোৰ একোটা স্বতন্ত্ৰ অনুষ্ঠান। সিহঁতক একেলগ কৰিব নালাগে।

এতিয়া তৰ্জমাৰ লেটা-লুঠলিলৈ আহোঁ। তৰ্জমা কৰা ধাৰণা-টোকেই আমি ইংৰাজৰপৰা শিকিছো। নাই শিকানে বাৰু? নহলে 'ট্ৰেন্‌স্লেচন্' শব্দটো ট্ৰেন্‌স্লেট্ কৰিব লাগিলে আমি লেখোঁ 'অনুবাদ' বা 'ভাঙনি'। 'অনুবাদ' তৎসম শব্দ, 'ভাঙনি' অসমীয়া ভাং ধাতুৰপৰা সিদ্ধ। 'অনুবাদ' মানে মৌলিকভাৱে পুনৰুক্তি, অনুক্ষণ কথন (যেনে—উত্তমশ্লোক-গুণানুবাদঃ), ব্ৰাহ্মণ শাস্ত্ৰৰ বিধি-বাক্যৰ পুনঃকথন (বিধি-বিহিতস্যানুবচনমনুবাদঃ—ন্যায়সূত্ৰ)। শব্দটোৰ আনুষঙ্গিক অৰ্থহে ভাষান্তৰকৰণ বা তৰ্জমা। 'অনুবাদ' আৰু 'ভাঙনি' দুইটা শব্দৰে মূল অৰ্থ ব্যাখ্যা। দুইটাকে আজি ট্ৰেন্‌স্লেচন অৰ্থত ব্যৱহাৰ কৰোঁ আৰু আগলৈও কৰিম। কিন্তু আৰবী 'তৰ্জমহ্' শব্দৰপৰা হোৱা তৰ্জমা শব্দটো ট্ৰেন্‌স্লেচনৰ বেছি ওচৰৰ। কিন্তু আমি অনুবাদ আৰু ভাঙনি শব্দ দুটাকেহে অভিপ্ৰেত অৰ্থত অধিককৈ কামত লগাওঁ, আৰু ইমান দিনে সি দুটাই সেই অভিপ্ৰেত অৰ্থ বুজোৱাৰ ক্ষমতা লাভ কৰিছে।

এতিয়া দেখিলে, অনুবাদ নামটো লৈয়ে আমাৰ মনত ইমান খোৱা-কামোৰা। অনুবাদ কামটো কি এক দুৰহ কাম, ইয়াৰপৰাই বুজা যাব। অনেক সময়ত অনুবাদ কামটি অতি টান, কেতিয়াবা আকৌ সি সম্পূৰ্ণ অসম্ভৱ। কবিতাৰ ক্ষেত্ৰত এই সমস্যা অতি সঙ্গীন। কাৰণ কবিতা হ'ল কথা আৰু কবিতা হ'ল সঙ্গীত। এটা ভাষাৰ সুৰ আন এটা ভাষাৰ সুৰৰপৰা পৃথক। সংস্কৃত ভাষাৰ পো বোলক বা নাতি-নতিনী বোলক, অসমীয়া ভাষা

সংস্কৃতৰ অতি ওচৰ। কিন্তু সংস্কৃতৰ ছন্দ অসমীয়া ভাষাত নাই, অসমীয়া ছন্দও সংস্কৃতত নাই। পণ্ডিতকে সংস্কৃতৰপৰা অসমীয়া অনুবাদ কৰিব লগীয়া হ'লেই পোনতে আমি তাৰ এটি মৌলিক সৌন্দৰ্যকে পৰিহাৰ কৰি আহিব লগাত পৰিলো। তেনে হ'লেনো সংস্কৃতৰপৰা অসমীয়ালৈ অনুবাদ কেনেকৈ সম্ভৱ? কথা হৈছে, ভাষাৰ এই প্ৰাচীৰ ভেদ কৰি হ'লেও অনুবাদ কৰিবই লাগিব। এটা ভাষাৰ জ্ঞান আন এটালৈ আনিবই লাগিব। সেই প্ৰক্ৰিয়াত ভাষা আৰু সাহিত্যৰ জ্ঞান-বিজ্ঞানৰ সকলো মৌলিক তাৎপৰ্য জড়িত হৈ পৰিব। কবি হেনো স্ৰষ্টা, প্ৰজাপতিৰ দৰেই স্ৰষ্টা। তেওঁৰ কাব্য আন এটা ভাষাত লেখা মানেই এক পুনঃসৃষ্টি। তাহানিতে শ্ৰীকৃষ্ণকান্ত সন্দিকৈদেৱে কৈ থ'বৰ দৰে, যদি এখন কাব্য ৰচনা কৰাটো ভীমৰ গদা খুৰোৱাৰ দৰে কঠিন কাম, সেই কাব্যৰ ভাষান্তৰ ঘটোৱা ভীমৰ নহ'লেও দুৰ্যোধন-দুঃশাসনৰ দৰে মহাভাৰতৰ বীৰৰ গদা তুলি লোৱাৰ দৰে কঠিন নিশ্চয় হ'ব। প্ৰত্যেক ভাষাৰে নিজৰ কিছুমান গুণ, নিজৰ এটি কালিকা থাকে। অনুবাদ কৰোঁতে তাৰ বহুতোখিনি গুণ নতুন ভাষাটোলৈ লৈ যাব নোৱাৰি, মাথোন একেখিনি কথাকে নতুন ভাষাৰ গুণ আৰু কালিমাৰ সাজ পিন্ধাই তুলিব পৰাতেই অনুবাদকৰ কৃতিত্ব প্ৰকাশ পাব। এটা ভাষাৰপৰা আন এটা ভাষালৈ এটা লেখা নিওঁতে শব্দৰ পৰিবৰ্তে শব্দ, খণ্ডবাক্যৰ পৰিবৰ্তে খণ্ডবাক্য, বাক্যৰ পৰিবৰ্তে বাক্য বহুৱাই দিলেও মূলৰ অৰ্থ অনুবাদত সম্পূৰ্ণ প্ৰকাশ কৰা সম্ভৱ নহ'বও পাৰে। তেনেকুৱা অনুবাদ মাত্ৰ যান্ত্ৰিক আৰু নিৰৰ্থকো হ'বও পাৰে। যি অনুবাদত মূলৰ অৰ্থ পূৰ্ণভাৱে বৈ যায়, অথচ যি অনুবাদ পঢ়িলে সমূলিকে অনুবাদ যেন নালাগে, সেয়ে উৎকৃষ্ট অনুবাদ।

গ্ৰন্থাগাৰ আৰু গ্ৰন্থাগাৰ-আন্দোলন*

গ্ৰন্থ, গ্ৰন্থাগাৰ-পাঠাগাৰ আৰু পাঠক-গ্ৰন্থাগাৰিকৰ মাজৰ সম্বন্ধ আজি বৈজ্ঞানিক পদ্ধতিত অধ্যয়নৰ এক গভীৰ বিষয়। ইংলেণ্ড, এমেৰিকাৰ যুক্তৰাষ্ট্ৰ আদি দেশত এই বিষয়ৰ উত্তৰোত্তৰ চৰ্চা আৰু উৎকৰ্ষ-সাধন হ'ব লাগিছে। নানা আন্দোলন-আলোচনাৰ ফলত ভাৰততো গ্ৰন্থাগাৰৰ সংখ্যা ৰাষ্ট্ৰৰ ফালৰপৰা আৰু বাইৰৰ ফালৰ-পৰা যত্নৰ যোগেদি বাঢ়িব লাগিছে। গতিকে গ্ৰন্থাগাৰৰ প্ৰতি-পালন ব্যৱস্থাপনৰ বিষয়টো আমাৰ দেশতো বৈজ্ঞানিক পৰ্যায়ত বুজিবৰ আৰু পৰিচালনা কৰিবৰ সময় পৰিছে। ১৯৩৩ চনত কলিকতাত প্ৰথম সদৌ ভাৰত গ্ৰন্থাগাৰ সম্মিলন বহে। সেই আলমতে সদৌ ভাৰত পুথি-ভঁৰাল সংঘ (অল্ ইণ্ডিয়া লাইব্ৰেৰি এছোচিয়েচন্) নামে এটি অনুষ্ঠান প্ৰতিষ্ঠিত হৈছে, আৰু এই অনুষ্ঠানে দেশৰ পুথিভঁৰাল-আন্দোলনৰ গুৰি ধৰিবলৈ আৰু গ্ৰন্থাগাৰ-সংক্ৰান্ত বিষয়ত কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰবোৰক পৰামৰ্শ আদি দিবলৈ সুযত্ন কৰি আহিছে। চৰকাৰৰ ফালৰপৰা গ্ৰন্থাগাৰ সংস্থাপন-কাৰ্য আদি যেনে প্ৰখৰভাৱে হ'ব লাগিছিল, তেনে বাঞ্ছনীয়ভাৱে সি কাৰ্য হৈ উঠা নাই। গতিকে বেচৰকাৰী অনুষ্ঠানৰ যোগেদি আন্দোলন প্ৰবল কৰিবৰ অৱকাশ বহুলভাৱেই আছে। বৰ সুখৰ বিষয় যে ১৯৩৭ চনতে বিশেষকৈ কুমুদেশ্বৰ বৰঠাকুৰৰ যত্নত সদৌ অসম পুথিভঁৰাল সংঘৰ জন্ম হয়। গোপীনাথ বৰদলৈ, কামাখ্যাপ্ৰসাদ ত্ৰিপাঠী, বৰ্ত্তমান কেন্দ্ৰীয় সাংস্কৃতিক বিষয় আৰু বৈজ্ঞানিক গৱেষণা দপ্তৰৰ মন্ত্ৰী অধ্যক্ষ হুমায়ুন কবীৰ, যোগেশ্বৰ শৰ্মা আদিয়ে সভাপতি-ৰূপে এই অনুষ্ঠানৰ কৰ্ণধাৰৰ

---

*অসম পুথিভঁৰাল সংঘ, নৱম যুকলি অধিবেশন, মঙ্গলদৈ, মেই ১৯৫১

কৰি আহিছে। দেশৰ নেতৃস্থানীয় লোকসকলে এইদৰে এই সংঘটিক পৃষ্ঠপোষকতা কৰাৰপৰাই বুজিব পাৰি, দেশৰ সকলোৰে ইয়াৰ প্ৰতি মৰম আছে। আশা কৰিছোঁ, এই মৰম কাৰ্যকৰী হৈ সংঘক শক্তিশালী কৰিব, দেশত গ্ৰন্থ আৰু গ্ৰন্থাগাৰৰ আদৰ বাঢ়িব, আৰু দেশৰ শিক্ষা-প্ৰণালীত গ্ৰন্থাগাৰিকৰ ভূমিকা স্পষ্ট হ'ব। এতিয়ালৈকে বেছিভাগ সময় এই অনুষ্ঠানে সৰ্বভাৰতীয় অনুষ্ঠান আৰু আন ৰাজ্যিক অনুষ্ঠানৰ লগত বিশেষ সম্পৰ্ক ৰখা নাই। গতিকে সংঘৰ পৰিসৰ আৰু কাৰ্যক্ষেত্ৰ-বৃদ্ধিৰ বাবে এতিয়াও যথেষ্ট অৱসৰ আছে।

গ্ৰন্থাগাৰৰ বুৰঞ্জী সভ্যতাৰ বুৰঞ্জীৰ দৰেই প্ৰাচীন। প্ৰায় ৬৫০ খ্ৰীস্টপূৰ্বৰ এছিৰিয়াৰ সম্ৰাট অশুৰ-বাণী-পালৰ নিনেভত ৰক্ষিত মাটিৰ ফলিত লিখা কণ কণ আখৰৰ দহ হাজাৰমান পুথিৰে গ্ৰন্থাগাৰ আৱিষ্কৃত হৈছে। আচৰিত কথা, এই গ্ৰন্থাগাৰৰ গ্ৰন্থ-তালিকাও নিয়মিতভাৱে প্ৰস্তুত কৰা হৈছিল আৰু প্ৰজা-সাধাৰণেও গ্ৰন্থাগাৰটি ব্যৱহাৰ কৰিব পাৰিছিল। এই গ্ৰন্থাগাৰৰ একাংশ এতিয়া ব্ৰিটিশ মিউজিয়ামত সংৰক্ষিত হৈ আছে। প্ৰাচীন বেবিলনতো উচ্চাঙ্গৰ গ্ৰন্থাগাৰৰ অস্তিত্বৰ আভাস পোৱা গৈছে। ইজিপ্ত বা মিছৰৰ পুথিভঁৰালৰ কথাও আজি জনাজাত। প্ৰায় ১৩০০ খ্ৰীস্টপূৰ্বৰ ওজাইমেণ্ডিয়াছৰ লাইব্ৰেৰিৰ নাম হেনো দিয়া হৈছিল 'আত্মাৰ ঔষধালয়'। খ্ৰীস্টপূৰ্বৰ দ্বাদশৰপৰা তৃতীয় শতিকালৈকে মহাচীনত ৰাজত্ব কৰা চৌ বংশৰ আমোলত এটি বৃহৎ গ্ৰন্থাগাৰ গঢ় লৈ উঠে। কিন্তু দুৰ্ভাগ্যবশতঃ ২২১ খ্ৰীস্টপূৰ্বত সম্ৰাটে মন্ত্ৰ, নিদান আৰু কৃষি-বিষয়ক গ্ৰন্থ বাদ দি সকলো গ্ৰন্থ পুৰি পেলাবলৈ হুকুম জাৰি কৰে। কং-ফু-চেৰ (কনফুছিয়াছ) জ্ঞানগৰ্ভ গ্ৰন্থকে ধৰি বহুতো বহুমূল্য গ্ৰন্থ লুকাই চুৰকৈহে এই পুস্তক-মেধৰপৰা ৰক্ষা কৰা হয়। ইয়াৰ পাছত অৱশ্যে পুনৰ ৰাজকীয় গ্ৰন্থাগাৰ নিৰ্মাণ কৰা হ'ল। ইউৰিপিডিছ, এৰিষ্টোটল, টোলেমি আদি

গ্ৰীচৰ ডাঙৰ ডাঙৰ পণ্ডিত আৰু ৰজাসকলে নিজস্ব কৰি গ্ৰন্থাগাৰ প্ৰস্তুত কৰি লৈছিল। ৰোমান সমাজতো আকৌ ৰাজহুৱা পাঠাগাৰৰ ব্যৱস্থা দেখা পোৱা যায়। চতুৰ্থ শতিকাত ৰোম চহৰতে একুৰি আঠটা ডাঙৰ ৰাজহুৱা পুথিভঁৰাল আছিল। ৰোমৰ অধীনৰ প্ৰদেশবোৰতো এই শ্ৰেণীৰ পুথিভঁৰালৰ প্ৰসাৰ ঘটিছিল। ইউৰোপত খ্ৰীস্ট-ধৰ্ম প্ৰচাৰ হোৱাৰ লগে লগে গিৰ্জাবোৰৰ আলমত গ্ৰন্থাগাৰ-আন্দোলনে পুষ্টি লাভ কৰে। খ্ৰীষ্টীয় মঠবিলাকৰ গ্ৰন্থাগাৰ ফ্ৰান্‌চ, জাৰ্মানী, ইংলেণ্ড আদিত বিস্তৃত হৈ পৰে। ইউৰোপীয় ৰেনাছাঁই জ্ঞানৰ স্পৃহা যেনেকৈ বঢাইছিল, গ্ৰন্থাগাৰৰ আদৰো সেইদৰে প্ৰভুলভাৱে বৃদ্ধি কৰিছিল। ইছলামৰ প্ৰচাৰেও গ্ৰন্থাগাৰৰ বিস্তৃতি-সাধনত বৰঙণি যোগাইছিল। সম্ৰাট হাৰুন-উৰ-ৰছিদে নানা ভাষাৰ পুথি সংগ্ৰহ কৰি বেইতুল-হিকমত প্ৰতিষ্ঠা কৰে। তেওঁৰ পুত্ৰ মামুনে মাত্ৰ গ্ৰীক ভাষাৰপৰা পুথি তৰ্জমা কৰাওঁতেই তিনি লাখ সোণৰ মোহৰ খৰচ কৰিছিল।

বৰ্তমান পৃথিৱীৰ ডাঙৰ গ্ৰন্থাগাৰবোৰৰ ভিতৰত ব্ৰিটিশ মিউজিয়াম অগ্ৰগণ্য। ইয়াত একুৰি বাৰ লাখ ছপা পুথি আৰু দুকুৰি ষোল হাজাৰ্ পাণ্ডুলিপি সংৰক্ষিত আছে। ১৭৫৩ চনত এই গ্ৰন্থাগাৰ প্ৰতিষ্ঠাপিত হয়। ইংলেণ্ডৰ ঐশ্বৰ্যপূৰ্ণ বিশ্ববিদ্যালয় পাঠাগাৰবোৰৰ ভিতৰত অক্সফোৰ্ডৰ বিখ্যাত বোডলেয়ান লাইব্ৰেৰি ১৬০২ চনত তমাহ বডলিয়ে আৰম্ভ কৰে। কেম্ব্ৰিজ আৰু লণ্ডন বিশ্ববিদ্যালয়ৰ গ্ৰন্থাগাৰো বৰ বৃহৎ। আয়াৰ্লেণ্ডৰ ডাব্‌লিনৰ ত্ৰিনিটি কলেজ লাইব্ৰেৰি বোডলেয়ান লাইব্ৰেৰিৰ দৰেই বহুমূল্য গ্ৰন্থৰ আকৰ। ইংলেণ্ডৰ গ্ৰন্থাগাৰ-আন্দোলন সদায়েই শক্তিশালী আৰু নিৰ্ভুল-ভাৱে আগ বাঢ়িছে। ফ্ৰান্‌চৰ বিবলিওথেক্ নেচনেল পৃথিৱীৰ এটি সৰ্ববৃহৎ গ্ৰন্থাগাৰ। জাৰ্মানীতো বাৰ্লিন, মিউনিখ আদি ঠাইত চহকী পুথিভঁৰাল আছে। ইতালিৰ গ্ৰন্থাগাৰবোৰ অতি-পুৰণি আৰু নানা প্ৰাচীন গ্ৰন্থৰ ভঁৰাল। বিবলিঅথেকা ভেতিকানা

ইউৰোপৰ পুথিভঁৰালবোৰৰ ভিতৰত আগ শৰীৰ। পুৰণি ৰুছিয়াৰ ছেন্ট্ পিটাৰ্ছবাৰ্গ লাইব্ৰেৰি পৃথিৱীৰ ভিতৰতে এটি ডাঙৰ পুথিভঁৰাল। আজিৰ মস্কোৰ লেনিন স্টেট্ পাব্লিক লাইব্ৰেৰি (১৫ নিযুত পুথিৰে), লেনিনগ্ৰেডৰ শ্চেড্ৰিন্ স্টেট পাব্লিক লাইব্ৰেৰি অতি সুন্দৰ। এই লাইব্ৰেৰিবোৰৰ সংৰক্ষকসকল নানা দেশৰ নানা ভাষাৰ পুথিৰ বহীয়াই নহয়, পুথিৰ পাতবোৰতনো কি কথা আছে, তাকো তেওঁলোকে ভালকৈ জানে। লেনিনগ্ৰেড্ লাইব্ৰেৰিৰ কুৰি বছৰীয়া গ্ৰন্থাগাৰিকা এগৰাকীয়ে কালিদাসৰ 'মেঘদূত'ৰপৰা এটি আৱশ্যকীয় শ্লোক মাতি শ্ৰীমতী বিজয়লক্ষ্মী পণ্ডিতক স্তম্ভিত কৰিছিল। বৰ্তমান ৰুছ দেশত নানা প্ৰকাৰৰ, মুঠ ৩,৬৮,০০৩ গ্ৰন্থাগাৰ আছে। এমেৰিকাৰ যুক্তৰাষ্ট্ৰৰ পুথিভঁৰালবোৰ পুথিৰ সংখ্যা, পুথিৰ প্ৰকাৰভেদ, সংৰক্ষণৰ বিভিন্নতা আৰু সুপৰিচালনাৰ বিষয়ত বৰ চহকী। UNESCO-ৰ প্ৰযত্নত আজি গোটেই জগত জুৰি গ্ৰন্থাগাৰ-আন্দোলনে নতুন ৰূপ ধাৰণ কৰিছে আৰু পৃথিৱীৰ গ্ৰন্থাগাৰসমূহ 'সৰ্বজনহিতায়' মঙ্গলমন্দিৰত পৰিণত হ'বলৈ ধৰিছে।

প্ৰাচীন ভাৰতেও গ্ৰন্থ আৰু গ্ৰন্থাগাৰৰ মূল্য সদায় বুজিছিল, যদিও পুস্তকস্থা বিদ্যা আৰু পৰহস্তগত ধনক বিদ্যা বা ধন বুলি ক'ব নুখুজিছিল। পুস্তকস্থা যা বিদ্যা পৰহস্তগতং ধনং। কাৰ্য-কালে সমুৎপন্নে ন সা বিদ্যা ন তদ্ধনম্॥ কিন্তু ষষ্ঠ শতিকাৰ আচাৰ্য দণ্ডীয়ে এঠাইত কৈছে বোলে, পুথিত থুপাই থোৱা জ্ঞান কোনোবাই নষ্ট কৰিলে সমস্ত জগত অন্ধকাৰত নিমগ্ন হ'ব। পুৰণি ভাৰতত স্বাধ্যায়-ধৰ্মৰ এটি কেন্দ্ৰীয় প্ৰচেষ্টাৰূপে পৰিগণিত হৈছিল। সিকালত ভাৰতী বা সৰস্বতী-ভাণ্ডাৰে বিস্তাৰ লাভ কৰিছিল। বৌদ্ধধৰ্ম-প্ৰচাৰৰ লগে লগে ভাৰতত গ্ৰন্থাগাৰ-সংস্থাপন কাৰ্য বহুলভাৱে হ'বলৈ ধৰে। তক্ষশিলা, নালন্দা, বাৰাণসী, বলভি আদি স্থান শিক্ষাৰ কেন্দ্ৰ হোৱাৰ লগে লগে সিবোৰত বৃহদাকাৰ

গ্ৰন্থাগাৰ নিৰ্মিত হয়। নালন্দাৰ পাঠাগাৰৰ বেৰত থাক পাতি থোৱা কিতাপ চাৰিওফালে ঠাহ খাই আছিল। বৌদ্ধধৰ্মৰ যোগেদি পৰিচালিত হোৱা গ্ৰন্থাগাৰ আন্দোলনে পূবৰ ইণ্ডোচীন, শ্যাম, ব্ৰহ্ম, তিব্বত আদি আৰু পশ্চিমৰ নানা স্থানত বিস্তৃতি লাভ কৰে। বৌদ্ধ ত্ৰিপিটকৰ নানা ৰূপ পৃথিৱীৰ চাৰিও কোণৰপৰা আজিহে পুনৰ সংগৃহীত হ'ব লাগিছে। অধুনালুপ্ত ভাৰতৰ বৌদ্ধ-বিহাৰবোৰ গ্ৰন্থ-চৰ্চাৰ কেন্দ্ৰ হৈ পৰিছিল। চৈনিক পৰিব্ৰাজক ফাহিয়ানে জেতবন বিহাৰৰ এনে কেন্দ্ৰৰ বৰ্ণনা দি গৈছে। আন এজন চৈনিক পৰিব্ৰাজক ইৎসিঙক সম্ৰাট হৰ্ষবৰ্ধনে ঘোঁৰাৰ পিঠিত বোজা দি বৌদ্ধগ্ৰন্থ উপহাৰ দি পঠিয়াইছিল। হিউৱেনচাঙে কত বৌদ্ধবিহাৰত শাস্ত্ৰ-চৰ্চা শুনিছিল, আৰু নিজে তাত ভাগ লৈছিল। ধাৰাৰ ভোজ-ৰজাৰ গ্ৰন্থাগাৰৰ উল্লেখ পোৱা যায়। আক্ৰমণকাৰীৰ কৱলত পৰি কত ভাৰতীয় গ্ৰন্থাগাৰ ধ্বংসপ্ৰাপ্ত হ'ল, তাৰ বাতৰিবা কোনে ৰাখিছে। স্থাণীশ্বৰ, জলন্ধৰ, ওদন্তপুৰ, মথুৰা, কান্যকুব্জ, বাৰাণসী আৰু পাটলিপুত্ৰৰ গ্ৰন্থাগাৰ কেৱল মুছলমানসকলৰ আক্ৰমণৰ সময়তে নষ্ট হৈ যায়। বখ্‌তিয়াৰ খিল্‌জীয়ে বিক্ৰমশীলা গ্ৰন্থাগাৰ ধ্বংস কৰাৰ বিৱৰণ "তবকত্‌-ই-নছিৰী" গ্ৰন্থত পোৱা হৈছে। ইউৰোপীয়সকলৰ আগমনৰ পাছত অশেষ মূল্যবান পুথি বিদেশলৈ চালান হ'ল। সেইবোৰে এতিয়াও নানা গ্ৰন্থাগাৰ চহকী কৰি আছে। অৱশ্যে সিবিলাকৰ অধ্যয়ন গৱেষণা সিবোৰ দেশতো ভালকৈয়ে হৈছে। পুৰণিকালত পুথি নকল কৰা, পুথি দান কৰা পুণ্যকাৰ্য বুলি পৰিগণিত হৈছিল। পুৰাণং ভাৰতং ৱাপি ৰামায়ণমথাপি ৱা। লিখিত্বা পুস্তকং দত্বা ভুক্তিমুক্তিমৱাপ্নুয়াৎ॥ পুস্তকহৰণ কাৰ্যক সেইদৰে অতি বেয়াভাৱে নিন্দা কৰা হৈছে, পুস্তকং হৰেৎ যস্তু কাণো দুঃখী ভৱেন্নৰঃ। মৃতঃ স্বৰ্গং ন গচ্ছেৎ নৰকং পিতৰং নয়েৎ॥ এইদৰে ব্যক্তিগত আৰু ৰাজহুৱাভাৱে পুস্তকালয় বৃদ্ধি-প্ৰাপ্ত হৈছিল। নেপালৰ দৰবাৰ লাইব্ৰেৰি, কোচবিহাৰৰ ৰাজকীয়

লাইব্ৰেৰি, দাৰভাঙ্গাৰ মহাৰাজৰ গ্ৰন্থাগাৰ আদি আমাৰ ৰজা-মহাৰজাসকলৰ বিদ্যানুৰাগৰ মনোৰম নিদৰ্শন।

বৰ্ত্তমান ভাৰতৰ গ্ৰন্থাগাৰবোৰৰ ভিতৰত কলিকতাৰ নেচনেল লাইব্ৰেৰি প্ৰধান। ১৮৯১ চনত স্থাপিত ইম্পিৰিয়েল লাইব্ৰেৰি আৰু ১৮৩৬ চনত প্ৰতিষ্ঠিত কলিকতা পাব্লিক লাইব্ৰেৰি সংযুক্ত কৰা হয় ১৯০৩ চনত লৰ্ড কাৰ্জনৰ যত্নত। সি তেতিয়াই জনসাধাৰণৰ বাবে মুকলি হয়। ১৯৪৮ চনত ইম্পিৰিয়েল লাইব্ৰেৰিয়েই নেচনেল লাইব্ৰেৰি নাম লৈ আলিপুৰৰ পুৰণি-বৰলাট ভৱন বেলভেডিয়াৰত অৱস্থিত হয়। ইয়াৰ পুথিৰ সংখ্যা প্ৰায় সাত লাখৰ ওপৰ। গৱেষণা কাৰ্যৰ বাবে নেচনেল লাইব্ৰেৰি অনেক ক্ষেত্ৰত অপৰিহাৰ্য। গুৱাহাটীত বহি অনুসন্ধান চলোৱাসকলেও এই লাইব্ৰেৰিত দূৰৰেপৰা শৰণ নল'লে নচলে। লাইব্ৰেৰিটি বৰ্ত্তমান কেন্দ্ৰীয় মন্ত্ৰী-দপ্তৰৰ দ্বাৰা পৰিচালিত। কলিকতাৰ এছিয়াটিক চোচাইটি লাইব্ৰেৰিৰ দৰে প্ৰাচ্যবিদ্যা সম্পৰ্কত সমৃদ্ধ গ্ৰন্থাগাৰ দ্বিতীয় এটি নাই। চোচাইটি ১৮৭৪ চনত প্ৰতিষ্ঠিত হয় আৰু তেতিয়াৰপৰা পুথি-ভঁৰালটি ক্ৰমে নিৰ্মিত হয়। বঙ্গীয় সাহিত্য পৰিষদ গ্ৰন্থাগাৰত লক্ষাধিক কিতাপ আছে। বিশ্বভাৰতীৰ কেন্দ্ৰীয় গ্ৰন্থাগাৰত দুই লাখৰ ওপৰ পুথি আছে। চৈনিক, ফৰাচী আৰু জাৰ্মান ভাষাৰ পুথি, তুলাপতীয়া-তালপতীয়া প্ৰায় ছাবে পাঁচ হাজাৰ পুথি এই গ্ৰন্থাগাৰৰ বিশেষ সম্পদ। মাদ্ৰাজ, বোম্বাই, পুণা আৰু লক্ষ্ণৌৰ পাব্লিক লাইব্ৰেৰিও যথেষ্ট বৃহৎ। পাটনাৰ অধ্যাপক খুদাবক্স ওৰিয়েণ্টাল লাইব্ৰেৰিত বহুতো বহুমূল্য কাৰ্চী পাণ্ডুলিপি সংৰক্ষিত আছে। ১৯৩৮ চনত ৰাহুল সাংকৃত্যায়নে তিব্বতৰপৰা সংগ্ৰহ কৰা হাতে লিখা পুথিবোৰ পাটনা সংগ্ৰহালয়ত ৰক্ষিত হৈছে।

প্ৰাচীন কামৰূপতো বিদ্যা, পুথি আৰু পুথিভঁৰালৰ আদৰ আগিৰেপৰাই দেখা পোৱা যায়। লেখন-বিদ্যা ইয়াত সুন্দৰভাৱে সংগঠিত হৈছিল। নানা ধাতুৰ পাতৰ উপৰিও গছৰ ছাল আৰু

বাকলি আদিৰে লিখা পাত প্ৰস্তুত কৰা হৈছিল। ভাস্কৰবৰ্মাই হৰ্ষবৰ্ধনলৈ পঠোৱা উপঢৌকনৰ ভিতৰত সাঁচিপাতৰ পুথিও আছিল। বিভিন্ন ৰজাসকলে শিক্ষাৰ পৃষ্ঠপোষকতা কৰাৰ লগতে গ্ৰন্থবৃদ্ধিতো সহায় কৰিছিল। শঙ্কৰদেৱৰ লগত তৰ্ক কৰিবলৈ কোচবেহাৰ ৰাজসভালৈ অহা পণ্ডিতসকলে নানাবোৰ শাস্ত্ৰ সাঙী-ভাৰ বান্ধি নিছিল আৰু সিবোৰৰ দ'ম ইমান ডাঙৰ হৈছিল যে তাৰ আঁৰত একোটা মানুহ লুকাব পাৰিছিল। নৰনাৰায়ণ ৰজাই ৰাম সৰস্বতীক মহাভাৰত অনুবাদ কৰিবলৈ দিওঁতে 'ৰলধি জোৰাই' নানা টীকা-ভাষ্য কৰিৰ গৃহলৈ ৰাজকীয় ভঁৰালৰপৰা পঠিয়াই দিছিল। নৱ-বৈষ্ণৱ-ধৰ্ম প্ৰচাৰৰ লগে লগে সংগঠিত সত্ৰসমূহ একোটি গ্ৰন্থাগাৰত পৰিণত হৈছিল। সত্ৰলৈ অহা নতুন ভকতৰ ল'ৰাৰ শিক্ষা আৰম্ভ হৈছিল পুথি নকল কৰিবলৈ ধৰাৰে। শঙ্কৰদেৱৰ যুগত পুথিৰ বৃদ্ধি কিদৰে হৈছিল, সেই কথা নিৰক্ষৰ মুৰাৰি বৰকোচৰ ঘৰত থকা 'দিব্য অক্ষৰ'ৰ ৰত্নাৱলী পুথি পোৱাৰপৰাই বুজিব পাৰি। আহোম ৰজাসকলো বিদ্যানুৰাগী লোক আছিল। বুৰঞ্জীকো প্ৰায় ধৰ্মগ্ৰন্থৰ দৰেই আদৰ কৰা হৈছিল, চকুলঙৰ সময়ত বুৰঞ্জীৰপৰা একোছোৱা পাঠ কৰা বিধি আছিল। ৰজাৰ গন্ধীয়া ভঁৰালত পুৰণি বুৰঞ্জী, তাম্ৰলিপি, বৈদেশিক পত্ৰ আদি সংৰক্ষিত আছিল। ডা-ডাঙৰীয়াসকলে নিজাকৈ বুৰঞ্জী আৰু ধৰ্মগ্ৰন্থৰ একোটি ভঁৰাল ৰখাও দেখা যায়। কীৰ্তিচন্দ্ৰ বৰবৰুৱাৰ বুৰঞ্জী-দাহ ২২১ খ্ৰীস্ট-পূৰ্বৰ চীন সম্ৰাটৰ পুস্তক-দাহৰ দৰেই এটি দুখ লগা ঘটনা। পুথি নকল কৰা এটি পুণ্যকৰ্ম ৰূপে পৰিগণিত হোৱাৰ উপৰিও পুথি লিখা কাম অৰ্থকৰী বিত্তাৰূপে চলিছিল সিদিনাখনলৈকে। আমি যোৰহাটৰ যোৰা শতিকাৰ এজন মৌজাদাৰৰ ঘৰত পোৱা এখনি সুন্দৰ আখৰৰ 'ভক্তি-ৰত্নাৱলী' পুথিৰ বেচ ধৰা হৈছে কুৰি টকা আৰু লিপিকাৰে শেষৰ কালে দুখ নিবেদন কৰি লিখি থৈছে,—'শ্ৰীকৃষ্ণৰাম শৰ্ম্মা অতি দুখ মনে। লেখিলা পুস্তক এহি

খাজনা অবিহনে।' মানব দিনৰ ভয়াবহ অৱস্থাৰ পাছত গুৱাহাটীত ঠাই লোৱা আহোম ৰাজপৰিয়ালবৰ্গৰ কেইবাখনিও 'লৱ কুশৰ যুদ্ধ'ৰ লেখীয়া বিশেষকৈ সচিত্ৰ পুথি পোৱা গৈছিল। সেই যুগতে কিমান ৰাজকীয় আৰু ব্যক্তিগত গ্ৰন্থাগাৰৰ পুথি নষ্ট হ'ল আৰু আক্ৰমণকাৰী আৰু ভগনীয়াৰ হাতোদ স্থানান্তৰিত হ'ল, তাৰ বিচাৰ আজিও হোৱা নাই। বৰ্মাৰপৰা পূৰ্ণকান্ত গোহাঁয়ে অনা ভাৰতৰ ষষ্ঠ স্কন্ধৰ শেষ সাঁচিপাতটোৰ বুকত অতীৱ সুন্দৰ সিকালৰ আমাৰ স্বৰ্গদেৱ, কোঁৱৰ আৰু গায়ন বায়নসকলৰ চিত্ৰটি দেখি দীঘল হুমুনিয়াহ মাথোন ওলায়।

নতুন ভাৰতত গ্ৰন্থাগাৰৰ আৱশ্যকতা দিনক দিনে বাঢ়িব লাগিছে। ভৱিষ্যতৰ নাগৰিকসকলক শিক্ষা দিবৰ কাৰণে শিক্ষালয়, গ্ৰন্থ আৰু গ্ৰন্থাগাৰ বৰ বহুল পৰিমাণত লগা হৈছে। প্ৰাথমিক শিক্ষা আৰু বয়স্কসকলৰ শিক্ষাৰ প্ৰসাৰৰ লগে লগে সেই শিক্ষাৰ পাছত যাতে ল'ৰা-ছোৱালী আৰু বয়স্কসকল পুনৰ নিৰক্ষৰত পৰিণত নহয়, তাৰ বাবেও গাঁৱে গাঁৱে পঢ়াশালিৰ দৰ্কাৰ। ১৯০৭ চনত বৰোদা ৰাজ্যত প্ৰাথমিক শিক্ষা বাধ্যতামূলক কৰাৰ পাছত বৰ্তমান শতিকাৰ দ্বিতীয় দশকত অনেক পাঠাগাৰ সৃষ্টি কৰা হয়। ইয়াৰ ফলত ১৯৩৫ চনমানত বৰোদাৰ প্ৰতি গাঁৱে একো-খনি সুন্দৰ গ্ৰন্থাগাৰ লৈ গৌৰৱ কৰিব পৰা অৱস্থা হয়। বৰোদাৰ এই মনোৰম আদৰ্শই আজিসকলকো অনুপ্ৰাণিত কৰিছিল। বোম্বাই ৰাজ্যত বয়স্ক শিক্ষা-প্ৰণালী হাত তলৈ বহুতো গাঁৱলীয়া পুথিভঁৰাল নিৰ্মাণ কৰি দিয়া হয়। UNESCO ৰ দ্বাৰা প্ৰকাশিত তিনিজন বিখ্যাত শিক্ষাবিদৰ লিখিত *Adult Education Activities for Public Libraries* (১৯৫০) পুথিত ডেনমাৰ্ক, ইংলেণ্ড আৰু এমেৰিকাৰ যুক্তৰাষ্ট্ৰৰ বয়স্ক-শিক্ষাৰ প্ৰসাৰত ৰাজহুৱা পুথিভঁৰালে কি ভূমিকা গ্ৰহণ কৰিছে, তাক সুন্দৰকৈ বৰ্ণোৱা হৈছে।

অল ইণ্ডিয়া লাইব্ৰেৰি এছোচিয়েচনে ঘনাই কেন্দ্ৰীয় আৰু

ৰাজ্যিক চৰকাৰবোৰক সকীয়াই আছে যে চৰকাৰৰ পৰিচালনাত বৈজ্ঞানিক ভিত্তিত ৰাজহুৱা পাঠাগাৰ হ'ব লাগে আৰু প্ৰশিক্ষণ-প্ৰাপ্ত গ্ৰন্থাগাৰিকৰ দ্বাৰা সিবোৰ পৰিচালিত হ'ব লাগে। প্ৰকৃততে দেশ-জোৰা অজ্ঞানান্ধকাৰ-বিমোচনৰ কাৰণে এইটি অতি উৎকৃষ্ট পন্থা। এনে ধৰণৰ ৰাজহুৱা গ্ৰন্থাগাৰ গ্ৰাম-পঞ্চায়ত, পৌৰসভা, স্থানীয় নিকায় আদিৰ যোগেদি পৰিচালিত হ'লে বিভিন্ন অঞ্চলৰ আৱশ্যক-অনাৱশ্যক অনুসৰি সিবোৰ কাৰ্যকৰী হৈ উঠিব পাৰে। এনে গ্ৰন্থাগাৰ সৰ্বজনৰ মঙ্গলৰ অনুষ্ঠান। গতিকে ইয়াৰ পৰিপোষণৰ কাৰণে নতুন কৰ সংগ্ৰহ কৰাও অবিধেয় নহ'ব। অৱশ্যে এই বিষয়ত বৰ্তমানে থকা এনেবোৰ অনুষ্ঠানৰ আভ্যন্তৰীণ দুৰ্বলতা আৰু নতুন কৰৰ বাবে আইন প্ৰণয়ন কৰাৰ গুৰুৰ ভাবিব লগীয়া বিষয়। এনে এটা নতুন পৰিস্থিতিৰ বাবে জনসাধাৰণৰ মনস্তাত্ত্বিক প্ৰস্তুতি আৱশ্যকীয়। গ্ৰন্থাগাৰ সম্পৰ্কীয় আইনৰ ব্যৱস্থা কৰি লৈ বহুল পৰিমাণে গ্ৰন্থাগাৰ নিৰ্মাণ কৰা চৰকাৰৰ পক্ষৰপৰা হ'লেও সহজ-সাধ্য কাম নহ'ব। সেই অৱস্থা-সৃষ্টিৰ আগলৈকে বৰ্তমানে থকা ৰাজহুৱা গ্ৰন্থাগাৰবোৰেই জনগণৰ মানসিক পৰিপুষ্টি সাধনৰ বাবে যত্ন কৰি থাকিব লাগিব। গতিকে আজি ভাবিব লগীয়া হৈছে এই গ্ৰন্থাগাৰবোৰ কেনেকৈ সুপৰিকল্পিত পদ্ধতিত সংৰক্ষণ আৰু পৰিচালন কৰিব পাৰি।

নেচনেল লাইব্ৰেৰিৰ সম্পৰ্কত বহুত কালৰপৰা নানা আলোচনা-বিলোচনা চলি আহিছে। সৰ্বভাৰতীয় গ্ৰন্থাগাৰ সংস্থাই চৰকাৰক নানা পৰামৰ্শও দি আহিছে। নতুন দিল্লীত নতুন এক ৰাষ্ট্ৰীয় গ্ৰন্থাগাৰ-নিৰ্মাণৰ চেষ্টাও চলি আছে। কিন্তু এটি কথা এই প্ৰসঙ্গত বিশেষভাৱে ক'ব লগীয়া আছে। ১৮৬৭ চনৰ ৰেজিষ্ট্ৰেচন্ অব্ বুক্‌ছ এক্ট্ মতে পুথি ছপা হ'লেই তিনিখন চৰকাৰৰ ঘৰত গতাব লাগিছিল। তাৰে একোখন লৈ লণ্ডনৰ ইণ্ডিয়া অফিচ লাইব্ৰেৰিত সংৰক্ষিত হয়। আদিৰেপৰা আমাৰ স্বাধীনতা-প্ৰাপ্তিৰ

সময়লৈকে সকলো পুথি এইদৰে ইণ্ডিয়া অফিচতে আছে। সেইখিনি আমাৰ নেচনেল লাইব্ৰেৰিলৈ আনিব লাগে বুলি বহুত কালৰেপৰা দাবী জনোৱা হৈ আহিছে। এই দাবী পূৰণ কৰাত ভাৰত চৰকাৰ কিমান দূৰ অগ্ৰসৰ হ'ব পাৰিছে, জনা নাযায়। ১৮৬৭ চনৰ আইনখনত বাতৰি-কাকত আৰু সাময়িক পত্ৰিকা আদি কিতাপৰ দৰেই চৰকাৰৰ ঘৰত জমা দিয়া নিয়ম লিপিবদ্ধ কৰা হোৱা নাই। এই বিষয়তো নতুন বিধি-প্ৰণয়নৰ আৱশ্যকতা হৈ গৈছে।

পুৰণি চাঁচিপতীয়া, তুলাপতীয়া আদি পুথিৰ সংগ্ৰহৰ বিষয়ত আমাৰ বিশেষ ক'ব লগীয়া আছে। বহুতকাল আগতে অসমৰ ইংৰাজ শাসনকৰ্তাসকলে পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ হতুৱাই বহল-ভাৱে পুৰণি পুথি সংগ্ৰহ কৰাইছিল। বৰ্তমান অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগে আৰু গুৱাহাটী বিশ্ববিদ্যালয়ে কিছু সংগ্ৰহ কৰি আছে। কিন্তু এই সকলো অনুষ্ঠানৰ সহযোগিতাৰে অসম চৰকাৰে বহল এখন আঁচনি লৈ সকলো জিলা, মহকুমা, মৌজা আৰু গাঁৱতে পুথি-সংগ্ৰহৰ ব্যৱস্থা নকৰিলে অসমৰ শিক্ষা, সাহিত্য আৰু সংস্কৃতিৰ বুৰঞ্জীৰ বহুতো ভাগ চিৰকাললৈকে অপূৰ্ণ হৈ যাব। ইতিমধ্যে কিমান পুথি অসমৰ বাহিৰলৈ গুচি গৈছে আৰু কিমানৰ ওপৰত বল্মীক নিৰ্মিত হৈছে, কোননো বাল্মীকিয়ে সেই শোকৰ শ্লোক ৰচনা কৰিছে?

যদিও সদৌ অসম পুথিভঁৰাল সংঘ নানা বিষজনৰ দ্বাৰা অলঙ্কৃত হৈ আহিছে, তথাপি আমাৰ জাতীয় জীৱনত ই যি স্থান আৰু সমাদৰ পাব লাগে, আজিও পোৱা নাই। গ্ৰন্থাগাৰ-জগতৰ যি অন্ধকাৰ অসমত উপচি আছে, তাৰ মাজত এই সংস্থাই এটি সৰু প্ৰদীপ ধৰি আছে। আনকালে নানা পুথিভঁৰালে অসমত স্থিতি লভি জহি-খহি গৈছে, অনেক অৰ্থ আৰু পুথি-পত্ৰ ধ্বংস কৰিছে। ই আমাৰ এটি জাতীয় অপচয় নহয়নে? এই পুথি-

ভঁৰালবোৰ সুসংৰক্ষিত আৰু সুপৰিচালিত কৰিবৰ কাৰণে চৰকাৰে অতি সোনকালে এটি ব্যৱস্থা গ্ৰহণ কৰিব লাগে। সামাজিক শিক্ষা-বিভাগ, সাধাৰণ শিক্ষা-বিভাগ, জাতীয় সম্প্ৰসাৰণ, সমূহীয়া-উন্নয়ন আঁচনি আদিৰ জৰিয়তে এই বিপন্ন গ্ৰন্থাগাৰবোৰক আৰ্থিক সাহায্য আদি নিদিয়া নহয়। কিন্তু সেই সাহায্য ঠিকমতে কামত লাগিছেনে, তাৰ হিচাপ চৰকাৰৰ ঘৰত আছে জানো? গাঁৱৰ পুথিভঁৰালবোৰ চাবলৈ কিছুজন এছিস্টেণ্ট্ ছব্-ইন্‌ছপেক্টৰ অব্ স্কুল নিযুক্ত হৈছে। তেওঁলোকেইবা আমাৰ এই বিকলতাৰ সাগৰত কিমান সাঁতুৰিব পাৰিছে? গাঁৱৰ পুথিভঁৰালবোৰ যাতে ৰাজনৈতিক ঘুলি নহয়, সিও গুণি চাবৰ বিষয়। চলন্ত গ্ৰন্থাগাৰ আৰু চৰকাৰৰ উপগ্ৰন্থাগাৰিক আদিৰ যোগেদি গ্ৰন্থ বিতৰণৰ ব্যৱস্থা প্ৰশংসনীয়। কিন্তু এনে কাৰ্যও অধিক প্ৰণালীবদ্ধ হোৱা উচিত। এই সকলো কথা বিচাৰ কৰিলে চৰকাৰৰ কালৰপৰা আইন তৈয়াৰ কৰি হ'লেও এটি মূল নিয়ন্ত্ৰণ-সংস্থা কৰিব লাগে। দ্বিতীয়তে, সদৌ অসম পুথিভঁৰাল সংঘক চৰকাৰে সম্পূৰ্ণ স্বীকৃতি দি অধিক ক্ষমতাপন্ন কৰি তুলিব লাগে। গ্ৰন্থাগাৰ বিষয়ত অসম-এতিয়া এটি খেলিত মেলি বৰ্ত্তমান। প্ৰায় চাৰি হাজাৰমান সৰু-ডাঙৰ পুথিভঁৰাল অসমত আছে বুলি অনুমান কৰিব পাৰি। ইয়াৰ ভিতৰত কেইশানহে সংঘৰ লগত সম্বন্ধিত। এই পুথিভঁৰালবোৰে নানা কষ্টৰ মাজেদি জীৱন নিৰ্বাহ কৰি আছে। হচৰি গাই, মুষ্টি-ভিক্ষা কৰি, আন কি লোকৰ ঘৰত ভুঁই কই আৰু ধান দায়ো পুথিভঁৰাল চলোৱাৰপৰা বুজিব পাৰি, ৰাইজৰ মাজত এই বিদ্যানুষ্ঠানটিৰ প্ৰতি কিমান আগ্ৰহ হ'ব লাগিছে। এনে অনুষ্ঠানক সহায় নকৰাটোৱেই যেন পাপ।

অসম চৰকাৰৰ ওচৰত আৰু এটি নিবেদন আছে। জন-গণৰ মঙ্গলৰ অৰ্থে বৈজ্ঞানিক পদ্ধতিত গ্ৰন্থাগাৰসমূহ পৰিচালনা কৰিবলৈ ৰাজহুৱা পুথিভঁৰালৰ ভঁৰালীক চৰকাৰী গ্ৰন্থাগাৰিকসকলৰ লগতে গ্ৰন্থাগাৰ-বিজ্ঞানৰ প্ৰশিক্ষণ দিয়াৰ দিহা অতি সোনকালে হ'ব

লাগে। এই প্ৰশিক্ষণ চৰকাৰৰ পৈণত গ্ৰন্থাগাৰিকসকলৰ পৰিচালনাতো আয়োজন কৰিব পৰা হয়, আৰু তেতিয়া হ'লে এই বিষয়ত চৰকাৰ পক্ষৰ খৰচৰ মাত্ৰাও কম পৰে।

সকলোবোৰ পুথিভঁৰালৰ প্ৰাণৰ আকৃতিক একৰ দিবৰ কাৰণে সদৌ অসম পুথিভঁৰাল সংঘই যত্ন কৰি আহিছে। সংঘৰ মহকুমায়-মহকুমায় থকা জিলা সংঘবোৰৰ জৰিয়তে গ্ৰন্থাগাৰ আন্দোলন সুপৰিকল্পিত কৰিবৰ যত্ন কৰা হৈছে। কিন্তু চৰকাৰী গ্ৰন্থাগাৰসমূহ, স্কুল-কলেজৰ লাইব্ৰেৰিবোৰ এতিয়াও সংঘেৰে অসম্বন্ধিত। চৰকাৰে এই বিষয়ে চিন্তা কৰিলে চৰকাৰী-বেচৰকাৰী সকলো গ্ৰন্থাগাৰে সাধাৰণ লক্ষ্যলৈ চকু ৰাখি একেলগে আগ বাঢ়িব পাৰে। মুঠতে পুথিভঁৰালৰ যোগে ৰাইজৰ এই বিদ্যানুৰাগ সঞ্জীৱিত কৰি ৰাখিবলৈ অসম চৰকাৰক পুনৰ পুনৰ অনুৰোধ জনোৱা হ'ল।

বাজ্যিক গ্ৰন্থাগাৰ-বিধি-ৰচনা[১]

অসম পুথিভঁৰাল সংঘৰ কথা

আমি ১৯৬৪ চনৰ অক্টোবৰৰ অষ্টম মুকলি অধিবেশনৰ পিছত আজি আকৌ ইয়াত বাইজেৰে লগ হৈছো। ইয়াৰ ভিতৰতে অসম পুথিভঁৰাল সংঘই কি কৰিব পাৰিছে আৰু কি কৰিব নোৱাৰিলে, তাৰ খতিয়ান সম্পাদকৰ প্ৰতিবেদনৰপৰাই আপোনা-লোকে পাব। কিন্তু ব্যক্তিগতভাৱে মোৰো অলপ কথা ক'ব লগা আছে। ১৯৫৯ চনৰ মেই মাহত মংগলদৈত বহা মুকলি অধিবেশনৰ বাবে যেতিয়া তেতিয়াৰ কাৰ্য্যনিৰ্বাহক সমিতিয়ে মোক সভাপতি পাতে, ভাবিছিলো, সোনকালেই সেই গুৰু দায়িত্বৰপৰা বেহাই পাম। কিন্তু ১৯৬৪ৰ অধিবেশনত পুনৰ সেই দায়িত্ব বাহাল থাকিল। তেতিয়া আকৌ সভাপতিৰ অভিভাষণত আমাৰএই এচুকীয়া অসমতো গ্ৰন্থাগাৰ-বিজ্ঞানৰ অলপ পৰিমাণে হ'লেও উন্নতিলৈ আৰু আমাৰ নিজৰ অযোগ্যতালৈ চাই মোক অব্যাহতি দিব বুলি আশা আৰু প্ৰাৰ্থনা কৰিছিলো, কিন্তু আপোনালোকৰ কিবা কৃপা-গুণৰ বলত ১৯৭১ চনৰ এই অধিবেশনতো আপোনালোকক আজিৰ দৰে লগ পাবৰ সৌভাগ্য মোৰ আকৌ ঘটিল। তাৰ বাবে পুথিভঁৰাল সংঘক আৰু অভ্যাৰ্থনা সমিতিক ধন্যবাদ জনাইছো। তেখেতসকলক পুনৰ ধন্যবাদ জনাম যদি এইবাৰ সভাপতিৰ দায়িত্ব গ্ৰন্থাগাৰ আৰু গ্ৰন্থাগাৰ-বিজ্ঞানৰ লগত প্ৰত্যক্ষভাৱে জড়িত কোনো যোগ্যজনৰ হাতত অৰ্পণ কৰে। কাৰণ, নিজৰ বিষয়-বাসনাৰ লগত ঘনভাৱে জড়িত বিষয়ত লিপ্ত থকা লোকক দূৰণিৰ এটি বিষয়ত সক্ৰিয়ভাৱে সদায় পোৱাৰ আশা সকলো সদিচ্ছা সত্বেও দুৰূহ হৈ পৰে।

১। অসম পুথিভঁৰাল সংঘ, নৱম মুকলি অধিবেশন, ১১ এপ্ৰিল, ১৯৭১

অসম পুথিভঁৰাল সংঘৰ বুৰঞ্জীৰ পাতিয়েই পোনৰেপৰা যে বৰ টনকিয়াল নহয়, এই কথা ১৯৩৮ চনত জন্ম পোৱা এই অনুষ্ঠানৰ আজিলৈকে মাথোন নটা অধিৱেশন বহাৰপৰাই বুজিব পাৰি। তথাপি ইয়াৰ উদ্যোক্তা আৰু বিষয়-ববীয়াসকলেযে সংঘৰ ভেটিটো ৰাখি আহিছে, তাৰ বাবে তেখেতসকল আমাৰ নিতান্ত প্ৰশংসাৰ পাত্ৰ। আজিলৈকে সংঘৰ বেতনভোগী কৰ্মচাৰী এজনো হোৱা নাই। কিন্তু অবৈতনিক বিষয়-ববীয়াসকলে দেশৰ গ্ৰন্থাগাৰ-আন্দোলনৰ লগত নিজৰ যোগ-সূত্ৰ ৰক্ষা কৰিবলৈ সততে যত্ন কৰিছে আৰু চৰকাৰৰ দুৱাৰ-মুখতো নানা আবেদন-নিবেদন দাখিল কৰি আহিছে। আজি সেই আন্দোলনে নতুন পোহৰৰ মুখ দেখা পাইছে। আজি আমাৰ অসমতো গ্ৰন্থাগাৰ-বিজ্ঞানত শিক্ষা আৰু প্ৰশিক্ষণ পোৱা ভালেখিনি লোক ওলাইছে। সৰু-ডাঙৰ নানা গ্ৰন্থাগাৰ চাৰিওফালে বিয়পি পৰিছে। বিশেষকৈ বিশ্ববিদ্যালয়, মহাবিদ্যালয়, আৰু উচ্চ মাধ্যমিক বিদ্যালয়ৰ সংখ্যা যথেষ্ট হোৱাত আৰু সেই সকলোতে একোটি গ্ৰন্থাগাৰ হোৱাত আমি নতুন উদ্দীপনা এটি দেখা পাইছো। কেন্দ্ৰীয় চৰকাৰ আৰু বিশ্ববিদ্যালয় অনুদান আয়োগে গ্ৰন্থাগাৰৰ বিষয়ত ভাল পৃষ্ঠপোষকতা আগ বঢ়াইছে। আমাৰ অসম চৰকাৰৰ উদ্যোগত কেন্দ্ৰীয় গ্ৰন্থাগাৰ, জিলা পুথিভঁৰাল, চলন্ত পুথিভঁৰাল, পুথি জমা ৰখা কেন্দ্ৰ আদি স্থাপিত হোৱাত পুথি আৰু জ্ঞানৰ প্ৰতি ৰাইজৰ নতুন আগ্ৰহে দেখা দিছে। তদুপৰি গাঁৱে-নগৰে থকা সৰু সৰু পুথিভঁৰালসমূহেও কিঞ্চিৎ হ'লেও বঞ্চিত নোহোৱাকৈ চৰকাৰৰপৰা সাহায্য পাব পাৰিছে। ঠায়ে ঠায়ে ৰাজহুৱা উৎসাহত নতুন নতুন পাঠাগাৰৰ কাম আৰম্ভ কৰা হৈছে। এই সময়ত পুথিভঁৰাল সংঘ শক্তিশালী হোৱাটো নিতান্ত প্ৰয়োজনীয় হৈ পৰিছে। সংঘ শক্তিশালী হ'ব সুযোগো এয়ে। কাৰণ, আজি আৰু উদ্যোগী-কৰ্মীৰ অভাৱ হ'ব সম্ভাৱনাই কমি আহিল।

পিছে, পুথিভঁৰাল সংঘৰ আদিৰ বুৰঞ্জী সিমান উজ্জ্বল নাছিল। গুৱাহাটীত সংঘৰ প্ৰথম সভা বহোঁতে “তুই এজনতকৈ সৰহ মানুহ গোট নাখাব বুলি” উজানবজাৰৰ ছাত্ৰসকলক লগাই “সভাৰ দিনা বিনামূল্যে চাহ-গাখীৰ যোগান ধৰাৰ জাননী” প্ৰচাৰ কৰা হৈছিল। গাঁও-ভূঁইত “লাইব্ৰেৰী ভাব প্ৰচলন কৰা” উদ্দেশ্যে হাটত গৈ stump orator হৈ বক্তৃতা দিবলৈ যাওঁতে কুমুদেশ্বৰ বৰঠাকুৰ আৰু তেওঁৰ লগৰীয়া এজন অধ্যাপকক “বাওঁকা কোঁচাই লৈ বজাৰত কি বকিছ বুলি মানুহে খেদা ধৰিছিল।” কেতিয়াবা বৰ-ঠাকুৰদেৱে পুলিচ বা হাকিমৰ আগত জবানবন্দিও দিবগৈ লগাত পৰিছিল। তথাপি মুষ্টিভিক্ষাৰ আশ্ৰয় লৈ বা ঘকৰা পুথিভঁৰাল নাপাতিলে ল'ৰা-ছোৱালীক মাক-বাপেকৰ ওচৰত অভিমান কৰিবলৈ শিকাই দি এই বাটকটীয়াসকলে বৰোদা ৰাজ্যত দেখি অহা গ্ৰন্থাগাৰ-আন্দোলনৰ অনুপ্ৰেৰণা লৈ কামত আগ বাঢ়িছিল। তেওঁলোকবে ক'ৰবাত বিশেষ কৃতকাৰ্য হৈছিল, এনেও নহয়। বৰং চাৰিওকালে “নহ'ব, নহ'ব” সন্নিধান্ শুনি তেওঁলোকে ৰবীন্দ্ৰনাথৰ বাণীকে যেন সাৰোগত কৰি লৈছিল, “যদি তোর ডাক শুনে কেউ না আসে, তবে একলা চলো রে।” সেইসকলে জলাই যোৱা বন্তিৰ পোহৰতে সংঘ ইমান দিনে আগ বাঢ়িছে। আজি সংঘই নতুন উদ্ভাসিত আলোক দেখা পাব বুলি আশা হৈছে।

সংঘৰ বহুত দিনৰ এটি সপোন আছিল গুৱাহাটী বিশ্ববিদ্যালয়ত গ্ৰন্থাগাৰ-বিজ্ঞানৰ শিক্ষাৰ ব্যৱস্থা দেখা পোৱা। বিশ্ববিদ্যালয় কৰ্তৃ-পক্ষৰ উদ্যোগত আজি আমি সেই ব্যৱস্থা দেখা পাইছো। ই আমাৰ বিশেষ আনন্দৰ বিষয়, কাৰণ বিজ্ঞানসম্মত গ্ৰন্থাগাৰ-পৰিচালনা-ৰীতিৰ প্ৰয়োগ গ্ৰন্থাগাৰ-আন্দোলনৰ এক ডাঙৰ আশাৰ থল।

সংঘৰ আৰু এটি ডাঙৰ আশা কেতিয়া পূৰ হ'ব, আমি এতিয়াও ধৰিব পৰা নাই। সংঘই দোনবেলৰা বাহ্য কৰি আছিছে, আমাৰ চৰকাৰে এখন গ্ৰন্থাগাৰ বিধি বা আইন প্ৰণয়ন আৰু

প্ৰবৰ্ত্তন কৰি ৰাজ্যৰ গ্ৰন্থাগাৰ-সংগঠনক সুগঠিত কৰি তুলিব। গ্ৰন্থাগাৰ-বিজ্ঞানৰ শিৰোমণি পণ্ডিত ডক্টৰ ৰঙ্গনাথনৰ নেতৃত্বত বৰ্ত্তমান শতিকাৰ চতুৰ্থ দশকৰেপৰা কেন্দ্ৰীয় আৰু ৰাজ্যিক পৰ্য্যায়ত পুথিভঁৰাল আইন প্ৰবৰ্ত্তন কৰাৰ এটি যত্ন চলি আহিছে। কিন্তু এই প্ৰচেষ্টাৰ বাটত বাধাৰ উপৰি বাধা। ১৯৩০ চনতে ডক্টৰ ৰঙ্গনাথনে এখন আদৰ্শ গ্ৰন্থাগাৰ-বিধিৰ খচৰা প্ৰস্তুত কৰিছিল। ১৯৩১ চনত যেতিয়া বঙ্গদেশৰ বিধান-সভাত গ্ৰহণৰ বাবে আইনৰ খচৰা উত্থাপন কৰা হৈছিল, তেতিয়াৰ গৱৰ্ণৰে তাক আগ বাঢ়িব-লৈকে নিদিলে। ১৯৩৩ চনতে মাদ্ৰাজ বিধান-সভাত একেটি বস্তু উত্থাপিত হৈছিল। কিন্তু মাদ্ৰাজৰ পুথিভঁৰাল আইন ১৯৪৮ চনতহে বলবৎ হয়হি। হায়দৰাবাদত ১৯৫৫ত আৰু কেৰলত ১৯৫৯ত এনে আইন হয়। এইদৰে গ্ৰন্থাগাৰ-বিধি-প্ৰণয়নৰ গতি বৰ মন্থৰ হৈ আহিছে। অসম পুথিভঁৰাল সংঘই চৰকাৰক আইন কৰিবলৈ শুধিবৰেপৰা ধৰি আহিছে। যোৱা অধিৱেশনৰ আগে আগে এখন আইনৰ খচৰা আমাক দিবৰ বাবে ডক্টৰ ৰঙ্গনাথনক অনুৰোধ কৰা হৈছিল। তেখেতৰ ব্যাখ্যামূলক এটি প্ৰবন্ধই সৈতে সেই আইনৰ খচৰা আমাৰ হাতলৈ আহে আৰু যোৱা বাৰৰ স্মৃতিগ্ৰন্থত সন্নিৱিষ্ট হয়। ডক্টৰ ৰঙ্গনাথনে এই বিষয়টি লৈ ৰাজ্যিক শিক্ষামন্ত্ৰীৰ লগতো আলাপ-আলোচনা কৰে আৰু পিছতো আমাৰ চৰকাৰেৰে সংযোগ ৰাখিবলৈ পাহৰা নাই। কিন্তু এই বিষয়ে এতিয়ালৈকে বিশেষ আগ বাঢ়িব পৰা নহৈছে। ইয়াৰ মূল কাৰণ বোধ হয় প্ৰয়োজনীয় অৰ্থৰ অভাৱ। ডক্টৰ ৰঙ্গনাথনে তেখেতৰ ব্যাখ্যাত দেখুওৱামতেই এই খচৰাৰ আইনখন কাৰ্য্যকৰী কৰিবলৈ বৃহৎ পৰিমাণৰ ধনৰ প্ৰয়োজন। তাৰ বাবে ২,২৪২ জন প্ৰশিক্ষণপ্ৰাপ্ত লোক লাগিব। [illegible] কামত লাগিলে বছৰি খৰচৰ পৰিমাণ হ'ব ৫ [illegible] ঘৰ-বাৰীকে ধৰি স্থায়ী নিৰ্মাণ-কাৰ্য্যত মুঠ ৪০ কোটি টকা লাগিব। প্ৰাথমিক

বাৰ্ষিক খৰচেই হ'ব ১০ লাখ টকা। এইবোৰ হিচাপ দেখি চৰকাৰ কোঁচ খাবৰে কথা, কাৰণ আমাৰ ৰাজ্যৰ ঘাটি আয়-ব্যয়কৰ কথা আমি জানো। কিন্তু কমকৈ খৰচ ধৰি এখন আইন তৈয়াৰ কৰিবৰ কাৰণে বাহিৰৰপৰা ডক্টৰ ৰঙ্গনাথন আদিক ধৰি আমাৰো বিজ্ঞ লোক লৈ এখন সমিতি নিয়োগ কৰি সমস্ত বিষয়টো চৰকাৰে পৰীক্ষা কৰালে সুখৰ কথা হ'ব। কাৰণ, দেশৰ উন্নতি নিৰ্ভৰ কৰে শিক্ষাৰ ওপৰত, শিক্ষাৰ এটা অংগ পূৰঠ হ'ব পাৰে বহু গ্ৰন্থাগাৰৰ সংগঠনৰ যোগে, সেই সংগঠন স্বাস্থ্যবান হ'ব যদি তাৰ গুৰি ধৰিবলৈ এখন আইন আৰু শাসকীয় অনুশাসন থাকে। মই আজিৰ এই সভাপতিৰ আসনৰপৰা মুখ্যমন্ত্ৰী আৰু ৰাজ্য চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো দেশৰ এই বিশেষ প্ৰয়োজনলৈ। আমাৰ এই দাবী মানি লৈ আজিয়ে মুখ্যমন্ত্ৰীয়ে বিধি-প্ৰণয়নৰ ব্যৱস্থা পৰীক্ষা কৰি চাব বুলি আমাক প্ৰতিশ্ৰুতি দিয়াত আনন্দ লাভ কৰিলো।

খ্ৰীস্টপূৰ্ব ১৩০০ অব্দৰ গ্ৰীক ৰাজাধিৰাজ ওজাইমেণ্ডিয়াছৰ "আত্মাৰ ঔষধালয়" স্বৰূপ গ্ৰন্থাগাৰ বা এছিৰিয়াৰ অসুৰ বাণীপালৰ দহ হেজাৰ গ্ৰন্থৰ নিনেভৰ পুথিভঁৰালৰপৰা আৰম্ভ কৰি আজিৰ বোডলেয়ান আৰু আমাৰ ৰাষ্ট্ৰীয় গ্ৰন্থাগাৰলৈকে পুথিভঁৰালৰ বুৰঞ্জীৰ বকলা মেলি আপোনালোকক আমনি নিদিওঁ। আগৰ দুখন অভিভাষণতে সেই দুষ্কৰ্ম কৰিছো। যোৱা মাহত মাথোন পাটনা চহৰলৈ যাওঁতে বহু দিনৰ হাবিলাসটি পূৰণ কৰি অধ্যাপক খুদাবক্সৰ ব্যক্তিগত গ্ৰন্থাগাৰটি দেখা পালো। কি অপূৰ্ব বস্তু!! পৃথিবীৰ সকলো ঠাইৰপৰা সংগৃহীত তাৰ আৰবী-ফাৰ্চী পুথিৰ স্তূপবোৰ দেখি অভিভূত হ'ব লাগে। এজন পণ্ডিতৰ এটি জীৱনৰ কি বিচিত্ৰ এই কৰ্ম!! আনৰ এনে স্পৃহা বিৰল। আমাৰ ৰাজ্যতো তেনে দুই-এটি ব্যক্তিগত [illegible] নহয়। এই বিষয়ত আমাৰ বিশ্ববিশ্ৰুত পণ্ডিত অধ্যা[illegible]কান্ত সন্দিকৈদেৱৰ নিজা পুথিভঁৰালটিৰ কথাই আমাৰ কাণত গোঁনতে আছে। সুখৰ বিষয়, এই পুথি-

ভঁৰালটি সন্দিকৈ ডাঙৰীয়াই গুৱাহাটী বিশ্ববিদ্যালয়ৰ নামত দান কৰিছে। ইয়াৰ বাহিৰেও স্বৰ্গত কেইবাজনো সুপণ্ডিতৰ ভাল পুথি-ভঁৰাল এনেভাবে ৰাজহুৱা অৰ্থাৎ আনুষ্ঠানিক গ্ৰন্থাগাৰত চামিল হোৱা হ'লে ভাল কথা হ'লহেঁতেন। কলিকতাৰ ৰাষ্ট্ৰীয় গ্ৰন্থাগাৰত ছাৰ আশুতোষ মুখোপাধ্যায়, ডক্টৰ সুৰেন্দ্ৰনাথ সেন আদিৰ সংগ্ৰহ সুসংৰক্ষিত হৈছে। এনে ধৰণৰ এটি যত্ন ডাঙৰ পুথিভঁৰাল আদিৰ ফালৰপৰা হ'লে ভাল কথা হ'ব।

অসম পুথিভঁৰাল সংঘৰ এখনি সংবিধান মঙ্গলদৈ অধিবেশনতে গৃহীত হৈছিল। বৰ্তমানে সংশোধিত এখনি সংবিধান প্ৰস্তাৱ কৰা হৈছে নতুন পৰিস্থিতিলৈ লক্ষ্য ৰাখি। আশা কৰোঁ এই সংবিধান লৈ সংঘ নতুন পোহৰত নতুন পথত আগ বাঢ়িব পাৰিব।

আৰু সৰহ কথা কৈ আপোনালোকক আমনি নিদিওঁ। অসম পুথিভঁৰাল সংঘ দীৰ্ঘজীৱী হওক। দেশত পুথিভঁৰালৰ যোগে নৱ নৱ জ্ঞানৰ বিকীৰণ হওক।

ভগৱান বুদ্ধৰ বাণী আৰু অসম[1]

নমো তস্‌স ভগৱতো অৰহতো সম্মাসম্বুদ্ধস্‌স। একুৰি পাঁচ শতাব্দীৰ অন্ধকাৰ ভেদ কৰি যিজনৰ কৰুণাময় মূৰ্তিয়ে আজিও জগতত স্নেহৰ কিৰণ বিলাই আছে, সেই পৰম জ্ঞানৰ আধাৰ ভগৱান বুদ্ধ। কপিলবাস্তুৰ ৰাজকুমাৰক জীৱনৰ দুখ-নিচয়ে গভীৰ-ভাৱে স্পৰ্শ কৰিছিল, শোকাকুল কৰি তুলিছিল। ৰোগ, জৰা, মৰণ, লোভ-দ্বেষ-হিংসা, ভোগ-তৃষ্ণাই মানৱ জীৱনক আৰ্ত কৰি তোলা দেখা পাই তেওঁৰ হৃদয় কান্দি উঠিছিল। সমস্ত মানৱৰ জীৱনৰ দুখৰ পৰিত্ৰাণ বিচাৰি তেওঁ পিতৃ-ৰাজ্যৰ প্ৰলোভন, তেওঁৰ যুৱতী ভাৰ্য্যা আৰু সোণৰ পুতলাৰ দৰে নৱজাত শিশুক পৰিহাৰ কৰি জগতৰ দুখত অন্ধকাৰৰ মাজত আলোকৰ সন্ধান বিচাৰি কষ্টৰ বাটলৈ আগ বাঢ়িল। সন্ন্যাসীৰ ঘোৰ চিন্তাৰ পথেদি তেওঁ সান্ত্বনা লাভ কৰিব নোৱাৰিলে। কৃচ্ছ্রসাধনায়ো তেওঁক পথ দেখুৱাব নোৱাৰিলে। শেহত ধ্যান আৰু সমাধিৰ কঠোৰ ব্ৰতৰ পিছত উৰুবেলৰ নৈৰঞ্জনা নদীৰ পাৰৰ বটবৃক্ষৰ তলত ধ্যানৰত শাক্য মুনিৰ অন্তৰত বাহিৰৰ ব'হাগী পূৰ্ণিমাৰ পোহৰৰ দৰে মহা-বোধিৰ পোহৰ উদ্ভাসিত হৈ উঠিল। পূৰ্ণিমাৰ সেই শেষ নিশা শাক্য-কুমাৰ গৌতম সম্মাসম্বুদ্ধ বুদ্ধত পৰিণত হ'ল। শান্তিৰ মহাবাণীয়ে তেওঁৰ কণ্ঠইদি ভ্ৰান্ত-উন্মত্ত পৃথিৱীক প্ৰশান্ত কৰাৰ সময় উপস্থিত হ'ল। বাৰাণসীৰ ইসিপতনৰ মিগদাৱত পঞ্চবৰ্গীয় ভিক্ষুৰ সমুখত ধৰ্ম্ম-চক্ৰ-প্ৰবৰ্ত্তন কৰিলে। ভগৱান বুদ্ধৰ সেই প্ৰথম ধৰ্ম-বাণী সমগ্ৰ মানৱ-জাতিৰ যেন এটি কৰুণ আৰ্তনাদ। লগতে সি মানৱ-জীৱনৰ দুখৰপৰা পৰিত্ৰাণৰো এক মহা উপায়-ঘোষণা। মহাবগ্‌গ শাস্ত্ৰত

---

১ নতৌ অসম বৌদ্ধ সন্মিলন, ১৯৬৫

সম্মাসম্বুদ্ধই কেনেকৈ চাৰি আৰ্য সত্য (চত্তাৰি অৰিয়সচ্চানি) আৰু আৰ্য অষ্টাঙ্গিক মাৰ্গ নিৰ্দেশ কৰিছিল, দিয়া আছে।—

ইদং খো পন ভিক্খৱে দুক্খং অৰিয়সচ্চং—জাতি পি দুক্খা, জৰা পি দুক্খা, ব্যাধি পি দুক্খো, মৰণং পি দুক্খং, অপ্পিয়েহি সংপয়োগো দুক্খো, পিয়েহি বিপ্পয়োগো দুক্খো, যং পি ইচ্ছং ন লভতি তং পি দুক্খং, সংখিত্তেন পঞ্চুপাদানক্খন্ধা পি দুক্খা॥

ইদং খো পন ভিক্খৱে দুক্খ-সমুদয়ং অৰিয়সচ্চং—যায়ং তণ্‌হা পোনোভৱিকা নন্দিৰাগসহগতা তত্ৰ তত্ৰাভিনন্দিনী, সেয্যথীদং কামতণ্‌হা ভৱতণ্‌হা বিভৱতণ্‌হা॥

ইদং খো পন ভিক্খৱে দুক্খ-নিৰোধং অৰিয়সচ্চং—যো তস্সা যেৱ তণ্‌হায় অসেসবিৰাগনিৰোধো চাগো পটিনিস্সগ্‌গো মুত্তি অনালয়ো॥

ইদং খো পন ভিক্খৱে দুক্খনিৰোধগামিনী পটিপদা অৰিয়সচ্চং—অয়মেৱ অৰিয়ো অট্ঠঙ্গিকো মগ্‌গো। সেয্যথীদং—সম্মাদিট্ঠি সম্মাসংকপ্পো সম্মাবাচা সম্মাকম্মন্তো সম্মাআজীৱো সম্মাবায়ামো সম্মাসতি সম্মাসমাধি॥

'হে ভিক্ষুসকল, এয়ে হ'ল দুঃখৰ আৰ্য সত্য—জন্ম দুখ, জৰা দুখ, ব্যাধি দুখ, মৰণ দুখ, অপ্ৰিয়ৰ লগত সংযোগ দুখ, প্ৰিয়ৰ লগত বিয়োগ দুখ, যি পাবলৈ ইচ্ছা তাক নোপোৱাত দুখ; সংক্ষেপতে পঞ্চ উপাদান স্কন্ধ (ৰূপ, বেদনা, সঞ্‌ঞা বা সংজ্ঞা, সংখাৰা বা সংস্কাৰ আৰু বিঞ্‌ঞান বা বিজ্ঞান) হ'ল দুখ।

হে ভিক্ষুসকল, এয়ে হ'ল দুখ-সমুদয়ৰ আৰ্য সত্য—তৃষ্ণাই পুনৰ্জন্মৰ কাৰণ, তৃষ্ণাৰ বাবেই ভোগৰ কামনা হয়, তৃষ্ণাই ভোগৰ এটা বিষয়ৰ পৰা আন এটা বিষয়লৈ টানি লৈ যায়। সেই তৃষ্ণা তিনিবিধ—কাম-তৃষ্ণা, ভব-তৃষ্ণা আৰু বিভব-তৃষ্ণা।

হে ভিক্ষুসকল, এয়ে হ'ল দুঃখ-নিৰোধৰ আৰ্য সত্য—সেই তৃষ্ণাৰ সম্পূৰ্ণ নিৰোধ ত্যাগ আৰু বিসৰ্জন, সেই তৃষ্ণাৰপৰা মুক্তিৰ দ্বাৰা দুখৰ নিৰোধ।

হে ভিক্ষুসকল, এয়ে হ'ল দুঃখ-নিৰোধ পথৰ আৰ্য সত্য—সি হ'ল আৰ্য অষ্টাঙ্গিক মাৰ্গ। যেনে—সম্যক্ দৃষ্টি, সম্যক্ সঙ্কল্প, সম্যক্ বাক্য, সম্যক্ কৰ্ম, সম্যক্ জীৱিকা, সম্যক্ ব্যায়াম, সম্যক্ স্মৃতি আৰু সম্যক্ সমাধি।

খ্ৰীস্ট-পূৰ্ব তৃতীয় শতিকাৰ আগৰেপৰা বুদ্ধদেৱৰ বাণী বিনয়, সুত্ত আৰু অভিধম্ম, এই তিনি পিটক বা পেৰাত ঠাই খাই আছে। তাৰ পিছতো বুদ্ধদত্ত, বুদ্ধঘোষ, ধৰ্মপাল আদিয়ে তত্ত্বসমূহৰ নানা টীকা-ভাষ্য ৰচনা কৰিছে। ইয়াৰ উপৰি গ্ৰীক ৰজা মেনন্দৰ আৰু বৌদ্ধ মহাপণ্ডিত নাগসেনক কেন্দ্ৰ কৰি খ্ৰীস্টপূৰ্ব প্ৰথম শতিকাতে অপূৰ্ব পালি গদ্যত লিখা 'মিলিন্দ-পঞ্হ'ও বৌদ্ধতত্ত্বৰ এখনি সুন্দৰ গ্ৰন্থ। বিৰাট পালি বৌদ্ধ-সাহিত্যৰ উপৰিও সংস্কৃত, তিব্বতী আৰু চীন ভাষাতো বুদ্ধদেৱৰ বাণী বিস্তাৰিত হৈ পৰি আছে। কিন্তু ভদ্দিয়, অসূসজি আদি পাঁচজন প্ৰথম শিষ্যৰ আগত প্ৰচাৰিত ভগৱান বুদ্ধদেৱৰ এই প্ৰথম বাণী কাৰুণ্য, নৈতিকতা আৰু চিন্তা, সকলো কালৰপৰাই সমৃদ্ধ। বহুতে ভাবে, বৌদ্ধ-দৰ্শন গভীৰভাৱে নৈৰাশ্যবাদী, দুঃখবাদী। কিন্তু দুখ, দুঃখ-সমুদয়, দুঃখ-শান্তি আৰু শান্তিৰ উপায় ঘোষণা কৰি চাৰি আৰ্য সত্যই শ্ৰোতাৰ ধৰ্ম-চক্ষু উন্মীলন কৰে, প্ৰজ্ঞা, বিদ্যা, আলোক উৎপাদন কৰে। ই হতাশ দুখৰ বাণী নহয়, সুন্দৰ আচৰণ আৰু কৰ্মৰ দ্বাৰা নিজৰ আৰু সমাজৰ জীৱন সুন্দৰ আৰু সুখী কৰি তোলাৰ আহ্বানহে। বুদ্ধৰ শিক্ষাসমূহে জীৱনক পবিত্ৰ কৰি তুলিবৰ কাৰণে ভিক্ষুৱেই হওক বা গৃহস্থীয়েই হওক, ভিকহুৱেই বা ৰজাধিৰাজেই হওক, সকলোকে আমন্ত্ৰণ জনায়। কোনো কোনো স্থানত হয়তো জীৱনৰ আনন্দতকৈ দুখক সৰহ মূল্য দিয়া হৈছে। ধম্মপদত (১১, ১৪৬, ১৪৮) জীৱনৰ কৰৰ্ব ৰূপ আৰু

মৰণত সমাপ্তিকে ডাঙৰ কৰি চোৱা হৈছে, হাঁহি আৰু আনন্দৰ কাৰণ বিচাৰি পোৱা নাই,

কো নু হাসো কিমানন্দো নিচ্চং পজ্জলিতে সতি।
অন্ধকাৰেণ ওনদ্ধা পদীপং ন গবেস্‌সথ॥
পৰিজিণ্ণমিদং ৰূপং ৰোগনিড্‌ডং পভঙ্গুৰং।
ভিজ্জতি পতিসন্দেহো মৰণন্তং হি জীৱিতং॥

জগৎখন জলিব-পুৰিব লাগিছে, সিমানতো হাঁহি কিহৰ? অন্ধকাৰে তোমালোকক আবৰি আছে, বন্তি এগছি নিবিচাৰা কিয়? দেহৰ এই ৰূপ জহি গৈছে, ৰোগেৰে ভৰি পৰিছে, ঠুনুকা হৈ পৰিছে। এই জাহি-জাবৰৰ থুপটো থান-বান হৈ গৈছে। জীৱনৰ অন্তৰে মৰণেইহে।

জীৱ পঞ্চস্কন্ধৰ সমষ্টি। জগৎ নিসত্ত (নিঃসত্ব) আৰু নিজ্জীৱ (নির্জীৱ)। জীৱৰ অস্তিত্ব স্বীকাৰ নকৰি কোৱা হৈছে, যেনেকৈ ৰথৰ চকৰি আদি গোট খাইহে ৰথখন, তাক বাদ দিলে ৰথ নাই, সেইদৰে পঞ্চস্কন্ধ বাদ দিলে জীৱ নাই—'পৰমৎথতো'পনেৎথ পুগ্‌গলো নুপলব্‌ভতি।'

যথা হি অঙ্গসংভাৰা হোতি সদ্দো ৰথো ইতি।
এবং খন্ধেসু সন্তেসু হোতি সত্তো তি সংমুতি॥

(মিলিন্দপঞ্‌হ)

জগতৰ সকলোৰে এটা মূল কাৰণ ভগৱান বুদ্ধদেৱে নিৰূপণ কৰা নাই। এই বিষয়ত তেওঁৰ মতবাদ হ'ল পাটিচ্চসমুপ্পাদ, প্ৰতীত্য-সমুৎপাদ, chain of dependent causation. অস্মিন্ সতীদং ভবতি, অস্যোৎপাদাৎ ইদমুৎপদ্যতে; এটাৰপৰা এটা, তাৰপৰা আন এটা, এইদৰে বস্তুৰ পৰিবর্তন হৈ গৈ থাকে; তাৰ ফল মাথোন এটা পৰিবর্তনৰ সুঁতি।

জীৱন দুখৰ কাৰণ কি? জৰা-মৰণ। জৰা-মৰণ হয় জন্ম (জাতি) হেতুকে। জন্ম হয় ভৱ হেতুকে। ভৱ হয় উপাদানৰপৰা।

উপাদান হয় তঞ্ হাৰপৰা। তঞ্ হা হয় বেদনাৰপৰা। বেদনা হয় ফস্স বা স্পৰ্শৰপৰা। স্পৰ্শ হয় ষড়ায়তন বা জ্ঞানেন্দ্ৰিয়ৰপৰা। সি হয় নামৰূপৰপৰা। নামৰূপ হয় বিঞ্ঞানৰপৰা। বিঞ্ঞান হয় সংখাৰৰপৰা। সংখাৰৰ মূল অবিজ্জা বা অবিদ্যা। এয়ে ভৱ-চক্ৰ। এই ভৱ-চক্ৰৰপৰা পৰিত্ৰাণৰ উপায় নিৰ্বাণ—নিৰ্বাণ, চাকি নুমোৱাৰ দৰে নুমাই যোৱা। এই নিৰ্বাণৰ ব্যাখ্যা 'মিলিন্দপঞ্হ'ৰ অন্তৰ্গত 'মেণ্ডকপঞ্ঞহ' অধ্যায়ত দিয়া হৈছে। এই নিৰ্বাণ-লাভৰ উপায় মধ্যম পথ বুদ্ধদেৱৰ দ্বাৰায় নিৰ্দিষ্ট হৈছে।

বুদ্ধদেৱৰ জীৱিত-কালতে ভিক্ষু-সংঘ প্ৰতিষ্ঠিত হয় আৰু বৌদ্ধ-ধৰ্মৰ বুৰঞ্জী আৰম্ভ হয়। এই বুৰঞ্জীত চাৰিখন বৌদ্ধ-সঙ্গীতি বা সম্মিলন বিশেষ অৰ্থপূৰ্ণ, কাৰণ এই সভাকেইখনিতে বৌদ্ধ-ধৰ্মৰ নিয়ম-কাৰণ আদি আলোচিত আৰু নিৰূপিত হয়। প্ৰথম সঙ্গীতি বুদ্ধদেৱৰ মহাপৰিনিৰ্বাণৰ পিছতে ৰাজগৃহত বহে; তাত বুদ্ধৰ প্ৰধান শিষ্য কশ্যপ, উপালি আৰু আনন্দও উপস্থিত আছিল। দ্বিতীয় সঙ্গীতি বুদ্ধদেৱৰ পৰিনিৰ্বাণৰ এশ বছৰৰ পিছত বৈশালিত, তৃতীয় সঙ্গীতি প্ৰিয়দৰ্শী অশোকৰ সৌজন্যত পাটলিপুত্ৰত আৰু চতুৰ্থ সঙ্গীতি কনিষ্কৰ যত্নত হয়। বিশেষকৈ অশোকৰ যত্নত বৌদ্ধধৰ্মই বিশেষ বিস্তৃতি লাভ কৰে, ক্ৰমে ভাৰতবৰ্ষৰ বাহিৰতো সিংহল, বৰ্মা, শ্যাম, কম্বোজ, চম্পা, ইন্দোনেছিয়া, নেপাল, তিব্বত, মঙ্গোলিয়া, চীন, জাপান, কোৰিয়া আদিত বিস্তৃত হৈ পৰে। কিন্তু দেখা গ'ল, বুদ্ধৰ জ্যোতি ভাৰতত ক্ৰমে ম্লান পৰি গ'ল। তুৰফান, খোটান, মধ্য তুৰ্কিস্তান প্ৰভৃতিত বুদ্ধ, ধৰ্ম আৰু সংঘ এই ত্ৰিৰত্নৰ সেৱা থাকিল, কিন্তু ভাৰতত উপসম্পাদাৰ বুদ্ধং সৰণং গচ্ছামি, ধম্মং সৰণং গচ্ছামি, সংঘং শৰণং গচ্ছামি, এই সৰণ-গমনৰ বাক্য নিজম পৰি গ'ল। আনকালে বৌদ্ধধৰ্মত নানা তান্ত্ৰিক পদ্ধতি আৰি প্ৰৱেশ কৰাত নানা গোপনীয় আচাৰ আদিৰ সৃষ্টি হ'ল। এই বামাচাৰৰ প্ৰতি লক্ষ্য কৰিয়ে বৈষ্ণৱ কৰিয়ে লিখিছিল;

বুদ্ধ অৱতাৰে বেদ-পথ কৰি ছন্ন।
বামানন্দ-শাস্ত্রে মুহি আছা সৰ্বজন।

কিন্তু দ্বিতীয় শাৰীৰ এই চিত্ৰ ভগৱান বুদ্ধৰ অবিসংবাদিত মগৃপৰ নহয়। ই হ'ল বৈষ্ণৱ যুগৰ আগৰ পূৰ ভাৰতৰ বামাচাৰীসকলৰ গ্লানিৰ কথাহে। ব্ৰিটিশ যুগতে Childers, Rhys Davids, Fausoboll আদি পণ্ডিতৰ অক্লান্ত যত্নত সিংহলক কেন্দ্ৰ কৰি ভাৰতৰ প্ৰাচীন গৌৰৱ বুদ্ধ, বৌদ্ধ-ধৰ্মৰ আৰু পালি সাহিত্যৰ অধ্যয়ন আৰম্ভ হ'ল। চীন, জাপান, তিব্বতৰ সাহিত্যৰ অধ্যয়নেও সেই গৌৰৱৰ মালিন্য আঁতৰোৱাত সহায় কৰিলে। ভাৰতে আকৌ আজি জানিব পৰা হ'ল যে কৰুণাৰ মূৰ্তি গৌতম বুদ্ধৰ সমান মহান সন্তান ভাৰতৰ হোৱা নাই। ভাৰতৰ নৱলব্ধ স্বাধীনতাৰ যুগৰ আৰম্ভণিতে ভগৱান বুদ্ধ আৰু তেওঁৰ পন্থৰ ৰাষ্ট্ৰীয় সমাদৰ মানৱতাৰ কল্যাণৰ অনুকূল হৈছে। বুদ্ধৰ বাণী যেন আজি অভিনৱ ৰূপত আমাৰ মাজলৈ ঘূৰি আহিছে। বুদ্ধৰ ধৰ্মচক্ৰ আজি ৰাষ্ট্ৰীয় পতাকাৰ মাজ ঠাইত বিৰাজ কৰিছে আৰু ৰাষ্ট্ৰীয় প্ৰতীক-ৰূপে অশোক-স্তম্ভৰ সিংহাঙ্কিত মূল-ভাগ থিয় দিছে। আজিহে যেন জাতি-ৰূপে আমি ভগৱান বুদ্ধক চিনি পাইছো। যোৱা ১৯৫৬ চনত ভাৰতে বিশ্বৰ বৌদ্ধ ৰাজ্যবোৰৰ লগতে বৌদ্ধ-ধৰ্মৰ পঞ্চবিংশ শতিকাৰ অন্তৰ বুদ্ধ-জয়ন্তী ৰাষ্ট্ৰীয়ভাৱে পালন কৰি নিজকে ধন্য মানে।

ভাৰতৰ আৰু ভাৰতৰ বাহিৰৰো বৌদ্ধ-ধৰ্মৰ বিষয়ে ইউৰোপীয় প্ৰাচ্য-তত্ত্ববিদসকলৰ প্ৰথম যত্নত যথেষ্ট আলোচনা আৰু গৱেষণা হ'বলৈ আৰম্ভ কৰে। আজি সেই আলোচনাৰ পৰিসৰ যথেষ্ট বাঢ়িছে। কিন্তু অসমত বৌদ্ধ-ধৰ্মৰ অস্তিত্বৰ কথাকে বাহিৰৰ লোকে মনলৈকে নিনিয়া অৱস্থা। অসম আৰু সীমান্তৰ দুই-এজন বৌদ্ধধৰ্মী লোক ভাৰতীয় বৌদ্ধ-সন্মিলনত গৈ যোগদান কৰি আহে বহুত দিনৰেপৰা। কিন্তু ভাৰতীয় বৌদ্ধধৰ্মৰ কোনো ইতিহাসত অসমৰ নাম পোৱা নাযায়। অৱশ্যে এন্, দত্তৰ্ বাজেন্দ্ৰ The Buddhism

of Tibet or Lamaism নামে পুথিত লামা বৌদ্ধসকলে তীৰ্থ কৰিবলৈ অহা হাজোৰ হয়গ্ৰীৱ-মাধৱ-মন্দিৰৰ কথা-প্ৰসঙ্গ প্ৰৱৰ্তন কৰা হৈছে। কিন্তু সি অসমৰ বৌদ্ধধৰ্মৰ প্ৰকৃত ৰূপৰ পৰিচয় নহয়। ১৯৫৬ ছনৰ বুদ্ধ-জয়ন্তী উপলক্ষ্যত ভাৰত চৰকাৰে প্ৰকাশ কৰা *2500 Years of Buddhism*অত অসমত বৌদ্ধধৰ্মৰ অৱস্থিতিৰ কোনো ইঙ্গিতেই নাই। ই কম দুখৰ কথা নহয়। ভাৰতীয় কোনো লেখকৰ কিতাপত অসমৰ কথা থাকিলেও তান্ত্ৰিকতা-প্ৰভাৱান্বিত বৌদ্ধধৰ্মৰ কথাবহে সামান্য উল্লেখ দেখা যায়। এই বিষয়ে আমাৰ কৰ্তব্য নাই জানো?

১৮৭৩ ছনৰেপৰা অসমৰ চেন্‌ছাছ্ ৰিপোৰ্টবোৰত, গেজেটিয়াৰতো বৌদ্ধধৰ্ম আৰু বৌদ্ধ প্ৰজা-সংখ্যাৰ কথা সিঁচৰতি হৈ পৰি আছে। ইয়াৰ উপৰি ৰবিন্‌ছন (১৭৪১), ডেল্টন (১৮৭২), কুপাৰ (১৮৭৩), হাণ্টাৰ (১৮৭৯), মেকেঞ্জি (১৮৮৪) আদি যোৱা শতিকাৰ ইউৰোপীয় অনুসন্ধানকাৰী আৰু নৃতত্ত্ববিদসকলৰ পুথিসমূহতো অসমৰ বৌদ্ধধৰ্ম সম্পৰ্কে অলপ কথা পোৱা যায়। এমেৰিকান বেপ্টিস্ট মিছনৰ পাদুৰীসকলে উলিওৱা 'অৰুনোদই সম্বাদপত্ৰ'ত আৰু আন পুৰণি অসমীয়া আলোচনীতো এই বিষয়ে কিছু আভাস আছে। আজি-কালিৰ ডক্টৰ ভেৰিয়াৰ্ এল্‌বিন আদি নতুন লেখকেও নতুন তথ্য বাহিৰ কৰিছে। তদুপৰি অসমৰ বৌদ্ধ-সম্প্ৰদায়ে আজিও সিসকলৰ সদ্ধৰ্ম পালন কৰি আছে। গতিকে এই বিষয়ে আলোচনা আৰু গৱেষণা হ'বৰ এতিয়া সুন্দৰ সুৰু আছে। যোৱা জানুৱাৰী মাহৰ প্ৰথম সপ্তাহত গুৱাহাটীত বহা অখিল ভাৰতীয় প্ৰাচ্যবিদ্যা সম্মিলন উপলক্ষে প্ৰকাশিত *Prāgjyotisha* নামৰ স্মৃতি-গ্ৰন্থত এতিয়ালৈকে পাব পৰা তথ্যেৰে অসমৰ জাগ্ৰত বৌদ্ধ-ধৰ্মৰ বিষয়ে আমি এটি প্ৰবন্ধ প্ৰকাশ কৰিছিলো, কিন্তু প্ৰবন্ধটো এই বিষয়ৰ অধ্যয়নৰ আৰম্ভণিহে। অসমৰ বৌদ্ধ সজ্জনসকলৰ সহযোগত তাক পূৰ্ণাঙ্গ কৰিবৰ যত্ন আমি কৰিম। আশা কৰোঁ

আমি যি খবৰ বিচাৰিছো, তাৰ কিঞ্চিৎ হ'লেও ভদন্তসকলে আমাৰ ভিক্ষা-পাত্ৰত পেলাই দিব।

অসমত প্ৰথম পিয়ল আৰম্ভ হোৱাৰেপৰা অসমৰ সীমাৰ নানা পৰিবৰ্তন হৈ আহিছে। তদুপৰি সকলো বৌদ্ধ লোকৰ গণনা প্ৰথমৰেপৰা সম্পূৰ্ণৰূপে হৈ আহিছে বুলিও আমি খাটাংকৈ ক'ব নোৱাৰোঁ। তথাপি পিয়লৰ ৰিপোৰ্টত পোৱামতে বৌদ্ধ প্ৰজা-সংখ্যা উল্লেখ কৰিব পাৰি, ১৮৮১ চন—৬,৫৬৩, ১৯০১ চন—৮,৯১১, ১৯১১ চন—১০,৫১৩, ১৯২১ চন—১৩,৫২০, ১৯৩১ চন—১৫,০৪৫, ১৯৫১ চন—২২,৬৭৫। ১৯৫১ চনত সীমান্ত অঞ্চল ধৰি অসমৰ মুঠ জন-সংখ্যা আছিল ৯০,৪৩,৭০৭; অৰ্থাৎ বৌদ্ধ লোক-সংখ্যা হ'ল মুঠ লোক-সংখ্যাৰ শতকৰা প্ৰায় '২ ভাগ। সীমান্তৰ জিলাকেইখন সুকীয়াকৈ ধৰিলে অৱশ্যে বৌদ্ধ লোক-সংখ্যা সেই অনুপাতে কমি যাব।

বৌদ্ধধৰ্ম কামৰূপ বা অসমলৈ কেতিয়া প্ৰথম আহে, সেই বিষয়ে আজি আমাৰ জানিবৰ কোনো উপায় নাই। সপ্তম শতিকাৰ প্ৰথম ভাগত চীন পৰিব্ৰাজক হিৱেনচাঙে কামৰূপলৈ আহি ভাস্কৰ-বৰ্মাৰ ৰাজ্যত কোনো বৌদ্ধ সংঘাৰাম দেখা নাপাইছিল, কিন্তু তেতিয়াৰ এই দেশৰ বৌদ্ধসকলে বোলে গোপনেহে নিজ ধৰ্ম পালন কৰিছিল। মহাৰাজ ভাস্কৰবৰ্মা নিজে শৈৱ হ'লেও বৌদ্ধ হিৱেনচাঙক সাদৰে নিজ ৰাজ্যলৈ মাতি আনিছিল আৰু সম্ভ্ৰম অভ্যৰ্থনাৰে এমাহ আপ্যায়িত কৰি ৰাখিছিল। অসমৰ বৌদ্ধধৰ্মৰ এই ক্ষীণ ইঙ্গিতৰ পিছত বুৰঞ্জী আকৌ নিমাত হৈ পৰিল। একাদশ শতিকাৰ কামৰূপ-ৰাজ ইন্দ্ৰপাল আৰু ধৰ্মপালৰ তামৰ ফলিত 'তথাগত' আৰু 'ধৰ্ম' শব্দ দুটা থকাৰপৰাই দেশত বৌদ্ধ-ধৰ্মৰহে বিশেষ প্ৰভাৱ আছিল, তাক অনুমান কৰা কঠিন। আনকালে, তন্ত্ৰ-প্ৰভাৱান্বিত বজ্ৰযান আদি বৌদ্ধধৰ্মৰ ৰূপৰ প্ৰচলন তেতিয়াৰ পূৰ্ব ভাৰত তথা কামৰূপত প্ৰচাৰিত হৈ পৰিছিল। কিন্তু কামৰূপত

থেৰবাদ বা সৰ্বাস্তিবাদ, মাধ্যমিক বা যোগাচাৰ-পন্থৰ কোনো প্ৰভাৱৰ কথা ক'তো পোৱা নাযায়। গতিকে বৌদ্ধ-ধৰ্মৰ মূল খুঁতি কামৰূপৰ ওপৰেদি এদিন গ'লেও সি কালক্ৰমত সম্পূৰ্ণ বন্ধ হৈ গ'ল বুলিয়ে অনুমান কৰিব লাগিব।

আজি অসম আৰু সীমান্ত অঞ্চলত বৌদ্ধধৰ্মৰ যি জাগ্ৰত ৰূপ দেখা পোৱা যায়, সি ভাৰতৰ বাহিৰৰপৰাহে এই দেশলৈ আহিছে। এই জাগ্ৰত ৰূপ দুটি—থেৰবাদ আৰু লামাবাদ। অসমত থেৰবাদৰ ইতিহাস দুশ বছৰতকৈ বেছি পুৰণি নহয়। লামাবাদৰ বুৰঞ্জী কিন্তু নিশ্চিতকৈ ধৰিব নোৱৰা বিধৰ। উত্তৰৰ ভুটীয়া, মোন্পা, শেৰডুকপেন্, মেম্বা আৰু খাম্বা জাতিৰ মাজত লামা বৌদ্ধ-ধৰ্মৰ প্ৰচলন দেখা পোৱা যায়। এই লামাবাদ তিব্বতত উদ্ভূত। পঞ্চম শতিকাতে তিব্বতত বৌদ্ধ-ধৰ্ম প্ৰচলন কৰিবৰ যত্ন হয়। কিন্তু সপ্তম শতিকাৰ ৰজা Sronbtsan-sgam-po ৰ প্ৰয়াসৰ যোগেহে সেই ধৰ্ম সেই দেশত প্ৰতিষ্ঠিত হয়। কিন্তু পুৰণি বন বা বন নামৰ দেও-পূজাৰ ধৰ্মৰ লগত নতুন বৌদ্ধ-ধৰ্মৰ সংঘৰ্ষ চলি থাকে। শেহত ৭৪৭ চনত কাশ্মীৰৰ উত্তৰ-পশ্চিমৰ উদ্যানৰপৰা অহা পদ্মসম্ভৱে মহাযান বৌদ্ধ-ধৰ্মতে তন্ত্ৰ-মন্ত্ৰ, দেও-পূজা আৰু শৈৱ ধৰ্মৰ প্ৰলেপ দি অভিনৱ এক বৌদ্ধ-ধৰ্মৰ সৃষ্টি কৰিলে। সেয়ে পিছৰ যুগত লামা-ধৰ্ম নামে জনাজাত হৈছে। একাদশ শতিকাত বিক্ৰমশীলা বিহাৰৰপৰা যোৱা দীপঙ্কৰ শ্ৰীজ্ঞানে লামা-ধৰ্মৰ সংস্কাৰৰ যত্ন কৰিছিল যদিও আগৰ প্ৰভাৱৰপৰা তিব্বতী ধৰ্ম মুক্ত নহ'ল। তিব্বতৰ লগত অসমৰ উত্তৰৰ সীমান্ত অঞ্চলৰ বেহা-বেপাৰ আদিৰ সম্পৰ্ক অতি প্ৰাচীন। বিশেষকৈ, তিব্বতৰ ষষ্ঠ দালাই লামাৰ জন্ম হয় মোন্পা অঞ্চলৰ ওৱাংলিঙত। তেওঁৰ পদ-চিহ্ন আজিও টাৱাঙৰ গোম্‌পাত ৰক্ষিত হৈছে। মোন্পা, শেৰডুক্‌পেন আদিয়ে তিব্বতৰ আৰ্দৰ্শত আজিও নিষ্ঠাৰে বৌদ্ধ-ধৰ্ম আচৰণ কৰি আছে। লামা বৌদ্ধসকলে হাজোৰ হয়গ্ৰীৱ-মাধৱ দেৱতাক মহামুনি বা ভগৱান বুদ্ধ বুলি সদায় জ্ঞান কৰি আহিছে।

উত্তৰ অঞ্চলৰ এই বৌদ্ধসকলৰ বিশ্বাস আৰু আচাৰৰপৰা সম্পূৰ্ণৰূপে বিচ্ছিন্নভাৱে ভগৱান বুদ্ধৰ মধ্যম পন্থা পালন কৰি আহিছে খামজাং, তুৰুং, ফাকিয়াল, আইতনীয়া, দোৱনীয়া, খামটি আৰু চিংফৌসকলে। সিসকলৰ আদৰ্শ হ'ল বৰ্মাৰ স্থবিৰবাদ বা থেৰবাদ পন্থা। এইসকল লোক প্ৰায় শ্যান জাতিৰ। অষ্টাদশ শতিকাৰ মাজভাগত যেতিয়া বৰ্মাৰ ৰজা আলমপ্ৰাই ত্ৰিপুৰা, য়ুনান আৰু শ্যাম ছুই থকা পং নামৰ বিৰাট শ্যান সাম্ৰাজ্য ছেদেলি-ভেদেলি কৰি দিয়ে, তেতিয়া শ্যান লোকৰ কেইবাটাও দল অসমৰ ফালে আগ বাঢ়ি আহে, কাৰণ তাৰো আগতে একে বাসভূমিৰপৰা অহা আহোম-সকলে এই দেশত ৰাজ্য প্ৰতিষ্ঠা কৰি পাঁচ শ বছৰ কাল ভোগ কৰি আহিছে। আহোমসকল বৌদ্ধ নাছিল, কিন্তু নতুনকৈ অহা এই শ্যানসকলে বহুত আগতেই বৌদ্ধ-ধৰ্ম গ্ৰহণ কৰিছিল। নৱাগত দলৰ ভিতৰত খাম্‌টিসকলেই প্ৰধান, কাৰণ এওঁলোকৰ প্ৰায় পঞ্চাশ হেজাৰ লোক তেওঁলোকৰ কেইবা শ বছৰৰো নিজ ভূমি ইৰাৱতীৰ উজনিৰ বৰখামটি, খামটি-লং বা মাৰ্কি এৰি টেঙাপানী নৈৰ পাৰত প্ৰথম উপনিৱেশ স্থাপন কৰে। ১৮৩৫ চনত মুংলাৰি খামটিৰ নতুন এটা দল আহি যোগ দিয়ে। তাইকাকে বা ফাকিয়ালসকলো পং ৰাজ্য ভাগি যোৱা ১৭৬০ চনমানত মুংকঙৰপৰা আহি পোনতে বুঢ়ীদিহিং নৈৰ পাৰত বসতি কৰে। তাৰ পিছত তেওঁলোকক আহোম ৰজাই যোৰহাটৰ দক্ষিণলৈ নি বহুৱায়, কিন্তু মানৰ আক্ৰমণৰ সময়ত এওঁলোক পুনৰ বুঢ়ীদিহিঙৰ পাৰলৈ ঘূৰি আহে। সেইটৰ মতে খামজাংসকল আগতে পাটকাই পৰ্বতৰ ওপৰত আছিল আৰু চিংফৌসকলৰপৰা আহকাল পোৱাত ঊনবিংশ শতিকাৰ আৰম্ভণিতে অসমলৈ নামি আহে। খামজাং বা নৰা বা পানীনৰাসকল মুংকঙৰ শ্যানসকলৰে একাংশ। তুৰুংসকল ১৮২০ চনমানতহে অসমলৈ আহে। তেওঁলোকৰ মাজত প্ৰচলিত প্ৰবাদমতে তেওঁলোক পূৰ্বতে উত্তৰ বৰ্মাৰ উত্তৰ-পূৰৰ মুংমাং খাওছাঙত আছিল আৰু তাৰপৰা

তুকংপানী নৈৰ পাৰত আছি থকাত তেওঁলোকৰ জাতিৰ নাম তুকং হয়। এওঁলোকতকৈ আগতে অহা যোৰহাটৰ ওচৰৰ খামজাংসকলে এওঁলোকক নিজ ঠাইৰপৰা মাতি পঠাইছিল। কিন্তু এওঁলোকক বাটতে চিংফৌসকলে ধৰি ৰাখে আৰু পিছত নিউফ্‌বিল (নবীন) ছাহাবে উদ্ধাৰ কৰি অসমলৈ আনে। চিংফৌসকলক বৰ্মাৰ পূব ভাগৰ কাৰেনসকলেৰে এক বুলি কোৱা হৈছে। অষ্টাদশ শতিকাৰ শেষ কেইবছৰত অসমত হোৱা মায়ামৰীয়া বিদ্ৰোহৰ সময়ত চিংফৌ-সকলে অসমৰ সীমান্তত দেখা দিয়ে, আৰু তেওঁলোকক তাতে আহোম শক্তিয়ে বসবাস কৰিবলৈ দিয়ে। আইতনীয়াসকল সম্ভৱতঃ খামটি আদিৰ পিছত চিন্দবিন উপত্যকাৰপৰা অসম প্ৰৱেশ কৰে। একমতে দোৱনীয়াসকলে কিছু কাল অসমত বসবাস কৰাৰ পিছত ব্ৰিটিঃশ শাসনৰ প্ৰথম ভাগতহে কোনো ফুঙ্গিৰপৰা বৌদ্ধ-ধৰ্ম গ্ৰহণ কৰে। এইসকল জাতিৰ উপৰিও মানৰ আক্ৰমণৰ সময়ত অহা কিছুমান আৰু মুংকঙৰ আন শ্বান বৌদ্ধ অসমত ৰৈ যায়। সম্ভৱতঃ কামৰূপ, গোৱালপাৰা আৰু গাৰোপাহাৰ জিলাৰ শ্বান বা মান লোকসকল সিসকলৰে সতি-সন্ততি। অৱশ্যে এওঁলোকৰ মাজত বৌদ্ধ-ধৰ্মৰ চৰ্চা দিনক দিনে ক্ষীণৰপৰা ক্ষীণতৰ হৈ পৰিল। এই-সকলৰ দৰে বৰ্মাৰ আৰাকানৰপৰা অহা কিছু বৌদ্ধ মিজোৰাম বা লুছাই পাহাৰ আদি অঞ্চলত পোৱা যায়। এইভাবে অসমৰ বিভিন্ন অঞ্চলত বৌদ্ধ ধৰ্মাৱলম্বী এক জনসংখ্যা পাতলভাৱে হ'লেও আছে। কিন্তু এই বৌদ্ধ মতাৱলম্বী বিভিন্ন গোষ্ঠীৰ লোকৰ মাজত জীৱন-যাপনৰ পদ্ধতি আৰু ধৰ্ম-চৰ্চা কেনেভাৱে চলে, সেই বিষয়ে বহল আলোচনা আৰু লিখিত বিৱৰণ বিশেষ আৱশ্যকীয়। অনেক শতিকাৰ স্পৰ্শত তেওঁলোকৰ মাজত ধৰ্মাচৰণৰ নানাবিধ পাৰ্থক্য ঘটিছে। সেইবিলাকৰ তুলনামূলক অধ্যয়ন হ'লেহে ভৱিষ্যতত উন্নতি আৰু সংহতি-সাধনত সুবিধা হ'ব।

ভাৰতীয় সাংস্কৃতিক ঐতিহ্য আৰু অসম[1]

গৌৰি। ৎবং কিমু বেৎসি হস্তকবলং কা বেত্তি নো যত্ত্বয়ম্
চেদেবং ভণ তর্হি কিং বদ বদসি কুচৌ ক্রমেণ পদ্মৌ ভবেঃ।
ভূয়োঽন্তৰ কৰ্তৰীমুখযুগামেৱেণ কিং ভাদিতি
যেৱানম্ৰমুখীং হসন্ পিবিষুতাং চুম্বন্ মৃড়ঃ পাতু বঃ।

হস্তমুক্তাৱলী[1]

আপোনালোক সকলোকে ওলগিছো। অভ্যৰ্থনা সমিতিক শলাগিছো অসম সাহিত্য-সভাৰ বুলনি-চ'ৰাত ভাৰতীয় সাংস্কৃতিক ঐতিহ্য আৰু অসমসম্পৰ্কীয় এই আলোচনা-চক্ৰৰ সভাপতিৰ তামূলী পীৰাত বহুৱাই সম্মানিত কৰি চেনেহ যচা বাবে।

ভাৰতীয় সাংস্কৃতিক ঐতিহ্য আৰু তাত অসমৰ স্থান—এইটি অতি বিপুল বিষয়। এখনি ভাষণিকাৰ ভিতৰত তাৰ ক্ষুদ্ৰতম আভাস দিয়াৰ চেষ্টাই হ'ব লাগিব দুৰন্ত। তাতে আকৌ তাৰ বাবে অভ্যৰ্থনা সমিতিৰ সম্পাদকদেৱৰ দাবী মোৰ ওচৰ পাইছিলগৈ ঠিক সাদিনৰ আগতে: ঠিক যেন বিনন্দ কানাই তাঁতীৰ ওচৰলৈ গৈ ক'লে, "আজি ৰবিবাৰে বাতৰি কওঁ। অহা ৰবিবাৰে কাপোৰ লওঁ।" তাঁতী কিন্তু বিমোৰ—শিৰীষ সেউতী মকৰা মধাই, চম্পা নাগেশ্বৰ পদুমৰ কলি, নকল মালতী বাৰবি তগৰেৰে দৈৱকী আই নন্দৰ কানাই, বলো দাদা কংস মামা, নেজাল ম'ৰা অসংখ্য ভৰানো বাৰু দিন সাতেকতে তুলি কাপোৰ বোৱা হয় কেনেকৈ? ভাৰতীয় তথা অসমীয়া সংস্কৃতি এই বিচিত্ৰ কাপোৰৰ দৰেই বিচিত্ৰ।

---

১ আলোচনা-চক্ৰ, অসম সাহিত্য-সভা, চতুস্ত্ৰিংশ অধিবেশন, ডিব্ৰুগড়, ৩১ ডিচেম্বৰ ১৯৬৯

ভাৰতীয় সংস্কৃতিৰ দীঘ-বাণিত অসমীয়া সংস্কৃতি বৰ ঘনকৈ গোঁঠ খাই আছে, যদিও আমি জানো যে অসম-কামৰূপৰ ভৌগোলিক অৱস্থান এনে সাংস্কৃতিক সংমিশ্ৰণৰ পৰিপন্থী। কিন্তু ইতিহাসৰো স্মৰণাতীত কালৰেপৰা আৰ্যাবৰ্ত আৰু ভাৰতৰ আন আন প্ৰান্তৰ লগত প্ৰাচীন কামৰূপৰ সম্বন্ধ। কামৰূপৰ বুকেদি চীন আৰু দক্ষিণ-পূব এছিয়াৰ ৰাষ্ট্ৰসমূহলৈ বাণিজ্য-পথ আৰু অন্যান্য গভীৰতৰ আদান-প্ৰদানৰ পথো প্ৰাচীন কালৰপৰা আছিল বুলি বিজ্ঞসকলে কয়। খ্ৰীস্ট-পূৰ্ব প্ৰথম সহস্ৰিকাৰ শেষৰ শতিকাবোৰৰপৰা অন্ততঃ এফালে ব্ৰহ্ম আৰু দক্ষিণ-পশ্চিম চীনৰ আৰু আনফালে ভাৰতৰ যোগাযোগৰ ৰাজপথ-স্বৰূপ হৈ পৰিছিল তেতিয়াৰ অসম। খ্ৰীস্টপূৰ্ব ২২১ৰপৰা ৰাজত্ব কৰা ৎসিন ৰাজবংশৰ নামৰপৰা আজিৰ চীন নামটো ওলাইছে বুলি ধৰা হয়, আৰু ডক্টৰ সুনীতিকুমাৰ চট্টোপাধ্যায়ৰ মতে সেই নাম অসমেদিয়েই সম্ভৱতঃ ভাৰত সোমায়হি। যজুৰ্বেদ, অথৰ্ববেদত কিৰাতসকলৰ উল্লেখ পোৱা যায়। সেই সময়ৰপৰাই ভাৰতৰ আৰ্য-সমাজৰ মাজত সোমাবলৈ উপক্ৰম কৰা এই কিৰাত বা মঙ্গোলইড্-সকলৰ ভাৰতৰ ভিতৰত প্ৰধান নীড় হৈ পৰিছিল প্ৰাচীন প্ৰাগজ্যোতিষ। মহাভাৰত যুদ্ধৰ বীৰ ভগদত্তৰ দলত বিপুল সমাৱেশ হৈছিল কিৰাত আৰু চীন সৈন্যৰ (স কিৰাতৈশ্চ চীনৈশ্চ বৃতঃ প্ৰাগজ্যোতিষোঽভৱৎ। অন্যৈশ্চ বহুভি ৰ্যোধৈঃ সাগৰানূপবাসিভিঃ॥)। এই কথায়ে ভাৰতীয় সংস্কৃতিলৈ অসমৰ বিশিষ্ট দানৰ কথা সোঁৱৰাই দিয়ে। সেই দান হ'ল ভাৰতীয় আৰ্য ৰক্ত আৰু সভ্যতাত কিৰাত ৰক্ত আৰু ভাষা-সংস্কৃতিৰ সংমিশ্ৰণ। আজিও অসমত ভোট-ব্ৰহ্ম ভাষা-ভাষীৰে প্ৰাধান্য। অসমীয়া বা শিষ্টৰ কালত অহা নব্য ভাৰতীয় আন ভাষা এৰি অসমত প্ৰচলিত সকলো ভাষাই এই গোষ্ঠীৰ। মাথোন খাছি ভাষা তাৰ বহিৰ্ভূত; সেই ভাষা কওঁতাসকলো আকৌ একে নৃতাত্ত্বিক গোটৰে। তেওঁলোকো ভোট-বৰ্মী। আজিৰ ভাৰতীয় জীৱনৰ সকলো ক্ষেত্ৰতে কিৰাতৰ্বৰ্গসকলৰ দান স্বকীয় হৈ পৰিছে।

এই কালৰপৰা ভাৰতীয় সাংস্কৃতিক ঐতিহ্যত অসমৰ দান আৰু স্থান অতুলনীয়।

কিৰাত-অধ্যুষিত প্ৰাগজ্যোতিষৰ আৰ্যীকৰণ বা ভাৰতীয়কৰণৰ এটি প্ৰতীকৰ দৰে হ'ল নৰকৰ কাহিনী। কালিকা-পুৰাণৰ মতে নৰক হ'ল মিথিলাৰ ৰাজকোঁৱৰ, বৰাহ-বিষ্ণু আৰু ভূমিদেৱীৰ সন্তান, সীতাৰ দৰে জনক ৰজাৰ দ্বাৰা পালিত আৰু কৃষ্ণৰ দ্বাৰা কামৰূপত স্থাপিত। চতুৰ্থ শতিকাৰপৰা কামৰূপ ক্ৰমিকভাৱে শাসন কৰা পুষ্যবৰ্মা, শালস্তম্ভ আৰু ব্ৰহ্মপাল ৰাজবংশৰ নৰপতিসকলে নিজকে নৰক আৰু ভগদত্তৰ বংশৰ সন্তান বুলি ঘোষণা কৰিছে। সেই দেখিছে ডক্টৰ বাণীকান্ত কাকতিয়ে মহাভাৰতৰ যুগৰ নৰক আৰু এই তিনি ঐতিহাসিক ৰাজ-বংশৰ পূৰ্বপুৰুষ নৰক, এই দুজন নৰক দেখা পাইছে আৰু দ্বিতীয়জনক দ্বিতীয় শতিকাত স্থাপন কৰিবৰ প্ৰয়াস পাইছে। সি যি হওক, নৰকৰ কাহিনী আদিবাসী কিৰাতসকলৰ লগত সহজভাৱে সংশ্লিষ্ট হৈ পৰিছে।

হৰ্জৰবৰ্মাৰ হায়ুংথল শাসনত নৰক আৰু তেওঁৰ বংশধৰসকলক ম্লেচ্ছ অভিধা দিয়া হৈছে—অতো ম্লেচ্ছাভিধানাত্ত ভৱিষ্যাতৰ পাৰ্থিব। বলপালৰ বৰগাঁও শাসনত শালস্তম্ভৰ বিষয় কোৱা হৈছে—ম্লেচ্ছাভি-নাথো বিধি-চলনাবশাদ্ এব জগ্ৰাহ ৰাজ্যম্। এজন ৰজাৰ নাম হোৱা সত্বেও প্ৰালম্ভ (সালম্ভ) শব্দটোত যেন শাসন-ৰচয়িতা চক খাই উঠিছে—প্ৰালম্ভ ইত্যদ্ভূত-নামধেয়ঃ। এনেবোৰ উক্তিত কামৰূপৰ হিন্দু ৰজাসকলক ম্লেচ্ছ বুলিবৰ যত্ন পণ্ডিতসকলে দেখা পাইছে। এই ৰজা-সকল প্ৰকৃততে কোনো ভোট-ব্ৰহ্ম গোষ্ঠীৰ লোক হোৱাৰ সম্ভাৱনাকো আঁতৰাই পেলাব নোৱাৰি।

অসমত নিগ্ৰোইড বক্ত পৰিছিলনে, অষ্ট্ৰো-এছিয়াটিকসকলে ইয়াত কিমানেইবা দীৰ্ঘস্থায়ী বসবাস কৰিছিল, দ্ৰাবিড়ৰ আগমনৰ স্পৰ্শ ইয়াত পৰিছিলনে, এইবোৰ প্ৰশ্নই মাজে মাজে মূৰ তোলে কিন্তু কাকো বৰ বেছি বিব্ৰত নকৰে। নিগ্ৰোইড তেজৰ চিটিকনি

ক'ৰবাত্ অকণমান থাকিলেও থাকিব পাৰে। অষ্ট্ৰো-এছিয়াটিক মোন-খ্মেৰ গোষ্ঠীয়ে এই প্ৰান্ত প্ৰৱেশ কৰা প্ৰথম ভোট-বৰ্মী-সকলৰ মাজত তেওঁলোকৰ ভাষা এৰি থৈ যায়। *দ্ৰাৱিড়ৰ প্ৰৱেশ* প্ৰাচীন কালত এই প্ৰান্তত নঘটিছিল।—এইবিলাকেই পণ্ডিতসকলৰ মাজত বৰ্ত্তমান চলিত মত।

পুষ্যবৰ্মা, শালস্তম্ভ আৰু ব্ৰহ্মপাল বংশৰ ইতিহাস হিন্দু ৰাজ-নীতি আৰু সভ্যতাৰ ইতিহাস। তেওঁলোকৰ তাম্ৰশাসনবোৰৰপৰা আমাৰ চকুৰ আগত স্পষ্ট হৈ উঠা প্ৰশাসন-ব্যৱস্থা ভাৰতীয় নীতি আৰু ব্যৱহাৰৰপৰা পৃথক নহয়। এই কালছোৱাত কামৰূপৰ শাসননীতি অতি উন্নত হৈ পৰিছিল। বিশেষকৈ ভাস্কৰবৰ্মাৰ ৰাজত্বত কামৰূপৰ স্থান উত্তৰ ভাৰতৰ সম্ৰাট হৰ্ষবৰ্ধনৰ ৰাজ্যৰ থানেশ্বৰ আৰু কনৌজৰ সমকক্ষ হৈ পৰিছিল। নতুন এটা মতবাদ হৈছে গৌড়ৰ শশাঙ্কৰ বিৰুদ্ধে হৰ্ষ আৰু ভাস্কৰবৰ্মাৰ মিত্ৰতা-বন্ধন সৰ্বভাৰতীয় ৰাজনৈতিক শক্তিৰ ভাৰসাম্য-ৰক্ষাৰ এটা চেষ্টা মাথোন। এই-কালৰপৰা ৰাজনীতিৰ ক্ষেত্ৰত প্ৰাচীন কামৰূপে ভাৰতৰ ইতিহাসত বিশিষ্ট স্থান অধিকাৰ কৰি ৰহিছিল।

প্ৰকৃততে, ঐতিহাসিক কালৰ ভিতৰত ভাস্কৰবৰ্মাৰ ৰাজত্বতে কামৰূপে ৰাজনৈতিক আৰু সাংস্কৃতিক ক্ষেত্ৰত প্ৰথমবাৰলৈ সৰ্ব-ভাৰতীয় ৰূপ পৰিগ্ৰহ কৰে। অকল সেয়ে নহয়। আন্তৰ্জাতিক সংযোগৰ্ বিষয়তো তদানীন্তন কামৰূপে নিজৰ স্বাক্ষৰ স্পষ্টভাৱে ৰাখিছিল। য়ুৱান চুৱাং ভাস্কৰৰ ৰাজধানীলৈ অহা কথাটোত ৰাজ-নৈতিক, সাংস্কৃতিক দুয়ো বিধৰ তাৎপৰ্য বৰ্ত্তমান। এই সাৰ্থকতাৰ আৰু এটা দিশ পৰৰাজ্যগ্ৰাহী অৰ্জুনে কনৌজ দখল কৰাৰ পিছত চীনৰপৰা অহা ৱাং হেউএন-ৎসেৰ দৌত্যৰ সময়ত ভাস্কৰবৰ্মাই সেই দৌত্যক অৰ্জুনৰ বিৰুদ্ধে গৰু-ঘোঁৰা আদি দি সহায় কৰা কথাতে প্ৰকাশ পায়। য়ুৱান চুৱাং কামৰূপত থকা সময়ত ভাস্কৰবৰ্মাই সম্মানিত অতিথিক নিতৌ নৃত্য-গীতেৰে আপ্যায়িত কৰিছিল। ৰজাই

মহাশ্ৰমণগৰাকীক এটি বাৰ্তা দিছিল—৬১৯ চনত চীনৰ টাং বংশৰ ৰাজকোঁৱৰ এজনে সম্ৰাট কাও-ৎসুৰ বিৰুদ্ধে বিদ্ৰোহ কৰা লোক-সকলক দমন কৰা ৰণৰ কথাৰে এটি গীত ভাৰতৰ সকলো ৰাজ্যতে ৰাষ্ট্ৰ হৈ পৰিছিল। বাণভট্টৰ মতে যদিও ভাস্কৰবৰ্মাই শৈশৱৰে-পৰা প্ৰতিজ্ঞা কৰিছিল, শিৱৰ পদ-যুগলৰ বাহিৰে আন একোৰ আগত মূৰ নোদোঁৱায়, তথাপি তেওঁ বৌদ্ধ য়ুৱান চুৱাঙক আতিথ্য দিয়া এটি চমৎকাৰ কথা। তাতোকৈ আনন্দ আৰু বিস্ময়ৰ বিষয় হৰ্ষবৰ্ধনৰ ৰাজসভালৈ প্ৰেৰিত দূত ৱাং হেউএন ৎসে আৰু লি-য়ি-পাওক তাও ধৰ্ম-প্ৰৱৰ্তক লাও-ৎসুৰ "তাও-তেহ-কিং" গ্ৰন্থৰ সংস্কৃত অনুবাদ এটি আৰু লাও-ৎসুৰ এটি মূৰ্তি পঠিয়াবলৈ কৰা অনুৰোধ। যদি পণ্ডিতসকলৰ অনুমান সঁচা হয়, ভাস্কৰবৰ্মাৰ মৃত্যুত এগৰাকী বিলাসিনীয়ে তেওঁৰ বিয়োগ-দুঃখ সহিব নোৱাৰি অগ্নিত প্ৰৱেশ কৰিছিল। ইও ৰজাৰ নৃত্য-সঙ্গীত আদিৰ প্ৰতি অনুৰাগৰে এটি নিদৰ্শন। সপ্তম শতিকাৰ কামৰূপৰ বস্তু-ধৰ্মী সংস্কৃতি আৰু সুকুমাৰ কলাৰ উৎকৰ্ষৰ এক জ্যোতিৰ্ময় ৰূপ দাঙি ধৰে বাণভট্টৰ হৰ্ষচৰিতে হৰ্ষবৰ্ধনৰ ওচৰলৈ ভাস্কৰবৰ্মাৰ দূত-ৰূপে হংসবেগে লৈ যোৱা উপ-ঢৌকনৰ বৰ্ণনাত। তাৰ প্ৰধানপদ বস্তু হ'ল কামৰূপ-ৰাজে বংশ-পৰম্পৰাত পোৱা মুক্তা-জালেৰে শোভিত, চৌপাশ চামৰেৰে অলঙ্কৃত, শিখৰ-ভাগ উৰো উৰো কৰি থকা হংসেৰে শোভিত, শ্বেত-দুকূল-বস্ত্ৰেৰে মেৰোৱা আভোগ-ছত্ৰ। ইয়াৰ পিছত আছিল ভগদত্তৰ দিনৰেপৰা পুৰুষানুক্ৰমিকভাৱে পোৱা নানা বিখ্যাত (আহুতেলকণ) হাৰ, চিন্তামণি আদি আভৰণসমূহ, জাক-জমক বেতৰ জপা (অনেক-ৰাগ-ৰুচিৰ-বেত্ৰ-কৰণ্ড) ভৰি থকা শৰতৰ জোনৰ দৰে উজ্জ্বল আৰু শৌচক্ষম (ধুই নিকাৰ পৰা) ক্ষৌমবস্ত্ৰ, নিপুণ শিল্পীৰ নিৰ্মিত শামুক, শঙ্খ আৰু গৰ্দ্দৰ পানপাত্ৰ (কুশল-শিল্পি-লোকো-ল্লিখিতানাং শুক্তি-শঙ্খ-গৰ্ব্বক-প্ৰভৃতীনাং পান-ভাজন-নিচয়ান্), দাঙিত পতা-সোণ লগোৱা কাৰ্দ্দৰঙৰ চাল (নিচোলকৰক্ষিতকচাং ৰুচিৰ-

কাঞ্চন-পত্র-ভঙ্গ-ভঙ্গুৰাণাম্ অতি-বন্ধুৰ-পৰিবেশানাং কাৰ্দৰঙ্গ-চৰ্মণাং সম্ভাবান্), ভূৰ্জপত্ৰৰ দৰে কোমল-স্পৰ্শ, পাতল পাট কাপোৰ (ভূৰ্জত্বক্-কোমলাঃ স্পৰ্শৱতীঃ জাতিপট্টিকাঃ), চৰাই-পছুৰ নোম ভৰোৱা চিত্ৰপটেৰে কৰা গাৰু (সম্পূৰক উপাধান), প্ৰিয়ঙ্গু-মঞ্জৰীৰ স্পৰ্শ-যুক্ত বেতৰ আসন (প্ৰিয়ঙ্গু-প্ৰসৱ-পিঙ্গৰুচি আসনানি বেত্ৰময়ানি), সাঁচি-পাতত লিখিত সুভাষিতাৱলী, ৰঙা আৰু সেউজীয়া ৰঙৰ, গাখীৰৰ দৰে ৰসেৰে পূৰ তামোলৰ থোক (পৰিণত-পাটল-পটোলত্বিংষি তৰুণ-হাৰীত-হৰিংতি ক্ষীৰক্ষাৰিণী পূগানাং পল্লৱ-লগ্নীনি সৰসানি ফলানি), কাপোতিকা-পাতেৰে মুখ বন্ধা বাঁহৰ চুঙাত ভৰোৱা সুগন্ধি সহকাৰ বা আম-লতাৰ ৰস, কৃষ্ণাগুৰু, গোশীৰ্ষ-চন্দন, কস্তূৰী, ককোল-ফল, লৱঙ্গ-পুষ্প, কলহে কলহে মধু-ৰস, ৰঙৰ পাত্ৰ আৰু লেখনী লগা চিত্ৰ-ফলক (অৱলম্বমানতূলিকা-লাবুকান্ লিখিতান্ আলেখ্য-ফলক-সংপুটান্), সোণৰ পানী চৰোৱা বেতৰ সজাত থোৱা শুক-সাৰিকা, ইত্যাদি, ইত্যাদি। ঐশ্বৰ্যময় এই তালিকাই ভাস্কৰবৰ্মাৰ কামৰূপৰ অৰ্থনৈতিক সমৃদ্ধি, কলা-সংস্কৃতিৰ প্ৰসন্ন বিকাশৰ চিত্ৰ আমাৰ আগত দাঙি ধৰে।

সেই দিনৰ অসমীয়াই খাব জানিছিল, থাকিব জানিছিল, পিন্ধিব জানিছিল। জীৱনেই আছিল উজ্জ্বল, সমৃদ্ধ। কলম ধৰি ৰোৱা আম-গছক লতাৰ দৰে বগাবৰৈ শিকাই তাৰপৰা সম্ভ্ৰান্ত শ্ৰেণীৰ সুৰা সুৱাসিত কৰিব পৰা ৰস উলিয়াইছিল। মাটিৰ কলহত ৰাখিছিল মধুৰস—যাৰ অৰ্থ টীকাকাৰ শঙ্কৰে কৰিছে দ্ৰাক্ষাৰস। উপৰোল্লিখিত অনেকবোৰ সামগ্ৰী আহিছিল দ্বীপ-দ্বীপান্তৰৰপৰা। ছিলবেইন লেভিৰ মতে দ্বীপময় ভাৰত ইণ্ডোনেছিয়াৰ টিমোৰ দ্বীপৰপৰা পোৱা চন্দনক গোশীৰ্ষ-চন্দন বোলা হৈছিল। 'কাৰ্দৰঙ্গ চৰ্ম'ৰ অৰ্থ টীকাকাৰ শঙ্কৰৰ মতে কাৰ্দৰঙ্গ-দেশোদ্ভৱ, লেভি আৰু ডক্টৰ প্ৰবোধচন্দ্ৰ বাগচীৰ মতে কাৰ্দৰঙ্গ হ'ল ইণ্ডোনেছিয়াৰ আন এটি দ্বীপ। পান-ভাজন প্ৰস্তুত কৰা পদাৰ্থ পৰ্বক শব্দৰ অৰ্থ শঙ্কৰৰ মতে ৰসাৰ,

ডক্টৰ চেটাৰ্জীৰ মনে গৰ্বৰ্ক শব্দ দ্ৰাবিড়জ আৰু মসাৰ চীনজ। ক্ষৌম, আধুনিক জামদানিৰ সমাৰ্থক জাতিপট্টিকা আদি বিভিন্ন পাটৰ উল্লেখ মন কৰিব লগীয়া। সকলো পট্টবাসৰে আদিমতম নিবাস হ'ল চীন, তসৰ, কিংখাপ বা সিংখাপ আদি শব্দৰ মূল চীন ভাষাত। অগৰু-পাতত লিখা সুভাষিত-সংগ্ৰহৰ উল্লেখ সাহিত্য-বুৰঞ্জীৰ কালৰপৰা তাৎপৰ্যপূৰ্ণ। সেইদৰে তুলিকা আৰু অলাবুক বা পেলেট্-সংযুক্ত আলেখ্য-ফলক-সম্পুটৰ কথাটি অসম তথা পূৰ্ব-ভাৰতৰ চিত্ৰকলাৰ ইতিহাসৰ প্ৰথম যোজন-স্তম্ভ। মুঠতে, বাণভট্টৰ এই বৰ্ণনাই প্ৰমাণ কৰে, সপ্তম শতিকাৰ কামৰূপ সভ্যতাৰ উচ্চ স্তৰত অৱস্থিত আৰু দেশখনেই সাংস্কৃতিক অগ্ৰগতিৰ প্ৰধান ৰাজ-মাৰ্গত। ভাৰতীয় সংস্কৃতিলৈ অসমৰ বৰঙণিৰ ইতিহাসৰ এই এটি অতি উজ্জ্বল পৃষ্ঠা।

ভাৰতৰ ধৰ্ম-বুৰঞ্জীত অসমৰ বিশেষ দান দেখা পোৱা যায়। আৰ্য-বৈদিক ধৰ্ম-সংগঠনত ভাগৱত ধৰ্ম, বৌদ্ধ, জৈন আদি ধৰ্মৰ উদ্ভৱে নতুন নতুন সুঁতিৰ সৃষ্টি কৰিছিল। এই নতুন সুঁতিবোৰৰ জন্ম-স্থান ভাৰতৰ বিভিন্ন প্ৰান্ত। পূব প্ৰান্তত অৰ্থাৎ বৰ্তমানৰ দুই বঙ্গৰ সৰহ অংশ ধৰি প্ৰাচীন কামৰূপত ধৰ্ম-জগতৰ নতুন উদ্ভৱে দেখা দিছিল পঞ্চম শতিকামানৰপৰা। এই উদ্ভৱবোৰক মুঠতে তান্ত্ৰিকতা বুলিব পাৰি। তন্ত্ৰ এটা ধৰ্ম নহয়, এটা পদ্ধতিহে। ই প্ৰথম দেখা দিয়ে বৌদ্ধ-ধৰ্মত। বজ্ৰযান, সহজযান, মন্ত্ৰযান, কালচক্ৰযান, তন্ত্ৰযান আদিৰ উদ্ভৱৰপৰা বৌদ্ধ-ধৰ্মই ঘোৰ ৰূপ গ্ৰহণ কৰিলে, সেই ৰূপ হ'ল প্ৰথমৰ আৰ্য অষ্টাঙ্গিক মাৰ্গৰপৰা বহু আঁতৰৰ। তান্ত্ৰিক পদ্ধতি তাত সোমাই পৰিল, আৰু সি শক্তি-পূজাৰ ৰূপত পোনতে হিন্দু ধৰ্মত প্ৰৱেশ কৰিলে। বজ্ৰযানীসকলৰ প্ৰধান স্নায়ুকেন্দ্ৰ চাৰিটা—কামাখ্যা বা কামৰূপ, সিৰিহট্ট, ওড়িয়ান, পূৰ্ণগিৰি—'মহানিৰ্বাণ-তন্ত্ৰ'ৰ চাৰি পীঠ কামৰূপ, উড্ডীয়ান, পূৰ্ণ-শৈল আৰু জালন্ধৰ। ফলতে আৰু কাল-ক্ৰমত কামৰূপেই হ'ল শাক্তসকলৰ প্ৰধান

কেন্দ্ৰ আৰু দেশ-বিদেশৰ নানা ঐন্দ্ৰজালিক বিশ্বাসৰ ঠাই। সেইভাবেই ভাৰতৰ নানা লোকে আজিও কামৰূপ-কামাখ্যালৈ মূৰ তুলি চায়।

অসমৰ বৈশিষ্ট্যপূৰ্ণ একশৰণ বৈষ্ণৱ-ধৰ্মও ভাৰতীয় সাংস্কৃতিক জগতলৈ এটি পবিত্ৰ দান। এই ধৰ্ম-প্ৰচাৰৰ যোগেদি অদ্ভুতকৰ্মা শঙ্কৰদেৱে প্ৰকৃততে অসমক ভাৰতৰ সামাজিক-সাংস্কৃতিক জীৱনৰ লগ লগাই দিলে, ছৰ্দাৰ পনিক্কৰৰ ভাষাত introduced India to Assam কাৰণ ইতিমধ্যেই এক গণতান্ত্ৰিক ভাৱাপন্ন বৈষ্ণৱ ধৰ্মই দক্ষিণ আৰু উত্তৰ ভাৰতক প্লাৱিত কৰি এক নব্য সংস্কৃতিৰ ধ্বজা প্ৰান্তয় প্ৰান্তয় ৰোপণ কৰিছিল। শঙ্কৰদেৱে অসমক একো একো নতুন জীৱন, নতুন সংস্কৃতি, নতুন সাহিত্য আৰু নতুন ধৰ্মৰাজ্য দিলে। ডক্টৰ চেটাৰ্জীৰ কথা দোহাৰি ক'লে, 'তেওঁ অসমক এক দেৱত শৰণৰ যোগে নতুন শিক্ষা বা অনুশাসন দিলে, জটিল গোপ্য ধৰ্ম আৰু তাৰ অৰ্থহীন অনুষ্ঠানৰ অতীতৰপৰা অসমক মুকলি কৰিলে আৰু সকলো সন্দেহযুক্ত সম্পৰ্কৰপৰা মুক্ত এটি সৰল আৰু পোনপটীয়া বস্তু দি থৈ গ'ল। অসমক এক পবিত্ৰতৰ আধ্যাত্মিক জীৱন দিওঁতা তেওঁ অসমৰ সৰ্বাতোকৈ মহান নিৰ্মাতা। ধৰ্ম-গুৰু-ৰূপে তেওঁবে ভাৰতৰ শ্ৰেষ্ঠসকলৰ এজন, সেই বিষয়ে প্ৰশ্নই উঠিব নোৱাৰে।...শঙ্কৰাচাৰ্য, ৰামানুজাচাৰ্য, বাসৱপ্প, ৰামানন্দ, কবীৰ, চৈতন্য, মীৰাবাই, গুৰু নানক আৰু তুলসীদাসৰ লগতে তেওঁৰ নাম স্মৰণীয়।' এই অসমতে বহু ৰজা আৰু ৰাজশক্তিৰ পতন হ'ল, কিন্তু শঙ্কৰদেৱ আৰু তেওঁৰ সাংস্কৃতিক ৰাজ্যখন আজিও থিয় হৈ আছে, আৰু চাৰিশ বছৰ অতীতৰ গৰ্ভত বিলীন হোৱা সত্ত্বেও শঙ্কৰদেৱে অসমীয়া জীৱন জিনি আছে।

সংস্কৃত ভাষা আৰু সাহিত্যৰ চৰ্চাত অসমে নিজকে পাহৰা নাছিল। বাণভট্টৰ উল্লিখিত 'সুভাষিত-ভাঙ্গি'ৰ কথা মনত পেলাওক। আৰু স্মৰণলৈ আনক কালিদাস আদিৰ প্ৰতিধ্বনি তথা তাম্ৰশাসনবোৰৰ সুললিত কাব্যময় শাৰীবোৰ। ইন্দ্ৰপালৰ গুৱাহাটী শাসনৰ মতে

পুৰন্দৰপাল আছিল সুকবি। ধৰ্মপালৰ পুষ্পভদ্ৰা শাসনৰ মতে তেওঁ আছিল কবি-চক্ৰৱাল-চূড়ামণি। পঞ্চম-ষষ্ঠ শতিকাৰ হস্ত্যায়ুৰ্বেদ বা গজচিকিৎসা ৰচা পালকাপ্যমুনিৰ স্থান হ'ল লৌহিত্য নদী হিমালয় এৰি সাগৰ অভিমুখে বৈ যোৱা ঠাই। মুদ্ৰা-ৰাক্ষস নামৰ ৰাজনৈতিক নাটক লিখা বিশাখদত্তক সপ্তম শতিকাৰ শেষৰ কামৰূপৰ কবি বুলি আৰু ৰত্নাৱলী, নাগানন্দ, প্ৰিয়দৰ্শিকাৰ নাট্যকাৰ অষ্টম শতিকাৰ শ্ৰীহৰ্ষ কামৰূপৰ হৰ্ষবৰ্মা বা শ্ৰীহৰিষ বুলি ভবাৰ অৱকাশ পণ্ডিতসকলে পাইছে। শাক্তধৰ্মৰ প্ৰধান পুথি কালিকা-পুৰাণ কিন্তু নিশ্চিতভাৱে কামৰূপত ৰচিত। প্ৰাচীন কামৰূপৰ ধৰ্মৰ আভাস আৰু ভৌগোলিক বিৱৰণ থকা এই গ্ৰন্থত কালিদাসৰ কুমাৰসম্ভৱৰ প্ৰভাৱ আহি পৰিছে। এইখনি, ষোড়শ শতিকাৰ বিশ্বসিংহৰ উল্লেখ থকা যোগিনীতন্ত্ৰ আৰু আন আন তন্ত্ৰৰ পুথি অসমত লিখা হৈছিল। শ্ৰীকবি ভাৰতীৰ মধ-প্ৰদীপ, বেদাচাৰ্যৰ স্মৃতি-ৰত্নাকৰ, নীলাম্বৰাচাৰ্যৰ কালকৌমুদী, দামোদৰ-মিশ্ৰৰ স্মৃতি-গঙ্গাজল আদি, পীতাম্বৰ সিদ্ধান্তবাগীশৰ প্ৰেত-কৌমুদী, দশকৰ্ম-কৌমুদী আদি গ্ৰন্থ হ'ল ভাৰতীয় ধৰ্ম-শাস্ত্ৰলৈ অসমৰ দান। জ্যোতিষ, আয়ুৰ্বেদ আৰু অঙ্কশাস্ত্ৰৰ চৰ্চাও পুৰণি অসমত হৈছিল আৰু এইবোৰ বিষয়ত সংস্কৃত আৰু অসমীয়াত দুই-এখনি গ্ৰন্থও ৰচিত হৈছিল। ইবোৰৰ চৰ্চা অসমৰ বাহিৰত নালাগে, ভিতৰতেনো হৈছে ক'তা?

আধুনিক ভাৰতত পাশ্চাত্য অনুপ্ৰেৱশত বিসকলে সংস্কৃতৰ বৈজ্ঞানিক চৰ্চাত হাত দিছিল সেইসকলৰ ভিতৰত প্ৰাগ্‌জ্যোতিষপুৰ-সম্ভৱ আনন্দৰাম বৰুৱা হ'ল এজন অগ্ৰণী। মহামহোপাধ্যায় ধীৰেশ্বৰাচাৰ্যৰ প্ৰতিভা পূৰত উদয় হৈ পূৰতেই মাৰ গৈছে। তেওঁৰ বৃত্তমঞ্জৰীখন জানিবী অসম চৰকাৰৰ কৃপাত মুদ্ৰিত আৰু প্ৰকাশিত হৈছে। সংস্কৃতৰ এই নব্য চৰ্চালৈ শ্ৰীকৃষ্ণকান্ত সন্দিকৈদেৱৰ দান পণ্ডিত-সমাজত সৰ্বত্ৰ স্বীকৃত হৈছে।

অসমৰ ললিত কলাৰ ঐতিহ্যৰ কথা অলপ কওঁ। এই বিষয়ত

নিয়ত চৰ্চা আৰু গৱেষণা কৰে, এনে ইচ্ছুক যোগ্য লোকৰ অত্যন্ত অভাৱ বৰ্তমানে আমাৰ এটা সঞ্চিত ৰোগৰ দৰে হৈছে। গতিকে আমাৰ স্থাপত্য, ভাস্কৰ্য, চিত্ৰকলা আৰু গীত-বাদ্য-নৃত্য-সমাৱিষ্ট সঙ্গীতৰ ইতিহাস লিখোঁতাও নোহোৱা হৈছে। অসমৰ আৰ্কিও-লজিকেল ডিপাৰ্টমেণ্ট, অসম সঙ্গীত-নাটক অকাদমী, অসম ললিত কলা অকাদমী আছে যেতিয়া, এইবোৰ বিষয়ত অনুসন্ধান বা তাৰ নেতৃত্ব আমি এইবোৰ অনুষ্ঠানৰপৰাই সকলো আন্তৰিকভাবে আশা কৰোঁ। গতিকে মই এইখিনিতে এই ডিপাৰ্টমেণ্ট আৰু অকাদমী দুটিক উত্তিষ্ঠত জাগ্ৰত বাণী এটি শুনাই থ'ব খোজোঁ, তেহে যদি আমি বৰান্ নিবোধন কৰিব পাৰোঁ।

অসমৰ আকিওলজিৰ, স্থাপত্য আৰু ভাস্কৰ্যৰ প্ৰায় সকলো খবৰৰ কাৰণেই আমি আৰ্কিওলজিকেল ছাৰ্ভে অব্ ইণ্ডিয়াৰ বাৰ্ষিক প্ৰতিবেদনৰ পাত লুটিয়াৰ লগীয়াত পৰোঁ। পঞ্চম শতিকাৰ বনমালবৰ্মাই হিমালয়-সদৃশ হাটকশূলী-শিব-সৌধ পুনৰ্নিৰ্মাণ কৰিছিল, আৰু 'অতুলাপি সতুলা জগতি বিশালাপি তুবিকৃতশালা-পংক্তি অকৃতবিচিত্ৰাপি সচ্চিত্ৰা' প্ৰাসাদ নিৰ্মাণ কৰিছিল। বলপাল বজাই সুধা-ধৱলিত শম্ভু-প্ৰতিষ্ঠাস্পদ সজাইছিল। এইজনা বজাৰ বৰগাঁও লিপিত ৰাজধানী দুৰ্জয়াৰ সৌধ-সমূহ আৰু পৰমেশ্বৰাধিষ্ঠান অৰ্থাৎ শিৱ-মন্দিৰৰ কি মনোৰম বৰ্ণনাই দিয়া নহৈছে! কিন্তু এই সাহিত্যিক উল্লেখৰ দ'ল-কাৰেঙৰ আভাস পৰ্যন্ত আজি বাস্তৱত পাবলৈ নাই। আৰ্কিওলজিকেল ছাৰ্ভেৰ বৰ্ণনাত যিবোৰ প্ৰাচীন ধ্বংসাৱশেষ পোৱা গৈছে, সেইবোৰৰ কিছুৰ তাৰিখ পঞ্চম শতিকা-মানতে ঠিক কৰা হৈছে। দ্বিতীয় কথা, অসমৰ স্থাপত্য আৰু ভাস্কৰ্যত সৰ্বভাৰতীয় সমন্বয় এটিকে দেখা পোৱা যায়। তৃতীয় কথা, সদিয়া, ডিমাপুৰ আদিৰ কাৰুকাৰ্যত ভোট-ব্ৰহ্ম প্ৰভাৱ স্পষ্ট হৈ উঠিছে; এই কথা টি ব্লক আৰু ডক্টৰ হাৰ্বেন গোৱেইজ্ আদিয়ে আঙুলিয়াই দেখুৱাইছে। তেজপুৰৰ দহ-পৰ্বতীয়াত প্ৰাপ্ত ধ্বংসাৱশেষ-

বোৰ প্ৰায় ৬০০ খ্ৰীস্টাব্দৰ বুলি অনুমান কৰা হৈছে, সিবোৰ অসমৰ কলা-চৰ্চাৰ অতি উৎকৃষ্ট নিদৰ্শন। আৰ্ ডি বেনাৰ্জীয়ে গঙ্গা-যমুনাৰ মূৰ্তি খোদিত থকা ইয়াৰ দুৱাৰথন পাটলিপুত্ৰ শৈলীৰ অন্তৰ্গত বুলি আৰু কিছু লক্ষণ গুপ্ত যুগৰে বুলি ঘোষণা কৰিছে। গুৱাহাটীৰ নীলাচলৰ গাত পোৱা কিছুমান নিৰ্মাণাৱশেষ সপ্তম শতিকামানৰে বুলি অনুমান কৰা হৈছে। ইয়াৰ বেণুগোপাল মূৰ্তিটি a rare specimen of anatomical perfection বুলি টি ৰামচন্দ্ৰনে উদাৰ-ভাৱে কৈছে। নীলাচলৰ প্ৰাচীনতম স্থাপত্য-ভাস্কৰ্যত ভাৰতৰ গৌৰৱ-স্বৰূপ খজুৰাহোৰ শৈলীৰ স্পৰ্শ সন্দেহ কৰা হৈছে। তেজপুৰৰ ওচৰৰ বামুণী পৰ্বতৰ মনোৰম কাৰুকাৰ্যবোৰ অষ্টম-নৱম শতিকামানৰ, এইবোৰৰ বৰ্ণনা দীক্ষিত, বেনাৰ্জী আৰু ব্লকে দিছে। প্ৰায় এই সময়ৰে যোগীঘোপাৰ ঘোপাবিলাক অতি প্ৰণিধানযোগ্য, এই 'ঘোপা'ই উৰিষ্যাৰ উদয়গিৰি-খণ্ডগিৰিৰ ৰাণী-গুম্ফা, হস্তী-গুম্ফা আদিৰ কথা সোঁৱৰায়। দেওপানীৰ হাৰিৰ মাজত পোৱা উঠঙা চকুৰ কীৰ্তিমুখবোৰৰ লগত যৱদ্বীপৰ কীৰ্তিমুখৰ সাদৃশ্য মন কৰিব লগীয়া। আনুমানিক ১০০০ খ্ৰীষ্টাব্দমানত নিৰ্মিত তেজপুৰৰ ওচৰত আৱিষ্কৃত শিলা-স্তম্ভবোৰৰ লগত পুৰণি বোম্বাই প্ৰেছিডেন্সিৰ অন্তৰ্গত পশ্চিম চালুক্য যুগৰ স্তম্ভৰ সাদৃশ্যৰ কথা বেনাৰ্জীয়ে আঙুলিয়াই দিছে। অসমৰ স্থাপত্যত সেই ভাৰতীয় কলাৰ প্ৰায় সকলো লক্ষণ আৰু অঙ্গকে দেখা পোৱা গৈছে।

ভাৰতবৰ্ষৰ ভাস্কৰ্যৰ ক্ষেত্ৰলৈ আহিলেও অসম ঐশ্বৰ্য-সমৃদ্ধ প্ৰদেশ বুলিয়ে পৰিগণিত হয়। অসমত প্ৰাপ্ত মূৰ্তিসমূহৰ ভিতৰত বিষ্ণু-মূৰ্তিয়েই সৰাতো চকুত লগা। তাৰ ভিতৰত লিপি খোদিত থকা আনুমানিক নৱম শতিকাৰ দেওপানীৰ নাৰায়ণ মূৰ্তি, উত্তৰ গুৱাহাটীৰ অশ্বক্লান্তৰ অনন্ত-শয়ন বিষ্ণু, নীলাচলৰ বেণুগোপাল আৰু নানা ঠাইত পোৱা বাসুদেৱ-মূৰ্তিৰ উল্লেখ কৰিব পাৰি। লকুলীশ, ঈশান, শূলপাণি, ত্ৰিপুৰাৰি, নটৰাজ, উমালিঙ্গন আদি বিভিন্ন ভঙ্গিৰ শিৱ-

মূৰ্ত্তি বিভিন্ন স্থানত পোৱা গৈছে। ব্ৰহ্মা, সূৰ্য, লক্ষ্মী, সৰস্বতী, শক্তিদেৱীৰ বিভিন্ন ৰূপ, বিদ্যাধৰ, কিন্নৰ আদি অনেক ভাস্কৰ্য আবিষ্কৃত হৈছে।

কিন্তু স্থাপত্য-ভাস্কৰ্যৰ যিখিনি পাইছো, সিয়ে অসমৰ দৰে প্ৰদেশৰ কলা-ঐশ্বৰ্য প্ৰতিষ্ঠা কৰিবৰ বাবে যথেষ্ট নহয়। আমাৰ ৰাজ্যত আৰ্কিওলজিস্টৰ খনন-কাৰ্য আজিও ক'তো হোৱা নাই। সাহিত্য-সভাৰ বুৰঞ্জী শাখাৰ সভাপতিৰ আসনৰপৰা কিছু দিন আগতে ডক্টৰ বিৰিঞ্চিকুমাৰ বৰুৱাই খননৰ আৱশ্যকতাৰ বিষয়ে কৈছিল। যোৱা অক্টোবৰত আলিগড়ত বহা অখিল ভাৰতীয় প্ৰাচ্যবিদ সন্মিলনৰ উপৰেদ আৰু সুকুমাৰ কলা শাখাৰ সভাপতিৰ আসনৰপৰা আমিও ভাৰতৰ প্ৰত্নতাত্ত্বিকসকলৰ ওচৰত একেটি আবেদনেই কৰিছিলো। আমাৰ কলা-সংস্কৃতি মাটিৰ বুকত নীৰৱে শুই আছে, কোন শ্ৰীৰামচন্দ্ৰই সেই অহল্যাক জগাব, আপোনালোক কোনোবাই ক'ব পাৰেনে ?

আমাৰ সঙ্গীত-জগতলৈ আহোঁ। তাতো গৱেষণা আৰু চৰ্চাৰ অভাৱত হমুনিয়াহ এটা শ্মশানৰ ছায়াৰ দৰে ঘূৰি ফুৰিছে। তাহানিতে জ্যোতিপ্ৰসাদ আগৰৱালাই অসমৰ এটা প্ৰবাদৰ কথা লিখিছিল। অসমীয়া কলা-শিল্পৰ দেৱতা বিহুকৰম হেনো লুইতৰ পানীত পৰি কক্‌ৰকাই উটি-বুৰি গৈ আছে, মোক তোলা মোক তোলা বুলি চিঞৰিছে, কিন্তু দেশৰ মানুহবোৰ বোলে শুয়ে থাকিল, শুঠিল। বিহুকৰম দেৱতা লুইতৰ পানীত উটি ভটীয়াই গ'ল। আমাৰ সঙ্গীতো এইদৰে ভটীয়নী পানীত উটি গৈ আছে, একোটা চীৎকাৰ কৰিছে। কিন্তু কাণ পাতে কোনে ? অসমৰ শক্তি আৰু শিৱৰ মন্দিৰবোৰৰ গীত-বাদ্যৰ ছায়া-মূৰ্ত্তিটোকে আজি কোনোবাই ক'ৰবাত দেখা পাইছেনে ? হাজোৰ হয়গ্ৰীৱ-মাধৱৰ মন্দিৰৰ, বিশ্বনাথঘাট আৰু দেৰগাৱঁৰ শিৱ-মন্দিৰৰ নটীৰ নাচ আজি বন্ধ হ'ল। কিন্তু তাৰ আভাসোতো ক'তো কেনিও পাবলৈ নাই। আমি সেই মন্দিৰ-সমূহৰ

নৃত্য-পটীয়সীসকলৰ কুৎসা ৰটনা কৰি তেওঁলোকৰ নৃত্য-কলাক ভিত্তি চেপি মাৰি পেলালো। ভৰত-নাট্যমো এনে মন্দিৰৰ নৃত্যই আছিল, তাৰ চাৰি পাশেও এনে কুৎসা-ৰটনা গোট খাইছিল, কিন্তু দক্ষিণত প্ৰকৃত কলা-প্ৰেমী আছিল বুলিয়েই ভৰত-নাট্যম্ জীয়াই থাকিল আৰু আজি পৃথিৱীৰ সৰ্বত্ৰ প্ৰদৰ্শিত হৈছে, সম্মানিত হৈছে। মণিপুৰী-সকলৰ নিষ্ঠাই মণিপুৰী নৃত্যক জগতৰ আদৰণীয় কৰিছে। কিন্তু আমি মাথোন বুলি আওৰাওঁ—"আমি অসমীয়া, নহওঁ দুখীয়া, কিহৰ দুখীয়া হ'ম?" কিন্তু "সকলো আছিল সকলো আছে" বাবে তাৰ "নুবুজোঁ। নলওঁ গম" কৰি বিহুকৰম দেৱতা লুইতৰ পানীত উটি যোৱাৰ গম নোপোৱাকৈয়ে আমি সংস্কৃতি-ধনত সৰ্বস্বান্ত হৈ গৈ আছো। দুদিনৰ পিছত সংস্কৃতিৰ "সকলো আছে" বুলি ক'বলৈকে একো নোহোৱা হ'ব। এই মহা আকাল পূৰ হৈ আহিছে দিনক দিনে।

নৃত্যৰ ক্ষেত্ৰত ভাৰতীয় ঐতিহ্য অসমে ইমান দিনে অতি সুন্দৰভাৱে বহন কৰি আহিছে। ভাৰতীয় নৃত্য-কলাৰ যি কোনো ঐতিহাসিকে সেই কথা স্বীকাৰ কৰিব লাগিব। আমি ভাৰতীয় ক্লাছিকেল বা শাস্ত্ৰীয় নৃত্য বুলিলে কথক, কথাকলি, ভৰত-নাট্যম্ আৰু মণিপুৰী নৃত্যকহে বুজোঁ। কিন্তু প্ৰথম কথা, এই চাৰিটা শৈলীৰ এটাও শাস্ত্ৰীয়ভাৱ কালৰপৰা স্বতঃসম্পূৰ্ণ নহয়। দ্বিতীয় কথা, এই চাৰিটাৰ বাহিৰে পোন্ধৰ-কুৰিটা একে পৰ্যায়ৰে নৃত্য-শৈলী ভাৰতৰ বিভিন্ন প্ৰান্তত আছে। তৃতীয় কথা, ভাৰতৰ বাহিৰৰ 'বৃহত্তৰ ভাৰত'ৰ যৱদ্বীপ আদিত ভাৰতীয় উচ্চাঙ্গৰ নৃত্য-শৈলী বৰ্তমান। চতুৰ্থ কথা, চাৰিটা স্বীকৃত শৈলীতকৈও প্ৰাচীন অন্য শৈলী ভাৰতত আছে। উদাহৰণ-স্বৰূপে, মণিপুৰী শৈলীতকৈ অসমৰ সত্ৰীয়া আৰু ওজা-পালি নৃত্য স্পষ্ট-ৰূপেই প্ৰাচীন। তদুপৰি মণিপুৰী ৰাস-নৃত্যত সত্ৰীয়া শৈলীৰ প্ৰভাৱ আমি দেখা পাওঁ, শ্ৰীশান্তিদেৱ ঘোষৰ দৰে একজন কলাবিদে এই কথা মুক্তকণ্ঠেই সকলোকে কৈ দিছে। কিন্তু আমাৰ এনে কোন নৃত্য-বিশাৰদ আছে যি সেই কথা মুখত ন'বলৈ সাহ

কৰে ? কাৰণ তাৰ আমি "মুবুজোঁ নলওঁ গম !" ১৯৫৮ চনত ভাৰতীয় সঙ্গীত-নাটক অকাদমীৰ সৌজন্যত এক ৰাষ্ট্ৰীয় নৃত্য-সংসদ (ছেমিনাৰ) বহিল দিল্লী মহানগৰত। তালৈ ওড়িষী আহিল, ভাগৱত-মেল আহিল, কুচিপুড়ি আহিল, কুৰবনজি আহিল, যক্ষগান আহিল, আৰু বহুত আহিল মিছিল কৰিবলৈ। আমিও তালৈ আমাৰ সত্ৰীয়া নৃত্য আৰু বং গোৱা ওজা-পালিৰ ছুপদমান লৈ গ'লো। সকলোৰে বিষয়ে বক্তৃতা হ'ল, সকলোৰে প্ৰদৰ্শন হ'ল। আমিও ছুখীৰ ছুখী অৱস্থাৰে কথা ক'লো, দেখুৱালো। কিন্তু আমাৰ বহু কেইপদ দেখি কলামোদী কলম্বছে যেন নতুন পৃথিৱী আৱিষ্কাৰ কৰিলে। এনে নৃত্য-সম্পদ অসমত আছিল বুলি তেওঁলোকে সন্দেহো কৰা নাছিল। ৰাষ্ট্ৰীয় অকাদমীয়ে স্বীকৃত চাৰি শৈলীৰ বাহিৰে আনবোৰ স্বীকৃতি সম্পৰ্কে বিচাৰ কৰিবলৈ আঠজনীয়া বিশেষজ্ঞ সমিতি পাতিলে, আমাকো তাতে ধৰিলে। তেতিয়া আমি অসমৰ নৃত্য-শৈলীৰ স্বীকৃতিৰ অৰ্থে অসমৰ চৰকাৰ আৰু ৰাইজৰ সাহায্য ভিক্ষা কৰিছিলো। কিন্তু সেয়া প্ৰায় অৰণ্য-ৰোদন হ'ল। আমাৰ মুখ্যমন্ত্ৰী শ্ৰীবিমলাপ্ৰসাদ চলিহাদেৱে হ'লে একণমান অতি লাগতিয়াল সহায় দিলে। কমলাবাৰী সত্ৰ আদিয়েও যেতিয়া যি লাগে আমাক দিলে। আমাৰ সৌভাগ্যৰ বিষয়, আজি সত্ৰীয়া নাচ আৰু সত্ৰৰ বাহিৰৰ ওজা-পালি, ছুইপদ নৃত্যই তাৰ শাস্ত্ৰীয় ঐতিহ্যৰ গৌৰৱত ৰাষ্ট্ৰীয় পুৰস্কাৰৰ বাবে স্বীকৃত হৈছে আৰু এই পৰ্যায়ত যোৱা মাহত চাৰি কুৰি সাত বছৰ বয়সত নৰনাট সামৰা কমলাবাৰীৰ শ্ৰীমণিৰাম বায়ন মুক্তিয়াৰে ১৯৬৪ চনত ৰাষ্ট্ৰপতিৰ হস্ত-কমলৰপৰা প্ৰথমবাৰলৈ পুৰস্কাৰ গ্ৰহণ কৰে। বোধ হয়, আমি এইবোৰ কথাবো খবৰ নাৰাখোঁ। কিন্তু যিসকলে ভাৰতীয় সাংস্কৃতিক ঐতিহ্যত অসমৰ স্থানৰ বাতৰি বিচাৰে, সিসকলক মাদ্ৰাজ বিশ্ববিদ্যালয়ৰ কলা-পণ্ডিত ডক্টৰ ভি. ৰাঘৱনৰ কথাৰে আশ্বাস দিওঁ ; তাতেই সিসকলে বিচাৰিলে পথৰ সন্ধানো পাৰে। ৰাঘৱনে স্বীকৃত চাৰিটি নৃত্য-শৈলীৰ কথা কৈ লিখিছে, "ভাৰতীয় শাস্ত্ৰীয় নৃত্যৰ

ঐতিহ্য এই চাৰি শৈলীৰ কোনো এটাত সম্পূৰ্ণৰূপে দেখা পোৱা নাযায়, সেই নৃত্যৰ কিছুমান লক্ষণ এটা শৈলীত ক্ষীণ হৈ লোপ পাইছে আৰু আন এটাত জীৱিত হৈ আছে কাৰণে সকলোবোৰ শৈলীৰ সমন্বয়-যুক্ত অধ্যয়নেহে মাথোন ভাৰতীয় নৃত্য-কলাৰ সম্পূৰ্ণ পুনৰ্নিৰ্মাণত সহায় কৰিব পাৰে। যোৱা কিছু দিনত মহেশ্বৰ নেওগৰ লেখীয়া অসমৰ পণ্ডিতৰ লেখাই তাত থকা মূল্যবান কিছুমান নৃত্য-ৰূপৰ অৱস্থিতিলৈ আমাৰ চকু মুকলি কৰি দিছে, সেইবোৰৰ লগত দক্ষিণ ভাৰতৰ নৃত্যৰ লক্ষণ আৰু ৰূপৰ সাদৃশ্য দেখিলে আশ্চৰ্য মানিব লাগে।" উত্তৰ-দক্ষিণ, পুব-পশ্চিম, সকলো অঞ্চলতোৱে ভাৰতবৰ্ষখন অবিভাজ্যভাৱে এক, সেই কথা নৃত্য-কলাৰ দৰে আন একোৱে বোধ হয় সৌৰবাই নিদিয়ে। ভৰত, কোহল, মতঙ্গ, নন্দিকেশ্বৰ আদিয়ে যি সাৰ্বজনীন কলাৰ ভাষা ভাৰতক দি থৈ গ'ল, আমাৰ সত্ৰীয়া আৰু ওজা-পালি নৃত্যাই তাকেই কৈ আছে 'ধন্য ধন্য ভাৰত-বৰিষ' বুলি।

নৃত্যৰ কথা ক'লো, গীতৰ কথা কোৱা নহ'ল। অসমীয়া মাৰ্গ-সঙ্গীতে ভাৰতীয় শাস্ত্ৰীয় ঐতিহ্যকে বহন কৰি আহিছে। পুব প্ৰান্তৰ আধুনিক ভাৰতীয় ভাষাত ৰাগ-সঙ্গীতৰ প্ৰচলনৰ নিদৰ্শন চৰ্যাবোৰেই দিয়ে। কিন্তু সিবোৰৰ কোনো প্ৰচলন আজি নাই। তাৰ পিছত কেইবাশতিকাৰো ব্যৱধানৰ পিছত ষোড়শ শতিকাৰ দুৰ্গাবৰ, পীতাম্বৰ আৰু শঙ্কৰদেৱ আদি বৈষ্ণৱ গীতকাৰসকলৰ গীতত ৰাগৰ প্ৰয়োগ দেখা পাওঁ। পীতাম্বৰী গীত আজি আৰু ক'তো শুনা নাযায়। দুৰ্গাবৰী চেকো লাহে লাহে নিমাত হৈ আহিছে। বং গোৱা আৰু ব্যাহ গোৱা ওজা-পালিৰ অনাদৰ মাৰাত্মক হৈ উঠিছে। শঙ্কৰদেৱ মাধৱদেৱ আদিৰ বৰগীত আৰু অঙ্কীয়া গীতৰ চৰ্চাৰ ক্ষেত্ৰ সঙ্কীৰ্ণৰপৰা সঙ্কীৰ্ণতৰ হৈ আহিছে। আজিকালি সাধাৰণ সভা এখনতে বৰগীত গাবলৈ গায়ক এজন বিচাৰি পোৱা নাযায়। এনেই অৱস্থা হৈছে আমাৰ সাংস্কৃতিক দুৰ্ভিক্ষৰ; আমাৰ নিজৰ ঐতিহ্য নিজৰ কাৰণেই যেন অনাত্মকীয় হৈ পৰিছে। বৈষ্ণৱ সঙ্গীতৰ গৱেষণা অতি

আৱশ্যকীয় হৈ আছে, কিন্তু এই ক্ষেত্ৰত অন্তৰায় হৈছে বহুতো। প্ৰথম অন্তৰায় হ'ল প্ৰশিক্ষণপ্ৰাপ্ত উপযুক্ত গৱেষকৰ অভাৱ। দ্বিতীয়তে, এই সম্পদবোৰৰ অন্ততঃ বৈজ্ঞানিক আলোচনাৰ সম্বল-হিচাপেই আৱশ্যকীয়, এনে অৱশ্যম্ভাৱী বিশ্বাস আৰু শ্ৰদ্ধাৰ অভাৱ। তৃতীয়তে, আমাৰ সত্ৰীয়া গায়ন-বায়নসকলৰ মাজত বৈজ্ঞানিকভাৱে সঙ্গীতজ্ঞানৰ অভাৱ। কাশীৰ ঠাকুৰ শ্ৰীজয়দেৱ সিংহে আমালৈ এখনি চিঠিত লিখিছিল, 'মই ১৯৫০-৫১ চনত গুৱাহাটীলৈ যাওঁতে বৰগীতৰ আচাৰ্য-সকলক তেওঁলোকৰ ব্যৱহৃত তাল-লয় সম্পৰ্কে প্ৰশ্ন কৰিছিলো। তেওঁলোকে কিন্তু এখন তালত কেইটা মাত্ৰা বা তাৰ ভৰী আৰু খালি ক'ত পৰিছে, একো ক'ব নোৱাৰিলে। এবাৰ তেওঁলোকে একতালত ২৪ মাত্ৰা বুলি ক'লে, এবাৰ ক'লে ২৮ মাত্ৰা বুলি। মই যেতিয়া তেওঁলোকক হাত-চাপৰি মাৰি তালখন দেখুৱাবলৈ ক'লো, তেওঁ-লোকৰ খেলি-মেলি লাগিল। তেওঁলোকে ক'লে, তেওঁলোকে খোল বজাই ৰাগ-তাল সকলো গাই যাব পাৰে। সিমানেই।' কিন্তু আমাৰ গায়ক-বাদকসকলৰ বৈজ্ঞানিক জ্ঞানৰ এই অভাৱ গৱেষকৰ জ্ঞানে পূৰণ কৰিব লাগিব। বৰগীত গৱেষণা সমিতিৰ গৱেষক মোৰ বন্ধু শ্ৰীকেশৱ চাংকাকতীয়ে দুখন সত্ৰৰ তালৰ বোল ভাঙি লিখি উলিয়াইছিল, আৰু সেইমতে তালৰ আৰ্হা সমিতিৰ পুথি Rhythm in the Vaishnava Music of Assam-অত সন্নিবিষ্ট হৈছে। তাকে দেখি শ্ৰীজয়দেৱ সিংহে ভাল পাই লিখিলে, 'মই দেখি বৰ পাইছো যে এই বিষয়ত আপোনালোক মোতকৈ অধিক ভাগ্যবান হৈছে। আপোনালোকে আচাৰ্যসকলৰপৰা তালৰ মাত্ৰাৰ সংখ্যা আৰু ভৰী আৰু খালিৰ স্থান নিৰ্ণয় কৰিব পাৰিছে।' কণ্ঠ-স্বীকাৰ আৰু আত্ম-প্ৰয়োগহে এই বিষয়ত আচল কথা। এটি সৰু উদাহৰণ দিওঁ। আমাৰ উদ্যোগত বৰগীত গৱেষণা সমিতিয়ে যেতিয়া গোলতে বৰগীতৰ ৰাগ আৰু তালৰ প্ৰাথমিক গৱেষণাৰ ভাৰ দুজন ভাল সঙ্গীতজ্ঞক দিলে, তেওঁলোকক সত্ৰীয়া বাদকে বিৰোধত পেলালে;

তেওঁলোক দুজনে প্ৰতিবেদনত লিখিলে, সত্ৰীয়া তালৰ মূল বাজনা বা গা-মানৰ লগত তালখনৰ (উত্তৰ ভাৰতৰ বেলা গৰণ টুকুৰাৰ নিচিনা) খাতবোৰৰ মাত্ৰাৰ অমিল, আৰু খাতৰ ছন্দ-বিভাজন তেওঁলোকে সেই দেখি নকৰিলে। কেইদিনমান পিছত দক্ষিণ ভাৰতৰ তালৰ গৱেষণাত ৰত এমেৰিকান অধ্যাপক ৰবাৰ্ট ব্ৰাউন কমলাবাৰীলৈ যাওঁতে গৱেষক দুজনে টুকি থোৱা অবিভাজিত তালৰ বোলখিনি আনি দি পঠালো। ডক্টৰ ব্ৰাউনে গুৱাহাটীলৈ ঘূৰি আহি মূল বাজনা অনুসৰি কেনেকৈ খাতবোৰৰ ছন্দ ভাঙিব পাৰি, হাতে-মুখে দেখুৱালে। গৱেষণা সমিতিৰ দ্বিতীয় পৰ্যায়ৰ বেলা শ্ৰীচাংকাকতীয়ে সত্ৰীয়া তালৰ অকল গা-মান আৰু খাতকে নহয়, চোকবোৰো স্পষ্ট-ভাবে বিশ্লেষণ কৰাত সক্ষম হৈছে। তেওঁ স্বৰ্গত মণিৰাম গায়নবৰাৰ নাচৰ ভঙ্গি-তাল প্ৰায়খিনিৰ তাল-লিপি লিখি উলিয়ালে, কিন্তু দুৰ্ভাগ্যৰ বিষয়, গায়ন মুক্তিয়াৰদেৱৰ কাল হোৱাৰ আগতে সকলো-খিনি তাল লিখা আৰু ৰেকৰ্ড কৰাৰ সুযোগ আমাৰ নহ'ল। কোনোবাই সেইখিনি এতিয়া দিব পাৰেনে, নাজানো। খৰ-ৰেখাৰ কালবৰগৰা বৰগীত অহীয়া গীতৰ গৱেষণা কৰি অসম সঙ্গীত-নাটক অকাদমীক সহায় কৰিব পৰা সঙ্গীতজ্ঞ এতিয়া নোলোৱা হৈছে। এইখিনি কাম কৰিব পাৰিলেহে সত্ৰীয়া সঙ্গীতক বৈজ্ঞানিক ভিত্তিত থাপনা কৰিব পৰা যাব। এই সঙ্গীতত শাস্ত্ৰীয় ৰাগ-তালৰ প্ৰয়োগ, ৰাগৰ ধ্যান আৰু আলাপৰ আদি বিকৃত ৰূপত হ'লেও আছে। সেইখিনি পুনঃসংস্থাপিত হ'লে দেখা যাব, শংকৰদেৱে অসমত ভাৰতীয় সাঙ্গীতিক ঐতিহ্যত প্ৰতিষ্ঠিত কৰিছিল মাৰ্গো, যদিও 'লোক-বেদৰ বৰ্জিত, দিও গায় বৰগীত।'

আমি পাব পৰা নিদৰ্শনেৰে ভাৰতীয় চিত্ৰ-কলাৰ ইতিহাসৰ পাতনি হয় তাৰ প্ৰাচ্য শৈলীৰে পাল ৰাজৰ কালত। সেই সময়ৰ বঙ্গ, বিহাৰ আৰু নেপালত গৌতম বুদ্ধৰ জীৱনৰ আৰু বৌদ্ধ দেৱ-দেবীৰ চিত্ৰিকাৰে কিছু কাঠফলক আবিষ্কৃত হৈছে। ইয়াৰ বহুত আগৰ

সপ্তম শতিকাৰ কামৰূপৰ আলেখ্যফলক-সম্পুটৰ কথা আমি আগতে কৈ আহিছো, কিন্তু সেই যুগৰ বা তাৰ অব্যৱহিত পিছৰ কোনো নিদৰ্শন আজি নাপাওঁ। দ্বাদশৰপৰা সপ্তদশ শতিকালৈকে গুজৰাটী চিত্ৰ-শৈলী মহাগৌৰৱেৰে আগ বাঢ়িছিল। পঞ্চদশ শতিকাত আৰম্ভ কৰি উত্তৰ ভাৰত প্লাবিত কৰা বৈষ্ণৱ আন্দোলনৰ ফলতে বুলিব পাৰি, নৱ শক্তি লৈ ৰাজপুত-মোগলৰ চিত্ৰ-শৈলীৰ উদ্ভৱ হয়। পাৰসিক লক্ষণেৰে মোগল চিত্ৰ-শৈলীৰ প্ৰভাৱে গুজৰাটী শৈলীক প্ৰথমতে আলিঙ্গন কৰি শেহান্তৰত সপ্তদশ শতিকাত তাক সম্পূৰ্ণ ঢাকি পেলায়। অষ্টাদশ শতিকাত ৰাজপুত-মোগলৰ শৈলীয়ে বাসোহলী, পাহাড়ী, কাংগ্ৰা প্ৰভৃতি সৰু সৰু শৈলীৰ ঠাল-ঠেঙুলি মেলে। সমস্ত উত্তৰ ভাৰত জোৰা চিত্ৰ-কলাৰ এই আন্দোলনে সম্ভৱতঃ সপ্তদশ শতিকাতে অসমকো আলোড়িত কৰে। অসমৰ বৈষ্ণৱ খনিকৰসকলেই তাক পোনতে গ্ৰহণ কৰে, পিছত সি আহোম ৰজা আৰু দৰঙী কোঁৱৰৰ ৰাজধানীকো অনুপ্ৰাণিত কৰে। অসমীয়া চিত্ৰ-সম্পদৰ লগত ওড়িয়া পট-অঙ্কন, নোৱাৰী মুৰা-বন্ধা (scroll) আৰু জৈন চিত্ৰাৱলীৰ সাদৃশ্য চকুত পৰে, কিন্তু সিবোৰৰ নিজা অনেক বৈশিষ্ট্যই সিবোৰক এক স্বতন্ত্ৰ অসমীয়া শৈলী-ৰূপে প্ৰতিষ্ঠিত কৰে। ডক্টৰ মোতীচন্দ্ৰই নগাঁৱৰ বালি-সত্ৰত প্ৰাপ্ত মহাপুৰুষৰ দশম স্কন্ধ ভাগৱতৰ চিত্ৰ-কলাৰ বিশেষত্ববোৰলৈ আঙুলিয়াইছে—lyrical draughtmanship, simple composition, dramatic narration and splendid colours. বৰ্ণিকাভঙ্গত অসমীয়া শৈলীয়ে শীৰ্ষবিন্দু পায়গৈ বুলি ক'ব পাৰি।

ভাৰতীয় আৰু অসমীয়া সাংস্কৃতিক ক্ষেত্ৰৰ বহুতো পথাৰৰ ওপৰে মোৰ ক্ষুদ্ৰ ভাৱনিকাত চপলিয়ালো আৰু আপোনালোকেও হয়তো মোক পিছে পিছে খেদি আহিল। ইয়াৰ ভিতৰত সাৰ্থক কিবা কাৰ্য হ'লনে নাই, আপোনালোকক বিচাৰ কৰিবলৈ দিলো। ইফালে সেই ক্ষেত্ৰ ইমান বিস্তৃত যে মোৰ বাবে দুৰ্বহ বস্তু এটি বৈ গ'ল—

গুৰুদেৱ ৰবীন্দ্ৰনাথৰ ভাষাত অকথিত বাণী, অগীত গান, আৰু বিফল বাসনা-ৰাশিৰ। তথাপিও মোৰ এই শত ত্ৰুটি-বিচ্যুতিপূৰ্ণ অভিভাষণ সামৰিব লাগিল প্ৰথম কাকতি স্মাৰক বক্তৃতাৱলীৰ শেষত ডক্টৰ চেটাৰ্জীয়ে উচ্চাৰণ কৰা মন্ত্ৰটিৰে—জয় কামৰূপ : জয় ভাৰত।

একাঙ্কিকা আৰু তাৰ কাৰিকৰি[১]

আপোনালোকৰ কাৰ ওচৰত মই কি জগৰ লগালো, ক'ব নোৱাৰোঁ। কিন্তু সন্মিলনৰ কাৰ্যপালিকাই মোক এই হেন এটি সুন্দৰ অনুষ্ঠানৰ সভাপতিৰ আসনৰ সন্মান আগ বঢ়োৱা বতৰাটি প্ৰধান সম্পাদকে দিয়াত পোনতে হ'লে আচৰিত নামানি নোৱাৰিছিলো। নাট আৰু মঞ্চৰ লগত মোৰ সমধটো বাই-মৰা ভিনিহিৰ দৰে বৰ দূৰণীয়া। আঢৈটা দশকৰ আগতে এখন নাট লিখিবৰ যত্ন কৰিছিলো, যি বস্তুৰ মাজত আমাৰ বৰ্তমান মুখ্য মন্ত্ৰী শ্ৰীচলিহাদেৱক শেষ বাৰৰ কাৰণে আমাৰ শিৱসাগৰৰ ৰংঘৰত অভিনেতা-ৰূপে পাইছিলো। এই ঘটনা এতিয়া বোধ হয় প্ৰত্নতত্ত্বৰ বুকত জাহ গ'ল। গুৱাহাটীৰ আকাশবাণীৰ—শ্ৰীবিষ্ণু! আকাছবাণীৰ—কাৰণে অঙ্কীয়া নাটৰ পুনৰ্লেখনৰ কাৰ্য কৰিছিলো আৰু ধেমালিতে দুই-এটি অভিনেয় আলেখ্য ৰচিছিলো। সিও এতিয়া পুৰাণৰ কথা, ৰভাহুৰ লগত ৰভাহী হৈ সেইবোৰ ক'লৈবা উৰি গ'ল। আপোনালোকে নিশ্চয় মোৰ এই অপকৰ্মবোৰ মনত ৰাখি থোৱা নাই আৰু সেই বাবে এনে এক মহৎ অনুষ্ঠানৰ সূত্ৰধাৰ পাতি বং চাবলৈও মতা নাই। হয়তো সাহিত্যৰ তথা নাটৰ নিমাখিত একন ছাত্ৰ বুলি গম পাইছে, আৰু সেইহে আপোনালোকৰ আদৰৰ তামূলী-পীৰাখনি আৰু বৰ খুটাটি মোলৈ আগ বঢ়াইছে। আপোনালোকে এই কাম ভালেই কৰিলেনে কি কৰিলে, পুনৰ্বিবেচনা কৰি চোৱাৰ ভাৰ আপোনালোকলৈকে এৰি আপোনালোকক মোৰ সাদৰ কৃতজ্ঞতা জনাইছো অন্তৰৰ তলিৰপৰা।

---

১ সদৌ অসম একাঙ্ক নাট্য সন্মিলন, সপ্তম বাৰ্ষিক অধিবেশন, মঙ্গলদৈ, ১৩ অক্টোবৰ ১৯৬৭

এতিয়া পিছে আপোনালোকক কওঁ কি? একাঙ্কিকানো কি আৰু তাৰ টেকনিকনো কেনে, বুজকীয়েই বা কি, সেইবোৰ কথা যদি কোনোবা প্ৰসিদ্ধ সমালোচকৰ উক্তি আবৃত্তি কৰি গাই শুনাওঁ, আপোনালোকে হয়তো ক'ব, ইহ্, এইজনে আকৌ গুৰুক বেদ পঢ়াবলৈ আহিল। আপোনালোকে এনেবোৰ বিষয়ে আগতে নিশ্চয় অনেকবাৰ পুংখানুপুংখভাৱে আলোচনা কৰিছে। আধুনিক চুটি গল্পৰ পিতৃ-পিতামহ বিচাৰি আমি অসমত কেতিয়াবা সাধুকথাৰ ওচৰলৈ গ'লেও পঞ্চতন্ত্ৰ হিতোপদেশৰ ওচৰলৈ নাযাওঁ। একাঙ্কিকাৰ উৎস আৱিষ্কাৰ কৰিবৰ অৰ্থেও একাঙ্ক ব্যায়োগ আৰু উৎসৃষ্টিকাঙ্ক বা কাৰ্টেইন-ৰেইজাৰৰ নিচিনা আমুখ-প্ৰস্তাবনা বা মধ্যৱৰ্তী অৰ্থোপক্ষেপক প্ৰবেশক-বিষ্কম্ভকৰ কাষ চাপিলে সংস্কৃতৰ অনুস্বাৰ-বিসৰ্গবোৰে আমাক খুচি-বিন্ধি দিয়েনেকি, ভয় নালাগেনে বাৰু। কোনো কোনো ভাৰতৰ পণ্ডিতে আকৌ আমাক এটা খবৰ দিবৰ যত্ন কৰে, মহাপুৰুষ শঙ্কৰদেৱৰ নাট কেইখনি বোলে এক-অঙ্কীয়া। যিসকলে এই বাটে গৈ আধুনিক একাঙ্কিকাৰ লগত শাচিপতীয়া অঙ্কীয়া নাটৰ যোবা পাতে, তেওঁলোকৰ লগত মই নাই। যিদিনাখন এৰিস্টোটলে ত্ৰৈৰেখিক ঘটনা, সময় আৰু স্থানৰ ঐক্য ৰাখিবৰ যত্ন কৰিছিল, সেইদিনা তেওঁ ভৱিষ্যত কুৰি শতিকাৰ বুকুৰ একাঙ্কিকা-স্বৰূপ ৰাম নৌ হওঁতেই ৰামায়ণ গোৱা নাছিল, যদিও আমি জানো তেওঁৰ সেই সূত্ৰৰ অনুৰূপ এটি সূত্ৰ একাঙ্কিকাৰ ক্ষেত্ৰতো সংজ্ঞাত হ'ব পাৰে। আকৌ যদি একে চোঁচাই ইউৰোপৰ ৰেণেচাঁ পুনৰ্জাগৰণৰ সময় পাওঁহি, তেতিয়াও একাঙ্কিকাৰ সৰে বাওনা ইণ্টাৰ্লুড্ক লগ পাওঁ নামঘৰৰ চোতালত বা চেউনী আলিত। কিন্তু সেয়াও সচেতন বা সবল যত্ন নহয় একাঙ্কিকাৰ পাতনি মেলাৰ। কিন্তু অজ্ঞাত নাট্যকাৰৰ মিষ্টিৰি নাটিকা, এভ্ৰিমেন, দি ইণ্টাৰ্লুড অৱ ইয়ুথ্ আদিয়ে তাহানি কালতে একাঙ্কিকাৰে ইঙ্গিত দিছিল। আকৌ হয়তো আপোনালোকে ক'ব, অষ্টাদশ শতিকাৰ জাৰ্মান নাটপণ্ডিত-নাট্যকাৰ লেছিঙৰ ফি লুৱেন বা উনবিংশৰ ইবছেনৰ

দি বাৰ্বিয়ৰ্ছ বেবো বা আনাতোল ফ্ৰাঁচৰ দি মেন হো মেৰেড্ এ ডাম্ব ৱাইফ্ বা ছুইডেনৰ ষ্ট্ৰিণ্ডবাৰ্গৰ মিছ জুলি আদি একাধিক একাঙ্কিকা বা ৰবীন্দ্ৰনাথৰ কোনো কাব্য-নাট্য বা নৃত্য-নাট বা লক্ষ্মীনাথ বেজবৰুৱাৰ গদাপাণি আৰু কচ আৰু দেৱযানীৰ কথা পাহৰিব নালাগিব। নাপাহৰোঁ। কিন্তু সিমানতো কওঁ, এইবোৰ হ'ল একাঙ্কিকাৰ পাদ-প্ৰদীপ জ্বলি উঠাৰ আগৰ পছিম আকাশৰ বতোৰাল। সেয়া হ'ল দীঘলীয়া নাটৰ চকা পাটত উঠা। কিন্তু ক্ষুদ্ৰকায় একাঙ্কিকা তেতিয়াও বৃহদায়তন নাটকৰ প্ৰতিযোদ্ধা বুলি গণ্য নহৈছিল।

পূৰ্ণাঙ্গ নাটকৰ লাংখা-লিংখি-ভৰা ছেটিঙৰ স্থূল-সূক্ষ্ম প্ৰয়োজন, প্ৰেক্ষা-গৃহৰ সহযোগিতা আৰু সময়ানুবৰ্তিতাত অমনোযোগিতা, ভাওনা-বেচিখোৱা নাট্যানুষ্ঠানৰ তদ্ধেতুক অসুবিধা আৰু আমোদ বিচৰাসকলৰ মাজতো এক শ্ৰেণীৰ সময়-সচেতনতা অথচ নাট্য-ৰসিকতা —এই সকলো সামাজিক-অৰ্থনৈতিক কাৰণত বিংশ শতিকাত জন্ম হ'ল প্ৰকৃত ৰূপত আৰু এইবাৰ শকত-আৱত নাটকৰ চেপাত নমৰোঁ বুলি। জন্ম লৈয়ে একাঙ্কিকা কিছু দিন পূৰ্ণায়তন নাটৰ বোকোচাত বগাব লগীয়াত পৰিছিল। যাই নাটকখন গহীনভাৱে আৰম্ভ হোৱাৰ আগতে প্ৰেক্ষাগৃহৰ ধৈৰ্য ৰক্ষা কৰিবৰ কাৰণে অলপ পাতল বস্তুৰে উনবিংশ শতিকাৰ শেষৰ ফালে কাৰ্টেইন-ৰেইজাৰ বা যৱনিকা-উত্তোলিকা নামেৰেই আৰিৰ্ভাৱ হ'ল—ঠিক যেন ভাৰতীয় নাট্যশাস্ত্ৰত বিহিত এক পূৰ্বৰঙ্গহে বা অসমীয়া ভাওনাৰ ধেমালিহে। লগতে ই গহীন নাটকৰ গহীন কথা-বস্তুৰে ভাৰাক্ৰান্ত দৰ্শকৰ মন হালুক কৰিবৰ কাৰণে তেনে নাটৰ পৰিশেষত আফ্‌টাৰ-পিচ নামে আন এটি ৰূপো ল'লে। কিন্তু যেনেকৈ গীৰ্জাৰ চৌহদত জন্ম লোৱা সত্বেও মধ্যযুগৰ ইংলেণ্ডৰ মিষ্টিৰি নাটকবোৰক তাৰণৰা কালক্ৰমত বাহিৰ কৰি দিয়া হ'ল, তেনেকৈ কাৰ্টেইন-ৰেইজাৰ আৰু আফ্‌টাৰ-পিচ নামৰ নাটিকাবোৰক নাট্য-ব্যৱসায়ীসকলে পিয়ন এৰা ভায়ুৰিৰ দৰে তাওৰ নাটৰ লগ একেবাৰে নিজ ঠাই বিচাৰিবলৈ এৰি দিলে।

গতিকে দেখা যায়, ষোড়শ শতিকাত অভিনয় বস্তুটি ব্যৱসায়ী হোৱাৰ সময়ৰেপৰা ব্যৱসায়ীসকলৰ হাতত ভাওৰ নাটকে নানা ৰূপ ল'লে, নানাৰূপে সি লাভৱান হ'ল, কিন্তু একাঙ্কিকাই সিসকলৰ দুৱাৰ-দ'লিত কেলেহুৱাৰ দৰে ভাল ব্যৱহাৰ নাপাইছিল। সপ্তদশ শতিকাতে তেওঁলোকে তাক নির্বাসন দিলে। অষ্টাদশত পুনৰ অকণমান ঠাই দিয়াত সি প্রহসন আৰু বহুৱালিৰ এটা চলেই আনিলে কিন্তু অৱনতিৰ চৰম সীমা পালেগৈ। উনবিংশ শতিকাৰ ব্যৱসায়ী নাট্যানুষ্ঠানে একাঙ্কিকাক অসম্মানজনক কার্টেইন-ৰেইজাৰৰ পদৱী মাথোন দিলে, কিন্তু অতি সোনকালেই তাক লেই-লেই চেই-চেই কৰা হ'ল। গতিকে এটি কলাত্মক বস্তু হিচাপে একাঙ্কিকা সবংশে নির্বংশ হোৱাৰ উপক্রম হ'ল। ভাগ্যে আনিৰ্বা নাট্য-জগতৰ নতুন এক পুনর্জাগৰণৰ অংশৰূপে ৰিপার্টৰি থিয়েটাৰ আন্দোলন ছুৰু হ'ল আৰু একাঙ্কিকাক নতুন জীৱন দান কৰিলে।

এতিয়াহে প্রকৃত একাঙ্কিকা-আন্দোলনৰ শুভাৰম্ভ হ'ল। যদি উনবিংশ শতিকাৰ বৈশিষ্ট্যপূর্ণ দান চুটি গল্পক সমাজে গ্রহণ কৰিলে, যদি পূৰণি ওভৰ ঠাইত ছনেট গ্রহণীয় বস্তু হৈ আছিলেই, তেনেহ'লে একাঙ্কিকাক নাট্যামোদীয়ে গ্রহণ নকৰিব কিয়? ব্যৱসায়ী মঞ্চই তাক খেদি পঠোৱাৰ কাৰণ আছে, কাৰণ তেনে মঞ্চৰ সদায় চকু ভৰ-পূৰ প্রেক্ষাগৃহত আৰু কাণখন বয়-অফিচৰ টকাৰ জন্‌জননিত। ক্ষুদ্রকায় বস্তু হিচাপে একাঙ্কিকাৰ কলাত্মক পৰিসৰ সীমিত, হয়, যেনেকৈ উপন্যাসৰ তুলনাত চুটি গল্পৰ, ওভৰ তুলনাত ছনেটৰ সম্ভাৱনা সীমিত। কিন্তু চুটি গল্প, ছনেট যেনেকৈ একোটি কলা-ৰূপ, কেইবা শতিকাৰো এবা-খবা অনুশীলনে একাঙ্কিকাকো এটি সুন্দৰ কলা-ৰূপ হিচাপে ইতিমধ্যেই প্রতিষ্ঠা দিলেই। গহীন নাটৰ লগত একাঙ্কিকা জুটি ল'লে দর্শকসকলে টিপ্‌ল বিলত অধিক ধন ভৰিব লাগে আৰু সাধাৰণ ভৰণৰ দর্শকে তাৰ বিনিময়ত অধিক তৃপ্তিও নাপায়। সেই কাৰণে ব্যৱসায়ী-মহলে অর্ধচন্দ্র দিয়া গেছে আৰ্জিত কৰিলেও কলাত্মক

সম্ভাৱনাই একাঙ্কিকাক নাথাই মৰিবলৈ নিদিলে। সেই সম্ভাৱনাক কৰ্ষণ কৰিবলৈ আগ বাঢ়ি আহিল নানা দেশৰ অব্যৱসায়ী নাট্যানুষ্ঠান পেৰিছৰ তিয়েটাৰ লিবাৰ ১৮৮৭, তিয়েটাৰ দি লেভাৰ ১৮৯৩, বাৰ্লিনৰ ফ্ৰী বুনে ১৮৮৯, লণ্ডনৰ ইণ্ডিপেণ্ডেণ্ট থিয়েটাৰ ১৯৯১, চিকাগোৰ নিউ থিয়েটাৰ ১৯০৬ আদি, নিউয়ৰ্কৰ প্ৰভিন্‌চটাউন প্লেয়াৰ্ছ ১৯১৫ আদি। কিন্তু এই আন্দোলন আটাইতকৈ সবল আৰু সাৰ্থকৰূপে দেখা দিলে ইউনাইটেড কিংডমৰ বিভিন্ন অঞ্চলত। ডাবলিনত ১৯০৪ চনত প্ৰতিষ্ঠিত এবে থিয়েটাৰ ইংৰাজী-ভাষী জগতৰ প্ৰথম ৰিপাৰ্টৰি থিয়েটাৰ। এইটো বৰ অৰ্থপূৰ্ণ কথা যে যি সময়ত আৰ্চাৰ, শ, গেলছৱৰ্থি আদিয়ে লণ্ডন মহানগৰত চিন্তাৰ নাটক প্ৰতিষ্ঠা কৰিছিল, সেই সময়তে এবে থিয়েটাৰে ডাবলিনত সাধাৰণ কৃষিজীৱী আদিৰ মাজত লোক-নাট্যক প্ৰতিষ্ঠা দিয়ে। এই ভাগৱান নাট্যগোষ্ঠীৰ স্থায়ী মূল্যৰ দুটি মহৎ দান লেডি গ্ৰেগৰিৰ দি ৰাইজিং অব্‌ দি মুন আৰু জে. এম্ ছিন্‌জৰ ৰাইডাৰ্ছ টু দি ছি। সাধাৰণ লোকৰ প্ৰকৃত জীৱনৰ লগত নাট্যকাৰৰ সহজ পৰিচয়ে দুইখনিকে জীৱনৰ আচল মূল্য দিছে। ১৯০৭ চনত মানচেষ্টাৰ ৰিপাৰ্টৰি থিয়েটাৰ আৰু ১৯১১ চনত লিভাৰ্পুল প্লেই-হাউছ খোলা হ'ল। লেংকেশ্বায়াৰৰ বৈশিষ্ট্যপূৰ্ণ ভাষা আৰু চৰিত্ৰেৰে নিম্ন-মধ্যবিত্ত আৰু বনুৱা জীৱনৰ চিত্ৰ লৈও নতুন এক ধাৰা নাটিকাৰ উদ্ভৱ হ'ল। ইণ্ডিপেণ্ডেণ্ট মিন্‌ছ, দি য়ং জেনেৰেচন্, হিণ্ডল্ ৱেক্‌ছ আৰু দি ডিএৰ ডিপাৰ্টেড্—এই কেইখন অপূৰ্ব একাঙ্কিকা লেখা স্টান্‌লি হাক্‌টন অকালতে ঢুকায়। তেওঁ মানচেষ্টাৰৰ মানুহ, আৰু তেওঁৰ চিত্ৰিত জীৱন লেংকেশ্বায়াৰৰ বিশিষ্ট জীৱন। আন কি, দি ডিএৰ ডিপাৰ্টেডৰ গল্পটো যদিও মোপাছাঁৰ, একাঙ্কিকাখনত প্ৰতিফলিত জীৱনটি হ'ল লেংকেশ্বায়াৰত ডুবুৰিয়াই তোলা জীৱন। লিভাৰ্পুল ৰিপাৰ্টৰি থিয়েটাৰৰ কাৰণে লেংকেশ্বায়াৰৰ জীৱনৰ ছবি আঁকা আন এজন একাঙ্কিকাকাৰ হ'ল হেৰল্ড ব্ৰিগহাউছ। ৰিপাৰ্টৰি আন্দোলনৰ বৈশিষ্ট্যপূৰ্ণ প্ৰতিনিধি আৰু প্ৰেক্ষাগৃহ ঠাই পুঁজৰা দৰ্শক

আকৰ্ষণ কৰিব পৰা একাঙ্কিকাকাৰসকলৰ গুৰু আদি উচ্চ প্ৰশংসো তেওঁ অৰ্জন কৰি আহিছে। তেওঁৰ লনহৃম লাইব্, দি প্ৰাইচ অব্ কোল, ফ্লবাৰ্ছ আদিয়ে একালে হাঁহি-কান্দোন-মিহলি কেঁচা জীৱন আঁকিছে, আনকালে একাঙ্কিকাৰ নিটোল ৰূপ দাঙি ধৰিছে। বিখ্যাত কবি-নাট্যকাৰ জন ড্ৰিঙ্ক্ৱাটাৰে লিখিছিল বাৰ্মিংহাম ৰিপাৰ্টৰি থিয়েটাৰৰ কাৰণে। মাথোন একাঙ্কিকাহে লেখা হেৰল্ড চাপিন এমেৰিকান, তেওঁ লিখিছিল গ্লাছগো ৰিপাৰ্টৰি থিয়েটাৰৰ কাৰণে আৰু লিখিছিল কক্‌নি বা খাছ লণ্ডনীয়া ভাষা, ভাষাৰ বাহাদুৰিৰ কাৰণেই তেওঁ লোকক আকৰ্ষণ কৰে। উদাহৰণ ইটছ দি পুৱৰ দেট্ এল্‌ছ দি পুৱৰ।

এইদৰে দেখা যাব, ৰিপাৰ্টৰি আন্দোলনে ইংৰাজী নাটকক নতুন এক বিচিত্ৰ জীৱন দিলে। ইয়াৰ ভিতৰত মন কৰিব লগীয়া ভাষা, চৰিত্ৰ, জীৱন, সকলো কালৰপৰা এই আন্দোলন প্ৰভিন্‌চিয়েল অৰ্থাৎ গ্ৰাম্য হোৱাটো। সেই কাৰণেই শেক্‌ছপিয়েৰৰ পিছত প্ৰথম বাৰৰ কাৰণে ইংৰাজী নাটকে জাতীয় ৰূপ পৰিগ্ৰহ কৰিছিল। এই অৰ্থপূৰ্ণ কথাটোৰ প্ৰতি আমাৰ একাঙ্কিকানুৰাগীসকলৰ বিশেষ মনোযোগ দেখা পালে আমাৰ একাঙ্কিকা আন্দোলন সবল হৈ উঠিব বুলি আশা কৰিব পাৰোঁ। বিলাতত আজিও ৰিপাৰ্টৰি থিয়েটাৰ আছে। কিন্তু প্ৰথম মহাসমৰেই তাৰ গৌৰৱ হৰণ কৰি লৈ গ'ল।

একাঙ্কিকা কিন্তু নমৰিল। ১৯১৮ চনত নতুন আন্দোলন আৰম্ভ হ'ল আত্মবিনোদক থিয়েটাৰ দল-গঠনৰ। ১৯১৮ চনত কেলি নামে ঠাইত বিছ মেৰি কেলিয়ে গাপনা কৰা ভিলেজ ড্ৰামা ছোচাইটি আৰু ১৯১৮-ত লণ্ডনত প্ৰতিষ্ঠিত ব্ৰিটিছ ড্ৰামা ছোচাইটি ১৯০১-ত সংযুক্ত হ'ল। ৰেল্স ড্ৰামা লিগ, স্কটিশ কমিউনিটি ড্ৰামা এছোচিয়েচন, নৰ্দাৰ্ন আইৰিশ ড্ৰামা লিগ, বিলিজিয়াছ ড্ৰামা ছোচাইটি, আন্-মেমুক্ত ছোচাইটি অব থামচেটাৰ, লিড্স অব লিট্ল থিয়েটাৰ্ছ আদি

অনেক অনুষ্ঠানে এই নতুন আন্দোলনত যোগ দিলে। তদুপৰি অনেক ঠাইত নাট্য-উৎসব উদ্‌যাপিত হ'ল। ব্ৰিটিশ ড্ৰামা লিগে ১৯২৬ চনত যেতিয়া নাটোৰ উৎসব আৰম্ভ কৰিছিল, ১৯৩৭ চনত ভৰ্তিৰ সংখ্যা হৈছিল ৬৪৮। এই সকলোটিয়ে একাঙ্কিকাক সাদৰ পৃষ্ঠপোষকতা দিছিল। এমেৰিকাত আৰ্থাৰ হপকিন্‌চে ১৯১৫-ত নাটমহোৎসৱ প্ৰবৰ্তন কৰে আৰু দি থিয়েটাৰ আৰ্টছ মন্থলি প্ৰকাশ কৰে, আৰু চৰকাৰৰ পৃষ্ঠপোষকতাত ১৯৩৫-ত ফেডাৰেল থিয়েটাৰ প্ৰোজেক্ট প্ৰতিষ্ঠিত হয়। বিশ্ববিদ্যালয়বোৰত কলেজবোৰত নাট্যকলা অভিনয়-কলাৰ বিভাগ খোলা হ'ল। এই সকলোবোৰ প্ৰচেষ্টাৰ ফল-স্বৰূপে অজস্ৰ একাঙ্কিকা ৰচিত হ'ল। নতুন আন্দোলনত নতুন নতুন বৈশিষ্ট্য নতুন নতুন প্ৰয়োজনেও দেখা দিছিল। লৰ্ড ডানছেনিৰ নাটকত ব্যঙ্গ-বিদ্ৰূপে দাঁত নিকটাই উঠিছে। চেইণ্ট জন আৰ্ভাইনৰ প্ৰোগ্ৰেছ নাটকত নাটক প্ৰচাৰৰ মাধ্যম হৈ পৰিছে। মিছ মেৰি কেলিৰ যত্নই দেখুৱাইছে গ্ৰাম্য জীৱনৰ নাটকৰ প্ৰয়োজনো বাৰ্কৈয়ে আছে। স্কটলেণ্ডে বেলূশে নিজস্ব বৈশিষ্ট্যৰ ধাৰাৰ সৃষ্টি কৰিছে। যদিও গ্ৰীক কোৰাছ অনেক শতিকাৰ আগৰ বস্তু, কোৰিক নাটক আৰু কোৰিক সংলাপৰ সম্পৰীক্ষা ডক্টৰ গৰ্ডন বটম্‌লি মিছ মাৰ্জৰি গুলান প্ৰভৃতিয়ে কৰিছে, টি এছ ইলিয়টৰ মাৰ্ডাৰ ইন দি কেথেড্ৰেলতো তেনে সংলাপৰ প্ৰয়োগ আছে। পুৰণি মাইম বা মূক অভিনয়ৰ কৌশলো একাঙ্কিকাত প্ৰয়োগ কৰিছে মিছ বোজালিণ্ড ভেলেন্সে পেণ্ডোবাজ বস্তুত। কেণ্টাৰ্বাৰি ফেষ্টিভেলবোৰৰ যোগে ইংৰাজী নাটক নিজৰ জন্মস্থান গীৰ্জালৈ ঘূৰি গৈ তাতো আনন্দৰ কোলাহল তুলিছে। বৰ্তমান নাট্য-আন্দোলনত আৰু এটি দিশ নিৰ্দেশ কৰিছে মহিলা সমিতি, ছোৱালী স্কুল, ছোৱালী কলেজৰ প্ৰয়োজনে। তেওঁ-লোকক লাগে পুৰুষ নোহোৱা নাটক। কিন্তু পুৰুষ নহ'লে নাটিকাবে হয় অবলা, অৰ্ধাঙ্গিনী !!

মই নকওঁ নকওঁ বুলিয়ে বিশেষকৈ ইংলেণ্ড আৰু এমেৰিকাৰ

একাঙ্কিকা আন্দোলনৰ কথাই ক'লো। ভাৰত তথা অসমৰ একাঙ্কিকা আন্দোলন সিবোৰ দেশৰে আন্দোলনৰ সুঁতি মাথোন। ভাৰতীয় আন্দোলন আৰম্ভ হয় ইংৰাজী নাটকৰ পঠন-পাঠনৰ যোগেদি। গতিকে পৰিসৰ, বিষয়-বস্তু আৰু টেকনিকৰ বিষয়তো আমি পশ্চিমৰ খিড়িকিখনেদি মুখটো উলিয়াই সাগৰৰ সিপাৰলৈ চাই পঠিয়াওঁ। গত্যন্তৰ নাই। এণ্টন চেকফ আৰু স্টানলি হাফটনৰ নাটিকা অসমীয়ালৈ অনূদিত হৈছে। সুখৰ বিষয়, যেনেকৈ মোপাচাঁৰ গল্পই ইংলেণ্ডত লেক্ষোৱাৰৰ জীৱনৰ ৰূপ লৈছিল, তেনেকৈ স্টানলি হাফটনৰ একাঙ্কিকাই অসমত চতিয়া-জামুগুৰিৰ বোল লৈছেহি। ভাৰতৰ আন ঠাইৰ কথা নকওঁ, অসমত কিন্তু একাঙ্কিকা জিন্দাবাদ। কাৰণ অসমত পেছাদাৰ নাট্যগোষ্ঠী নাই, ইয়াত সকলো আত্মবিনোদক থিয়েটাৰৰ দল, ব্যৱসায়-গঠনৰ চেষ্টাও সদায় বিফল হৈয়ে আহিছে। গতিকে একাঙ্কিকাৰ পোনাপোৰালিটি থাকলৈ নাপাই মৰাৰ আশঙ্কা মই দেখা পোৱা নাই। আৰু কিমানযে বিচিত্ৰভাৱে উদাৰ সম্ভাৱনা সোমাই আছে সেই নতুন কলা-ৰূপটিত। কিমান সুকীয়া সুকীয়া জীৱনৰ চিত্ৰ-অঙ্কন, জীৱনৰ নিষ্ঠুৰতাৰ সমালোচনা, জীৱনৰ ঘৃণীকৃত অন্যায়ৰ সমালোচনা, ৰাজনৈতিক-সামাজিক আবৰ্জনাৰ অপসাৰণৰ চেষ্টা ইয়াৰ যোগেদি কৰিব পাৰি। লৰ্ড ডানছেনিৰ বা ছেইণ্ট জন আৰ্ভাইনৰ ব্যঙ্গ আৰু প্ৰচাৰ—অৱশ্যে সেই দুটা বস্তুক কলাত্মক কৰি তুলিব লাগিব—সন্নিৱেশ কৰা নাটো আমাৰ আদৰ্শ হ'ব পাৰে। আমাৰ আধুনিক কোপোৰা জীৱনৰপৰা আঁতৰি এতিয়াও আগৰ সৌৰভ নেহেৰুওৱা গাঁৱলীয়া জীৱনত জীৱনৰ আচল খবৰ পাব পাৰোঁনেকি তাক একাঙ্কিকাই বিচাৰ কৰিব পাৰে। কৌতুক সংলাপ আদিৰ কৌশলৰ দৰে আমাৰ ভাওনাৰ, আন কি, ভাওনাৰ বহুৱাৰ বহুৱালিৰ কৌশলো প্ৰহসনাত্মক একাঙ্কিকাত প্ৰয়োগ কৰিব পাৰি। চন্দ্ৰবদন মেহটাৰ হোহোলিকা নামৰ নাটিকাত এনে জাতীয় ভৱাইৰ টেকনিকক কামত লগোৱা হৈছে।

কিন্তু সৰ্বোপৰি এটা কথা। একাঙ্কিকাক আগতে আমি চুটি গল্প আৰু ছনেটৰ লগত তুলনা কৰি আহিছো। তাৰ সৌন্দৰ্য ফুটিব লাগিব বিন্দুত, সিন্ধুত নহয়। ইয়াৰ কাৰিকৰি বৰ বিচিত্ৰ। এটা কেমিও বা বিচিত্ৰিত মুক্তাস্ফোটৰ লেখীয়া ই। আনফালে, ই জীৱনৰ স্থিৰচিত্ৰও নহয়, বন্ধ হোৱা ঘড়ীৰ ঘণ্টা আৰু মিনিটৰ পিং ছুডালৰ দৰেও নহয়। কাৰণ ইও নাটক। এৰিষ্টোটলে দুহাজাৰ বছৰৰ আগতে নাটকৰপৰা যি বিচাৰিছিলে, একাঙ্কিকাৰপৰাও আমি তাকেই বিচাৰিম। নাটকত সংঘাত লাগিব—ঘটনাৰ, চৰিত্ৰৰ, পৰিস্থিতিৰ, গঠনৰ। তদুপৰি, নাট্যকাৰৰ কিবা এটা থাকিব লাগিব ক'ব লগীয়া বাৰ্তা জীৱনৰ বিষয়ে। এই সকলোবোৰ গতি বান্ধি-ছাটি আনি একাঙ্কিকাত সুমুৱাই দিলে যাতে সিহঁতে 'বেণু সম তাণ্ডৱ' নকৰে তেনেভাবে নাট্যকাৰে চলাব জানিব লাগিব। আৰু যদি আমি মঞ্চত একাঙ্কিকা চাবলৈ যাওঁতে তাৰ ব্যৱস্থাপনাই ছেটিংছ ঠিক কৰোঁতে আমাৰ মিনিটবোৰ অতিষ্ঠ হৈ উঠে, আমি হ'লে কৈ দিম, মঞ্চৰ সমুখত নবহি আমি বোলছবিৰ ঘৰলৈকে গুচি যাম।

একাঙ্কিকামোদীসকল, বহুত কথা ক'ম বুলি বেছি একো কথা বিশেষ নক'লো, আপোনালোকৰ ধৈৰ্য-চ্যুতি ঘটালো ইকালে সিকালে নানাটা কথালৈ আঙুলিয়াই। ইয়াতে সামৰোঁ আৰু অসম একাঙ্ক নাট্য সম্মিলনৰ আনন্দময় জীৱন কামনা কৰি।

মায়ামৰীয়াৰ বুকুৰ শোণিতেৰে বনকোৱা বুৰঞ্জীৰ পাত[১]

অসম দেশৰ ৰাজনৈতিক তথা সাংস্কৃতিক বুৰঞ্জীত মায়ামৰীয়া সম্প্ৰদায়ৰ বুৰঞ্জী নানা আবেগ-অনুভূতিৰে চঞ্চল এটি বিচিত্ৰ ধাৰা। আপোনালোকে সেই সম্প্ৰদায়ৰ প্ৰবৰ্তক মহাপুৰুষ অনিৰুদ্ধদেৱৰ তিৰোভাৱ তিথি পাতিছে, কেয়োখনি মায়ামৰীয়া সত্ৰৰ প্ৰভুসকল, বাপুসকল আৰু শিষ্যবৰ্গ লগ লাগিছে। এইটি অতি আহ্লাদৰ কাৰ্য হৈছে। আপোনালোকৰ এই সমাবোহত যোগ দিবলৈ আমাক নিমন্ত্ৰণ কৰি পৰম আনন্দ আৰু গৌৰৱৰ ভাগী কৰিছে। আপোনা-লোকৰ এই মৰমৰ কাৰণে তিথি-পালন-কাৰ্যকৰী সমিতিৰ শলাগ লৈছো। আপোনাসৱ সৰ্বজনে আমাৰ প্ৰণতি গ্ৰহণ কৰোক।

মায়ামৰীয়া মহাপুৰুষীয়া সম্প্ৰদায়ৰ বুৰঞ্জীত কিমান কৰুণ, কিমান মৰ্মন্তুদ ৰক্তপাতৰ কাহিনী সোমাই আছে, তাক সুঁৱৰিলেও আজি গাৰ নোম ভালি ভালি হ'ব খোজে। মায়ামৰীয়াই বুকুৰ শোণিত দি সেই ইতিহাস বোলাই থৈ গৈছে। স্বজাতিৰ ওচৰত তেওঁলোক কিমান বেয়াকৈ লাঞ্ছিত, নিপীড়িত হৈছিল! কিন্তু কোনো কালেই তেওঁলোকৰ উন্নত শিৰ অৱনত নহ'ল একমাত্ৰ গুৰুৰ চৰণৰ বাহিৰে আন ক'তো। এই ইতিহাসৰ উপমা পৃথিৱীৰ বুৰঞ্জীত বিৰল। কিন্তু একেবাৰেই নোহোৱা নহয়। পচ্চিমলৈ চকু ঘূৰাই চাওক। যি ইহুদী জাতিয়ে জগতক বাইবেলৰ আদিকাণ্ডৰ কবিতা আৰু মনোৰম পুৰাণ দিছিল, যি ইহুদী জাতিয়ে জগতক শ্ৰেষ্ঠ সম্পত্তিশালী ব্যক্তি, শ্ৰেষ্ঠ মনীষী দান কৰিছিল, সেই ইহুদীসকল

---

১ শ্ৰীশ্ৰী অনিৰুদ্ধদেৱৰ তিৰোভাৱ তিথি-পালনৰ মুকলি সভা, হাটপোলা দেওবাই গাঁৱৰ চলীহা পথাৰ, চাবুৱা, ডিব্ৰুগড়, ২৩ ডিচেম্বৰ ১৯৮৮

অঘৰী হৈ, চৰম দুৰ্ভাগ্যগ্ৰস্ত হৈ, লাঞ্ছিত-নিৰ্যাতিত হৈ দেশে দেশে ঘূৰিব লগীয়া হৈছিল। বেবিলনৰ বন্দীশালৰ যন্ত্ৰণাৰ মাজতো তথাপি জানো ইহুদী কবিয়ে গোৱা নাছিল: If I forget thee, O Jerusalem! let my right hand forget its cunning! শতিকাৰ পিছত শতিকা যোৱাৰ পিছত আজি ইহুদীয়ে জেৰুজালেম বিচাৰি পাইছে, আজি এজ্ৰাইল প্ৰতিষ্ঠিত হৈছে। এই ভাৰতবৰ্ষৰ বুকুতে দেখা পাওঁ কেনেকৈ বিৰোধ আৰু নিপীড়নে পৰম ধাৰ্মিক নানকপন্থীসকলক গুৰু আৰু ধৰ্মৰ হকে তীক্ষ্ণ কিৰ্পাণ-ধাৰী যুঁজাৰু শিখ জাতিত পৰিণত কৰিছিল। মায়ামৰীয়াসকলো একে পথৰে পথিক হৈ পৰা নাছিল জানো? মাহ-প্ৰসাদ খাই হৰি-নাম গাই ঈশ্বৰ-চিন্তা কৰা এই নিৰীহ মহাপুৰুষীয়াসকলে কিহৰ বোষত খাণ্ডা-বাৰু হাতত তুলি ল'ব লগীয়াত পৰিছিল? কিন্তু কালৰ কি নিঠুৰ পৰিহাস! প্ৰবল-প্ৰতাপী আহোম স্বৰ্গদেওসকলৰ সাতখলপীয়া সিংহপীৰা কঁপাই তোলা মায়ামৰীয়াসকল হীনবীৰ্য হৈ পৰিল, আন কি কীৰ্তন-ঘৰ, মণিকূট, ক'তো কৃষ্ণ দেৱতাৰ মূৰ্তি এটিকে নৰখা নিবহ-নিপানী এই মহাপুৰুষীয়াসকলক লগৰ মহাপুৰুষীয়াসকলেই নানা অপবাদ দি কুটিল হাঁহি মাৰিব পৰা হ'ল। ইয়াকেই কয়, ৰণত পৰি ক'লীয়া হোৱা, তেল নাইকিয়া ফপৰীয়া হোৱা। এগৰাকী কালসংহতিৰ মহাপুৰুষীয়াৰ লগত এই কথা আলোচনা কৰোঁতে সিজনে ক'লে, আগৰ কালত ৰাজদ্ৰোহক মহাপাপ বুলি গণ্য কৰা হৈছিল, সেইহে লগৰ মহাপুৰুষীয়াসকলেও অনিৰুদ্ধ-পন্থীসকলক হীন চকুৰে চাবলৈ বাধ্য হ'ল। কিন্তু 'ধাতু-তাম্ৰাক্ষ্যী'ৰ কাহিনী, 'আদিচৰিত্ৰ'ৰ কাহিনী আদি তাল-পাত জোৰা দিয়া কথা বচিলেহে হীন চকুৰ চাৱনিকেৰা চোকা হয়নেকি? আজি গান্ধী মহাৰজাৰ দিন, যি দিনত ৰাজদ্ৰোহ হৈছে পুণ্যকৰ্ম, বন্দীশাল হৈছে তীৰ্থক্ষেত্ৰ। এইটি দৃষ্টিভঙ্গিৰে চাই অনিৰুদ্ধ-পন্থীসকলৰ মহত্ব বুজিব পৰা সময় বোধ হয় আজি বাৰুকৈয়ে হৈছে। হৈছেনে?

গুৱাহাটী বিশ্ববিদ্যালয়ৰ আৰম্ভণিতে প্ৰবেশিকা পৰীক্ষাৰ্থীসকলৰ পাঠ্য অসমীয়া গদ্যৰ বাছনি এখনি প্ৰস্তুত কৰোঁতে ডক্টৰ বাণীকান্ত কাকতি, ডক্টৰ বিৰিঞ্চিকুমাৰ বৰুৱা, আৰু আমি গোটে খাই উদাৰ-পন্থী ঐতিহাসিক গুণাভিৰাম বৰুৱাৰ 'আসাম বুৰঞ্জী'ৰপৰা মৰাণ বিদ্ৰোহৰ কথাখিনি 'বিদ্ৰোহৰ বুৰঞ্জী' নাম দি সুমুৱাই দিওঁ। সেইটি পটি বিশ্ববিশ্ৰুত পণ্ডিত বিশ্ববিদ্যালয়ৰ কুলপতি শ্ৰীকৃষ্ণকান্ত সন্দিকৈ ডাঙৰীয়াই কৈছিল, সেই পাঠটি ৰবাটো বিপ্লৱৰ কাহিনীৰ দৰেই চিত্তাকৰ্ষক। আনফালে সেই পাঠটি সন্নিবেশ কৰাত আপত্তি কৰা পণ্ডিতো আমাৰ মাজত ওলাইছিল। ইয়াৰপৰাই বুজিব পাৰি গান্ধী-আন্দোলন আৰু স্বাধীনতা-লাভেও আমাৰ মনবোৰ ৰঙকাল কৰি দিয়া নাই। এইটি কথা ঠিক যে মায়ামৰীয়া সম্প্ৰদায়ৰ মাজত শিক্ষাৰ বিস্তাৰ বাঞ্ছনীয়ভাবে এতিয়াও হৈ উঠা নাই। নিজৰ গ্লানি গুচাবৰ কাৰণে কাকতে-পত্ৰই যুক্তি আৰু শক্তিৰে লেখে, এনে লোক এতিয়াও সিসকলৰ মাজত বিৰল। তথাপি দুই-এগৰাকী মায়ামৰীয়া সত্ৰাধিকাৰৰ দুই-এটি লেখাই মায়ামৰীয়াৰ হকৰ কথা আমাক সোঁৱৰাই আছে। তদুপৰি অনিৰুদ্ধদেৱ আৰু মায়ামৰীয়া গোসাঁইসকলৰ বংশাৱলী পুথিখনি ছপা হৈ ওলোৱাটো এটি অতি বাঞ্ছনীয় কাৰ্য হৈছে। কিন্তু আধুনিক পাণ্ডিত্যৰ বৈজ্ঞানিক ভিত্তিত এনে বংশাৱলী সম্পাদিত হৈ ওলোৱাটো আমি বিচাৰোঁ, কাৰণ তেনেভাৱেহে সম্প্ৰদায়টিৰ বুৰঞ্জীয়ে বৰ্তমান জগতত প্ৰতিষ্ঠা লাভ কৰিব পাৰিব। ইয়াৰ উপৰি মহাপুৰুষ অনিৰুদ্ধদেৱৰপৰা আৰম্ভ কৰি এই সম্প্ৰদায়ৰ কবিসকলৰ গীত-নাট আদি ছপা হৈ ওলোৱা অতি বাঞ্ছনীয়। কিছু দিনৰ আগতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ নিৰ্দেশত আমি মহাপুৰুষ গুৰু দুজনাৰ পিছৰ ভক্তিমূলক গীতৰ এখনি সংকলন প্ৰস্তুত কৰিছিলো। ১৯৫১ চনতে অসম চৰকাৰে সংকলনখনি ছপাই উলিয়াবলৈ লয়। তাৰ মাজতে অনিৰুদ্ধদেৱৰ গীতসমূহো সন্নিবিষ্ট হৈছিল। কিন্তু আজি ওঠৰ বছৰে মহাশক্তিশালী অসম

ছবকাৰেও নিজৰ ছপাশালৰপৰা পুথিখন উলিয়াই দিব পৰা নাই। 'কাহাক দুষিবো, ইসি অভাগ্য কপাল।' পুথিখনিৰ কাম কৰা সময়ত দেখা পাইছিলো, বিদ্ৰোহী মৰাণসকলে অনিৰুদ্ধদেৱৰ 'বে ভাই, কমনে কৰ বিহাৰ। প্ৰচণ্ডবেগৰ ঠাঠ কহি আসে, উমান নপৰা গাৰ॥' আদি ৰূপক-গীত বিদ্ৰোহীৰ মাজত পৰম্পৰে বুজা সঙ্কেত-ৰূপে ব্যৱহাৰ কৰিছিল। এনেবোৰ কথাৰ পম খেদিবলৈ ধৈৰ্য আৰু সুবিধা হ'লে, কিমান জানিব লগীয়া কথাইযে আমাৰ চকুৰ আগত নপৰিবহি!

আজিও আমাৰ মাজত 'মায়ামৰা'-'মোৱামৰা', 'মায়ামৰীয়া'-'মোৱামৰীয়া', 'মৰাণ', 'মটক' আদি শব্দই খেলি-মেলিৰ সৃষ্টি কৰি আছে। এই আখ্যাবোৰৰ ঐতিহাসিক, বৈজ্ঞানিক ব্যাখ্যা আমি পাব লাগিব। চুথামফা খোৰাৰজাৰ সমুখত অনিৰুদ্ধদেৱে মায়াসৰ্প সৃষ্টি কৰি সংহাৰ কৰাৰপৰা 'মায়ামৰা' শব্দৰ সৃষ্টি হ'ল আৰু 'এক মত'হে মানে বাবে 'মটক' নাম হ'ল—এইবিলাক ভকতীয়া ব্যাখ্যা। কিন্তু ইতিহাসযোগ্য ব্যাখ্যা আমি পাব লাগিব। তাহানি পুৰণিমাটি সত্ৰৰ উৎসৱানন্দ অধিকাৰ গোস্বামীয়ে উদ্ধাৰ কৰা এছোৱা পদত তেনে ব্যাখ্যাৰ ইঙ্গিত পোৱা যায়: 'উত্তৰ হাটীৰ সমীপত আছে বিল। তাত সৱে মোৱা মাছ ধৰে অবিকল॥ সেহি হ্ৰদ কোলে ভৈল সত্ৰ বিচক্ষণ। এতেকেসে মোৱামৰা বোলয় বচন॥' এই পদছোৱাত 'মায়ামৰা' নামৰো ভকতীয়া ব্যাখ্যাটি আছে, 'মায়া-পাশ ভকতৰ হোৱে নিবাৰণ। মায়াসৰ্প প্ৰজি পূৰ্বে কৈলা নিবাৰণ॥' এইভাৱে চালে মায়ামৰা-মোৱামৰা আৰু মায়ামৰীয়া-মোৱামৰীয়া দুইপ্ৰকাৰৰ আখ্যাই গ্ৰহণীয় হ'ব পাৰে। কিন্তু বিপদ কালত ঔৰেও গল খজুওৱাৰ দৰে মাজতে 'মোৱামৰীয়া' নামৰ কদৰ্থ কৰা হ'ল। তথাপি আমি ভাবোঁ, সেই কদৰ্থত আমাৰ মন লাগি থাকিব নেলাগে, আৰু 'মোৱামৰীয়া' বুলিলে গালি বুলি ভাবিবৰো প্ৰয়োজন নেদেখোঁ —যেনেকৈ 'আউনীআটীয়া', 'কমলাবাৰীয়া', 'কাৰৈবৰীয়া' বুলিলে দুখ

পাবলৈ একো নেথাকে। আনকালে, তাহানিৰ হিতেশ্বৰ বৰবৰুৱা ডাঙৰীয়াই এবাৰ লিখিছিল যে বুৰঞ্জী আদি বঙ্গাৰবীয়া কোনো কাকতপুথিতে 'মায়ামৰা' বা 'মায়ামৰীয়া' নাম নাই, গতিকে সি অশুধ। কিন্তু এই কথা ঠিক যেন নেলাগে, কাৰণ ১৭২৪ শকৰ ৮ আহাৰ তাৰিখে কমলেশ্বৰসিংহ স্বৰ্গদেৱে খড়ীয়া ফুকন, বৰকটকী ৰামদেৱ শৰ্মা আদিৰ হাতে কলিকতাৰ গবৰ্ণৰ-জেনেৰেল বাহাদুৰলৈ লেখা বঙলা পত্ৰত দুঠাইত 'মায়ামৰিয়া' শব্দ ('মোৱামৰীয়া' ক'তো নাই চিঠিখনত) ব্যৱহৃত হৈছে। চিঠিখনৰ যি ফাৰ্চী অনুবাদ দিল্লীৰ নেচনেল আৰ্কাইভত আছে, তাতো দুয়ো ঠাইতে 'মায়ামৰিয়া' শব্দই বহিছে। গতিকে বুজিব পৰা যায়, এই শব্দটি বঙ্গাৰবতো অগ্ৰহণীয় নাছিল।

'মৰাণ', 'মটক' লৈও কিছু খেলিমেলি দেখা পোৱা যায়। অষ্টাদশ শতিকাৰ কেপ্টেইন ৱেল্‌শৰ চিঠিত (ফেব্ৰুৱাৰী ১৭৯৪) 'Maran and Moamaria' (মৰাণ আৰু মোৱামৰীয়া) বুলি মৰাণ আৰু মোৱামৰীয়াক পৃথক কৰি দেখুওৱা হৈছে। ঊনবিংশ শতিকাত, বিশেষকৈ ১৮৩৯ চনত এই বিষয়ে বহুত লেখা-লেখি হোৱা দেখা যায়। উজনি অসমৰ পলিটিকেল এজেণ্ট আডাম হোৱাইটে গবর্নৰ-জেনেৰেলৰ এজেণ্ট জেন্‌কিন্‌চলৈ লেখা চিঠিত কৈছে, মটকসকল হ'ল মৰাণ বা মটক খণ্ডত পোনতে বাস কৰা এটা জনজাতি (originally a rude tribe settled in a district called Muran or Muttack) আৰু সত্ৰ পতা ঠাইৰ নামৰপৰাই মোৱামৰীয়া (Mooamooriyas) আখ্যাটো হৈছে। সদিয়াৰ সদৰ অধিকাৰত থকা এচ্. পি. হানে হাহাৰে জেন্‌কিন্‌চলৈ দিয়া চিঠিত কৈছে, বুঢ়ী দিহিং নৈৰ উত্তৰ পাৰৰ ব্ৰহ্মপুত্ৰ উপত্যকাত কসবাস কৰা মোৱামৰীয়া-সকলৰে (Moamorahs) সাধাৰণ নাম মটক, মটকসকলৰ দুটা ভাগ; এভাগ হ'ল উজনি ভিত্ৰ অঞ্চলৰ মৰাণসকল, যিসকলে আহোম-আমৰনৰ আগতে ৰৰাহী মৰাণ ('Barai' Morans) নাম

লৈ নিজৰ ৰজাৰ অধীনে আছিল, আনভাগ মটকৰ বসতি হ'ল যাইকৈ চেঁচা নৈৰ পাৰত, এওঁলোক মোৱামৰীয়া-সম্প্ৰদায়ভুক্ত হ'লেও তেওঁলোকৰ ভিতৰত আহোম আৰু আন থলুৱা লোকো আছে। জেন্‌কিন্‌ছে ভাৰত চৰকাৰৰ সচিবলৈ দিয়া পত্ৰত (মেই ১৯৩৯) লিখিছিল, মটক খণ্ড অসমৰ ৰাজ্যৰ এটি অংশ মাথোন আৰু তাৰ সৰহ ভাগটি (মদাৰখাত, টেঙাখাত আদি) আহোম ডা-ডাঙৰীয়া-সকলৰ খাতত বিভক্ত, মটকৰ বৰসেনাপতিৰ পুত্ৰসকল চুতীয়া আৰু তেওঁলোকৰ কোনোজন মোৱামৰীয়া গোসাঁইৰ আৰু কোনোজন বামুণীয়া গোসাঁইৰ শিষ্য। ১৮৮১ চনৰ পিয়লৰ প্ৰতিবেদনত কোৱা হৈছে, ন দিহিং, ব্ৰহ্মপুত্ৰ আৰু দক্ষিণৰ পৰ্বতমালাৰ মাজৰ প্ৰদেশখণ্ডই অৰ্থাৎ লুইতৰ দক্ষিণ পাৰৰ লখীমপুৰ জিলাৰ সমস্ত অংশই হ'ল মটক এলেকা, মটক শব্দটো ৰবিন্‌ছন চাহাবৰ মতে খামটি ভাষাৰপৰা আহিছে, এই শব্দটোৱে মটক প্ৰদেশৰ লোককে বুজাব লাগে, কিন্তু বৰ্ত্তমানে সি মোৱামৰীয়া গোসাঁইৰ (Matak Goshain) সেৱক-সকলকহে বুজায়, পিছৰ অৰ্থটিত মটকসকলে নিজকে 'পুৰণা ভকত' বুলি পৰিচয় দিয়ে। প্ৰতিবেদনখনত আৰু কোৱা হৈছে, 'মৰাণ' শব্দৰ অৰ্থ স্পষ্ট নহয়, আগতে মটক প্ৰদেশৰ উজনি খণ্ডকে মৰাণ বোলা হৈছিল আৰু এতিয়া (অৰ্থাৎ ১৮৮১ চনত) ডিব্ৰুগড়ৰ পুব আৰু উত্তৰৰ বিস্তৃত অনাবাদী ভূমিখণ্ডকহে এই নামে জনা যায়। এই পিছৰ এলেকাতে মৰাণৰ গোসাঁইসকলৰ বসতি, যাৰ সেৱকসকলে মটক মৰাণ বুলি নিজৰ পৰিচয় দিয়ে। এই মৰাণসকলৰ লগত পূৰ্বতে ভাই কৌৱৰ চুকাফাৰ সংঘৰ্ষ হৈছিল। প্ৰতিবেদনত ইয়াকো কোৱা হৈছে ৰবিন্‌ছনৰ মতে 'মৰা' শব্দটোৰ অৰ্থ হেনো হাবিতলীয়া (inhabitants of the jungle) আৰু হেনো আহোম ৰজাই মৰাণসকলক দিয়া খৰি লোৱা বাবৰ লগত এই অৰ্থ ভালকৈ খাপ খায়। আমাৰ কিন্তু এই কথাত প্ৰত্যয় নহয়। আলেকজেণ্ডাৰ মেকেন্‌জিয়ে (১৮৮৪ চন) উল্লেখ কৰিছে, পেম্বাৰ্টনৰ মতে পহিলে

আৰু উত্তৰে ব্ৰহ্মপুত্ৰ, দক্ষিণে বুঢ়ী দিহিং আৰু পূবে দিহিং নৈৰপৰা কুণ্ডিল নলালৈকে এডাল ৰেখা টানিলে তাৰ মাজত যি ভূখণ্ড পৰিব সেয়ে মটক প্ৰদেশ, তাৰ কালি-পৰিমাণ হ'ব প্ৰায় ওঠৰ শ বৰ্গ মাইল। মৰাণসকলে গৌৰীনাথসিংহৰ ৰাজত্বৰ অন্তলৈকে স্বাধীনতা ভোগ কৰিছিল, মাথোন কেপ্টেইন ৱেল্শৰ দ্বাৰা পৰাভূত হৈ ৰজাৰ বশ্যতা সাধাৰণভাৱে স্বীকাৰ কৰিছিল (admitted in general terms the supremacy of Gowhatty Raja) , অনেক আহোম আৰু আন থলুৱা লোকে (Assamese and Ahoms) মৰাণৰ পক্ষত যোগ দিছিল , মানৰ আক্ৰমণৰ সময়ত মটকৰ ৰৰসেনাপতিয়ে মানক খাদ্য আৰু বস্তুৱা যোগাইছিল কিন্তু সৈন্যৰ যোগান নধৰিছিল, আৰু ব্ৰিটিশ অহাৰ লগে লগে সিসকলেৰে চুক্তি কৰিছিল। মুঠতে চাহাবসকলৰ লেখাৰপৰা ব্ৰিটিশ যুগৰ আৰম্ভলৈকে মটক ৰাজ্য আৰু মৰাণ-মোৱামৰীয়াসকলৰ ৰাজনৈতিক ইতিহাস এইভাৱে থূলমূল-ভাৱে পাব পাৰি। মণিৰাম দেৱানে তেওঁৰ 'বুৰঞ্জী-বিবেক-ৰত্ন' পুথিত মায়ামৰীয়া সম্প্ৰদায়ৰ বুৰঞ্জী পক্ষপাত-শূন্যভাৱে দাঙি ধৰিছে আৰু মায়ামৰীয়া বিদ্ৰোহৰ বহল বৰ্ণনা দিছে 'অথ মটক-দৌৰাত্ম্য', এই শিতানৰ তলত। মায়ামৰীয়া গোসাঁইসকলৰ বংশাৱলীয়ে দেৱানৰ বৰ্ণনা প্ৰায়খিনি সমৰ্থন কৰে। আনফালে, বুৰঞ্জী-সমূহৰপৰা আমি ৰজাঘৰীয়া পক্ষৰ দৃষ্টিভঙ্গিৰপৰা কাহিনীৰ বিশেষ ৰূপটি দেখা পাওঁ। মায়ামৰীয়া বিপ্লৱ অসমৰ গৃহ-কন্দল, আমাৰ নিজৰ ভিতৰতে খৰিয়াল। এই বিপ্লৱৰ বিষাক্ত নাটকত বেজদলৈ ভণ্ডাৰী বৰুৱা, ৰাণী প্ৰমথেশ্বৰী, কীৰ্তিচন্দ্ৰ বৰবৰুৱা, এই দেশত থাকিও ইয়াত জীণ নোযোৱা ৰত্নাপী গোসাঁই আদি কেইটামান চৰিত্ৰৰ অন্তৰণ নোহোৱা হ'লে আহোম ৰাজৰ আৰু মহাপুৰুষীয়া ধৰ্ম উভয়ৰে গৌৰৱ আৰু শক্তি বোধ হয় ম্লান হ'বলৈ নাপালেহেঁতেন। মণিৰাম দেৱানেও শিৱসিংহ, প্ৰমত্তসিংহ, ৰাজেশ্বৰসিংহই ৰজদেশীয় আসমী পৰ্ দোৱাটোক 'দেশ-বিভ্ৰাটৰ মূল অঙ্কুৰ' বুলিছে।

মায়ামৰীয়া গোসাঁইৰ সেৱকসকল পাৰ্বোতে বিদ্ৰোহী হৈ উঠা নাছিল। বাৰে বাৰে পোৱা প্ৰাণৰ আঘাতেহে তেওঁলোকক তেনে কৰিছিল। সেই আঘাতৰ বাবে অৱশ্যে সমস্ত ৰজাঘৰ দায়ী নাছিল, দুই এজনৰ খেয়াল বা খামখেয়ালিয়েহে বাৰে বাৰে সেইবোৰ অঘটন ঘটাইছিল। মায়ামৰীয়া সত্ৰৰ বিশেষত্ব আৰু মহত্ত্বই হ'ল উত্তৰ-পূব অঞ্চলৰ মৰাণ, চুতীয়া, কৈবৰ্তকে আদি কৰি সাধাৰণ প্ৰজাৰ মাজত মহাপুৰুষৰ বাণী প্ৰচাৰ কৰাটো। তেনে কাৰ্যৰ উদ্বোধন মহাপুৰুষ গুৰু দুজনায়ে নিজে কৰি থৈ গৈছিল 'গাৰো, ভোট, যৱন', 'মিৰি, আসম, কছাৰী'ৰ মাজত নামধৰ্মৰ প্ৰসাদ বিতৰণ কৰি। আনফালে, বৰপাত্ৰ, বৰগোহাঁই মন্ত্ৰীলৈকে মায়ামৰীয়া গোসাঁইৰ শিষ্য হৈছিল— ৰাজ্যৰ বৃজন এভাগ লোকৰ লগতে। এটা কথাই মায়ামৰীয়াসকলক আনৰপৰা পৃথক কৰিছিল—গুৰুৰ বাহিৰে, আন কি ৰজাৰ আগতো মূৰ নোদোঁওৱাটিয়ে। এই নীতিৰ হকেযে তেওঁলোকে প্ৰাণ দিবলৈও সঙ্কোচ নকৰিছিল, তাৰ প্ৰমাণ দিছিল প্ৰতাপসিংহ বুঢা ৰজাৰ বৰপাত্ৰ লাকু, বৰগোহাঁই গুঁইমেলা সোলা, এজন নেওগ-ফুকন আৰু আন এজন মৰাণ বিৰয়াই ডিঙিৰ সমানে পতা হেংদানকো নগণি উচ্চ শিৰ সুউচ্চ ৰাখি যোঁৱা চেকুৰাই নিজৰ শিৰ বিসৰ্জন দিবলৈও ভয় নকৰি।

চুৰমফা ভগা ৰজাৰ দিনত মায়ামৰীয়া মহন্ত নিত্যানন্দদেৱক চাওডাং বৰুৱাৰ খাণ্ডাধাৰীয়ে বধ কৰে। গোসাঁয়ে নিজৰ অগণন শিষ্য আৰু ভূমি পাতি থোৱা ধন-সোণ ঐশ্বৰ্যৰ কথা কৈ নিজকে 'ভুংখুতীয়া ঘৰেৰেহে সমান' বুলি কোৱা কথা বেজদলৈ ভণ্ডাৰী বৰুৱাই ৰজাৰ কাণ চুৱালে, আৰু ইফালে বৰচ'ৰাত হোৱা সভাৰ পিছত গোসাঁয়ে ছকুৰি টঁাৰ জোৰ লগাই ৰাহবলৈ যোৱাটি হ'ল আন এটি জগৰ। এই বাবেই চাওডাঙে, গোসাঁইক কাটি হোৱা হোৱা কৰি কুঁজীবাদিত দিখৌৰ বুকুলৈ পৰাই দিলে। এগৰাকী বুঢ়ীয়ে গোসাঁইৰ নিষ্প্ৰাণ দেহাটি তুলি ৰাখিলে আৰু মায়ামৰীয়া ভকতসকলে তাকে

কাথপাৰত ধানৰ ভঁৰালত সুমুৱাই ভঁৰালত জুই লাগিল বুলি দাহ কৰিলে আৰু সকলো খোট খাই কন্দা বান্ধিলে, 'মাৰি যাওঁ, মৰি যাওঁ, গুৰুৰ ঋণ শুজি যাওঁ।' এই প্ৰতিজ্ঞা হ'ল সপ্তদশ শতিকাৰ ঠিক মাজ ভাগৰ। সি প্ৰাণে প্ৰাণে বান্ধি ৰ'ল, কিন্তু ৰাজ-ৰোষৰ ভয়ত বিশেষ একো কৰা নহ'ল। বিশেষকৈ ইয়াৰ পিছৰ জয়ধ্বজ-সিংহ স্বৰ্গদেৱ উদাৰ লোক আছিল, তেওঁ আন কি মায়ামৰীয়া সত্ৰত শৰণ লোৱাৰ প্ৰস্তাৱো কৰিছিল। গদাধৰসিংহ ৰজাৰ দিনত গোসাঁই-মহন্তসকলক বহুত নিৰ্যাতন কৰা হয়। বিশেষকৈ বঙাচৰণ ভণ্ডাৰী বৰুৱাই ভকত-বৈষ্ণৱৰ ওপৰত বৰ উপদ্ৰৱ কৰিছিল। কাল-সংহতিৰ গোসাঁইসকলে এই সময়তে বহুতো অপমান-অপযশ মূৰ পাতি ল'ব লগা হৈছিল। শ্ৰেষ্ঠ আহোম ৰজা ৰুদ্ৰসিংহই পিতাকৰ দিনত খেদা খোৱা মহাজনসকলক পুনঃসংস্থাপন কৰিলে কিন্তু কাষৰীয়া লগনীয়া কথাত অব্ৰাহ্মণে ব্ৰাহ্মণক শৰণ দিব নাপায় বুলি মহাপুৰুষীয়া ধৰ্মৰ বুৰঞ্জী লুটি খুৱাই কাল-সংহতিৰ মহন্তসকলক লটিঘটি কৰে আৰু শান্তিপুৰৰপৰা টিঙৰামৰা কৃষ্ণৰাম ভট্টাচাৰ্যক এই দেশলৈ আনি 'দেশ-বিভ্ৰাটৰ যুদ্ধ অঙ্কুৰ' ৰোপণ কৰে। এই সময়ৰেপৰা কোনো কোনো সত্ৰত শাক্ত প্ৰভাৱ সোমাল আৰু ৰাজানুগ্ৰহপ্ৰাৰ্থী সকলো সত্ৰই বিগ্ৰহ-পূজা মানি ল'লে। এই বিষয়ত এক মাথোন মায়ামৰীয়া গোসাঁইসকল থিৰেৰে ৰ'ল। শঙ্কৰ-মাধৱৰ সময়ৰ সত্ৰৰ দৰে সিসকলৰ সত্ৰত মাথোন আজি বিগ্ৰহ-পূজা নাই।

ৰুদ্ৰসিংহ স্বৰ্গদেৱে কৃষ্ণৰাম ভট্টাচাৰ্যক গুৰু নকৰ'লে, ল'লে তেওঁৰ দুৰ্বল পুত্ৰ শিৱসিংহই, যিজনে জ্যোতিষীয়াৰ কথা শুনি এই ভট্টাচাৰ্যৰ মন্ত্ৰণাত চিনাতলীয়া নটৰ জীয়ৰী ফুলমতী কুঁৱৰীক ছত্ৰ হতী দি 'বৰৰজা' প্ৰমথেশ্বৰী পাতিলে। বৰৰজাই কালসংহতিৰ গোসাঁইসকলক বামুনীয়া সত্ৰত সেৱা কৰোৱাই মূৰ্তি শালগ্ৰাম তেওঁলোকৰ সত্ৰত বলেৰে আৰোপ কৰিলে আৰু অনেক মহাপুৰুষীয়া গোসাঁইক দুৰ্গা-মূৰ্তিৰ আগত থাহু লোৱাই কপালত সেন্দূৰ, ৰক্তচন্দন আৰু বলিৰ

তেজেৰে বেঘা টনাইলে। আনসকলে সহি-মহি থাকিল। কিন্তু মায়ামৰীয়া চতুৰ্ভুজদেৱৰ কাৰণে ই অসহনীয় হ'ল। তেওঁ ৰাণীৰ আগত মুকলিভাৱে সত্যভাষণ কৰাৰ ফলত তেওঁক চাওডাঙৰ হাতলৈ দিয়ে দিছিল। ভাগ্যে কৃষ্ণৰাম পৰ্বতীয়া গোসাঁইৰ হাক-বচনত নিত্যানন্দদেৱ-নিধনৰ পুনৰভিনয় কৰা নহ'ল। এই সময়তে ৰৰবজাৰ কল্যাণত ৰাজকাৰেঙত হিন্দুধৰ্মৰ প্ৰাদুৰ্ভাৱ ইমান বেছি হ'বলৈ ধৰিছিল যে দেওধাই-বাইলুং-মহনসকলে সমুখা-সমুখিকৈ আপত্তি তুলিবলৈ ধৰিছিল।

প্ৰমত্তসিংহ আৰু ৰাজেশ্বৰসিংহৰ দিনত বকতিয়াল গেছেলা ওৰফে কীৰ্তিচন্দ্ৰ ৰৰবৰুৱা বৰ প্ৰতাপী হৈ উঠে। তেওঁ নিজৰ গুৰু শিলিখাতলীয়া কৈৱল্যানন্দনদেৱ ওৰফে চিকণ গোসাঁইক লিগিৰাৰ সন্মান দি ৰজাৰ চ'ৰাত খিতাপ দিলে। আৰু গায়ন-বায়ন গাওঁতে মায়ামৰীয়াৰ উত্তম হ'লেও শিলিখাতলীয়া বা দিহিঙীয়াৰহে উত্তম বুলি তেওঁ শলাগত শতমুখ হয়। ইফালে ৰৰবৰুৱা আৰু তেওঁৰ পুত্ৰই মৰাণসকলকো লঘু দোষত গুৰু শাস্তি দি ক্ষিপ্ত কৰি তুলিছিল। সাতে-সোতৰয় মায়ামৰীয়া মৰাণসকলে বকতিয়ালক ধৰোঁ বুলিয়ে সষ্টম হৈছিল। অষ্টভুজ গোসাঁইৰহে ৰজাৰ লগত সদ্ভাৱ থকা হেতুকে ৰজাই ভয় পাব বুলি গাগিনী ডেকা মহন্ত আদিক তেওঁ কোনো অকাৰ্য কৰিবলৈ হাক দিলে, ক'লে, এটা কীৰ্তিচন্দ্ৰই কি কৰিব? 'সক নৈয়েহে সেজা সলায়, সাগৰে জানো ক'ৰবাত সেজা সলায়?' কি সম্ভ্ৰান্ত বাণী!

ৰাজেশ্বৰসিংহৰ পিছত ভায়েক কালশিলীয়া গোহাঁই, লক্ষ্মীসিংহ ৰজা হৈয়ে ৰুকায়েকৰ পুতেকহঁতৰ অঙ্গক্ষত কৰিলে আৰু ৰাৱণৰাকী ৰাণীক ৰৰকলা হাৰিলৈ নিৰ্বাসন দিলে। ৰাণীসকলৰ বাটত দুখ-দুৰ্দশা দেখি মায়ামৰীয়া গোসাঁয়ে সহায় কৰাৰ বাতৰি পাই কীৰ্তিচন্দ্ৰই নানা অকথা গালে আৰু ৰজাঘৰপৰা গোসাঁইৰ নিৰ্মালি যুৰাই দি নিৰ্মালি অনা পাঁচনিক নঙ্খনাগতি কৰিলে। অষ্টভুজ গোসাঁইৰ সম্পূৰ্ণ

ধৈৰ্যচ্যুতি ঘটিল, কাৰণ, ইতিমধ্যেই লক্ষ্মীসিংহক পাটত উঠোৱাতে নিৰ্মালি দিবৰ বেলা আন গোসাঁইসকলে মায়ামৰীয়াক শাৰীত বহিবলৈ নিদিছিল আৰু লক্ষ্মীসিংহৰ গুৰু ৰামানন্দ গোসাঁইক চ'ৰাত মৰ্যদা দিয়া লৈ ৰজাৰ লগত গোসাঁইৰ খকা-খুন্দা লাগিছিল। পূৰ্বতে ৰৰচ'ৰাত বামুণীয়া চাৰিসত্ৰীয়াৰ পহিলা শাৰী, চাৰিসত্ৰীয়া 'নায়েৰ' দিকলু, সকগডমূৰ, ফুটকীচাপৰি বহিছিল সেই শাৰীৰ মূধলৈ, আৰু পিছতে মায়ামৰা, শলগুৰি, দিহিং আৰু বেঙেনাআটি এশাৰী হৈ বহিছিল। এতিয়া মায়ামৰাক এই সন্মানৰপৰা খহাই পেলোৱা হ'ল।

এইদৰে মায়ামৰীয়া বুৰঞ্জীৰ পাত্ৰটি অপমান-অপযশেৰে উপচি পৰিল। আঘাতৰ পিছত আঘাত পাই মায়ামৰীয়াসকলৰ ধৈৰ্যৰ বান্ধ সুলকি পৰিল। মৰাণক তাহাঁৰসকলেও rude বা উগ্ৰ আখ্যা দিছিল। মাথোন ধৰ্মই তেওঁলোকক শান্ত কৰি থৈছিল। এতিয়া ধৰ্মাধিকাৰ অষ্টভুজদেৱে ধৰ্মৰ বান্ধোন মুকলি কৰি দিলে। 'মাৰি যাওঁ, মৰি যাওঁ, গুৰুৰ ঋণ শুজি যাওঁ' মন্ত্ৰ লৈ উজনিয়াল মায়ামৰীয়া-সকল গাগিনী ডেকাৰ তলে বিদ্ৰোহৰ অভিপ্ৰায়েৰে দলবদ্ধ হ'ল। বুঢ়া গোসাঁয়ে মাথোন ক'লে যেন তেওঁলোক কোনোৱে ৰজা হ'বলৈ মন নেমেলে, 'ইন্দ্ৰবংশীৰ তুঙ্গখঙ্গীয়াৰ নীতিহে ভাল এজনা লৈ এই কাম কৰিবি।' প্ৰথম মায়ামৰীয়া বিদ্ৰোহ বিফল হ'ল গোসাঁইৰ সৎ উপদেশলৈ কাণ নিদিয়া বাবে। সেই উতলা সময়ত কোনেইবা কাৰ কথা মানে? অলপ দিন সিংহাসনচ্যুত হৈ থাকি লক্ষ্মীসিংহ পুনৰ ৰজা হৈ শান্তি-নীতি গ্ৰহণ নকৰি মায়ামৰীয়া খুটিয়াপোতা সত্ৰ উছন কৰি সপুত্ৰবান্ধৱে অষ্টভুজ গোসাঁইক মাৰে। লক্ষ্মীসিংহই মন নকৰিলেও 'সকলোৱে বুজিব পাৰিলে যে আহোমৰ ক্ষমতা অচল-অটল পৰ্বত নহয়, ই কাঠ-বাঁহেৰে সজা নৈৰ জেঁটাহে, বান-বাৰিষাৰ সোঁত-পানীয়ে সেই জেঁটা খহাই উটুৱাই নিব পাৰে।' ৰজাৰ মোৱামৰীয়া-নিগ্ৰহক নতুন বুঢ়াগোহাঁই ঘনশ্যামৰ সমৰ্থন আছিল আৰু তেওঁ বোলে ৰৰতোল পুৰাওঁ বুলি মোৱামৰীয়াসকলক সপৰিয়ালে ধৰাই আনি

সিবিলাকৰ হতুৱাই খাল খনাই আপোনাআপুনি পোত যোৱাইছিল। লক্ষ্মীসিংহৰ এই নিগ্ৰহণ-নীতি ডক্টৰ ভূঞাৰ মতে এটি আত্মঘাতী নীতি, কাৰণ মৰাণসকলেই আহোম ৰজাৰ সেনাদলৰ শক্তিশালী এটা অংশ গঠন কৰিছিল।

দলে দলে মাৰিও মৰাণক দমন কৰিব পৰা নগ'ল। তেওঁলোক গৌৰীনাথসিংহৰ দিনত আকৌ বিদ্ৰোহী হৈ উঠি ৰাজাভিষেকৰ শিঙৰি-ঘৰতে জুই দিলে আৰু ৰজাক প্ৰাণে মাৰিবৰ বিশেষ চেষ্টা কৰিলে। কিন্তু এইবাৰো তেওঁলোক হাৰিল আৰু আন ডা-ডাঙৰীয়াসকলৰ অমতভো বুঢ়াগোহাঁইৰ বাগ্মিতাৰ ফল-স্বৰূপে ৰাজ্যত পুনৰ মায়ামৰীয়া-বধ-লীলা আৰম্ভ হ'ল। দিনজয় সত্ৰৰ হৃদয়ানন্দদেৱৰ মতে এইবাৰত সাত লাখ লোকক নিধন কৰা গ'ল। মণিৰাম দেৱানে লেখিছে, মৰা শৱ গোন্ধত লুইতৰ পানীৰ মাছো দুৰ্গন্ধময় হৈ খাব নোৱৰা হৈছিল, এটা শিঙৰিঘৰ পোৰা কাৰণে সমস্ত ৰাজ্যৰ আধাখিনি উজাৰ কৰি দিয়া হৈছিল। বৰগোহাঁই আৰু বৰবৰুৱাই বৰকৈ টানি ধৰাত বৰ অনিচ্ছাৰে বুঢ়াগোহাঁয়ে জানিবাঁ মৰাণ-বধ বন্ধ কৰিলে, কিন্তু কৈ থ'লে, 'বিহবাঁহৰ কঠীয়া আকৌ গজিব।'

গুণাভিৰাম বৰুৱাই মায়ামৰীয়াৰ তৃতীয় বিদ্ৰোহৰ বৰ্ণনাৰ পাতনি মেলি কৈছে, 'যিবিলাক মানুহে গুৰুৰ বাক্য ও কাৰ্যক সাক্ষাৎ ঈশ্বৰৰ আজ্ঞা আৰু কাৰ্য বুলি মানে, মোৱামৰীয়াবিলাক সি শ্ৰেণীৰ লোক। সিইঁতে অনেক গুৰুতৰ দণ্ড পাইও তাৰ প্ৰতি বড় ভয় নকৰিছিল, বৰঞ্চ প্ৰিয়কাৰ্য সাধন বুলি মানিছিল।' মোৱামৰীয়া-হত্যাৰ হুকুম বন্দ হোৱাৰ পিছতে অলপ দিন দেশত শান্তিয়ে দেখা দিছিল। ইফালে ঘনশ্যামৰ মৃত্যু হোৱাত তেওঁৰ 'বড় বুদ্ধিমন্ত আৰু কীৰ্তিপ্ৰিয়' পুত্ৰ পূৰ্ণানন্দ ৰাজমন্ত্ৰী হ'ল। এওঁ আগৰ নীতি গুচাই দ্ৰোহীসকলক সামান্য দণ্ড দিবলৈ ধৰিলে। এইবাৰ দা, কুঠাৰ, বৰ্চা, কাঠৰ ঢাল, চুণ লগোৱা বাঁহ-কাঠৰ তৰোৱাল, টাঙোন, বেজুকাঁড়, যেয়ে যি পালে

লৈ দহ হেজাৰ মোৱামৰীয়া সৈন্য ৰৰঙেটি সত্ৰৰ ওচৰত গোট খাই ৰাজধানীলৈ ৰণৰ সাজে খোজ চলালে। ৰজাৰ পক্ষৰ লোকৰ মন ভাগিল, ত্ৰাসত ত্ৰস্ত হ'ল, সৈন্য ছিন্ন-ভিন্ন হ'ল। দিহিঙীয়া গোসাঁয়ে নিজৰ শিষ্য-ভকতক সৈন্য কৰি যুঁজলৈ আগ বাঢ়িছিল, সেওধাই ৰাইলুংসকলো ৰণক্ষেত্ৰত নামিছিল। কিন্তু কাঠৰ ঢাল-বাকৰে যুঁজ কৰা মোৱামৰীয়াৰ আগত কোনো নিটিকিল। ৰজা মন্ত্ৰী সেনাপতি ৰংপুৰ এৰি পলাল। এই তৃতীয় বাৰৰ বিদ্ৰোহ উজনি-নামনি বিয়পি পৰিছিল। হাউহা তাঁতী নামৰ নামনিৰ এজন লোক কিছু দিন ৰাজধানীৰ শাসনৰ প্ৰধান হৈছিল। গোসাঁইৰ বংশৰ পীতাম্বৰ মহাজনকো মাতি অনা হৈছিল, কিন্তু শেষত ভৰতসিংহ নামৰ মহন্তৰ সম্পৰ্কীয় লোক এজনক ৰজা বজা হ'ল। ইফালে পলাই যোৱা গৌৰীনাথসিংহই নগাৰঁতো ভ্ৰোহভাব দেখা পালে, আৰু 'ৰজাখেদা নগঞ্জাই' খেদা খৰাত তেওঁ গুৱাহাটী পালেগৈ। এনেদৰে 'ৰজা আৰু ৰাজ্যৰ খৰকাচুটি নোহোৱা সময়' দেখি দৰঙী কৃষ্ণনাৰায়ণ কোঁৱৰেও কামৰূপ ল'বৰ মনেৰে হিন্দুস্থানী বৰুৱালী সেনা গোটাই অশান্তিৰ সৃষ্টি কৰিলে। কামৰূপৰ প্ৰজাও ত'ৰ বৰফুকনৰ শাসনত বিতুষ্ট হৈ আছিল। এই সকলোবোৰ বিপ্লৱৰ শেষ ফল হ'ল কেপ্টেইন ৱেল্‌শৰ তলে অসমলৈ ব্ৰিটিশ সৈন্যৰ আগমন। তাৰপৰা মায়ামৰীয়া-বিদ্ৰোহ শাম কাটিলে, হয়, কিন্তু দেশৰ আভ্যন্তৰীণ শান্তি আৰু শক্তি নোহোৱা হ'ল। ৰজা আৰু ৰাজপুৰুষসকলৰ খামখেয়ালি আৰু স্বাৰ্থপৰতাই বাৰে বাৰে আঘাত হানি মায়ামৰীয়া বৈষ্ণৱসকলৰ হাতত তৰোৱাল তুলি দিছিল আৰু সেই তৰোৱালৰ আঘাততে দেশৰ শান্তি আৰু শক্তি এইদৰে ৰক্তহীন হৈ পৰিল। সিকালে, মায়ামৰীয়া বিদ্ৰোহে দেখুৱাই থৈ গ'ল অসমীয়া বৈষ্ণৱে স্বধৰ্ম আৰু স্বজনৰ কাৰণে খণ্ড-প্ৰলয়কো কেনেকৈ ধৈৰ্য আৰু শক্তিৰে নিজৰ মাজলৈ আহ্বান কৰি আনিব পাৰে।

শিষ্যসকলে গুৰুৰ কাৰণে ধন, মন, তন আগ কৰি মোগলৰ

বিৰুদ্ধে থিয় দিছিল। মায়ামৰীয়াসকলে যি গুৰুৰ চৰণত প্ৰাণ শোধাইছিল, সেই গুৰুৰ হকে মৰিবলৈ আগ বাঢ়িছিল। ডক্টৰ সুৰেন্দ্ৰনাথ সেনে লেখিছে, 'মোয়ামৰিয়াৰা বৈষ্ণব, কিন্তু জীবহত্যায় বা ৰক্তপাতে তাহাদেৰ আদৌ অৰুচি ছিল না।' কিন্তু সেয়া তেওঁ-লোকৰ স্বভাৱজাত ৰুচি নাছিল, যদিও তেওঁলোকৰ মাজত থকা ভোট-ব্ৰহ্ম গোষ্ঠীৰ লোকসকল স্বাভাৱিকতে উগ্ৰ। অসমীয়া বৈষ্ণৱেও প্ৰাণধাৰণৰ উদ্দেশ্য নহ'লে জীৱহত্যাক পাপ বুলি আৰু জীৱদয়াক পুণ্য বুলি জানে। কিন্তু মায়ামৰীয়াৰ ৰণোন্মত্তৰ বাবে দায়ী তেওঁ-লোকৰ যুগটো। ডক্টৰ সেনৰ ভাষাত অসমৰ ৰাজনীতিতে মাৎস্যন্যায় চলিছিল—বলীয়ে দুৰ্বলীক গিলিছিল। মোগল সেনা-সেনানীক ঘাটে ঘাটে পানী খুউওৱা অসমৰ শৌৰ্য আৰু ঐক্য তেতিয়া স্বাৰ্থান্বেষণত পৰিণত হৈছিল। চমুৱা বিষয়াসকলৰ আনুগত্য ৰাষ্ট্ৰৰ প্ৰতি নহৈ স্বাৰ্থানুকূলে কোনো কোঁৱৰৰ প্ৰতিহে হৈছিল; ফলত তেওঁলোকৰ মাজতে লাগিছিল খোৱা-কামোৰা। সিংহাসনযোগ্য কোঁৱৰৰ অঙ্গক্ষত কৰি পাটত বহা ৰজাই বিহুবাঁহৰ কণীয়া কইছিল। মোহনমালা, চাৰুসিংহ আৰু ৰত্নেশ্বৰ গোহাঁইসকল ইয়াৰ উদাহৰণ। কোঁৱৰ-বিষয়াসকলৰ মাজৰ এনে বিভেদে প্ৰজা-সাধাৰণক মাথোন বিভ্ৰান্ত কৰিছিল, দেশপ্ৰেমৰ অনুৰাগ অন্তৰ্হিত হৈছিল। কাঠৰ খাণ্ডা-ৰাকৰে মায়ামৰীয়াই ৰাজকীয় সৈন্যক থৰহৰি কঁপোৱা ঘটনাক লাচিত বৰফুকনে কি বুলিলেহেঁতেন? বঙালী গুৰুৰপৰা শাক্তধৰ্ম গ্ৰহণ কৰাৰ ফলত ৰজা-বিষয়াসকলে ৰাজকাৰ্যতকৈও অধিক সময় খৰচ কৰিছিল পূজা-পাতলত। দুই-এপৰাকী আহোম বিষয়া এই বিষয়ে সচেতন-সন্দিহান হৈ পৰিছিল। লক্ষ্মীসিংহৰ কালৰ বৰপাত্ৰ গোহাঁয়ে কৈছিল, 'আমি আহোমৰ ল'ৰা, আমাৰ বাসনা সেইসকলো ভাগৱত ধৰ্মতে প্ৰৱৰ্তিছো আমি একেবাৰী হৈ।' প্ৰকৃততে যেন শঙ্কৰদেৱে অসমীয়া মনোবৃত্তিৰ লগত খাপ খোৱাকৈ এই 'ভাগৱত ধৰ্ম' প্ৰৱৰ্তন কৰিছিল। পৰৱৰ্তীয়া গোসাঁয়ে যত্ন যি অসমীয়া বৈষ্ণৱ

কোঁৱৰ, ডাঙৰীয়া, ব্ৰাহ্মণৰ মাজত খেলিমেলিৰ সৃষ্টি কৰিছিল, সেই বাবে লক্ষ্মীসিংহৰ দায় ধৰি তেওঁক ৰংনাথ চ'ৰাত বহীয়া দি ঘোষণা কৰিছিল, 'এই ভট্টাচাৰ্যৰ আৰু শিষ্য-প্ৰশিষ্য-ক্ৰমে যি ইয়াৰ মন্ত্ৰ লয়, সি আপোনাৰ পূৰ্বৰ যি গুৰুঘৰৰ ভকত, এইবোৰবো দ্ৰোহী, মোৰো দ্ৰোহী, ৰাজবো দ্ৰোহী, তাৰ সপ্তম পুৰুষ নৰকত পৰিব, নিৰ্বংশী হ'ব, দেৱৰো দণ্ডাৰ্হ হ'ব।' লক্ষ্মীসিংহই নিজে অসমীয়া শাক্ত গোসাঁইৰ ধৰ্ম লোৱাত আকৌ শাক্তৰ মাজতে দলা-দলিৰ সৃষ্টি হৈ দেশৰ ৰাজনৈতিক বৈষম্যক আৰু বিষম কৰি তুলিছিল। মুঠতে, ৰাজ্যৰ য'তে আঙুলি দিয়া যায়, ত'তে পুঁজ-পানী, ত'তে দুৰ্গন্ধ। লক্ষ্মীসিংহৰ দিনৰ কোঁৱৰ-বিদ্ৰোহে প্ৰমাণ কৰে, আহোমসকলৰ নিজৰে ৰাজসিংহাসনত আস্থা নোহোৱা হৈ পৰিছিল।

মায়ামৰীয়া গোসাঁইৰ ধন-ঐশ্বৰ্য আৰু শিষ্যবলে হয়তো সদায় সিকলক ৰজাঘৰৰ সন্দেহৰ পাত্ৰ কৰি তুলিছিল। জানোচা কেতিয়াবা ৰজা হ'বলৈ মন মেলে। ভগা ৰজাৰ দিনত নিত্যানন্দদেৱৰ, গদাধৰসিংহৰ দিনত বৈকুণ্ঠনাথদেৱৰ, লক্ষ্মীসিংহৰ দিনত অষ্টভুজদেৱ আৰু গাগিনী ডেকা মহন্তৰ পুণ্যতনু সংহাৰ কৰা হয়। একশৰণীয়া ভক্ত মহন্তসকলৰ ওপৰত প্ৰমথেশ্বৰীয়ে চৰম ধৰ্ম-বিনাশনকাৰী অত্যাচাৰ আৰোপ কৰে। কীৰ্তিচন্দ্ৰ বৰবৰুৱাই বাৰে বাৰে মায়ামৰীয়া গোসাঁই-ভকতক চূড়ান্ত অপমান কৰে। লক্ষ্মীসিংহ আৰু গৌৰীনাথসিংহৰ দিনত দুবাৰকৈ সংঘটিত হোৱা স্ত্ৰী-বালক-নিৰ্বিশেষে মায়ামৰীয়া-নিধন-লীলা সংঘটিত হয়। এই সকলোবোৰেই কোনোজন অবিবেচক ৰজা আৰু কোনোজন ৰাজবিষয়াৰ আত্মঘাতী কৰ্ম। মায়ামৰীয়া-সকল একোটা গোষ্ঠী, জাত বা জনজাতি নহয়। ভক্তৰ তুলনাই স্পষ্টকৈ কৈছে যে মৰাণ, চুতীয়া, কছাৰী, বিহীয়া, আহোম, কৈৱৰ্ত, বৃত্তিয়াল, কায়স্থ, কলিতা, বামুণ, সকলো বিধৰে লোক সিসকলৰ মাজত আছিল। চৰিত-পুথিত আছে, বৰভেটি-মাজুভেটি বহা সময়ত আনসকলো সত্ৰৰ শিষ্যৰ সংখ্যা যাৰ লাখ, মায়ামৰাৰ অকলে আঠ

লাখ, আৰু বিদ্ৰোহৰ ফল-স্বৰূপে ক্ষয়ক্ষতি হোৱা মায়ামৰীয়া প্ৰজাৰ ভিতৰত আছিল জাঁজী গাঁৱৰ ছকুৰি ঘৰ ব্ৰাহ্মণ। এনে ধৰণৰ বিনাশ-কাৰ্যত ৰাষ্ট্ৰইহে বাৰে বাৰে ক্ষতিগ্ৰস্ত হৈছিল, এই কথা ক'বলৈ পাৰঙ্গত ঐতিহাসিকৰ বোধহয় প্ৰয়োজন আজি নাই।

মায়ামৰীয়া সম্প্ৰদায়ৰ এই ৰক্তাক্ত বুৰঞ্জীয়ে আমাক মাথোন একেটি কথাই সকীয়াই দিয়ে: ৰাজনীতিৰ বিষয়ত, ধৰ্মৰ বিষয়ত বুজাবুজি আৰু সহনশীলতা, সম্প্ৰীতি আৰু সংহতি নহ'লে ৰাষ্ট্ৰ স্থিৰ হৈ থাকিব নোৱাৰে। এইটিও লগতে আমি বুজিব লাগিব, ধৰ্মৰ বা সম্প্ৰদায়ৰ ভিত্তিত ৰাষ্ট্ৰ চলিবলৈ যত্ন কৰা উচিত নহয়। আমি আজি উদাৰ যুগত বাস কৰিছো। এখন ধৰ্ম-নিৰপেক্ষ ৰাষ্ট্ৰৰ আমি নাগৰিক। আমাক আমাৰ পবিত্ৰ ধৰ্মৰ আচৰণৰ বাবে স্বাধীনতা লাগে। কিন্তু তাৰ লগতে লাগে দেশৰ সংহতি আৰু নিৰাপত্তা। মহাপুৰুষ অনিৰুদ্ধদেৱ, অষ্টভুজদেৱ আদি গুৰুসকলৰ বাণীয়ে আৰু জীৱনে আমাক যেন দেশৰ শৰণীয়া কৰি তোলে।

চাহ-মজদুৰ যুৱকসকললৈ আহ্বান[১]

আজি আপোনালোকৰ মাজত নিজকে পাই আহ্লাদিত হৈছো। নানা অসুবিধা সত্ত্বেও আপোনালোকৰ আহ্বান অনুপেক্ষণীয় বাবেই এই আনন্দ উপভোগ কৰিব পাৰিছো। আপোনালোকক তাৰ বাবে ধন্যবাদ জনাইছো। অসম চাহ-মজদুৰ জনজাতি ছাত্ৰসন্থাৰ উদ্দেশ্য-সমূহ সঁচাকৈয়ে অতি প্ৰশস্ত। আপোনালোকে অসমৰ চাহ-মজদুৰ আৰু প্ৰাক্তন চাহ-মজদুৰ ছাত্ৰ-ছাত্ৰীসকলক একতাৰ ডোলেৰে গাঁথিবৰ প্ৰয়াস কৰিছে, চাহ-মজদুৰ সমাজৰ সামাজিক-সাংস্কৃতিক সম্পদক সংৰক্ষণ কৰাৰ সংকল্প লৈছে, সেই সমাজৰ ছাত্ৰ-ছাত্ৰীক সদাচাৰী, সচ্চৰিত্ৰবান, সুশিক্ষিত আৰু নীতিপৰায়ণ কৰি নিজ আৰু বাহিৰৰ বৃহৎ সমাজৰ স্বাস্থ্যবান অঙ্গ কৰি গঢ়ি তুলিবলৈ বিচাৰিছে, আৰু বিশেষভাৱে, চাহ-মজদুৰ সমাজক অসমীয়া সমাজৰ এক প্ৰগতিশীল অঙ্গ হিচাপে গঢ়িবলৈ পুৰুষাৰ্থ কৰিছে। আপোনালোকৰ আন্তৰিকতা-পূৰ্ণ এই সকলো উদ্দেশ্যই যেন সিদ্ধি লাভ কৰে, ইয়াকে কামনা কৰিছো। মই জানিব পাৰি সুখী হৈছো যে এই উদ্দেশ্যসমূহৰ কিছু কিছু ক্ষেত্ৰত আপোনালোক যথেষ্ট সফলকাম হৈছে। চাহ-মজদুৰক আনুষ্ঠানিকভাৱে লৈ ভেনে ছাত্ৰ-ছাত্ৰীৰ বাবে বৃত্তিৰ সংখ্যা বঢ়োৱা হৈছে। আপোনালোকৰ বাহ্যমতে চাহ-মজদুৰ আৰু প্ৰাক্তন চাহ-মজদুৰৰ এই বিষয়ত পাৰ্থক্যটো সময়মতে আঁতৰিব বুলি আশা কৰা হওক। যোৱা বছৰ অন্যান্য পিছ পৰা শ্ৰেণীত আপোনালোকক নধৰাত আপোনালোকৰ অসুবিধা হৈছে বুলি বুজিছে আৰু অনুসূচীত জনজাতিৰ সুবিধাও আপোনালোকে পোৱা নাই। অসমৰ প্ৰায় ঊনচল্লিশ লাখ চাহ-মজদুৰৰ শতকৰা আশীভাগেই জনজাতীয়,

---

১ অসম চাহ-মজদুৰ জনজাতি ছাত্ৰ-সভা, যোৰহাট, চতুৰ্থ বাৰ্ষিক অধিৱেশন, গটঙা চাহ-বাগিচা, ১ অক্টোবৰ ১৯৭২

সিসকলৰ মাজত সুশিক্ষিতৰ সংখ্যা কম, গ্ৰেজুৱেটৰ সংখ্যাই এশৰ অঙ্ক চেৰাব নোৱৰাটো আজি এই ১৯৭২ চনত বৰ পৰিতাপৰ কথা। আশা কৰোঁ কৰ্তৃপক্ষই এই বিষয়ত বাঞ্ছনীয় ব্যৱস্থা হাতত ল'ব। এইটো আশা আৰু আনন্দৰ বিষয় যে ছাত্ৰসন্থাৰ সকীয়নিতে গুৱাহাটী-ডিব্ৰুগড় আকাশবাণীয়ে আপোনালোকৰ সুৰদি-সুৰীয়া গীত-মাত প্ৰচাৰ কৰিবলৈ লৈছে আৰু আপোনালোকেও ঝুমুৰ, তুচু, ডমকচ, পাল্লা, চাঁওৰা আদি গীত-নাচ-সমূহৰ সংস্কাৰ আৰু উন্নতি-সাধনত ব্ৰতী হৈ সেই কাৰ্যত কিছু আগ বাঢ়িব পাৰিছে। আটাইতকৈ সুখৰ বিষয় ছাত্ৰসন্থাৰ পতাকাৰ তলত ডেৰ লাখৰো অধিক ছাত্ৰ-ছাত্ৰী একতাবদ্ধ হ'ব পৰাটো। সংহতিঃ কাৰ্যসাধিকা। আপোনালোকে সজ উদ্দেশ্য, সমান আকৃতি, সমান প্ৰাণ লৈ যেতিয়া আগ বাঢ়িছে, আপোনালোকে উজ্জ্বল ভৱিষ্যতৰ পথেদিয়ে আগ বাঢ়িব পাৰিব, এই বিশ্বাস আমাৰ আছে।

অসমৰ চাহ-মজদুৰৰ সমাজ নিজেই এখন বিচিত্ৰ জগত। ভাৰতৰ গৌৰৱ আৰু ঐশ্বৰ্যৰ স্থল এক উদ্যোগৰ আহ্বানত অসমৰ বাহিৰৰ বিভিন্ন জনজাতিৰ ধাৰা দুৰ্বাৰ স্ৰোতৰ দৰে আহি অসমত সমুদ্ৰৰ কলৰোল তুলিলে, অসমৰ ভিতৰতে সৰু এখনি ভাৰত-তীৰ্থৰ চিত্ৰ ৰচনা কৰিলে, অসমক ধনে-জনে সমৃদ্ধ কৰিলে, অসমীয়া মানুহক ভাই বুলি সাবটি ধৰিলে, অসমীয়াৰ সুখ-দুখ সিসকলৰ সুখ-দুখ হ'ল, সিসকল নিজেই অসমীয়া হৈ পৰিল। ওচৰ-চুবুৰীয়া বঙ্গ-বিহাৰ-উৰিষ্যাকে ধৰি, মধ্য ভাৰত-ছোট নাগপুৰকে কেন্দ্ৰ কৰি নিলগৰ তামিলনাডু-মহাৰাষ্ট্ৰৰপৰা অহা মজদুৰসকলেই আজিৰ অসমৰ প্ৰায় ৭৬০খন চাহ-বাগিচাক শ্ৰম যোগাই সেউজীয়া পাঁজেৰে বনভাগ সেউজীয়া কৰিছে, সমস্ত ভাৰতৰ ৩ লাখ ৯৬ হেজাৰ মেট্ৰিক টন চাহ-উৎপাদনৰ ২ লাখ ১৫ হেজাৰ টন চাহকে উৎপাদন কৰিছে। এই সকলো আজি ইতিহাসৰ কথা হৈ পৰিছে।

কিন্তু এই ইতিহাস জানো সদা-সৰ্বদা সুখ আৰু আনন্দৰ

ইতিহাস? কদাপি নহয়, কাৰণ সি আৰম্ভ হৈছিল ভাৰতৰ পৰপদানত দুৰ্বল বছৰবোৰত। অসমৰ চাহৰ বুৰঞ্জী বিচিত্ৰ। অসমত বনৰ বনৰীয়া হৈ গজা চাহগছ বা কিনাপ বা কান্‌পে ব্ৰিটিশ অহাৰ আগতো আছিল। সেয়ে ব্ৰিটিশ আহিলত আৱিষ্কৃত হ'ল। এই আৱিষ্কাৰৰ লগত শহিদ মণিৰাম দেৱান আৰু মেজৰ ব্ৰুচৰ নাম জড়িত হৈ আছে। লৰ্ড বেণ্টিঙ্কৰ দিনৰ ১৮৩৪ চনত গঠিত টি কমিটিৰ যত্নত চাহ-খেতি লৈ নানা সম্পৰীক্ষা চলিল আৰু অসমত সেই খেতি হ'ব বুলি সিদ্ধান্ত কৰা হ'ল। পোনতে চৰকাৰী উদ্যোগ হিচাপেই চাহ-খেতি আৰম্ভ হ'ল। কিন্তু ১৮৪০ চনত চৰকাৰে তাৰ আগৰ বছৰত গঠিত নাজিৰাৰ আসাম কোম্পানিক নিজৰ বাগিচাও বেচি দিয়ে আৰু তেতিয়াৰেপৰাই বে-চৰকাৰী উদ্যোগ-ৰূপেই চলি আহিছে। প্ৰথমৰেপৰাই এই উদ্যোগৰ সন্মুখত শ্ৰমিক-আহৰণ এটা ডাঙৰ সমস্যাৰূপে থিয় দিছিল। সম্পৰীক্ষাৰ অৱস্থাত চৰকাৰে অনা চীন দেশৰ শ্ৰমিকবিলাকক কোম্পানিক দি দিছিল আৰু কোম্পানিয়ে এবাৰ মাথোন এদল চীনা শ্ৰমিক আনিছিল। কিন্তু কোম্পানিয়ে সিবিলাকক চলাবলৈ ইমান টান যেন (turned out such an intractable lot) পালে যে চীনৰপৰা আৰুবাৰ লোক অনা বন্ধ কৰিলে। ইয়াৰ পিছত ছিংফৌ বনুৱা লগাই চোৱা হ'ল; কিন্তু তেওঁলোকৰ দেখা গ'ল কামতকৈ কানিতহে ৰতি। তেতিয়া অসমীয়া মানুহ বাগিচাত ল'বৰ যত্ন কৰা হ'ল। কিন্তু অসমীয়াসকলে ঘিণ কৰা ৰজাদিনীয়া দাস-প্ৰথাৰ কথা সুঁৱৰি সেইকালে বনলৈ আগ নাবাঢ়িছিল। তদুপৰি অসমত খেতিৰ মাটিৰ অভাব নহৈছিল। গতিকে অসমীয়া বনুৱা খেতিৰপৰা আজৰি হওঁতহে পোৱা হৈছিল। নামনি অঞ্চলত কিছু কছাৰী লোক বাগিচাৰ কামলৈ গৈছিল। কিন্তু ১৮৫৮ চনৰ বিদ্ৰোহৰ সময়ত আঠ অনা বঢ়াই দি মাহেকীয়া দৰমহা চাৰি টকা কৰোঁতেও কোম্পানিৰ গা চুৱাইছিল। ১৮৫৯ চনত চৰকাৰে বনুৱা ধৰি কামত খটুওৱা লৈ এক চাঞ্চল্যকৰ পৰিস্থিতিৰ

সৃষ্টি হৈছিল আৰু অসম বুৰঞ্জীত কুখ্যাত কেপ্টেইন হলৰয়েডক লগাই বিদ্ৰোহী বনুৱাক শাস্তি দিব লগীয়া হৈছিল। বাগিচাৰ বাবে থলুৱা বনুৱা যাতে পোৱা যায়, সেই উদ্দেশ্যে চাহাৰ চাহ-খেতিয়ক-সকলে চৰকাৰক এনে পৰামৰ্শও দিছিল যে মাটিৰ খাজনা চৰাকৈ বঢ়াই দিব লাগে। এই সকলো কথাৰপৰা বুজা যাব শ্ৰমিক বিচাৰি চাহ-খেতিয়ক কি হাহাকাৰত পৰিব লগীয়া হৈছিল। এই চৰম অৱস্থাৰ উপশমৰ বাবেই আজিৰ চাহ-মজদুৰ জনজাতিসমূহৰ অসম-আগমন অৱশ্যম্ভাৱী হৈ উঠিল। "চাহ-পাত ছিঙিলো, চটাইত মেলি দিলো, তেঁতেলি-পতীয়া হ'ল" আদি গীতত মাথোন তেতিয়াৰ অসমীয়া চাহ-বনুৱাৰ স্মৃতি ৰ'ল, যদিও আজি-কালি ঠায়ে ঠায়ে সাধাৰণ অসমীয়া আৰু মিকিৰ বনুৱা হৈছে। পোনৰেপৰা চাহ-টেকেলা, চাহ-শইকীয়া আদি পদবী লোৱা অসমীয়া লোকৰ আত্ম-সম্মান-বোধে শাসক-গোষ্ঠীৰ বুলি ভেমত ওকন্দি থকা চাহাবসকলক বৰ আহুকাল দিছিল। পুৰণি কাগজৰপৰা যি দেখা যায়, ১৮৩৯ চনত আঠজন ইউৰোপীয়ই বঙ্গদেশৰ চট্টগ্ৰাম, হাজাৰিবাগ, ঢাকা, মৈমনসিংহ, ৰংপুৰ আদিত শ্ৰমিক মকৰল কৰাত ব্যস্ত আছিল, আৰু কেম্প্‌বেল বোলা মেদিনীপুৰত থকা এজনক ছোটনাগপুৰ আৰু ভাগলপুৰত বনুৱা গোটাবলৈ ভাৰ দিয়া হৈছিল। ১৮৫৮ চনৰ বিপ্লৱৰ সময়ত যেতিয়া স্থানীয় লোকৰ মাজত উহমিহ লাগিছিল, তেতিয়া চাহ-কোম্পানীবোৰে টি এছোচিয়েশ্যন পাতি বাহিৰৰপৰাহে মজদুৰ আমদানি কৰাত লাগিল—তেনেভাবে পোৱা শ্ৰমিকৰ মাজত বিদ্ৰোহৰ ভাব কম হ'ব আৰু হাজিৰাও কম দিব লাগিব বুলি। তেতিয়াৰ দিনৰ বাট-পথ অসুচল আছিল আৰু চাহ-কোম্পানিবোৰে শ্ৰমিকসকলক মৰমৰ চকুৰে নাচাইছিল বাবে জাহাজ ভৰাই বা খোজ কঢ়াই অনা বহুত লোক বাটতে হাইজা বা বসন্তত মৰি শেষ হৈছিল, নহ'লেবা পলাই সবাৰ বাহিৰে লিসকলৰ গত্যন্তৰ নাছিল।

অসমৰ বাহিৰৰপৰা অহা বনুৱাক যেনে নিৰ্দয়ভাৱে ব্যৱহাৰ কৰা

হৈছিল, তাক দেখি স্থানীয়সকল বাগিচাৰ প্ৰৱেশপৰা আঁতৰি পৰিল আৰু এই দুটা শ্ৰেণী দুখন বেলেগ সমাজ যেন হ'ল। অৱশ্যে বাগিচাৰ বাবু কামবোৰে অসমৰ অনেক ডেকাক আকৰ্ষণ কৰিলে আৰু এই শ্ৰেণীৰ স্থানীয় লোকৰ লগত চাহ-মজদুৰসকলৰ সদ্ভাৱ পোনৰেপৰা আছিল আৰু এতিয়াও আছে। এই সদ্ভাৱৰ কাৰণেই মজদুৰসকল অসমীয়া সমাজৰ লগত চামিল হৈ যাবৰ বাট সুগম হৈছে। সি আনন্দৰ বিষয়। এসময়ত দেখা গৈছিল, অব্যৱহিত-ভাৱে অসমীয়া কিতাপ, আলোচনী আৰু বাতৰি-কাকতৰ আটাইতকৈ বেছি গ্ৰাহক পোৱা হৈছিল বাগিচাৰ কৰ্মচাৰীসকলৰ মাজতে। গতিকে অসমীয়া সাহিত্যই চাহ-উদ্যোগৰ পৰোক্ষ হ'লেও পৃষ্ঠপোষকতা লাভ কৰিছিল।

আজি সেই পৃষ্ঠপোষকতা অধিক প্ৰত্যক্ষ হৈ চাহ-মজদুৰসকলৰ মাজলৈও বিয়পি পৰিছে। আজিৰ চাহ-মজদুৰ অসমীয়া ভাষা-সাহিত্যৰ একান্ত সেৱক আৰু ৰস-পিপাসু হৈ পৰিছে। অৰুণাচলৰ লুম্বেৰ দাই বা টাগাং টাকিৰ দৰে চাহ-শ্ৰমিক সমাজৰ নাৰায়ণ ঘাটোৱাৰ, ছত্ৰগোপাল কৰ্মকাৰ, লেটবাম তাছা আদি লেখকসকলক আমি আজি অসমীয়া সাহিত্যৰ বুকুলৈ আদৰি লৈছো। লগতে আমি আশা কৰিছো, চাহ-মজদুৰ ছাত্ৰসকলৰ মাজৰপৰাই নানা সম্ভাৱনাপূৰ্ণ সু-লেখক সু-সাহিত্যিক আমি পাম আৰু সিসকলে চাহ-মজদুৰ সমাজৰ সুখ-দুখৰ কথা, আশা-আকাংক্ষাৰ কথা অসমীয়া ভাষাৰ যোগেদি ফুটাই তুলিব আৰু আমাৰ সাহিত্যক সমৃদ্ধ কৰিব। আনফালে সকলো অসমীয়া সাহিত্যিকৰে এটি মহৎ কৰ্তব্য হৈ পৰিছে বাগিচাৰ জনজাতিসমূহৰ জীৱনক সাহিত্যত পূৰ্ণতৰ স্বীকৃতি দি তাক পূৰ্ণতৰভাৱে প্ৰতিফলিত কৰিবৰ প্ৰযত্ন কৰা। সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰে পোনতে উৰিষ্যাৰ জনজাতি-লোকৰ জীৱনৰ চিত্ৰ আঁকিছিল তেওঁৰ দুই-এটি গল্পত; তেওঁ সম্বলপুৰ পৌৰসভাৰ সদস্য আছিল তাৰ জনজাতিসকলৰ প্ৰতিনিধিৰূপেহে। এইটো

আহ্লাদৰ কথা নহয় জানো ? বিৰিঞ্চিকুমাৰ বৰুৱাৰ 'সেউজী পাতৰ কাহিনী', যোগেশ দাসৰ 'ডাৱৰ আৰু নাই', নকুলচন্দ্ৰ ভূঞাৰ 'চাহ-বাগিচাৰ বনুৱা', নগেন শইকীয়াৰ সম্পাদিত 'সেউজী পাতৰ মাজে মাজে', নাৰায়ণ ঘাটোৱাৰৰ 'ঝুমুৰ গীতৰ মাজেদি বনুৱা জীৱনত এভুমুকি', আৰু 'বনুৱাৰ সাংস্কৃতিক জীৱনত এভুমুকি', গোলাপ খাউণ্ডৰ 'চাহ-চাগিচাৰ অসমীয়া' আৰু 'গিৰমিট' আদিত চাহ-মজদুৰৰ জীৱনৰ অভিব্যক্তি আমি পাওঁ। কিন্তু চাহ-মজদুৰ জনজাতিৰ জীৱনৰ খাকৰ আমাৰ সাহিত্যত আৰু বহল হোৱা বাঞ্ছনীয়।

সেই জীৱন নানা দুখে-শোকে পূৰ্ণ হ'লেও সি জানো কম বৈচিত্ৰ্য-পূৰ্ণ। নানা পূজা-পাৰ্বণ, নানা উছৱ, নানা গীত-মাত নাচ-বাগেৰে পূৰ্ণ সেই জীৱন। ভাৰতৰ সমাজ-গঠনত এই জনজাতি-সমূহৰ বৰঙণিও কম নহয়। নানা বিৱৰ্তনৰ মাজেদি পাৰ হৈও সেই সমাজে নিজৰ একক সংস্কৃতি নভগা-নিছিগাকৈ অটুট ৰাখিছে। কিন্তু আজিৰ ক্ষিপ্ৰতৰ সামাজিক বিৱৰ্তনে সিবোৰক নিশ্চিহ্ন কৰাৰো আশঙ্কা হৈছে। তাৰ আগতে এই জনজাতিসমূহৰ সামাজিক গঠন, ধৰ্ম-কৰ্ম, কলা-বৈচিত্ৰ্য আদিৰ সমাজতাত্ত্বিক-বৈজ্ঞানিক অধ্যয়ন এক জৰুৰী কাম হৈ পৰিছে। এই বিষয়ত বিশ্ববিদ্যালয়, পণ্ডিত, ছাত্ৰ আৰু সংস্কৃতি-অনুৰাগী সকলোৰে ভূমিকা আছে। মই আজি জনজাতি ছাত্ৰসন্থাৰ প্ৰত্যেকজন সদস্যকে অনুৰোধ জনাইছো, সিসকলে যেন বিভিন্ন জনজাতিৰ মাজৰ 'মুখদি গীতবোৰ যেনেভাৱে আজি শোনা যায়, তেনেকৈয়ে লিপিবদ্ধ কৰে, সিসকলৰ নানা ধৰ্ম-বিশ্বাস, উপকথা, প্ৰবাদ, প্ৰবচনবোৰ সংগ্ৰহ কৰাত লাগি যায়। এইখিনি এবাৰ বিস্মৃতিৰ গৰ্ভত লোপ পালে, পিছত হিয়া-মূৰ ভুকুৱালেও আমি তাক নাপাম আৰু ভাৰতীয় তথা অসমীয়া সংস্কৃতিৰ বহুতো সম্পদ চিৰকাললৈ লোপ পাব।

আজিৰ সনাতন হিন্দু ধৰ্মৰ বিষ্ণু আৰু বৈষ্ণৱ ধৰ্ম, শিৱ আৰু শৈৱ ধৰ্ম, দেৱী আৰু শক্তি ধৰ্ম বৈদিক আৰ্যসকলৰ সম্পত্তি নাছিল।

সেইখিনি সম্পদ কোনোবা প্ৰাগ্‌ঐতিহাসিক দ্ৰাবিড়, নিষাদ বা কিৰাতৰপৰাই হিন্দু সমাজে গ্ৰহণ কৰিছে। কোনে জানে, আপোনালোকৰ জনজাতীয় পূজা-পাতলৰ মাজতে এদিন তাৰ উৎস নাছিল? বৈষ্ণৱসকলৰ পৰম ভজনীয় কৃষ্ণদেৱেইতো জনজাতীয়; তেওঁ যাদৱ, তেওঁ অহিৰ, এই যাদৱ বা অহিৰ আজিও অনুসূচীতসকলৰ মাজতহে। এইধৰণে তথাকথিত 'পিছপৰা'সকলৰ সম্পদক শ্ৰেষ্ঠ স্থান দিয়ে ভাৰতীয় সংস্কৃতিয়ে আত্ম-সম্পূৰ্ণতা লাভ কৰি আছে। এই দৃষ্টিৰপৰাই আমি সেই বিচিত্ৰ সংস্কৃতিৰ অধ্যয়ন কৰিব লাগিব। তেতিয়া হ'লে আমাৰ বোধ জন্মিব, ভাৰতৰ কোনো শূদ্ৰ নহয়, ক্ষুদ্ৰ নহয়। এই আত্মবোধ আমাৰ প্ৰগতিৰ পথৰ সম্বল-ৰূপে আৱশ্যিক হৈছে।

গান্ধী-আন্দোলনৰ বাবে, স্বাধীনতা লাভৰ ফল-স্বৰূপে আজিৰ সমাজ অতি ক্ষিপ্ৰভাৱে সলনি হ'বলৈ ধৰিছে উদাৰতাৰ কালে, আৰু নতুন এখন সমাজৰ প্ৰসৱ-বেদনা আৰম্ভ হৈছে। সেই বেদনাত আমি বহুতে কষ্ট পাব পাৰোঁ, কিন্তু সি অসাৰ্থক নহ'ব। গতিকে নিজকে সৰু ভাবি সৰু কৰি পিছ পৰি থকাৰ প্ৰয়োজন নাই। হিন্দু সমাজত কৰাল যাৰি লাগি থকা বৰ্ণ-ভেদ-প্ৰথাক ডক্টৰ ৰাধাকৃষ্ণণৰপৰা আৰম্ভ কৰি সকলোৱে নিন্দা কৰিছে। বিয়া-বাৰুৰ বিষয়ত শিক্ষিত সমাজত এই প্ৰথাৰ বান্ধ সুলকি পৰিবলৈ ধৰিছে। আপোনালোককো জনজাতি বুলি, মজদুৰ বুলি, কোনে আতুৰীয়া কৰি ৰাখিব পাৰে? শিক্ষাৰ যোগ্যতা লৈ আপোনালোক আগ বাঢ়ি আহক। আপোনালোককো ডাঙৰ সমাজখনে সামাজিকভাৱে আদৰি ল'ব।

আজিৰ সমাজত স্থান পাবৰ কাৰণে শিক্ষাই প্ৰায় একমাত্ৰ উপায়। গতিকে এই একেটা বস্তুৱেই আপোনালোকৰ একমাত্ৰ কাম্য হ'ব লাগে। চৰকাৰে তাৰ বাবে আপোনালোকক কিছু আতুৰীয়া সুবিধা দিছে। আমি বিচাৰোঁ, চৰকাৰে তেনে সুবিধা আৰু বহুলভাৱে দিয়ক। আপোনালোকেও আদায় কৰি লওক।

শিক্ষাইহে আমাৰ মাজৰ বৈষম্য দূৰ কৰিব পাৰিব আৰু সমাজৰ সকলো গ্লানি বিনাশ কৰিব পাৰিব। সমাজৰ দণ্ডধাৰী শাসকসকলে তেতিয়া উচ্চ-নীচৰ ব্যৱধান আৰু বৰ্তাই ৰাখিব নোৱাৰিব। আমি সকতে পঢ়িছিলো ক-খ কিতাপত 'পঢ়া-শুনা কৰে যেয়ে, ঘোঁৰা-গাড়ী উঠে সেয়ে।' তেতিয়া সেইখন গাড়ীয়েই ভাগৰ বাহন। আজি শিক্ষা হ'লে জেট-স্পুটনিকলৈও আমি ভৰি মেলিব পাৰিম। আজিৰ সমাজৰ গাৰ যিবোৰ অন্যায়-অনীতি-বৈষম্যৰ ঘা দেখি আমাৰ ঘৃণা উপজিছে, কষ্ট হৈছে, তাক দূৰ কৰিবলৈ আপোনালোকো সুশিক্ষিত হ'ব লাগিব। সেয়ে আপোনালোকৰ ধ্যান-জ্ঞান হওক।

যীশু খ্ৰীস্টই শিকাইছিল, 'তোমাৰ প্ৰতিবেশীক তোমাৰ প্ৰেম দিয়া।' অসমীয়া প্ৰবাদে কয়, 'ওলাই দেখিবা যাক, শত্ৰু নেভাবিবাঁ তাক।' আমি চাৰিওকালৰ সকলোকে আপোন কৰি ল'ব নোৱাৰিলে আমাৰ জীৱনেই বিষময় হৈ উঠিব। কিন্তু আজিৰ সংকীৰ্ণ ৰাজনীতিয়ে কেয়োফালে মাথোন বিভেদ আৰু সংকীৰ্ণতাৰ কঠীয়া সিঁচিব লাগিছে। ৰাজনৈতিক শক্তিৰ ক্ষমতাই আমাক উৰাউল কৰি তুলিছে। সমাজৰ প্ৰতি আমাৰ দায়িত্ব আমাৰ মনত তল পৰি গৈছে। ই স্বাস্থ্যকৰ পৰিৱেশ নহয় কোনো উন্নতিৰ বাবে। ৰাজনৈতিক ক্ষমতা সেইসকলৰ হ'ব লাগে যিসকলৰ সেই ক্ষমতাৰ বাবে খঁক নাই কিন্তু তাক বহন কৰিবৰ যোগ্যতা আছে। সেই যোগ্যতা অৰ্জন কৰিব পাৰি শিক্ষাৰে, সমাজৰ বাবে চৰম ত্যাগেৰে। সেয়ে নহ'লে ৰাজনীতিকৰ বুলি হৈ পৰে 'মোক এখন ৰাজ্য দিয়া; মই তাৰ ৰজা হওঁ।' আজি চাৰিওফালে মাথোন সেই আবাও। মই আশা কৰিছো, সেই আবাও শুনি ছাত্ৰসকলৰ কাণ কলা নহ'ব। তেওঁলোক শিক্ষাৰে প্ৰকৃত নাগৰিক হওক।

এই অসম আপোনালোকৰ জন্ম-ভূমি, আপোনালোকৰ কৰ্ম-ভূমি। ই মোৰ বাবে যিমান আদৰৰ আৰু যিমান পবিত্ৰ, আপোনালোকৰো তেনে। আপোনালোকৰ সুখ-দুখৰ বীণাৰ তাঁৰমাহি মোৰ

জীৱনৰ টোকাৰিখনৰ তাঁৰৰ লগত একে সুৰে বন্ধা হৈ আছে—তেহেলৈ মই বা আপোনালোকে তাৰ বুজ লওঁ বা নলওঁ। এইটো এটা শাশ্বত কথা—সাংসদিক নিৰ্বাচন বা দশ-বাৰ্ষিক পিয়লৰ প্ৰয়োজনতকৈ বহুত ওপৰৰ সত্য। আমি সকলোৱে মিলি-জুলি অসমখনক সুখী কৰিব লাগিব। তেহে আমি ভাৰতক আৰু আমাৰ দুঃখ-লব্ধ স্বাধীনতাক সাৰ্থক আৰু সুস্থ কৰি ৰাখিব পাৰিম। মই কান্দি থাকিলে আপোনালোকে হাঁহি থাকিব নোৱাৰিব। আপোনা-লোক বিপন্ন হ'লে মই নিৰাপদ হৈ নাথাকোঁ। বাগিচাৰ মজদুৰ-সকলে আৰু বাহিৰত থকা প্ৰাক্তন মজদুৰসকলে অসমৰে ৰভাহ-পানী খাই থাকিব লাগিব, ইয়াতে হাড় পেলাব লাগিব। চীনৰ আক্ৰমণৰ সময়তো অসমৰ বাহিৰত ঘৰ আৰু স্বাৰ্থ থকা পলবীয়াসকলৰ দৰে তেওঁলোক পলোৱা নাছিল। অসম মৰিলেহে তেওঁলোক মৰিব, আমিও মৰিম। তেওঁলোক জীয়াই থাকিলেহে অসমো জীয়াই থাকিব। ৰবৰকন্দা চাহ-বাগিচাৰ ৰৰুণা বাহ আইদেৱে কিছুদিন আগতে "নীলাচল"ত যি মৰ্মস্পৰ্শী দুআষাৰ কথা লেখিছিল, তাৰ পুনৰাবৃত্তি কৰি আপোনালোকৰ বুকৰ বাণী বিচৰাৰ লোভ কোনো-প্ৰকাৰেই সামৰিব নোৱাৰিলোঁ : 'আন ভাষা-ভাষী লোকৰ প্ৰৰোচনাত আমি অসমীয়াবিৰোধী ধ্বনি তুলিলে আমাৰ অভাৱনীয় ক্ষতি হ'ব। আন ভাষা-ভাষী লোকৰ নিজ নিজ প্ৰদেশত মাটি-বাৰী আছে, আমাৰ নাই। গতিকে ক'লৈ যাম ? অসমীয়া মৰিলে আমিও মৰিম।' কিমান সত্য এই বাণী! মই কওঁ, মই অসমীয়া, আপোনালোকো মোৰ সমানেই অসমীয়া।

মনত ৰাখিব, এইখন মহাপুৰুষ শঙ্কৰদেৱৰ দেশ—যিজন মহাপুৰুষে সৰ্ব প্ৰাণীক সমান বুলি ঘোষণা কৰিছিল, যিজনাই সেই সময়ৰ অসমৰ জনজাতীয়সকলক দীক্ষিত কৰি বুকত সাৱটি ধৰিছিল আৰু যিজন কলাকাৰে এটা উদাৰ সংস্কৃতি সৰ্বসাধাৰণৰ সম্পত্তি কৰি থৈ গৈছিল। আপোনালোকৰ অনেকে মহাপুৰুষৰ ধৰ্ম গ্ৰহণ কৰিছে

আৰু তেওঁৰ গীত গাই, তেওঁৰ বাজনা বজাই, তেওঁৰ ঠাচৰ ভাওনা কৰি তৃপ্তি পাইছে। আমাক যেনেকৈ বিহুৱে বলিয়া কৰে, আপোনা-লোকৰ প্ৰাণত জানো সি লহৰ নোতোলাকৈ আছে? নহ'লেনো নাফুক বাগিচাৰ মজদুৰ ডেকা-গাভৰুৱে প্ৰাণ-প্ৰিয় ঝুমুৰৰ সুৰত কিয় গায়?—

আসাম দেশেৰ বৈশাখ পৰব লাগে বৰ ভাল,
মাদল বাজে বাঁশী বাজে বাজে কৰতাল,
সখী হে, গাছে দিয়ে সোণাৰ পাতা, হায় ৰে কপাল।

যত্ৰপা আইটোয়ে দাবী কৰিছে, 'মজদুৰৰ ঝুমুৰ নৃত্য অসমৰো জন-নৃত্য-ৰূপে স্বীকৃত হ'ব লাগিব, ঝুমুৰ গীত অসমৰ লোক-গীত বুলি গণ্য হ'ব লাগিব।' মই কওঁ, ইতিমধ্যেই ঝুমুৰ গীত-নৃত্যই এই স্বীকৃতি লাভ কৰিছে, তাৰ ছন্দই আমাৰ প্ৰাণ কেতিয়াবাই স্পৰ্শ কৰিছে, অধিকাৰ কৰিছে। অসমীয়া গীতক সেই ছন্দই ঝঙ্কৃত কৰিছে (ভূপেন হাজৰিকাৰ 'এটি কলি দুটি পাতেই' তাৰ উদাহৰণ ভাল)। সেই ঝুমুৰৰ স্বাভাৱিক উল্লাসে অসমীয়া নৰ্ত্তকক হিল্লোলিত কৰিছে। মই ভৰ আদি (আবৰ) গাঁৱত আপং ওঁঠত লগাই পন্থং নাচি আহিছো। লাগিলে আপোনালোকৰ লগত ঝুমুৰো নাচিম। ঝুমুৰ আমাৰ নৃত্য-সম্পদ। বিনিময় নহ'লেনো ক'ৰবাত সংস্কৃতি জীয়াই থাকেনে? 'দিবে আৰ নিবে, মিলাবে মিলিবে, যাবেনা ফিৰে' —এয়ে সংস্কৃতিৰ মূলমন্ত্ৰ। আহক, আমিও দি আৰু লৈ, মিলাই আৰু মিলি আমাৰ মহাজীৱন ৰচনা কৰোঁ।

শতাব্দীৰ অৰ্ঘ্য[1]

অসমৰ সংস্কৃতিৰ বুৰঞ্জীত এই-যায় এই-যায় দহোটা বছৰ সাৰ্থকতাপূৰ্ণ বুলি হয়তো আগলৈ কোনোবাই গণনা কৰিব। এই কেইবছৰৰ ভিতৰতে আধুনিক অসমৰ প্ৰকৃত ছবি আঁকোঁতাসকলৰ মঙ্গলময় জন্মৰ শতবৰ্ষ-পূৰ্তি আমি উছৱ পাতি ঘোষণা কৰিবৰ যত্ন কৰিছোঁ। আজিৰ এই দহোটা বছৰৰ মূল্য কোনোবাই নিদিলেও, এশ বছৰৰ সেই একে দহোটা বছৰৰ মোল আমি ইতিমধ্যেই বুজি উঠিছোঁ। তাক আৰু দুই কৰিবৰ বেলাও হ'বপায় নাই। যদি কোনোজনে আমাৰ কাণত পৰাকৈ জোনাকী যুগৰ নামটোকে লয়, আমাৰ চৌকালে জোনাকৰ ধৱল গৰিমাহে যেন সিঁচি দিলে, এনে লাগে। গতপ্ৰায় দশকটোত আমি একে একে সেই জোনাকী যুগৰ তাৰকেই বোলক কিম্বা হিমকৰেই বোলক, আমাৰ পূৰ্বসূৰী-সকলৰ কীৰ্তি কীৰ্তন কৰি নিজকে কৃতাৰ্থ কৰিবৰ ভাৱ কৰিছোঁ, আৰু ভাবিছোঁ, সেই কৃতাৰ্থতাই আমাক বিংশ শতিকাৰ পৰিণত বয়সলৈ সাহসেৰে আগ বাঢ়ি যাবলৈ দিব।

চন্দ্ৰকুমাৰ আগৰৱালা, ৰজনীকান্ত বৰদলৈ, লক্ষ্মীনাথ বেজবৰুৱা, পদ্মনাথ গোহাঞিবৰুৱা, হেমচন্দ্ৰ গোস্বামী আৰু বেণুধৰ ৰাজখোৱা—এই কেইজনৰ জন্ম-শতবাৰ্ষিকীবে আমাৰ নিজৰ জয়জয়কাৰ ৰজনজনাই তোলাত আমি এক দশক ব্যাপৃত থাকিলোঁ। কাৰণ, আমি জানো, এইসকলেই আমাৰ মাজলৈ ভাৰতীয় নৱ বেনেছাঁ দুৱাওৰি তুলি আনিছিল। আনন্দৰাম ফুকন, হেমচন্দ্ৰ বৰুৱা,

---

১ [illegible] বৰুৱা জন্ম-শতবাৰ্ষিকী উপলক্ষে মুখ্য উৎসৱ, অসম সাহিত্য সভা, [illegible], ৭ জানুৱাৰী ১৯৭৩

গুণাভিৰাম বৰুৱাতে আৰম্ভ কৰি এইসকলে যি কৰিলে অসমৰ কাৰণে, তেওঁলোকৰ আগে আগে ৰাজা ৰামমোহন ৰায়, ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰ, ৰাজেন্দ্ৰলাল মিত্ৰ, মাইকেল মধুসূদন দত্ত, বঙ্কিমচন্দ্ৰ চট্টোপাধ্যায়, গিৰিশচন্দ্ৰ ঘোষ আদিয়ে বঙ্গৰ কাৰণে, তথা ভাৰতৰ কাৰণেও, তাকে কৰি আমাৰসকলৰ কাৰণে পটি কাটি দিছিল। ইংৰাজী সাহিত্যত ৰেস্টোৰেশ্যনৰ ১৬৬০ বা লিৰিকেল বেলাড্‌ছৰ ১৭৯৮ যেনেকৈ একোটা তাৰকিত বৰ্ষ, অসমীয়া সাহিত্য-সংস্কৃতিৰ বুৰঞ্জীতো তেনেকৈ ১৮১০ শকৰ বছৰটো সোণ-পানী চৰাই চিৰ-কলীয়াকৈ চকচকীয়াকৈ লেখি থ'ব লগীয়া এটি পবিত্ৰ লগ্ন। এটা বছৰৰ ভিতৰতে অসমীয়া সাহিত্যৰ যুগান্তৰকাৰী ক্ৰান্তিকাৰী দুটি ঘটনা ঘটিল। এক, অসমীয়া জাতিৰ জন্মদাতা-স্বৰূপ ক্ষণজন্মা মহা-পুৰুষৰ জন্মেৰে পবিত্ৰীকৃত সেই বছৰৰ ভাদ মাহত অসমীয়া ভাষা-সাহিত্যৰ পৰিত্ৰাণায় অসমীয়া ভাষাৰ উন্নতি-সাধিনী সভাৰ জন্ম হ'ল কলিকতা চহৰৰ মিৰ্জাপুৰ ষ্টিটৰ লেতেৰ-পেতেৰ এটা ঘৰক চেৰাশালি কৰি। দুই, বছৰটো ঘূৰিবলৈ নৌ পাওঁতেই পুণ্য মাঘ মাহত একে চহৰৰে বৰবাজাৰৰ আৰ্মেনিয়ান ষ্টিটৰ হৰিবিলাস আগৰৱালাৰ ঘৰৰপৰা ব্যৱসায় বুদ্ধিত তীখৰ, কবি-ৰূপী স্ৰষ্টাৰ সৃষ্টিশীলতাৰে চঞ্চল, আৰু সাহিত্যৰথীৰ ভাষাত মাই-ডিয়েৰ-বিগিনাৰ্-অৰ্-এ ষ্টিভিটিজ্ আগৰৱালা-পুত্ৰ চন্দ্ৰকুমাৰৰ নব্য সৃষ্টি জোনাকীৰ জন্ম হ'ল—পুহৰ কুঁৱলি ঠেলি মাঘ-বিহুৰ মেজিৰ জুইকুৰাহে যেন অগ্নিং প্ৰজ্বলিতং চাতুৰ্বৰ্ণ্যহুতাশনম্ কৰি দপ্‌দপাই উঠিল।

ব্লিছ্ ওৱজ্ ইন্ দেট্ ডন্ টু বি এলাইভ্, বাট্ টু বি ইয়ং ওৱজ্ ভেৰি হেভ্‌ন। অ, কনকলাল বৰুৱা তেতিয়া জীবিত। কনকলাল সেই প্ৰভাতত চঞ্চল ডেকা। অধিকন্তু, সেই ডেকাটি তেতিয়া কলিকতাত—যি কলিকতা সেই মুহূৰ্তত পশ্চিমৰ খোলা দুৱাৰৰপৰা উপহাৰৰ বোজা বান্ধি বান্ধি নতুন উজ্জ্বল প্ৰাণ-বন্যাৰে চঞ্চল গাভৰু। কলিকতাৰ সেই যৌৱনেৰে চঞ্চল অসমীয়া ডেকা দুজনমানে

ইউনিভাৰছিটি উইট্‌ছৰ দৰে অসমীয়া পৃথিৱীখন ওলট-পালট লগোৱাৰ, খিটমিটীয়া আন্ধাৰত বাট বিচাৰি নোপোৱা অকাইচুকীয়া অসমীয়াকেইটাৰ চাৰিওফালে জোৰ-বস্তি জ্বলোৱাৰ আয়োজন কৰিছিল। আমাৰ ডেকা বকৰাও গৈ সেই বিহগুটি কেইটাৰ লগ হ'ল। অৱশ্যে ইতিমধ্যে কলিকতাত্তে সাত বিছৰ সৈয়া কণি হোৱা, সাংস্কৃতিক ইনকিলাব কৰিবলৈ ওলোৱাকেইটিৰ মাজত কনকলাল হ'ল কনিষ্ঠ—ঝাণ্ডা উঁচা কৰি আগ বঢা ককাইদেউহঁতৰ পিছে পিছে যোৱা অলপ লাজকুৰীয়া খোজৰ ভাইটি। যেতিয়া সেই ডেকাদলে আত্ম-বিনোদক থিয়েটাৰৰ দল হৈ চাৰিটা যুৱ একেটা যুৱ কৰি লেখা ভ্ৰমৰঙ্গৰ ভাওনা পাতে, তেতিয়া ধুনীয়া লাজকুৰীয়া ভাইটিয়ে পায় একনী মালতীৰ পাৰ্ট। কিছু দিন পিছলৈকে হয়তো ৰাজ-আলিয়ে যাওঁতে তেওঁক দুষ্টবোৰে চুপতি মাৰি মাতে—হেৰা মালতী আইটি! কিন্তু ভ্ৰমৰঙ্গত ভাও লোৱাটোৱেই কনকলালৰ এইছোৱা জীৱনৰ এক উজ্জ্বল যোজন-স্তম্ভ। কাৰণ, সেয়াতো এলা-পেচা কথা নহয়। সিযে একেবাৰেই এক ৰাজসূয় মহাযজ্ঞত ভাগ লোৱা পৰ্ব।

আনন্দ-হেম-গুণাভিয়ে অসমীয়া ভাষাক আধুনিক সাহিত্যিক প্ৰতিষ্ঠা দিলে, সঁচা। তেওঁলোকৰ লেখাত, তেওঁলোকৰ জীৱনত পশ্চিমৰ প্ৰত্যক্ষ-পৰোক্ষ স্পৰ্শ পাই অসমে অনুভৱ কৰা উক্‌মুকনিৰ আভাস, মধ্যযুগ আৰু আধুনিকতাৰ সংঘৰ্ষৰ আত্ম-সচেতন পৰিচয় পোৱা যায়। কিন্তু তেওঁলোকে অসমৰ মাটিতে থাকিহে অসমৰ উদাৰ মুক্তিৰ স্বপ্ন দেখিছিল। কলিকতাৰ নিচিনা আজৰ চহৰত পাশ্চাত্যই কেনেকৈ একেবাৰে জুই জ্বলাই দিছিল, নতুন বাণিজ্য-উদ্যোগৰ প্ৰতিযোগিতাত কেনেকৈ উচ্চ মধ্যবিত্তসকলে ব্ৰিটিশ বাণিজ্যৰ সুযোগ লৈ সমাজৰ সিংহাসনত বহিব খুজিছিল আৰু সমস্ত সমাজ জুৰি যি এক সৰ্বব্যাপী গতিশীলতা পৰিলক্ষিত হৈছিল, তাৰ ঢৌটোত লেখা এদল সাহিত্যিক নোলালে নৱোন্মেষৰ সেই উদাৰতাবাদ, সেই মানৱতাবোধ আৰু সেই যে যেনেহাৰ উল্লাস অসমৰ প্ৰাণত

উপগু কৰাৰ ভূমিকা সহজ নহয়। কিন্তু সি সহজ হ'ল প্ৰাণবন্ত যৌৱন লৈ সেই ভূমিকা ল'বলৈ মৰসাহ (মৰসাহেই বোলোঁ দিয়কচোন) দি আগ বাঢ়ি অহা এমুঠি চেঙেলীয়া ডেকাৰ নিমিত্তে। জোনাকী আন্দোলনৰ চৰম গুৰুত্ব সেইখিনিতে। সেই আন্দোলনত যিজনে মালতীতকৈ সক ভাৰো লৈছিল, তেৰোঁ সেই দেখি সেই গুৰুত্বে গৰীয়ান হৈ পৰিছিল।

সাহিত্য-সংস্কৃতিৰ বৰগছজোপাত বৰবাহ গুঁঠিৰ খোজা শিশু-চটক টিপচিকেইটিৰ মাজত বিয়াগোম পক্ষী কেন্দ্ৰীয় ব্যক্তি হ'ল চন্দ্ৰকুমাৰ। তেৰেঁই আন্দোলনটোৰ মগজু। তেওঁ তেওঁৰ প্ৰথম কমৰেড কবি ল'লে বংপুৰীয়া টটা-টিঙা, তীখৰ, পাৰ্থ-সখি লক্ষ্মীনাথক। তাৰ পিছত দল বন্ধা কাৰবাৰ। হেমচন্দ্ৰ; গুণ্ডানন, ঘনশ্যাম, ৰমাকান্ত, পদ্মনাথ, বিষ্ণুপ্ৰসাদ, কনকলাল, ৰজনীকান্ত, সোণাৰাম আৰু কোন কোন আছিল, গোটেইবাহ গজগজীয়া ডেকা জুৰ বান্ধিলে। আগৰ বানৰ হেমচন্দ্ৰ, গুণাভিৰাম, দুৰণিৰটীয়া ঘৰতে থকা লম্বোদৰ, পাণীন্দ্ৰ-নাথ, ৰত্নেশ্বৰ, কোনো বহি নাথাকিল। সকলোৱে দমদমীয়া জুইকুৰাত এখোলা এখোলা খিউ দিলেহি। মুকুতিমেধৰ জেজাল ফিৰিঙতি অসমৰ মহঙে-হাবাঙে পৰিলহি। আনে জানক বা নাজানক, অসমে জানিলে, নিজৰ লেবেলা-চেপেটা ভাষাটোৰ বুকুত কি পাৰমাণৱিক শক্তি শুই আছিল। সিংহক তাৰ বল শক্তিৰ কথা সঁকিয়াই দিলে, সি আৰু মত্তদন্তীলৈ তোচ কৰিবনে!! কিন্তু সেই সিংহ-গৰ্জনৰ কথা আৰু মই নকওঁ, সাহিত্য-বুৰঞ্জীয়েই সেয়া আপোনালোকক কওক। কিন্তু সেই গৰ্জনযে কেৱল সাহিত্য-কাননতহে শুনা গৈছিল, এনে নহয়। আন আন পথাৰতো সেই অসমীয়া নৱ-জাগৰণৰ জুৰিৰ প্ৰসাৰ আমি দেখা পাওঁ। সদাসৰিত কলিকতীয়া আকাশৰ মুৰচ ফুটোৱা ভোলানাথ বৰুৱা, মহাৰণৰী দ্বিতীয় লৈ জোং পঞ্জা বাৰ কৰ্ণেল জানকুৰ আলি (কণকছিল আলি আহমদ চাহেবৰ পিতৃ), কৰ্ণেল নিৰবাম বৰা, অসমত জাতীয়তাবাদৰ জটি সিঁচা

মাণিকচন্দ্ৰ, জগন্নাথ, নবীনচন্দ্ৰ, তৰুণৰাম, ঘনান্ধকাৰেষু সঞ্চাৰিণী দীপশিখেৱ বিদ্যা-দানৰ শলিতা জ্বলোৱা গোবিন্দচন্দ্ৰ বেজবৰুৱা—এইসকলৰ কথা মনলৈ আনিলে সেই মুহূৰ্ত্তৰ অসমৰ আত্মস্ফূৰ্ত্তি, আত্ম-পুষ্টিৰ বিকাশটোক সক কৰি দেখা হ'ব।

ব'ব, সাহিত্যৰ পথাৰলৈকে ঘূৰি আহোঁ। জোনাকীৰ প্ৰচেষ্টা যদি এটা আন্দোলন, সেই আন্দোলনৰ নেতা হৈ উঠিছিল লক্ষ্মীনাথ বেজবৰুৱা। পোন প্ৰথম জোনাকী ওলোৱাৰপৰা আদ শতিকা কাল অসমীয়া সাহিত্যক তেওঁ উদ্দেশ্য আৰু দিশ বতাই দিছিল। সেই দেখি তেওঁ আমাৰ সাহিত্যৰথী—মহাভাৰতৰ ভীষ্ম-দ্ৰোণৰ লেখীয়া, ইলিয়াডৰ আজাক্স একিলিছৰ নিচিনাকৈ। জাতীয় আন্দোলন-টোৰ নেচনেল প্ৰোগ্ৰেম তাৰ তৰুণ নেতাসকলে আগতে থিৰাং কৰি লৈছিল। সেই উচ্চাকাংক্ষী উদ্দেশ্য-ঘোষণা আৰু কাৰ্য্যক্ৰম এনে প্ৰকাৰৰ আছিল:

'এই সভাৰ উদ্দেশ্য হৈছে অসমীয়া ভাষাৰ উন্নতি সাধন কৰা। সেই উদ্দেশ্যৰূপ মহামন্ত্ৰক হিয়াত ঠাই দি এই সভাই "অসমীয়া ভাষা উন্নতি সাধিনী" নাম লৈ উপজিছে। কেঁচুৱা মাতৃভাষা কেনেকৈ ডাঙৰ-দীঘল হ'ব, কেনেকৈ সি পৃথিৱীৰ আন আন ধনী আৰু উন্নতিশীল ভাষাৰ সমান হৈ আপোন গৌৰৱ-বেলিৰ পোহৰ চাৰিওফালে পেলাই দুখীয়া আৰু এন্ধাৰ অসমৰ মুখ পোহৰাব পাৰিব; কেনেকৈ সি দুৰ্ব্বল ৰুগীয়া আৰু জীৰ্ণ অৱস্থাৰপৰা সবল, সুস্থ আৰু শকত অৱস্থা পাব, তাৰ উপায়-সাধনেই এই সভাৰ উদ্দেশ্য।

'এই উদ্দেশ্য সাধন কৰিবলৈ সভাই অসমীয়া পুথিবিলাক একে ঠাইতে গোটাবলৈ যত্ন কৰিছে। পুৰণি পুথিবিলাক যাতে নষ্ট নেপায় আৰু ক্ৰমে ছপা হৈ প্ৰকাশিত হয়, সভা তাতো চেষ্টাত আছে। আসামৰ সকলো বিষয় পঢ়াশালিতে যাতে অসমীয়া ভাষা প্ৰচলিত কৰা হয় আৰু অসমীয়া ল'ৰা-ছোৱালীয়ে যাতে নিজ নিজ ভাষা সুকলমে পঢ়িবলৈ পায়, তাৰ নিমিত্তে আসামৰ শিক্ষা বিভাগৰ

অধিকাৰসকলৰ মনোযোগ আকৰ্ষণ কৰা, লেখা-পঢ়া কাৰ্যত অশুদ্ধ ব্যাকৰণ অশুদ্ধ বৰ্ণবিন্যাস ক্ৰমে লোপ কৰি তাৰ স্থলত পৰিশুদ্ধ ভাষা ব্যৱহাৰ কৰিবলৈ পঢ়াশালি আদিত দূষিত ভাষাৰ পুথিৰ সলনি শুদ্ধ-ভাষাৰ পুথি চলাবৰ নিমিত্তে আন্দোলন কৰিবলৈ, শ্ৰীধৰ কন্দলি, ৺শঙ্কৰদেৱ আদি পুৰণি গ্ৰন্থকাৰ আৰু কবিসকলে লিখা পুথিবিলাকৰ টান টান ভাগৰ টীকা-টিপ্পনী লেখিবলৈ আৰু দোষ-গুণ আলচ কৰিবলৈ, আমাৰ ভাষাত নোহোৱা লাগতিয়াল পুথিবিলাক সংস্কৃত বা আন ভাষাৰপৰা অনুবাদ কৰি বা সংক্ষিপ্ত সাৰ সংগ্ৰহ কৰি আমাৰ ভাষালৈ আনিবলৈ, আসামৰ আগৰ দিন বা এতিয়াৰ যিবিলাক ধৰ্মনীতি, সমাজনীতি, ৰাজনীতি বা খেল-মেল, গাঁও-ভূঁইৰ আনুপূৰ্বিক বৃত্তান্ত আছে, তাক সংগ্ৰহ কৰি এখন বিস্তৃত বুৰঞ্জী লেখিবলৈ, দেশৰ ইতৰ-সাধাৰণ সকলো শ্ৰেণীৰ মানুহৰ ভিতৰত যাতে লেখা-পঢ়াৰ চৰ্চা হয়, তাৰ নিমিত্তে উজু উপায় উলিয়াবলৈ, ৰাতৰি-কাকতৰ প্ৰতি লোকৰ আগ্ৰহ বঢ়াবলৈ আৰু আসামৰ সকলো কাকতত্তে এটা মাত্ৰ লিখিত ভাষাৰ সৃষ্টি কৰিবলৈ সভাৰ যত্ন থাকিব।'

এই মহৎ মহামন্ত্ৰ উচ্চাৰণ কৰি তাৰ সাধন-পন্থা এই যিটি ৰচনা কৰা হ'ল, সি একেবাৰেই বাৰ হাত জালৰ তেৰ হাত ফটা। তথাপি তাক বাপৰ বেটাইতে নমৰা-নোচোঁচাকৈ নাথাকিল। সেই প্ৰোগ্ৰেমৰ জন্ম-শতবাৰ্ষিকী হোৱা দিনাওযে সি সম্পূৰ্ণ কাৰ্য-ৰূপ পৰিগ্ৰহ কৰি উঠিব, মই নাভাবোঁ। তাৰ দুই-এক দফা আজিকোপতি হাতত লোৱাই হোৱা নাই। এলাহু-চাঙৰ পুৰণি পুথিবোৰ আমাৰ গোটোৱা হ'লনে? মে সেইবোৰ উই আৰু ভালশলিয়াৰ বিশ্ববিদ্যালয়ৰ নামত উছৰ্গা কৰিলোঁ? অসমৰ সকলো বিষয় পঢ়াশালিতে যাতে অসমীয়া ভাষা প্ৰচলিত হয়, তাৰ অৰ্থে ১৯৭২ চনতো আমাৰ ল'ৰাই বুকুৰ ভেজেৰে পথৰ খুলি বস্তা কৰিব লগীয়া হোৱা নাই জানো? আমাৰ পঢ়াশালিত শুধ্ অসমীয়া ব্যাকৰণ বৰ্ণবিন্যাস

আজিও চলিছেনে? কন্দলি, দেৱসকলৰ পুথিৰ বৈজ্ঞানিক সংকৰণ কৰি কিমানেইবা টীকা-টিপ্পনী লেখিলো? অসমীয়া প্ৰজাৰ বুৰঞ্জী, মানে হিস্টৰি অব্ দ্ পিপ্‌লৰ কাল কাটোঁতেই দেখোন মাহৰ বতৰ গৈ আছে! পতিকে দেখা যায়, অ. ভা উ সা -ৰ আঁচনি মানে আজিৰ দিনতো এক ভীমাকাৰ প্ৰশ্নবোধক চিন॥ এতিয়াও আমাৰ পি. পু. যদি ফি শো.।

কিন্তু ১৮১০ শকৰ আমাৰ কলিকতীয়া ল'ৰাজুমে ফি শো কৰা নাছিল। প্ৰবাসী অসমীয়া যেহেতু যনাই সভা বহে, কলিকতাত থকা অসমীয়া নামৰ এটা কণমাকৰিও তাতে নহাকৈ নাথাকে। নিজৰ পালমতে হাতে পতি আছে কাম, নোহোৱাৰ নাই নাম, যুঁজৰ কুকুৰা যুঁজতেই মৰে; পতিকে বোপাটিহঁতে যদি ইস্তাহানত পালে পালে ফেল মাৰিলে, মাৰিলে আৰু। দেশৰ কাম কৰোঁতেহে ফেল মাৰিছে, পাপ কাম কৰি নহয় নহয়। কোনোটিয়ে শনিবাৰে ইডেন গাৰ্ডেনত লুকাই লুকাই তাৰ থহটো বেঞ্চিত বহি বহি নাটক লেখিব যাতে তাক পঢ়োঁতে আমাৰ পেটৰ নাড়ী কেইডাল ছিগে। কোনোটিয়ে আকাশ-পাতাল ভাবি ভাবি প্ৰাণৰ শিহৰণ দি কবিতা ৰচিব, যেন পঢ়োঁতা-শুনোতাই বিস্ময়-বিমিশ্ৰিত আনন্দ পায়। কোনোবাটিয়ে আকৌ হিয়াৰ চেনেহীজনীৰ কাউৰীঠেঙীয়া আখৰ চাই চাই বৰকৈ হুমুনিয়াহ এটা কাঢ়িব—কাকো আৰু হিয়া নিৰিলাওঁ, তাৰ মনত ৰাজশেখৰে কোৱাৰ দৰে মলয়ানিলা বিৰহিনীনীশ্বাস-সংপৰ্কিনো জাতা তাকয়পূৰা হৈব। কোনোৱেবা আকৌ মহাপুৰুষৰ জালি-কটা পুণ-হাৰৰ কথাই বা অসমীয়া ভাষাৰ কথাই বা সাতজনী নিশনি কৈবাই খোৱা কালৰ বতৰাৰ আলচ কৰিব। এইবোৰেইতো দেশ-গঠনৰ কাম, স্লোগান দিয়াটোতো আৰু নহয়। এইবোৰেৰেই সেই তৰুণ পুৰুষসকলে অসমৰ বাবে নব্য ভাৰতৰ সংস্কৃতিৰ মানচিত্ৰখনত এডোখৰ সেউজীয়া ঠাই যোগালে।

এতেকেহে মই কোৱা নাই, আপোনালোকেও লোৱা নাই, এই

ভগীৰথসকলে ভাগীৰথীৰ পাৰত পতা যইগুত কুমলীয়া কনকলালে সম্মিধেই দিলে নে বাৰীৰ আমথৰিকে দিলে। সোধক, কওঁ। ইতিমধ্যেই তেওঁ হেমচন্দ্ৰ, গুণাভিৰাম, বলিনাৰায়ণৰ অনুপ্ৰেৰণা-দায়ক সান্নিধ্য লাভ কৰিছে, ইতিপূৰ্বেই আসাম-বন্ধু আৰু মৌ কাকতত ল'ৰাই লেখা গইদ-পইদ হেনো ছপা কৰি আহিছে। চাহাবী আদব-কায়দাৰ সাজন-পাৰণৰ লোক, ৰেল-কোম্পানীৰ স্লিপাৰ-যোগনীয়া সদাগৰ মাণিকচন্দ্ৰ বৰুৱা ভিনিহিটিৰে ইতিমধ্যেই তেওঁ এণ্ট্ৰেন্স পৰীক্ষা দিয়াৰ আগতে কলিকতা মহানগৰ দেখি গৈছে। মোৰ হাতত প্ৰথমখণ্ড জোনাকী নাই। কিন্তু যি জানো সেই বছৰ তাৰ পাতত কনকলালৰ বিশেষ একো উঠা নাছিল। দ্বিতীয়-তৃতীয় খণ্ডত ছুটি ভিন্ন পৰ্যায়ৰ বস্তু তেওঁৰপৰা জোনাকীয়ে পায়। এক হ'ল বসন্ত-বিদায় আৰু ব্ৰহ্মপুত্ৰ নামেৰে কবিতাৰ অনুশীলন আৰু দ্বিতীয় হ'ল ভবিষ্যতৰ তমাহু হলেও শিল্প উদ্যোগ আয়োগৰ সদস্য আৰু অসম চৰকাৰৰ শিল্প বিভাগৰ অধীক্ষক কনকলালৰ এলানি প্ৰবন্ধৰ প্ৰথম কিস্তি—আমাৰ শিল্প আদি। ভাষায়-ছন্দয় নিখুঁত ব্ৰহ্মপুত্ৰ যদিও ধুনীয়া কবিতা, কনকলালে কিন্তু কবিতাৰ ৰাজ্যখন চন্দ্ৰকুমাৰ, হেমচন্দ্ৰ, আনন্দচন্দ্ৰ আদি কোঁৱৰসকলৰ হাতত সমৰ্পণ কৰি বস্তু-বাস্তৱ সংস্কৃতি, মেটিৰিয়েল কাল্‌চাৰৰ দৃষ্টিৰ-পথা পুৰণি কামৰূপ নতুন অসমখন দখল কৰাৰ কালে মন-কাণ দিলে। তেওঁৰ ভবিষ্যত আধিভৌতিক আধ্যাত্মিক গতি সেই ভাবৰ দ্বাৰায় নিৰূপিত হ'ল। তাৰ দ্বাৰায় উদ্রিক্ত হৈ তেওঁ কবিতাৰ সপোন এৰি দেশৰ বাস্তৱ অতীত, আৰু অতীতলৈ ঘূৰি যাব। কবি আৰু ৰোমাণ্টিকৰ গুণ তেওঁৰ নহয়। তেওঁৰ মনোবৃত্তি ক্লাছিকেল। তেওঁৰ অতীত কবিৰ ৰোমাণ্টিক অতীত নহয়, বুৰঞ্জীৰ বাস্তৱ অতীত।

অতীত। কনকলালৰ অতীত, ঐতিহ্য কি? তেওঁ সাতঘৰীয়া কাকতীৰ মধ্যৰ গজলজীয়া মামতিয়াল কাকতীৰ ঘৰৰ ল'ৰা। আহোম সামন্তযুগৰ উচ্চ-মধ্যবিত্ত সমাজত সাতঘৰীয়া কাকতী

বুলিলে বুলিবলৈ নাছিল। তেওঁ সৌমাৰ-শেষ-ৰাজ সিংহ-পুৰন্দৰৰ ৰৰভণ্ডাৰ ৰকৱা, কোম্পানীৰ শাসনৰ দাৰোগা আৰু ফৌজদাৰী ছিৰস্তাদাৰ আৰু শেহান্তৰত ফেঠেৰি-বৈনাই সমধৰ, ৰজাৰ দোৰোহী হৈ ফাঁচীকাঠত ওলমা মণিৰাম দেৱানৰ লগতে আচামী হৈ ক'লীয়া-পানীৰ কয়েদী হোৱা ছুতিৰাম ৰকৱাৰ নাতি। দিহিঙৰ সেৱক ছুতিৰামৰ কলিকতা-শিক্ষিত পুত্ৰ প্ৰিয়লালে দিহিঙীয়া মহন্তৰ ভেশচন কৰি কলিকতালৈ গৈ বৰলাট বাহাদুৰ, আৰু হেনো প্ৰিভি-কাউঞ্চিলত আফিল কৰি বিদ্ৰোহত লিপ্ত নহয় বুলি ছুৰছুৰকৈ ক'লীয়া-পানী খটাৰ পিছত পিতাকক মোকলাই আনে। মন কৰিব লগীয়া, কনকলালৰ অতীত-এষণাৰ মাজত ইংৰাজৰ আমোল নপৰে। তাৰ মনস্তাত্ত্বিক কিবা কাৰণ থাকিলেও থাকিব পাৰে, নাথাকিলে নাই। আকৌ চাওক, সপ্তদশ শতিকাত বুদ্ধি-স্বৰ্গনাৰায়ণ বুঢ়া ৰজাৰ দিনত নামতিয়ালৰ বংশৰ বিজন মাটি-পিয়লৰ ওস্তাদ আদিপুৰুষ আছিল, তেওঁৰ নাম পীতাম্বৰ-ঘোষ। ঘোষ ৰোলোঁতে স বুলিম নে ছ ? সেইটো তেওঁৰ উপাধি নে নামৰ অংশ ? বুৰঞ্জী-চেঁচোৰৰ পম-খেদা কোনো পণ্ডিতে ক'ব, এই ঘোষ বঙালী ঘোষ নহয়। কনকলালে কেইবাটাও প্ৰবন্ধত ঘোষ, দত্ত, বসু আদি গৌড়ীয় কায়স্থৰ দৰে পদবী লগা গুজৰাটৰ নাগৰ ব্ৰাহ্মণৰ কথা লেখিছে। তেওঁ কিন্তু পীতাম্বৰ শুকানি কাথ গৌড়ৰপৰা অহা বুলিয়ে কৈছে। এই মুহূৰ্তৰ বিশেষ পৰিপ্ৰেক্ষিতটোলৈ চালে আজি গৌড়ৰপৰা অহা-সকলৰ বাবে ই এক লেছনেই হ'ব পাৰে। মাণিকচন্দ্ৰ মজিন্দাৰ ৰকৱা, কলিৰৰ বেজবৰুৱা, নগৰবাম আগৰৱালাৰপৰা ঘচা পৰিয়ালেই অসমৰ হকে মৰা অসমীয়াৰ হকে কৰা মানুহ। পীতাম্বৰ ঘোষৰ বংশৰ অনেকজনেই আহোম ৰজাৰ বিষয় খালে, সেই কুলৰ তিলক কনকলালে গৌড়ৰ পণ্ডিতসকলৰ লগত লড়াই কৰি আদি-মধ্যযুগৰ কামৰূপৰ ৰাজনৈতিক সামাজিক সাংস্কৃতিক ইতিহাসক এগদী সম্ৰান্ত স্থান দিলে।

অ. ভা উ সা সভাৰ কাৰ্যক্ৰমৰ ভিতৰত কনকলালে নিজৰ কামৰ পাল উলিয়াই লৈছিল। অসমৰ প্ৰকৃত বিস্তৃত এখন বুৰঞ্জী লেখিবলৈ সভাৰ যত্ন থাকিব বুলি যি সংকল্প লোৱা হৈছিল, সি এই ডেকাজনৰ হৃদয়ত হয়তোবা এডুখৰি ভাল ঠাই বিচাৰি পাইছিল। দ্বিতীয় খণ্ড জোনাকীত ওলোৱা সভাৰ বছৰেকীয়া কাৰ্য-বিৱৰণতে কোৱা হৈছিল, এই সভাই অসমীয়া পুৰণি আৰু নতুন পুথিৰ নাম অতি যতনেৰে সংগ্ৰহ কৰি এটি তালিকা কৰি ৰাখিছে। ইঃ, এওঁলোকে বৰ কামটো কৰিলে, থ'বলৈ ঠাই নাই!—এনে বুলি কোনোবাই হাঁহে বুলি সম্পাদক ডেকা বেজবৰুৱাই তাৰ তিনিটা উদ্দেশ্য ব্যাখ্যা কৰিছে ৰিপোৰ্টতে: '(১) অসমীয়া ভাষাকযে ভাষা নহয় বুলি কোনোৱে কয়, তেনেকুৱা ভাষা-নোহোৱা ভাষাতনো কিমান পুথি হ'ব পাৰে, তাক জানি, সেই মতাৱলম্বী লোকসকলৰ মতবাদত কিমান সাৰ বা পলস আছে, সেই কথা বুজাৰ সুগম হ'ব। (২) অসমীয়া মানুহৰ মানসিকতাৰ কি প্ৰকাৰ ক্ৰমবিকাশ হৈ আহিছে, তাক জানিবৰ যাই উপায় হৈছে এই পুথিবিলাক। (৩) পুৰণি পুথিবিলাক আমাৰ পুৰণি ৰত্ন। এতিয়া আমাৰ সেই বাপতি-সাহোন ৰাখি থাব লাগে।' বিব্লিওগ্ৰাফি, পুথিপত্ৰৰ তালিকা কৰি কৰা অধ্যয়নযে বৈজ্ঞানিক পদ্ধতিৰ এক গুৰুত্বপূৰ্ণ বিদ্যা, অসমত আমি আজিও তাৰ চুগুণো নলওঁ গম। বিদ্যাৰ মোল বুজাৰ দেশত কেৱল শ্বেক্সপিয়েৰৰ বিষয়েই পৃথিৱীত বছৰত কিমান গ্ৰন্থ, কিমান প্ৰবন্ধ ওলায়, তাৰ বিব্লিওগ্ৰাফি কৰা হৈ থাকে বছৰে। আমাৰ আকৌ এনে দুৰ্দশা যে ১৯৭২ চনতো অসমীয়া ভাষা বিশ্ববিদ্যালয়ৰ শিক্ষাৰ মাধ্যম হ'বৰ অযোগ্য বুলি বদনাম। কিন্তু ১৮৮৮ চনত বিব্লিওগ্ৰাফিৰ মানে বুজা সেই সোণামুৱা ল'ৰাকেইটিয়ে তালিকা কৰিম বুলিলেহে, কৰিলেই। তাৰ মাজত বোধ হয় কনকলালো আছিল। তেওঁ ১৮৯৫ চনত ৭৩০ খন পুথি-কিতাপৰ নামেৰে সংকলিত অসমীয়া পুথিৰ বিৱৰণ বুটিয়াকৈ প্ৰকাশ কৰে অ. ভা. উ. সা.-ৰ হৈ।

উপজিয়ে বুঢ়া হৈ জোনাকীয়ে কি কৰিলে, একে উশাহতে ক'বলৈ হ'লে উৰ্ধ্ব কমা দি বেজবৰুৱাক আনিব লাগিব—'এবছৰৰ (দ্বিতীয় বছৰৰ) জোনাকীৰ চেষ্টাই অসমীয়া ভাষাৰ কঁকালত অনেক বল দিলে, ভাষা-আকাশত পুৱাৰ পোহৰ পৰিল, অসমীয়া ভাষাটো আমাৰ অলাগতিয়াল বস্তু, কিছুমান ইংৰাজী-শিক্ষিত অসমীয়াৰমো এনে এটা অদ্ভুত সংস্কাৰ আছিল, সেইটোৱে বৰকৈ জোঁকাব খালে।' (আজিৰ ইংৰাজী-শিক্ষিত কিছুমানকো যে সেইদৰে গাত ধৰি জোঁকাবিব লগীয়া হৈছে, সিহে টান কথা হৈছে।) তৃতীয় বছৰতো জোনাকীৰ সম্পাদক হ'ল অসমীয়া ভাষাৰ ধাই বেজবৰুৱাই, যিসকল ইত্যাদিৰ প্ৰবন্ধৰে জোনাকীৰ জেউতি চৰি পৰিছিল বুলি তেওঁ জীৱন-সোঁৱৰণত কৈ কাটিছে, তাৰ ভিতৰত বিশেষ একজন হ'ল কনকলাল বৰুৱা। চতুৰ্থ বছৰটোও জোনাকী বেজবৰুৱাৰ সম্পূৰ্ণ সম্পাদনাতে চলিল। পঞ্চম খণ্ডত সম্পাদক হ'ল কনকলাল। কিন্তু অ ভা. উ সা. সভাৰপৰা প্ৰকাশিত এইভাগ কাকতত, কিয় জানো, সম্পাদকৰ নাম ছপা হোৱা নাছিল, নামপাতত প্ৰকাশক সোণাৰাম চৌধুৰীৰ নামহে ওলাইছিল। চন্দ্ৰকুমাৰ এই সময়ত প্ৰায় আঁতৰি পৰিছিল, কিন্তু এতিয়াও বেজবৰুৱাই জোনাকীলৈ মৰম-বেথা এৰা নাছিল। তেওঁ লেখিছে: 'পঞ্চম বছৰত মই যদিও জোনাকীত অনেক ৰচনা দিছিলোঁ, কিন্তু সম্পাদক হৈ আৰু থকা নাছিলোঁ। জোনাকী ১৮ নং আমহাৰ্ষ্ট ষ্ট্ৰিটৰপৰা সেই মেছবাসী অসমীয়া ছাত্ৰসকলৰ দ্বাৰা পৰিচালিত হ'বলৈ ধৰিলে। প্ৰবন্ধ-গৌৰৱত এই বছৰৰ জোনাকীয়েও আগৰ কেইবছৰৰ জোনাকীৰ সন্মান অক্ষুণ্ণ ৰাখিব পৰিছিল বুলি মোৰ বিশ্বাস।' সাহিত্যৰথীৰ কথা নিশ্চয় সত্য-ৰূপে মান্য হ'ব লাগিব। তেওঁ দিনলেখাৰপৰা দেখা পোৱা যায়, পঞ্চম খণ্ডৰ পঞ্চম-ষষ্ঠ সংখ্যা জোনাকী তেওঁ পায় ১৮৯৫ৰ ১ এপ্ৰিলত। পিছ বছৰৰ ২০ জানুৱাৰীত তেওঁ এটা আৰলি দি জোনাকী বান্ধিবলৈ দিছে দপ্তৰিক। সেয়া বোধ হয় কনকলাল বৰুৱা-সম্পাদিত সম্পূৰ্ণ পঞ্চম খণ্ড। বৰুৱাই নিজৰ

জীৱনস্মৃতিত যদিও লেখিছে, তেওঁ তৃতীয় বাৰ্ষিকৰ ছাত্ৰৰূপে জোনাকীৰ সম্পাদক হৈছিল আৰু ১৮৯৩ চনত কাকতখন হঠাতে বন্ধ হ'ল, সি বোধ হয় সত্য নহয়। ১৮৯৫ৰ ২৩ মাৰ্চত শেষ কৰা ভদৰী, ১৯ মেইত নকল কৰা স্বৰ্গাৰোহণ, ২৪ জুলাইত লেখা কন্যা নৈৰ পাৰত, ৭ আগস্টত আৰম্ভ কৰা ভেমপুৰীয়া মৌজাদাৰ, ১৮৯৬ৰ ২৩ জানুৱাৰীত শুধৰাই-মেলি জোনাকীলৈ যুগুতোৱা শিৱসাগৰ—লক্ষ্মীনাথৰ এই গল্পবোৰ বোধ হয় কনকলাল বৰুৱাৰ আমোলৰ কাকতৰ বাবেই লেখা হৈছিল। বৰুৱা ১৮৯৪ত বি এ আৰু ১৮৯৬ত ল পাছ কৰাৰ মাজৰ সময়ছোৱাতে জোনাকী আৰু অ ভা উ সা. সভাৰ কামত বাৰুকৈ লাগিছিল। তেওঁৰ অনুপ্ৰেৰণাতে বোধ হয় বেজবৰুৱাই সভাৰ পাঁচটামান অধিৱেশনত অসমীয়া ভাষা সম্পৰ্কে বক্তৃতা দিছিল। এইভাৱেই বৰুৱাই জোনাকীৰ যোগে অসমীয়া সাহিত্যক নেতৃত্ব যোগাইছিল। আৰু এয়ে বোধ হয় তেওঁৰ সাহিত্য-কৰ্মৰ আটাইতকৈ সৃষ্টিশীল সময়। ইয়াৰ আগতে ১৮৯১ত আনেৰে লগ লাগি লেখা সাবিত্ৰী-সত্যবান নাটকৰ মুখ ক'লা নে বগা, আমি দেখি পোৱা নাই। জোনাকী আৰু বিজুলীত ওলোৱা তেওঁৰ ৰচনা-খিনি হ'ল এছে বা নিবন্ধজাতীয়—তুঁইকঁপৰ উপকাৰিতা, প্ৰাণীতত্ত্ব, সংসাৰত সুখ নে দুঃখ, শিক্ষা, সহানুভূতি। নিটোল অসমীয়া ভাষাত লেখা এইবোৰ পঢ়াশলীয়া পাঠোপযোগী। প্ৰকৃততে, বিজুলীৰ ৰচনা কেইখনক গোহাঞিবৰুৱাই স্কুল-পাঠ্য সাহিত্য-সংগ্ৰহৰ বুকত ঠাই দিছিল। সেয়া ছাত্ৰৰ সুখাদ্য। এটা অৰ্থপূৰ্ণ কথা—১৮৯৬ত কনকলালে কলিকতা এৰাৰ লগে লগে জোনাকীৰ হ'ল অৱসান। বেজবৰুৱাই ইতিমধ্যেই যি আশঙ্কা কৰিছিল (জোনাকী দেখোন জঠৰ হ'ল,...অকণমানি বস্তুটি মৰি থাকিব), সেয়ে হ'ল। অকণ-মানিজনী মৰিল সঁচায়, লাস্ট্ অৱ্ দ্য ৰোমান্‌ছ্ কনকলালৰ প্ৰস্থানৰ লগে লগে। কিন্তু সেইজন বীৰৰ মালতীজনীও মৰিল। কাৰণ বীৰজন হ'ল এডিয়া চিভিলিয়ান হাকিম। আপোন বৈনাই সত্যনাথ

ৰবাৰ গুৱাহাটীয়া জোনাকীলৈ তেওঁৰ পিঠি, উষা-ৰাহীৰ প্ৰথমকেইটা বছৰৰ পিঠিত তেওঁৰ লেখা সেৰেঙা বা শূন্য। তেওঁ তেতিয়া শুই আছে—অৰ্থাৎ তেওঁৰ সিবেলা হাইবাৰ্নেশ্যন্।

এই হাইবাৰ্নেশ্যনৰ আগৰ যিজন কনকলাল, সেইজনেই জোনাকী যুগৰ সাহিত্যকাৰ কনকলাল। ক্ৰমবদ্ধ আৰু পোনৰ সংখ্যা জোনাকীত এটি প্ৰবন্ধ লেখা পিছত অসমৰ মন্ত্ৰী ঘনশ্যাম বৰুৱাৰ মৃত্যু হোৱা বছৰতে অৰ্থাৎ ১৯২৪ত অসম সাহিত্য সভাই জোনাকীৰ একন প্ৰবৰ্তক-কৰ্মী কনকলালক চৰকাৰী ফাইলৰ দমৰপৰা খান্দি উলিয়াই যেতিয়া সম্মিলনৰ সভাপতি পাতিলে, তেতিয়া তেওঁ এটা সংকোচ, এটা আনন্দৰ ভাৱত কলিকতীয়া জীৱনৰ কথা সুঁৱৰিলে এই বুলি—‘মোৰ এই সামান্য কাৰ্য পাঠ্যাৱস্থাৰ অপৈণত বয়সৰ কাৰ্য হ'লেও এতিয়ালৈকে তাৰ বাবে নিজক গৌৰৱান্বিত বিবেচনা কৰো। সেই সময়ত কলিকতাৰ কলেজৰ ছাত্ৰৰ বাহিৰে অসমত থকা জনা-শুনা শিক্ষিত অসমীয়াৰ ভিতৰত খুব কম লোকহে অসমীয়া সাহিত্যৰ অনুৰাগী আছিল।’

তেওঁ অনুভৱ কৰিছিল, যি কামৰ নিমিত্তে অ ভা উ সা-ৰ জন্ম হৈছিল, সি সন্তোষদায়কৰূপে সিদ্ধ হৈ গৈছিল। এই উক্তিৰ অৰ্থ বোধ হয় এয়ে আছিল—যেন নট-ভাটে ৰাজচক্ৰবৰ্তীক জগায়ে, তেনেকৈ কলিকতীয়া ছাত্ৰহঁতে মাঙ্গলিক গাই অসমীয়া বৌদ্ধিক-সকলক টোপনিৰপৰা তুলি থৈ গ'ল। সঁচায়, সেয়ে তেওঁলোকৰ কৃতী কীৰ্তি। স্বয়ং কনকলালেও সেই যুঁজৰ ভাগৰ সঁতালে ইমান দিনে। সাহিত্য সভাৰ সভাপতি কনকলালজন জোনাকী যুগৰ কনকলালৰ স্মৃতি মাত্ৰ। তাৰ পিছত তেওঁৰ নতুন কায়-কল্প। সেই ওভতনিৰ ইঙ্গিত তেওঁৰ অভিভাষণতে, কাৰণ, তেওঁ হুৱেনচাঙৰ বছৰ পূৰ্বে প্ৰাচীন কামৰূপৰে ভাৰতবৰ্ষত বিশাল পৰাক্ৰমী এজন ৰজা আছিল, তাক সুঁৱৰিছে। আৰু সুঁৱৰিছে প্ৰকৃতিৰ নিৰ্দয় হাতে নিশ্চিহ্ন কৰা কামৰূপৰ মন্দিৰ, ৰাজপ্ৰাসাদ, সাবাত হ'ব

লগীয়া কামৰূপ স্কুল অব্ হিন্দু ল, সংগীতৰ ঘৰানা, চিত্ৰকলা-ভাস্কৰ্যৰ ধূসৰ পাণ্ডুলিপি। এই গৌৰৱণ তেওঁৰ জীৱনৰ বাবে, আমাৰ জাতীয় জীৱনৰ বাবে এক মোহন ইছাৰা, এক প্ৰত্যাহ্বান, চেলেঞ্জ। দু-হাজাৰ বছৰে পৰা পলসৰ তলৰপৰা প্ৰাচীন কামৰূপখন খান্দি উলিওৱাটো এক দৈত্যকায় গৱেষণা-আঁচনি। তেতিয়ালৈকে আমাৰ ৰাজ্যত গেইট-বিদ্যাবিনোদৰ কথা বাদ দি কোনো ডক্টৰ ময়িছুল বৰা, কোনো ডক্টৰ কাকতি, কোনো ডক্টৰ ভূঞাৰ নাম আমি শুনা নাই। কামৰূপ অনুসন্ধান সমিতিৰ জুকলা পঁজাত মাথোন মাজে মাজে বুৰঞ্জীৰ সপিণ্ডীকৰণ হয়, বা দৰং-ৰাজবংশাৱলী বা আহোমৰ দিনৰ দৰে গৱেষণাৰ চৰিত্ৰৰ দুই-এখন পুথি ওলাই পঁইতাচোৰাৰ শেতেলি বা নিগনিৰ খাদ্য ৰচনা কৰে। কিন্তু আহোম যুগৰ আগৰ অসমৰ এখন বুৰঞ্জী হ'ব পাৰে, বহুলকৈ এই কথা কোনেও নাভাবে।

১৯২৪, ১৯২৫, ১৯২৬, এনেকৈ বছৰবোৰ বাগৰি বাগৰি গৈ থাকে। আহে ১৯৩৭। তাৰ সামৰণিত অসম সাহিত্য সন্মিলন বহে। কনকলাল বৰুৱা সেইবাৰ হয় বুৰঞ্জী শাখাৰ সভাপতি। তেওঁৰ ডেৰ দশকৰ আগৰ আক্ষেপবোৰ তেতিয়া ভৰা আশা, ভৰা গৌৰৱত পৰিণত হৈছে। জোনাকীৰ অপৈণত ছাত্ৰৰ সাহিত্যিকজন এতিয়া হাতত চেঙেলি পৰিলে নেৰা বুঢ়া ঐতিহাসিক হৈছে। ন ডেকা-বোৰৰ মাজৰপৰা বৰা, কাকতি, ভূঞা ডক্টৰ হৈ ওলাল। কামৰূপৰ ধূসৰ ইতিহাসৰ ৰাকৰ বিচাৰিবলৈ জীৱনৰ জোৰ-বত্তি লৈ দুই-এজন আগ বাঢ়ি ওলাল। আৰু ওলাল আৰ্লি হিস্টৰি অব্ কামৰূপ, কামৰূপৰাজাৱলীৰে কামৰূপশাসনাৱলী। অসমৰ বাহিৰৰ প্ৰাচ্যতত্ত্ব-বিদসকলবো একিল খাই এবুৰি চাপিল—সুদূৰ প্ৰাচ্যৰ দ্বীপময় ভাৰত আদিৰ বাহিৰেও আচাম মুলুকতো এখন প্ৰাচীন ভাৰতবৰ্ষ আছিল, আছে। গতিকে ১৯২৪ৰপৰা ১৯৩৭লৈ দীঘলনুৱীয়া ম'হওৱালৰ বিং, বঠ সাহিত্য সন্মিলনৰ জোনাকীৰ জিক জ্যোৎস্নাত স্নাত কনকলালৰপৰা আৰ্লি হিস্টৰি, অনুসন্ধান সমিতি, আসন্ন ৰাজ্য

সংগ্ৰহালয়ৰ বিগ্ৰহবৰ মাৰ্তণ্ড কনকলাললৈ তাক জাহাজৰ উকি। এতিয়া আৰু এতিয়াৰ পিছৰ বাঁহীৰপৰা মিলনেদি আৱাহনলৈকে কনকলালে অসমীয়া প্ৰবন্ধ-ৰচনা ৰচিছিল। কিন্তু সেয়া সেই মাৰ্তণ্ডৰ প্ৰতিফলিত হিমকিৰণৰ ছায়াহে, অৰ্থাৎ নিজৰে আনটো সত্তাৰ দাপোণত পৰা প্ৰতিচ্ছবি। পটন্তৰ-স্বৰূপে সপ্তদশ-অষ্টাদশ বৰ্ষৰ বাঁহীত ওলোৱা পাণ্ডিত্যগৰ্ভ কামৰূপ সাম্ৰাজ্য, কৌটিল্যৰ সময়ত প্ৰাগজ্যোতিষ আৰু বুৰঞ্জীৰ বিবিধ টোকা নামৰ গধুৰ প্ৰবন্ধবোৰৰ বিষয়বস্তুত ইণ্ডিয়ান কাল্চাৰ্ আৰু জৰ্নেল অৱ্ দ আসাম ৰিছাৰ্চ ছোচাইটিৰ দেহগত আলপাইনছ্ ইন ইস্টাৰ্ণ ইণ্ডিয়া, ইৰান এণ্ড ইস্টাৰ্ণ ইণ্ডিয়া, প্ৰিহিস্টৰিক কাল্চাৰ্ ইন্ আসাম, কামৰূপ এণ্ড কৌটিল্য : এজেণ্ডাম্, ওৱৰ্ড কৌটিল্য এন্ ইস্টাৰ্নাৰ আদি ইংৰাজী প্ৰবন্ধৰ মৰ্মই প্ৰতিধ্বনিত হৈছে। বুৰঞ্জী শাখাৰ অভি-ভাষণখননো কি? সিও তেওঁৰ নিজৰ গৱেষণা আৰু আনৰো আৱিষ্কাৰৰ খবৰ আৰু সাৰাংশ। গতিকে ১৯৩৭ৰ বুৰঞ্জী সভাপতিজন ১৯২৪ৰ মূল সন্মিলনৰ সভাপতিজনৰপৰা পৃথক ব্যক্তি, সিহে প্ৰমাণিত হয়। আগৰজন চফল ডেকা, এইজন বুঢ়া। আগৰজনৰ হাবিয়াহ নতুন অসম গঢ়া, এইজনৰ হাবিলাস পুৰণি কামৰূপৰ কঙ্কাল সমাধিৰপৰা খানি আনি তাত তেজ-মঙহেই নহয়, স্নো-পাউডাৰো লগাই দিয়া, সেই কালেহে তেওঁৰ অতন্দ্ৰ দৃষ্টি। এই দুজন কনকলাল বৰুৱাৰ মাজতে আৰু এজন কনকলাল, চেপা খাই সোমাই আছে। সেইজন হ'ল মহাপুৰুষীয়া সম্প্ৰদায়ৰ ধৰ্মমত নামৰ শঙ্কৰদেৱৰ ধৰ্ম আৰু দৰ্শন-সম্পৰ্কীয় গভীৰ আলোচনাৰ লেখক। বিবৰ্তনৰ এই স্তৰটো প্ৰকৃততে বৰ চমু, কিন্তু কম গুৰুত্বপূৰ্ণ নহয়। স্তৰটো চমু নহৈ দীঘলীয়া হোৱা হ'লে অসমৰ নৱবৈষ্ণৱ ধৰ্ম আৰু দৰ্শনৰ বিষয়ে আমি এখনি স্থায়ী কীৰ্তিকৰ গ্ৰন্থকে পালোঁহেঁতেন। অৱশ্যে তাত প্ৰকাশিত শঙ্কৰদেৱৰ বেদান্তবাদসম্পৰ্কীয় তেওঁৰ অভিমতৰ কিছু পৰিবৰ্তন কৰি ল'ব লাগিবহেঁতেন।

• ১৯৩৩ চনত আৰ্লি হিস্টৰি অব্ কামৰূপ ওলোৱাৰ আগতে তেওঁযে তেনে এক ধ্যান-গম্ভীৰ কামত ব্ৰতী আছিল, সেই কথা প্ৰকাশ পোৱা নাছিল। তেতিয়া তেওঁ মন্ত্ৰী। মন্ত্ৰীয়েতো আৰু কিতাপ লেখাৰ নিচিনা লেতেৰা সৰু কাম নকৰে! কিন্তু এইজন মন্ত্ৰীৰ নক্সা একেবাৰে দোছোৰা। তেওঁ কোনো পাতল কথা, পাতল কামত নাই। তেওঁৰ প্ৰতি কথা, প্ৰতি কামেই ছিৰিয়াছ। এই ছিৰিয়াছটোও আকৌ আন মন্ত্ৰীৰ ছিৰিয়াছ্‌নেছৰ লেখীয়া নহয়। তেওঁ ইন্ট্ৰোভার্ট। তেওঁৰ দৃষ্টি অন্তৰ্মুখী, ধ্যানপৰায়ণ। চাৰিওফালৰ জগতৰ কোলাহলৰপৰা তেওঁ বিচ্ছিন্ন। আনসকল যদি থাকে ভৈয়ামৰ গেৰেকনিত, তেওঁ ৰবাৰ্ট ব্ৰাউনিঙৰ বৈয়াকৰণজনৰ দৰে থাকে পৰ্বতৰ শিখৰত। সেই উচ্চতৰ নিৰ্মাণেই হ'ল এই আৰ্লি হিস্টৰি অব্ কামৰূপ। তেতিয়া পদ্মনাথ ভট্টাচাৰ্যৰ কামৰূপ-শাসনাৱলীও ওলোৱা নাই। তাত সন্নিবিষ্ট শাসনবোৰত ভট্টাচাৰ্য দীক্ষিত হৰ্ন্‌লি আদিৰ প্ৰবন্ধৰ লগত অ'ত ত'ত সিঁচৰতি হৈ আছিল। তাৰ লগত হৰ্ষচৰিত, ৰাজতৰঙ্গিণী আৰু আধুনিক গৱেষণা-প্ৰবন্ধৰপৰা সমল লৈ অকলে আপোনমনে বহি নিৰলাত এই আধুনিক গৱেষণা-গ্ৰন্থখন প্ৰণয়ন কৰিলে, যেন তেওঁৰ মন্ত্ৰ—যদি তোৰ ডাক শুনে কেউ না আসে, তবে একলা চলো ৰে। এই নিৰ্জনতাৰপৰা মহাকাশলৈ নিক্ষেপ কৰা পুথিখনে কলিকতা-পুণাৰ প্ৰাচ্যতত্ত্ববিদ পণ্ডিতসকলৰ মাজত আলোড়নৰ সৃষ্টি কৰিলে। পশ্চিম ভাৰতৰ দুজন পণ্ডিতৰ এজন ডক্টৰ সালেতোৰেই ক'লে, এই সমীকাশীল প্ৰাচীন কামৰূপৰ ইতিহাসখন হ'ল এ ডিস্টিংক্ট কন্ট্ৰিবিউচন টু দ হিস্টৰি অব্ এনচাণ্ট্ ইণ্ডিয়া। আনজন ডক্টৰ ডি আৰ. ভাণ্ডাৰকাৰে বুলিলে, কনকলাল আনন্দৰাম বৰুৱাৰ পিছত অসমৰ প্ৰথম চৰকাৰী প্ৰাধিকাৰ যি পাণ্ডিত্যৰ ক্ষেত্ৰত নিজৰ স্বাক্ষৰ ৰাখিবলৈ আগ বাঢ়ি আহিছে। কলিকতাৰ পণ্ডিতৰ মাজতো পুথিখনৰ যথেষ্ট আদৰ হ'ল। কিন্তু পাৰিলে এটা খোঁচ মৰাৰ অভ্যাসটোও নেৰিলে।

যেনেকৈ, অধ্যাপক প্ৰবোধচন্দ্ৰ সেনে পুথিখন ভাৰত বুৰঞ্জীৰ অন্তৰঙ্গ এটি বিশিষ্ট দান বুলি কৈও ক'লে যে সমস্ত পুথিখনৰ দীঘে-বানিয়ে এক শভিনিজ্‌ম্‌, সংকীৰ্ণ জাতীয়তাবাদৰ সুৰ বাজিব লাগিছে। এই মন্তব্যটোত ক্ষুণ্ণ হৈ কনকলাল বৰুৱা গৰ্‌গৰাই উঠিছিল: নিজৰ অতীত গৌৰৱত উৎফুল্ল হ'বলৈ অসমৰ মানুহৰ সম্পূৰ্ণ নীতিপূৰ্ণ অধিকাৰ আছে, তাতে যদি আন কোনোবাই ভাগ নলয়, সেয়া'তো আৰু অসমীয়াবোৰৰ জগৰ নহয়। ভাৰতীয় ৰাজনীতিত আগ শাৰী লোৱা সম্ৰাট ভাস্কৰবৰ্মাই গৌড়াধিপতি শশাঙ্কৰ বুকুত ছত্ৰভংগ দিয়াইছিল আৰু কৰ্ণসুবৰ্ণৰ জয়স্কন্ধাবাৰৰপৰা বিহাৰৰ কোশী নৈৰ পাৰত বামুণক মাটি দান কৰা শাসন ঘোষণা কৰিছিল। ইয়াত কামৰূপৰ গৌৰৱ, বংগৰ অগৌৰৱ। সেই কথাত আমাৰ বংশিঙা, সিসকলৰ খংশিঙা। কথাৰ আঁহ সিমানেই। কামৰূপৰ ইতিহাসৰ লগত তেওঁ জড়িত, লিপ্ত—সেই ইন্‌ভল্‌ভমেণ্টটোৱো আৰু অস্বীকাৰ কৰি লাভ নাই।

আৰ্লি হিস্টৰি অৱ্‌ কামৰূপৰ বিষয়ে আৰু কথা নবঢ়লাওঁ। সেইখন পুথিৰ দুটাকৈ তাঙৰণ আপোনালোকৰ হাতত আছেই। মাঠি-মুঠি ক'লে এয়ে হয় যে এই হিস্টৰিয়ে ভাৰতৰ প্ৰাচীন ইতিহাসত আমাৰ স্থান নিৰ্ণয় কৰিলে, আৰু আমিবোৰে সেই কথা শুঙিলেও বা সেইটিৰ গম নল'লেও কনকলালে আমাক জগত-সভাত মহা গৌৰৱৰ ভাগী কৰি থৈ গ'ল। তেওঁ নিজেও ডংকেশৰপৰাই ভাৰতীয় পণ্ডিত-সমাজৰ এজন বুলি পৰিগণিত আৰু সমাদৃত হ'ল। অৱশ্যে তেওঁৰ ভূমিকা হ'ল যোদ্ধাৰ ভূমিকা এতিয়াও, কাৰণ আমাৰ দেশৰ প্ৰাচীন ইতিহাসৰ জ্ঞান আমাৰ কোনো কালেই সম্পূৰ্ণ নহ'ব আৰু যুঁজতো লাগেই, কাৰণ জ্ঞানং তৰ্কমূলম্‌। এ ৰিজইণ্ডাৰ্‌—এটা প্ৰতিবাদ, এনাদাৰ্‌ ৰিজইণ্ডাৰ্‌—আৰু এটা প্ৰতিবাদ,—এইবোৰ তেওঁৰ প্ৰবন্ধৰ নাম, যেন বাৰে বাৰে ঠেং-অভিযান পাতিছে বান্ধৱৰ হাতৰ কল আমি সকলোৱাই খ'ব লাগে ॥ সেই কথা আজিৰ দিনতো সত্য নহয় জানো?

আচলতে হিস্টৰিখন ওলোৱাৰ পিছতেই বৰুৱাই নিজৰ চৰম গুৰুত্বপূৰ্ণ ভূমিকাৰ বিষয়ে অৱধান লাভ কৰিলে, নিজৰ কঁকালৰ বলফেৰাও বুজি উঠিল তেতিয়াৰপৰাহে। কিন্তু আনন্দৰামৰ দৰে অল্পায়ু নহৈ দীৰ্ঘায়ু হ'বলৈ যদিও ডক্টৰ ভাণ্ডাৰকাৰৰ দৰে মৰাঠী বামুণে আশীৰ্বাদ কৰিছিল, তেওঁৰ আয়ুসত এতিয়া টানি-মানি সাত বছৰলৈকে চাউল নাছিল। কিন্তু এই বছৰকেইটাৰ প্ৰতিটো দণ্ড-পলকে কনকলালে হালত জুৰিছিল। পেঞ্চনাৰ হোৱা, মন্ত্ৰী হোৱা, এইবোৰ ঋণাত্মক কথা। ধনাত্মক হ'ল কনকলাল কামৰূপৰ গৌৰৱময় ইতিহাসৰ সাক্ষী হোৱাটো। তাৰ বাবে তেওঁ কামৰূপ অনুসন্ধান সমিতিক ঠাট-কটক বা কেণ্টনমেণ্ট কৰি ল'লে। তাৰপৰা মাজে মাজে সামান্য একোটি সৈন্যদল লৈ তেওঁ ইণ্ডিয়ান হিস্টৰি কংগ্ৰেছ, সৰ্বভাৰতীয় প্ৰাচ্যবিদ্যা সম্মিলন আদিত দেখা দি ভাৰতীয় সংস্কৃতিৰ মেপখনত অসমৰ অস্তিত্ব ঘোষণা কৰি আহে। সেই ক্ষেত্ৰত আত্মপ্ৰতিষ্ঠাৰ বাবে দুটি বস্তু অপৰিহাৰ্য, এই কথা তেওঁ মৰ্মে মৰ্মে উপলব্ধি কৰে—লাগে এখন গৱেষণা-পত্ৰিকা, লাগে এক সংগ্ৰহালয়। গা-খাটনি, ধন-খাটনি, মন-খাটনি দি তেওঁ জাৰ্নেল অৱ দ আসাম ৰিছাৰ্চ্ ছোচাইটি চলালে তেওঁৰ জীৱনৰ বাকীছোৱা কাল এহতীয়াকৈ। তেওঁ অনুসন্ধান সমিতিৰ সভাপতি, তেওঁ পত্ৰিকাৰ সম্পাদক। শপত খাই ক'বলৈ হ'লে, এতিয়া তেৱেঁই সমিতি, তেৱেঁই পত্ৰিকা। সেই দুটাই তেওঁৰ যুগল জীৱন। একাগ্ৰতাৰ এই চৰম নিদৰ্শনেই হ'ল আমালৈ কনকলালৰ জন্মৰ শতবৰ্ষ-পূৰ্তিৰ মহাবাণী।

আৰ্লি হিস্টৰি অৱ্ কামৰূপৰ বহুত তথ্য কনকলালে নিজেই অতিক্ৰম কৰিছে, খণ্ডন কৰিছে। তেওঁ ক'বৰ দৰে, ছাৰ যদুনাথে ক'বৰ লেখীয়াকৈ, কন্টিনুৱেল ছুপাৰ্ছেচন ইজ দ ল অৱ্ ৰিছাৰ্চ, অখণ্ড খণ্ডনেই হ'ল বৈজ্ঞানিক গৱেষণাৰ বিধি। হিস্টৰি অৱ্ কামৰূপৰ পিছত নিজৰ প্ৰবন্ধবোৰত আগৰ নিজৰ মত খুন্দিয়াই পেলাই নতুন তত্ব থিৰ কৰিছে। তাৰো হয়তো বহুতোখিনি নতুন

আৱিষ্কাৰৰ ফল-স্বৰূপে আমি আজি এৰি পেলাইছো। সেইটো কনকলালৰ অগৌৰৱ নহয়, বৰং তেওঁৰ জীৱন-সাধনাৰ গৌৰৱহে। এটা সৰু উদাহৰণকে লওক। বৰুৱাই ধৰি লৈছিল, ভাস্কৰবৰ্মাৰ ককায়েক সুপ্ৰতিষ্ঠিতবৰ্মা তেওঁৰ পিতৃ স্থিতবৰ্মাৰ জীৱিতকালতে মৰে, গতিকে সেই কোঁৱৰজন আৰু ৰজা হ'বলৈ নাপালে। কিন্তু কামৰূপৰ ডুবি গাঁৱত ভাস্কৰবৰ্মাৰ দ্বিতীয় এখন শাসন আৱিষ্কাৰ হোৱাত সেই থিঅৰিৰ আপোনা-আপুনি খণ্ডন ঘটিছে। কনকলাল বৰুৱাই অসমৰ লোক-সমষ্টি-গঠনৰ ক্ষেত্ৰত ডক্টৰ হাটন আৰু আন এজন বিশ্ব-বিশ্ৰুত পণ্ডিত ডক্টৰ বিৰজাশঙ্কৰ গুহৰ (এওঁ আমাৰ পাণবজাৰৰ গুহ লজৰ মানুহ, হেমচন্দ্ৰ বৰুৱাৰ আসাম নিউচৰ সহকাৰী অভয়াশঙ্কৰ গুহৰ পুত্ৰ। তেওঁৰ মাক এই ডিচেম্বৰ মাহত ১০২ বছৰ বয়সত ঢুকাইছে।) মতকে প্ৰায় সম্পূৰ্ণভাৱে গ্ৰহণ কৰিছে। কিন্তু বৰুৱাৰ মৃত্যুৰ দহ বছৰ পাৰ হওঁতে নৌ-হওঁতেই ডক্টৰ শশাঙ্কশেখৰ সৰকাৰ আদি নৃতত্ত্ববিদে হাটন-গুহৰ মত ওফোৰাই পেলাইছে। তাৰ লগে লগে কনকলালৰ লেখাৰ মূল্যও আংশিকভাৱে ঐতিহাসিক মাত্ৰ হৈ পৰিছে। বৰুৱাৰ জীৱনৰ প্ৰায় শেহৰ বছৰত বৰগঙ্গাৰ শিলাফলিৰ আৱিষ্কাৰ হৈছিল। তেওঁ মাথোন জানি গ'ল, তাত মহাৰাজাধিৰাজ ভূতিবৰ্মা আৰু ইদম আশ্ৰমং কথা দুটা আছে। তেওঁৰ মৃত্যুৰ পিছত ঢাকা মিউজিয়ামৰ নলিনীকান্ত ভট্টশালীয়ে ফলিখনৰ সম্পূৰ্ণ পাঠ উদ্ধাৰ কৰি ক'লে, তাত তাৰিখ খোদিত আছে গুপ্তাব্দ ২৩৪ (৫৫৩-৫৪ চন)। ভট্টশালীৰ মৃত্যুৰ পিছত ডক্টৰ দীনেশচন্দ্ৰ সৰকাৰে এতিয়া কয়, ফলিখনত এনে কোনো অঙ্ক নাই। ক'ত মৰা, মৰা এতিয়া!! কিন্তু এয়ে গৱেষণাৰ প্ৰগতিবাদ। তাৰ পৰত আন্তৰিকভাৱে যিজনে নিতান্ত ভুল থিঅৰি এটাও থিয় কৰিব পাৰে, তেৱোঁ সকলোৰে মান্য পণ্ডিত। নহ'লেতো আৰু মানৱ-জ্ঞানৰ পৰিসৰে বৃদ্ধি নহয়। সকলো গৱেষকৰ বাবেই চূড়ান্ত জ্ঞান ধ্যানৰ বস্তু। সেই বুলি, এফোটা বিকৃত লাস্ট ওৱৰ্ড, শেষ কথা মই কৈ গলোঁ

বুলি প্ৰকৃত গৱেষকে নকয়, তেওঁ চাই থাকে মাথোন, তেওঁৰ মত কোনে খণ্ডন কৰে। তেওঁ এটা চেলেঞ্জ্। তেওঁ সৰস্বতীৰ শিলা-মূৰ্তি নহয়। কনকলাল বৰুৱাৰ স্মৃতিয়ে আমাক জ্ঞানৰ পথত আগ বাঢ়ি যাবলৈ আহ্বান জনাইছে, নতুন হাবি ভাঙিবলৈ খিজিয়াইছে, অমুকে কৈছে, তমুকে কৈছে, ভচুকে নকৈছে বুলি হুম্-সৰ্-জাস্তা ভেমত গণ্ডাপটাপ হ'বলৈ শিকোৱা নাই। চৰন্ চৰৈবেতি—এয় এইজনা ৰাজৰ্ষিৰো বাণী।

লাভ্ অব্ ডিটেইলচ্, একোটা বিষয়ৰ সকলো সৰু-সুৰা অঙ্গৰ প্ৰতি প্ৰীতিপূৰ্ণ দৃষ্টি সকলো গৱেষকৰ এটি ডাঙৰ গুণ। এই গুণ কনকলালৰ লেখাৰ মাজত ব্যক্ত হৈ পৰিছে। তেওঁৰ বাস্তৱ জীৱনতো এই কুত্ৰত নিহিত দৃষ্টি আৰু প্ৰীতি আছিল। মই জনা এটি কথা কওঁ। ১৯৩৭ৰ ডিচেম্বৰত যেতিয়া গুৱাহাটীত পণ্ডিতাগ্ৰগণ্য শ্ৰীকৃষ্ণকান্ত সন্দিকৈৰ সভাপতিত্বত অসম সাহিত্য সন্মিলন বহে, তেতিয়া বৰুৱা ডাঙৰীয়া ৰোগ-শয্যাত। মোৰ ককাইদেউ ডিম্বেশ্বৰ নেওগ আৰু আন কেইগৰাকীমান সাহিত্যিকেৰে তেওঁক চাবলৈ গৈছো। সেই এবাৰেই মোৰ বৰুৱাদেৱৰ লগ পোৱা। ডক্টৰ নীহাৰৰঞ্জন ৰায়ে গুৱাহাটীৰ প্ৰবাসী বঙালী ছাত্ৰ-সভাত দিয়া এটা বক্তৃতাৰ মই কৰা অনুবাদ দুদিনমান আগতে আৱাহনত প্ৰকাশ হৈ গৈছে। বৰুৱাদেৱে ল'ৰা-মানুহ মোক ক'লে, ৰায়ৰ দুই-এটা সৰু-সুৰা কথা নিতান্তই ভ্ৰান্ত। পিছদিনা দেখিলো, বুৰঞ্জী শাখাৰ অভিভাষণত সেই কথাকেইটাৰ প্ৰতিবাদ তেওঁ সন্নিবিষ্ট কৰিছে। অসম বুৰঞ্জীৰ এনে কথা সৰু হ'লেও তেওঁৰ দৃষ্টি আৰু মন্তব্যৰপৰা কেতিয়াও সাৰি যাব নোৱাৰিছিল। বুৰঞ্জী অধিবেশনত বৰুৱাদেৱ উপস্থিত থাকিব নোৱাৰিলে। অভিভাষণখনি পাঠ কৰিলে তেওঁৰ ভ্ৰাতৃ মহেন্দ্ৰলাল বৰুৱাৰ জোঁৱাই আৰু মোৰ মোমাই থানেশ্বৰ হাজৰিকাই। জানিব পাৰিলো, মোমাই-দেউক তেওঁ সমুখত থিয় কৰাই লৈ অভিভাষণ-পাঠৰ ৰিহাৰ্চেল কৰাইছিল। মোমাইদেৱে সভালৈ যাওঁতে পুৰুষহঁতো আৰু অসমীয়া

পাটৰ পঞ্জাবী কামিজ আৰু চেলেং পিন্ধি গৈছিল। সেয়াও সম্ভৱতঃ বৰুৱাদেৱৰ নির্দেশমতেই ঠিক কৰা হৈছিল। ড্ৰেছ ৰিহাৰ্চেল হৈছিল-নেকি, সেইটোহে থাটাং কৰি ক'ব নোৱাৰিলো। এই কথাকেইটা উল্লেখ কৰিলো কনকলালৰ লাভ্ অব্ ডিটেইল্ছৰ প্ৰসঙ্গত।

মালৱৰ পৰমাৰ ৰজা বাকপতিৰাজৰ কলিত থকা সাৰথিকা-দেশ, কুলাঞ্চা আৰু উত্তৰকূলদেশ কামৰূপৰ শাসনবোৰত পোৱা শ্ৰাৱস্তী ক্ৰোড়ঞ্চ আৰু উত্তৰকূল হয়নে নহয়, অসমৰ কলিতাবোৰ আলপাইন্ জাতিৰ হয়নে নহয়, নৰক ভগদত্ত কর্ণ বীৰ আল্পাইন্ হয়নে নহয়, ইৰানৰ আল্পাইনৰ অৱশিষ্ট পার্চীসকলৰ লগত সম্পর্ক থকা কোনো জন-গোষ্ঠীয়ে অসমত আর্য ভাষাৰ গুটিটো পচাইছিলনেকি, যা আলপাইন কলিতাবোৰেই অসমীয়া ভাষাৰ প্ৰথম শব্দকেইটা উচ্চাৰণ কৰিছিলনেকি, আৰু তাৰ ফলতে গ্ৰিয়াৰ্চন চাহাবৰ অন্তর্বৃত্ত বহির্বৃত্ত থিঅৰিৰ উদ্ভৱ হ'লনেকি, জগদ্গুৰু শঙ্কৰাচার্যৰ গুৰু কুমাৰিল ভট্ট অসমীয়ানেকি, ফেৰিস্তাৰ লেখামতে ঘোৰাঘাট পর্বতত আক্ৰচিয়াৰৰ কেই অক্ষৌহিণীৰ সৈন্যবলক ঘটুওৱা সহলাদিৰ বেজবৰুৱাই ক'বৰ দৰে আমাৰ দেশৰ ৰজানেকি, আৰু কিমান কি প্ৰশ্নৰ উপৰি জাউৰি জাউৰি প্ৰশ্নই কনকলালক গুৰলৈ দিয়া নাছিল, অতন্দ্ৰ অধ্যয়নত ৰত ৰাখিছিল। তাৰ সন্ধান আপোনালোকক দিবৰ মানসে অসম সাহিত্য সভাৰ কনকলাল বৰুৱা জন্মশতবার্ষিকী উৎসৱ সমিতিৰ হৈ মই তেওঁৰ ইংৰাজীত লেখা গৱেষণাৰ প্ৰবন্ধবোৰ একেলগ কৰি ষ্টাডিজ্ ইন্ দ আর্লি হিস্টৰি অব্ আসাম নাম দি সম্পাদনা কৰিছোঁ আৰু মোৰ ছাত্ৰ শ্ৰীমান নন্দ তালুকদাৰে কনকলালৰ অসমীয়া লেখাখিনিৰ যি পালে কনকলাল বৰুৱা ৰচনাৱলী শীর্ষকে সম্পাদনা কৰিছে। গৱেষণা-পণ্ডিত কনকলালক লৈ এই গৱেষণা মাজে মাজে দুৰূহ হৈ উঠিছিল—যেতিয়া এটা শব্দৰ কাৰণে হর্ষ-চৰিত, মুদ্ৰাৰাক্ষস, এটা উক্তিৰ বাবে আর্য্য-মঞ্জু-শ্ৰী-মূলকল্প আৰু এপিগ্ৰাফিয়া ইণ্ডিকাৰ পাত লুটিয়াব লাগে বা ৰাজশেখৰৰ কাব্য-

মীমাংসাৰ এটা বাক্য মিলাবৰ বাবে আলিপুৰৰ ৰাষ্ট্ৰীয় গ্ৰন্থাগাৰলৈ লৰিব লগীয়া হয়। অৰ্থশাস্ত্ৰ আদিৰ পাত লুটিয়াব নোৱৰা কাৰণে হয়তো আমাৰ সম্পাদনাৰে অক্ষমতা বৈ যায়। তাৰ বাবে কিন্তু সম্পাদকহে জগৰীয়া হৈ থাকিম, কনকলাল বৰুৱাৰ গৌৰব যেন ম্লান নহয়। কিন্তু আমি ভাবোঁ, দ্য বেস্ট্ স্টাডি অব্ কনকলাল বৰুৱা ইজ্ কনকলাল বৰুৱা। তেওঁৰ অধ্যয়ন তেওঁ নিজে। গতিকে এই গ্ৰন্থ দুখনকে দি, তেওঁৰ বস্তুকে তেওঁক দি, শতাব্দীৰ অৰ্ঘ্য আগ বঢ়োৱা হৈছে। ইয়াৰ ভিতৰত দিয়া-থোৱা সৰ্বখিনি ছিদ্ৰক নিশ্ছিদ্ৰ কৰি আপোনাসাৰে গ্ৰহণীয় কৰিব লাগে। এই গ্ৰন্থ দুখনি অধ্যয়ন কৰাৰ পিছত আপোনালোকৰ মনত আমাৰ মনৰ ভাবটি উদয় হয়নে চাবচোন,—জোনাকীৰ পথ-প্ৰদৰ্শক সাহিত্যিক কনক-লালতকৈ পৈণত বয়সৰ প্ৰাচীন ভাৰতৰ ইতিহাসৰ গৱেষণা-পণ্ডিত এই ৰাজৰ্ষি কনকলাল বৰুৱাজন বহুত ওখত, যদিও প্ৰথমজনৰ কাৰ্যইহে আমাক দ্বিতীয়জনৰ কীৰ্তি গ্ৰহণ কৰিবৰ কাৰণে তৈয়াৰ কৰিলে।

আজি এই ৰাজৰ্ষিজনাৰ পুণ্যজন্মৰ শতবৰ্ষ-পূৰ্তিত আমি গৌৰব-উৎফুল্ল হৃদয়েৰে আনন্দ-মুখৰ উৎসৱ পাতিছো। আমাৰ এই গৌৰৱ এই আনন্দ এই উছৱত সৰ্বপ্ৰকাৰে যোগ দি সেইখিনিক শতগুণে বৰ্ধিত কৰিবলৈ আগ বাঢ়ি আহিছে বৰুৱাদেৱৰ আশী বছৰৰ কাষ চপা পত্নী, বৰুৱাদেৱৰ পুত্ৰ, পুত্ৰী, পৌত্ৰ, পৌত্ৰী, জোঁৱাইসকলে। আমাৰ আহ্বানত জোঁৱাই, পুত্ৰ, পৌত্ৰ প্ৰমুখ্যে বৰুৱাবংশই গ্ৰন্থ দুখনি প্ৰকাশৰ ভাৰ অতি ৰংমনে গ্ৰহণ কৰিছে আৰু অসম সাহিত্য সভাক প্ৰকাশৰ স্বত্বটিও দান কৰিছে। এই কাৰ্যৰ দ্বাৰা সভাৰ লগত সিসকল এটি পৰিয়ালৰ দৰে হৈ পৰি আমাৰ এই শবছৰীয়া শ্ৰাদ্ধকাৰ্যক পৰিমাৰ্জিত কৰি তুলিছে। তাৰ বাবে সিসকলৰ ওচৰত আমি গৌৰৱেৰে কৃতজ্ঞ।

গতপ্ৰায় দশকটোত আমি একে একে জোনাকী যুগৰ ভাৱৰেই

ৰোলক কিম্বা হিমকৰেই ৰোলক, আমাৰ পূৰ্বসূৰীসকলৰ কীৰ্ত্তি কীৰ্ত্তন কৰিছোঁ। জোনাকীৰ সম্পাদক, অ ভা উ সা সভাৰ যুটীয়া সম্পাদক কনকলাল বৰুৱা সেই পূৰ্বজসকলৰ এজন। কিন্তু তেওঁৰ মহত্তৰ কীৰ্তি এজন ঐতিহাসিকৰূপে। তেওঁৰ 'আৰ্লি হিস্টৰি অব্ কামৰূপ'ই ভাৰতৰ প্ৰাচীন ইতিহাসত আমাৰ স্থান নিৰ্ণয় কৰিলে আৰু অসমীয়াক জগত-সভাত বহু গৌৰৱৰ ভাগী কৰিলে। তেওঁ নিজেও ভাৰতীয় প্ৰাচ্যতত্ত্ববিদ পণ্ডিতসমাজৰ এজন বুলি পৰিগণিত আৰু সমাদৃত হ'ল। এই ৰাজৰ্ষিজনাৰ অধ্যয়নৰ একাগ্ৰতাই হ'ল তেওঁৰ জন্মৰ শতবৰ্ষ-পূৰ্তিৰ মহাবাণী।

কনকলালৰ জয় হওক!

কনক-স্তম্ভ[১]

ভাগি যায় বীণ। ছিগি যায় তাঁৰ। বৈ যায় অৱশেষ অমিয়া জোঁকাৰ। ফুলি উঠে মালতী ফুল। সৰি পৰি যায়। হেৰোৱা সৌৰভ মাথোঁ বতাহত বৈ যায়। পঞ্চ-বিকাৰযুক্ত মানুহ নামৰ জীৱটিৰ জন্ম হয়, বৃদ্ধি হয়, পৰিণতি হয়, অপক্ষয় হয়, আৰু হয় মৃত্যু। সকলো জীৱনৰে হয়। মৃত্যু কাৰণেহে যেন জীৱন। মৃত্যুৰ কাৰণেই যেন জন্ম। কিন্তু সেয়ে জানো শেষ কথা? যদি সি হয়, বীণ ভাগিলেও তাৰ জোঁকাৰ জোঁকাৰি থাকে কিয়? মালতী সৰি যোৱাৰ পিছতো তাৰ নিৰ্যাসে আমাক মতলীয়া কৰে কিয়? বীণৰ গৌৰৱ তাৰ সুৰত। মালতীৰ গৰ্ব তাৰ নিৰ্যাসত। জীৱনৰ অৰ্থ তাৰ সুৰত। তাৰ নিৰ্যাসত। নহ'লে কনকলাল বৰুৱাৰ সুন্দৰ-সুবেশ ৰূপ এমুঠি ছাইত শেষ হোৱাৰ তেত্ৰিশ বছৰ হোৱাৰ পিছতো, তেওঁৰ কণ্ঠ স্তব্ধ হৈ এই একুৰি তেৰ বছৰে নিমাত হৈ থকাৰ অন্তুতো আমি হঠাতে তেওঁৰ সেই ৰূপক এটুকুৰা পাথৰ গঢ়ি চাবলৈ যত্ন কৰিছোঁ কিয়? তেওঁ কি কৈ গ'ল, তাক লৈ আমি আকৌ নতুন এখন মেলৰ ওৰা পাতিছোঁ কিয়? তাৰপৰা এই প্ৰত্যয়েই দৃঢ় হয় যে জীৱনৰ পৰিণতিয়ে মৃত্যুত হয়, সেই পৰাজয় আমি গ্ৰহণ কৰি ল'লে জীৱনক ফাঁকি দিয়া হয় মাথোন, সেই পৰিণতি অমৰত্বত পৰ্য্যৱসিত হ'লেহে জীৱনক জীৱন বুলিব পাৰি। কীৰ্ত্তিৰ্যস্য স জীৱতি। কীৰ্ত্তিতহে জীৱন। বি জীৱন মৃণ্ময়ীয়া।

এনে এজন কীৰ্ত্তিমন্ত পুৰুষ আছিল কনকলাল বৰুৱা। যি-কেইজন কোমল-কুমলীয়া ডেকাই কলিকতাৰ কোলাহলত থাকি

---

১ কনকলাল বৰুৱাৰ আবক্ষ-মূৰ্ত্তিৰে স্মৃতি-স্তম্ভ-উন্মোচনৰ উৎসৱৰ সভাপতিৰ অভিভাষণ, ৮ জানুৱাৰী ১৯৭৪

অতি প্রয়োজন অনুভৱ কৰিছিল অসমীয়া জনতাই এতাৱৰপৰা পোহৰলৈ, মৃত্যুৰপৰা অমৃতলৈ তুলিবলৈ দুঃসাহস হ'লেও দুঃসাহসকে কৰিবই লাগিব। সেই জোনাকী-পকৰা-দুইআতনিকেইটিয়ে আমাক পোহৰ দিব বুলিছিল, দিলে। দুখনীয়া পাঁজিলেখীয়া আতুনি-কেইটাৰে আমাৰ মৃত্যুক আওচালি আমাৰ জীৱনৰ শলিতা এডালি চোতালৰ তুলসী-তলত জ্বলালে। বাহিৰৰ জগতখন হো-হো-হোকৈ আগ বাঢ়িছে, গৈয়ে আছে জীৱনৰ পূৰ্ণতাৰ কোনোবা দেৱ-দেউল আছে বুলি সেইফালে। ভই আছে মাথোন টোপনিৰ তৈয়ামত মৃত্যুৰ বাগিত অচেতন অসমীয়াকেইটা। ইয়াতকৈ লৈ উপায় নাই। দেখিও নেদেখে। শুনিও নুশুনে কাণে। পিঠি পুৰিলেও দুটিচো মাৰি ফি-শো কৰে! কি মন্ত্র আছে শোবাৰ তাও বুৰি ধৰা তন্দ্রা-মগনইতক জগোৱা? এই মহা দুশ্চিন্তাৰ মাজৰপৰা জন্ম হোৱা 'জোনাকী' এটা মন্ত্রহে। কিন্তু সেই মন্ত্র কাঁপিলে। সেই মন্ত্র মতা বেজ আৰু বেজৰকৰাসকল ঠিক আছিল বাপৰ বেটা। জেঠ-লোকৰ তেৰ হাত কটাৰ বাৰ হাত ভাঙৰ বৌ-বৰাজিও সমকি মৰ'ল, পুথি-বলিহনাও পাছে পাছে ৰ'ল। এশ শক্তিকাম অকৰাৰৰ মাজেদি সেই দেখিছে আমাৰ এশ প্ৰণাম, হেজাৰ চালাম, শতকোটি দণ্ডৱত জনাইছো, তোমালোকক হে বেজ, হে গোঁসাই, হে বীৰবৰুৱা, হে কনকলাল।

পঢ়া-শুনা কৰে দেৰে, বোৱাপাড়ী উঠে গেৰে। একাৰত নাৰীকুমাৰ কঁপৰে দেখুৱা এই প্ৰলোভনটো তাতবেই আছিল। আজিৰ সেই পাৰ কাইলেৰৰ মুখত ধৰতে প্ৰলোভনটো কাজা হৈ গৈছে। কিন্তু বি. এ. পাছ কৰি ফুকনৰ হৈ [illegible] পিছত [illegible] কৰি [illegible] লিখিনাই ধৰিব বা হৈ-পৰে। [illegible]

হ'ল। সাধাৰণ গোহৰ হাকিমৰ ইয়াতকৈ লাগিছে কি? কনকলালে কিন্তু তাহানি ছাত্ৰ-কালতে ছাত্ৰশালিত আখৰ খুঁটিওৱা কেলাতে যিটো ৰোগ তেওঁৰ মনত সোমাইছিল, সি উক দিলে। তাক ৰখকৈ হৈছো মাৰি ধৰা টান হ'ল। এই ঠাইতে বহি মহাপুৰুষসকল ব্ৰহ্ম-জিজ্ঞাসাত মগ্ন হৈছিল। কনকলালে সেই জিজ্ঞাসাৰ পম নেখেদিবইবা কিয়? কাৰণ, দেশৰ আধ্যাত্মিক উদগতিত তেওঁৰ এটা কমিটমেণ্ট আছে।

কনকলাল হাকিম হৈ চৰকাৰী চাকৰি লৈ লাকতৰ ধন ৰাটি জীৱনৰ বেলিক লাহ দিয়ালে। এইবাৰ কিন্তু তেওঁ এক উচ্চতৰ ক্ষেত্ৰলৈ উন্নীত হ'ল। মন্ত্ৰী হ'ল। মন্ত্ৰী হ'লেতো আৰু কবিৰৰ থাকিল কি? কিন্তু তেওঁৰ থাকিল। সেইযে তাহানিতে 'জোনাকী'তে দেশৰ অতীতটো উধাৰিবলৈ কথা বন্ধা হৈছিল, সেই শপথ তেওঁৰ পাহৰিবৰ নৌ। গতিকে মন্ত্ৰী হ'লেও বিলতীয়া চৰকাৰী ৰেকৰ্ড্ কমৰ চন্‌চনীয়া হোৱা পাতবোৰ লুটিওৱাৰ প্ৰলোভন হৈ উঠিল প্ৰবল। নতুন এজন কনকলালৰ জন্ম হ'ল। প্ৰথম খ্ৰীষ্টীয় সহস্ৰাব্দীৰ কামৰূপে তেওঁৰ মনত জীৱন্ত-জলন্ত ৰূপ লৈ উঠিল। দিয়ে তেওঁক দিলে অক্ষয় কীৰ্তি। সেই কীৰ্তিত মহাভূতিবৰ্মা, ভাস্কৰবৰ্মা, শালস্তম্ভ, ৰত্নপাল, ধৰ্মপাল কীৰ্তিমন্ত হৈ আমাৰ এক উজ্জ্বল ঐতিহ্যৰ কথা ক'লে আমাক। হেৰাই যোৱা আমাৰ ধনবোৰে জাগৃতিৰ ৰূপ ল'লে। আমাৰ প্ৰতি বিস্মৰণশীল ভাৰত-ইতিহাসে প্ৰাচীন কামৰূপক কোলাত তুলি ল'লে। কামৰূপৰ এই মহাকীৰ্তিৰ বাবে কোনোবাই যদি সন্মানৰ অগ্ৰভাগ পাব লাগে, সেইজন হ'ল কনকলাল বৰুৱা।

কনকলালক আমি কনক-তত্ত্বে সন্মানিত কৰিব লাগিছিল। কাৰণ, তেওঁৰ নিজৰতো পিতালেই উজ্জ্বল আৰু মূল্যবান। কিন্তু কনকলাল বৰুৱা [illegible] [illegible] [illegible], [illegible] কিয়? তথাপি আমাৰ অন্তৰত শ্ৰদ্ধা-ভক্তিৰ অৰ্ঘ্য আছে। [illegible]

পৰিয়ালৰ সহযোগত ডাক্তৰ ভূপন দাসৰ সাহায্যৰ সুবিধা লৈ আমি কনকলালৰ এই মূৰ্তিটি স্থাপন কৰিলো, কনকলালৰ কনক-আদৰ্শই আমাৰ নতুন পুৰুষৰ জীৱনৰ সীহক পোষণ কৰিব, এই ভাবনাত। আমাৰ এই নিছলা আয়োজনক ঐশ্বৰ্য দিয়াৰ বাবে আমাৰ মহামান্য ৰাজ্যপালক ধন্যবাদ।

কনকলালৰ জয় হওক!

ৰঙালীৰ ওলগ[1]

ই বোলে উককা সি বোলে উককা,
নাহৰ ফুল ফুলিবৰ বতৰ,
ৰংপুৰ নগৰত ঢোলৰ মাত শুনিলো
ঠেকেচি ভাঙি যাওঁ ঘঁৰত।

ৰংঘৰে জয়পুৰ ৰংপুৰ নগৰৰ ৰঙালী বিহুৰ ঢোল-তাল পেঁপা-গগনাৰ খলকনিয়ে এদিন কিমানৰ হিয়াত খলক লগাইছিল, কিমানৰ বাহিৰ নোহৰা চেঙেলীয়া মনকো হাতী-বন্ধা ফঁইৰে বন্ধাদি কিবা এনাজৰীৰেই টানি লৈ আহিছিল: কটাৰীৰ ডাবেও কটা গড়গাঁৱৰ দৰে সেই আজৰ ছহৰ ৰংপুৰৰ ৰংঘৰ আজি নিমাত। তাৰ সাত বিহুৰ ৰামধেনু-ৰঙীয়া ৰং-বহুইছ হৰণলুকি দিলে। ঢোলত চাপৰ মাৰি ওলোৱা জেঙাল ঢুলীয়া ডেকাইত আৰু ওচৰ চাপি চাপি অহা মেদিনী-কঁপোৱা নাচনী-গাভৰুইতৰা আহেনে নাই! তথাপি ৰংপুৰত, মানে এই শিৱসাগৰত ৰঙালীক এআৰাৰ মাতেৰে আদৰ জনাব খোজা শিৱসাগৰ যুৱদল আছে। সেইসকলে যেতিয়া মোকো বিহুলৈ আহাঁ-আ-আ বুলি ইয়াৰেপৰা দীঘলীয়া বিংটো মাৰি মাতিলে, নাহিলো বাৰু কেনেকৈ? আমাৰ পূৰ্বৰে কথা: ঢোলহে বায় যেনেকৈ, নেনাচিলো পাৰি কেনেকৈ। ভাবিছো, ৰাইজক বিহু মৈকুৰাতিৰ সেৱাটি-ওলগটি জনোৱাৰ এয়ে সুযোগ।

আপোনালোকক নক'লেও চাঁপে আপোনালোকে নিজে মন কৰিছেই, বিহুৱে বছৰে বছৰে নিজৰ বহুখিনি কলাই লৈ আছে— নিজৰ বতৰত যেনেকৈ আহে, পাছু সলায়, চাবে পাত সলায়, আৰু আমাৰ আইটীতিকেও সলায়। কিন্তু আমাৰ আৰু চাবৰ ৰং একেবাৰেই সলনি হৈ নেযায়; কাৰণেই সেই ৰঙক নিলিকি কৰি, নতুনাইকৈ আমাৰ

---

১ ৰঙালী বিহুৰ শিৱসাগৰ [illegible]

দৰে কৰি থৈ যায় মাত্ৰ। আনকালে আইটিৰ ৰং ৰহুৱে যেনেগ যেনেগ হৈ পৰিণতিৰ ফালে গৈ থাকে। বিহুৱেও সেইদৰে এক বিবৰ্তনৰ পথত খোজ লৈছে—টুকু টুকুকৈ নহয়, একেবাৰেই আধুনিক যন্ত্ৰৰ বেগত। আমাৰ নগৰৰ বিহুগুলিবোৰ চাই চাই যদি কোনোবাই বিহুৰ দেহ-ৰূপৰ কথা লেখে, তেতিয়া হ'লে কুৰুক্ষেত্ৰ সমৰৰ বীৰ-সকলৰ বীৰত্বৰ কথা আমাৰ সৌটো যুৱক-মঞ্চৰ অভিনয়ৰ ভাষাৰে লেখাৰ লেখীয়া কথা নহ'ব জানো? কিন্তু, হ'ব। আমাৰ যুৱকসকল আজি কালি ভীমহঁত অৰ্জুনহঁত ওলায় জানো? বহুতে ভাবিবৰ অৱকাশ পাইছে, নগৰত এই বিহুগুলিয়ে আমাৰ আচল জনুৱা বিহুটোৰ সমাধিহে ৰচনা কৰিবলৈ ধৰিছে। নগৰৰ বিহুগুলিয়ে বোলে ৰাতি ৰবৰণৰা পলাই গৈ ক'ৰবাত হাবি-জঙ্গলত, পথাৰৰ দূৰত পতা বিহুগুলিৰ অপব্যাখ্যা দিয়ে। আগেয়ে ডাগৰৰ চৌপনি ৰাতি মাজনিশা হুচৰিয়ে ঘৰে ঘৰে আশীৰ্বাদ বিলাই থৈ যায়। কাৰণ: গৰুবিহু দিনাখন ল'বা আশীৰ্বাদ তেহে পাবা বৈকুণ্ঠত থান। আজি-কালি গৃহস্থই বৈকুণ্ঠত থান পোৱাৰ কথা লৈ বৰ চিন্তা নকৰে: গতিকে বিহুৰ দিনাও উদং ঘৰ এৰি তথাকথিত বিহুতলীত ভাওনাই হওক বা পপ মিউজিকেই হওক, শুনিবলৈ যায়। আমাৰ ডেকা-গাভৰু, ল'ৰা-ছোৱালী উদহ-মাদহেৰে গৰু গা ধুৱাই আই-বোপাইৰ সেৱা-সৎকাৰ কৰি জা-জলপান খায়-খুৱায়, কোনোৱেবা হাঁহ-কণিৰ যুঁজ পাতে, কড়ি-পাশা খেলে। এইবোৰ বিহুৰ অবিচ্ছেদ্য অংগ। আজি-কালি হ'লে এনেবোৰৰ অনিবাৰ্য বিচ্ছেদ ঘটিছে। আজি-কালি গা-পা ধুই বা নুধুই বিহুৰ দিনাৰ পুৱা সকলো যায় বিহু-পতাকা উত্তোলন কৰিবলৈ—যেন সেয়া [illegible] চলি অহা আমাৰ খোপা-কাজল বৃত্তি। এইবোৰ সকলি পিছে আজি আৰি জঁখই শালিকনেকি। কাৰণ, আধুনিক যুৱক সমাজই হ'লে [illegible]। এই [illegible] আমাৰ [illegible] [illegible]।

ভাওৰিয়ানি দেখিছিলোঁ, শিচাংমুখৰ মিৰিসকলে দল বান্ধি আহি নগৰত বিহু গায়। কোনো ঘৰে তেওঁলোকলৈ বুলি এশ টকাৰ টুপলিও আগ বঢ়াব লাগে। গাঁৱৰ হুচৰিৰ দলেও জোৰা-নামৰ কোৰত দহটকীয়া নোট উলিয়াই লৈ যায়। এইটো বেয়া আছিলনেকি? যদি বেয়াই, তেতিয়া হ'লে আধুনিক ৰেজিমেণ্টেচনে হুচৰিক মাৰি ভালেই কৰিছে। নহয়নে?

কিন্তু হুচৰিক মাৰি বিহুক জানো জীয়াই ৰাখিব পাৰি? অথচ আমিয়েই ৰৱ ৰবাই কৰোঁ, বিহু বোলে আমাৰ জাতীয় উৎসৱ। তেতিয়া হ'লে নিজকে এবাৰ সোধকচোন, বিহু কি? বিহু কোনটো? প্ৰাণে মাৰিলে কি বধ নলাগয়, অস্ত্ৰে কাটিলেসে বধ? আজি বি বিহুৰ কাণ্ড, সেয়া হ'ল বিহুৰ কাণ দুখন কাটি তাৰে ভোৰতাল বজোৱা কাণ্ড। বিহু আমাৰ জাতীয় উৎসৱ হয়নে নহয়, সেই প্ৰশ্ন কোনোৱে তুলিছে। কিন্তু যদি হয়, সেই বিহু হ'ল বকুল বৰাধানৰ সোৱাভজা চিৰা, ৰবধৰ পথাৰৰ সেনী ম'হৰ খমা দৈ, ফুলাম গামোচা-চেলেং (পিছে তাৰো আকৌ মানুহ গৰুৰ চিন্ন থকা বিধ নহয় নেই), ম'হৰ শিঙৰ পেঁপা, আগলি বাঁহৰ পাবলি গগনা, বনকোৱা ম'হৰ শিঙৰ পেঁপা, হেজাৰটা হেৰতো নাচ'টি নিছিগা মাধৱিকাৰলৈ ঢোল, ঢোতালৰ বুকত মৰলিয়া শাক এমুঠি পেলাই থোৱা ঠাই গচকি গোৱা হুচৰি, আৰু কাৰ কম্ ত কেতিং ক্লাউত, জনসমাগমৰ মাজৰ গাই গাই গাই নাচি নাচি নাচি ড্ৰামৰ বচনা ঢিকতলীৰ বিহু। এসময়ত কমলাকান্ত ভট্টাচাৰ্য আদিয়ে এই বিহুক অসভ্য বুলি, নিলাজ বুলি, অশ্লীল বুলি সেই মাটিতে কৃমিৰ খুজিছিল। ভাগ্যে বিশেষণীয়া ৰিঙ্কা লক্ষ্মীনাথৰ আৰু সমসাময়িকৌ দেওঁজুৰি বহু বিহু-ভাৰতীয়া কুলাৰৰ কলৰ পৌঢ় কোকা আছিল। সেইবেলি জানিবা বুজাই অসভ্যতাৰ কলাত বিহুৰ উৎসৱিতা জাৰিলে আমাক জনাব। কোনোৱে আকৌ কোৱে বিহু-নাচত যৌন এফিলা ৰেখে। আমি নেদেখোঁ। ই বিহুৰ ৰঙা, উলাহৰ নাচ। আমি যদি

আমি ভাবিলোঁ, গাঁৱৰ গাঁৱলীয়া, ভোকা পানীৰে এনেকৈ ভিজোৱা দুই-মেলি খোৱাই খোৱা কাপোৰৰ সৈতে নিকা কৰি সভ্যতাৰ নেতাক তুলি দিলোঁ, আমি ভুল ভাবিছোনেকি ॥ সেয়া বিহুৰ আজিৰ পৰিণতি জানো? ভাবি চাওক। আৰু এবাৰ ভাবক। নগৰত বিহুতলি কৰক। তাত কাৰো আপত্তি হ'ব নোৱাৰে। কাৰণ, স্বৰ্গদেউ ঈশ্বৰসকলে শেন খেলাই ৰং চোৱা গৌ ৰজবটোও নগৰৰ নগৰ ৰাজধানীতে আছিল। কিন্তু সেই বিহুতলিত সাজোনপুৰুষীয়া বিহুক আনি থিয় কৰকহি, চিতাংমুখৰ নতাজনিনপৰা সিবি ডেকা-গাভৰুক শৰাই দি মাতি আনক, দূৰৰ বহু গাঁৱৰপৰা হৰি-কীৰ্ত্তন আৰু বনঘোষা গাব জনা হুচৰিৰ দলৰ প্ৰতিযোগিতা পাতক; পাৰিলে শেনচোৱা গাঁৱৰ শেনচোৱাসকলকো মাতক শেন-খেলাৰ বতৰ কথা ক'বলৈ, যদি পাৰে ক'ব, মজামিৰীয়া [illegible] পাতৰ ক'ৰবাত-কেনিবা চুক এটা আছে যদি, তাৰপৰা ধান আনি ঢিকা কৰি পিঠা কৰি ক'ত কৈ ক'ত শুব বিচাৰি খাইকক পোহৰ। দুখিয়াই দুখিয়াই মাজত সংস্কৃতি দি ডাঙোন এবোপৰিবে দিয়ক। তেতিয়াহে দেখিব, বিহুৰ স্পিৰিট, কালিকাটো মূৰ্ত হৈ আজীয় উন্নৰ বোল লভিব। নহ'লে আজিৰ আমাৰ ডেকেৰাপৰা বিহুতলি দেখি বাহিৰৰ লোকক কি কয়, আপোনালোকে খবৰ ৰাখিছে জানো? আহাৰিতে এবাৰ শ্ৰীশ্ৰীআউনীআটিৰ প্ৰভু ঈশ্বৰে ডাঙোৰ "উন্নত" কৰি-আধুনিক ডাবাবে আধুনিক সুৰেৰে আধুনিক নাচেৰে বাট কৰা দেখি এইদৰে কৰি শান্তিনিকেতনৰপৰা সেই পদ দশকৰ চাৰলৈ আহি সেয়া এজন কলাকাৰে কৈছিল, "এই জানো আপোনালোকৰ পৰম্পৰাত আমাৰ [illegible] আমাৰ অনুকৰণ কেতিয়াও কৰা নাছিল। আমি কি দেখিলোঁ, সেয়া জানো সেই ধৰণৰ [illegible] কলাৰ এটিৰূপ?" এইবুলি [illegible]

দেখুৱাওক। মই পুৰণিক খামুচি ধৰা নিকপ্‌কপীয়া নহয়, দেখিছেইতো মোৰ ভাষা সান-মিহলি সনা-পিঠা হৈছে কেনেকুৱা। বিহুও নিকপ্‌কপীয়া নহয়, আমাৰ জনসংস্কৃতিও সংৰক্ষণশীল নহয়— সকলো কালৰপৰা বাও-বতাহ আহি তাৰ গাত লাগিছে। তথাপি সি বিজতৰীয়া হোৱা নাই, কাৰণ নিজৰ খুটিটো সি এৰা নাই।

তিনি বছৰৰ আগতে পূব ইউৰোপ চাবলৈ পঠিয়াইছিল ভাৰত চৰকাৰে, তাত দেখা পালো হাংগেৰিয়ান আৰু ৰোমানিয়ানসকলে তেওঁলোকৰ পুৰণি নৃত্য আৰু সংগীতক তাৰ প্ৰাচীন গৌৰৱে সৈতে উদ্ধাৰ কৰিবৰ কাৰণে বৈজ্ঞানিক পদ্ধতিত বৃহৎ প্ৰচেষ্টা কৰিছে। হাংগেৰিৰ বিজ্ঞান সভাৰ শাখা লোক-সংগীত বিভাগে আৰু ৰোমানিয়াৰ নৃতত্ত্ব আৰু লোককথা সভাই এই কাম অতি বহলকৈ ধৰি যোৱা কুৰি বছৰে বহুতোখিনি কৰি উলিয়াইছেই। তাৰ ফলত পুৰণি গীত-নাচৰ আজি অভূতপূৰ্ব সমাদৰ হৈছে। এটি সংগ্ৰহালয় দেখিলো য'ত প্ৰাচীন ৰোমানিয়া অৰ্থাৎ ভেচিয়াৰ বিভিন্ন গাঁও অঞ্চলৰপৰা চাৰি হেজাৰ বিধমান সাজ-পোছাক গোটাই থোৱা হৈছে। আধুনিক জগতে পুৰণি সমাজ, পুৰণি সংস্কৃতি আৰু পুৰণি গীত-মাতক এই ভাবেহে, এই বৈজ্ঞানিক পদ্ধতিৰেহে সন্মান দেখুৱাব পাৰে। অন্য উপায়ে প্ৰাচীন সংস্কৃতিৰ সংৰক্ষণো সম্ভৱ নহয়। যদি এই সংৰক্ষণ-পদ্ধতি গ্ৰহণ নকৰোঁ, জাতীয় সম্পদ লৈ কৰা গৌৰৱ তিতৰ-কোপোলা তেজত পৰিণত হ'ব।

কিন্তু বিহুনো আমাৰ জাতীয় উৎসৱ হ'ল কেনেকৈ? ইয়াৰ ভৰি-পহেইবা ক'ত? এইটো কথা ঠিক যে বিহু হ'ল বসন্ত-উৎসৱ, বিহু যৌৱনৰ উৎসৱ। হোলি বা ফাকুৱাও এনে বসন্ত উৎসৱ আৰু তাৰ উৎসৱে আদিম সমাজত, সেই কথা স্পষ্ট। মধ্য ভাৰতৰ আদিবাসী সমাজসমূহৰ এই হোলি জনাই বিশেষকৈ বৈষ্ণৱ সমাজত সৰ্বত্ৰ পূজিত হৈছে। বিহুও সেইদৰে কোনোবা আদিম সমাজৰ দান নেকি? [illegible]

ভিৰোতাসকলৰ লব মাৰি ভিতৰ সোমায়। আমাৰো বহুতোবোৰ গীত আছে, যিবোৰ মুকলিমূৰীয়াভাৱে অশ্লীল। সেইবোৰেই আচল বনৰীয়া নাম, বনঘোষা, সিহঁত বিহুতলীলৈও নাহে, হুচৰি গোৱাঁতলৈও নাহে; সিহঁত হাবিয়ে-বনে ঘূৰি ফুৰা বন-মানুহৰ দৰে আতে-পাতে বনৰীয়া। কিন্তু এনে বনৰীয়া নামৰ সংগ্ৰহ আজিও হোৱা নাই। বৈজ্ঞানিক অধ্যয়নৰ কালৰপৰা সেই কাম অতি বাঞ্ছনীয়। আন আন ঠাইত তেনে গীত সংগৃহীত হৈছে আৰু তাৰ গভীৰ ব্যাখ্যাও হৈছে। তাহানি বিষ্ণুপ্ৰসাদ ৰাভাৰ হাতত ডিমাছা কছাৰীসকলৰ তেনে বনৰীয়া নাম দুই-এপদ দেখিছিলো। সেয়াও আমাৰ হেৰাই গ'ল। নকুলচন্দ্ৰ ভূঞাৰ 'বহাগী' বা ডিম্বেশ্বৰ নেওগৰ 'আকুল পথিক' বৈজ্ঞানিক পদ্ধতিৰ কালৰপৰা বাঞ্ছনীয় ৰূপৰ সংগ্ৰহণ হোৱা নাই। কাৰণ, জানো, দুইখনতে মূলৰ অনেক অশ্লীল শব্দ গুচাই গীতবোৰক 'সভ্য' কৰি তোলা হৈছে আৰু ভাষাৰ কথিত ৰূপৰ ঠাইত সাধু-ভাষাৰ ৰূপ দিয়া হৈছে। কোনে ক'ব পাৰে, বনৰীয়া গীতৰ আদিম ৰূপতে বিহুৰ উৎপত্তিৰ কথা লুকাই থকা নাই?

পৃথিৱীৰ আদিম সংস্কৃতিৰ অধ্যয়নৰ বিষয়ত ফ্ৰেজাৰৰ 'গোল্ডেন বাউ' প্ৰায় শেষ কথা। ব্ৰনিস্লা মালিনৱস্কিৰ The Sexual Life of Savages in North-Western Melanesia (১৯৩২) আৰু এমেৰিকান মিউজিয়াম অৱ্ নেচাৰেল হিষ্টৰিৰ মাৰ্গাৰেট মিডৰ Male and Female (১৯৫৮) পঢ়িলেও আদিম জাতীয় জীৱনত বিহুৰ সমান্তৰাল ব্যুৎপত্তি যেন বিচাৰি পাওঁ। ফ্ৰেজাৰে ভাৰতৰ আৰু অন্যান্য দুই এটা বসন্ত-উৎসৱৰ কথা বিচাৰ কৰি কৈছে যে they are, or were, in their origin, magic rites intended to ensure the revival of nature in spring. কিন্তু এই ব্যাখ্যাৰে বিহুৰ সম্পূৰ্ণ ব্যাখ্যা কৰি আমি পাব নোৱাৰো। [illegible] এই ব্যাখ্যাৰ [illegible] হৈছে। [illegible]

অবৰ্ত্তমান। মাৰ্গাৰেট মিডে যৌনতাক এটা সাংস্কৃতিক শক্তিৰূপে নিৰ্দ্দেশ কৰিছে। প্ৰেম মোহনি, প্ৰেম আহুদি। প্ৰেমস্বৰূপৰ ধৰ্মৰ প্ৰথম মন্ত্ৰৰ জন্ম হৈছিল। এইটো অৱশ্যে ঠিক যে কৃষিজীৱী অসমীয়া সমাজত বিহুটো এটা গৰুৰ উৎসৱ। গৰু নহ'লে কৃষি নহয়। এই গৰু অৱশ্যে হালোৱা গৰু, আজি-কালিৰ গো-মাতা পূজকসকলৰ পূজনীয়া গাই নহয়। বিহুৰ প্ৰথম দিনটো অৰ্থাৎ সংক্ৰান্তিৰ দিনটোৱেই হ'ল গৰু-বিহু। সেই দিনটো বিচুৰেলেৰে ভৰা—দৰা-কইনা নোওৱা দৰে গৰুৰ গাত মাহ-হালধি ঘঁহি নোওৱা, গৰুৰ ভৰিৰ তলে পুৰণি পঘা দলিয়াই নেওচা দিয়া, কেৰেলা বেঙেনা হালধি-থেকেৰা আদিৰ চটা আৰু দীঘলতি-মাখিয়তিৰ পাত লগা ঠাল গৰুৰ গাত মৰা, নতুন ভৰা পঘাত বন্তা বগা এঁৰা পুতা আৰু তুলসীৰ পাত লগাই গোঁসাই-ঠাইৰ আগত থৈ গধূলি হ'লে গৰুক ভাবে বন্ধা, কোমোৰা-পিঠা খুউৱা আৰু ধোঁৱা-যাগ দিয়া—এই সকলো অনুষ্ঠ-কৰ্ত্তব্য বিশেষকৈ সেইসকলৰ, যিসকলে ভাবে, যাৰ নাই গৰু, সি সৰাতোকৈ সৰু। এই বিচুৰেলৰ কোনো মন্ত্ৰ নাই, তন্ত্ৰ নাই, যন্ত্ৰ নাই। মাথোন এআষাৰ আছে—লাও খা, বেঙেনা খা, বছৰে বছৰে বাঢ়ি যা, ইত্যাদি। হিন্দু ধৰ্ম-পদ্ধতিৰ কোনো অঙ্গ নোহোৱাকৈও এইবোৰ বিচুৰেলে 'আমাৰ' মাজত আধিপত্য বিস্তাৰ কৰি আছিছে, আৰু ইয়ে বিহুৰ উৎপত্তিৰ এটা স্তৰেও, এটা ধাৰা সূচনা কৰিছে। ই গো-পূজা নহ'লেও কৃষি-প্ৰধান সংস্কৃতিত এই লোকাচাৰবোৰ বৰ তাৎপৰ্য্যপূৰ্ণ। বাকীবোৰ বিচুৰেল মানুহক লৈ হ'লেও গৰু-বিহুৰ দিনাই সেইবোৰ আনুষঙ্গিকভাৱে উদ্‌যাপিত হয়—পা-পা-দুই চিৰা-পিঠা খোৱা, সৰু-ডাঙৰ সকলোকে বিশেষকৈ গৃহস্থীয়ানী-বোৱাৰীয়ে গামোচা আদি বিহুৱান দিয়া, সকলে ডাঙৰক সেৱা কৰি আশীৰ্বাদ লোৱা, কড়ি-পঁচি খেলা, আৰু শেষত আছিল হুঁচৰি।

এইবাৰ আপোনালোকৰ মাজলৈ আহি তেজৰ ধৰ্মকহুৱা বীজৰ হলধাৰী ধকাল-দৰা বুঢ়া বিহুৱতীৰ বি জেং-বিহু আনিলো, উৰাৰ

মাজতো হয়তো বিহুৰ আচল বিচুৰেল ৰূপটো লুকাই আছে। ইয়াৰ মাজতে হয়তো বিহু-উৎসৱৰ উৎসৰ ৰূপটো লুকাই আছে। এই জেং-বিহু হেনো হয় মাজনিশা ক'ৰবাত পথাৰৰ মাজত। মন কৰিব লগীয়া কথা—কামৰূপতো এই সময়তে আয়তীসকল পথাৰলৈ গৈ সাত-শাকতি বিহু এটা পাতে। আমাৰ জেং-বিহুত জুনা গায়—'জুনাবে উপৰি জুনা হৰি হৰি, জুনাবে উপৰি জুনা।' যোৰা গায়—'হাতৰে চাপৰি বজাওঁ খৰে কৰি', 'ৰহদৈ ঐ, তোপদৈ ঐ, বিহুতলি-ভৰনী পাতক ঐ', 'আমি বিহু কৰোঁ য'ত, ডুবৰি নগজে ত'ত' (য'ত নাচনী এনেয়ে কঁকাল পৰা আলৰ, হাতত টকাটো ল'লে তাৰোল গছৰ দৰে থিয় আৰু নাচিবৰ বেলা পৰিলা, তাতনো ডুবৰি গজে কেনেকৈ বাৰু?)। তেওঁলোকৰ বিহু-নাম—'বৈ বৈ খেমালি কৰ', 'দেউতা ওলালে বঁৰচ'ৰাৰ মুখলৈ' ইত্যাদি আমি গোৱামথাই। তেওঁলোকৰ গীতত কলিতাৰজা মণিৰাম দেৱান, বগা বঙাল, মানৰ দিনৰ কথা উক দি উঠে—'মানে আনিবলৈ গৈছিলি মণিৰাম', 'শুনি যা শুনি যা বঙালৰ কটকী, মানে কিয়ে কথা কয়।' কিন্তু আটাইতকৈ তাৎপৰ্যপূৰ্ণ জেং-বিহু নামটোহে। বুঢ়ী-তৰুণী বিহু-মাৰবতীইতে হেনো বিহু-মৰা ঠাইত তৰাৰ জেং কেইডালমান থিয়কৈ লয় আৰু পিছত হেনো তাতে সেউজীয়া ডাল-পাত লগাই দিয়ে। আৰু এটা গুৰুত্বপূৰ্ণ কথা, তেওঁলোকে গায় ফুলকোঁৱৰ-মণিকোঁৱৰৰ গীত—যি গীত ৰাতিখোৱা বৰলেখাতো শোৱা হয়। এই দুটা কথা লগ লগালে এনে হ'বপৈ—বিহুৰ চৰম পৰমাৰ্থ এই গীতটিত পৰ্যবসিত হয়পৈ—'কাঠৰ পখী-ঘোঁৰাত উঠি ফুলকোঁৱৰে ম'ৰালৈ মাৰিলে ৰশি, আৰু লগে লগে 'তৰাৰে জেলিলে পাত'। কলত আহিছে ফুলকোঁৱৰ হে। টিকা-মাটি কালি চিৰা-চিৰ কথা তৰাৰ বৰুৰ ধাতৰি ৰাজক, তৰাৰ বিবিধে পাত মেলক, পৃথিৱী শাকক গৰ্ভৱতী হওক, পৰাৰ শইচেৰে নদন-বদন হওক। এৱে বিহুৰ অন্ত-মন্ত্ৰ-মৰ্ম।

এই ছবিৰ মাজত কেইবাটাও অন্তৰ্নিহিত সূত্ৰ যেন লুকাইছে

হৈছে। লালুংসকলে যেনেকৈ বিহু পাতে, ভাৰপৰা আৰম্ভ কৰি সকলো জনজাতীয় বিহু চাই চাই যদি আমি ওড়িয়াসকলৰ পনা-সংক্ৰান্তি দেখি দখিণ ভাৰতত আমাৰ ইয়াৰ দৰেই বিহু-পিঠা খাবলৈ পাওঁ, তেতিয়া বিহুৰ অৰ্থ কেনে লাগে বাৰু? হুচৰি-কীৰ্তন দেখ-দেখকৈ বৈষ্ণৱ সংস্কৃতিৰ দান। তাৰ পিছৰ গীতবিলাক বিহু-নাম অৰ্থাৎ চোতালৰ বিহুক কেন্দ্ৰ কৰি ৰচিত গীত আৰু বনঘোষা অৰ্থাৎ যিবোৰ ৰতৰৰ গীতৰ উৎপত্তি হ'ল বনৰীয়া বিহুতলিত—এই দুটা স্বতন্ত্ৰ পৰ্যায় কৰি ধৰি ল'লে কিবা অৰ্থ পাওঁ যেন লাগে। কওঁকচোন, When Adam delved and Eve span, Who was then a gentleman? যেন এটা সময়ত, কোনোবা আদিম কালত, বনৰীয়া বনগীতেই আছিল বিহুৰ বিচুৰেল্। যেন সেই বনগীত আছিল উৎকটভাবে যৌন আৰু অশ্লীল। যেন সেই বনৰীয়া প্ৰকৃতি, সেই যৌন কাম-গন্ধই আছিল সেই বিচুৰেলৰ আচল গৰ্ভ। গীতবোৰ অশ্লীল হ'লেও যেন প্ৰকৃতিত বসন্তৰ বিকাশ হ'ব, পৃথিবী গাভৰু হৈ উঠিছে, ফুলে চাকি ধৰা গোছে মতলীয়া কৰা নাহৰ জোপাৰ দৰে, নৱ-ঘন-স্তনিত চ'তৰ শেষ দিনৰ কোমল আকাশখনৰ দৰে। আৰু যেন বহুত আশা জাগি উঠিব, সেই গাভৰুজনী গাভিনী হ'ব, বহুত সন্তান, গান্ধাৰীৰ শত সন্তানবো হেজাৰ লাখ-গুণ সন্তান প্ৰসৱ কৰিব— আৰু সেয়ে হ'ব মানুহৰ খাদ্য, মানুহৰ জীৱন। প্ৰকৃতি পৰ্দা-নছিন ভদ্ৰমহিলা হৈ থাকিলে নহ'ব, অশ্লীল বনৰীয়া গাভৰু হ'ব লাগিব। —এয়েই যেন আছিল আদিম বসন্তৰ প্ৰাক্তনৰ বিহু। উৰ্বশীৰ দৰে যেন এইদৰেই আমাৰ বিহুজনীৰ জন্ম হৈছিল আদিম বসন্ত-প্ৰান্তে উঠেছিল মন্থিত সাগৰে তাৰ হাতে সুধা-পাত্ৰ, বিষ-ভাণ্ড লয়ে বাম-কৰে। বিহুতলিখন এটা বৰ দুই ল'বা, uninhibited, উন্মুক্ত। বিহুতলি কোর্টশিপৰ ঠাই। বিহুতলি হনিমুনৰ প্ৰথম খণ্ড। তাৰ নাচনীজনী কনেকৰ ছেনেং, গার্ল ফ্ৰেণ্ড, ফেনেষী, লাভাৰ। ইয়াত চোৰ, পেশাৰ হেৰৰ প্ৰতিযোগিতাত লাভ হয় তাতৰ কঁঠা—

উচ্ছলযৌৱনা গাভৰুৰ প্ৰেম। কালক্ৰমত সমাজ ভদ্ৰ হৈ উঠিল, অশ্লীলতাক খেদিলে বিহুতলিলৈ—য'ত বিচুৰেল্ হ'ল ডেকা-গাভৰুৰ উৎকট প্ৰেমৰ গান আৰু দুই এক গন্ধৰ্ব-বিবাহ। কিন্তু সভ্যতাৰ ঠেলাত বিহুৰ আচল অশ্লীল তাৎপৰ্য যেন আৰু দূৰলৈ পলাব লগীয়া হ'ল, আজিও ক'ৰবাত লুকাই-চুৰকৈ দুই-এটা আপুৰুগীয়া গীতত সি আত্মপ্ৰকাশ কৰে। বিহুৰ মহাবাণী 'ব্ৰহ্মা-মহেশ্বৰে পিৰীতি কৰিছে, তুমি কোন বাজৰ জীৱ?' ইনো কম ভাওৰ চেলেঞ্জনে?

মোৰ এই কথাবোৰৰ কাল্পনিক গাঁথনিটো আপোনালোকে মানি ল'লে হয়তো কোনোৱে বিচৰা মতে বিহুক এটা ফেকাণ্ডিটি ফেষ্টিভেল বুলি, প্ৰকৃতিৰ অশ্লীল যৌৱনৰ জয়জয়োৎসৱ বুলি ব্যাখ্যা গ্ৰহণ কৰিব পাৰি। যদি সেয়ে হয়, তেতিয়া হ'লে পোনতে বিহু-নামবোৰ (মোৰ ওপৰৰ সংজ্ঞা অনুসৰি) আৰু তাৰ পিছত হুচৰি-কীৰ্তনবোৰ (সি 'হৰাই লৌ সৰগৰ ভৰাই হওক', কিম্বা কোনোবা সামন্ত ভাঙৰীয়া 'দেউতাৰ পদুলিত গোন্ধাইছে মধুৰি'য়েই হওক কিম্বা মহন্তীয়া 'গোবিন্দাই কৃষ্ণাই জয়হৰি'য়েই হওক) আদিম বিহুৰ ওপৰত ঢাকনি বা চামনি মাথোন।

সমাজৰ সংস্কৃতিৰ স্বভাৱেই এনে যে তাৰ চামনিৰ ওপৰত চামনি পৰি গোটেইবোৰ গোট খাই একোটা বস্তু হৈ পৰে। বুখাৰেস্টৰ ইনষ্টিটিউট দি এথ্নগ্ৰাফি এসি ফকলৰলৈ যাওঁতে তাতে এগৰাকী মহিলাই টেপৰেকৰ্ড কৰা লোকগীতি শুনাই তাৰ তাৎপৰ্য ব্যাখ্যা কৰি দৈছিল। তাৰ মাজতে ওলাল তেওঁলোকৰ খ্ৰীষ্টমাছ কেৰলৰ কথা। তেওঁলোকৰ কেৰল দুবিধ। এবিধ সম্পূৰ্ণ খ্ৰীষ্টিয়ান গীত। আনবিধ অন্ততঃ ৰোমানিয়াৰ প্ৰাক-খ্ৰীষ্টিয়ান যুগৰ স্মৃতি। এইবিধ গাওঁতা গায়কৰ দলে আমাৰ হুচৰি দলৰ দৰে ঘৰে ঘৰে ঘূৰে আৰু বেলেগ ঘৰৰ বেলেগ বেলেগ পৰিস্থিতি অনুসৰি (যেনে যদি এজন ডেকা পুত্ৰই এতিয়াও বিয়া কৰোৱা নাই আৰু বিয়া কৰিব কৰিব বুলি ভাবি আছে, ইত্যাদি) গীত গায়। [illegible] তেওঁলোকৰ

আদৰি সাদৰি মাতি নি ঘৰৰ ভিতৰত বহুৱাই আৰু বিশেষ ধৰণৰ কুটিৰে মণ্ডহ, আপেল আদি ফলাহাৰ দিয়ে আৰু আমাৰ গৃহস্থই হুচৰিক দিয়া দৰে অলপ ধনো দিয়ে, কেৰলৰ দলে গীত গাই গৃহস্থক প্ৰশংসা কৰি মেলানি লয়। নতুন বছৰৰ নাচবোৰত নাচনীয়ে ছাগলি, ভালুক, উটৰ মুখা পিন্ধি জপিয়াই জপিয়াই নাচে। এইদৰে দেখা যায় খ্ৰীষ্টিয়ান কেৰলৰ লগত এইবোৰ প্ৰাক্ খ্ৰীষ্টিয়ান পদাৰ্থ সহাৱস্থান কৰিছে বা মিলি-জুলি আছে—যেনেকৈ আমাৰ বিহুত ভকতীয়া গীত আৰু গীতৰ (যদিও তাৰ নাম 'ঘোষা' দি তাক *শুচি কৰিবৰ কাৰণেই যত্ন কৰা হৈছে) মিলন ঘটিছে। কিন্তু অভকতীয়াটোৰ আঁত ধৰি তাৰ আঁতিগুৰি আমি এতিয়াও উলিয়াব পৰা নাই বা উলিয়াবলৈকে যত্ন কৰা নাই, কাৰণ সকলো-আছিল, সকলো-আছে-মুগুণো-নলওঁ-গমটো আমাৰ স্বভাৱ। কিন্তু মিৰি, কুছাৰী আদি কোনো আদিম সমাজতে যেন তাৰ জন্ম, এনে এটা সন্দেহ কৰিব পাৰি।

ব'হাগৰ বিহু ধেমালি। ব'হাগৰ বিহু ৰঙালী। ব'হাগৰ বিহু সংগীতময়। কিন্তু সেই সুৰদি সুললিত সংগীতৰ চৰ্চা আলোচনা আমাৰ দেখোন আজিও মনত নপৰে। ঢোলৰ নাচনী হেও, ধঁবা হেও, দীঘলীয়া হেও, আদৰণি হেও, মালিতা গোৱা হেও, হাত ধৰা, বাজ-বুলনি আদি বিভিন্ন যি হেও বা তাল বা ছন্দ আছে, তাৰ সাংগীতিক কি গুণ আছে, তাক আমাক কোনোবাই বুজাই দিবনে? হাহাকৰে গৰ্জই ঘৰ্ঘৰপৰা নমাই অনা এই বাদ্যৰ কানো কয়বিনি মহিমা—'মহোপ্তি ইন্দ্ৰিয় আসি পৰ্তে ধৰিলে বাদ্য। ব্ৰহ্মাৰ ঠোৰবে কৰে বাদ্যৰ আধাৰ। তাত ভকত-ভোমোৰাই আছি ভিতৰে শুৱলে। চালৰ মাৰিলেই ভোল মুও দাও কৰে।' আগৰ দিনৰ বিহু বাদ্যৰ চাত শুনিলেই কঁপনা হৈছিল ক'ৰ বিহুৱা; ঢোলৰ হেও শুনিলেই ক'ৰ পৰা হৈছিল, ক'ৰ ঢুলীয়া। বিভিন্ন ঠাইৰ ৰুনিয়া ঢাক ধৰা-ঢুলীয়াসকলৰ সেই বৈশিষ্ট্য আজিও আছে দোল পাই

আহিছে প্ৰকৃত সংস্কৃতিৰ প্ৰতি আমাৰ মুখ-লগা অৱজ্ঞাৰ কবলত আৰু আধুনিক ৰেজিমেণ্টেশ্যনৰ দাহত। আজি বনবিহুৱা ওজা-ঢুলীয়াৰ সন্মান ঘূৰাই অনা কাম নগৰৰ বিহুতলিয়ে কৰিব পাৰে মাত্ৰ এদিন তেওঁলোকৰ পাৰদৰ্শিতা দেখুৱাবলৈ কৈ নহয়, তেওঁলোকৰ সংগীত কৃতিৰ বিষয়ে বহলভাৱে বিশ্লেষণমূলক আলোচনা কৰি তেওঁলোকৰ গীত আৰু বাজনা শ্ৰেণীবদ্ধভাৱে ৰেকৰ্ড কৰি।

বিহু-নাচৰ কিমান ঠেও-থমক, কিমান লাচ। মিচিং গাভৰুৰ গাম্ভীৰ্য আৰু সৌন্দৰ্য ভৰা নাচৰ ছন্দ, আমাৰ হাবিতলীয়া বিহুতলিৰ আৰু চোতালৰ ডেকা-গাভৰুৰ নাচৰ লয় সুন্দৰ—বতাহত নাচি থকা ফুল-পাতবোৰ যেনে সুন্দৰ, তেনে। অলপ কিছু দিনৰ ভিতৰত কিন্তু বিহুনাচৰ সেই স্বাভাৱিক ছন্দত কিছুমান কৃত্ৰিম উপাদান আৰোপ কৰিবৰ যত্ন কৰা হৈছে। আন নাচৰ কোনো অঙ্গ, ভাব প্ৰকাশ কৰাৰ যত্ন—এইবোৰ চকুত লাগে। বিহুনাচ শুদ্ধ নৃত্ত, যাৰ সংজ্ঞা হ'ল নৃত্তং তাললয়াশ্ৰয়ম্। ই ভাবাশ্ৰয় বা ৰসাশ্ৰয় নহয়। উলাহৰ তাল আৰু লয় কিন্তু ইয়াত প্ৰচুৰ পৰিমাণে আছে। প্ৰকৃতিৰ অঙ্গ ফুল-পাত মলয়াৰ স্পৰ্শত যেনেকৈ নাচে, ডেকা-গাভৰুৰ হাত-ভৰিয়েও সেইদৰে কিমান যুগ নাচি আহিছে। সেই নাচৰ প্ৰামাণ নাই। বহুতে আকৌ সকদৈয়া জাপি এই নাচত অৱজ্ঞাকাৰী বুলি ভাবে। জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'জয়মতী' বোলছবিৰ জাপিনাচৰ (যি নাচক সেই সময়তে বহুতে সাপ-নাচ বুলি ইতিকিং কৰিবলৈ বিচাৰিছিল) আগতে বোধ হয় আমাৰ লাজকুৰী বিহু-নাচনীহঁতে হাতত ফুলাম জাপি লৈ তাৰ লগত লুকা-ভাকু খেলা নাছিল। বিহু নাচৰ প্ৰামাণ নাথাকিলেও তাৰ নিজৰ লক্ষণ বোজোৱা নহয়। সে মহিমা তাৰ প্ৰতিষ্ঠিত হ'বলৈ আৰি দিয়া উচিত। আৰৰ ছিপা চুৰিৰে পি লেখেৰী লোপা বাজিৰ লেখাতে। বিহু-নামৰ কল্পনাবিহীন বিকৃত কথা, বিকৃত ভাষা, ভুল ছন্দ আৰু বিকৃতীয়া ভাতে সেই নিজৰ স্বাভাৱিক সৌন্দৰ্য সম্পৰ্কে

সচেতনজনৰ মনত আঘাত নিদিয়াকৈ নেথাকে। অৱশ্যে এইবোৰ যদি ক'তো লিপিবদ্ধ নেথাকে সিইঁত আপোনা-আপুনিয়ে কালৰ বুকত লয় পাব। যিসকলে লোকগীতি অধ্যয়ন কৰে, তেওঁলোকেও আচল মুকুতা আৰু নকল মুকুতাৰ পাৰ্থক্য বুজি পাব পাৰিব লাগে। প্ৰকৃত লিৰিকৰ সুগুণ বনগীতত সুন্দৰভাৱে আছে, সি ভাষা আৰু ভাবত সৰল সংগীতময় আৰু সহজে ইন্দ্ৰিয়-সংবাদী। স্বভাৱ-কবি-সকলৰ মনোৰম প্ৰকাশিকা শক্তি অতি তীব্ৰ। তাৰ লগত কেৰ মাৰিবলৈ গৈ লাজত পৰাৰ বাহিৰে অইন গতি নাই। 'হাঁহিৰৰ ছলেৰে কান্দি পঠিয়ালো চেনাইক পানী ঘাটত দেখি'—এনে একোটা সাধাৰণ বাক্যই বহুতো ভাবাবেগক তাৰ পৰিৱেশে সৈতে আমাৰ মানসত থিয় কৰেহি। যদি কবিতা যৌৱনৰ প্ৰকাশেই হয়; তেতিয়া হ'লে বনগীতক চেৰ পেলোৱা কবিতা পৃথিৱীত কমেই লেখা হৈছে।

কৈনো কৈ থাকিলে ওৰকে নপৰে বঙালী বিহুৰে কথা। সেই কথা আৰু থওঁ। বহাগৰ কেইবাদিনো গ'ল। গৰু-বিহু, মানুহ-বিহু, গোসাঁই-বিহু, চেনেহী-বিহু—এনেকৈ সাত-বিহু শাঁত পৰিল। নতুন বছৰে ওৰা পাতি নৃত্য আৰম্ভ কৰিলেই। এই নতুন বছৰ যেন আমাৰ সকলোৰে কাৰণে সুখ-সমৃদ্ধিৰ-সন্তোষৰ হয় এয়ে কামনা। আমাৰ বিহুগুলি জীয়াই থাওক। বৰ্হমপুত্ৰ দেৱতাই যেন আমি বিহু মৰা ঠাইকণ উটুৱাই নিনিয়ে।

দ্য প'এট্‌ ডিড্‌ লাভ্‌ হোৱাইল্‌ হি লিভ্‌ড্‌

ভাৰত চৰকাৰৰ শিক্ষা মন্ত্ৰালয়ে তেওঁলোকৰ পাঁচনি কৰি পঠিয়ালে হাংগেৰি, পূব জাৰ্মানী (ডয়েৎস ডেমোক্ৰেটিশ ৰিপাব্লিক্‌) আৰু ৰোমানিয়া দেশলৈ। সিসকলৰ পাঁচনি থাটি ১০ মেইৰপৰা ২৯ জুনলৈকে তিনিওখন ৰাজ্যতে ভ্ৰমিলো। এই আঢৈ কুৰি দিনৰ ভিতৰতে যিমান দেখিলো, যিমান শুনিলো, কুকুৰৰ দৰে বোৱা এই আদবয়সতো সিমান দেখা নাছিলো। গতিকে দুখত নহয়, সুখত এই দিনবোৰত এদিনে এবছৰ যেন লাগিছিল। যেতিয়া শিক্ষা মন্ত্ৰালয়ে জনাইছিল, তেওঁলোকে “এই দেশ কেইখনলৈ এজন সংগীততাত্ত্বিক লেখক-সমালোচক পঠাবলৈ ঠিক কৰিছে, আৰু সেই কামৰ বাবে মোকেই বাছিছে” আৰু মই গৈ “সেই দেশবোৰত মোৰ সহধৰ্মীসকলৰ লগত সংযোগ স্থাপন কৰিব লাগিব, ভাৰতীয় কলা আৰু সংস্কৃতি সম্পৰ্কে বক্তৃতা কৰিব লাগিব আৰু সাংস্কৃতিক অভিজ্ঞতা বিনিময় কৰিব লাগিব”, তেতিয়া আনন্দ ভৰা বিস্ময়ৰে স্থবি হৈছিল। লৰা-লৰিকৈ মাতি দিয়া এই ভাৰত সন্মানটি গ্ৰহণ কৰিলো। চৰকাৰে যি নম্বাৰ মানুহ পঠিয়াব খুজিছিল, সেই বৰণৰ মানুহ মই হয়নে নহয়, তাত কিছু সন্দেহ থাকিলেও প্ৰত্যাহ্বানটি পৰি থাকিবলৈ দিয়া নহ'ল। চৰকাৰৰ ইচ্ছামতে তিনিও ৰাজ্যলৈ পঠাবলৈ মোৰ ভঁহৰিৰ আৰু জীৱন-বৃত্ত বন্ধুসকলেহে লাগি-ভেজি তৈয়াৰ কৰি দিয়া হ'ল। ৰজাই ভাল দেখে থাক,—।

মই যেই ভাবিছে হিন্দুকুশ পৰ্বতমালাৰ ওৰু পোতা উপভোগ কৰি কহিয়াৰ মতা মাতিছো তবি দি যেতিয়া হাংগেৰিৰ ৰাজধানী বুডাপেষ্টৰ বিমান-বন্দৰ ফেৰিহেজত নামিলোহি আৰু ত'ৰ আলহী লোৰেঁ। জৰ হাংগেৰিয়ান ইন্‌ষ্টিটিউট ফৰ কাল্‌চাৰেল ৰিলেশ্যনৰ

হৈ হুগৰাকী মহিলাই আগ বঢ়াই নি ডুনা বা ডানিউব নৈৰ পাৰৰ ৰাজপ্ৰাসাদ-তুল্য ডুনা হোটেলত বাহৰ দিলে, তেতিয়াও হৃৎকম্প যোৱা নাছিল। কি নলগা ক্ষেত্ৰত লাগিলো, বালক! পিছদিন পুৱা ইন্‌ষ্টিটিউটৰ দপ্তৰত ভ্ৰমণ-সূচী লৈ আলোচনা-সভা বহিল। অধ্যক্ষ হোলোৱে কলে, "ইয়াত থকা সময়খিনিত যাতে আহুকাল নোপোৱা তাৰ বাবে ভাল বতৰৰ আয়োজন কৰিবলৈ আমি সংকল্প কৰিছো।" ধন্যবাদ জনালো। সঁচায়, হাংগেৰিত অকুৰন্ত বসন্ত উপভোগ কৰিলো। কেতিয়াবা বৰষুণ আহিলেও, আমি চিনেমা বা নাচ চাই থকা সময়ত বাৰুআলি ধুই দিবলৈহে আহিছিল। বতৰেও ভালকৈয়ে যেন অতিথিপৰায়ণ হ'বৰ যত্ন কৰিছিল। দক্ষিণ এছিয়া, এফ্ৰিকা আৰু দক্ষিণ-পূব এছিয়াৰ দেশসমূহৰ ভাৰপ্ৰাপ্তা কুমাৰী ভেৰা গাথিয়ে ক'লে, "তোমাৰ জীৱনী-টোকাটি পঢ়িলো। কিন্তু তোমাৰ ৰুচি ইমান বহুৰঙী, ভ্ৰমণ-সূচী কৰাটোকে টান পাইছো। তথাপি এখন খচৰা কৰিছো এয়া, চোৱাঁ। ১৯৬৪ত দিল্লীত হোৱা আন্তৰ্জাতিক প্ৰাচ্যবিদ্‌ সম্মিলনত নিশ্চয় তুমি আমাৰ অধ্যাপক ডক্টৰ জঁ। হাৰমাট্টাক লগ পাইছিলা। তেওঁৰ লগতে সাক্ষাৎ কৰাৰ সুবিধা এতিয়াও কৰিব পৰা নাই। কিন্তু সেই সুবিধা কৰি দিব লাগিব।"

কিন্তু অতি সোনকালে ১৪ তাৰিখৰ দিনাখনেই অধ্যাপক হাৰমাট্টাক বুডাপেস্ট বিশ্ববিদ্যালয়ৰ তেওঁৰ কক্ষত লগ পালো। ভাৰতৰ পুৰাতত্ত্বত হাংগেৰিৰ দান আগবেপৰা আছে বিশেষকৈ আৰ্কিওলজিকেল ছাৰ্ভে অৱ্‌ ইণ্ডিয়াৰ এসময়ৰ যনামধন্য পথপ্ৰদৰ্শক ছাৰ অৰেল স্টেইনৰ যোগেদি। ছাৰ অৰেলে বিশেষকৈ বক্তি্ৰয়া অঞ্চলত ভাৰতৰ পুৰাতত্ত্বৰ গৱেষণাৰ বাট কাটিছিল। সেই অঞ্চলত অতীত ভাৰতৰ গৌৰৱৰ প্ৰদীপগছি এতিয়া ডক্টৰ হাৰমাট্টাই জলাই ৰাখিছে। তেওঁৰ এই বিষয়ত নৱতম গৱেষণা-কাৰ্য এটি প্ৰবন্ধৰ আকাৰত প্ৰকাশ পাইছে। প্ৰবন্ধটিক এখনি গ্ৰন্থ বুলিয়ে ক'ব পাৰি। তাতে আৰু প্ৰিষ্ট এটি যোগ দিলে। বক্তি্ৰয়া অঞ্চলত নতুন কেই-

খনিমান শিলৰ ফলি উদ্ধাৰ কৰা হৈছে আৰু তাৰপৰা ৰাষ্ট্ৰকূট ৰাজবংশৰ ভোজ-মিহিৰৰ জলসিঞ্চন আঁচনিৰ বিষয়ে গুৰুত্বপূৰ্ণ বাৰ্তা পোৱা গৈছে। তাকে লৈয়ে ডক্টৰ হাৰমাট্টাৰ পাণ্ডিত্য-গভীৰ প্ৰবন্ধ। লিপি কেইখনে প্ৰাচীন ভাৰতীয় লেখন-পদ্ধতি সম্পৰ্কেও নৱ আলোক-সম্পাত কৰিছে।

ইন্‌ষ্টিটিউট অৱ কালচাৰেল ৰিলেশ্বন্‌ছৰ লগত ভ্ৰমণ-সূচী আলোচনা কৰাৰ পিছতে কবি-সাহিত্যিকসকলক লগ পোৱা কাম আৰম্ভ হৈছিল। ইন্‌ষ্টিটিউটৰপৰা আমি পোনে পোনে গৈছিলো বুডাপেস্ট বিশ্ববিদ্যালয়ৰ ইংৰাজীৰ অধ্যাপক আৰু হাংগেৰিয়ান পি. ই. এন ৰ প্ৰধান সম্পাদক লাজলো কেৰিৰ ওচৰলৈ। তেওঁৰ লগত কথা পাতোঁতে দোভাষীয়া গাইডৰ আৱশ্যক নহৈছিল। দুমাহমান আগতে মাথোন তেওঁ ভাৰতলৈ আহি দিল্লী, কলিকতা, বোম্বাই, ইলোৰা-অজন্তা, খজুৰাহো আদিত ভ্ৰমণ কৰি গৈছে। গতিকে তেওঁৰ লগত ভাৰতৰ ভাস্কৰ্য-স্থাপত্য আদিৰ বিষয়ে আলাপ হ'ল। ভাৰতক তেওঁ কেনে পালে বুলি সোধাত কলে, এক উচ্চ সংস্কৃতি আৰু সহনশীলতাৰ গৰাকী ভাৰতীয় লোকসকলক তেওঁৰ বৰ ভাল লাগিছিল। অনেক শতিকাৰ শিক্ষাৰ ফল-স্বৰূপে তেওঁলোকৰ জীৱনবোধ সুন্দৰ। কিন্তু দেশখনে এতিয়া নকৈ উদগতি কৰিবলৈ ধৰিছে, আৰু নতুন ভাৰতৰ ৰূপ এতিয়াহে ওলাবলৈ ধৰিছে। হয়তো কলিকতাৰ ৰাজআলিত সেই ৰূপে ভূমুকি মাৰিছে। হাংগেৰিয়ান সাহিত্যৰ বৰ্তমান অৱস্থাৰ বিষয়ে সোধাত ক'লে, হাংগেৰিয়ান কবিতাই আজি উচ্চ পৰ্যায় আৰু আদৰ লাভ কৰিছে। তাৰ পিছতেহে উপন্যাসৰ ঠাই আৰু তাৰ পিছতহে নাটক। বোলছবিৰ যথেষ্ট উন্নতি পৰিলক্ষিত হৈছে। বৰ্তমান শতিকাৰ চতুৰ্থ দশকতে অনেক লেখকে খেতিয়কৰ হক মানি কৃষি-জীৱনৰ চিত্ৰ অঙ্কন কৰিবৰ প্ৰয়াস কৰিছিল। ইয়োজেৰ 'লোস্টাৰ মানুহ' এনে এখন পুথি। সমাজ আৰু চৰকাৰৰ অৱজ্ঞাত জীৱন অতিবাহিত কৰি জীৱন পংকিল

কথাসকলৰ সাহসী চিত্ৰ হ'ল 'ভিজিট' নামৰ উপন্যাস। হাংগেৰিৰ নাটক বৰ উন্নত নহয় বুলি যদিও অধ্যাপক কেৰিয়ে ভাবে, তথাপি হাংগেৰিয়ান নাটকত আধুনিকতম ৰীতিৰ প্ৰয়োগ ঘটিছে। উদাহৰণ স্বৰূপে দেশৰ 'পিটি বুৰ্জোৱা'ক লৈ লেখা আৰ্কনিৰ নাটকত এব্ছাৰ্ড থিয়েটাৰৰ সংপৰীক্ষা কৰা হৈছে। কেৰিয়ে কৈ গ'ল "এব্ছাৰ্ডৰ জন্মতো আমাৰ দেশতে। কাৰণ, ফ্ৰাঞ্জ কাফ্কা অষ্ট্ৰো-হাংগেৰিয়ান গোষ্ঠীৰ মানুহহে। আমাৰ সাহিত্যত বাধ্যবাধকতাৰ বা অফিচিয়েল আশাবাদ নাই। পূব ইউৰোপৰ সাহিত্যত মাৰ্ক্স অৱলম্বন আৰু উন্নয়ন কৰা মানৱতাবোধৰ ঐতিহ্য ৰূপ লৈ উঠিছে।"

হাংগেৰিৰ প্ৰখ্যাত কবি আৰু 'এলেট্ এছ্ ইৰোডালোম' (জীৱন আৰু সাহিত্য) নামৰ ৰাজনীতি আৰু সাহিত্যৰ সাপ্তাহিক কাগজৰ সহকাৰী সম্পাদক গাবৰ গাৰাইৰ লগত কথা পাতোঁতে অলপ অসুবিধা হৈছিল, কাৰণ তেওঁ ইংৰাজী ভালকৈ ক'ব নোৱাৰে আৰু আলোচনাত দোভাষীৰ কাম কৰা গেজা বেথ্লেনফালভিয়েও বৰ ভাল ইংৰাজী নকয়। সেই দেখি, কেৰিৰ লগত ভাৰতলৈ আহোঁতে দিল্লী, আগ্ৰা, খজুৰাহো, কলিকতা, মাদ্ৰাজৰ কলাক্ষেত্ৰ আৰু কাঞ্চীপুৰমত লেখা গাৰাইৰ কবিতাকেইটি মই পিছত সদ্সদীয়াকৈ ইংৰাজী ক'ব পৰা দোভাষী এভা ভালিহৰ হতুৱাই ইংৰাজী অনুবাদ কৰাই আনিলো। কেয়োটি কবিতাতে ভাৰতৰ প্ৰতি কবিৰ সহানুভূতি প্ৰকট হৈ উঠিছে। উদাহৰণস্বৰূপে দিল্লীত লেখা কবিতাটিত মহানগৰীৰ পথ-প্ৰান্তৰ সাধাৰণ মানুহবোৰলৈ চাই কৈছে, "এই সকলো মুখতে দাপোণত দেখা দৰে মোৰ মুখখনকেই দেখা পাইছো। মই নাজানো, কিহৰ বাবে তোমালোকৰ মনত ইমান আনন্দ। কিন্তু মযো তোমালোকৰ সেই আনন্দৰ ভাগী।" কবিতাটিৰ নাম 'আতৃমৰ বিশ্বাস'। 'কালকুট্টা ও' নামৰ কবিতাত তেওঁ কলিকতাৰ বাটৰ সাধাৰণ মানুহবোৰ লক্ষ্য কৰিছে, প্ৰথম বাটত কিলী মাখি বিকৃষা টানোতাৰলৈ চাই কৈছে, সিহঁতৰ

কাইলৈলেটো আজিৰ দৰেই, সিহঁতৰ বাবে আজিৰ একেটা পুৰণি বেলিয়েই কাইলৈকো ওলাব।" গাবায়ে ক'লে, "আমাৰ দেশত সকলো ভাবৰ কবিতা চলে—বাস্তববাদী, সংৰক্ষণশীল, চুৰ্‌ৰিএলিস্ট্ আৰু আন যি হ'ব পাৰে। আমি প্ৰেমৰ কবিতাও লেখোঁ। কিন্তু আমাৰ আজি মূল কথা হৈছে, আমি সমাজখন গঢ়ি তুলিব লাগিব। আমাৰ দেশে জগতৰ শান্তি-প্ৰতিষ্ঠাত সহায় কৰিব লাগিব।" প্ৰায় এয়ে আজিৰ হাংগেৰিৰ কবিৰ আদৰ্শ। কবিতাৰ প্ৰভূত সমাদৰ। আলোচনীত ওলোৱা এটা কবিতাৰ বাবে গাবায়ে পাঁচ-ছশ ফৰিণ্ট্ অৰ্থাৎ প্ৰায় ভেৰ শ টকা মানলৈকে মূল্য পায়। নতুন কবি এজনেও তাৰ আধামান পাব। গাবায়ে তেওঁৰ শেষৰ কবিতা-পুথি 'ইবাহ্ আ কালম'ৰ বাবে পাবীয়ে পতি প্ৰায় আঠ ফৰিণ্টকৈ দহ হেজাৰ টকা প্ৰকাশকৰপৰা পাইছে। আমাৰ কাৰণে "একটি শ্লোকে স্তুতি গেয়ে রাজার কাছে নিতাম চেয়ে উজ্জয়িনীর বিজন প্রান্তে কানন-ঘেরা বাড়ী" এক ৰোমাণ্টিক অবাস্তৱ স্বপ্ন।

তেৰ তাৰিখৰ দিন হাংগেৰিস্থ ভাৰতৰ ৰাষ্ট্ৰদূত ডক্টৰ স্নমন সিংহৰ লগত কথা-বতৰা পাতি বিশ্ব-সাহিত্যৰ আলোচনী 'নজভিলাগ'ৰ (বিশাল বিশ্ব) কাৰ্যালয় চাবলৈ গ'লো। হাংগেৰিয়ান সাহিত্যিক আৰু সাহিত্যানুৰাগীসকলক পৃথিৱীৰ শ্ৰেষ্ঠ সাহিত্যৰ আস্বাদ দিয়াই আলোচনীখনৰ উদ্দেশ্য। তাৰ প্ৰধান সম্পাদক ডক্টৰ লাজ্‌লো কৰ্দচ্ বুডাপেস্ট বিশ্ববিদ্যালয়ৰ বিশ্ব-সাহিত্যৰ প্ৰাধ্যাপক। তেওঁ কাৰ্যালয়ত নাছিল। স্পেনিংশ আৰু ইতালিয়ান সাহিত্য-সম্পৰ্কীয় সম্পাদক ডক্টৰ কৰ্ড গাবৰ আৰু অষ্ট্ৰিয়ান আৰু প্ৰাচীন জাৰ্মান সাহিত্য-সম্পৰ্কীয় সম্পাদক কৰ্ড বাকোৰ লগত আলাপ হ'ল। আলোচনীখনত হাংগেৰিয়ান সাহিত্য সম্পৰ্কে আলোচনা নহয়, তাত সম্পূৰ্ণৰূপে বাহিৰৰ সাহিত্যৰ সম্বাদেই দিয়া হয় হাংগেৰিয়ান ভাষাত। ১৯৫৩ চনত পাঁচ হেজাৰ কপিকৈ প্ৰকাশ কৰি

আলোচনীখন আৰম্ভ কৰা হয়। এভিয়া বিশ-তেইশ হেজাৰখন বিক্ৰী হয়। তাৰে তিনি ভাগৰ এভাগ চৰকাৰে কিনি লয়। একোটা সংখ্যাৰ মুঠ পিঠিৰ তিনি ভাগৰ দুভাগত বিভিন্ন সাহিত্যৰ-পৰা কবিতা, উপন্যাস, চুটি গল্প, নাটক আদিৰ ভাঙনি দিয়া হয়, আৰু বাকী অংশত প্ৰবন্ধ, সমালোচনা আদি সন্নিবিষ্ট হয়। দুই এদিনতে ওলাব লগীয়া সংখ্যাটোত অধ্যাপক কেবিৰ ভাৰত-ভ্ৰমণ-সম্পৰ্কীয় প্ৰবন্ধ ওলাবৰ কথা। ১৯৬৮ৰ এপ্ৰিল সংখ্যাত নজ্‌পিটাৰৰ 'ভাৰতৰ বিষয়ে ধাৰণা', ১৯৬৯ৰ আগস্ট ছেপ্টেম্বৰত ওৰ্বান্ ওট্টোৰ 'লাল কিল্লাৰপৰা পিতললৈকে', ১৯৬২ৰ আগস্টত এজন লেখকৰ শান্তিনিকেতন সম্বন্ধে প্ৰবন্ধ প্ৰকাশ হৈছিল। ১৯৬০ আগস্টত কৃষাণ চন্দৰৰ এটি গল্প, ১৯৬৮ মাৰ্চত অমৃতা প্ৰীতমৰ চাৰিটা কবিতাৰ অনুবাদ ওলাইছিল। এইদৰে পৃথিবীৰ আন আন সাহিত্যৰ বুজো হাংগেৰিয়ানসকলে বহলভাৱে লৈ থাকে আৰু তাৰ লগত সুৰ বান্ধিবৰ যত্নও কৰে। কালিদাস, মৃচ্ছকটিক, পঞ্চতন্ত্ৰৰপৰা এলিয়ট, ডাইলান তমাছলৈকে সকলোকে তেওঁলোকে চিনি পায়।

পূৱ এছিয়াৰ কলাৰ ফেৰেঙ্ হপ্ সংগ্ৰহালয়ত ভাৰত তথা প্ৰাচ্যৰ আন দেশৰ উপৰিও তাৰ গ্ৰন্থাগাৰত এব্‌খিন বাহ্নাইৰ পুথি 'ইণ্ডিয়া মুাভেছেট্' (ভাৰতীয় কলা) আৰু এখন কিতাপৰ দোকানত তেওঁৰে অনুবাদ 'কামসূত্ৰ' দেখা পালো। বাহ্নাই বিখ্যাত ভাৰতীয় চিত্ৰশিল্পী অমৃতা শেৰ গিলৰ মোমায়েক। গান্ধীজীৰ লগতো তেওঁৰ আদান-প্ৰদান আছিল।

হাংগেৰিৰ ইন্‌ষ্টিটিউট অৱ্ ফিলছফি এটি গৱেষণা-অনুষ্ঠান। মাৰ্ক্সীয় দৰ্শন আৰু নন্দনতত্ব। জ্ঞানতত্ব, ঐতিহাসিক ভৌতিকবাদ, দৰ্শনৰ ইতিহাস, নন্দনতত্বৰ ইতিহাস হ'ল তেওঁলোকৰ মাই গৱেষণাৰ বিষয়। ইনষ্টিটিউটৰ অধিকৰ্তা ফেৰেঙ্ টোকেই-এ ক'লে, "মাৰ্ক্স আৰু এংগেলছে নন্দনতাত্বিক বিষয় লৈ চিন্তা কৰিছিল।

আমি তেওঁলোকৰ সেই সম্পৰ্কীয় মতত বিশেষ মহত্ত্ব দেখা পাইছো আৰু সেই সম্পৰ্কে কৰিছো বহুল গৱেষণা।" মোৰ লগৰীয়া এজনে সুধিলে, "আপোনালোকেনো মাৰ্ক্সৰ কি ব্যাখ্যা গ্ৰহণ কৰে?" কাষৰৰপৰা মহিলা বিছাৰ্চ ফেলোগৰাকীয়ে টপৰাই উত্তৰ দি জনা কৰিলে, "কিয়, মাৰ্ক্সে মাৰ্ক্সৰ যি ব্যাখ্যা দিছে, সেয়ে মাৰ্ক্স।"

হাংগেৰিৰ শক্তিশালী দৈনিক কাকত 'নেপ্‌চাবাডাগ্' অৰ্থাৎ 'জন-স্বাধীনতা'ৰ কাৰ্যালয়ত দেওবৰীয়া সম্পাদক জৰ্জ্ কাল্মাৰক লগ পালো। বৰ সাদৰী মানুহ। তেওঁ ভাৰতত তিনি বছৰ থাকি গৈছে আৰু তাৰ ভিতৰতে আসমুদ্ৰ হিমাচল দেখা পাইছে। ভাৰতৰ বিষয়ে তেওঁৰ এখনি পুথি অলপতে ওলাব—'প্ৰশান্ত আৰু অশান্ত ভাৰত।' আজিৰ ভাৰতৰ সমস্যাৰ জটিলতাৰ মাজলৈও তেওঁ ভাত সোমাই চাইছে। এই এখন দেশ—বিৰাট তাৰ বপু, কত জাতি আৰু বিভিন্ন সমাজে তাক কিমান ফালেৰা আঁজুৰিৰৰ প্ৰয়াস পাইছে। "মই দেখাত কৃষিৰ পদ্ধতিটোও ইয়াত এক ডাঙৰ সমস্যা।" ইমান ডাঙৰ এখন দেশে বছৰ জোৰাই ভাত এমুঠি উলিয়াব নোৱাৰে। আৰু যে কিমান সমস্যা! "ভাৰতত মোৰ আটাইতকৈ সুন্দৰ অভিজ্ঞতা হ'ল ভাৰতৰ ইণ্টেলেক্‌চুৱেল্, বুদ্ধিশালীসকলৰ সংসৰ্গত। তেওঁলোকৰ মাজত মোৰ বহুত বন্ধু হ'ল। সৰল সাধাৰণ লোকৰ লগত বেছি সম্বন্ধ নহ'ল, বিশেষকৈ ভাষাৰ অসুবিধাৰ বাবে। তথাপি মই সিসকলক পাইছিলো, ভালো পাইছিলো।" সংবাদ-পত্ৰৰ কথা ওলোৱাত কাল্মাৰে ক'লে, হাংগেৰিত চেন্সৰ্‌শিপ্ নাই। অৱশ্যে তেওঁলোকৰ কাকতৰ প্ৰধান সম্পাদকজন হ'ল পাৰ্টিৰ কেন্দ্ৰীয় সমিতিৰ সদস্য। আন প্ৰসংগত তেওঁ কৈ গ'ল, "আমাৰ সাহিত্যৰ সমস্যা হৈছে কেনেকৈ আমি নিজকে নেহেৰুৱাই উপলব্ধি কৰিব পাৰোঁ, কেনেকৈ পাশ্চাত্য দেশবোৰৰ জ্ঞানখিনিৰ অধিকাৰী হ'ব পাৰোঁ অথচ বেয়াখিনিৰপৰা আঁতৰি থ'ব পাৰোঁ।

আমি আজি এক যুগ-সন্ধিত থিয় দিছোহি। আমাৰ সমস্যা যুগ-সন্ধিৰ।"

কিতাপৰ দোকানৰ এটা ধাৰণা কৰিবৰ বাবে কাম্মাৰৰ উপদেশমতে ওচৰতে থকা প্ৰকাশ-সংস্থা আলামি কনিভ্‌টৌৰ্জোজটো বাৰ্‌লাটলৈ গ'লো। তেওঁলোকৰ দোকানত সোমায়ে ভাব হ'ল কিতাপৰ ব্যৱসায় অতি উন্নত। সকলো কিতাপৰ ছপা, ছবি, কাগজ, বন্ধা অতি সুন্দৰ। কিন্তু ভাৰৰ ভাগটো ভিয়েনাত ছপাই আনিব লগীয়া হোৱাত সিটোহঁতৰ দাম যথেষ্ট বেছি। অৱশ্যে স্কুল-কলেজৰ পাঠ্য-পুথিৰ দাম তেনে বেছি নহয়। বুডাপেস্ট ৰেডিওৰ সাহিত্য বিভাগে দেশ-বিদেশৰ সাহিত্য-সম্পদৰ বাৰ্তা শ্ৰোতাসকলক দিবৰ কাৰণ যত্ন কৰে মহাভাৰতৰপৰা ৰবীন্দ্ৰনাথলৈকে, ডান্টে-শেক্‌ছপিয়েৰৰপৰা বোদেলাৰ, মালাৰ্মে, চেহভ-ডস্টয়েভ্‌স্কিলৈকে সকলোটিৰে সোৱাদ যোগান ধৰি। এই বিভাগৰ জল্‌তান পাপ্‌ বৰ ৰসাল মানুহ। মযো এদিন ৰেডিওত নিয়মিতভাৱে কাম কৰা কথা কোৱাত তেওঁ ক'লে, "তুমি যদি এদিন ৰেডিওৰ আছিলা, আজিও তুমি ৰেডিওৰে মানুহ।" বুডাপেস্টত থকা কেইজনমান ভাৰতীয় একেলগে বিখ্যাত বালাটন হ্ৰদ চাবলৈ যোৱাৰ কথা ওলালত ক'লে, "ভালেই হ'ব। তাত এজোপা তোমালোকৰ কবিয়ে ৰোৱা গছ আছে। আমি টেগোৰে বৃক্ষ বুলি কওঁ। আৰু বুইছা, আমি ধেমালি কৰি এটা কথা কওঁ। যদি, কোনোবাই মদ্যপান কৰাৰ পিছতো 'ৰবীন্দ্ৰনাথ টেগোৰে' নামটো উচ্চাৰণ কৰিব পাৰে, তেওঁ মাতাল হোৱা নাই। আৰু যদি নামটি ভালকৈ মাতিব নোৱাৰে, বুজিবা তেওঁৰ কামে আৰু হৈছে।" আমি এই টেগোৰে গছ চাবলৈ গৈছিলো। তাৰ কাষতে থকা হৃদ্‌ৰোগৰ চিকিৎসালয়ৰ চিকিৎসাত ৰবীন্দ্ৰনাথে এদিন বহুদিনীয়া অসুখৰপৰা আৰোগ্যলাভ কৰিছিল আৰু গছ-পুলিটি ৰুই এটাৰী কবিতা লেখি থৈ আহিছিল ঃ

When I am no longer
on this earth, my tree,
Let the ever-renewed
leaves of thy spring
Murmur to the wayfarer :
'The poet did love while he lived'

তেতিয়া বসন্তকাল। জোপোহা গছজোপাৰ পাতবোৰেবা আমাক কি ক'ব খুজিছিল। তথাপি ভাল লাগিল আমাৰ কবিৰ হাতে-ৰোৱা গছজুপি দেখি।

ভট্ট মোক্ষমূলাৰ আৰু দেৱসেনৰ ঘৰত

সৰ্বভাৰতীয় প্ৰাচ্যবিদ্যা-সম্মিলনৰ যোৱা বছৰৰ যাদবপুৰ অধিৱেশনত জাৰ্মানীত হোৱা বেদ-উপনিষদ-ত্ৰিপিটক আদি প্ৰাচ্যবিদ্যা-চৰ্চা-বিষয়ক এখনি প্ৰদৰ্শনী হৈছিল। তাত পশ্চিম জাৰ্মান ৰাষ্ট্ৰদূতাবাসৰ এজন প্ৰতিনিধিয়ে হাঁহি হাঁহি কৈছিল, "প্ৰাচ্যবিদ্যা-অধ্যয়নেৰে পবিত্ৰীকৃত জাৰ্মানীৰ বাইন নৈকো আপোনা-লোকে সিন্ধু আৰু গংগাৰ দৰে জ্ঞান নকৰিবনে বাৰু?" বাস্তৱিকতে আধুনিক ইণ্ডোলজি বা ভাৰততত্ত্বৰ জন্মদাতা হ'ল শ্লেগেল্-ভ্ৰাতৃদ্বয় আৰু ইণ্ডো-জাৰ্মেনিক নামৰ তলত সামৰি লোৱা তুলনামূলক ভাষাতত্ত্বৰ পিতৃ হ'ল ফ্ৰাঞ্জ বপ্। ফ্ৰিড্‌ৰিখ্ ফন্ শ্লেগেলৰ 'উবেৰ্ ডাই স্প্ৰাখে ভিস্থিট ডেৰ ইণ্ডেৰ্' (ভাৰতৰ ভাষা আৰু জ্ঞান সম্পৰ্কে, ১৮০৮) আৰু মাথোন পঁচিশ বছৰৰ বয়সতে বপে লেখা 'উবেৰ্ ডাছ্ কঞ্জুগেচনছিস্টেম ডেৰ সংস্কৃত্-স্প্ৰাখে' আদি দীঘলীয়া নামৰ তুলনামূলক অধ্যয়নৰ পুথি (১৮১৬) এই দুই বহল বিষয়ৰ জ্ঞানগৰ্ভ বৈজ্ঞানিক আলোচনাৰ লাই-খুঁটা। যাৰ নামে পূৰ্ব বাৰ্লিনৰ বিশ্ববিদ্যালয়ৰ নামকৰণ হৈছে, সেই হুমবল্ট প্ৰুছিয়াৰ মন্ত্ৰী হৈও বিশ্বজনীন জ্ঞানৰ গৰাকী হৈছিল, তেওঁৱো তুলনামূলক ভাষাতত্ত্বৰ পথ পোনতে চাঁচি-চুকৰি দিছিল। ঔৰংজেবৰ ভ্ৰাতৃ দাৰা শিকোৱে কাৰ্চীলৈ অনুবাদ কৰাবপৰা পুনৰ এজন ফৰাচী লোকে লেটিন বপ দিয়া আঢৈ কুৰিখন উপনিষদ (১৮১০-১২) শোপেনহাৱৰ দৰে এজন বিশ্ববিশ্ৰুত পণ্ডিতৰ জীৱনৰ লগৰী হৈ পৰিছিল। চাৰি বেদ, ব্ৰাহ্মণ সংহিতা, উপনিষদ, ষড়্‌দৰ্শন, পাণিনি, পতঞ্জলি আদি, ধৰ্মশাস্ত্ৰ, ৰামায়ণ, মহাভাৰত, পুৰাণ, কাব্য, নাটক, পঞ্চতন্ত্ৰ আদি, বৌদ্ধ আৰু জৈন ধৰ্ম আৰু গ্ৰন্থ, কলা-শিল্প আদি ভাৰততত্ত্বৰ বিভিন্ন পৰ্যায়ত

জাৰ্মানীৰ বিপুল চৰ্চাই ভাৰতৰ হেৰাই যোৱা ঐতিহ্য আৰু ঐশ্বৰ্যক পুনঃপ্ৰতিষ্ঠা কৰিলে নৱ বৈজ্ঞানিক ভিত্তিত। এই অধ্যয়নে ভাৰত আৰু সুদূৰ পাশ্চাত্যক তেজ আৰু ভাষাৰ ঐক্যৰ ডোলেৰে বান্ধিলে। সেইহে ৰাইন-ভেছাৰ-এল্‌বে-বিধৌত জাৰ্মান ভূমিত ভৰি দি মেক্সমূএলাৰ আৰু পাউল ডুছেনক সুঁৱৰি মনতে ভাল লাগিছিল।

And from the setting sun came a hundred voices
That echoed mine to the full and made it fuller.
I called the voices Bhatta ,
I called the voices Devasena ,
I called the voices by many a name dear to me

জাৰ্মানীয়ে ভাৰতৰ কবিতাৰ প্ৰথম গভীৰ শিহৰণ অনুভৱ কৰিছিল যেতিয়া কবি হাৰ্ডাৰে মহাকবি গ্যেটেক ফৰ্ষ্টাৰে কৰা 'শকুন্তলা'ৰ অনুবাদলৈ দৃষ্টি আকৰ্ষণ কৰিছিল আৰু সেই মহাকবিয়ে 'শকুন্তলা'ৰ নামটিতে বিশ্বৰ সকলো সৌন্দৰ্য দেখা পাই চিঞৰি উঠিছিল। এই কথা ভাবি ভাল লাগিছিল যেতিয়া পূব জাৰ্মানীৰ মেইছেন চহৰৰ এটা ঘৰৰ দুৱাৰৰ ওপৰত লেখা দেখা পালো—এই ঘৰত জোহান ৱল্‌ফগাং গ্যেটে ১৮১৩ চনত দুদিন আছিল। ঘৰটো এতিয়া বেটুৱা। কিন্তু দুদিন নিজৰ গৰ্ভত মহাকবি গ্যেটেক ঠাই দিবলৈ পোৱাৰ গৌৰব ঘোষণা কৰি সি ধন্য হৈছে। সেইদৰে লাইপজিগৰ নাশ্‌মাৰ্ক্‌ট বোলা হৰ্ম্য জোৱা বজাৰৰ ওচৰত গ্যেটেৰ মূৰ্তিৰ পদ-তলত ফটোগ্ৰাফ তুলিবলৈ পাই ৰং লাগিছিল।

হালে চহৰত বয়োবৃদ্ধ অধ্যাপক হাইঞ্জ মোডেক লগ পালোঁগৈ। ১৯৪৮ চনতহে মাথো হালেৰ মাৰ্টিন লুথাৰ বিশ্ববিদ্যালয়ত প্ৰাচ্য-বিদ্যাৰ বিভাগ খোলা হৈছে। মোডেৰ নেতৃত্বত তাতে বৌদ্ধ অধ্যয়ন-কেন্দ্ৰ এটিও পৰিচালিত হৈ আছে। কেন্দ্ৰই বাৰ্ষিক পত্ৰিকা এখনি প্ৰকাশ কৰি আহিছে। মোডে প্ৰধানতঃ প্ৰত্নতাত্ত্বিক। প্ৰাগৈতি-হাসিক ভাৰত সম্পৰ্কীয় তেওঁৰ গ্ৰন্থখনি কিন্তু আজি দুষ্প্ৰাপ্য হৈ

পৰিছে। অলপতে ওলোৱা দুখনি গ্ৰন্থ দেখুৱালে—La Femme dams l'Art de d' Inde (এইখনৰ ইংৰাজী অনুবাদো লগে লগে ওলাইছে—Woman in Indian Art) আৰু Bengalische Marchen বঙলা সাধুকথাৰ বিষয়ে। তেওঁ শান্তিনিকেতনত ১৯৩৩-৩৪-ত আছিল আৰু তাৰ আগতে বৰ্মাত বহুতদিন থাকি ভিক্ষু হ'বলৈকে ধৰিছিল, ভিক্ষু হ'লে তেওঁ বৰ্মা এৰিব নোৱাৰিব বুলি কোনোবাই কোৱাতহে নহ'ল। মই বৌদ্ধ গ্ৰন্থ অনুবাদ কৰি বৌদ্ধ হৈ জ্ঞানতিলক নাম লোৱা জাৰ্মান পণ্ডিত গুএথৰ প্ৰসংগ তোলাত মোৰেডেই ক'লে, জ্ঞানতিলকৰ জাৰ্মান শিষ্য জ্ঞানপণিক এতিয়াও সিংহলত আছে। যোৱা বছৰ যাদবপুৰৰ প্ৰাচ্যবিদ্যা সম্মিলনত পঠিত খামটি বৌদ্ধসকলৰ বিষয়ে লেখা মোৰ প্ৰবন্ধটো দেখুৱালত তেওঁ ধৰিলে, সেইটো তেওঁলোকৰ পত্ৰিকাত প্ৰকাশ কৰিব। অন্যত্ৰ প্ৰকাশ হ'ব বুলি কোৱাতো তেওঁ নামানিলে। পিছত বাৰ্লিনৰপৰা প্ৰবন্ধটো মাইক্ৰোফিল্ম কৰি পঠালো। অসম তেও দেখা নাই। কিন্তু ক'লে, এইবাৰ ভাৰতলৈ আহিলে তেওঁ অসমলৈ আহিবই। আমি বহুৰবো ওপৰৰ বৃদ্ধগৰাকীৰ মুখত বাৰে বাৰে করুণাময় বুদ্ধৰ মৃদু হাঁহিটি দেখি আনন্দ অনুভৱ কৰিছিলো। ভাৰতীয় কলাৰ বিষয়ে এখনি নতুন পুথিৰ কাম তেওঁ কৰি আছে; তাৰ বাবে গৃহীত ফটোগ্ৰাফবোৰ দেখুৱালে। তেওঁ কৈ গ'ল, "পণ্ডিত নেহৰুৰপৰা আৰম্ভ কৰি সকলোৱে লিখে, ভাৰতত নাৰীৰ স্থান বৰ তলত। এই কথাযে ভুল তাক মই দেখুৱাইছো 'ভাৰতীয় কলাত নাৰী' গ্ৰন্থত। ইউৰোপৰ সকলো সংগ্ৰহালয়ত ক্লাছিকেল আৰ্ট বুলি গ্ৰীচ, ৰোম, ফৰাচী, জাৰ্মান আদি কলাৰ নিদৰ্শন ৰখা হয়। কিন্তু ভাৰতীয় কলাৰ স্থান তাত নহয়, তাৰ ঠাই নৃতত্ব-সংগ্ৰহালয়ত। এই ব্যৱহাৰ মই সদায় প্ৰতিবাদ কৰি আহিছো। সমাজবাদী-হিচাপে আমি আজি সৰ্বপ্ৰকাৰ ঔপনিৱেশিকতা আৰু সাম্ৰাজ্যবাদৰ বিৰোধী। কিন্তু প্ৰাচ্যকলাৰ প্ৰতি আমাৰ আদৰ মনোভাৱ ভঙা নাই।"

মোডেৰ নিজৰ গ্ৰন্থাগাৰত ভাৰতবৰ্ষৰ বিষয়ৰ পুথি ঠাই খাই আছে। এখনি নতুন কিতাপ মোৰ চকুত পৰিল—Roter Fluss and blaue Berge সুন্দৰ ছপা, সুন্দৰ বন্ধা। ৰঙীন ফটোগ্ৰাফৰ-পৰা কৰা ছবিবোৰ জকমকাই আছে। হঠাতে চকুত পৰিল তাৰ মাজৰ সত্ৰীয়া নটুৱাৰ জালি-চোলা পিন্ধা চিত্ৰ। আৰু এইখন মানচিত্ৰ বালিপাৰা, তেজপুৰ, যোৰহাট, শিৱসাগৰ, উত্তৰ লখীমপুৰ, গুৱাহাটী, নংপো, শিলং তব্‌বেৰাই আছে। শিওলাৰ আৰু ৰুবাৰ্ট নামৰ দুজন ভ্ৰাম্যমান পণ্ডিতৰ ভ্ৰমণ-কাহিনীৰ পুথিখন কিন্তু দোকানত কিনিবলৈ নাপাই দুখহে লাগিল। কিন্তু মোডেৰ ঘৰৰপৰা বিদায় লওঁতে মোৰ মুখত ওলাল, "মোডকৈও উৎকৃষ্ট ভাৰতীয় এজন আজি লগ পালো দেই।"

লাইপ্‌জিগৰ ইন্‌ষ্টিটিউট্ ফিয়ৰ্ লিটাৰাটুৰ্ এক অভিনৱ অনুষ্ঠান। ই সাহিত্য-সভাও নয়। সাহিত্যিকৰ সমাজো নহয়। বিশ্ববিদ্যালয়ৰ সাহিত্য-বিভাগো নহয়। ইয়াৰ ভূমিকা একক। ইয়াৰ সমতুল্য অনুষ্ঠান মাথোন ৰুছিয়াৰ গৰ্কি ইন্‌ষ্টিটিউট। ইয়াত যোৱা পোন্ধৰ বছৰে তিনিবছৰীয়া এক পাঠ্যক্ৰমৰ যোগে বহুতো সাহিত্যিকক সাহিত্য-ৰচনা-কলাৰ প্ৰশিক্ষণ দিয়া হৈ আহিছে। গৰ্কি ইন্‌ষ্টিটিউটৰ আদৰ্শত অধ্যাপক কএজ্লাৰ নামৰ পণ্ডিতে এই অনুষ্ঠান প্ৰতিষ্ঠা কৰিছিল। ইয়াত প্ৰশিক্ষণ পোৱাসকলৰ মাজত আধুনিক জাৰ্মান সাহিত্যৰ বৃহচ্-সৰুটোৱা কবি, ঔপন্যাসিকো আছে, ৰাষ্ট্ৰীয় পুৰস্কাৰ পোৱা লেখকো আছে। আমাৰ দেশতো এনে অনুষ্ঠান এটি হোৱা হ'লে হ্ৰস্ব ইকাৰ দীৰ্ঘ ইকাৰৰ বিবাদ মিটাৰ নোৱাৰা আৰু "এই এবেচা হেনেক্ নেচা" গাই একেটা নিলাজ ছবিকে তিনিখন উপন্যাস আৰু তেৰটা গল্পত পেচেৰিওৱা লেখকৰ কেঁকোৰা-খোজ শোনাৰ পৰা হ'লহেঁতেন। মই কথাৰ মাজতে উপাধিকৰ্মী শ্ৰীমতী ডক্টৰ দিভ্‌ইক সুধিলো, "বাইদেউ, মতো যদি আপোনালোকৰ অনুষ্ঠানত হৈ যাব পোৰোঁ।?" "অধ্যাপক কৰপেস" বুলি মোৰাত

মই ক'লো, "একান্ত বাধ্য ছাত্ৰ হিচাপে।" সকলোৱে হাঁহিলে। স্মিড্‌টে ক'লে, "তুমি ভালকৈ জাৰ্মান শিকিব লাগিব।" "মই ৰাজী। ইয়াত আহি নপঢ়িলেও পত্ৰালাপী ছাত্ৰ-ৰূপে যদি মই ভৰ্তি হ'ব খোজোঁ।" "সেইটো নিশ্চয় সম্ভৱ। কিন্তু তুমি অধ্যাপক-ৰূপেই আমাক সহযোগ দিলে সুখী হ'ম।" গতিকে মোৰ এড্‌মিশ্যনৰ দৰ্খাস্ত হ'ল নামঞ্জুৰ। গুচি আহিলো। আহিবৰ সময়ত কৈ আহিলো, "এঘণ্টাতে বহুত শিক্ষা লাভ কৰিলো, ধন্যবাদ।" এগৰাকী অধ্যাপিকাই হাঁহি হাঁহি ক'লে, "ধন্যবাদ, কিন্তু আপোনাৰ কথাটি মোৰ বোধেৰে সত্য নহয়।"

লাইপ্‌জিগ বিশ্ববিদ্যালয়ৰ দক্ষিণ এছিয়া বিভাগ চাবলৈ গৈছিলো। এই বিভাগক আগতে বোলা হৈছিল Indisches Institut অৰ্থাৎ ভাৰতবিদ্যা-অধ্যয়ন সংস্থা। তিনিগৰাকী পণ্ডিতৰ লগত সদালাপ হ'ল। শ্ৰীমতী ডক্টৰ ডলবেছ ডমিনে ১৮৪৯ৰ পিছত পঞ্জাবত ব্ৰিটিশ ৰাজনীতিৰ বিষয়ে গ্ৰন্থ লেখি ডক্টৰেট ডিগ্ৰী লাভ কৰিছে। "হ'ব, মইযে প্ৰকৃততে ভাৰতবৰ্ষত থাকি গৱেষণা কৰিছিলো, তাৰ প্ৰমাণ চাওক" বুলি ভঁটীয়া পঞ্জাবী এজাকৰ মাজত তোলা তেওঁৰ আলোক-চিত্ৰ এখনি দেখুৱালে। অৰ্থনৈতিক ভূগোলৰ বিশেষজ্ঞ ডক্টৰ শলজে ১৯৬৭-৬৮ত ভাৰতত বক্তৃতা দিছিলহি। তেওঁৰ অধ্যয়নৰ বিশেষ ক্ষেত্ৰ হ'ল দক্ষিণ এছিয়া। তেওঁ স্বাধীনতা-লাভৰ পিছৰ ভাৰতৰ অৰ্থনীতি অধ্যয়ন কৰি আছে সমাজবাদী দৃষ্টিভংগিৰপৰা। হিন্দী ব্যাকৰণ আৰু ভাৰত-জাৰ্মানীৰ সম্বন্ধৰ বিষয়ে পুথি লিখা ডক্টৰ ক্ৰাউজে দিল্লীত অনুষ্ঠিত গান্ধী আলোচনা-সত্ৰত যোগদান কৰিছিল। ভাৰত-বিদ্যা অধ্যয়ন সংস্থাৰ আগৰ অধিকৰ্তা অধ্যাপক ফ্ৰিড্‌ৰিখ্ ৱেলাৰক লগ পোৱা হ'লে বৰ ভাল লাগিলহেঁতেন। তেওঁৰ বয়স এতিয়া নব্বৈৰ উৰ্দ্ধত। বৌদ্ধ অধ্যয়নত তেওঁৰ বিশেষ অধিকাৰ।

ভাৰতৰ কবি-সাহিত্যিকৰ লগত সদ্ভাৱ-সম্প্ৰীতি ৰক্ষা কৰি থকা জাৰ্মান কবি দেয়ন হিমাৰিং আৰু শ্ৰীমতী ৰোথা হিমাৰিঙে এদিনা

সান্ধ্যভোজনলৈ নিমন্ত্রণ জনালে। কমিউনিস্ট ভাব আৰু ট্রেড ইউনিয়নৰ লগত সম্পর্ক থকা বাবে হিটলাৰী শাসনৰ সন্দেহৰ পাত্র হৈ হিমাৰিং দেশান্তৰী হয়, চেকোশ্লোভাকিয়া, ফ্রান্চ, পেলেস্টাইন আৰু শেহত অক্সফোর্ডত প্রবাস খাটি ১৯৪৭ চনতহে তেওঁ ড্রেছডেনলৈ ঘূৰি আহিব পাৰে। দেশলৈ আহি তেওঁ পোনতে Deutschen Schrifstellerverbandes কাগজৰ সম্পাদক হয় আৰু কিছু কাল ইন্স্টিটিউট ফিঅৰ লিটাৰেটুৰৰো অধিকর্তা হয়। হিমাৰিঙে উপন্যাস আৰু কবিতাৰ বাহিৰেও শিশুৰ বাবে গল্প লেখে। মায়াকভস্কিৰ জীৱন আৰু কোৰিয়াত ভ্ৰমণৰ কাহিনীৰ পুথি দুখনি দেখুৱালে আৰু তেওঁৰ শেষ কবিতাৰ পুথি Das Mass der Zeit-ৰ একপি উপহাৰ দিলে যেতিয়া মই পুথিখনৰ দুটামান শাৰী অনুবাদ কৰাত লাগিলো। এই অনুবাদৰ কথা লৈ হাঁহি-খেমালি হ'ল। হাংগেৰি দুৰকাৰৰ উপহাৰ-ৰূপে পোৱা গ্রামোফোন ৰেকর্ডৰ টোপোলাৰ ওপৰত ইংৰাজী-জার্মান অভিধানৰ সহায়ত মই ইংৰাজীৰ Glass with care কথাটো জার্মানত লিখিবৰ যত্ন কৰোঁতে লিখিলো: Glas mit sorge আৰু এই খণ্ডবাক্যটোৰ অর্থ হ'লগৈ Glass with sorrow তেতিয়া নিজৰ ভুল শুধৰাই অৱশেষে লেখিলো: Forsicht! Glas!! কবিতাৰ অনুবাদ সদায় বৰ আহুকলীয়া। এনেতে হোৰাই ফুল-জালি কটা পিঠি খজুওৱা যতন এটি উলিওৱাত ৰবীন্দ্রনাথৰ কথা এআৰাৰ মনত পৰিল—পিঠিত খজুৱতি উঠিলে আনৰ হতুৱাই খজুওৱা যেনে কথা, অনুবাদৰ যোগে কবিতাৰ ৰস গ্রহণ কৰাও তেনে কথাই। হিমাৰিঙে নিজৰ দুটা কবিতা আবৃত্তি কৰি তাৰ অনুবাদ শুনালে। তেওঁৰ অনেক কবিতাতে সমাজবাদী বাস্তৱবাদ আৰু সমবায় কৃষি আদি হ'ল বিষয়-বস্তু। আমি কথা পাতি থাকোঁতে হোৰাই মাজে মাজে খাদীক জোকাই আছিল আৰু হিমাৰিঙে হাঁহি হাঁহি উত্তৰ দিছিল। মই বুজিলো, "বাৰু তোমাৰ নতুন কবিতাৰ কথা বুজিলো, হোৰা গাভৰু আৰু এতিয়াতকৈ

বহুত ধুনীয়া থাকোঁতে প্ৰেমৰ কবিতা লেখা নাছিলানে?" "তেতিয়া আৰু ক'ত প্ৰেমৰ কবিতা লেখোঁ? চুমা-চুমিতেই গ'ল। বিয়াৰ পিছত এটা লেখিছিলো এওঁ গৰ্ভৱতী থকা অৱস্থাত। উস্ কি ক'ম। সমালোচকবোৰেযে মোক কি জেক্‌জেকাই নধৰিলে!!"

জাৰ্মান একাডেমি অব্ ছায়েন্‌চৰ ইন্‌ষ্টিটিউট অব্ হিস্টৰিৰ ডক্টৰ হৰ্স্ট্ ক্ৰুএগাৰক লগ পালো মোক অতিথি ৰাখোঁতা সংস্কৃতি মন্ত্ৰণালয়ৰ সংস্কৃতি আৰু আন্তৰ্জাতিক অতিথি বিভাগৰ কক্ষত। ১৭০০ চনতে প্ৰুছিয়াৰ ৰজাই একাডেমিটো প্ৰতিষ্ঠা কৰে, আজি তাত বিজ্ঞান আৰু কাৰিকৰিৰ দুহেজাৰ আৰু মানৱতত্ত্ব অৰ্থাৎ কলা বিভাগৰ এহেজাৰ বিভিন্ন থাপৰ কৰ্মী। একাডেমিৰ অধীনত বুৰঞ্জী, ভাষাতত্ত্ব, সাহিত্য, বিজ্ঞান, প্ৰাচীন ইতিহাস অৰু প্ৰত্নতত্ত্ব, দৰ্শন, অৰ্থবিজ্ঞান আদিৰ সুকীয়া সুকীয়া ইন্‌ষ্টিটিউট। বুৰঞ্জীৰ ইন্‌ষ্টিটিউটটো স্বতন্ত্ৰ এক অনুষ্ঠান। সমাজবাদী দৃষ্টিভংগিৰপৰা বাৰখন প্ৰস্তুত ভাগ কৰি জাৰ্মানীৰ ইতিহাস লেখাৰ আয়োজন চলিব লাগিছে। ইন্‌ষ্টিটিউটৰ ভাৰতীয় ইতিহাসৰ বিভাগত কৰ্মীৰ সংখ্যা ছয়। ডক্টৰ ক্ৰুএগাৰ ১৯৫৯ চনত গুৱাহাটীত সৰ্ব ভাৰতীয় কংগ্ৰেছ মহাসভা হোৱা সময়ত অসমতে আছিছিল।

পূৰ্ব বাৰ্লিনৰ হম্‌বল্ট বিশ্ববিদ্যালয়ৰ **Sektion Asienwissenschaften** অৰ্থাৎ এছিয়া-তত্ত্বৰ বিভাগলৈ গৈ বৃদ্ধ প্ৰাচ্যতত্ত্ববিদ পণ্ডিত ডক্টৰ ৰুবেনক লগ নাপালো, পালো ইণ্ডোনেছিয়া বিষয়ৰ সৰ্বাগ্ৰণ্য পণ্ডিত ডক্টৰ কুৰ্ট হুবেৰক। বিভাগটোত ভাৰততত্ত্ব (সংস্কৃত, বঙলা, উৰ্দু, হিন্দী আৰু তামিলৰ শিক্ষা বৰ্তমান চলিছে), চীনতত্ত্ব, জাপান-তত্ত্ব, আৰব, আফ্ৰিকা, ইন্দোচীন, ভিয়েটনাম, কোৰিয়াৰ ভাষাৰ অধ্যয়ন আছে। হুবেৰেৰে ইণ্ডোনেছিয়াৰ বিষয়ে কথা চলিল। মই সুধিলো, ইণ্ডোনেছিয়া শব্দটোৰ অৰ্থ জানো দ্বীপময় ভাৰত বুজায়? তেওঁ ক'লে, হয়, বাৰ্লিনীয়াৰ মাজে একজন ইউৰোপীয়ই এই নাম উলিয়ায় আৰু পিছে চলি যায়। এসময়ত

দেশখনক নেদাৰলেণ্ড ইণ্ডিয়া বোলা হৈছিল। সি দেশত ভাৰতীয় উপনিৱেশ স্থাপন প্ৰথম শক্তিকাৰপৰাই আৰম্ভ হয়। আজিও ৰামায়ণ-মহাভাৰতৰ নানা চমু তাণ্ডৱৰ ভাত চলে। ইণ্ডোনেছিয়াই ভাৰতৰপৰাই ইছলাম লাভ কৰে। তথাপিযে ভট্টৰ সুকৰ্ণ ই কয়, ভাৰতীয় সেই দেশলৈ অহাৰ আগতে তাৰ যি ৰূপ আছিল, সেয়েহে আজিও হ'ব লাগে !! সেয়া সম্ভৱ জানো ? অধ্যাপক হুবেৰে কথা-প্ৰসংগত ক'লে, "আমাৰ বিশ্ববিদ্যালয়ত আমি মাৰ্ক্সিস্ট দৰ্শন শিকাওঁ, অন্য দৰ্শন অধ্যয়ন কৰিলেও সমালোচনায়ে সৈতেহে কৰা হয়।"

সাহিত্যকৰ্মৰ লগত জড়িত বুলি কেইবাটিও প্ৰকাশক প্ৰতিষ্ঠানৰ ব্যৱস্থা যাতে চাব পাৰোঁ, তাৰো দিহা কৰা হৈছিল। লাইপ্‌জিগৰ ভেৰ্লাগ্ ফিলিপ্ ৰিক্লাম এনে এটি প্ৰতিষ্ঠাপন্ন প্ৰকাশ-প্ৰতিষ্ঠান। ৰিক্লামৰ ঘাই পৰিচালক টৈলাৰে কফিৰ মেজত বহি নানা প্ৰশ্নৰ উত্তৰ দিলে, নানা কথা জনালে। বিখ্যাত পেলিকানৰ নিচিনা পেপাৰবেকৰ কাৰণে বিখ্যাত প্ৰকাশকসকলৰ মাজত এই প্ৰতিষ্ঠান অতি পুৰণি। যোৱা এশ ছবছৰে ই পেপাৰবেক উলিয়াই আহিছে এস্থনি ফিলিপে ভাক প্ৰতিষ্ঠা কৰিবৰ দিন ধৰি। এতিয়ালৈকে দহ হেজাৰ প্ৰকাশন এওঁলোকৰ হৈছে, তাৰে কিছুৰ দহ লাখ পৰ্যন্ত কপি ওলাই গৈছে। হিটলাৰৰ যুদ্ধত বোমা পৰি সমস্ত প্ৰতিষ্ঠানটো নষ্ট হৈ যায়। প্ৰতিষ্ঠানৰ এজন ঘাই লোক পশ্চিম জাৰ্মানীলৈ গৈ তাত একে নামেৰে কিতাপ প্ৰকাশ কৰি আছে। কমিউনিস্ট দেশকেইখনৰ বাহিৰে অন্যত্ৰ বজাৰ পোৱাত সেই দেখি বৰ বাধা পৰে। তথাপি যোৱা পোন্ধৰ বছৰত এহেজাৰতো অধিক পুথি ৰিক্লামে উলিয়াইছে। পুৰণিৰ ভিতৰত ৰবীন্দ্ৰনাথৰ 'ৰাশিয়াৰ চিঠি'ৰ অনুবাদ Briefe uber Russland দেখা পালো। বৰ জাৰুৰ আৰু ধুনীয়া পৰিদৰ্শকৰ মন্তব্য বহীত কিবা লেখি দিবলৈ কোৱাত চমুকৈ লিখিলো, "অলপ পৰ ৰাখোন ৰিক্লামত থাকি কেনেকৈ এই প্ৰতিষ্ঠানে সমাজবাদী আদৰ্শ আগত ৰাখি প্ৰকাশনৰ এক ঐশ্বৰ্যপূৰ্ণ

ঐতিহ্য গঢ়ি তুলিছে, তাক দেখা পাই বিস্ময় মানিলো।" ডক্টৰ টেলাৰে ক'লে "এয়া হ'ল তোষামোদ।" মই ক'লো, "সত্যৰ তোষামোদ।"

ড্ৰেছডেনৰ ভেৰ ভেৰ্লাগ ডেৰ কুন্‌স্ট্‌ হ'ল আৰ্টৰ পুথিৰ প্ৰকাশক। এওঁলোকৰ প্ৰকাশিত পুথিৰ আধাৰো অধিক বাহিৰলৈ যায়— যুক্তৰাষ্ট্ৰ, ৰুছিয়া, চেকোস্লোভাকিয়া, স্পেইন, মেক্সিকো আদিলৈ। কোলোটাইপ নামৰ নতুন এক পদ্ধতিত চিত্ৰবোৰ ছপোৱা হয়, এই পদ্ধতিৰে ছটা সুকীয়া সুকীয়া ৰং এখন ছবিত পাব পাৰি। প্ৰতিষ্ঠানটিয়ে এতিয়ালৈকে ইউনেস্কোৰপৰা ১৬৪টা পুৰস্কাৰ লাভ কৰিছে। এওঁলোকে ঘাইকৈ পূৰ ইউৰোপৰ আৰ্টৰ পুথি উলিয়ায়। কিন্তু আন ঠাইৰ আৰ্টলৈকো চুৰাবত ডাং নিদিয়ে। দুকুৰি দুখন প্লেটেৰে ডক্টৰ হাৰ্মেন গোএৎস (এওঁ মোৰ আগতে সৰ্বভাৰতীয় প্ৰাচ্যবিদ্যা সম্মিলনৰ ললিত কলা শাখাৰ সভাপতি হৈছিল) আৰু মুল্ক ৰাজ আনন্দৰ 'ইণ্ডিশে মিনিআটুৰেন' (ভাৰতীয় চিত্ৰিকা) পুথিখনি অলপ দিন আগতে মাথোন প্ৰকাশিত হৈছে।

বাৰ্লিনৰ ভেৰ্লাগ ৰুক্ উণ্ড্ ভেল্ট্ চাবলৈ গৈ বৰ্তমান জাৰ্মান সাহিত্যৰ এটি ধুনীয়া আভাস পালো। তাৰ প্ৰধান কৰ্ল্ কুএচ্লাৰ আৰু এজন বণ্ডিয়াল ডেকাৰ বৰ্ণনাত এই আভাস অতি পৰিস্ফুট হৈ উঠিছিল। ৰংমন ডেকাই (নামটো মোৰ মনৰ সুৰুঙাই কেনিবা সৰি পৰিল)। তেওঁলোকে ৰবীন্দ্ৰনাথৰ কেইবাখনো কিতাপৰ তৰ্জমা ছপাই উলিয়াইছে। অলপতে ৰবীন্দ্ৰনাথ, তাৰাশংকৰ, মাণিক বন্দ্যোপাধ্যায়, ৰামানাৰায়ণ পাঠক, প্ৰেমচান্দ, যশপাল আদিৰ গল্পৰ অনুবাদৰ এটি সংকলন উলিয়াইছে, প্ৰথম তাঙৰণৰ চাৰি-পাঁচ হেজাৰ বিক্ৰী হৈ গৈছে, দ্বিতীয় তাঙৰণৰ আয়োজন চলিছে। কমলা মাৰ্কণ্ডেয়ৰ Handful of Rice, পিল্লাইৰ Chemen, এজন পাকিস্থানী লেখকৰ Murder of Aziz Khan আৰু হিন্দী কবিতাৰ সংকলন এখনিও ওলাব। ভাৰতীয় ভাষা জনা মানুহ বৰ কম

হোৱা বাবে সিবোৰৰপৰা পোনে পোনে ভাঙনি কৰাত বৰ অসুবিধা হৈছে। বংমনে ক'লে, এই প্ৰতিষ্ঠানৰ প্ৰকাশনবোৰত সমাজবাদী দৃষ্টি সৰ্বব্যাপী নহয়। কুএচ্লাৰে নতুন জাৰ্মান লেখাৰ বিষয়ে ক'লে, আজিৰ জাৰ্মান লেখকসকলে গজদন্ত মিনাৰত বহি নেলেখে। বনুৱা, খেতিয়ক, লেখক, সকলো লগ লাগি নতুন সাহিত্যৰ সৃষ্টি কৰিব লাগিব। এই উদ্দেশ্যে ১৯৫৯ চনত বিট্টেৰফেল্ড নামে ঠাইত কাৰখানাৰ বনুৱা আৰু আপোন গৃহত বহি কাম কৰা লেখকক একেঠাই কৰি কথা-বতৰা পাতি চিন্তা-ভাবনাৰ আদান-প্ৰদানৰ সুবিধা দিয়া হ'ল। ১৯৬৯-তো একে ঠাইতে দ্বিতীয় এখন একেধৰণৰ সম্মিলন বহিল। আদান-প্ৰদানৰ ফলত আজি নতুন এক সাহিত্যৰ জন্ম হৈছে। এই নতুন পদ্ধতি হ'ল "বিট্টেৰফেল্ড পথ"। এই পথে গৈ জীৱনক বেছি বহলকৈ, বেছি সূক্ষ্মভাৱে জানিবৰ সুবিধা হৈছে। এগৰাকী নতুন লেখিকা শ্ৰীমতী আন্না হেৰ্যাৰ্ছে তেওঁৰ শেষ পুথি Das Vertauen লেখাৰ আগতে কাৰখানালৈ গৈ তাৰ জীৱনটো উপলব্ধি কৰি লৈছিল। নতুন পদ্ধতিৰ এৰিক নয়েৎসৰ "পথৰ পাথৰ" সৰ্বজনৰ প্ৰিয় হৈ উঠিছে, তাৰ গল্পৰ বোলছবি কৰা হৈছে। এজন সাধাৰণ বনুৱা সমাজৰ জখলাৰ একেবাৰেই ওপৰ খাপলৈ উঠা ঘটনা লৈ সমাজৰ নতুন সম্বন্ধবোৰ বিশ্লেষণ কৰি লেখা হাৰ্মেন কান্টৰ "ডাই আউলা"ৰ চাৰি লাখ কপি একে চোঁচাতে শেষ হৈ গৈছে। এইটোও বিট্টেৰফেল্ড পথৰ ফল। পুথিখনৰপৰা মঞ্চ-নাটকো কৰা হৈছে। ভাৰ্নাৰ হেইডুছেকৰ উপন্যাসত, ক্ৰিস্টা উল্ফৰ "বিভক্ত স্বৰ্গ"ত বিভক্ত জাৰ্মানীৰ দুখ আৰু সমস্যাৰ কথা আছিছে। লাইপ্‌জিগৰ ইনষ্টিটিউট ফিৰৰ লিটাৰেটুৰৰ অধিকৰ্তা মেয়ৰাণ্টাৰ শৃঙ্কৰ "আমি বতাহৰ ধূলি নহয়"ত কেমিষ্টৰ সমস্যাৰ কথা কৈ কেনেকৈ কেমিষ্ট সৈন্যই অভিনৱ আজিৰ সমাজবাদী জীৱনৰ লগত নিজকে খাপ খুৱাইছে, তাক দেখুওৱা হৈছে। ব্ৰুনো আপিৎসৰ উপন্যাসত (ইংৰাজী অনুবাদ Naked among Wolves) হিটলাৰৰ কনচেণ্ট্ৰেচন ক্যাম্পৰ

বিভীষিকাৰ ছবি দাঙি ধৰা হৈছে। এটা সৰু ল'ৰাক এটা ছুটকেছত ভৰাই এক কেম্পৰপৰা আন এটালৈ নিয়া হৈছে। শেহত সি বক্ষা পৰি নতুন জীৱনৰ পোহৰলৈ ওলাই আহিছে। এইদৰে জীৱনটো-যে নিকম্মল্য তাকে দেখুওৱা হৈছে। সমস্যাৰ আলোচনা আৰু আৰ্ট দুই ফালৰপৰা উপন্যাসখনি অপূৰ্ব। এৰবিন ষ্ট্ৰিট্‌মেট্টাৰ বিখ্যাত খেতিয়কৰ জীৱন আৰু কৃষিৰ সমস্যাৰ চিত্ৰ লৈ তেওঁৰ Ox-driver নামৰ প্ৰথম উপন্যাসেৰেই বিখ্যাত হৈ উঠে। যুদ্ধৰ স্মৃতি ৰোমন্থন কৰা তেওঁৰ Der Ochsensutscher-অত সমবায় কৃষিৰ আদৰ্শ কলাসুলভ দক্ষতাৰে দাঙি ধৰা হৈছে।

বাৰ্লিনৰ ডেৰ কিণ্ডাৰবুক্‌ ভেৰ্লাগ হ'ল শিশুৰ বাবে সাহিত্য প্ৰণয়ন আৰু প্ৰকাশ কৰা এটি মহৎ প্ৰতিষ্ঠান। সংস্কৃতি মন্ত্ৰালয় আৰু শিক্ষা মন্ত্ৰালয়, ছয়ো কুৰি বছৰৰ আগতে এই প্ৰতিষ্ঠানকে নতুন সমাজবাদী আদৰ্শত শিশু-সাহিত্য সৃষ্টি কৰাৰ দায়িত্ব দিয়ে। প্ৰথম বছৰত ভেৰ্লাগে ৰুছ ভাষাৰ অনুবাদ আৰু বাৰ্টোল্ট ব্ৰেখ্‌টৰ এখন পুথি ধৰি মাথোন চাৰিখন কিতাপ উলিয়ায়। তাৰ পিছত পাঁচ বছৰে আঠৈকুৰিখনকৈ কিতাপ ওলায়, তাৰ এক-চতুৰ্থাংশ অনুবাদ, বাকীখিনি মূল জাৰ্মান। আজি ভেৰ্লাগ অতি কৃতকাৰ্য এক অনুষ্ঠান বুলি তাৰ প্ৰধান ক্ৰুএগাৰে গৌৰৱ কৰি আমাক ক'লে, "আমাৰ তিনিজনকৈ নবীন লেখকে ৰাষ্ট্ৰীয় পুৰস্কাৰ লাভ কৰিছে।" অনুষ্ঠানটিৰ কামৰ আঁচনি সম্পৰ্কে কেতিয়াবা বহলাই কোৱা যাব। তাক দেখি ভাব আজিৰ জাৰ্মানী যিমান শক্তিশালী, কাইলৈৰ জাৰ্মানী জ্ঞান-বুদ্ধিয়ে বহুতো গুণে অধিক শক্তিশালী হ'ব। কাৰণ, উঠি অহা চামক স্বাস্থ্যকৰ মানসিক খাদ্য দিবৰ এই যি আয়োজন, তাৰ তুলনা নাই।

৮ জুনৰ দুপৰীয়া বিদায়-বেলা। বাৰ্লিনৰ উন্টেৰ ডেৰ লিণ্ডেন হোটেলৰ বিৰাট সৌধৰ বাহিৰৰ বৈঠকখানাত মাজে মাজে বহি মাজে মাজে ইকাল-সিকাল কৰিছো। এগৰাকী মহিলাও মোৰ পিছে পিছে ইকাল-সিকাল কৰিছে। তেওঁৰ হাতত কাগজ-পত্ৰৰ

টোপোলা। এবাৰ চাৰি তলাৰ ওপৰৰ মোৰ কোঠালৈ যাওঁ বুলি লিফ্‌টত উঠিবলৈ গৈছো। এনেতে মহিলাগৰাকীয়ে 'গুট্ মৰ্গেন' অৰ্থাৎ 'সুপ্ৰভাত' বুলি নিজৰ পৰিচয় দিলে, তেওঁ পূব জাৰ্মানীৰ শক্তিশালী দৈনিক পত্ৰিকা Neues Deutchland-অৰ (নৱা জাৰ্মানী) প্ৰতিনিধি, মোৰে সাক্ষাৎ বিচাৰে। দুয়ো লাউঞ্জত বহিলো। মই জাৰ্মানীৰ মানুহৰ কৰ্মপ্ৰৱণতা, শৃঙ্খলাবোধ, ভদ্ৰতা, জ্ঞানস্পৃহা আদি সজ গুণেযে মোৰ মনত দ সাঁচ বহুৱাইছে, সেয়া ক'লো। জাৰ্মানীৰ প্ৰাচ্যবিদ্যাচৰ্চাৰ বাবেযে ভাৰত কিমান কৃতজ্ঞ, সেই কথাও ক'লো। কিন্তু সেইটো বিষয়ত আইদেউৰ বিশেষ অভিৰুচি দেখা নগ'ল। তেওঁ সুধিলে, নতুন সমাজবাদৰ ফল দেশখনত কেনেভাৱে মই দেখা পালো। মই ক'লো, সমবায় কৃষি, ৰাষ্ট্ৰৰ পৰিচালিত হাট-বজাৰ আদিৰ শ্ৰীবৃদ্ধিতে সেই ফল দেখা পাইছো আৰু অনুভৱ কৰিছো, দেশৰ নতুন ব্যৱস্থাই যেন সকলোকে অৰ্থনৈতিক স্বচ্ছলতা দি সুখী কৰিছে। মই বাখ্, বিথভেনৰ দেশীয়া মহান সংগীতকাৰসকলৰ প্ৰসংগ উলিওৱাত আইদেউ অলপ স্তম্ভিতই হ'ল। ক'লে, দেশত সিবোৰৰ বাহিৰেও জাজ্, পপ্ আদি সংগীতো আছে। অনুভৱ হ'ল, পুৰণি ধ্ৰুপদী জাৰ্মানীৰ পেটৰপৰা নতুন এখন জাৰ্মানী ওলাব খুজিছে। নে এই আইদেউ মাথোন জাৰ্নেলিস্টহে? তেওঁ সুধিলে, মই সমাজবাদী সংগীত ভাল পাইছোনে? মই ক'লো, প্ৰশ্নটো মোৰ কাৰণে দুৰূহ, কাৰণ মোৰ বিশ্বাস সংগীতৰ বিষয়-বস্তু পৰিবৰ্তন কৰিব পাৰি যদিও, ৰাজনৈতিক মতবাদেৰে সংগীত-কৌশল নিয়ন্ত্ৰণ কৰা টান কথা। এনেতে জাৰ্নেলিস্ট আইদেউৰ লগৰীয়া এজন বেহ থুলন্তৰ ফটোগ্ৰাফাৰ আহিল আৰু মোৰ অনুমতিৰে দুটা ফটো ল'লে। কিন্তু মোৰ ভহৰিৰেৰে আৰু জবানবন্দিৰে Neues Deutchland-অৰ কোনো সংখ্যা মই দেখা নাপালো। কাৰণ কেইঘণ্টামান পিছতে থন্‌কেন্ড এয়াৰপোৰ্টৰপৰা পূব জাৰ্মানী এৰিলো। ৰাইনভূমিৰ জয় হওক।

মুছাফিৰ: সাতপাহি গোলাপৰ দেশত

ৰোমানিয়াত মোক বাট-দেখুৱাওঁতা লিডা কনস্টাণ্টিনেস্কুৱে মোক বুখাৰেস্টৰ লোক-কলা সংগ্ৰহালয়ত এৰি থৈ গ'ল, আৰু মোৰ বন্ধু পেট্ৰে বডিয়ছে মোৰ দায়িত্ব ল'লে। এপদ এপদকৈ সংগ্ৰহালয়ৰ বস্তুবোৰ চাই ফুৰিছো। এমহলা শেষ কৰি আন মহলাৰ বৈঠকখানাত জিৰণি লৈছো। এনেতে সেই মহলাৰ বৰ্ষীয়া মহিলা-গৰাকী আহি ওচৰতে বহিল আৰু বডিয়ছেৰে কথা পতা আৰম্ভ কৰিলে। কথাৰ মাজত এটা শব্দহে মাথোন বুজিলো— মুছাফিৰ—মুছাফিৰ—মুছাফিৰ। বোধ কৰোঁ কৈছে, আলহী চাগৈ বহুত দূৰ বাট বুলি আহিছে, আলহীজন বৰ ওখ-পাখ, আলহীৰ থকাৰ সুবিধা হৈছেনে, আলহীয়ে আমাৰ দেশ ভাল পাইছেনে, ইত্যাদি। বডিয়ছে মাথোন ক'লে, বৰ্ষীয়াগৰাকীয়ে মোৰ বতৰা লৈছে আৰু বস্তুবোৰ চাবলৈ অহাত ৰং পাইছে। মই মাথোন 'মুল্‌চুমেস্ক্', 'লা ৰেভেডেৰে' (ধন্যবাদ, বিদায়) বুলি তুই মহলাত প্ৰব্ৰজন আৰম্ভ কৰিলো। আতিথ্যপৰায়ণ ৰোমানিয়ানসকলে সকলো ঠাইতে মুছাফিৰক একে আদৰ-আপ্যায়নেই দিছিল। হাংগেৰি আৰু পূব জাৰ্মানীতো তাৰ অভাৱ নহৈছিল।

সাতপাহি গোলাপ। জাৰ্মানীৰ ড্ৰেছডেনৰ হচ্‌শুলে ফিয়ৰ্ মুজিক অৰ্থাৎ সংগীত মহাবিদ্যালয়ৰ শ্ৰেণীত অসমৰ লোক-গীতিৰ বিষয়ে চমু এটা বক্তৃতা কৰিলো। তাৰ পিছত উঠিল প্ৰশ্নৰ জাউৰি। শেহৰ প্ৰশ্নটি হল লোক-সংগীতৰ বাদ্যবোৰ কি কি? মই ব্লেক-বোৰ্ডত শ্ৰেণী-বিভাগ কৰি বাদ্যবোৰৰ নাম দিলো আৰু দুটামান তাতৰ তাতৰ ছবি আঁকি দিলো লবা-ছোৱালীকৈ। 'বৰ ভাল উত্তৰ' 'বৰ ভাল উত্তৰ' বুলি সকলোৱে মেজত চকিয়ালে, মহাবিদ্যালয়ৰ অধিকৰ্তা

ডক্টৰ কএক্লাৰে বক্তাক ধন্যবাদ জনালে আৰু এক ছাত্ৰীয়ে সাতপাহি গোলাপ ফুলৰ এটি টোবা হাতত গুজি দিলেহি। এই সাতপাহি।

বুখাৰেস্টৰ লাইচিউল ডি কোৰিওগ্ৰাফি অৰ্থাৎ নৃত্যকলাৰ কলেজ চাবলৈ গৈছো। অধিকৰ্তা অধ্যাপক পেট্ৰে কৰ্পাভেই মই জানিব খোজা কথাবোৰ জনাই মোক লৈ গ'ল ক্লাছ-কমলৈ। মই কলেজ সোমোৱাৰ আগতে তেওঁ ভাতে পৰীক্ষা লৈ আছিল। এতিয়া অধ্যাপিকা এগৰাকীয়ে ছদল ছাত্ৰীৰ পৰীক্ষা লৈ আছে। তেওঁ এটা সংখ্যা কয়। পিয়ানোত সেইমতে এটা সুৰ বজাই দিয়া হয়। ছোৱালীহঁতে সেইমতে নৃত্যৰ ভঙ্গি দিয়ে। কিছুমান ভঙ্গি বাৰে বাৰে দিবলৈ দিয়া হৈছে। মোৰ অলপ আমনি লগাত কৰ্পাভেৰপৰা বিদায় ল'ব খুজিলো। তেওঁ ক'লে, 'ৰ'বা, পৰীক্ষাটো শেষ হওক।' অগত্যা বহিলো। আন কাম বিচাৰি নাপাই মোৰ লগত থকা দোবনীয়া লিভাক সুধিলো, 'পৰীক্ষাৰ্থিনী দল ছুটাৰ প্ৰত্যেকৰে কোনজনী উৎকৃষ্ট কোৱাঁচোন।' তেওঁ নোৱাৰোঁ বোলাত মই ক'লো, 'ভাওৰ দলটোৰ সকলোতকৈ ভাওৰজনী আৰু সৰু দলটোৰ সৰুজনীৰ বেলেৰিনা হ'বৰ গচ-পিত, কৌশল আৰু সম্ভাবনা আছে। বাকীবোৰৰ সিমান নাই।' এনেতে পৰীক্ষাৰ কাম শেষ হ'ল। ছোৱালীহঁত ভিতৰলৈ গ'ল আৰু মই বাছি উলিওৱা ছোৱালী দুজনীয়ে সাতপাহিকৈ গোলাপৰ ছুটা টোবা আনি মোৰ আৰু কৰ্পাভেৰ হাতত দিলেহি। লিভাই খেমালি কৰি কলে, 'তুমি এক্সপাৰ্ট।'

এগৰাকী মহান কলাকাৰৰ পত্নী বৃদ্ধা ভাতস জিয়াছু আৰু বৰ্তমান কয় এজন চিত্ৰকৰ চিউকুলেস্কুৱে নিমন্ত্ৰণ কৰিছিল তেওঁলোকৰ সান্ধ্য ভোজনলৈ। তেওঁলোকৰ কোঠাবোৰ উপচি আছে প্ৰাচীন কলাৰ নিৰ্দৰ্শনেৰে, বিশেষকৈ বিচিত্ৰভাৱে চিত্ৰিত মাটিৰ সাজ, আৰু কাঠ আৰু কাঁচত তোলা নানাবিধ ধৰ্মমূলক চিত্ৰ

(টেম্পেৰা পে লেম্ আৰু ষ্টিকৃলা ইকন্)। ভোজন আৰু আলাপৰ অন্তত চিউকুলেংকুয়ে তেওঁৰ এখনি বিখ্যাত চিত্ৰৰ এটা নকল আৰু ডাক্তৰনীয়ে প্ৰাচীন মোটিফ্ থকা এখনি থাল উপহাৰ দিলে আৰু তাতোকৈ ধুনীয়া বস্তু এটি দিলে—থালখন কাগজেৰে মেৰিয়াই ধুনীয়া জৰী এডালিৰে বান্ধি তাতে এপাহি এধানমান ফুল। মোৰ লগত যোৱা বন্ধুৰ দলটিয়েও আটাইতকৈ তাৰিফ কৰিলে এধানমানি ফুলপাহিকহে।

সঁচাকৈয়ে তিনিওখন দেশতে মাথোন দেখিলো, ফুল, ফুল, ফুল, ফুল, ফুলে মেলিলে পাহি। কোনেও ইয়াত চন্দ্ৰকুমাৰৰ কবিতা পঢ়িব নোৱাৰে, 'মানুহে ফুলৰ কি জানে আদৰ?' আৰু গৰু-ছাগলি এটা ক'তো দেখিবলৈ নোহোৱা বাটৰ দাঁতিত ভৰা-ভৰে, থোপা-থোপে ফুলি থকা ফুলৰ গাতো কোনেও লেখি থোৱাৰ প্ৰয়োজন নাই—'হাতো নেমেলিবি, ফুলো নিছিঙিবি, ক'ৰে বাটকৰা তই!' কোনেও বাটৰ মাজত থকা ফুলৰ শাৰীৰ এপাহ ফুলৰ এটা পাপৰিত হাত নলগায়। অথচ, সকলোৱে ফুল ইমান ভাল পায়, ফুল যেন তেওঁলোকৰ জীৱনৰ এটা অংগ। লাগ বুলিলে বাটে-পথে ফুলৰ পোহাৰী তোমালৈ বৈয়ে আছে। বুডাপেস্টত এটা ছবি-ঘৰত এজন প্ৰথম শ্ৰেণীৰ অভিনেতাৰ অভিনয় চাবলৈ গৈছো। দোৱনীয়া এডা ভাবিছে 'ৰবাঁচোন' বুলি বাটৰ দাঁতিৰ পোহাৰৰপৰা মেই-বেল ফুলৰ সৰু এথোকা আনি হাতত দিলে। মই ক'লো, 'তুমি বৰ সজ আৰু ধুনীয়া কাম কৰিলা দেই।' 'নাই, তেনেই সহজ আৰু সাধাৰণ ফুলহে।' মই ক'লো, 'ঠিক মোৰ ঘৰেই সাধাৰণ, মাথোন ইয়াৰ স্নিগ্ধ সুবাসকণিহে মোৰ নাই।' আমি হাঁহিলো। আনে ফুল ভাল পালেও এওঁলোকে বং পায়।

বুডাপেস্ট সোমোৱাৰ আগতে দেখিলো দৈনিক কাগজবোৰে ঘোষণা কৰিছে, হাংগেৰিত ক্ৰুহলিং, বসন্ত। কি অপূৰ্ব বসন্ত! চাৰিওফালে ফুল আৰু সুঘ্ৰাণ। পূব জাৰ্মানীৰ নেক্‌নেকীয়া ৰবৰুৰ

মাজতো ফুলবোৰ "বাদল শেষে যেন চামেলি কলিয়া" হোৱা নাছিল। ইংৰাজী কবিতাত মাথোন সকলো ফুল এতিয়া লাখে লাখে দেখা পালো—সেই বগা আৰু বেঙেনাবুলীয়া লাইলাক্, সেই হালধীয়া ৰঙা সুমথিৰা-বুলীয়া আৰু চিতৰা-পখৰা টিউলিপ, ফুলনি ভৰি ভৰি ফুলিছে। পিক্, আৰু এপ্ৰিকটৰ ডালবোৰ ফুলে ঢাকি পেলাইছে। আৰু কত কি। আন কি, লিণ্ডেন্-চেস্টনট গছেও গায়-মূৰে ফুল গুজিবলৈ পাহৰা নাই। ৰোমানিয়া সোমাইহে পিছে গম পালো, তাত বসন্তৰ প্ৰস্থান আৰু গ্ৰীষ্মৰ প্ৰৱেশ ঘটিছে। তাত এইবোৰ ফুলৰ পয়োভৰ নাই। কিন্তু ইয়াত 'ৰোজেছ, ৰোজেছ অল দ্য ৱেই' —ৰঙা গোলাপযে পাত ঢাকি এইদৰে ডাল ভৰি লাগে, আগতে দেখাই নাছিলো, বাটে বাটে মাথোন তেনে প্ৰাচুৰ্যৰ বিলাস। বুখাৰেস্টৰ গ্ৰাম-সংগ্ৰহালয়ৰপৰা বহিঃপৰিক্ৰমা মন্ত্ৰণালয়লৈ যোৱা বাটৰ সমান্তৰালে এক হ্ৰদৰ মাজত এটা বাট দেখুৱাই যেতিয়া মোৰ দোভাষীয়ে ক'লে, 'সেইটো বাটৰ নাম গোলাপ পথ' মই প্ৰোটেস্ট কৰি ক'লো, 'ইয়াত সকলো বাটেই দেখোন গোলাপ পথ!'

ভাৰত চৰকাৰৰ শিক্ষা মন্ত্ৰালয়ৰপৰা চিঠি আহিছিল, সিসকলে হাংগেৰি, পূব জাৰ্মানী আৰু ৰোমানিয়ালৈ "একজন সংগীততাত্বিক-লেখক-সমালোচক" পঠিয়াবলৈ ঠিক কৰিছে, মোক তাৰ বাবে সঁজাতী পাচিছে, আৰু তালৈ মোৰ সম্মতি লাগে। বজাই এনেকৈ ভাল দেখাত দোলা-ঘোঁৰাও নোহোৱাকৈয়ে এয়াৰ-ইণ্ডিয়াৰ উৰণ জাহাজত উঠি মেই মাহৰ দহ তাৰিখে দিল্লীৰপৰা মস্কো পালোগৈ প্ৰায় সাত ঘণ্টাত। তাৰপৰা হাংগেৰিয়ান আকাশপথৰ মালেভ জাহাজত উঠি হাংগেৰিৰ চাৰি বজাত তাৰ ৰাজধানী বুডাপেস্ট পালোগৈ। পিছদিনা পুৱায় আৰম্ভ হ'ল প্ৰাচ্যতাত্বিক, কবি-সাহিত্যিক সংগীত-নৃত্য-অভিনয়-কুশলসকলক লগ পোৱা, কলা, নৃত্য অভিনয় আদি চোৱাৰ চকা-ভিৰৰা লগা কাৰ্যসূচী। বৰ্তমান কাহিনীত পণ্ডিত-সাহিত্যিকসকলক এৰি কলা-জগতৰ কথাকে কওঁ।

এঘাৰ তাৰিখে হাংগেৰিয়ান নৃত্য-শিল্পী সম্থালৈ গ'লো। সম্থাৰ সম্পাদক কৰ্টভেলিয়েছ আৰু আন এজন বিশেষজ্ঞৰ লগত আলাপ চলিল। সম্থাৰ সকলো খৰচ চুৰকাৰে বহন কৰে, আন ফালৰপৰা তেওঁলোকৰ আয় ধৰিব লগীয়া নহয়। কৰ্টভেলিয়েছে ক'লে, তেওঁলোকৰ দেশৰ নৃত্যৰ দুটি প্ৰধান ধাৰা—বেলে আৰু লোক-নৃত্য, বেলে নৃত্যৰ আকৌ দুবিধ সুকীয়া দল—হাংগেৰিয়ান ৰাষ্ট্ৰীয় ওপেৰা আৰু পে'জ। বেলেৰ প্ৰচলন বৰ সণ্ঢালনীকৈ হয়। ৰুছিয়াৰ অনুপ্ৰেৰণাত অনেকবোৰ বেলে হৈছে, ৰুছ ওজা শিল্পী আৰু দেশীয় শিক্ষকসকলৰ যোগে প্ৰশিক্ষণ চলি আছে। তদুপৰি হাংগেৰিয়ান লেখকসকলৰ লেখাৰপৰাও বেলে ৰচনা কৰা হৈ আছিছে। এওঁ-লোকে ভাৰতীয় নৃত্য দেখিছে। অলপতে মাথোন কলাক্ষেত্ৰৰ ৰুক্মিণী দেবীৰ দল ফুৰি আছিছে এই দেশবোৰত। এওঁলোকৰ মতে ভাৰতীয় নৃত্যৰ মান অতি উচ্চ। কিন্তু মোৰ প্ৰশ্নৰ উত্তৰত ক'লে, ভাৰতীয় কৌশল পাশ্চাত্ত্য বেলেত প্ৰয়োগ কৰা সম্ভৱ নহয়। বেগাৰ্ট বাৰ্ক্ষি নামে এজন বেলজিয়ানে বেলেত ভাৰতৰ লোক-সংগীত সুমুৱাইছিল। কিন্তু বেলেৰ অংগসঞ্চালন বেলেৰ দৰেই থাকিব লাগিব। দিল্লীৰ সংগীত-নাটক অকাদমীৰপৰা নিয়া ৩২খন ফটোগ্ৰাফ লৈ ভাৰতীয় লোক-নৃত্য আৰু লোক-নাট্যৰ বিষয়ে এটি কথিকা আগ বঢ়ালো, তেওঁলোকৰ বিবিধ প্ৰশ্নৰ সমাধান দিলো। এটা প্ৰশ্ন হ'ল, কথাকলিত নৰ্তকী নাই কিয়? মই ক'লো, নাট্যশাস্ত্ৰৰ বিধানেই তেনে।

একেদিনা সন্ধিয়া গ'লো ৰাষ্ট্ৰীয় পুত্তলিকা মঞ্চত পুতলাৰ অভিনয় চাবলৈ। "বেবিলনত দেৱদূত" নামৰ নাটকৰ বিষয়টো বৰ শুক বিধৰ নহয়। কিন্তু পুতলাবোৰহে নতুন ধৰণৰ দেখিলো; একপ্ৰকাৰ অমাৰ্জিতই বুলিব পাৰি। সিবোৰ কাঠৰ আৰু আৱক্ষ মাথোন, সিহঁতক চলোৱা হয় হাতৰ মুঠিত লৈ। কিন্তু এই শ্ৰেণীৰ পুতলাৰ ঐতিহ্যৰ বাবেই তাক ৰক্ষা কৰা হৈছে। আমাৰ দেশত ভৱাৰ ধৰণ

তাৰ ওলটাটো। এইটো গ্ৰাম্য, এইটো দৃষ্টিকটু—এনে ধৰণৰ ভাওনা চিন্তাৰে আমি আমাৰ ঐতিহ্যক নেওচা দি আহিছো। জলকীয়াৰ জালেই যে তাৰ সোৱাদ, সেই ফকৰা পাহৰিয়ে যাওঁ।

পিছদিনা আবেলি গলো মঞ্চবিজ্ঞানৰ সংস্থালৈ। লগ পালো তাৰ অধিকৰ্তা ড° খেকেলিক। ১৯৫৭ চনত প্ৰতিষ্ঠিত এই সংস্থাৰ কাৰ্যৰ দুটা পৰ্যায়—তত্ত্বমূলক আৰু কাৰ্যকৰী গৱেষণাই এওঁলোকৰ প্ৰধান কাম। এটা বিভাগে বিশ্বৰ সকলো মঞ্চৰ ইতিহাস লৈ গৱেষণা কৰে আৰু সংগ্ৰহালয়ত সেই বিষয়ে সকলো খবৰ সংগ্ৰহ কৰি ৰাখে। সংস্থাৰ বাৰ্তা-বিভাগে হাংগেৰিৰ বিভিন্ন মঞ্চক অভিনয়-সম্পৰ্কীয় জ্ঞান যোগায়। সংগ্ৰহালয়ত ডাঙৰ ডাঙৰ অভিনেতা-সকলৰ ব্যক্তিগত সম্পত্তি, সাজ-পোছাক আদি ৰখা হৈছে। তেওঁ-লোকৰ গজীয়া উঁৰালত ক'ত কেতিয়া কালিদাসৰ "শকুন্তলা" বা ৰবীন্দ্ৰনাথৰ "ডাকঘৰ" অভিনীত হৈছিল তাৰো খবৰ আছে। খেকেলিয়ে কথা-প্ৰসঙ্গত ক'লে, ১৯৪৫ চনৰ স্বাধীনতা-লাভৰ আগতে বাৰ্টল্ট ব্ৰেখ্‌টৰ নাটক অভিনয় কৰা সম্ভৱ নাছিল, ১৯৬৫ চনৰপৰাহে তেওঁক হাঙ্গেৰিয়ে মুকলিভাৱে গ্ৰহণ কৰিছে।

বিখ্যাত এৰ্কেল ৰঙ্গমঞ্চত যোচেফ কাটোনাৰ নাটক "বাঙ্ক বান" চালো। কাহিনীটি পুৰণি বুৰঞ্জীৰপৰা লোৱা আৰু স্বদেশপ্ৰেমমূলক। যথেষ্ট সময় ধৰি হাত-চাপৰি বজাই বজাই অভিনেতা-অভিনেত্ৰী-সকলক জনোৱা আদৰ আৰু সন্মান মোৰ মনত অভূতপূৰ্ব যেন লাগিল।

১৩ তাৰিখৰ দিনা পূব এছিয়াৰ কলাসমূহৰ সম্পদ ৰক্ষিত থকা ফেৰেঞ্চ হপ্‌ সংগ্ৰহালয় দেখা পালো। ইয়াত মথুৰা আৰু গান্ধাৰ সম্প্ৰদায়ৰ ভাস্কৰ্যৰ নিদৰ্শন বহুতোখিনি আছে, যিবোৰৰ আগতে কিতাপত ছবি মাথোন দেখা পাইছিলো। সংগ্ৰহালয়ৰ বাহিৰত ভাৰত চৰকাৰে উপহাৰ দিয়া গান্ধীজীৰ আঠধকুৱা মূৰ্তি এটি প্ৰতিষ্ঠা কৰিবৰ আয়োজন চলিছে।

হাঙ্গেৰিত থকাতে আন দুজন সন্মানিত নাট্যকাৰ ইম্ৰে মাডাখ আৰু গ্যুলা ক্ৰুডিৰ নাটক "মোজেছ" আৰু "ৰেড পষ্টিলিয়ন" দেখা পালো। "মোজেছ"ত হাঙ্গেৰিৰ এজন শ্ৰেষ্ঠ আৰু বৃদ্ধ অভিনেতা ছিংকভিৎস আৰু "ৰেড পষ্টিলিয়ন"ত আন এগৰাকী সুঅভিজ্ঞ অভিনেতা ইভান ডাৰ্ৱাছ আৰু জনপ্ৰিয় বোলছবিৰ তৰুণী অভিনেত্ৰী জুডিত হলাছৰ অভিনয় দেখা পালো। এইদৰে মাথোন কেইদিনমান থকাৰ ভিতৰতে এইসকলৰ অভিনয় দেখা পোৱাটো ভাগ্যৰ কথা বুলিয়ে বন্ধুসকলে ঘোষণা কৰিলে।

* দিল্লী এবাৰ আগদিনা নেচনেল স্কুল অব্ ড্ৰামাৰ অভিনীত বার্টোল্ট ব্ৰেখ্‌টৰ বিখ্যাত নাটক "ড্ৰেইগ্ৰোছেনপেৰ" বা "থ্ৰী-পেনি ওপেৰা" দেখা পাইছিলো। নাটকখন উর্দু অনুবাদত লোৱা হৈছিল : কিন্তু তাৰ চৰিত্ৰবোৰ বিলাতৰ চৰিত্ৰ কৰিয়ে আৰু তাৰ গীতবোৰ পাশ্চাত্ত্য সংগীতৰ সুৰতে ৰখা হৈছিল। নাটকখন পৰিচালনা কৰিছিল জার্মানীৰ এখন অভিনয়-কলা মহাবিদ্যালয়ৰ অধিকর্তাই। ঠিক এইখন নাটককে ব্ৰেখ্‌টৰ নামৰ লগত জড়িত বিশ্ববিশ্ৰুত মঞ্চ বার্লিনাৰ আঁছাম্বলত জার্মান ভাষাত দেখা পালো। তদুপৰি য'ত বহিবলৈ পালো তাৰপৰা আঁৰকাপোৰ পৰি থকা অৱস্থাতো মঞ্চৰ ছেটিং পৰিবৰ্তন কৰা, অভিনেতা-অভিনেত্ৰীসকলে সাজ-পোছাক সলোৱা কাণ্ড দেখি আছিলো। যি শৃঙ্খলাৰে আৰু যিমান দ্ৰুতগতিৰে এই কাম কৰা হৈছিল, বাস্তৱিকতে সি চমকপ্ৰদ। একেটা মঞ্চতে ব্ৰেখ্‌টৰে আৰু এখন নাটক দেখিলো—"শ্বেইক্ ইম ম্বেইটেন ভেল্টক্ৰিগ্" অৰ্থাৎ 'দ্বিতীয় মহাসমৰত শ্বেইক্'। নাটকখনত দ্বিতীয় মহাসমৰৰ স্ৰষ্টা হিট্‌লাৰক আৰু তেওঁৰ জেন্টাপোক ব্যঙ্গ কৰা হৈছে। সাম্প্ৰতিক মঞ্চজগতৰ অদ্ভুত উদ্ভাৱন ব্ৰেখ্‌টৰ এইদৰে দুখন নাটক বার্লিনাৰ আঁছাম্ব্‌লত দেখা পোৱাটো ভাগ্যৰ কথা। তদুপৰি সমস্ত ইউৰোপত প্ৰভূত সন্মান লাভ কৰা অভিনেত্ৰী গিজেলা মেইৰ অভিনয় দেখা পোৱা অতি হৰ্ষদায়ক এক অভিজ্ঞতা। "ড্ৰেইগ্ৰোছেনপেৰ"খন এনিক

এংগেল্‌ছ নামে এজন সঞ্চালকে নতুন ৰূপ দি লৈছে। এই ৰূপান্তৰত নাটকখন পৰিচালনা কৰা ভাৰ্নাৰ হেখ্‌টৰ লগত প্ৰায় এঘণ্টা জুৰি আলাপ হৈছিল। তেওঁৰ দুটা কথা বিশেষ প্ৰণিধানযোগ্য। তেওঁ কৈছিল, এখন নাটকৰ আখৰা আৰম্ভ কৰোঁতে নাটকখনৰ চূড়ান্ত ৰূপটো পাইছিলো বুলি আমি ধৰি নলওঁ, আখৰাবোৰৰ পিছত মঞ্চত যেতিয়া থিয় হয় তেতিয়াহে নাটখনৰ আচল ৰূপ ওলাৰ। দ্বিতীয়তে তেওঁ ক'লে, সমাজৰ কাৰণেই নাটক। অভিনয় চাবলৈ আহোঁতে যদি দৰ্শকে পাঁচটা প্ৰশ্ন লৈ আহে, ঘূৰি যাওঁতে এঘাৰটা প্ৰশ্ন লৈ যোৱাটোকে আমি বিচাৰোঁ। বাৰ্লিনৰ মেট্ৰোপল থিয়েটাৰত দেখা পালো এখন সাংগীতিক নাটক এটা ভ্ৰাম্যমান অভিনেতা দলৰ কাহিনী লৈ। একেটা থিয়েটাৰতে "মাই ফেয়াৰ লেডি"ৰ মনোৰম জাৰ্মান ৰূপ দেখা পালো।

ৰোমানিয়াত প্ৰৱেশ কৰি জানিলো, যেনেকৈ ফুলাম বসন্ত আঁতৰি গৈছে তেনেকৈয়ে তাত অভিনয়, নৃত্য আদিৰ ঋতুও সমাপ্তপ্ৰায়। তথাপি তাৰ বুলাও। থিয়েটাৰত যোৱা শতিকাৰ জাৰ্মান নাট্যকাৰ বিখনাৰৰ ব্যঙ্গ নাটক "লিওন্‌ছ আৰু লেনা" আৰু নেচনেল থিয়েটাৰত ৰোমানিয়ান নাট্যকাৰ টিউডৰ মুছাটেস্কুৰ সামাজিক তাৎপৰ্যপূৰ্ণ "কোৱানা চিৰিংসা" দেখা পালো। প্ৰথমখন অভিনয় চাবলৈ গৈ দেখা পালো মঞ্চত দৃশ্যপট, উইংছ্‌ আদি গুচাই থোৱা হৈছে। অভিনেতা অভিনেত্ৰীসকলেও সাজসজ্জা মেকআপ আদি আধা কৰা আধা নকৰা অৱস্থাতে ঘূৰি ফুৰিছে, আন কি, প্ৰেক্ষাঘৰলৈ নামি আহি দৰ্শকৰ লগতো মেল পাতিছেহি। ঠিক যেন আমাৰ গাঁৱৰ কোনোবাটো নামঘৰত ভীমে উইংটাৰ হাতত লৈ তেওঁৰ শ্ৰীমতীৰ লগত (দ্ৰৌপদীৰ লগত নহয়, ঘৰৰ বৈণীৰ লগতহে) খকৰা কথা পাতিছে। অভিনয়ৰ শেষলৈকে ৰাজকুমাৰ লিওন্‌ছে কোনো ৰাজ-পোছাক পিন্ধা দেখা নগ'ল। সাধাৰণ কামিজ আৰু ট্ৰৌজাৰেই কাম চলি গ'ল। "কোৱানা চিৰিংসা" নাটকত ৰোমানিয়াৰ এটি লোক-

নৃত্য দেখা পাই ভাল লাগিল। নৃত্যটিৰ পৰিৱেশ আমাৰ হুচৰিৰ দৰে –নতুন বছৰৰ দিনা গঞা ডেকাহঁতে জন্তুৰ মুখা আদি পিন্ধি মানুহৰ ঘৰে ঘৰে নাচি গাই ফুৰে। গৃহস্থই দলটোক টকা-পইচা, পিঠা-পনা, বস্ত্ৰ আদি দি মান ধৰে।

ওপেৰা অৰ্থাৎ গীতিনাটকৰ ঐতিহ্য মই দেখা তিনিওখন ৰাজ্যতে প্ৰবল। বুডাপেস্টৰ ৰাষ্ট্ৰীয় অপেৰা গৃহত বিখ্যাত জাৰ্মান সংগীতকাৰ (কম্পোজাৰ) হাণ্ডেলৰ ৰচিত সুৰসম্বলিত "ৰোডেলিণ্ডা" নাটক, জাৰ্মানীৰ অন্তৰ্গত লাইপ্‌জিগৰ ওপেৰাগৃহত "আইন মাস্কেনবল" অৰ্থাৎ "মুখা পিন্ধা নাচ" দেখা পাইছিলো। বেলে নাটকৰ বিষয়ত আজিও ফ্ৰান্সেই সকলো অনুপ্ৰেৰণাৰ গুৰি। য'তেই বেলে আৰু বেলে শিক্ষা আছে, ত'তেই তাৰ পৰিভাষা ফৰাচী-ভাষা-সম্ভূত। কিন্তু বেলে নৃত্যৰ সৌন্দৰ্য আৰু মহত্বৰ বিষয়ত আজি ৰুছিয়াই আগ শাৰী লৈছে। ৰুছিয়াৰ চাইকোভ্‌স্কি বেলে জগতৰ আটাইতকৈ সুমধুৰ নাম। চাইকোভ্‌স্কিৰ ৰচিত সংগীতৰ বেলে নাটক আৰু বেলেৰ কৌশল দেশে দেশে সাদৰে গৃহীত হৈছে। তেওঁৰ আটাইতকৈ প্ৰখ্যাত নাটক "ৰাজহংস-হ্ৰদ" লাইপজিগৰ বৃহৎ ওপেৰাগৃহত আৰু তেওঁৰে আন এখনি বেলে নাটক "অৰণ্যপ্ৰান্তত শায়িতা সুন্দৰী" বুখাৰেস্টৰ ওপেৰা ৰোমেনাত মনোৰম নৃত্যাৱলীৰে দেখা পালো। ইয়াৰ উপৰি পুৰণি সাধু আৰু কাহিনীৰ সম্বলেৰে বুখাৰেস্টত "নাটক্ৰেকাৰ" আৰু "স্পাৰ্টেকাছ্", ড্ৰেছডেনত "গিজেলা" আৰু বাৰ্লিনত "গাজানেহ" দেখি ৰাষ্ট্ৰৰ উদ্যোগত বেলে-কলাৰ কেনেভাৱে উত্তৰোত্তৰ উন্নতি হৈছে সুন্দৰভাৱে দেখা পালো।

অৰ্কেষ্ট্ৰা, কিম্বা হাৰ্মোনিক, ঐক্যতান বাদন, সমস্বৰ সংগীত আদিৰ বাবে সুকীয়া ঘৰ আছে। সংগীতৰ মাধুৰ্য পান কৰিবলৈ যোৱা মানুহৰ টিকটৰ ওপৰত হেতা-ওপৰা লাগে। এদিন সন্ধিয়া অষ্ট্ৰিয়াৰ-পৰা অহা এক গীতালৰ দলৰ গীত শুনিবলৈ গৈ পাওঁ, চৰকাৰৰ ৰবৰপৰা খবৰ পঠাওঁতে বিজুটি হোৱা বাবে আমাৰ বাবে কোনো

টিকট নাই। অধিকৰ্তাই মুছাফিৰক সুদা মুখে ঘূৰাই নপঠাওঁ বুলি ভাবি আমাক মঞ্চৰ পিছফালে চকি দি তাতে বহিবলৈ দিলে। প্ৰেক্ষাগৃহৰ সকলো চকু আমাৰ ওপৰত। তাৰ ফলত আমাৰ শৰীৰ অৱ-ঘাঁমে ঘামিবলৈ ধৰিলে। ভাগ্যে মাজৰ বিৰতিৰ সময়ত প্ৰেক্ষা-গৃহৰ তুখনমান চকি আজৰি হ'ল। তেতিয়াহে আমাৰ ঘাম শাম কাটিলে। বুডাপেস্টৰ নেচনেল থিয়েটাৰৰ জৰিয়তে এদিন সন্ধিয়াৰ আয়োজন হ'ল এটি হাংগেৰিয়ান লোক-নৃত্যৰ—সৈনিকৰ নাচ শাৰ্ডা, ভেৰাৰখীয়াৰ নাচ, চাবুক-ধৰাৰ নাচ, মূৰত বটল লৈ নচা নাচ, ইত্যাদি। লগতে অৰ্গেনৰ নিচিনা কিন্তু গাঁৱে-ভূঁয়ে প্ৰচলিত চিম্বলন বাদ্যৰ লগত বজোৱা অৰ্কেষ্ট্ৰা।

আমাৰ চিনেমাৰ হেকেও মোৰ নিচিনাকৈ এদিন দেখা পালো নিশা হাবে ন বজাত টাণ্ডাৰিকা থিয়েটাৰৰ "নৈশ আয়োজন" যথেষ্ট খ্যাতি-সম্পন্ন এক যুৱক আৰু এক যুৱতীৰ আধুনিক নৃত্য আৰু তাৰ মাজে মাজে লোকপ্ৰিয় মঞ্চ অভিনেতাৰ কবিতা-আবৃত্তি। কিন্তু এই নিশাখন কিয়? 'যেতিয়া মানুহৰ টোপনি যায়, তেতিয়া পুতলা-বোৰ সাৰ পাই উঠে নিজৰ কামৰ বাবে'—এয়ে হেনো প্ৰশ্নৰ উত্তৰ। এদিন পুৱাতে মোৰ বন্ধু পেট্ৰে বৰ্তিয়েছে আন বন্ধু-বান্ধৱী একাকেৰে মোক লৈ গ'ল বুখাৰেস্ট টেলিভিজন কেন্দ্ৰলৈ আৰু এটি ষ্টুডিওলৈ। আমাক অলপতে ব্ৰডকাস্ট দ'ব লগীয়া তেওঁৰ প্ৰগ্ৰেম দেখুৱালে। তেওঁ সুদক্ষ নৃত্যকাৰ—বিশেষকৈ লোকনৃত্যত তেওঁৰ দখল বৰ বহল। অলপ দিনৰ আগতে মাথোন তেওঁ ভাৰতৰ বিবিধ স্থানত তেওঁৰ নৃত্য প্ৰদৰ্শন কৰি দৰ্শকক মুগ্ধ কৰি থৈ গৈছে। আন এদিন সন্ধিয়া বৰ্তিয়েছৰ থিয়েটাৰ পেৰিনিংসাৰ যোগে আয়োজিত ৰোমানিয়াৰ অপূৰ্ব লোকগীত শুনিলো আৰু অতি মনোৰম লোকনৃত্য দেখা পালো নৱ-নিৰ্মিত ছায়া পালা টুলুইত। তাতে দুটি নৃত্য আমাৰ বন্ধুৰৰৰ ৰচনা। সকলোখিনি গীত-নৃত্যতে এক অদম্য অথচ মনোহৰ প্ৰাণপ্ৰাচুৰ্য। ৰোমানিয়াৰ ঐতিহ্যপূৰ্ণ সাজ-কাপোৰ যেন

কোনোবা মহাৰজা-মহাৰাণীহে। লোকসংগীত আৰু লোকনৃত্যৰ এই নৱ জাগৰণে ৰোমানিয়াক বিশ্বৰ দৰবাৰত এখনি ওখ আসন দিব এই বিশ্বাস হ'ল।

হাংগেৰিৰ পুতলা-নাটকৰ কথা আগতে কৈ আহিছো। এই কলা বিশেষকৈ ৰুছিয়াত অতি উন্নত পৰ্যায়ৰ হৈ উঠিছে। আমাৰ দিল্লী ছহৰতে ৰুছ পুতলা নাচ দেখা পাই স্তম্ভিত হৈছিলো। বুখাৰেস্টৰ টাণ্ডাৰিকা পুত্তলিকা মঞ্চৰ অধিকৰ্ত্তা মাৰ্গাৰেটা নিকুলেস্কুৰ ওচৰলৈ লৈ গ'ল দোভাষী লিডাই। শ্ৰীমতী নিকুলেস্কুৱে যোৱা মাৰ্চত মাথোন লক্ষ্ণৌ, জয়পুৰ, দিল্লী, বোম্বাই ঘূৰি আহিছে। তেওঁ ক'লে, "ভাৰতৰ মানুহবোৰ আৰু ভূমিও বৰ ভাল, বৰ মৰম লগা।" মই সুধিলো, "ভাৰতক আপুনি বৰ ভাল দেখিলেনেকি ?" তেওঁ একে-আষাৰে কৈ উঠিল, "ভাল দেখাৰ কথাহেনে ? মই ভাৰতবৰ্ষৰ একেবাৰেই প্ৰেম-মুগ্ধ।" তেওঁৰ মঞ্চটিৰ বয়স এতিয়া কুৰি বছৰ। এই কুৰি বছৰেই ৰাষ্ট্ৰৰ যত্নত সি উন্নতি কৰিছে। বছৰি ইয়াত ৬০০ বাৰ পুতলা নাটক হয় আৰু দৰ্শকৰ মুঠ উপস্থিতি হয় ছুই লাখ। ডাঙৰৰ বাবে ছুই এখন হ'লেও প্ৰায়বোৰ নাটেই শিশুৰ বাবেহে। এতিয়াযে পুতলাৰ বতৰ অন্ত হ'ল, এই ছুখৰ বাতৰি দি তেওঁ ক'লে, তেওঁলোকে অলপতে হলেণ্ডলৈ পঠিয়াবলৈ কেইমিনিটমান পাছৰেপৰা কেইখনমান পুতলা নাট মঞ্চত পৰীক্ষা কৰি চাব। আৰু ক'লে, মোৰ মন থাকিলে ময়ো তাকে চাবলৈ যাব পাৰোঁ। বিনা বাক্যব্যয়ে প্ৰেক্ষাগৃহত উপস্থিত হ'লো। আমি মাথোন চাৰিজন দৰ্শকৰ সমুখত পুতলাৰ অভিনয় চলিল। তিনিখন নাট চায়ে অৱশেষে মই হোটেললৈ ঘূৰি আহিলো, কিন্তু মনত তিনিওখন নাটৰ সাঁচ বহি ৰ'ল। এইদৰে লোক-কলাৰযে কি অভিনৱ উৎকৰ্ষ সাধন কৰা হৈছে, ভাবিলে অভিভূত হ'ব লাগে।

পূব জাৰ্মানীত শিশুৰ বাবে মঞ্চ-অভিনয়ৰ বিশেষ আয়োজন এটিয়েই গঢ় লৈ উঠিছে। বাৰ্লিন, লাইপ্‌জিগ, হালে, ড্ৰেছ্‌ডেন, আৰু মাৰ্ডেবাৰ্গ ছহৰত এনে পাঁচটি ৰংগ-মঞ্চ কৰা হৈছে ১৯৪৫ চনৰ

পিছত। এই মঞ্চবোৰৰ অভিনয়ৰ দৰ্শক হ'ল ৬অপৰা ১০, ১০ৰপৰা ১৪ আৰু ১৪ৰপৰা ১৮ বছৰ—এই তিনিটা বয়সৰ জোখৰ ল'ৰা-ছোৱালী। কিন্তু অভিনেতা-অভিনেত্ৰীসকল ডাঙৰৰ ডাঙৰ বয়সৰ। প্ৰথম থলপাৰ বাবে সাধুকথা, দ্বিতীয় থলপাৰ বাবে দুঃসাহসিক কৰ্মৰ কাহিনী আৰু তৃতীয় বয়সৰ জোখৰ বাবে শেক্‌ছপিয়েৰ, মলিয়েৰ আদি নাট্যকাৰৰ নাটৰ লঘু ৰূপৰ অভিনয় হয়। আমাৰ দেশত শিশুসকলক উপযুক্তভাৱে এইদৰে একেলগে আমোদ আৰু শিক্ষা দিবৰ ব্যৱস্থা কেতিয়াৰপৰা হ'ব ?

সংগীত, নৃত্য, বেলে নৃত্য আৰু মঞ্চ কলা—এই সকলোবোৰৰ বৈজ্ঞানিক পদ্ধতিৰে শিক্ষাদানৰ দায়িত্ব কেয়োখন দেশতে ৰাষ্ট্ৰই গ্ৰহণ কৰিছে। বিশেষকৈ ১৯৪৫ চনৰ পিছৰপৰা সমাজবাদ-প্ৰচলনৰ আপাহতে ওপৰত উল্লেখ কৰা আৰু নকৰা ধৰণৰ শিক্ষানুষ্ঠান চাৰিওফালে প্ৰতিষ্ঠিত হৈছে। হাংগেৰিৰ কম্পোজাৰ বেলা বাৰ্টোক আৰু জোল্টান কডাইৰ সংগীত শিক্ষাপদ্ধতি এনে উন্নত পৰ্যায়ৰ হৈছে যে জাপান আৰু কানাডাৰ নিচিনা দূৰৰ দেশেও হাংগেৰিলৈ সেই পদ্ধতি শিকিবৰ বাবে প্ৰশিক্ষণাৰ্থী পঠাইছে। পূব জাৰ্মানীৰ হকৃষ্‌লে ফিয়ৰ্ মুজিক নামৰ সংগীত শিক্ষানুষ্ঠানবোৰ সৰ্বপ্ৰকাৰে একোখন বিশ্ববিদ্যালয়ৰ সমকক্ষ। তাৰ অধ্যাপকসকলৰ অনেকজন বিশ্ববিদ্যালয়ৰ ডক্টৰ উপাধিধাৰী। এই হকৃষ্‌লেৰপৰা ডিপ্লোমা লৈ ওলোৱা গ্ৰেজুয়েটসকলে (যাক আমাৰ বিশ্ববিদ্যালয়ৰ নিচিনাকৈ কোনো ডিগ্ৰী দিয়া নহয়) বিভিন্ন অপেৰা-গৃহত, মঞ্চত, বেলে-গৃহত আৰু অৰ্কেষ্ট্ৰাবিলাকত গায়ক, বাদ্যকাৰ, কণ্ডাক্টৰ আদি ৰূপে সকলো বছৰ কাম পাবই। কাৰণ, এইবিলাক দেশত সংযোজিত অৰ্থব্যৱস্থা (প্লেণ্ড ইকনমি) চলিছে ; বিদ্যালয়ত ভৰ্তি হোৱা প্ৰতিজন শিক্ষাৰ্থীৰ বাবে কামৰ দিহা আগতেই কৰা আছে। গীত-নৃত্য আদিক জীৱিকাৰূপে লোৱাসকলৰ সন্মান ডাক্তৰ অধিকাৰ বা কোনো মন্ত্ৰীতকৈও কোনো গুণে কম নহয়।

বাৰ্লিনৰ ৰাষ্ট্ৰীয় মঞ্চশিক্ষা বিশ্ববিদ্যালয়ত তিনি-বছৰীয়া পাঠ্যক্ৰম চলে। পাঠ্য বিষয়—অভিনয়, বক্তৃতা, ভাষা-প্ৰয়োগ, কণ্ঠসংগীত আৰু যন্ত্ৰসংগীত, আৰু এক পৰ্যায়ত ব্যায়াম, ক্ৰীড়া, কলা, শাস্ত্ৰীয় আৰু আধুনিক নৃত্য, মূক অভিনয়, অসিযুদ্ধ, সন্তৰণ, অশ্বাৰোহণ, শাৰীৰিক কৌশল। তৃতীয় এক পৰ্যায়ত পাঠ্য হ'ল দৰ্শন (দ্বন্দ্বাত্মক ভৌতিকবাদ), ৰাজনৈতিক অৰ্থবিদ্যা, বৈজ্ঞানিক সমাজবাদ, নন্দনতত্ত্ব, সংস্কৃতি আৰু মঞ্চৰ ইতিহাস, স্বৰবিজ্ঞান আৰু সাজ-সজ্জা। ছমাহ জোৰা পৰীক্ষাৰ মাজেদি পাঁচৰপৰা সাতশৰ ভিতৰত প্ৰৱেশপ্ৰাৰ্থীৰ মাজৰপৰা ত্ৰিশজনক ভৰ্তি কৰা হয়, কিন্তু শেষ পৰীক্ষাত পঁচিশ-ছাবিশ জন ছাত্ৰ উত্তীৰ্ণ হৈ ওলাই আহে।

লাইপ্‌জিগৰ গ্ৰোছেজ ওপেৰ হাউছ বা বৃহৎ ৰংগমঞ্চৰ ভিতৰ-বাহিৰ দেখি স্তম্ভিত হৈছিলো। ১৯৬০ চনত মাত্ৰ ৪৫ নিযুত জাৰ্মান মাৰ্ক খৰচ কৰি এই থিয়েটাৰ প্ৰতিষ্ঠা কৰা হৈছে। ইয়াৰ মঞ্চকলা ইমান উন্নত যে পৃথিৱীৰ সকলো ডাঙৰ দেশেই ইয়াত শিক্ষা ল'বলৈ মানুহ পঠায়। মঞ্চৰ টেকনিকেল ডিৰেক্টৰ ড° কেইজাৰে ঘূৰাই ঘূৰাই মঞ্চটোৰ সকলো কথা আৰু যান্ত্ৰিক ব্যৱস্থা দেখুৱালে। প্ৰধান মঞ্চটো বহলে ৯০ ফুট আৰু ওখয় ৯০ ফুট। ঘূৰণ মঞ্চাংশৰ ব্যাস ৫০ ফুট আৰু সমুখৰপৰা পিছফালৰ বেৰলৈ গভীৰতা ১৫৬ ফুট। মঞ্চৰ মুখ ভাগ ওপৰলৈ তুলি নিবলৈ আৰু মাটিৰ তললৈ সুমুৱাই নিবপৰা ব্যৱস্থা আছে। তদুপৰি চিৰিৰ সহায়েৰে কাৰৰপৰা একোটা দৃশ্যৰ বাবে সজোৱা সম্পূৰ্ণ এক ছেটিং বিজুলিৰ সহায়েৰে মঞ্চলৈ লৈ আহিব পাৰি। মঞ্চৰ সংলগ্ন হৈ নৃত্য, অভিনয় আদিৰ বাবে কেইবাটাও আখৰাৰ ডাঙৰ ডাঙৰ কোঠা আছে। অৰ্কেষ্ট্ৰাৰ আখৰাৰ ডাঙৰ কোঠাটোত একে লগে ১৮৬ জন বাদ্যকাৰ বহি আখৰা কৰিব পাৰে। মঞ্চৰ স্পটলাইটৰ সংখ্যা ২৪০, আনবোৰ লাইট ধৰি লৈ মুঠ ৩৫০টা লাইটৰ কাম তাত চলে। প্ৰেক্ষাগৃহৰ পিছফালে ওপৰত কন্ট্ৰোল-ৰুম। তাৰপৰা

মঞ্চৰ লাইট আদি নিয়ন্ত্ৰণ কৰা হয়। কণ্ট্ৰোলৰ মানুহে মঞ্চৰ সকলো কাণ্ড দেখা পাই থাকিবৰ কাৰণে আকৌ টেলিভিছনৰ ব্যৱস্থা আছে। কেইবাঠাইতো কেইবাটাও টেলিফোন দেখা পাই ড° কেইজাৰক সুধিলো, মুঠতে কেইটা টেলিফোন আছে। তেওঁ হাঁহি হাঁহি ক'লে, "ও, তুমি দেখোন এমেৰিকানবোৰৰ দৰে প্ৰশ্ন কৰিছা?" মই ক'লো, "কিয় নকৰিম, আমাৰ একোখন নগৰতে ইমানবোৰ টেলিফোন নাথাকে।" "ধৰি লোৱা, ১৪০টা। তাপ-নিয়ন্ত্ৰণ, অগ্নি-নিৰ্বাপণ, শব্দ-নিয়ন্ত্ৰণ, দৃশ্য-সজ্জা, ছোঁ-ঘৰ আদিৰ ব্যৱস্থাবিলাক দেখাৰ পিছত ক'লো,—"ড° বিয়েট্ৰিছৰ ধুনীয়া চকুযোৰে ডাণ্টেক স্বৰ্গৰ বিবিধ দৃশ্য দেখুওৱাৰ লেখীয়াকৈ তুমি নানা সৌন্দৰ্যৰ মহামেলা এখন দেখুৱালা। অশেষ ধন্যবাদ।" "ডক্টৰ, মোৰ আকৌ গেটেৰ কবিতাৰ ভাষা নাই নহয় যে তোমাৰ সুন্দৰ প্ৰশংসাৰ বাবে ধুনীয়া ধন্যবাদ এটা জনাওঁ।" মই হাঁহি ক'লো, "বাৰু হৈছে। তোমাৰ এই ৰম্যপুৰী মোৰ ইমান ভাল লাগিছে যে ইয়াতে বৈ যাবৰহে মন গৈছে। কিবা এটা চাকৰি মোক দিব নোৱাৰানে?"

"অঁ, কিয় নোৱাৰিম? তুমি আমাৰ প্ৰশিক্ষণ শ্ৰেণীৰ ভাল অধ্যক্ষ হ'বা।" হাঁহি। তেওঁ আকৌ ক'লে, "কিন্তু, এটা কিন্তু আছে। তুমি পুৰা এবছৰ আমাৰ বিশ্ববিদ্যালয়ত জাৰ্মান ভাষা শিকিব লাগিব।" "মই একেবাৰে ৰাজী।" এইদৰে হাঁহিৰ মাজত প্ৰায় এঘণ্টা জুৰি ঘৰটোৰ ভিতৰতে ঘূৰা-পকা আৰু কথা-বতৰা চলিল। মাজে মাজে মনত বেজাৰ লাগিল সকলো থকা আৰু সকলো নথকা গুই থকা ভাৰতবৰ্ষৰ কথা ভাবি।

বাৰ্লিনৰ বেলে বিদ্যালয় আৰু বুখাৰেস্টৰ নৃত্য মহাবিদ্যালয় চাবলৈ যাওঁতেও নৃত্যশিক্ষাৰ অপূৰ্ব ব্যৱস্থা দেখা পালো। জাৰ্মানীত বাৰ্লিনৰটোৰ বাহিৰেও লাইপ্‌জিগ আৰু ড্ৰেছডেনত দুটা বেলে বিদ্যালয় আছে আৰু ৰোমানিয়াৰ বুখাৰেস্টৰটোৰ উপৰিও দুহ্ বোলা ঠাইত দ্বিতীয় এটা লাইচিয়ম দি কোৰিওগ্ৰাফি আছে।

বার্লিন আৰু বুখাৰেস্ট দুই ঠাইৰে অনুষ্ঠানত ফটোগ্ৰাফ দেখুৱাই ভাৰতৰ লোকনৃত্যৰ কথা কৈছিলো আৰু সুধিছিলো, ভাৰতত যেনেকৈ বেলে পদ্ধতি প্ৰয়োগ কৰিবৰ যত্ন কৰা হৈছে, ভাৰতীয় নৃত্যৰ ব্যাকৰণ ইউৰোপত প্ৰয়োগ কৰিব নোৱাৰি কিয় ? বার্লিনৰ ড° ক্ৰিংখে ক'লে, ভাৰতীয় নাচৰ মূল হ'ল পইণ্ট আৰু পাশ্চাত্ত্য বেলেৰ মূল হ'ল কাউণ্টাৰ-পইণ্ট, গতিকে দুইটা মিলোৱা কঠিন হ'ব। পাশ্চাত্ত্য সকলো দেশৰে বেলে কলা সমান্তৰালভাৱে আৰু প্ৰতিযোগিতাত আগ বাঢ়িছে। তেওঁলোকৰ মাজত জ্ঞান আৰু কৌশলৰ, বিশেষজ্ঞ আৰু শিল্পীৰ বিনিময় চলিছে। সেই ধৰণে এই নৃত্যকলা আদর্শ আৰু প্ৰয়োগত গগনচুম্বী হৈ উঠিছে, দেশৰ সাংস্কৃতিক আৰু আন কি বহু পৰিমাণে ব্যাৱহাৰিক জীৱনৰ অংশ হৈ পৰিছে। এয়ে কলা-জীৱন। সেই বাবেই জাতীয় জীৱনত কলাকাৰে সম্মান উপভোগ কৰে জীৱৎকালতে, আমাৰ দেশৰ দৰে জীৱনৰ শেষ প্ৰান্তত নহয়। তিনিওখন দেশতে অনেক ঐতিহাসিক আৰু কলা-সম্পুষ্ট সংগ্ৰহালয় দেখা পালো। সিবিলাকৰ কথা বিৱৰি ক'বলৈ হলে মুছাফিৰৰ সাতপাহ গোলাপৰ কাহিনী মহাভাৰতৰ বনপর্বত পৰিণত হ'ব। গতিকে সেইকালে মনটো বান্ধিলো। ইউৰোপৰ শিৰোভূষণ অনেক চিত্ৰকৰৰে চিত্ৰৰ কথা কাণেৰে শুনিছো কিম্বা তাৰ প্ৰতিৰূপ ছপাত দেখা পাইছো। এতিয়া তাৰে অনেক চিত্ৰৰ মূল ৰূপ দেখা পাই ভবা লাগি মাত্ৰ চায়েই থাকিলো, চায়েই থাকিলো। তাৰ সৌন্দৰ্য কিমান উপলব্ধি কৰিলো, নিজেই নাজানো। ড্ৰেছডেনৰ পিকচাৰ গেলেৰি আৰু হ্বিবিউৰ ক্ৰকেন্থাল সংগ্ৰহালয়ত বিখ্যাত ইতালিয়ান, ফ্ৰেমিংশ, ওলন্দাজ আদি বিভিন্ন সম্প্ৰদায়ৰ চিত্ৰকৰসকলৰ কাম দেখা পালো, আৰু মাথোন স্তম্ভিত হ'লো। বৰ্তমান যুগতো প্ৰাচীন পদ্ধতিৰ আৰু নতুন কিউবিষ্ট, সুৰ্‌ৰিয়েলিষ্ট আদি নানা প্ৰয়োগবাদী শিল্পীয়ে মহা উৎসাহেৰে শিল্পচৰ্চা কৰিছে। তাৰ ভিতৰত শীৰ্ষস্থান পাব পৰা কলাকাৰো নিশ্চয় আছে। এদিন

পিকাছোৰ মুখত থুৱাই দিব পৰা ব্ৰাংকুৎসিৰ স্থাপত্য বা ভাস্কৰ্যৰ একোটি সৰু নিদৰ্শনৰ মূল্য আজি লাখ লাখ ডলাৰ হৈছে। ৰোমানিয়ান চিত্ৰকৰ নিকোলাই গ্ৰিগৰেস্কোৰ সহানুভূতি ভৰা গৰুৰ বা বুঢ়া মানুহৰ ছবি দেখিলে নিজেই যেন তাৰ গৰু এটা বা খুৱলী বুঢ়ী এজনী হৈ ছবিখনত সোমাই পৰিম, এনেকুৱা ভাব হয়।

ৰোমানিয়াত থাকোঁতে কেইবাজনো ওপৰ শাৰীৰ চিত্ৰকৰৰ সান্নিধ্য লাভ কৰা বাবে তেওঁলোকৰ জীৱনটো কাষৰপৰা দেখাৰ সুবিধা হৈছিল। এইসকলৰ মাজৰ আৰ্মেনিয়ান চিত্ৰকৰ হ্ৰাণ্ড্ আভাকিয়ান আৰু মাৰ্কিন ঠগত ফৰকৰকৈ ইংৰাজী কোৱা তেওঁৰ পত্নী ৰোজাৰ লগ পাই ভাল লাগিছিল, বিশেষকৈ ভাৰত, তিব্বত, আৰু দক্ষিণ-পূৱ এচিয়াৰ ভাস্কৰ্যৰ নিদৰ্শন ঠাহ খাই থকা তেওঁলোকৰ ঘৰখনটো দেখা পাই। বৰ কম বয়সতে ঢুকোৱা মন চুকুলেস্কুৰ ঘৰলৈ গৈ তেওঁৰ বিধবা পত্নী আৰু কলা-ইতিহাসৰ ছাত্ৰী কন্যা য়য়ানা চুকুলেস্কুৰ সৌজন্যত স্বৰ্গত চিত্ৰকৰৰ ইউৰোপ-বিখ্যাত চিত্ৰবোৰ ভালদৰেকৈ চাবলৈ পাই বৰ আনন্দ উপভোগ কৰিছিলোঁ। তেওঁৰ বহুতো চিত্ৰই পেৰিছ, নিউয়ৰ্ক আদিৰ পিকচাৰ গেলেৰি সুশোভিত কৰিছে। তেওঁৰ চিত্ৰকলাৰ শেষৰ স্তৰত জীৱন-শক্তিৰ প্ৰতীক টোটেমৰ প্ৰয়োগ। ফুল ভৰা আকাশ, চকু ভৰা খৰাত্ৰ আৰু উৰ্দ্ধকমা-স্বৰূপ জীৱন-চিহ্ন স্পষ্টভাৱে ব্যৱহাৰ কৰা হৈছে।

তিনিওখন দেশতে জীৱনৰ উদ্দাম গতি, প্ৰাণৰ প্ৰাচুৰ্য, হৃদয়াবেগৰ উচলি পৰা কলা-সুলভ প্ৰকাশ নীল আকাশত সূৰ্যৰ কিৰণৰ দৰে যেন বিয়পি আছে। সম্পূৰ্ণ মূল্যবোধেৰে সকলোৱে যেন জীৱনক গ্ৰহণ কৰিছে। চাৰিওকালে কৰ্মশক্তি, কৰ্তব্যবোধ আৰু কৰ্মৰ উজ্জ্বল গতি। সকলোকালে সৌন্দৰ্যবোধ আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ প্ৰতি নিয়ত দৃষ্টি। অকাৰ্য আৰু অসৌন্দৰ্যৰ বাবে যেন কাৰো সময় বা হেঁপাহ নাই। শালীনতা আৰু ভদ্ৰতা তেওঁলোকৰ সমাজ-জীৱনৰ মূল মন্ত্ৰ। কৰ্মৰ বাবে উপযুক্তজনক বাছি

কৰ্মৰ সংস্থান দিব লাগিব আৰু কৰ্মবিমুখজন কাৰো পোষ্য নহয় —এই সাংবিধানিক ব্যৱস্থা থকা দেশত কৰ্মই ধৰ্ম হোৱা একো আচৰিত নহয়। ইয়াৰ মাজত কলা-সংস্কৃতিৰ প্ৰতি স্পৃহা এটি যেন স্বাভাবিক বৃত্তি। সেইহে চাৰিওফালে সকলো কলা "ইমান ফুল প্ৰভাতে প্ৰভাতে।" সকলো মানুহ যেন অন্তৰ ভৰা মৰমিয়াল।

ছিবিউৰ এজন অংকশাস্ত্ৰৰ অধ্যাপকৰ ঘৰলৈ গ'লো। আদৰ-আপ্যায়নৰ পিছত অধ্যাপকে ক'লে, "তুমি ইমান কম সময়ৰ বাবে অহাটো বৰ দুখ লগা কথা হৈছে।" মই ক'লো, "সি সুখ লগা কথাও হৈছে।" "কিয়? কিয়?" বুলি অধ্যাপক আৰু অধ্যাপক-পত্নীয়ে মোৰ জবাবদিহি কৰিলে। মই ক'লো, "তোমালোকৰ মুলুকত কমদিন থাকোঁতেই তোমালোকৰ মৰমে মোক পুতি পেলাইছে। বেছিদিন থাকিলে জানোচা মোক কফিনত সুমুৱাই কবৰ দিয়ে পেলায়॥" তেওঁলোকে সন্তোষৰ হাঁহি মাৰিলে। জাৰ্মানীৰপৰা বিদায় ল'বৰ সময়ত এক প্ৰাসাদৰ ভিতৰত বিদায়-ভোজনৰ ব্যৱস্থা হৈছিল। তাতে প্ৰধান আলহী-সোধোঁতা শ্ৰীমতী কাৰ্লা বিথ্‌টাৰে প্ৰশ্ন কৰিলে, "তুমি ইয়াত কি ভাল পালা, কি বেয়া পালা?" ইতিমধ্যে আৰু এজনে প্ৰশ্ন কৰিছিল, "আমাৰ দেশত কি বস্তুৱে তোমাক আটাইতকৈ বেছি আনন্দ দিছিল আৰু কি বস্তুৱে আটাইতকৈ বেছি আমনি দিলে?" মই ক'লো, "প্ৰশ্নটো বৰ কঠিন, তথাপি কওঁ তোমালোক মানুহবিলাকেই মোৰ আটাইতকৈ আনন্দৰ কাৰণ হৈছিল, আৰু আমনিৰ কাৰণ হৈছিল তোমালোকৰ বৰ বেছি চেনেহ।" উপস্থিত কেয়োজনে সন্তোষৰ হাঁহিৰ ৰগৰি তুলি সুধিলে, "হয়নে? হয়নে?" মই ক'লো, "একেবাৰে প্ৰমাণী কথা।" আকৌ হাঁহি। ভোজৰ অন্তত আমি বাহিৰ ওলাই দুৱাৰ-মুখতে যেন মাৰি আছো, এনেতে দেখিলো আলি-বাটৰপৰা দুগৰাকী যুৱতী দুৱাৰ-মুখৰ কালে আহিছে। বাট এৰি দিবলৈ মই একাৰবীয়া হ'লো। কিন্তু যুৱতীযুগলে যেখোন

মোৰ কাণেহে চোঁচা লয়। মোৰ একেবাৰে কাষ চাপি ভেওঁলোকে নৃত্যৰ ভংগীত মূৰ দোঁৱাই সমস্বৰে কলে, 'কুন্‌তাক' অৰ্থাৎ 'তোমাৰ সুদিন হওক।' মই নাৰ্ভাছ নহৈ প্ৰত্যভিবাদন জনালো 'কুন্‌তাক'। তৰুণী দুটি প্ৰাসাদোপম ভোজনালয়ত প্ৰৱেশ কৰিলে। সকলোৰে মোৰ ফালে চাই চকুৰেই প্ৰশ্ন কৰিলে, 'কোন এওঁলোক?' মই তেওঁলোকক ক'ত দেখা পাইছিলো তাৰি উলিয়াব নোৱাৰিলো, মোৰ গাতে চেলাপেটা জোকৰ দৰে লাগি থকা গাইড লুইজাৰেও তত ধৰিব নোৱাৰিলে। মই তেতিয়া মোৰ উক্তিৰ সপক্ষে ওকালতি কৰি ক'লো, "এনেকুৱা অভিবাদন পালে আমনি নেলাগেনে বাৰু?" সকলোৰে হুৰিভৰ দিলে। তাৰ পিছত বিদায়।

কুন্‌তাক।

মামাইয়া ৭০ ঃ ক'লা-সাগৰপৰীয়া ক'লীয়াহঁত

প্ৰকৃতিৰ কাম্য কাননেই বুলিব পাৰি, এনে হেন ৰোমানিয়া (ইংৰাজে শিকোৱা মতে ৰুমানিয়া নহয় আকৌ দেই।) দেশৰ সৌন্দৰ্যৰ কথা আগতে কিতাপৰ পাতত মানুহৰ মুখত শুনিছো। যোৱা আঠ জুনৰ দিনা ৰোমানিয়াৰ মাটিত ভৰি দিওঁতে গা ৰণ-জিক ৰণ-জিক লাগিল। সঁচায় বৰ ধুনীয়া দেশখন। বসন্ত শেষ হৈ গ্ৰীষ্ম আৰম্ভ হৈছে। দুই-এজাক পাতল বৰষুণো হৈছে। মই বুখাৰেস্ট পোৱাৰ তৃতীয় দিনা শিল-বৰষুণ পৰিল পূৰা পোন্ধৰ মিনিট জুৰি। পথাৰখন যেন বহল ক'লা পিচ্চ চলা ৰাজআলিৰ বৰণ শুকুলা হ'ল। কিন্তু অসমত বৰষুণৰ পিছত হোৱা দৰে গুপ্‌গুপীয়া তাপ এটা উঠি থাকিল। পৃথিৱীখন শাঁত পৰা দূৰৈৰ কথা।

শিল-বৰষুণৰ আগদিনা বহিঃপৰিক্ৰমা মন্ত্ৰালয়ত মোৰ ভ্ৰমণ-সূচীৰ বিষয়ে আলোচনা হৈছিল। মন্ত্ৰালয়ৰ উচ্চ কৰ্মচাৰিণী আৰু মোৰ ঘাই আলহী-সোধঁতী শ্ৰীমতী ভিওৰিকা উংগুৰিআনুৱে সুধিলে, মোৰ বিশেষ কোনো ঠাইত বা বস্তুত বাপ আছেনেকি। এদিনাখন পিকাছোৰ মুখতে থুৱাই দিয়া স্থপতি-ভাস্কৰ ব্ৰাংকুৎসিৰ বিশ্ব-বিশ্ৰুত 'অনন্ত-স্তম্ভ', 'চুম্বন-তোৰণ', 'নিঃশব্দতাৰ আসন' আদি থকা টিৰ্গু জিউ আদি ঠাই, বিখ্যাত কোৰিওগ্ৰাফাৰ পেট্ৰে বভিঅচ্চ আদি লোকৰ নাম কৈ ক'লো, "মই কিন্তু তোমালোকৰ সাগৰৰ পাৰ দেখা পাব লাগিব।"

"বৰ ভাল কথা। তেনেহ'লে কৃষ্ণসাগৰৰ পাৰৰ কনস্টান্‌জালৈ যোৱা।"

"হয়, মই তাৰে কথা কৈছো। সেইবে ৰোমান সভ্যতাৰ যুগৰ 'মনোৰম মহানগৰী টমিছ'।"

"নিশ্চয়, নিশ্চয়। তেতিয়া হ'লে কিন্তু আমাৰ দেশত দুদিনমান সবহাই লৈ থাকিব লাগিব। কাৰণ, কনস্টান্‌জাৰ ওচৰত মামাইআ বোলা ধুনীয়া এডোখৰ ঠাই আছে। এই সময়ত তাত টুৰিস্টৰ আড্ডা। তাতে ২৩ তাৰিখৰপৰা আন্তৰ্জাতিক কথাছবি মহোৎসৱ হব 'মামাইআ ৭০' নামে। অন্ততঃ তিনিদিন সেই উছৱ চালেহে তুমি ভাল পাবা। বেয়া হ'বনেকি বাৰু?"

"নাই, নহয়। কিয় বেয়া হব? ভালহে লাগিব চাগৈ।"

"বৰ ভাল কথা। ভাৰতৰপৰাও দুজন প্ৰতিনিধি উছৱলৈ আহিব। ভাৰতৰ ফিল্মো আছে হ'বপায়।"

"তেনেহলে আৰু কি লাগিছে? মই যামেই। কনস্টান্‌জাৰ নিচিনা বুৰঞ্জী-বিখ্যাত ঠাই, মামাইআৰ দেখীয়া সৌন্দৰ্য-কেন্দ্ৰ, আন্তৰ্জাতিক উৎসৱত যোগদান—মোৰ যেন এক বুটাৰ দুই কাম, ধান বানে, চোহে আম।"

ৰোমানিয়াত এই কাৰ্যসূচী ধৰি একুৰি এদিন থাকিব লগীয়াত পৰিলো। হাংগেৰিত এঘাৰ দিন আৰু জাৰ্মান ডেমোক্ৰেটিক ৰিপাব্লিকত ওঠৰ দিন থপি আহিছোঁৱেই।

২৩ তাৰিখৰ পুৱা বহিঃপৰিক্ৰমাৰ গাড়ীখন লৈ মোৰ গাইড কুমাৰী লিডা কনস্টান্টিনেস্কু ওলালহি। স্থানীয় বিমানপোত ৰানাহিআৰপৰা (আন্তঃৰ্জাতিক পোত হ'ল ওটোপেনি) উৰণ-জাহাজত উঠা মাৰিলো। এশ মাইলমানৰ যাথোন বাট। পকাশ মিনিট মানতে কনস্টান্‌জাত নামিলোঁগৈ। তাৰপৰা বাছত উঠি অলপ দূৰ গৈ পুনৰ মামাইআৰ বাছ ধৰিলো, কাৰণ টেক্সিত যাবলৈ হ'লে ৰ'দত বোম্বাপৰ দি থিয় দি থাকিব লাগে। ৰ'দৰ থিয়ে থাওঁ থাওঁ মূৰ্তি হৈছে আগ-দুপৰতে।

মামাইআ পাই বাছৰপৰা নামিব খুজিছো, খপ কৰে যেখোন দুৱাৰ-মুখত ৰহা দুজন মানুহ থিয় হৈ সুধিলে, মই ভাৰতীয়নেকি। মই ওঁ বোলাত তেওঁলোকে ক'লে, "আমিও ভাৰতীয়, কিন্তু ইংৰাজী

ক'ব নোৱাৰোঁ।" আচলতে তেওঁলোক ৰোমানিয়াৰ জিপছি। ইউৰোপত তেওঁলোকৰ পৰিচয় ভাৰতীয় বুলি, যদিও জিপছি নামটো ইজিপ্‌চিয়ান শব্দৰপৰাহে হৈছে। দুই জিপছি ডেকাই তাৰ পিছত মোক আৰু কিবাকিবি ক'লে। মই বুজি নাপালো। লিডাই ক'লে, তেৱোঁ বুজি পোৱা নাই, কাৰণ জিপছি জাৰ্গণতহে তেওঁলোকে কথা কৈছিল। মই নামি যাবলৈ ধৰোঁতে দুইজনে কৰমৰ্দন কৰিলে আৰু লিডাকো উৰণীয়া চুমাৰে সমুচিত সম্ভাষণ জনালে।

মামাইআ। কৃষ্ণ সাগৰৰ কজলা পানীৰ পাৰে পাৰে ধুনীয়া ঠাই ডোখৰ। একাষে আকৌ এটা হ্ৰদ। সাধাৰণ ঘৰ-দুৱাৰ সৰহ নাই। কিন্তু ঠাইডোখৰ যেন এখন অৰণ্য এজুমমান হোটেলৰ। তাৰ ভিতৰত আটাইতকৈ নতুন আৰু চকুত লগা বাৰ-মহলীয়া হোটেল পাৰ্লা (ইংৰাজীত হ'লে বুলিলোহেঁতেন পাৰ্ল) হোটেল। তাতে কথাছবি উৎসৱৰ অভ্যৰ্থনা সমিতিৰ কাৰ্যালয় আৰু প্ৰতিনিধিৰ বাহৰ। আমি তালৈকে গ'লো। দুইৰো বাবে হোটেলত ঠাই ঠিক কৰিবলৈ লিডা হোটেলৰ মেনেজাৰৰ ওচৰলৈ গ'ল। মই লাউঞ্জতে বহি আছো, মেজত পৰি থকা উছৱৰ কাগজ-পত্ৰবোৰত চকু ফুৰাবলৈ লাগিলো। এনেতে মোৰ মুখামুখিকৈ বহি থকা এগৰাকী মহিলা কাষলৈ আহি ৰোমানিয়ান ভাষাতে সুধিলে, মই ক'ৰ। মই 'ইণ্ডিয়ান' শব্দটো উচ্চাৰণ কৰাত তেওঁ সুধিলে, ফৰাচী ভাষা জানোনে। মই ইংৰাজীহে জানো বুলি কোৱাত তেওঁ আন এগৰাকী মহিলাক মাতি আনিলে। সিগৰাকীয়ে মোৰ আৰু দেশৰ নামটো সুধি ৰেকত শাৰী শাৰীকৈ থোৱা ফাইলৰ ওচৰলৈ গ'ল। মই ক'লো "মই প্ৰতিনিধি নহয়, মোৰ বাবে জানো তাত ফাইল হব!" "চাওঁচোন বাৰু" বুলি তেওঁ মোৰ নাম থকা প্ৰকাণ্ড এটা ফাইল আনিলে। বৰ আচৰিত যেন লাগিল। মই তেনে শ্ৰীমতী উংগুৰিআনুৰ প্ৰসাদত চিত্ৰ-জগততো নামটো ভৰ্তি কৰিলো। ফাইলটো মেলি দেখোঁ মোৰ নাম লেখা বেজ এটাও তাত আছে।

পিছে, নামটো লেখিছে "এন্ মহেশ্বৰ" বুলি, কাৰণ তেওঁলোকৰ দেশত আৰু হাংগেৰিতো উপাধিটোহঁত পোনতে আৰু নামটোহঁত পিচত লেখাৰ নিয়ম, আৰু এতিয়া সেই সূত্ৰমতে নেওগ মোৰ নাম আৰু মহেশ্বৰ মোৰ উপাধি হ'ল! খা ভাত সুখেৰে!! আন দুই-এঠাইত মোৰ বন্ধুৰেই মোক 'প্ৰফেছৰ মহেশ্বৰ' বুলি আনৰ ওচৰত চিনাকি কৰি দিছিল।

মই বেজটো চাওঁতে মুখত হাঁহি বিৰিঙা দেখি হ'ব পায় মহিলা গৰাকীয়ে সুধিলে, "ইমানকৈ কি চাইছা? কিবা ভুল হৈছেনেকি?"

"কিয় ভুল হ'ব? মোৰ নামটো যে ইমান ধুনীয়াকৈ লেখিছা, তাকহে চাইছো।"

এনেতে লিডা আহি পালে আমাৰ থকা ঠাই ঠিক কৰি—মোৰ বাবে হোটেল পাৰ্লাৰ বাৰ মহলাত আৰু তেওঁৰ বাবে ওচৰৰ হোটেল ডেচিয়াত (ডেচিয়া ৰোমানিয়াৰ পুৰণি নাম, ৰোমানিয়ানসকলৰো পুৰণি নাম ডেচিয়ান, তেওঁলোকৰ দেশত ওলোৱা প্ৰথম মটৰ গাড়ীৰ নামো দিছে ডেচিয়া)। তেওঁক দেখিয়ে মই ক'লো, "চোৱাঁ আইটি, তুমি হোটেলৰ সামান্য ঠাইহে ঠিক কৰিলা। মই ইতিমধ্যে মস্ত এক ফিল্ম-ডিৰেক্টৰ হ'লো আৰু মোৰ লগত থকা বাবে তুমিও বোধ হয় ফিল্মস্টাৰেই কি কিবা হৈছা।"

"এ, হয় নেকি" বুলি লিডাই খৰৰ কৰাত তেওঁৰ বাবেও টিকট, নিমন্ত্ৰণ আদিৰ চিঠিৰে সৰু ফাইল এটা ওলাল। তেতিয়া দুপৰৰ ভোজনৰ সময় চৰিয়ে গৈছিল। গতিকে আমি ঠিক কৰিলো সোনকালে সেই কাৰ্য কৰি আবেলিৰ (মানে ৬ বজাৰ) ককৃটেইল পাৰ্টিলৈ তৰহ-তৰহকৈ ওলাব লাগে, কাৰণ ইতিমধ্যেই আমি উক্ত ভূমিকালৈ উন্নীত হৈছো।

ছাবে পাঁচ বজাতে লিডা ওলালহি সাজি-পাৰি। প্ৰতিনিধি-সকলৰ সন্মানাৰ্থে পাৰ্টি হ'ব লগীয়া হেলোনাদে মেলোডি বাৰ বোলা হোটেলটোলৈ প্ৰতিনিধি কঢ়িওৱা প্ৰথমখন গাড়ীতে আমি যাত্ৰা

কৰিলো। নিৰ্দিষ্ট ঠাই পাই মই লিডাক ক'লো, "আমি একাৰবীয়াকৈ বহোঁ যাতে গোটেই তামাছাটো চাই থাকিব পাৰোঁ। সুমথিৰাৰ ছৰ্বতেই মোৰ বাবে আটাইতকৈ চোকা পানীয়। তুমি তোমাৰ খুছিমতে ককটেইল ধৰিব পাৰা।" নানা বং-বিৰঙৰ কাপোৰ পিন্ধা পৃথিৱীৰ ফিল্ম জগতৰ মুখচ-ফুটোৱাসকল আহিব লাগিছে, প্ৰকাণ্ড ঘৰটো ঠাঁহ খাই পৰিছে। কোন ক'ৰ মানুহ অনুমান কৰি পাতল পানীয় (কাৰণ লিডায়ো মোতকৈ ওপৰ থাপলৈ মুঠিবলৈকে থিবাং কৰি পেলালে) আৰু চৰ্ব্য গ্ৰহণ কৰি ধেমালিখন চাই আছো। এনেতে চাৰি-পাঁচ বছৰীয়া এজনী ছোৱালী আহি মোৰ লগত আলাপ আৰম্ভ কৰি দিলে। লিডাৰ যোগেদি খবৰটো সংগ্ৰহ কৰিলো, ছোৱালীজনী ফিল্ম ডিৰেক্টৰ মাকৰ লগতে আছে। সিজনীৰ ভাষা ফৰাচী, আৰু মোৰ ভাষা মোৰ নিজা এস্পাৰেণ্টো আৰু শ্ৰীহস্তমুক্তাৱলী। সংলাপ বেছ ভালেই হৈছিল। মাকেও জীয়েকৰ সুকাৰ্য দেখি সন্তোষ লাভ কৰি বিনাসংকোচে ককটেইলত মন দিব পাৰিছিল।

এনেতে দেখিলো, পান-ভোজনত তুষ্টসকল এজন দুজনকৈ পিচ-ফালৰ বাৰাণ্ডালৈ ওলাইছে। আমাৰ ভাৰতীয় প্ৰতিনিধি দুজনক ক'ৰবাত দেখা পাওঁনেকি, এই ভাবি আমাৰ মেক্সেমইকেলাক মাকেৰে এৰি লিডাৰে ইফাল-সিফাল কৰিবলৈ ধৰিলো। কিন্তু চকুত বাটি দিবলৈকো ক'তো ভাৰতীয়ৰ গোন্ধ নাপালো। বিকল-মনোৰথ হৈ দুখে-বেজাৰে আমি তুলি পৰা টুল দুখনত বহিছোহে, ক'ৰবাৰপৰা ডেকা এজন আহি ভাৰতীয় ধৰণে মোক নমস্কাৰ জনাই, কাষৰতে এখন টুলত বহিল। মই ডেওঁক চকুত বাটি দিয়া ওঁৰৰপালি বুলিয়ে ভাবিছিলো। পিছে, নহয়। ডেওঁ ডেওঁৰ কাগজ খোজাৰ মাজৰপৰা এখন টোকা-বহী উলিয়াই কথা একাকি লেখি মোক দিলে, "মই ডেনমাৰ্কৰ টেলিভিজনৰপৰা আহিছো, এই উৎসৱ সম্পৰ্কে এটা কাহিনী লেখিম। তুমি ভাৰতীয় বুলি জানিছো আৰু তোমাৰেই

প্ৰথম সাক্ষাৎ (ইন্‌টাৰভিউ) কৰোঁ বুলি ভাবিছো। কিন্তু মোৰ বচন আৰু শ্ৰৱণ উভয় শক্তিয়েই বিকল। ভাৰতৰ কথা লৈ মই লিখি লিখি প্ৰশ্ন কৰোঁ, তুমি ময়াকৈ লিখি লিখি উত্তৰ দিবানে ?"

মই ক'লো, "শক্তিয়ে আঁটে মানে দিয়া যাব।"

কিন্তু তেওঁৰ এতিয়া প্ৰশ্নৰ শেষ নহয়হে নহয়। লিডাৰো বোধ হয় আমনি পাইছে। "তুমিনো আকৌ কিহত লাগিলা ? লেখাৰ দেখোন অন্ত নাই। কিনো লেখিছা ?"

মই ক'লো, "ব'বা, ফিল্ম-ডিৰেক্টৰৰ ভূমিকা পাইছো, সতকাই এৰি দিবলৈনে ? তথাপি যদি তুমি বেয়া পাইছা, ইমানতে শেষ কৰোঁ।" এই বুলি লিডাক দেখুৱাই ডেকাৰ বহীত লেখিলো, "মই স্কুলমাষ্টৰহে, ফিল্ম-ডিৰেক্টৰ নহয়, আৰু মোৰ লগৰ মহিলা গৰাকীও ফিল্ম-ষ্টাৰ নহয়।"

বহীখন ঘূৰাই দিলো। ডেকাই কৃতজ্ঞতা জনাই আন চিকাৰ বিচাৰি খোজ ল'লে। আমিও কক্‌টেইলটো পূৰা নহ'ল ভাবি একোগিলাচ অপা মিনাৰেলা অৰ্থাৎ চোডা-পানীৰ নিচিনা খনিজ জল খাই সাগৰৰ পাৰেদি হোটেললৈ পোনাই খোজ ল'লো।

ছাবে আঠ বজাৰপৰা মুকলি ৰঙ্গমঞ্চত (ভিয়েট্ৰ ল ডি ৰক) ফিল্ম-প্ৰদৰ্শন আৰম্ভ। মই এটা কথা ইমান পৰে লুকুৱাই থোৱাৰ দৰেই থৈছিলোনেকি ! উৎসৱলৈ অহা ছবিবোৰৰ নায়ক-নায়িকাসকল জীৱ লগা ডেকা-গাভৰু, আন কি বুঢ়া-বুঢ়ী বা ল'ৰা-ছোৱালীও নহয়। এই নায়ক-নায়িকাসকলৰ আকৌ জীৱ লগাইহে ল'ব লাগে। সেই বাবে সিবোৰক এনিমেটেড ফিল্ম বোলা হয়, লোকে কাৰ্টুন ফিল্মো বোলে, কোনোৱে ট্ৰিক ফিল্মো কয়। নানা প্ৰকাৰৰ পুতলা আৰু ছাঁ-পোহৰৰ নিৰ্জীৱতাক সজীৱ কৰি এই ছবিবোৰ নিৰ্মাণ কৰা হয়। ভাৰতত এনে ফিল্ম বৰ বেছি নহয়। এনিমেটেড ফিল্মৰ এইটো হ'ল তৃতীয় আন্তৰ্জাতিক মহোৎসৱ। আগতে দুবাৰ [illegible] সেই উৎসৱ হৈছে। [illegible] আৰু লিডা দুটাকে সহজে

দিব পৰা হয়। বৰ্তমান উৎসৱৰ মাজৰ সভাবিলাকত সেই বিষয়েই আলোচনা হৈছিল।

আমি হোটেললৈ ঘূৰি আহি সাগৰৰ মুখলৈ থকা খলপা-কটা চোতালত সন্ধিয়াৰ ছাঁত বহিলো। লিডাই মোৰ বাবে এডোখৰ ৰোমানিয়ান কথা ইংৰাজীলৈ অনুবাদ কৰিলে মুকলি মঞ্চলৈ যাবৰ বেলা হোৱালৈকে। ফিল্মবোৰৰ একোখনৰ সময় মাথোন দুই মিনিটৰ পৰা ১৫।১৬ মিনিটলৈ। একে বহাতে চৈধ্য-পোন্ধৰখনকৈ ফিল্ম দেখুওৱা হয়। গধূলি মুকলি মঞ্চ, পুৱা কনস্টাঞ্জাৰ ৰিপাব্লিক চিনেমাটোগ্ৰাফি-শালাত ফিল্ম প্ৰদৰ্শন চলে। প্ৰথম দিনাখন দেখা ছবিবোৰৰ ভিতৰত মাৰ্চেল য়াংকোভিকচ নামে এজন হাংগেৰিয়ান নিৰ্দেশকে কৰা এখন ছবি দেখি বিশেষ ভাল লাগিল—"আল্মোক ছাৰনিয়ান" অৰ্থাৎ 'উৰণীয়া সপোন'। বস্তুতঃ এই ছবিখন হ'ল এয়াৰ ইণ্ডিয়াৰ বিজ্ঞাপন। কিন্তু য়াংকোভিকচৰ সৌন্দৰ্য-দৃষ্টিয়ে তাক শিক্ষাপ্ৰদ আৰু উপভোগ্য কৰি তুলিছে।

হোটেললৈ ঘূৰি আহোঁতে নিশা প্ৰায় দুপৰ হ'ল। ভোজন কক্ষত শ শ মানুহ ভোজনত ব্যস্ত। মাজ ঠাইতে এগৰাকী সুকণ্ঠী গায়িকাই গান গাইছে। বহুতো পুৰুষ-মহিলা যোৰা পাতি নাচিছে। সকলো উত্ৰাৱল। কাৰো মাত কোনেও নুশুনে। চিঞৰ-বাখৰৰপৰা আমি যিমান পাৰি আঁতৰি একাষৰীয়া হৈ বহিছো। এনেতে বুখাৰেস্টৰ ফিল্ম ইনস্টিটিউটৰ এজন কৰ্মকৰ্তা ডিমিট্ৰিউ কাষ চাপি আহি এটুকুৰা কাগজত মোৰ নামটো দেখুৱালে, ক'লে, তেওঁ মোৰ ইন্‌টাৰভিউ ল'ব। মই ক'লো, "কোলাহল শাম কাটিলেহে বোধ হয় ভাল হ'ব।" তেওঁ তথাপি দোভাষী লিডাৰ সহায়ত দুই-এটা কথা সুধিলে আৰু মোৰ কথাৰপৰা টোকা ল'লে। তেওঁ ক'লে, তেওঁ ভাৰতীয় ছবি দেখিছে, সেইবিলাক বৰ উচ্চ মানৰ। ৰাজ কাপুৰৰ কথা এই দেশ কেইখনত সকলোৱে জানে, বৰ ডাঙৰ আৰ্টিস্ট, ইত্যাদি। ডিমিট্ৰিয়ে তেওঁৰ ইনষ্টিটিউটলৈ মোক নিমন্ত্ৰণ জনাই

পুনৰ নিজৰ ভোজনৰ পাতত বহিলগৈ। লিডাই সুধিলে “তুমি কি কৈছা বুলি এওঁ কাগজত লেখিব? কথাবোৰ শুনিছে জানো ভালকৈ?” “কিয় চিন্তা কৰিব লাগিছে? তেওঁ যি ভাল দেখে, তাকেই লেখিব নিশ্চয়। তাতনো মোৰ কি ক্ষতিটো হ'ব?”

আমি খাবলৈ ধৰিছো, এনেতে এগৰাকী মহিলা আমাৰ মাজত বহিলহি। তেওঁ লিডাৰ বান্ধৱী, বুখাৰেস্টৰ কোনোবা এটা স্কুলৰ ইংৰাজীৰ শিক্ষয়িত্ৰী। নাম ছাণ্ডা। কথা-বতৰাবোৰ নিতান্ত সৰু ছোৱালীৰ নিচিনা। মোক ভাৰতৰ বুলি জানি বুদ্ধ, যোগ আদিৰ বিষয়ে যি জানে অংগি-ভংগিৰে দেখুওৱাত লাগি গ'ল। এজন ডেকা আহি এবাৰ লিডাক, এবাৰ তেওঁৰ বন্ধু ছাণ্ডাক নাচৰ লগৰীয়া হ'বলৈ অনুৰোধ কৰিলে। মই যাবলৈ কোৱাতো কোনোজনী নগ'ল। নাচিবলৈ ভাল নাপায় বোলে। নিশা বহুত হৈছে। আনন্দ-কোলাহল চৰি টিংখোপত উঠিব লাগিছে। মোকছে ভাৰতীয় টোপনিটোৱে হেঁচা মাৰি ধৰিব খোজাত লিডাইঁতক ভোজনশালাতে এৰি প্ৰস্থান কৰিলো।

পিছৰ ছদিনো ছুই বেলা ছবি চালো। সিবোৰৰ ভিতৰত বিভিন্ন দেশৰপৰা অহা ছবিৰ ভিতৰত লোক-কথাৰ মোটিক থকাবিলাককে আটাইতকৈ ভাল লাগিল। নতুন নতুন ধৰণৰ ছবিও অশেষ। যুক্তৰাষ্ট্ৰৰ ‘ব্ৰেক্ ইজ্’ আৰু ‘এক্টেচ্’ ছবিত কোনো নিৰ্দিষ্ট ৰূপ নেদেখুওৱাকৈ মাথোন ক'লা আৰু বগা ৰঙৰ জপিওৱা-জপি। আন-কালে ক্ৰান্চৰ ‘ভিহেজেছ দ’ কেমিজ’ ছবিত মৌলিক ধৰণে ‘হিপ্পি’, ‘হেপি’ আৰু ‘ক্লাৱাৰ ৰমেন'ৰ চিত্ৰ আঁকিবৰ যত্ন। ভাৰতৰ ফিল্ম ডিভিজনৰ ছবি ‘কেওহ’ত জন্ম-নিয়ন্ত্ৰণৰ বিজ্ঞাপন। ছবিৰ কৌশলৰ ফালৰপৰা সি ভাল হৈছিল; বিষয়-বস্তুৰ ফালৰপৰা দৰ্শকসকলৰ উপভোগ্য হ'ল যেন নালাগিল। মোৰ ভাল নালাগিল, কাৰণ মই সেই সুযোগতে এখানমান হ'লেও ভাৰতীয় সংগীত শুনিবলৈ পাবলৈ আশা কৰিছিলো।

উৎসৱৰ মাজতে কনস্টাঞ্জাৰলৈ গৈ মুৰেস্ক স্থাপত্য শৈলীৰ পুৰণি মছজিদ, পিটাৰ আৰু পল কেথিড্ৰেল, কলা-সংগ্ৰহালয় আৰু পুৰাতত্ত্ব সংগ্ৰহালয় চালোগৈ। এয়া অন্য এক কাহিনী। ইয়াত তাৰ মুৰ নেমেলো বুলি ভাবিছো।

২৬ জুনৰ পিছবেলা বুখাৰেস্টলৈ ঘূৰিম। কিন্তু আগ ৰাতি দেখোন পেটৰ বিষত শুব নোৱাৰোঁ। পুৱাও গা-পা ধুই বৈঠকখানা আৰু খোৱা ঘৰলৈ নামি যাবৰ যেন শক্তি নাই। মোক ননমা দেখি লিডাই তললৈ লৈ গ'লহি। মই ক'লো, "ডাক্তৰক এবাৰ কথাটো সুধিব লাগিব। নহ'লে পিছবেলা যদি যাব নোৱৰা হওঁ!"

"মই ইয়াত কোনো ডাক্তৰ নেজানো। ছাণ্ডাই জানে, তায়ে লৈ যাওক তোমাক। মোৰ কাম এটা আছে, মই সাউৎ কৰে কৰি আহোঁ।"

মোক ছাণ্ডাৰে ব্ৰেকফাস্ট টেবুলত এৰি লিডা আঁতৰি গ'ল। কনস্টান্টিন এনেক নামে এজন লেখকে ইউৰোপত লেখা মোৰ কবিতা বিচাৰিলে। মই ক'লো, লিডাৰ যোগে মই ইউৰোপ এবাৰ আগলৈকে লেখা কবিতা কেইটামান লিডাৰ হাতত এৰি যাম। তেওঁ এৰিলেও কৰ্পটিয়ে নেবে। ছাণ্ডাই ক'লে, "তুমি সকলোকে ইন্টাৰ্ভিউ দিলা। মৰো এটা লওঁ।" এই বুলি চুৰট হুপি হুপি তেওঁ লেখা আৰম্ভ কৰিলেই। ডাক্তৰৰ কথা পিছ পৰিল। উৎসৱ দেখি হোৱা মোৰ ভাবৰ দুটামান ক'লো—কি ভাল দেখিলো, কি ভাল পালো।

"কিন্তু ৰোমানিয়ান ছবিবোৰৰ বিষয়ে কোৱাঁ, কোনখন ভাল কোনখন বেয়া।" পৰিলো বিপদত; ক'লো, "তোমালোকৰ ভাষাৰ নামবোৰ এতিয়া মোৰ মনত নাই। কেনেকৈ থাকিব, তুমিয়ে কোৱাঁচোন। তুমি যদি নামবোৰ কৈ ছবিবোৰৰ ঘটনাটোইত কৈ যোৱা, মই মনত পেলাই পেলাই মন্তব্য কৰি যাব পাৰিম। সেইদৰে হ'লে বহুত সময় লাগিব। মোৰবে লেটৰ কিয়। তাতকৈ এটা কথা নকৰা কিয়? যি যি কেইখন ছবি তোমাৰ ভাল লাগে, তাকে মই ভাল পাইছিলো বুলি আৰু বাকীবোৰ বেয়া পাইছিলো বুলি

এতিয়া যিবখলা ক'লো, তাৰ লগতে লগাই দিবা। এয়ে উত্তম উপায়।"

ছাওাই হাত-চাপৰি বজালে। দুয়ো ডাক্তৰ বিচাৰি ওলালো। বাটত তেওঁ কৈ গ'ল, "তুমি ভয় খাব নালাগে। এইটো একো অসুখ নহয়। এনে পেটৰ বিষ মামাইআলৈ আহিলে হয়েই। তুমি এৰাঁ গাখীৰ খোৱাৰ সুবিধা পোৱা হ'লেই বোধ হয় তোমাৰ বিষ নহ'লহেঁতেন। সাধাৰণ মানুহে এইটো অসুখক মামাইআক বুলি মাতে।"

ডাক্তৰ থকা হোটেলত ডাক্তৰ নাই। তাৰ ৰিচেপ্সনিস্ট মহিলা-গৰাকীয়ে এডোখৰ ঠাই দেখুৱাই ক'লে, তাতে ডাক্তৰো আছে, দৰবো আছে। তালৈকে বাট ল'লো। বাটত ছাওাই এটা বাঁহী কিনি মোক দি ক'লে, "এইটো ভাৰতৰ ভেড়াৰখীয়াৰ কাৰণে।" ক্লিনিকটোৰ ডাক্তৰণীয়ে ক'লে, মামাইআৰ পানীৰ কাৰণেই সকলো টুৰিস্টৰে এনে পেটৰ বিষ হয়। তেওঁ ছবিধৰ আঠটা বৰি দিলে, চাৰি পালি কৰি খালেই ক'ৰ বিষ ক'ৰবালৈ যাব।

হোটেল ভেচিয়ালৈ গৈ তাত লিডাক নাপাই ছাওাক এৰি পাৰ্লাৰ লাউঞ্জত বহিলো। এনেতে দেখোন তিতা কাপোৰ পিন্ধি লিডা মোৰ ওচৰত বহিলহি। তেওঁ সাগৰত সাঁতুৰি আহিছেগৈ। সেই কথাটোকে তেওঁ মোক আগতে নক'লে। কিন্তু হঠাতে সময়ৰ কথা মনত পৰাত তেওঁ তেওঁৰ জোলোঙাটো খেপিয়াই চাই দেখে, ঘড়ীটো নাই। আকৌ চায়, ৯০০ লেই ধনেৰে মনিবেগটো নাই। আৰু চায়, তেওঁৰ চাবিকোছাও ঘড়ী আৰু মনিবেগৰ লগতে নাই। লিডাই ক'লে, "পৃথিৱীত চোৰ আছে বুলি শুনিছো। কিন্তু চোৰৰ কাণ্ড এই প্ৰথম দেখা পালো।" এতিয়াতো আৰু উপায় নাই। পুলিচক জনোৱা হ'ব, কিন্তু বস্তু কেইপদ ঘূৰাই পাবৰ আৰু আশা ক'ত?

মামাইআৰ সাগৰৰ পাৰত হেজাৰ হেজাৰ মানুহ। পা ঢোকা মাত্ৰ পিন্ধি অনেকে সাঁতুৰিছে, অৰ্থাৎ পানীত খেলখেলাইছে। আন

অনেকে আকৌ আমাৰে সহিবলৈ টান লগা চৌকলীয়া ব'দত তপত বালিত দীঘল দি পৰি কৃষ্ণ-ক'লা হ'বৰ কাৰণে যত্ন কৰিছে। বার্লিনৰ শ্বোনফেল্ড এয়াৰ-পোর্টত আগ বঢ়াই থ'বলৈ আহোঁতে জার্মানীৰ মোৰ অতিথি সোধোঁতা শ্ৰীমতী কার্লা বিখটাৰে কৈছিল, "তোমাৰ গাৰ ৰংটো বৰ ভাল।" মই কৈছিলো, "এই কথা প্ৰশংসা বুলি ল'বলৈ মই টান পাইছো, কাৰণ আমাৰ দেশত হ'লে তোমা-লোকৰ মানুহৰ ৰংহে পছন্দ কৰিলোহঁতেন।" বিলাতত হেনো ৩১ ডিচেম্বৰ আৰু ১ জানুৱাৰীৰ সন্ধিত মানুহে ক'লা মানুহ দেখা পাবলৈ বৰ হাবিলাস কৰে। মানুহৰতো এইটোৱেই বিপদ—গুৰুদেৱৰ ভাষাত "আমি যাহা চাই তাহা ভুল করে চাই, যাহা পাই তাহা চাই না।"

মামাইআত প্ৰায় সম্পূর্ণ উদং গাৰে তপত বালিত পৰি কলীয়া হ'বৰ যত্ন কৰাসকলৰ যদি ৰংটো চিৰস্থায়ীকৈ ক'লা হ'লহেঁতেন, তেওঁলোকেও সেই যত্ন নকৰিলেহেঁতেন। জাৰকালি আহিলেই তেওঁলোকৰ ধুনীয়া কৃষ্ণ ৰং উভি যায়, তেওঁলোকে গ্ৰীষ্মৰ উত্তাপত আকৌ গা বনকাব লগীয়াত পৰে। মামাইআৰ ক'লা সাগৰৰ পাৰৰ ক'লীয়াইঁতক আৰু ক'লী আইটীইঁতক দেখি সমূলে ভাল নালাগিল, বিপৰীত ভাবহে মনত হ'ল। কিছুমান দেখাত পথৰা আৰু পাথৰী (শ্ৰীবিষ্ণু!!) হৈছে আৰু কিছুমানৰ হৈছে দলনিত গোঁৰা ম'হৰ তেজ খাই তুলতুলীয়া দি থকা ম'হ-জোকৰ বৰণৰ। দেখি কিনো ভাল লাগিব বাৰু?

হাংগেৰিত ডুনা আৰু ৰোমানিয়াত ডুনাৰিআ নামেৰে জনাজাত ডানিউব নৈৰ বানপানীয়ে কোবোৱা গাঁও-ভূঁইৰ মাজেদি ৰূপহী বুখাৰেস্ট নগৰীলৈ বিজুলীয়ে টনা ৰেলত ঘূৰি আহিলো। মামাই-আৰ বিৰ আৰু ক'লিয়া-ক'লিমতীইঁত সাগৰৰ পাৰতে থাকি আহিল।

বিদায়-মেলাত শ্ৰীমতী উংগুৰিআনুৱে কৈছিল মোৰ ভিতৰে-দিয়েই যেন মামাইআৰ বাণী ভাৰতবর্ষই পায়। জীৱীভূত নির্জীৱ নায়ক-নায়িকাসকলৰ আশীর্বাদ এতিয়া ৰোনৰঞ্জিশবাইত বৰ্ত।